ঈশ্বৰীতলাৰ কাহিনী

আদান-প্রদান

ঈশ্বৰীতলাৰ কাহিনী

শ্যামল গংগোপাধ্যায়

অনুবাদ

নলিনীধৰ ভট্টাচাৰ্য্য

নেশ্যনেল বুক ট্রাষ্ট, ইণ্ডিয়া

ISBN 81-237-2128-5

1997 (শক 1919)
© শ্যামল গংগোপাধ্যায়

অসমীয়া অনুবাদ © নেশ্যনেল বুক ট্রাষ্ট, ইণ্ডিয়া, 1997
Iswaritolar Rupkatha (*Asamiya*)

মূল্য ঃ 54.00 টকা

সঞ্চালক, নেশ্যনেল বুক ট্রাষ্ট, ইণ্ডিয়া, এ-5 গ্রীণ পার্ক,
নতুন দিল্লী-110016ৰ দ্বাৰা প্ৰকাশিত।

পাতনি

১৮৫৮ চন। টেকচাঁদ ঠাকুৰ—এই ছদ্মনামেৰে প্যাৰীচাঁদ মিত্ৰই 'আলালেৰ ঘৰেৰ দুলাল' নামৰ উপন্যাসখন লিখে। তেতিয়াই বাংলা উপন্যাসৰ জন্ম। ১৮৬৫ চনত বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ 'দুৰ্গেশনন্দিনী'ত তাৰ নাবালকত্ব ফুটি উঠে। তেওঁৰেই 'কপালকুণ্ডলা' (১৮৬৬), 'বিষবৃক্ষ' (১৮৭৩), 'চন্দ্ৰশেখৰ' (১৮৭৩), 'কৃষ্ণকান্তেৰ উইল' (১৮৭৮), 'ৰাজসিংহ' (১৮৮২), 'আনন্দ মঠ' (১৮৮২), 'দেবী চৌধুৰাণী' (১৮৮৪) আদি সৰু-ডাঙৰ চৌধখন উপন্যাসৰ মাজত তাৰ পৰিপূৰ্ণ যৌৱনেও দেখা দিয়ে। এনেকৈ বংকিমচন্দ্ৰই বাংলা উপন্যাসক বিশ্বসাহিত্যৰ ঘাই সুঁতিৰ লগত সংযুক্ত কৰি দিলে।

বাংলা উপন্যাসৰ দ্বিতীয় পৰ্য্যায়ৰ সবাতোকৈ অগ্ৰগণ্য ব্যক্তিত্ব হ'ল ৰবীন্দ্ৰনাথ ঠাকুৰ। তেওঁৰ প্ৰথম উপন্যাস 'বৌ-ঠাকুৰাণীৰ হাট' (১৮৮৩), ইয়াৰ পিছৰ 'চেখেৰ বালি' (১৯০৩), 'গোৰা' (১৯১০), 'ঘৰে-বাইৰে' (১৯১৬), 'শেষেৰ কবিতা' (১৯২৯), 'চাৰ অধ্যায়' (১৯৩৪) আদি তেৰখন উপন্যাসৰ মাজেদি বাংলা সাহিত্যই আধা-সামন্ততান্ত্ৰিক, আধা-ধনতান্ত্ৰিক আৰ্থিক ভেটিত লালিত হৈও, সকলোধৰণৰ সামন্ততান্ত্ৰিক কুসংস্কাৰ, পৌত্তলিকতাত আচাৰ-সৰ্বস্বতা আৰু উৎকট স্বাজাত্য প্ৰীতিৰ গতি অতিক্ৰম কৰিলে।

এই দ্বিতীয় পৰ্য্যায়ৰ বাংলা উপন্যাসৰ আন এজন প্ৰাণপুৰুষ হ'ল শৰৎচন্দ্ৰ চট্টোপাধ্যায়—যি ৰবীন্দ্ৰনাথৰ দৰে মননশীলতাৰে নহয়, হৃদয়ৰ দুৰ্নিবাৰ আকৰ্ষণেৰে বঙালী জাতিৰ শিক্ষিত অংশটোক সাহিত্যমুখী কৰি তুলিব পাৰিছিল। তেওঁৰ প্ৰথমখন উপন্যাস 'বৰদিদি' (১৯১৩)কে আৰম্ভ কৰি 'বিপ্ৰদাস' (১৯৩৫)লৈকে ষোলখন উপন্যাসত বাংলা উপন্যাসৰ যি পৰিমণ্ডল গঢ় লৈ উঠিছিল, সি ব্ৰাহ্মণ্য সমাজ ব্যৱস্থা নিয়ন্ত্ৰিত হ'লেও, অৱক্ষয়ী সামন্তবাদৰ অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদী আৰু পীড়িত নাৰীসমাজৰ স্বাধিকাৰৰ প্ৰশ্নেৰে মুখৰ।

বাংলা উপন্যাসৰ তৃতীয় পৰ্য্যায়ত, বৰ্তমান শতিকাৰ দ্বিতীয় দশকত এজন দেহাত্মবাদী সাহিত্যিকৰ উদ্ভৱ হয়। প্ৰথম পৰ্বত তেওঁবিলাকৰ জীৱন-বোধ জাতীয় ঐতিহ্যৰ পৰা সৃষ্টি নোহোৱাৰ বাবে সম্পূৰ্ণ সাৰ্থকতা লাভ কৰিব নোৱাৰিলে। কল্লোল, কালিকলম, প্ৰগতি, শনিবাৰেৰ চিঠি, সংহতি, বিচিত্ৰা আদি আলোচনীৰ সন্মিলিত উদ্যমৰ সহায়ত যিসকল লেখক ব্যক্তিগতভাৱেও স্বতন্ত্ৰ বৈশিষ্ট্যেৰে উজ্জ্বল তাৰকা-ৰূপে জিলিকি উঠিছিল, তেওঁবিলাকৰ কোনোৱেই কিন্তু দ্বিতীয় দশকৰ ভাৰতীয় সমাজৰ চাৰিটা শ্ৰেণীৰ—সামন্ত প্ৰভু, পুঁজিপতি বুৰ্জোৱা, মজদুৰ (প্ৰোলিটেৰিয়েট ঃ সৰ্বহাৰা), কৃষক-কোনো এটিৰে শ্ৰেণীগত সত্তাক সাহিত্যৰ বিষয়-বস্তু কৰি তুলিব পৰা নাই। এওঁবিলাকৰ গল্প-উপন্যাসৰ মূল বিষয়-বস্তু হৈছে আশ্ৰয়হীন, অনৰ্থক ঘূৰি ফুৰা মানুহ চোৰ, ভিক্ষাৰী আদি মানুহ যি উৎপাদনমূলক বৃত্তিৰ লগত জড়িত নোহোৱাৰ বাবে

হৈ পৰে লুম্পেন প্ৰোলিটেৰিয়েট অৰ্থাৎ আশ্ৰয়হীন সৰ্বহাৰা। বিশেষ কোনো শ্ৰেণী-চৰিত্ৰহীন মধ্যশ্ৰেণীভুক্ত কেৰাণী সমাজৰ কথাকো এওঁবিলাকে উপজীৱ্য কৰি তুলিলে।

শৰৎচন্দ্ৰৰ পিছত যি তিনিজন মহাৰথীক লৈ বাংলা উপন্যাসে ব্যাপ্তি লাভ কৰিছিল, তেওঁবিলাক আটাইবোৰ বন্দোপাধ্যায়। বিভূতিভূষণ বন্দোপাধ্যায়ৰ প্ৰথম উপন্যাস 'পথেৰ পাচালী'ৰ প্ৰকাশৰ সময় হ'ল ১৯৩৯ খ্ৰীঃ। আধুনিক মননৰ শ্ৰেণীচেতনা এইজন লেখকৰ ৰচনাত ফুটি নুঠিলেও, নিসৰ্গ প্ৰকৃতিৰ অদ্ভুত ৰহস্যময়তা, সৌন্দৰ্য্য আৰু শৰীৰী উপস্থিতি আৰু বাংলাৰ গাঁওবোৰৰ দৰিদ্ৰ জনজীৱনৰ অপূৰ্ণ আশা-আকাংক্ষা, অপ্ৰকাশিত ব্যথা-বেদনা উপন্যাসত ইটোৰ পিছত সিটোকৈ এনে সুন্দৰকৈ প্ৰকাশ পাইছে যে সেইবোৰ বাংলা সাহিত্যৰ চিৰকলীয়া সম্পদৰূপে গণ্য হৈছে। তাৰাশংকৰ বন্দোপাধ্যায়ৰ তুলিকাত কিন্তু বেদনাৰ মৌন অভিব্যক্তি নাই, আছে— দেশত কাল আৰু সমাজ সম্বন্ধে সচেতন, মুখৰ উত্তেজনা। ক্ষয়িষ্ণু সমাজতন্ত্ৰৰ অৱক্ষয়ৰ চেহেৰা আৰু পশ্চিমবংগৰ উত্তৰ ৰাঢ় অঞ্চলৰ চাওঁতাল, বাউৰী কাহাৰ, বাউল, বৈৰাগী, ঝুমুৰ দল আদি ব্ৰাত্য শ্ৰেণীৰ জীৱন-চৰ্য্যাৰ লোকসাহিত্যমূলক কাহিনী আৰু ক্ষয়িষ্ণু সামন্ত সমাজৰ শূন্য প্ৰভুত্বৰ ইন্দ্ৰজাল ইন্দ্ৰধনুৰ বৰ্ণালী বিন্যাসেৰে তেওঁ এনে কিছুমান উপন্যাসৰ জন্ম দিলে যিবোৰ কালোত্তীৰ্ণ হ'ব পাৰিছে, তাৰ কাৰণ হ'ল— কাহিনীবোৰ তীব্ৰ আৰু আদিম প্ৰাণশক্তিৰে ভৰপূৰ। তেওঁৰ প্ৰথম উপন্যাস 'চৈতালী-ঘূৰ্ণি' (১৯৩১), তাৰ পিছৰ 'ধাত্ৰীদেৱতা' (১৯৩৯), 'কালিন্দী' (১৯৪০), 'গণদেৱতা' (১৯৪২), 'হাঁসুলীবাঁকেৰ উপকথা' (১৯৪৭), 'নাগিনী কন্যাৰ কাহিনী' (১৯৫২) আদি উপন্যাস লিখি তেওঁ ক্ষয়িষ্ণু সামন্ত সমাজৰ প্ৰতিনিধিত্ব কৰিলে আৰু লগতে অৱহেলিত নিম্নশ্ৰেণীৰ গোষ্ঠীগত শৃংখল সংৰক্ষণ আৰু তাৰ পৰা মুক্তিৰ দ্বন্দ্ব, সিহঁতৰ হাঁহি-কান্দোন সুখ-দুখৰ নৃত্যগীতময় জীৱনৰ ছবিও দাঙি ধৰিলে। মাণিক বন্দোপাধ্যায়ে তেওঁৰ প্ৰথম উপন্যাস 'দিবাৰাত্ৰিৰ কাব্য'ত নহ'লেও, মানৱ সমাজৰ শ্ৰেণী সংঘাতপূৰ্ণ জীৱনধাৰাৰ বিষয়ে তেওঁ যে অবহিত সেই কথা অলপ দিনৰ ভিতৰতেই আমাক উপলব্ধি কৰাৰ সুযোগ দিলে। তেওঁৰ সুবিখ্যাত 'পুতুল নাচেৰ ইতিকথা' উপন্যাসত আমি পাওঁ—নাগৰিক সভ্যতাৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন পশ্চিম বংগৰ গাঁৱৰ পটভূমিত আধুনিক শিক্ষা-দীক্ষাত উচ্চাভিলাষী এজন ডেকা ডাক্তৰৰ ব্যক্তিত্বৰ উন্মোচন, 'পদ্মা নদীৰ মাঝি' (১৯৩৯) উপন্যাসত আমি পাওঁহক—পূৰ্ববংগৰ মাছমৰীয়া সম্প্ৰদায়ৰ জীৱনত দাৰিদ্ৰ্য, শোষণ আৰু বঞ্চনাৰ পৰিপ্ৰেক্ষিতত পূৰ্ণ-যৌৱনা পদ্মা নদীৰ প্ৰলয়ংকৰী সোঁতৰ দৰেই অপ্ৰতিৰোধ্য এটি প্ৰেমকাহিনী, 'চহৰতলী' (১৯৩৯) উপন্যাসত পাওঁ—শ্ৰমিকসকলৰ তেজ শুহি খোৱা কাৰখানাৰ মালিকৰ ভণ্ডামিৰ বিৰুদ্ধে এগৰাকী নাৰী-চৰিত্ৰৰ একক প্ৰচেষ্টাত যি আন্দোলন সংগঠিত হৈ উঠে, সি কেনেকৈ মিছা হৈ যায় তাৰ কথা। ১৯৪৪ চনত কমিউনিষ্ট পাৰ্টিত যোগ

দিয়াৰ পিছত তেওঁৰ উপন্যাসত শ্ৰেণীসংগ্ৰাম আৰু ভদ্ৰসমাজৰ বিকাৰ আৰু কৃত্ৰিমতাৰ পৰা মূক খেতিয়ক-বনুৱা, নাৱৰীয়া-জালোৱা, হাড়ী-বাগ্‌দীহঁতৰ ৰুক্ষ কঠোৰ জীৱনৰ সাৰবত্তাৰ দিশটোৱে একান্তভাৱে প্ৰাধান্য পায়। ধনীসকলৰ বিৰুদ্ধে শোষিত মানুহৰ গণ-বিদ্ৰোহ তেওঁৰ 'দৰ্পণ' (১৯৪৫) উপন্যাসত ৰূপায়িত হৈছে। ইয়াৰ ফলত বাংলা উপন্যাসৰ ধাৰাত দিক-পৰিবৰ্তন ঘটে। তাৰ পিছত তেওঁৰ চিন্তামণি' (১৯৪৬), 'চিহ্ন' (১৯৪৭), 'স্বাধীনতাৰ স্বাদ' (১৯৫১), 'সোনাৰ চেয়ে দামী' (১৯৫১) আদি উপন্যাসৰ যোগেদি আন্তৰ্জাতিক মাৰ্ক্সবাদী আন্দোলনপ্ৰসূত সাহিত্যধাৰাৰ চিৰস্থায়ী এটি প্ৰবাহৰ জন্ম হয়।

তৃতীয় আৰু চতুৰ্থ দশকত উপন্যাসৰ ক্ষেত্ৰখন এই তিনি প্ৰধানৰ দ্বাৰা আবৰ্তিত হ'লেও, তেতিয়াৰে পৰাই বিষয়গত বৈচিত্ৰ্য আৰু আংগিকগত পৰীক্ষা-নিৰীক্ষাৰ যোগেদি আৰু কিছুমান লেখকে বাংলা উপন্যাসক বহুমুখী ব্যাপ্তি দিবলৈ সমৰ্থ হৈছিল। এওঁবিলাকৰ ভিতৰত যুক্তিতৰ্কপ্ৰধান মননশীলতাত ধূৰ্জটি প্ৰসাদ মুখ্যোপাধ্যায়, অন্নদা শংকৰ ৰায়, দিলীপ কুমাৰ ৰায়, গোপাল হালদাৰ, সঞ্জয় ভট্টাচাৰ্য্য আদি বিশেষভাৱে উল্লেখযোগ্য। কাহিনীপ্ৰধান ৰোমান্টিকতাত বিভূতিভূষণ মুখ্যোপাধ্যায়, নৰেন চন্দ্ৰ সেনগুপ্ত, মনীন্দ্ৰ নাথ বসু, অচিন্ত্য কুমাৰ সেনগুপ্ত, প্ৰেমেন্দ্ৰ মিত্ৰ, প্ৰেমাংকুৰ আতৰ্থী, বনফুল, প্ৰবোধ কুমাৰ সান্যাল, মনোজ বসু, সৰোজ কুমাৰ ৰায়চৌধুৰী, প্ৰমথ নাথ বিশী, নাৰায়ণ গংগোপাধ্যায়, আশাপূৰ্ণা দেৱী; জীৱনৰ খণ্ডিত মুহূৰ্তবোৰৰ মনোজাগতিক অনুসৰণত বুদ্ধদেৱ বসু; ৰাজনৈতিক বা-মাৰলীত ব্যক্তি আৰু সমষ্টিৰ দ্বন্দ্বৰ উন্মোচনত সতীনাথ ভাদুড়ী, নবেন্দু ঘোষ, ৰমেশ চন্দ্ৰ সেন, সুশীল জানা, সুবোধ ঘোষ; হাস্যৰসাত্মক লঘু আনন্দ দানত কেদাৰ নাথ বন্দোপাধ্যায়; ডিটেকটিভ ৰহস্য ৰোমাঞ্চ বিন্যাসত হেমেন্দ্ৰ কুমাৰ ৰায়, শৰদিন্দু বন্দোপাধ্যায়— এয়া কোনো সামগ্ৰিক লেখক তালিকা নহয়, বাংলা উপন্যাসৰ ধাৰাবাহিকতাৰ থূলমূল নক্সাহে।

স্বাধীনতা আৰু তাৰ ফলত হোৱা বংগ-বিভাজনৰ হেতু বঙালীৰ জাতীয় জীৱনত যি দুৰ্য্যোগ সৰ্বব্যাপী হৈ উঠে, তাৰ প্ৰত্যক্ষ প্ৰতিফলন বাংলা উপন্যাসত আচৰিত ধৰণে কম। মাণিক বন্দোপাধ্যায়ৰ বাহিৰে তৃতীয় বা পঞ্চম দশকত কোনো প্ৰথিতযশা লেখকেই এই কামত হাত দিয়া নাই। অৱশ্যে এওঁবিলাকৰ বহুতৰে চুটি গল্পত সেইবোৰ বিভীষিকাৰ স্থায়ী পৰিচয় দাঙি ধৰা হৈছে।

এওঁবিলাকৰ যিসকল উত্তৰসূৰী, পঞ্চম দশকৰ নতুন প্ৰজন্মৰ সেই ঔপন্যাসিকসকলৰ ভিতৰত সবাতোকৈ অধিক উজ্জ্বলতাৰে সমৰেশ বসুৱে প্ৰথম প্ৰতিষ্ঠা লাভ কৰে, তেওঁৰ লেখনী ধৰ্মত আছে বস্তুমুখিতা, নিপীড়িত ব্ৰাত্য শ্ৰেণীৰ মানুহৰ যন্ত্ৰণা, সংগ্ৰাম আৰু বিদ্ৰোহৰ স্ফুলিংগ সৃষ্টি কৰি তেওঁ প্ৰথম অৱস্থাত মাণিক

বন্দোপাধ্যায়ৰেই যোগ্য উত্তৰাধিকাৰী হৈছিল বুলিব পাৰি, কিন্তু পিছলৈ তেওঁৰ সাহিত্যৰ চৰিত্ৰৰ মৌলিক পৰিবৰ্তন ঘটিল।

পঞ্চম দশকৰ শেহৰ ফালে, চোভিয়েত দেশত বিংশতি পাৰ্টি কংগ্ৰেছৰ নিঃ স্তালিনীকৰণ প্ৰস্তাৱৰ চৰম প্ৰক্ৰিয়াৰ হেতু আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলন বহুধাবিভক্ত হোৱাত, বিশ্বৰ অন্যান্য দেশত যেনেকৈ মাৰ্ক্সবাদী লেখকসকলৰ মাজত বিভ্ৰান্তি আৰু অৱলম্বনহীনতাই দেখা দিলে, বাংলা সাহিত্যতো তেনেকৈ তাৰ সম্পূৰ্ণ হেঁচা পৰিল। এই ধৱংসমুখী কাণ্ডটো নঘটাহেঁতেন, যিসকল সাহিত্য-ধৰ্মত বস্তুবাদী, সংগ্ৰামী আৰু জীৱনৰ তুচ্ছ বহিৰংগ প্ৰসাধন আৰু ভাববাদী সাহিত্যবিলাসৰ প্ৰতিৰোধী হৈ উঠিলহঁতেন, তেওঁবিলাকো কিন্তু হঠাৎ বস্তুবাদিতাৰ আন্তৰ্জাতিক দৰ্শনভিত্তিক মিথ্যাভাষণত দিশহাৰা হৈ পৰিল আৰু তেওঁবিলাকৰ বহুতেই তেতিয়া পাশ্চাত্য দেশৰ লেখকসকলৰ দৰেই অস্তিত্ববাদী দৰ্শনৰ মাজত মুখ লুকাবলৈ বিচাৰিলে, বহুতেই আকৌ কোনো দাৰ্শনিক ভেটিৰ আশ্ৰয় বিচাৰি নাপাই নিৰালম্ব জীৱন-ধৰ্মৰ মাজতেই বায়ুভুক হৈ থকাটোকে পছন্দ কৰিলে। ফলত অস্তিত্ব সংকটে প্ৰবল আকাৰ ধাৰণ কৰিলে, খণ্ডিত সত্তাৰ প্ৰতিফলনৰ চেষ্টাত লেখকসকলে চেতনা-শ্ৰোতত বুৰ দিলে, স্কিজ'ফ্ৰেনিক অসংগতিৰে সাহিত্যৰ পৃষ্ঠা ভৰি পৰিল, সকলো প্ৰকাৰ উদ্ভটত্বই ধ্যান-জ্ঞান হৈ পৰিল, 'অহং' খণ্ড খণ্ড হ'ল, চৰিত্ৰবোৰে তেতিয়া 'আউট-চাইডাৰ' হ'বলৈ বিচাৰিলে, 'পজিটিভ হিৰ' উপহাসৰ বস্তু হ'ল, নেতিবাচনেই সাৰ কথা হৈ পৰিল।

১৯৪৫ চনৰ পৰমাণু বোমাৰ ধ্বংসাত্মক ব্যৱহাৰে কেৱল জাপানকেই আত্মসমৰ্পণ কৰোৱা নাই, তাৰ অনিবাৰ্য্য তেজস্ক্ৰিয়তাৰ হেতু মানৱ-সমাজৰ শ্ৰেণী-সংগ্ৰামো আনকি ওলট-পালট হৈ সহাৱস্থান তত্ত্বত পৰিণত হ'ল। ধনতন্ত্ৰ সমাজতন্ত্ৰই একে ঘাটতে পানী খোৱা আৰম্ভ হোৱা দেখি জীৱন সংগ্ৰামটোৱেই যেন এবচাৰ্ড হৈ পৰিল। এনে এক নৈৰাজ্যৰ মনোভাবে পঞ্চম দশকৰ শেহভাগত বাংলা সাহিত্যকো যেন প্ৰলয় পয়োধি জলত বুৰাই পেলালে, সেইসমূহ বিনাশৰ পৰা সমাজতন্ত্ৰবাদ বা সংগ্ৰামী আশাবাদী এক জীৱন দৰ্শনক কোনোবা মীনশৰীৰে আহি উদ্ধাৰো নকৰিলে। ইয়াৰ ফলত ষষ্ঠ দশকত বাংলা উপন্যাসৰ দাৰ্শনিক পটভূমিৰূপে সমন্বয়ৰ ভূমিকা আৰু নাথাকিল, সমষ্টিগত সমবায় প্ৰচেষ্টা হাস্যকৰ হৈ উঠিল, থাকিল কেৱল ব্যাপক অনন্বয়, সকলো প্ৰকাৰ উদ্যমৰ অৰ্থহীনতা। এনে মৃত্যুমুখী প্ৰবণতাৰ মাজত থাকিল মাথোন ব্যষ্টিৰ সহজাত সভ্যতা, আদিম যুগৰ মানুহৰ দৰে ন-কৈ সত্যৰ সন্ধান; কিন্তু সেই কামত নিৰুপায় নিঃসংগতাবোধ, দুষ্টস্বাৰ্থৰ সন্মিলিত আক্ৰমণত টিকিব নোৱাৰি যুদ্ধ কৰাৰ হেঁপাহত ব্যক্তিৰ নিজৰ বিৰুদ্ধেই নিজৰ লড়াই চলিল। ইয়াৰ ফলত আত্মসত্তাৰ দ্বিখণ্ডীকৰণ হ'ল, ফ্ৰয়েডীয় অবচেতণাৰ অস্তিত্ববাদৰ নতুন

কলেবৰত আত্মপ্ৰকাশ ঘটিল। বাংলা উপন্যাসেও এনে এক পৰিস্থিতিত সামাজিক জীৱন নষ্ট কৰি মনস্তাত্ত্বিক জীৱনত গা এৰি দিলে। বাংলা উপন্যাসত শ্যামল গংগোপাধ্যায়ৰ ষষ্ঠ দশকৰ এনেকুৱা পৰিস্থিতিতে আবিৰ্ভাৱ ঘটিল।

তেওঁৰ প্ৰথম উপন্যাস "বৃহন্নলা" ১৯৬১ চনত প্ৰকাশিত। পিছৰ সংস্কৰণত ইয়াৰ পৰিবৰ্তিত নাম হ'ল 'অৰ্জুনৰ অজ্ঞাতবাস'। তেওঁৰ এই উপন্যাস পঢ়ি বুজিব পাৰি-তেওঁ মাটিৰ পৰাই উঠি আহিছে, পুথিৰ পৰা নহয়। বুজিব পাৰি—এওঁ পুথি ঘাটি নিলিখে, মাটি ওলট-পালট কৰাই এওঁৰ কাম। মাটিৰ বগা আৰু ক'লা উভয়ৰে আদ্যোপান্ত বুজি লোৱাত মাটিৰ সঁচা-মিছা বুজিবৰ বাবে লজ্জা, ঘৃণা, ভয় বিসৰ্জন দিব পৰা লেখক।

লেখকৰ নিজৰ ভাষাতেই ক'ব পাৰি—তেওঁৰ এই প্ৰথম উপন্যাসৰ প্ৰধান চৰিত্ৰ প্ৰমথ। সি চাকৰি বিচাৰি নাপায়, কিন্তু ইন্টাৰভিউ দি ফুৰে। প্ৰেম নকৰে, কাকো ভালো নাপায়। তাৰ ভালপোৱাৰ কোনো উপায়ো নাই। নিজৰ শৰীৰৰ ওচৰে-পাজৰে সি দেখিবলৈ পায়-এখন ডাঙৰ ম'হৰ খুটি। সেই খুটিখনত এটা নোদোকা ম'হ বোকা-মাটিত ডিঙিলৈকে বুৰ গৈ শুই আছে। তাৰ চকুত ডাৱৰৰ ডাঠ কাজল বৰণ। প্ৰথম বাংলা উপন্যাসৰ সেই আমনিলগা বিষয়বস্তুৰ স্থবিৰ নায়ক—যাৰ পটভূমি বুটীয়া পৰিয়াল, বংশত সম্ভ্ৰান্ত, কৰ্মত দীন-দৰিদ্ৰ, ধৰ্মত দিনগত পাপক্ষয়। এনে ধৰণৰ বিষয়বস্তু বিগত অৰ্ধ শতাব্দী জুৰি বাংলা কথা- সাহিত্যত ব্যৱহৃত হৈ হৈ গাহৰীৰ মাংসত পৰিণত হৈছে।'

লেখকে তেওঁৰ 'ঈশ্বৰীতলাৰ কাহানী' উপন্যাসৰ পাতনিত নিজেও লিখিছে 'এটা সময়ত ভবিছিলোঁ—বেকাৰ যৌৱনক লৈয়ে বোধহয় লিখি থাকিম; কাৰণ, এই বিষয়ে অন্ততঃ দুখন উপন্যাস আৰু ভালেমান গল্প লিখিছিলোঁ। এসময়ত ভাবিছিলোঁ--সদ্যযৌৱনৰ প্ৰেম-ভালপোৱাই হয়তো মোৰ লেখাৰ বিষয়।'

যিবোৰ বিষয়-বস্তু তেওঁৰ সমকালীন আৰু পূৰ্বৰ পঞ্চম দশকৰ এচটাব্লিচমেন্টৰ প্ৰসাদ লাভ কৰা অধিকাংশ লেখকৰ কলমতো ক্লান্তিকৰ হৈ উঠে, সেইবোৰ পঢ়ি পঢ়িয়েই কিন্তু স্থিতিস্থাপক এই সমাজখনত স্থবিৰ যৌৱনৰ কুৎসিত ৰূপ দেখি পাঠকৰো নিচা আঁতৰি যায়, বাস্তৱতাৰ সেই স্বপ্নমূৰ্তিকে লেখকে ফুটাই তুলিছে এন্ধাৰৰ সহায়ত, পোহৰৰ সহায়ত নহয়। পঢ়োঁতে পঢ়োঁতে মনত ভাহি উঠে লেখকৰ সেই বেদনাসিক্ত মুখখন! বঙালী সমাজৰ আবিয়ে ছোৱালীবোৰৰ, বুৰ যাওঁ যাওঁ হোৱা ঘৰ-সংসাৰৰ গুৰি ধৰি বহি থকা আইসকলৰ, নিজৰ নপুংসকতাৰ কথা ভাবি অস্থিৰ হোৱা আত্মহননকাৰী এজন নায়কৰ আৰু এইবোৰৰ পটভূমি ৰূপে নগৰীয়া জীৱনৰ এচটাব্লিচমেন্টৰ যি ৰূপটো লেখকে দাঙি ধৰিতে সি আমাৰ মন বিষন্ন কৰি তোলে। লেখকৰ ভাষাৰ ব্যৱহাৰো চমকপ্ৰদ। সেই ভাষাত ভিতৰৰ উচুপনি হাঁহি হৈ ফুটি ওলায়,

প্ৰতীক-ৰূপক আদি ৰূপকল্পৰ প্ৰয়োগেৰে সেই ভাষা অত্যন্ত ৰসাল। আৰু এই কৌশলটোও দুৰ্লভ। ধাৰ কৰা নহয়। আত্মপ্ৰত্যয়ত অবিচল সম্পূৰ্ণ নিজস্ব এটি ষ্টাইল।

লেখকৰ তৃতীয় উপন্যাস 'কুবেৰৰ বিষয়-আশয়,*'ত এই ষ্টাইলটোৱে প্ৰখৰতৰ ৰ'দ বিয়পাই দিছে।

ৰ'দ বৰ চেকা, পাঠকৰ পক্ষে কিন্তু সেই ৰ'দ আৰামদায়ক হৈ উঠিছে, কিয়নো, ইয়াৰ বিষয়-বস্তুত জাৰ আছে। শেষত হাড় কঁপাই দিয়ে। তাৰ মাজত ভাষাৰ ৰ'দালিয়ে 'ৰিলিফ' দি যায়। কেতিয়াবা সি আকৌ জোনাকো বিলায়, কেতিয়াবা ইস্পাতৰ তীক্ষ্ণ নীল পোহৰো উজলি উঠে।

ইয়াৰ নায়ক হ'ল—কুবেৰ সাধুখাঁ, তাৰ বাঁও হাতৰ আঙুলিত ক'লা চানেকীয়া দাগ ধৰিছে। বেমাৰটো হ'ল—ড্ৰাই একজিমা। এয়া কুষ্ঠৰোগৰ আৰম্ভণি নে কিবা যৌনৰোগহে সেই কথা ভাবি তাৰ মনটো বেয়া। কাৰখানা এটাৰ মেলটিং শ্বপত সি এচিষ্টেন্ট মেলটাৰ, বিয়াও কৰাইছে, তাৰ পৰিয়াল যুটীয়া। সি জানিবা এটা সপোনত পোৱা মানুহহে, লেখকৰ ভাষাত 'কুবেৰ দি ড্ৰিম মাৰচেন্ট--ড্ৰিম চেলাৰ' বা 'কুবেৰ দি ফ্ৰিভ'লাচ্ কুবেৰ দি ভেগাবণ্ড।' স্বপ্নৰ আবেশত চাকৰি-বাকৰি শিকিয়াত তুলি থৈ চহৰৰ হেঁচা-ঠেলাৰ পৰা দূৰত হাত-ভৰি পোনাবৰ বাবে সি মাটি বিচাৰি ওলাই গ'ল। মাটি কিনা-বেচাৰ কথাত সি এনেকুৱা পাৰ্গত হৈ পৰিল যে ক্ৰমান্বয়ে তাৰ নেতৃত্বতে সমবায়ভিত্তিক বসতি গঢ় লৈ উঠিল। সি নিজেই এতিয়া কেইবা বিঘামান মাটিৰ মালিক। পাঁচ কঠাতকৈও বেছি মাটিত কুবেৰে যি 'স্বপ্নৰ কলৰ বাৰী পাতিলে, তাৰ লগতে আছে বছৰৰ জোখাৰে ধান হোৱা পথাৰ, মাছৰ পুখুৰী, গৰুৰ গোহালি—আৰু যে কিমান কি!' তাৰ পিছৰ অভিযান হ'ল শস্য উৎপাদন। এই পৰ্বটো ভয়লগা আৰু তাজ্জপ মানিবলগীয়া। কুবেৰৰ অঞ্চলটোত পাগ্‌লা নদীৰ চৰ এলেকা, তাতে চড়াবিদ্যাৰ মৈচিনিৰ চৰত ৰজা প্ৰতাপাদিত্যৰ নৌ-সেনাপতি মেদলমল্লৰ গড় আছে, তাৰ চাৰিওফালে পৰি আছে অনাবাদী মাটি; সস্তাতে এই হাবি-জংগল দখল কৰি কুবেৰে মাটি কিনি পেলালে। মেদলমল্লৰ গড়ৰ যিখন ছবি লেখকে আঁকিছে, সেইখনৰ কাৰুকাৰ্য্য কল্পনা শক্তিৰে ৰচা অমৰাবতীৰ শিল্পকলাৰ লগতহে ৰজিতা খায়। তাৰ ভিতৰতে কুবেৰে এটি নীৰস বাস্তৱ কৰ্ম কৰিবলৈ ল'লে। চৰৰ এহেজাৰ বিঘা মাটি জুৰি সি বড়ো ধানৰ খেতি আৰম্ভ কৰি দিলে। ল'ৰা-ছোৱালী, তিৰোতা- সকলোকে পাহৰি গ'ল কুবেৰে। এতিয়া তাৰ দখললৈ আহিল পৃথিবীৰ এখন পৰিত্যক্ত ৰাজ্য আৰু অগ্ৰজ প্ৰতিম বন্ধু ব্ৰজ ফকীৰৰ তিনি নম্বৰ পত্নী আভা। আভা স্বৈৰিণী, তাই স্পষ্ট দেখিবলৈ পায়—জোনটোৰ ওপৰত অন্ততঃ দুই ইঞ্চি ডাঠকৈ কোমল নীলা মাখন লগোৱা আছে, তাত আঙুলি দিলে সোমাই যাব। 'হিচাপ কৰিছিল' সিহঁতে

*কথাষাৰ বাঙালী কবি জীৱনানন্দৰ কবিতাৰ পৰা অনা হৈছে : অনুবাদক

তিনি হেজাৰ ধান পাব। মোনেপতি অন্ততঃ ষাঠি টকা। প্ৰতিতো গোছ ভালকৈ সঁজাল ধৰি উঠিছিল। থোকবোৰত ধান গাখীৰতী হৈছিল। ফুল ধৰাৰ পিছত এইবাৰ ফল। কিন্তু অসংগতভাৱে ৰজা হোৱাৰ এই হেঁপাহ প্ৰকৃতিৰ সহ্য নহ'ল। এদিন প্ৰবল ধুমুহা আহিল, ৰাতিলৈ সি সামুদ্ৰিক বতাহত পৰিণত হ'ল। একে ৰাতিৰ ভিতৰতে কুবেৰৰ এই চমকপ্ৰদ শক্তি ধ্বংস কৰি থৈ গ'ল। মেদলমল্লৰ ভগা দুৰ্গত জোনাকেৰে ধোৱা তম্বুৰ ভিতৰত কুবেৰে আভাৰ কোমল কণ্ঠত আঙুলি বুলালে। দুৰ্গৰ ভিতৰতে সি মাটি খান্দি থৈছিল, আভাৰ স্থান তাতেই হ'ল। আৰু কুবেৰ? কদমপুৰত মাটি কিনিবলৈ আহোঁতে যিটো অজগৰ সাপে কুবেৰৰ আগে আগে বাট দেখুৱাই গৈছিল, এদিন জোনাক ৰাতি সি সৰু মাতেৰে সুঁহুৰি বজাই তাক মাতিলে। সাপটো আহিল। কুবেৰৰ ভৰিত সি বিষ ঢালিলে।

'ঈশ্বৰীতলাৰ কাহিনী' শ্যামল গংগোপাধ্যায়ৰ একাদশ উপন্যাস। প্ৰকাশৰ সময় হ'ল ১৯৭৬ খ্ৰীষ্টাব্দ। ইয়াৰ আগেয়ে তেওঁ যি দহখন উপন্যাস লিখিলে, পোন্ধৰ বছৰ ধৰি সেইবোৰৰ মাজত এটা ভাবপৰম্পৰা আছে। কাল আৰু সমাজ সচেতনতাৰ ফালৰ পৰা এইজন লেখকৰ মানসিক জগত যিহেতু মহৎ লেখকৰ কুললক্ষণযুক্ত, সেইহেতু তাৰ এটা ক্ৰমপৰিণতিও আছে। লেখকসত্তাৰ বিচিত্ৰ্যময় সেই হৈ-উঠাৰ স্বৰূপ বুজিবলৈ 'অৰ্জুনৰ অজ্ঞাতবাস', 'কুবেৰৰ বিষয়-আশয়' আৰু তাৰ পিছৰ 'নিৰ্বান্ধৱ' উপন্যাসত যি বিচ্ছিন্নতাবোধ ক্ৰিয়াশীল, তাক ফঁহিয়াই চোৱাৰ প্ৰয়োজন আছে। 'ঈশ্বৰীতলাৰ কাহিনী'ত বিচ্ছিন্নতাবোধ নাইকিয়া হৈছে। ই যেন গ্ৰহশান্তি হৈ পাপমোচনৰ পিছত কুবেৰ সাধুখাঁ অনাথবন্ধু বসু হৈ উভতি আহিল। এই অনাথবন্ধুৱেই ঈশ্বৰীতলাৰ নায়ক। ঘৈণীয়েক, দুজনী জীয়েক আৰু এজাক পোহনীয়া জীৱজন্তু লৈ মুক্ত প্ৰকৃতিৰ কোলাত অনাথৰ পৰিয়ালো মুকলিমূৰীয়া। আটাইবোৰ মিলি স্বপ্নৰ অতিশয় নিবিড় বাস্তৱমূৰ্তিয়ে উপন্যাসত এনে এক পৰিমণ্ডল ৰচনা কৰিছে যে ইয়াক এটা সাধু কথা যেনেই লাগে। প্ৰকৃতিৰ ৰহস্য বৰ্ণনা, বিচিত্ৰ দাৰিদ্ৰ্যৰ ৰূপায়ণেৰে স্বপ্নৰ এখন সুগঠিত জগত ক্ৰমে ক্ৰমে বাস্তৱায়িত কৰিবলৈ সমৰ্থ, আনহাতে সেই জগত ভাগি-ছিগি থানবান হ'লেও, কঠিন উদাসীনতাৰে গ্ৰহণ কৰিবলৈ প্ৰস্তুত, এনে এক আচৰিত নায়ক-চৰিত্ৰৰ সৃষ্টিৰ দিশৰ পৰা উপন্যাসখন বাংলা সাহিত্যত চিৰায়ত স্থানৰ অধিকাৰী।

আৰু, এই উপন্যাসখন পঢ়া যিকোনো সাহিত্য-পাঠকৰ কাৰণেই ইয়াৰ পিছৰ বিবৰ্তনৰ ধাৰা সম্বন্ধে জনাৰ ইচ্ছা অনিবাৰ্য্য হৈ উঠিব। ইয়াৰ দুবছৰৰ পিছত দুটা খণ্ডত লিখা 'হাওৱা গাড়ি' নামৰ উপন্যাসখনক দ্বিধাহীনভাৱে বাংলা উপন্যাসৰ ক্ষেত্ৰত সপ্তম দশকৰ স্মৰণীয়তম ঘটনা বুলিব পাৰি।

'ঈশ্বৰীতলা'ত বৰ্তমানৰ পশ্চিম বংগৰ গাঁওবোৰৰ সৰ্বাধিক প্ৰত্যক্ষ আলেখ্য আছে, 'হাওৱা গাড়ি'ত আছে নাগৰিক সভ্যতাৰ বিচ্ছন্নতাবোধেৰে দীৰ্ণ আংষ্ট পীড়িত পণ্ডিত আত্ম-সত্তাৰ সৰ্বাধুনিক সত্য পৰিচয়।

সত্যপ্ৰিয় ঘোষ

মোৰ লেখা

কেতিয়ানো প্ৰথমবাৰ অপমানিত হৈ অকলশৰীয়াকৈ নীৰৱে থাকিবলৈ শিকিছিলোঁ এতিয়া আৰু মনত নাই। তেনেকৈ বহুতো আশা কৰিও সমূলি একো নোপোৱাকৈ থকাটোতো লাহে লাহে অভ্যস্ত হৈ পৰিছিলোঁ। ওঠৰ কি উনৈশ বছৰ বয়সতে মই নিজৰ মুখ নিজেই দেখিবলৈ পাইছিলোঁ। কোনো দাপোণৰ দৰকাৰ নাছিল; কাৰণ, সেইখন মুখ তেতিয়া মই চিনি পাইছিলোঁ।

সেই সময়ত জেদ নামৰ ফটিকা এবিধত মোৰ বৰ নিচা আছিল। মই যে লিখিব নাজানো, বানান নাজানো, ইতিহাস-ভূগোল নাজানো সেই কথা বুজিছিলোঁ। ন-ন অপমান আৰু ন-ন নৈৰাশ্যৰ কাৰণ ঘটিবৰ বাবে হাতত এখন কোৰ লৈ সেই এন্ধাৰতে ড্ৰেইন খান্দিবলৈ লাগি গৈছিলোঁ। ভালেমান পৰ খান্দি- কুৰুকি অকণমান বাট এটা পাইছিলোঁ, কেতিয়াবা তাকো পোৱা নাছিলোঁ।

স্কুলত পঢ়াৰ কালত মিত্ৰপক্ষ, শত্ৰুপক্ষ-- এই কথা দুটা শিকিছিলোঁ। আৰু সৈন্য বোজাই কৰা দহচকীয়া লৰী দেখিছিলোঁ। যুদ্ধৰ গেছ-মুখা দহ অনাত নিলামত বিক্ৰী হৈছিল। দেশ-বিভাগ হ'ল ক্লাচ টেনত।

তাৰ পিছত ট্ৰেইনেৰে এদিন কলিকতা পালোঁহি। মিছিল। গুলী। ছাত্ৰ-ৰাজনীতি। কলেজৰ পৰা খেদা খালোঁ। ইয়াৰ এটায়ো মনত বিশেষ চাপ বহুৱাব নোৱাৰিলে। চাপ বহুৱালে—ইস্পাতৰ কাৰখানাত কাম কৰিবলৈ যাওঁতে তাৰ জাৰকালিৰ ৰাতিৰ জাৰে, মজুৰিয়ে আৰু মুনাফাই। কাৰখানাটো যাৰ, তেওঁৰ নামত বাংলা ভাষা-সাহিত্যত এটা পুৰস্কাৰো আছে।

এই সময়ছোৱাতে চিনেট হলত এখন কবি সন্মিলন হৈছিল। বহুতেই কবিতা পঢ়িছিল। তেওঁবিলাকে ধুতি-পাঞ্জাৰী বা পাইজামা-পাঞ্জাৰী পিন্ধিছিল। ইজনে সিজনক মাতিছিল আপুনি বা বাবু বুলি। কথা পাতিবলৈ হ'লে চাহৰ দোকানত বহিছিলগৈ। চিগাৰেট খাইছিল। জেপৰ পৰা উলিয়াই লৈছিল কবিতা।

এওঁবিলাকক চাবলৈ মৰ্ণিং শ্বিফ্‌টৰ পিছত হাওৰা লাইনৰ সেই কাৰখানাৰ পৰা কলেজ ষ্ট্ৰীট পাইছিলোঁগৈ। তেওঁবিলাকৰ লগত বহি আপোন-আপোন ভাব এটা হৈছিল যদিও, এতিয়া বুজি পাইছোঁ--কোনো কাৰণতে আপোন বুলি ভাবি আনন্দিত হোৱাৰ থল নাছিল। কিন্তু, তথাপি হৈছিলোঁ। যদিও কোনো এটা কবিতাও লিখা নাই।

দেশ-বিভাজনৰ আৰম্ভণিতে কলিকতাত বহুতো বস্তু চকুত পৰিছিল। উদাহৰণ স্বৰূপে—পুখুৰী, যৌথ পৰিয়াল, চুবুৰীয়া দাদা, শৰযাত্ৰী (আজিকালিৰ দৰে তেওঁবিলাকে ইমান মদ নাখাইছিল) আৰু পাৰস্পৰিক সম্প্ৰীতি। তাৰ মানে হ'ল— এজনক নেদেখিলে আনজনৰ টোপনিকে নাহিছিল।

এই সময়তে দুটা-এটা লেখা ছপা হৈছিল। বেছিভাগেই অমনোনীত হয়। তাতকৈও সৰহভাগ হেৰাই যায়। তেতিয়া কিন্তু সেইবোৰ আছিল চকুৰ মণিহেন। এতিয়া বুজিছোঁ—আজি যিটো মণি, কাইলৈ সেইটো গোবৰ-খুঁটি, কিয়নো, সাহিত্যত ৰথী আৰু মহাৰথী দুয়োটাই আচলতে বিজ্ঞাপনৰ ভাষাহে। কলিকতাৰ এখন বিখ্যাত মিঠাইৰ দোকানে এসময়ত তেওঁবিলাকৰ বিজ্ঞাপনত সাহিত্যিক-সকলক 'মনীষী' কৰি পেলাইছিল।

ট্ৰাম লাইনৰ কাষৰ দোতলাত ফ্লেট। পূবে-পশ্চিমে মুকলি। দুই কি আঢ়ৈ বজাত লিখিবলৈ বহিলে জহকালিৰ চোকা ৰ'দ আহি পিঠিত পৰেহি। তেতিয়া জেদ আৰু বাঢ়ে; আৰু লিখোঁ। দিনৰ দিনটো লিখি পিছত বুজোঁ—একোৱেই হোৱা নাই। তথাপি লিখোঁ। গম পাওঁ—জেদতে গালৰ হনু দুটাৰ তলত ঘামৰ দাগ বহিছে। খংনো কাৰ ওপৰত? ক্ষমাই বা কাৰ বাবে? একোকে বুজিব পৰা নাছিলোঁ।

লাহে লাহে দুই-এখন কিতাপ ভাল লাগিবলৈ ধৰিলে। দুই-এটা গল্প। এটা-দুটা ঘটনা। দুই-এজন মানুহ। এবাৰ জ্বৰৰ পৰা উঠি আন্দাজতে বহীত কাট-কুট কৰি লিখিবলৈ ধৰিলোঁ। আলপ পিছতে দেখিলোঁ—এনে কিছুমান কথা লিখি পেলাইছোঁ যিবোৰৰ বিষয়ে মই একো নাজানো। কিছুমান চৰিত্ৰই নিজেই সজাই- পৰাই কথা কৈছে। খেলাটো বেয়া নালাগিল।

এনেকৈ শেষ কৰা প্ৰথম লেখাখিনি পিছত ছপা হৈছিল। নিতান্ত সাধাৰণ লেখা। কিন্তু লিখি অঁটাই অবাক হৈছিলোঁ। বুজিছিলোঁ—অ' তেনেহ'লে লিখে এনেকৈয়ে।

দেশ-বিভাজনৰ দিনবোৰতো বুজিব পৰা নাছিলোঁ—আমাৰ আটোম-টোকাৰি ঘৰ-দুৱাৰ আৰু সুন্দৰ সম্পৰ্কবোৰ নাইকিয়া হৈ আহিছে। প্ৰথম দৃষ্টিত কলিকতাক বৰ নিৰ্মম যেন লাগিছিল। পিছত এনেকৈ যে কলিকতাৰ প্ৰেমত পৰিম সেই কথা ভাবিবই পৰা নাছিলোঁ। এতিয়া বুজিছোঁ—কেনেবাকৈ যদি কিবা এটা হৈ উঠিছোঁও, তাৰ মূলতে কলিকতা। ইমান ডাঙৰ শিক্ষয়িত্ৰী কাচিৎহে দেখা যায়।

এজন মানুহে তেতিয়াই লিখে, যেতিয়া, লিখিবলৈ বহি তেওঁৰ বিশ্বাস হয়—এনেকুৱা কথা ইয়াৰ আগতে কোনেও লিখা নাই। পিছত হয়তো সেই বিশ্বাস ভুল বুলিও প্ৰমাণিত হয়। কিন্তু লিখাৰ সময়ত সেই বিশ্বাস মানুহক লাগেই। নহ'লে লিখিব নোৱাৰি।

কিন্তু মোৰ তেনে কোনো বিশ্বাস নাছিল। থকাৰ কথাও নাই; কাৰণ, দাবী কৰাৰ কোনো কথাকে মই সঁচাই নাজানিছিলোঁ।

সেই কালত এটা বস্তুৱে মোক সহায় কৰিছিল। কেউফালৰ পৰাই অপমানৰ ধুমুহা। কেউফালৰ পৰা ব্যৰ্থতাৰ বতাহ। ছাত্ৰ-ৰাজনীতিৰ হেতু বেচৰকাৰী কলেজৰ অধ্যক্ষই আজিৰ পৰা পচিঁশ বছৰৰ আগতে হেলাৰঙে ফ'ৰ্থ ইয়েৰৰ শেষত ডিচকলেজিয়েট কৰিলে। তেতিয়া আৰু কৰিবলৈ একো নাই। ইয়াৰ অলপ দিন

আগতে মোৰ সহোদৰ এজনে পটাচিয়াম চায়েনাইড খাই মৰা দেখিলোঁ। নিম্নবিত্ত পৰিয়ালত এজন গ্ৰেজুৱেট হোৱাৰ মানে কিছু আশা। মই হ'ব নোৱাৰিলোঁ। কলিকতা তেতিয়াও কলিকতাই! খালাচীতকৈ কিছু ওপৰৰ ফাৰনেচ হেল্পাৰৰ চাকৰি লৈ ত্ৰিশ টনৰ অ'পেন হাৰ্থ ফাৰনেচত সোমালোঁ। সেই কাৰখানাত যিজন টেকনিকেল মেনেজাৰ আছিল, তেওঁ এতিয়া দুৰ্গাপুৰ ইস্পাতৰ জি. এম.।

বহুত দিনৰ পিছত এবাৰ গ্ৰেজুৱেট হ'লোঁ। বস্তুটো ইমান অসাৰ বুলি আগতে নাজানিছিলোঁ। গ্ৰেজুৱেট হ'লোঁ অথচ গাত এটা ঘামচিও নোলাল।

কাৰখানাত এক ধৰণৰ হিন্দী শিকিলোঁ। তাৰ আগতে হিন্দী ছবি চাই আৰু এক ধৰণৰ হিন্দী শিকিছিলোঁ। ইয়াত মোৰ সহকৰ্মীসকল হ'ল— ফৌজদাৰ সিং, অযোধ্যা সিং, গুণ্ডু ৰাও, চুব্বা ৰাও, মায়াৰস্। বিলাতী ছবিৰ দৰে, ফাৰনেচ বেডৰ পৰা চিৰি নামি গৈছে। শ্বে'ডৰ তললৈ মেগ্‌নেটিক ক্ৰে'ন নামি আহি শব্দ কৰি স্ক্ৰেপ দাঁতেৰে কামুৰি তুলি লৈ যায়। নামিবৰ সময়ত সেই ক্ৰে'নক ক'ব লাগে— আড়িয়া, আড়িয়া। তুলিবৰ সময়ত ক'ব লাগে—হাফেজ, হাফেজ।

এখন উপন্যাসকে লিখি পেলালোঁ। নাম দিলোঁ— আড়িয়া হাফেজ। ছপোৱা নহ'ল। এক প্ৰকাৰ ইচ্ছা কৰিয়েই হেৰুৱালোঁ। ইয়াত মোৰ কাম আছিল বিচিত্ৰ। ফাৰনেচটো চলি থাকোঁতে বেলচাত চূণ, ডলোমাইট, মেংগানিজ আদি লৈ চকুত নীলা চচ্‌মা পিন্ধি গলিবলৈ ধৰা ইস্পাতৰ ওপৰত দলিয়াই দিওঁ। ফাৰনেচৰ দুৱাৰ খুলিলেই গলিবলৈ ধৰা ইস্পাতৰ উপৰিভাগত স্লাগৰ চামনি দেখি। ৮।১০ হাত দীঘল হেতাৰে এহাতে গলা ইস্পাত আনি চিলিকা প্লেটৰ ওপৰত ঢালিব লাগে। এই কামটো যেতিয়া পালোঁ, তেতিয়া মই চেম্পোল পাচাৰ। এনেকৈ অভিজ্ঞ হওঁতে হওঁতে এদিন মই ৩০ টন গলা ইস্পাত টেপ কৰি যথোপযুক্ত তাপত ক্ৰে'নৰ পৰা ওলমা লেডেলত ঢালি দিছিলোঁ--সেই ইস্পাত সাঁচত পৰি লদা (ইনগট) বান্ধিছিল। মোৰো মনৰ সাঁচ সলনি হৈছিল। ক'তেই বা ছাত্ৰ-ৰাজনীতি! (অৱশ্যে তেতিয়াৰ পলিটিক্সত ইমান ৰক্তাৰক্তি নাছিল।) আৰু ক'তেই বা ইস্পাত ঢালাই! এদিন ঢালাই ঘৰলৈ গৈ দেখোঁ যে ইলেকট্ৰনিক ফাৰনেচৰ পৰা ১২ টন ইস্পাতৰ এটা লেডেল ক্ৰে'নত উঠি আহিছে। কি হ'ব? চাই দেখোঁ--চিত্তৰঞ্জন ইঞ্জিন কাৰখানাৰ কেইটামান ডাঙৰ চকাৰ সাঁচ। ইটোৰ পিছত সিটোকৈ ঢালাই কৰা হ'ব।

ফাৰনেচৰ ভিতৰৰ ইটা সলনি কৰিবৰ বাবে ফাৰনেচ নুমাই পেলোৱা হৈছিল। তেতিয়া আৰু এটি ৰূপ! মাটিৰ তলত চিলিকাৰ ইটা এনে কৌশলেৰে সজোৱা আছে যে তাৰ ভিতৰেদি কয়লা পোৰা গেচ যিমানে যাব সিমানে সি গৰম হৈ উঠিব। এইবোৰ পিছৰ 'নিৰ্বান্ধব' উপন্যাসত আছে।

এই কাৰখানাত ওৱাটচন নামেৰে এজন জেনেৰেল মেনেজাৰ আছিল। বেহাৰী বাবু নামৰ এজন পিটচাইড ফোৰমেনো আছিল। আৰু আছিল ৰোলিং

ডিপাৰ্টমেন্ট--যাৰ ফোৰমেন শৰ্মাই হাতত পেংগুইনৰ কিতাপ লৈ কাৰখানালৈ আহিছিল।

আৰু ইয়াতেই সস্তাত খাব পৰা দোকান এখন আছিল। নামটো অদ্ভুত— মহাকাল কেবিন। মজিয়াখন মাটিৰ। তাৰ পৰা এজাপা নাৰিকল গছ টিনৰ চাল ফুটাই ওপৰলৈ উঠি গৈছে। নাৰিকল গছজোপাৰ গাত গজাল মাৰি তাত কাপ ওলোঁমাই থোৱা হৈছিল। দোকানী অনিল মালখণ্ডীয়ে গ্ৰাহকৰ অৰ্ডাৰ অনুযায়ী চিলেটত লিখি গৈছিল—আলুৰ দম দুঅনা, চাহ এক অনা। তেতিয়া তেনেকুৱাই আছিল।

সেই নামেৰে গল্পকে এটা লিখি পেলালোঁ—মহাকাল কেবিন।

ইতিপূৰ্বে সেই জ্বৰৰ গাৰে লিখা গল্পটোৰ কথা কৈছোঁৱেই। সেই গল্পটোৰ নাম— চৰ। পিছত ছপা হৈছিল অগ্ৰণী আলোচনীত।

এই দুটা গল্পৰ মাজৰ ব্যৱধান অন্ততঃ দুবছৰ। গল্প হিচাপে ভাল হয়তো হোৱা নাই। কিন্তু আন কাৰণত ভাল।

'চৰ' গল্পটো এঠাইত পঢ়িবলৈ বুলি হাতত লৈ গৈছিলোঁ। সভাপতি তেতিয়াৰ ডেকা প্ৰতাপচন্দ্ৰ চন্দ্ৰ। তাত পাঠ কৰাৰ পিছত, দেখিলে ৰুগীয়া যেন লগা ব্যৱসায়ী এজন ভদ্ৰলোকে ক'লে—কাইলৈ পুৱা গল্পটো মোৰ ঘৰলৈ লৈ আহিবা।

আপোনাৰ ঠিকনা?

ফোন গাইডত পাবা।

আপোনাৰ নাম?—এই প্ৰশ্ন শুনি আটায়ে অবাক হৈ মোৰ ফালে চোৱা দেখিলোঁ।

তাৰাশংকৰ বন্দোপাধ্যায়।

পিছদিনা তাৰাশংকৰে বহু সময় ধৰি গল্পটো কাট-কুট কৰি আছিল। মোৰ প্ৰথম গল্প। তাৰাশংকৰে তেতিয়া সঞ্জীৱন ফাৰ্মেচিক আৰোগ্য-নিকেতন কৰিছে। তেওঁতো মোক সেইদিনা সময় দিব পাৰিলেহেঁতেন! মোৰ দৰে অৰ্বাচীনক তেওঁ সেইদিনা বহুত কথাই কৈছিল।

'মহাকাল কেবিন' গল্পটো লৈ দুজনৰ মতভেদ হ'ল—তাৰে এজন তাৰাশংকৰ, আনজন প্ৰেমেন্দ্ৰ মিত্ৰ। মতভেদৰ কথা শুনিছিলোঁ সুনীল ধৰৰ মুখে। পিছত প্ৰেমেন্দ্ৰ মিত্ৰয়ো কৈছিল। গল্পটো হেৰাইছে। ছপা হৈছিল 'তৰুণৰ স্বপ্ন' নামৰ কাকতত। তাৰাশংকৰ, প্ৰেমেন্দ্ৰ মিত্ৰ— দুয়ো সম্পাদকমণ্ডলীত। সুনীল ধৰ আছিল অফিচ সম্পাদক। গল্পটো ছপা হোৱাৰ বাবে দহ টকা পাইছিলোঁ। প্ৰেমেন্দ্ৰ মিত্ৰৰ ইচ্ছাতে গল্পটোৱে ছপাৰ মুখ দেখিছিল।

কিন্তু এই গল্পটোৱেই বৃত্তিৰো সলনি কৰিলে, অৰ্থাৎ সলনি কৰাৰ কাৰণ হৈ উঠিল। আছিলোঁ কাৰখানাত। আকৌ কলিকতালৈ আহি মনে মনে গ্ৰেজুৱেট হ'বলগীয়া হ'ল। বহুতো ভাল-বেয়া মানুহৰ সৈতে পৰিচয় ঘটিল। ভালেমান টিউচনো কৰিবলগীয়া হ'ল।

এই সময়তে মোৰ পিছৰ ভাইটোৱে এজন চিত্ৰ-পৰিচালকৰ ঘৰত ল'ৰা পঢ়ুৱাবলৈ গৈছিল। তেওঁৰ দুজনী ধুনীয়া ছোৱালীৰ সৰুজনীৰ নাম আছিল ৰতন। ময়ো সেই খন ঘৰলৈ গৈছিলোঁ। চিত্ৰ-পৰিচালকজনে অন্ততঃ এখন বিখ্যাত বাংলা ছবি কৰিছিল—যিখনে উত্তমক উত্তম হ'বলৈ অন্ততঃ সহায় কৰিছিল। তেতিয়া উত্তম আছিল যশোপ্ৰাৰ্থী। সুমধুৰ হাঁহিৰ অধিকাৰী। চিত্ৰ-পৰিচালকৰ ঘৰত সকলো সময়তে চাহ চলি থাকে। স্ক্ৰিপ্ট শুনোৱা হয়। চিত্ৰ-পৰিচালকে হোমিওপেথি কৰে। মোৰ মাকো কেইবাবাৰো দৰৱ দিছে। ৰতনৰ আই ওলাল। বৰ আই। বাপেক হৈ ৰতনক চিকিৎসা কৰাটো তেওঁৰ উচিত নহ'ল। বৰ আই বৰ বেয়া ধৰণৰ ৰোগ। ৰতন মৰিল। এই ৰতনেই মোৰ ওচৰত সাধু শুনিছিল। সাজি সাজি কওঁ। ৰতন ঢুকাইছে। শ্মশানলৈ নিয়া হ'ব। তেতিয়াও ঘৰৰ চাকৰে অভ্যাসবশতঃ সকলোঁকে চাহ দি গৈছে। সুধিছে— চেনি হৈছেনে? আৰু অলপ দিম? অলপ পিছতে ৰতনক আমি ক্ৰিমেটৰিয়ামলৈ লৈ যাম। প্ৰায় ভূতে পোৱা মানুহৰ দৰেই গল্প এটা লিখিলোঁ— 'তৰা গণনাৰ দেশত' ।

গল্পটো সকলোঁৱে ঘুৰাই দিলে। এঠাইত ঘূৰাই দিওঁতে সন্তোষ কুমাৰ ঘোষ বহি আছিল। প্ৰত্যাখ্যান কৰা গল্পটো পঢ়িলে। তেওঁৰ লেখাৰ সৈতে মোৰ পৰিচয় আছিল। মানুহ হিচাপেও পৰিচয় ঘটিল।

ফাইনেল পৰীক্ষাৰ নিচিনাকৈ লেখাৰ ফালে কাহানিও গম্ভীৰ দৃষ্টিৰে চোৱা নাই। আকৌ এইটোও সঁচা--এ'কা লিখিব নোৱৰা বুলি যেতিয়া বুজোঁ, তেতিয়া নিতৌ ইফালে-সিফালে ঘূৰি ফুৰা কথাটোৱেই মনলৈ আহে বুলি সদায় অনুভৱ কৰোঁ। এটা সময়ত ডেইলি পেচেঞ্জাৰিৰ জীৱন, চাকৰি বিচৰা জীৱন গল্পলৈ আহিবলৈ ধৰিলে। চাকৰি কৰা ছোৱালীৰ গল্পও দুই-এটা লিখি পেলালোঁ। সন্ধ্যা লগা অলাগতিয়াল বনেৰে ঢাক খাই থকা চোতালত সাপসুপ এডাল দেখিলে নিশ্চিত হ'বৰ বাবে বাঁহৰ মাৰি এডালেৰে মৰিয়াওঁ। তাত নিষ্ঠুৰতা আৰু নিশ্চয়তা থাকে।

এনেবোৰ বিষয় লৈয়ে গল্প লিখিলোঁ। 'বৃহন্নলা' উপন্যাসত সুধা নামৰ চাকৰি কৰা ছোৱালী এজনীয়ে দেখা দিলে। তায়ো আগৰ দৰেই আহত অৱস্থাত প্ৰত্যাখ্যাত হ'ল। তাইৰ যন্ত্ৰণাৰ উমান ময়ো পালোঁ।

মৃত্যু, দম্ভ, শোক, অসুখ আৰু ঔষধ--এইবোৰ ওচৰা-উচৰিকৈ থাকে। সেইটো দেখিবলৈ পাইছিলোঁ এজন আপোন মানুহৰ দীৰ্ঘ দিন ধৰি হাস্পতালত থকাৰ সময়খিনিত। জেষ্ঠ ডাক্তৰে অপাৰেচন কৰা অৱস্থাতে বাহিৰলৈ আহি ফোন কৰিছে। আলু-পটলৰ দৰে মানুহ কটা-ছিঙা কৰা হৈছে শল্য-চিকিৎসকৰ ছুৰিৰে। মৃত্যুৰ শত্ৰু এটা সাধাৰণ ঘৰত স্তব্ধ হৈ ৰৈ আছে। কিতাপ এখন লিখি পেলালোঁ। বৌ-বজাৰৰ ব্যোমকেশ প্ৰেছত। পুৱাৰ শ্বিফ্টৰ পিছত তালৈ গৈ লিখোঁ। প্ৰকাশক ৰবি ৰায় ডাঙৰীয়াই সৰু ট্ৰেডেলত ছপাই উলিয়াইছিল--'অনিলৰ পুতলা'।

দুই-এখন দহ ফৰ্মাৰ কিতাপ। কেইটামান গল্প। কোনোবাই ভাল বুলিছে। কোনোৱে একো কোৱা নাই। কোনোৱে বেয়া বুলিছে। এইবোৰ লৈয়ে বোধকৰো সাহিত্য। তাতেই শেষ বুলি নাভাবি মনলৈ যি আহিছে তাকে লিখি গৈছোঁ। এতিয়াও লিখোঁ।

অকাই-পকাই যাৰ কথা লিখিব খুজিছোঁ, তেওঁ মোৰেই চিনাকি মানুহ। তেওঁৰ নাম শ্যামল গাংগুলী। তেওঁৰ কৌতুকেই তেওঁৰ আনন্দ। কল্পনাত তেওঁৰ গুলী চলোৱা অথবা সপোনত পাখি মেলি উৰা। এইজন মানুহকে কেতিয়াবা সস্তীয়া ফাৰ্নিচাৰৰ দোকানী হিচাপে গাঁৱৰ হাবিৰ তেঁতেলি গছ কিনিবলৈ পঠাইছোঁ। এইজন মানুহেই নৰহত্যা ঘটা ঘৰ ভাড়ালৈ লৈছে। আকৌ এইজনেই গাঁওৰ বেজ হিচাপে অভাৱগ্ৰস্ত তাড়িখোৰ মদাহী বোৱাৰীক সংসাৰ নকৰি পলাই গুচি যাবলৈ পৰামৰ্শ দিছে। এবাৰ, বহুত দিনৰ আগতে জনসেৱকৰ অফিচত বহি সুনীল গংগোপাধ্যায়ে কৈছিল— তই নিজৰ কথা লিখি যা। মই একো পঢ়া নাই। একো নাজানোও। সেইবাবে সুনীলে যি কৈছিল তাকে কৰোঁ।

এনেকৈ কেইখনমান উপন্যাস আৰু কেইডজনমান গল্প লিখাৰ পিছত শ্যামল গাংগুলী সচাঁ-সঁচিকৈয়ে এটা কথাত মনপুতি লাগিল। কথাটো হ'ল— ভাৰাঘৰত থাকি আৰু গল্প লিখা নহয়।

মাটি। ইয়াৰ সৈতে জড়িত বিষয়--দখল। দখলৰ সৈতে জড়িত বিষয় আশ্ৰয়। আশ্ৰয়ৰ সৈতে অংকুৰ। বা নৱজন্ম। আৰু জড়িত আছে--লোভ।

অকণমান এটুকুৰাতে আৰম্ভ হৈছিল। সিয়েই বাঢ়িবলৈ লাগিল। সেইটো যে কি নিচা! অফিচলৈ নাযাওঁ। মাটি চাই ঘূৰি ফুৰোঁ। এবাৰ মনত আছে— বিখ্যাত চৌধুৰী পৰিয়ালৰ কোনো এটা ডাঙৰ কাছাৰীলৈ গৈছিলোঁ। তাত, গেট লগোৱা এটা ডাঙৰ ঘৰত কেৱল দলিল থাকে। বাবুসকলে বগা হাফ চাৰ্ট আৰু চুৰিয়া পিন্ধে। তেওঁবিলাকে লগত এজন ষ্টেটৰ দাৰোৱান দিলে। একেলগে আশী বিঘা মাটি বিক্ৰী কৰিব। জলাহ মাটি। সস্তাতে দিব।

বৰষুণ দি আছিল। বৰষুণতে একঁকলীয়া পানীত গৈ ৰেল লাইনৰ কাষ পালোঁগৈ। কেইবা মাইলো জুৰি পানীৰে বগা হৈ আছে। বতাহ বলিলে তাত ঢৌ উঠে। ষ্টেটৰ দাৰোৱানজনে দূৰৰ ধ্যানমগ্ন মাছৰোকা এটা দেখুৱাই ক'লে--পূৱে চৌধুৰী বাবুহঁতৰ মাটি সেইখিনিলৈকে। পশ্চিমে বেচেৰাই আৰু এটা মাছৰোকা নাপালে। পানী ফালি ফালি গৈয়ে আছোঁ। এক ধৰণৰ নিচা।

আকাশৰ তলত নিজানত কিমান পথাৰ পৰি থাকে! তাৰ ওপৰেদি খোজ কাঢ়ি গৈ থকাৰ সময়ত আচৰিত লাগে। পথাৰৰ সাতজোপা তালগছ ওচৰা-উচৰিকৈ আছে। ইহঁতেই পথাৰৰ ৰখীয়া। ধানৰ পথাৰ খান্দি মানুহে কাছ বিচাৰি উলিয়াইছে। পুখুৰী খান্দোতে বাৰ হাত তলত নাও এখনৰ পিছৰ অংশটো পোৱা

গ'ল। তেনেহ'লে এদিন ইয়াত নদী আছিল! মাটিৰ ৰহস্য অনন্ত। তাৰ লগৰ বস্তু কোৰ্ট-কাছাৰী। দলিল-দস্তাবেজ। উকীল-মহৰী। লোভ। এজমালী। অন্তহীন।

আচলতে পৃথিৱী যেনেকৈ আছে তেনেকৈয়ে থাকে। যুগে যুগে মানুহে আহি দখল কৰিব খোজে— কেতিয়াবা অৰ্থবলেৰে, কেতিয়াবা লোকসংখ্যাৰ বলেৰে।

এইবোৰ কথাও লেখাত সোমাই পৰিল।

মাটিৰ লগে লগে অজ্ঞাতে মই শইচৰ কথাতো লাগিলোঁ। ধানৰ কঠীয়া। তাক ডাঙৰ কৰি তাৰ পৰা ধান চপোৱা। তাৰ স্বভাৱ। ধানৰ সৈতে আমাৰ মানুহৰ কোন কাহানিবাৰ পৰাই নাড়ীৰ যোগ— এই সকলোবোৰেই মোক ভবাই তুলিলে। সেই প্ৰথম দেখিলো হাল—বাই থাকোঁতেই ব'দৰৰ সৈ'তে আপোন মনে খেতিয়কে জীৱন, সংসাৰ, বাৰিষা, তিৰোতা, খেতিখোলাৰ কথা পাতে আৰু নেজ পকায়। খেতিয়ক আৰু বলদে একেলগে ডুবিটোৰ পানীত নিজৰ ছাঁ চায়। খেতিয়কৰ তিৰোতাই নিজ হাতে কৰা ৰুটি পথাৰৰ পৰা উভতি আহোঁতে খেতিয়কে শাগে-কটা ভোকতো ন-কৈ কিনা বলদৰ সৈতে ভাগবাটি খায়। এইবোৰ দেখি-শুনি গল্প লিখিলোঁ— 'হাজৰা নস্কৰৰ যাত্ৰাসংগী', 'যুদ্ধ' আদি। এইবোৰৰ তুলনাত চোফিষ্টিকেটেড ইস্পাত কাৰখানা, ফানুচ, গড়িয়াহাটাৰ ভাঁজ, একালৰ ছাত্ৰ-ৰাজনীতি গোটেইবোৰেই তুচ্ছ যেন লাগিল। পাগলা নদীৰ জলপথেদি গৈ এদিন সুন্দৰবনৰ পৰিত্যক্ত দ্বীপত মেদনমল্লৰ দুৰ্গ দূৰৰ পৰাই চালোঁ—ছাদ নাই। শেলুৱৈৰে ভৰা দেৱাল। বিয়াগোম পুখুৰী মেটেকাৰে ভৰা। বঙালী নৌ-সেনাপতিৰ নৌ-ঘাটি। 'কুবেৰৰ ধন-সম্পত্তি' উপন্যাসত কেনেবাকৈ এইবাৰ কথা সোমাই পৰিছে। শইচৰো এটা নিচা আছে। সেই নিচা আচলতে দখলৰ। আৰু কিমান হাতলৈ আনিব পাৰি!

একোটা বিপদত পৰি সেই বিপদৰ টোৰ চূড়ান্ত পাক খাই আন একোটা বিপদত আছাৰ খাই পৰিছিলোঁ। যেতিয়া পঢ়ি আছিলোঁ তেতিয়া এইবোৰ যে আচলতে বিপদ সেই কথা নাজানিছিলোঁ। তেতিয়া সেইবোৰ কেৱল খেলা বুলিহে ভাব হৈছিল। সেই সময়তে নদীৰ পাৰত শনিবৰীয়া হাটৰ দিনা গৰু-গাড়ীত শুকান খেৰৰ বিছনা পাৰি আহি থকা বেশ্যাক দেখিছিলোঁ। গল্প লিখিলোঁ— 'অন্নপূৰ্ণা'। মহম্মদ বাজিকৰ অবিবাহিত, হাতত ক'লা সাপ এডাল লৈ কয়—বিষধৰ সাপ। ডাঙৰ ডকাইতিৰ পিছত সন্তোষ টাকি দুসপ্তাহমান ডাব বেচিবলৈ লাগেহি। কলিকতাৰ ৰাস্তাতে নিৰীহভাৱে ডাব কাটি থকা অৱস্থাতে পুলিচে শেষৰ বাৰ সন্তোষক ধৰি পেলায়।

যাৰ পকেটত শৈশৱ নাই তাৰ পক্ষে প্ৰতিভাৰ নদীত সাঁতুৰিবলৈ যোৱাটো অৰ্থহীন। আকৌ সেই শৈশৱেই যেতিয়া নষ্টালজিয়া হৈ উঠে, তেতিয়া সাহিত্যৰ বাবেও বিড়ম্বনা। সুন্দৰ শৈশৱ পিছৰ জীৱনত শান্তিৰ উৎস। আয়ে যেতিয়া 'দুফালে সৰিয়হ পথাৰ' কবিতাটো আবৃত্তি কৰে, তেতিয়া আমাৰ গৰুঘৰটোৰ কাষৰ পথাৰৰ

সৰিয়হবোৰত হালধীয়া ফুল সঁচাই ভৰি থাকে। চুবুৰীৰ বাইদেউহঁতৰ লগত কালীপুজাৰ আগদিনা কোঁচ ভৰাই চৌধবিধ শাক বুটলিছোঁ। পুঁৱতি নিশা তেওঁবিলাকৰ সৈ'তে বকুল ফুল বুটলি বনৰীয়া লতাৰে মালা গাথিছোঁ। দৰা-কইনা খেলাৰ লগৰীসকলে এদিন গাভৰু হৈ শাৰী পিন্ধিলে। তেওঁবিলাকক ভীষণ ৰসহ্যময়ী যেন কাহানিও লগা নাই। তেওঁবিলাকক লৈ শৰীৰৰ ৰহস্য-মিহলোৱা কোনো কাহিনীও মোৰ কলমৰ পৰা ওলোৱা নাই। তাৰ কাৰণ— তেওঁবিলাকতকৈও ৰহস্যৰ বস্তু আৰু আছিল। যেনেকৈ ঃ স্থিৰ বিয়াগোম পুখুৰী, পথাৰ চপ্‌চপীয়া হোৱা বৰষুণ, নদীত বুৰ মাৰি সাঁতুৰিব খোজোঁতে দেখিছোঁ—ঘাটত বন্ধা নাওবোৰৰ তলীত গৈ মূৰ লাগিছে— ওপঙিবলৈ ঠাই নাই, অথচ উশাহ বন্ধ হোৱাৰ উপক্ৰম!

বোধ হয়, সেই সময়ৰে পৰা মানুহ চিনিবলৈ আৰম্ভ কৰোঁ। ক্লাচ ফ'ৰত থাকোঁতে এজন সহপাঠীৰ বিপত্নীক পিতৃয়ে পুনৰ্বিবাহলৈ নিমন্ত্ৰণ কৰিছিল। আমিও বন্ধু-বান্ধৱ লৈ চাইকেল-ৰিক্সাত উঠি নিমন্ত্ৰণ খাবলৈ গৈছিলোঁ। বিয়াৰ সময়খিনি আমাক ৰসগোল্লা দি আঁতৰাই থোৱা হৈছিল।

এটা সময়ত ভাব হৈছিল--বেকাৰ যৌৱনৰ বিষয়েই লিখি যাম; কিয়নো, এই বিষয়ে অন্ততঃ দুখন উপন্যাস আৰু ভালেমান গল্প লিখিছিলোঁৱেই। এটা সময়ত ধাৰণা হৈছিল--সদ্যযৌৱনৰ প্ৰেম-ভালপোৱাই হয়তো মোৰ লেখাৰ বিষয়। এদিন দেখিলোঁ— এইবোৰ লিখিবলৈ গ'লেই ছোৱালীজনীৰ চেহেৰা-পাতি কেনেকুৱা তাকো লিখিবলগীয়া হয়। এই কথা কেইবাৰ লিখিব পাৰি? হঠাৎ সুজাতাক লগ পালোঁ। তাই পিন্ধিছে বাসন্তী ৰঙৰ শাৰী। শকত বেণীডাল আহি বুকুৰ ওপৰতে পৰিছেহি। তাৰ পিছত? তাৰ পিছত কি লিখিম? ৰিডিকিউলাচ্।

আৰু মস্কিলৰ কথা হৈছে—মোৰ কোনো ৰাজনৈতিক বিশ্বাস নাই। অমুক ক্ষমতাচ্যুত হ'লে আৰু সেই ঠাইত অমুক আহিলে সকলো ঠিক হৈ যাব— কোনোকালে এই কথা ভবা নাই। মই সদায় জানো—ৰাষ্ট্ৰ আৰু প্ৰশাসন মানে এটা অন্ধ, কবন্ধ দানৱ। সেইবাবে কোনো ব্যক্তিগতভাৱে দায়ী নহয়। এইটো এটা ব্যৱস্থা বা প্ৰথাহে। এটা সময় আছিল, যেতিয়া আমেৰিকাই পৰমাণু বোমা ফুটালেই বাতৰি কাকতৰ প্ৰতিবাদ চিঠিত আমি চহী দিওঁ। ৰাচিয়াই যেতিয়া ফুটালে, তেতিয়া কোনো কোনো ৰাজনৈতিক বিশ্বাসীয়ে সেই সময়ত চহী নিদিলে। তাৰ পিছত সময় যোৱাৰ লগে লগে বুজিলোঁ— লিখা প্ৰসংগত এই চহী-টহীৰ কথা একেবাৰে অৰ্থহীন।

বৰং তাতোকৈও আৰু গধুৰ কথা আশ-পাশৰ পৰা জানিবলগীয়া আছে বুলি গম পালোঁ। গম পোৱাৰ কাৰণো আছিল। ৩২-৩৩ বছৰ বয়সত এনে এখন গাঁৱত গৈ থাকিবলৈ লা'লোঁ— য'ত বিদ্যাধৰীৰ বন্দী হৈ থকা পানীয়ে প্ৰায় চল্লিশ বছৰ বন্দীদেশাত থাকি সৰ্বপ্ৰকাৰ গতি ৰুদ্ধ কৰি থৈছিল। পানী ওলাই যোৱাৰ পিছত তাত নতুন প্ৰাণৰ সঞ্চাৰ হৈছিল।

এনেকুৱা ঠাইত এদিন জাৰকালিৰ আবেলি বৰো ধানৰ কঠায়াতলী উলিওৱা হৈছিল। খেতিয়ক ফকীৰচাঁদে মাৰ যোৱা বেলিলৈ মুখ কৰি তিনি দিনৰ গজালি ওলোৱা ধান হাতৰ বিশেষ প্ৰক্ৰিয়াৰে বোকা কৰা মাটিত ছটিয়াই দিছিল। সেইবোৰেই পিছত ধানৰ পুলি হ'বগৈ।

সুধিলোঁ—এইটো শিকিলি ক'ৰ পৰা ফকীৰ দাদা?

সৰু ককাৰ পৰা।

মই সেইদিনা আবেলি স্পষ্টকৈ দেখিবলৈ পালোঁ—আমাৰ কঠীয়াতলীৰ পৰা অলপ দূৰতে শাৰী পাতি থিয় দি আছে ফকীৰচাঁদৰ সৰুজন ককা, তস্য সৰু ককা, তস্য সৰু ককা। ইয়াৰ নামেই বোধহয় সভ্যতা।

এইটো বুজাও এটা কথা আৰু ফুটাই তোলাও এটা কথা—বিশেষকৈ পাঠকৰ মনত সঞ্চাৰিত কৰাটো।

সেয়ে এটি এটিকৈ বস্তু আয়ত্ত কৰাৰ চেষ্টা কৰিবলৈ ধৰিলোঁ। আয়ত্ত জানো কৰিব পাৰি? লিখিবলৈ ধৰিলেই দেখোঁ—গল্পই আন এফালে ঢাল লৈছে। বাঘে সাঁতুৰি নৈ পাৰ হওঁতে পোনপটিয়েদি যাব নোৱাৰিলে খঙতে পাৰলৈ উভতি আহি আকৌ পোনাই যাবলৈ যত্ন কৰে। আন এটা দিশৰ পৰা উভতি আহি গল্পটো আকৌ ধৰিবলগীয়া হৈছে। আচল গল্পটো। বাটত অৱশ্যে আন দুই-এটা গল্প ফাওতে পাইছোঁ।

এনেকৈ লিখিছিলোঁ— 'কন্দৰ্প', 'চন্দনেশ্বৰৰ মাচানতলাত'। গণেশ অতিশয় দেখনিয়াৰ। কিন্তু খোনা আৰু মিছাকথীয়া। মন গ'লে গাবও পাৰে। বাৰে বাৰে বিয়া কৰোৱাটোৱেই তাৰ নিচা। ভাং খাই পঞ্চাননতলাত ব'হাগ মাহত পুৱাৰ সংকীৰ্তন কৰি বাতাচা পায়।

এপ্ৰিল মাহ। গাখীৰতী বড়ো ধান পানীৰ অভাৱত মৰি যাব। পাম্পচেট বেয়া হৈছে। ৰিক্সা এখনত তুলি ভাল কৰিবলৈ লৈ গ'লোঁ। ভাল কৰি উভতি আহোঁতে সময় তিনি বাজিল। ৰিক্সাৱালাক ইমান পৰে ৰাখি থোৱাৰ বাবে অতিৰিক্ত পইচা দিব খুজিলোঁ। ন'ললে। অবাক কাণ্ড। মানুহটোৰ লগত চিনাকি হ'লোঁ। মানুহটোক পইচা দি কেইখনমান ৰিক্সা তৈয়াৰ কৰাই দিম বুলি প্ৰস্তাৱ দিলোঁ। প্ৰত্যাখান কৰিলে। ক'লে—ৰিক্সা সাজিব জানো। কেইবাখনো আছিল। থাকিলে জঞ্জাল। এনেকৈয়ে ভালেই আছোঁ। ষ্টেচন-প্লেটফৰ্মত থাকোঁ। কলৰ পানী খাওঁ। ভগৱানৰ কথা ভাবোঁ। মাজে-সময়ে ৰিক্সা চলাই ভগৱানক চাবলৈ যাওঁ।

ভাবি অবাক হ'লোঁ। এজন মানুহে ভগৱানক চাবলৈ পেডোল কৰি ৰিক্সা চলাই উত্তৰলৈ যায়, দক্ষিণলৈও যায়। গল্প লিখিলোঁ—চন্দনেশ্বৰৰ মাচানতলাত।

মোৰ এটা দুখ আছে। মই গালুডিলৈ যোৱা নাই। যাবৰ সময়ত মোক কোনেও

মতা নাই। চাঁইবাসালৈও যোৱা নাই। যাবৰ বেলিকা কোনোৱে মতা নাই। সেইফালে হোনো পাহাৰৰ জুৰিত ৩০।৪০ জনী চাওঁতালনীয়ে মাটিৰে নিঃসংকোচে উৰু ঘঁহে একেলগে। গা চাফা কৰে। মই দেখা নাই। জানো— সেইখন ছবিও নিশ্চয় আদিম আৰু অকৃত্ৰিম।

মই কিন্তু আৰু এখন ছবি দেখিছোঁ। অৱস্থাপন্ন জমিদাৰে ঘৈণীয়েক নাথাকোঁতে খেতিয়কৰ তিৰোতাক ৰক্ষিতা হিচাপে ৰাখে। তাইৰ গিৰিয়েকে ক'তো মাটি নোপোৱা হেতুকে হাঁকাল-বিকাল কৰি ঘূৰি ফুৰে। তাৰ পিছত এন্দুৰৰ গাঁতৰ পৰা ধান সংগ্ৰহৰ অনুমতি বিচাৰে। কিন্তু সেই গাঁতৰ পৰা সাপ ধৰিবৰ বাবে সাপ ধৰা মানুহো অনুমতি প্ৰাৰ্থী। অৰ্থাৎ এন্দুৰে যিটো গাঁতত ধান চুৰি কৰি থয়, সেইটো গাঁততে সাপ সোমাই এন্দুৰক গৃহহাৰা কৰে। সেই সাপকে ধৰিবলৈ আহে সাপ ধৰা মানুহ। সেই গাঁতটোৰ ধান বিচাৰি দৰিদ্ৰ খেতিয়কৰ তিৰোতাৰ গিৰিয়েকো যায়। পকা ধান খাবলৈ আহি বালিমাহী চৰাই এটা ধৰা পৰিছে। খেতিয়কৰ তিৰোতাই শণ গছৰ ঠাৰি চৰাইটোৰ এটা চকুত ভৰাই দি আনটো চকুৰ পৰা উলিয়াই আনি আধামৰা অন্ধ চৰাইটোক জীয়াই ৰাখে। কাৰণ, তাইৰ ভাষাত— বাবুৱে খাব। এইবোৰ কথা লৈ লিখিছিলোঁ এটা গল্প— ধান বিষধৰ সাপ।

লেখাৰ উদ্দেশ্য এটাই। সি হ'ল— উন্মোচন। অনুসন্ধানৰ বাটে বাটে এই উন্মোচন। মন্তব্য নোহোৱাকৈ সবল বাক্য ৰচনা কৰি যোৱাই মোৰ পদ্ধতি। মই ক'বলৈ বিচাৰোঁ আটাইতকৈ কম। আৰু বিচাৰোঁ—মই নোকোৱাখিনিয়ে পাঠকৰ মনত ক্ৰমশঃ পুনসৃষ্টি কৰক। তেৱেঁই বাটটো বিচাৰি লওক। সেইবাবে, সাধাৰণতে মোৰো কোনো ৰচনাতেই জটিল বাক্য নাথাকে। কোনোৱে কয়—বৰ অসংলগ্ন যেন লাগে। মই এইটো ইচ্ছা কৰিয়েই কৰোঁ, কিয়নো এইটোৱেই মোৰ পদ্ধতি। সেই পদ্ধতিৰেই মই 'টেবুল' 'চেয়াৰৰ' দৰেই অনায়াসে উপযুক্ত ইংৰাজী শব্দ ব্যৱহাৰ কৰোঁ। কাৰণ মই জানো— এই শব্দবোৰ আমি আন সময়ত বাংলাৰ দৰেই আমাৰ বাক্যত ব্যৱহাৰ কৰোঁ। মাত্ৰ মন কৰোঁ— এটা হেভি শব্দৰ সলনি যাতে সদায় ব্যৱহাৰ কৰা শব্দ বিচাৰি ল'ব পাৰোঁ।

এদিন সন্দীপন চট্টোপাধ্যায়ে কৈছিল হোৱাট ইজ লফটি ইন ইয়ৰ ষ্টেয়িং ইন এ ভিলেজ?

এজন কবিয়ে কৈছিল—অ' আপুনিতো সেই লক্ষ্মীকান্তপুৰ লাইন সম্পৰ্কেই গল্প লিখে।

এনেবোৰ কথাৰ কোনো উত্তৰ নাই। দিলেও নুবুজে। একো দাবী কৰা নাই। কাকো সৰু কৰাও নাই।

বাঙালীৰ জীৱনত আটাইতকৈ ডাঙৰ দৰ্গাপুজাৰ নাম হেমন্তৰ ধানখেতি। এক কোটি একৰত ৭০ লাখ খেতিয়ক পৰিয়ালৰ ৫। ৬ মাহ ধৰি কৰ্মব্যস্ত পৰ্ব। ধান

কেতিয়া আবিষ্কৃত হৈছিল নাজানো। নিশ্চয় বহুত দিন হ'ল। আমি যিসকলে ভৰিত জোতা পিন্ধি চহৰত বাস কৰিছোঁ, তেওঁবিলাকৰ ঘৰৰ দাঁতিয়েদিয়েই এই কৰ্মকাণ্ড সমগ্ৰ দেশৰ মানুহ আৰু মন জুৰি বিয়পি আছে। ৰাজনৈতিক নেতাসকলে খেতিয়কৰ কথা কৈছে। শিল্প-কাৰখানা কৃষিভিত্তিক হোৱাৰ চেষ্টা কৰিছে। কবিয়ে লিখিছে—ধান কৰা। ধান কৰা। ধান এদিন গণ-নাট্যৰ গান হৈছিল। ট্ৰেইনৰ খিৰিকিৰ কাষত বাহিলেই এই দৃশ্য দেখি। ধান, গৰু, পানী, মানুহ—এইবোৰ একেডাল সূতাৰে গঁথা। এজন লেখকে এই কথাটো জানো এৰাই চলিব পাৰে? তেওঁৰ শিক্ষাত জানো এইবোৰ অৱশ্যপাঠ্য নহয়? এইটোৱেই তেওঁৰ টেক্সট বুক। এই কথাটোকে কোনো এটা আড্ডাত কওঁতে, মোৰ বৰ প্ৰিয় এজন সমসাময়িক লেখকে কৈছিল— নহয়। সেইসম্পৰ্কে লেখকৰ এটা ৰিম'ট ধাৰণা থকাটোৱেই যথেষ্ট। মই জানো— এই টেক্সট পুথিখন পঢ়া থাকিলে সেই লেখকৰ বিষয়-বস্তু আৰু কলমৰ যাদু অপ্ৰতিৰোধ্য হৈ উঠিলহেঁতেন। তেওঁতকৈ আমি কোনোৱেই আগবাঢ়িব নোৱাৰিলোঁহেঁতেন। দুখৰ কথা, এই লেখকজনে এখন শাৰদীয় উপন্যাসৰ আৰম্ভণিতে লিখিলে--মই 'গেনু'[১] ইত্যাদি শব্দেৰে গাঁৱৰ কথা লিখিব নাজানো। তেওঁ বাঙালী আৰু বাংলাতে লিখে। তেওঁৰ এটি কবিতাত নদী প্ৰতিবাদ হৈ ৰাইটাৰ্চ বিল্ডিঙত আছাৰ খাই পৰিছে। মোৰ বৰ দুখ লাগে ; কাৰণ, মই জানো—সেই কবিতা কেৱল ভাবালুতা। ই শিল্প নহয়।

সন্দীপনে কৈছিল--তই একেবাৰে সৃষ্টি কৰিব নাজান। তোৰ কোনো ইমাজিনেচন নাই।

এই কথাৰো কোনো উত্তৰ দিব নোৱাৰিলোঁ ; কাৰণ, দি কোনো লাভ নাই। ক'ত সৃষ্টি কৰোঁ, ক'ত আচলৰ লগত কিবা মিহলাওঁ—তাক বাহিৰৰ মানুহে কেনেকৈ বুজিব? সৃষ্টিত মই দ্বিতীয় ব্ৰহ্মা—এনে কোনো গৰ্ব মোৰ নাই।

আমাৰ কালছোৱা পোহৰাই আছিল কেইজনমান বিশিষ্ট সম্পাদকে। যেনেকৈ ঃ সাগৰময় ঘোষ। যেনেকৈ ঃ সুনীল গংগোপাধ্যায়। এওঁবিলাকৰ সাহস, এওঁবিলাকৰ সুবিচাৰ জনাজাত। তথাপি, এই কথাও ঠিক-সময়ৰ বস্তু সময়তে নহ'লে আৰু নহয়। পিছত তাৰ কোনো সংশোধনো নাই। ভাল ছাত্ৰই যিদৰে স্কুলত পঢ়িব নোৱাৰাৰ কাৰণে কম প্ৰচাৰ থকা সৰু-সুৰা স্কুলত পঢ়ি বিস্মৃত হৈ পৰে, সেইদৰে এনেকুৱা বহুতো লেখা পাহৰণিৰ গৰ্ভত বিলীন হ'ল। এটা জীৱন দিহে সেইবোৰৰ মূল্য দিবলগীয়া হৈছে। তাক আৰু ঘূৰাই নাপাওঁ। এতিয়া চেষ্টা কৰিলেও তেনে ধৰণৰ লেখা আৰু নোলায়। আওহেলাই বৰ ক্ষতি কৰে। কোনো এজন সম্পাদকৰ কাৰোবাৰ প্ৰতি কৰা সুবিচাৰ যদি ওজন কৰি চোৱা যায়— ওজনত ডেৰমোন—সেই সম্পাদকৰ অবিচাৰৰ ওজনো মোৰ বেলিকা ঠিক সিমান-খিনিয়েই—ডেৰ মোন। ইয়াৰ নাম প্ৰতিবন্ধকতা বুলি নকৈ মই ক'ম ভবিতব্য। এইটোৱেই কপালত আছিল।

---

[১] গেনু ঃ গাঁৱত ব্যৱহৃত শব্দ--অৰ্থ গ'লোঁ বা গমন কৰিলোঁ

আৰু এটা প্ৰতিবন্ধক আছে। মই য'তেই হাত দিওঁ সিয়েই অৱশেহত টকা আনে। টকা মূৰকত প্ৰতিবন্ধক হৈ উঠে। অন্ততঃ মোৰ ক্ষেত্ৰত। সেইবাবে বাহুল্য বৰ্জন কৰি কেনেকৈ টকা আয় নকৰাকৈ থাকিব পাৰি, সেই বাটটো এলাহ আৰু আন কিবা কথাৰ সহায়েৰে মই যোৱা ১৪। ১৫ বছৰ বিচাৰি ফুৰিছোঁ। পাইছোঁ বুলিব লাগে। জীৱনটোক চুৰট কৰি পুৰিলে জুইৰ পৰা যি ডেৰ ইঞ্চি দীঘল ছাই ওলাব, তাক লেখাৰ অনুপান কৰিব পাৰিনে? নাজানো। অৱশ্যে, আন্দাজতে চেষ্টা কৰি গৈছোঁ।

মানুহক ভালকৈ চাব জানিলে, অত্যন্ত দুখতো হাঁহি ওলায়। চিৰন্তনতাৰ জোখমাৰিত অৱশেষত প্ৰকৃতিয়েই প্ৰধান হৈ উঠে। তেতিয়া যি কোনো বিষয়ৰ সম্পৰ্কেই হাঁহিৰ দৃষ্টিকোণ সৃষ্টি হয়। সেই হাঁহিৰ ভিতৰত দুখৰ কথাও ছটিওৱা থাকে। পোহৰ পৰিলেই সি তিৰবিৰাই উঠে। সেয়ে, মোৰ ভালেমান গুৰু-গম্ভীৰ লেখাতো হাঁহি আছে। মই এনে এটা লেখা লিখিব খোজোঁ—যি হয়তো ত্ৰিশ বছৰৰ পিছত পঢ়িলেও নতুন নতুন লাগিব।

লেখা দীঘলীয়া হ'ল। এজনী গৰু আৰু এখন ইটাখোলাৰ বিষয়ে কিছু কথা লৈ লেখা শেষ কৰিব খুজিছোঁ।

এবাৰ এজনী গৰু পুহিছিলোঁ। আন্দজত কিনা গাই গৰু। লগত পোৱালিও আছে। হাৰিয়ানাৰ গাই। তাইৰ চকুত ডাঠ কাজল। মোৰ ডাঙৰ ছোৱালীৰ বয়সীয়া। শুকান খেৰ সৰু সৰুকৈ কাটি দিওঁ। মাহেকত তুঁহগুড়িৰ লগত গুড় খায় আধামোন। ৰাতি দুই বজাত ঘৰলৈ আহিলেও কাণ লৰাই মোক ৰিচিভ কৰে। এবাৰ আঁউসীত জাক ফুৰাৰ লক্ষণ দেখা দিলে। পাল খুওৱাৰ ব্যৱস্থা কৰিলোঁ। কি কৃতজ্ঞ দৃষ্টি! পোৱালি জগিল। দহ সেৰ গাখীৰ দিছিল। চাৰি বছৰ মোৰ লগত আছিল। বৰ গম্ভীৰ আৰু অহংকাৰী গৰু। অভাৱত পৰি গাভিনী অৱস্থাতে তাইক বেচি দিবলগীয়া হ'ল। মই যেতিয়া বাটেদি যাওঁ, তেতিয়া তাই ডিঙি মেলি পুখুৰীৰ সিপাৰৰ পৰা মাতে—হাম্বা! মোৰ কাণত পৰেহি—শ্যামল বাবু, ঘৰলৈ উভতিছা নেকি? ছাঁইদি খোজ দিয়া। বৰ ৰ'দ। এই কথা 'নৃপেনহতঁৰঘৰ' গল্পত আছে। 'সৰমা আৰু নীলকান্ত' উপন্যাসতো আছে। তাইৰ কাৰণেই নানা প্ৰকাৰৰ গো-চিকিৎসকৰ লগত কথা-বতৰা পাতিছোঁ। গৰুৰ হাড়ৰ চিকিৎসকসকলক বোলে হাড়ে খাঁ। গৰুৰ কৃত্ৰিম প্ৰজননৰ বাবে নিতৌ এয়াৰ ইণ্ডিয়াৰ বিমানত আইচ-বক্সত অহিঅ' ষাঁড়ৰ বীৰ্য্য দমদমলৈ আহে। গৰুৱে জগতখন বান্ধি ৰাখিছে। তাৰ হাড় এদিন গুড়ি হৈ সাৰ হ'ব। তাৰ মাংসেৰে দামী দৰৱ হ'ব। তাৰ চামৰাৰে বহুতৰে কৰ্মসংস্থান হ'ব। তাৰ গাখীৰ আৰু গোবৰৰ কথা নুতুলিলোঁৱেই বা! এইবোৰ কথাই মোক ভবায়।

এবাৰ এখন ইটাখোলা কৰিছিলোঁ। লক্ষ্মণ, পঞ্চানন হাজৰাই শেষ ৰাতি ইটা কাটিবলৈ আহিছিল। লখগঞ্জৰ ইটা। হেজাৰত চৌধ টকা। ইটাৰ খোলা বহুৱালোঁ।

হেজাৰত ছ মোন কয়লা। কেইমাহমানৰ পিছত খোলা ভাঙিলত বেছিকৈ পোৰা ইটা, ছাই, এক নম্বৰ ইটা, শুকান ইটা ওলাল। ইটাৰ টুকুৰাবোৰ দি দিলোঁ। ছাইবোৰ চেকি বস্তাত ভৰালোঁ। তাৰে ঘৰ বান্ধিলোঁ। দেখিলোঁ—ইটাখোলাৰ একোৱেই পেলনি নাযায়। বেছিকৈ পোৰা ইটাৰ টুকুৰা হয়। ছাই হ'ল—গাঁথনিৰ কৰাল। পৃথিৱীৰ কিবা অলপ কাটি নি তাৰে পৃথিৱীৰ বুকুতে ঘৰ। গৰুৰ দৰে। ইয়াৰ মাজত কিমান মায়া! একোৱেই পেলনি নাযায়। এইবোৰে মোক ভবাই তোলে। ডাঙৰ ডাঙৰ ইটাখোলৰ গাঁতবোৰে মোক এন্ধাৰতে মাতে।

শ্যামল গংগোপাধ্যায়

এক

ট্ৰেইনৰ পৰা নামি যাওঁতে ষ্টেচন বজাৰৰ মুখতে অক্ৰূৰ বাবুৰ সৈতে অনাথৰ দেখা হ'ল। অনাথো ইয়াতে এজন বাবুৱেই। কলিকতাত চাকৰি কৰে। ডেইলি পেচেঞ্জাৰ। যাত্ৰাৰ চিজন টিকেট কিনে। ইংৰাজী বাতৰি কাকত তেওঁৰ ঘৰলৈ যায়। অক্ৰুৰ বাবুৱে— মানে সকলোৱেই ইয়াত অক্ৰুৰ বুলি মাতে— তেওঁৰ দোকানৰ খুটাত আঁউজি ক'লে— মোৰ এজনী গাই গৰু আছে, অনাথ বাবু। কিনিবনে আপুনি?

অনাথৰ হাতত অশোকতৰুৰ লংপ্লেয়িং ৰেকৰ্ড। ঘৰলৈ উভতি গৈ ছোৱালী দুজনী আৰু সিহঁতৰ মাক শান্তাক শুনাম বুলি ঠিক কৰিছিল।

অলপ গৈ অক্ৰুৰ বাবুক ভালকৈ চাই ল'লে। পেন্‌চিল স্কেচৰ কঁপা কঁপা লাইনেৰে যেন মুখখন অঁকা। টেপা মাৰিলেই হয়তো অক্ৰুৰৰ মুখ মচ খাই যাব। লাহেকৈ ক'লে— চাওক, মোৰ ঘৰত জীৱ-জন্তুতো কম নহয়। আৰু বঢ়াবলৈ সাহস হোৱা নাই।

অনাথ বাবু, গৰু কিন্তু বৰ ভাল জন্তু। খাটি হাৰিয়ানা গাই। মুঠতে ছটা দাঁত।

দাঁত?

দাঁতৰ কথা জানিলেই গৰুজনীৰ বয়স ঠিক কৰিব পাৰি, অনাথ বাবু।

অ' মই নাজানোৱেই। কোন পাৰিব?

তলৰ। ঘৰলৈ গৈ ছোৱালীহঁতৰ মাকক কওকচোন।

খোজ কাঢ়ি গৈ থাকোঁতেই অনাথে উত্তৰ দিলে— বাৰু কৈ চাম। লেৱেল ক্ৰচিং পাৰ হৈ অনাথে পঞ্চাননতলা পাই তাতে এটা সেৱা জনালে। বৰ জাগ্ৰত থান। কাষতে উমাপতি চাইকেল ষ্টোৰ্চ। দিনৰ ভাগত উমাপতিৰ ভায়েক নিশাপতিয়ে খাহী কাটি ওলোমাই থয়। ভাগ ভাগ কৰি মাংস বিক্ৰী কৰে। খাহীৰ এখন পূৰা চামৰাৰ দাম লয় তেৰ সিকি।

আৰু গৰুৰ কাম নাই। — নিজেই নিজকে ক'লে অনাথে। গাঁৱলৈ আহি ঘৰ কৰা আজি আঠ বছৰ হ'ল। ইয়ালৈ অহাৰ সময়ত সৰু ছোৱালীজনীৰ বয়স আছিল তিনি বছৰ, ডাঙৰজনীৰ চাৰি বছৰ। এতিয়া সিহঁত দুয়োজনীযেই ডাঙৰ হৈছে। মুকলি বতাহ, নতুন শাক-পাচলি, সৰৰ মিঠাইৰ অভাৱ নাই ঠিকেই। কিন্তু বাটে-পথে যাৰ লগতেই দেখা হওক, কেৱল ধানৰ দাম, কোমোৰাৰ চাইজ, আৰু ইন্দিৰা গান্ধীৰ বিষয়ে কথা-বাৰ্তা, আৰু ভাল লাগিব ক'ত?

কলিকতাৰ পৰা কোনোবা আহিলেই অনাথৰ ঘৰখনক চিৰিয়াখানা বুলি কয়। পাতিহাঁহ আঠটা, ৰাজহাঁহ দুটা (ডাঙৰ ছোৱালীৰ চখ), পঠা-পাঠী লৈ ছাগলী এঘাৰটা, এল্‌চেচিয়ান এটা (মাইকী), মূৰ্গী একাৱন্নটা (আটাইবোৰ হোৱাইট লেগহৰ্ণ), শান্তাৰ

তিনিটা পোহনীয়া মেকুৰী (এটা মতা), দুজনী ছোৱালী আৰু এগৰাকী তিৰোতা লৈয়ে অনাথৰ এই চিৰিয়াখানা।

ইয়াৰ বাহিৰেও ঘৰৰ কাষতেই ঘাঁহ-বনত কেইটামান বিষাক্ত আৰু কেইটামান বিষ নাইকিয়া জীৱ আছে। সাপ ধৰা মানুহ আহি বিষাক্ত সাপ পালে ধৰি লৈ যায়। বিষ নাইকিয়া ঢোৰাসাপ পালে এৰি দিয়ে। সিহঁতে চেমনীয়া ল'ৰাৰ দৰে ফৰ্‌ফৰ্‌ কৰে আলিৰ ওপৰেদি ফণা তুলি ঈশ্বৰীতলা মৌজাৰ এটা দাগৰ পৰা আন এটা দাগলৈ গুচি যায়। দীঘলে সাত-আঠ ফুট। কেতিয়াবা চৰাইৰ কণীৰ লোভত, ভেকুলীৰ লোভত তিনি-চাৰিটা মৌজা পাৰ হৈ যায়। যেতিয়া যি পায় তাৰেই চলে।

ফাগুন মাহৰ জোনাক ৰাতি। ইলেক্‌ট্ৰিক ট্ৰেইন, ষ্টেচন বজাৰ, ধানৰ দোকান, বেংক, গমৰ কল, আলুৰ চপৰ দোকান, ইৰিগেচনৰ কেনেল ব্ৰীজ পাৰ হৈ আহি অনাথবন্ধু বসুৱে ঘৰমুৱা বাটেদি আগ বাঢ়িল। এতিয়া এই ঠাইত সত্য-যুগ। কেনেলৰ দাঁতিয়েদি ইটাৰ গুড়ি দিয়া ৰাস্তা। এই আধা গাঁৱলীয়া অঞ্চলৰ একমাত্ৰ খেলৰ পথাৰ এইফালেই। তাৰ পিছত কলগছেৰে ভৰা একো-একোটা থকা ঘৰ। বাটটোৰ মাজে মাজে ডালে-পাতে জাতিষ্কাৰ শিৰীষ গছৰ বিশাল ছত্ৰ। তিনিটা পদূলি পাৰ হৈয়েই অনাথৰ নতুন ঘৰ। নকৈ লাইন টনা ইলেক্‌ট্ৰিক পোহৰত ঘৰটো এতিয়া সন্ধ্যাৰ ষ্টিমাৰৰ ডেক একেবাৰে। চাৰিওফালে এন্ধাৰ। মাজত ওখ-ভেটিৰ ঘৰটো পোহৰত জল্‌মল্‌।

প্ৰথমে কাঁড়পাট অহাদি আহি বাঘাই তেওঁক ৰিচিভ কৰিলে। বয়স ডেৰ বছৰ। ইতিমধ্যেই তিনিজন খেতিয়কক কামুৰিছে। গাইপতি পোন্ধৰ টকাকৈ ক্ষতিপূৰণ দিবলগীয়া হৈছে। গম্ভীৰ উচ্চাংগ সংগীতৰ গলাত ভুকে। বৰ ভয়াতুৰ। গাঁৱৰ দেশী কুকুৰবোৰে একেলগ হৈ আক্ৰমণ কৰিলে নেজ তুলি পলায়। চোতালত শান্তাই গাঁত এটা কৰি নিসনি ঢালি দিয়ে সদায়। চপ্‌ চপ্‌কৈ খায়। আজিকালি দাইলৰ বৰ দি ৰন্ধা লাউৰ আঞ্জাও নেপেলায়। বাছি খাই পেলায়।

ঘৰৰ কম্পাউণ্ডত সোমোৱা মাত্ৰকে ছাগলীবোৰে কাণ লৰাই অনাথক ক'লে— ইমান পলমকৈ আহিছা?

অনাথে ক'লে— বেঁ, বেঁ। ঠাইটুকুৰা নিজান। সাক্ষী কেৱল বাঘা। সি নেজ তুলি আৰু ডিঙি দাঙি অনাথৰ মৰম বিচাৰিছিল। শান্তা আৰু ছোৱালীহঁত ঘৰৰ ভিতৰত। সিহঁতে এতিয়াও নাজানে— সিহঁতৰ সবাতোকৈ ডাঙৰ জন্তুটো এইমাত্ৰহে ঘৰলৈ উভতিছে।

ছাগলীবোৰে শুনিলে— সোণাপুৰত গাড়ী ভালেমান পৰ বৈ আছিল। কৈফিয়ৎ শুনি অনাথক আৰু একো নক'লে। ইহঁতৰ ভিতৰত বেছি পোৱালি দিয়া ছাগলীজনীৰ নাম শুক্লা। ডাঙৰজনী ছোৱালীৰ পানী লগা বেমাৰ নাইকিয়া কৰিবৰ বাবে তাইক আমদানি কৰা হয় চাৰে চাৰি বছৰৰ আগতে। তাইৰে পো-পোৱালিৰে ছাগলীৰ ঘৰ এতিয়া ভৰপূৰ। শুক্লাৰ নিজৰ হাঁপানি আছিল। কাইলৈ পুৱা চাৰিখন ঠেং বান্ধি মৰাশৰ দৰে লৈ এটা দৰৱ

খুৱাবগৈ অনাথে। আজি ট্ৰেইনত শুনি আহিছে। পূজাঘৰৰ ডাঙৰ দাখনৰ য'ত ফোঁট দিয়া থাকে তাতে হোকাৰ পানীৰে টিকিৰা ঘঁহি তাৰ ক'লা এঠাটো খুৱালেই হাঁপানি শেষ। শুক্লায়ো আৰাম পাব।

ডাঙৰ ছোৱালীৰ নাম টুকু। ক্লাচ চেভেনত পঢ়ে। কঠত শুই আছিল। বাপেকৰ মাত শুনি ঘপহ্‌কৰে উঠি বহিল। এতিয়াই গোটেই দিনটো কি হৈ আছে তেওঁক ক'ব।

শান্তাই ক'লে— বাবুক লুঙিখন আনি দে। পানীও দে।

ছোৱালীহঁতৰ লগতে সিহঁতৰ মাকেও অনাথক বাবু বুলি মাতে। টুকুৰ আগতেই তাইৰ সৰু ভনীয়েক লিলিয়ে ৰবৰৰ চেণ্ডেল লৈ আহিল গহীনভাৱে। ভাবটো এনেকুৱা— বাইদেউ, তুমি হাৰি গ'লা।

শান্তাই ৰেকৰ্ডখন হাতত লৈ ক'লে— এতিয়া বজামনে?

নালাগে। খোৱা-বোৱাৰ পিছত শুনিব লাগিব।

ভাত দি থাকোঁতেই শান্তাই ক'লে— নন্দ বাবুৰ কিবা এটা কৰা। টুকুক পঢ়ুৱাবলৈ বহি নোদোকা মানুহটোৱে থোৰ ওভতাই ঘূৰি ফুৰে আৰু টোপনি যোৱাৰ বাবে টুকুৱে মাৰ খায় কেৱল।

কিবা এটা কৰিম।

লিলিয়ে দাইলেৰে ভাত সানি ক'লে— আজি বাইদেউৰ দুটা আঙুলিত পেঞ্চিল দি হেঁচা দিছিল। মই শেষত কামুৰি দিলোঁ বাবু।

শান্তাই হাঁহিলে কাৰো মুখলৈ নাচায়। হাঁহিৰ মাজতে একোগৰাহ চোবাই যি কথাটো ক'লে, সি হ'ল— হঠাৎ কামোৰ খাই নন্দ বাবুৰ সেইটো যে কি চিঞৰ!

টুকুক এৰি দিলেনে?

নিদি পাৰিবনে? টেবুলৰ তলত সোমাই আঁঠুতে কামুৰি দিলোঁ। বাইদেউৰ চকুৰ পৰা পানী পৰিছিল যে—

লিলিৰ বায়েকজনীয়ে খুব দাইল-ভাত খাইছিল। তৎ নাইকিয়াকৈ। ৰঙা ফ্ৰক, নীলা পাইজামা। কেইদিনমানৰ পিছতে গোটেই পিঠিতে ঘামচি ওলাব। চেভেনত পঢ়িলেও পঢ়া-শুনা একো নাজানে। আৰম্ভণিৰে পৰাই কেঁচা। দুই-এবছৰৰ আগেয়ে পঢ়ুৱাবলৈ বহি অনাথেও এই ছোৱালীজনীক বাঁহৰ এচাৰিৰে কোবাইছে। বাপেক হৈও লৰি ধৰিবগৈ নোৱাৰে। টুকু ধানৰ পথাৰৰ আলিয়েদি বেগাই দৌৰি গৈ এন্ধাৰত লুকাই পৰে।

অনাথে চিঞৰি কয়— গুচি আহ পাগলী। কিহবাই কামুৰিব।

শান্তাই তেতিয়া তাইৰ গোৰোহাত পানীৰ পটি দিছে। দৌৰাদৌৰিত ভৰি মোচোকা খাই এই বিপদ। ঘৰৰ চৌহদৰ বাহিৰত ধানৰ পথাৰ। তাৰ পিছত ইটোৰ পিছত সিটোকৈ মৌজা। খাৰুপাতাল। দ্বাৰিকপোতা। চন্দনেশ্বৰ। সেইবোৰৰ পিছত আকাশৰ তিনিটুকুৰা ডাৱৰ আহি সদায় আবেলি এসোপা তাল-নাৰিকলৰ মূৰত খহি পৰে।

এবাৰ ধৈৰ্য্য ধৰিব নোৱাৰি অনাথে টুকুৰ গালৈ ট্ৰেনজিষ্টৰটো দলিয়াই দিছিল।

টুকুৱে মূৰটো আঁতৰাই নি হাঁহি দিছিল। — নালাগিল যে! আকৌ মাৰা! নিজেই ট্ৰেনজিষ্টৰটো আগবঢ়াই দিছিল টুকুৱে। বস্তুটো তেতিয়া চুচুৰ্মে। পথাৰৰ মাজতে ঘৰ। চাৰওফালে ধোপাংপাং। শব্দৰ বাবেই কিনি আনিছিল অনাথে। অগত্যা, কি কৰিব আৰু? এদিন ৰেকৰ্ড প্লেয়াৰ কিনিলে। এতিয়া সেইবাবে মাজে মাজে তেওঁ ৰেকৰ্ড আনিব লাগে। এসাপা টকাৰ অনৰ্থক ভৰণি। এখন ৰেকৰ্ডৰ দামেৰে এমোন ধান কিনিব পাৰি বদ্ৰিনাথৰ দোকানৰ পৰা। অকল সেয়ে জানো? ৰেকৰ্ডপ্লেয়াৰ কিনিও লেঠা নমৰিল। টুকুৰ আবদাৰ ৰাখিবলৈ এযোৰ ৰাজহাঁহ কিনিবলগীয়া হৈছে হগচাহাবৰ বজাৰৰ পৰা। ৰামবাবুৰ দালালী। নগদ এশ দহ টকা। তেওঁবিলাক অহাৰ পৰা চোৰ অহা নাই। এবাৰ শেহৰাতি চোৰবোৰে পুখুৰীত জাল টানি আছিল। ৰাজহাঁহ দুটাই একেলগে অবিৰাম দীঘলীয়া বিকুল বজাবলৈ লাগিল। পুলিচ পেৰেদত যেনেকৈ বেগপাইপ বজায়, সাইলাখ তেনেকৈ। সিহত য'ৰ জাল ত'তে পেলাই পলাল।

খাই-বৈ অনাথে ক'লে— বলাইক দেখোন দেখা নাই!

লিলিয়ে মাত লগালে— বলাইৰ আজি কৃষ্ণলীলা নাট আছে।

অ' আজি কৃষ্ণলীলা নাট মেলাৰ দিন নেকি? এহ্ এটা ভুল হ'ল। বলাইক কথা দিছিলোঁ চাবলৈ যাম বুলি।

টুকুৱে ক'লে— এতিয়া ব'লা বাবু।

নাই, ইমান ৰাতি আৰু নাযাওঁ।

শান্তাই নিজৰ ভাত বাঢ়ি বহি লৈ ক'লে— তোমাৰ বলাইৰ গুণ বহুত। মাহেকত যিটো দিয়া হয় তাৰ পৰাই আঢ়ৈ টকা মাষ্টৰক দি মিলন মন্দিৰত নাট কৰিবলৈ গৈছে।

অনাথ মনে মনে থাকিল। চৌধ-পোন্ধৰ বছৰৰ এই ল'ৰাটো তেওঁৰ লগত কাম কৰিবলৈ আহিছিল ছয় কি সাত বছৰতে। এতিয়া গোঁফ দুই-এডাল গজিছে। ওচৰলৈ আহি লিলিক ক'লে— ৰেকৰ্ডখন বজাচোন।

ঘূৰাই ঘূৰাই শুনি থাকোঁতে ৰাতি গহীন হ'লহি। অপূৰ্ব কণ্ঠস্বৰ। গানৰ সুৰে সুৰে যেন ফুটি উঠিছে জোনাকৰ অৰ্থ। শান্তাৰ টোপনি আহিছে। টুকু-লিলিৰো একেই অৱস্থা। বাঘা এন্ধাৰ বাৰান্দাত বৈ আছে। মাজত লোহাৰ গ্ৰিল। সি গানৰ ওস্তাদৰ গলাৰে অনাথক সুধিলে— ভাল ৰেকৰ্ড আনিছাতো?

অনাথে চাৰিওফালে চালে। তিনিটা প্ৰাণীৰে টোপনি। তেওঁ বাঘাৰ ফালে চাই লাহেকৈ মাত লগালে— 'ভৌ'।

বাঘাই শুনিলে— ধন্যবাদ।

এতিয়া ঈশ্বৰীতলা গ্ৰোবৰ বাহিৰত। দূৰণিৰ জোনাকৰ মাজে মাজে এটা ৰঙা ভক্‌ভকীয়া জুইৰ ফিৰিঙতি। ডিচটেন্ট চিগনেলৰ সেই স্মৃতিকণেই কেৱল পৃথিৱীৰ লগত ঈশ্বৰীতলাৰ একমাত্ৰ সংযোগ।

জালেৰে বেৰি থোৱা পোলট্ৰিৰ এটা ভাগ লেগহৰ্ণকেইটাৰ পায়চাৰি কৰা ঠাই। অস্থিৰ উগ্ৰ জোনাকৰ পোহৰকে দিন বুলি ভাবি সিহঁতকেইটাই তাত পায়চাৰি কৰি আছিল। অনাথক দেখি সিহঁতৰ এটাই সুধিলে– মৰ্ণিঙ ৱাকৰ বাবে ওলাইছা নেকি?

অনাথে দেখিলে– গোটেই পৃথিৱী এতিয়া নিদ্ৰা-মগ্ন। তেওঁ অনায়াসে চিঞৰি ক'লে–কঁ-কঁ-কঁ।

কুকুৰাবোৰে শুনিলে–দিন নহয়। তহঁত শোগৈ যা। শুনি সিহঁত শুবলৈ ভিতৰলৈ গ'ল।

এই ঈশ্বৰীতলা ভূগোলৰ বাহিৰত হ'লেও ইয়াৰ নিজা ভূগোলো আছে, ইতিহাস আছে। শিয়ালদহৰ পৰা ভাড়া পয়সত্তৰ পইচা। ক্ৰচিং নাথাকিলে ট্ৰেইনখনে চল্লিশ মিনিট সময় লয়। ঈশ্বৰীতলাত এটা ডোবা আছে। এই ডোবাটোৰ বান্ধটোৰ নাম কোম্পানী বান্ধ। তাৰ গাতে লাগি আছে অনাথবন্ধুৰ নতুন ঘৰ। এতিয়া মাজৰাতি সেই কোম্পানী বান্ধত পায়চাৰি কৰিবলৈ গৈ উগ্ৰ জোনাকৰ হেঁচাত যেন চেপেটা খাইছিল। অনাথৰ কথাও অলপ কোৱা দৰকাৰ। তাৰ আগতে দৰকাৰ, ঈশ্বৰীতলাৰ ভূগোলৰ কথা। লেৱেল ক্ৰচিঙৰ সিপাৰে ৰেল ষ্টেচন, বজাৰ, বেংক, কলেজ, ছায়াবাণী চিনেমা হল আৰু এম-এল-এৰ ঘৰ, এক ইটাৰ গাঁথনিৰ এটা চালে-চকু-ৰোৱা চাৰ্চ আছে। তাত দেওবাৰে পুৱাৰ পৰা ঘন্টা বাজে। বাৰিষা ৰোৱাৰ কঠীয়া কম হ'লে ইলেকট্ৰিক ট্ৰেইনেৰে পিছৰ ষ্টেচনৰ পৰা বোজা বান্ধি আনে খেতিয়কসকলে।

লেৱেল ক্ৰচিঙৰ এইপাৰে ঈশ্বৰীতলাৰ আৰু এটি ৰূপ। ধানৰ দোকান, গমৰ কল, গুড় মিহলোৱা ধঁপাতৰ দোকান, সোণাৰীৰ ঘৰ, বাছৰ টাইম অফিচ, পঞ্চাননতলা, ধানৰ পথাৰ। এইফালে মাটি সস্তা বুলিয়েই অনাথে ঘৰ কৰিব পাৰিছে।

অনাথবন্ধু বসু কবি নহয়। ইঞ্জিনীয়াৰ নহয়। সাধু নহয়। ক্ৰিমিনেলো নহয়। দয়ামায়া, খং-ৰাগ-দুখ থকা এজন ঊনচল্লিশ বছৰীয়া বঙালী। চিগাৰেট খায়। গান শুনে। ইয়ালৈ আহি কবিৰাজে কৰা কলহৰ তাড়ি খায় নিয়মমতে। তেওঁ বেংকত কাম নকৰে। ওঠৰ বছৰ একেৰাহে অফিচ এটাত কলম পিহি এতিয়া তেওঁ মজলীয়া অৱস্থাৰ বাবু। তেওঁৰ ঘৈণীয়েক শান্তাই তেত্ৰিশত ভৰি দিছে।

সেই অনাথেই এতিয়া কোম্পানীৰ বান্ধটোৰেদি ডোবাৰ মূৰলৈ গৈ আছিল। আইনাৰ নিচিনা ফৰিংফুটা জোনাক। ডোবাৰ মূৰত থিয় হৈ দেখিলে– দিনৰ সেই ডাৱৰ তিনিটুকুৰাই এতিয়াও ঠাই সলোৱা নাই। চন্দনেশ্বৰ মৌজাৰ মূৰৰ ওপৰত খহি পৰিব খুজি ধুনীয়াকৈ ওলমি আছে। তেওঁৰ গাত ৰিব্ৰিবীয়া বতাহ লাগিছিল।

উভতি থিয় হৈ ৰ'ল। ডোবাটোৰ সিপাৰে ৰেল লাইন পাৰ হ'লেই অক্ৰুৰ বাবুৰ মাটি। তেওঁতকৈ বহুতে আগতে এই ঠাইলৈ আহিছে। ইটাখোলাৰ ডাঙৰ ডাঙৰ পুখুৰীবোৰ চল্লিশ কি পঞ্চলিশ টকাত কিনি একেলগ কৰি ঘৰৰ ওচৰতে বান্ধ দিছে। তাত পুৱা-সন্ধ্যা হেজাৰ-বিজাৰ মাছে ওলোটাখৰ মাৰে, বুৰবুৰণি কাঢ়ে। ষ্টেচন বজাৰত অক্ৰুৰৰ

দোকান। মহুৱাৰ বাকলি বৰবজাৰৰ পৰা কিনি আনি মাছক খাবলৈ দিয়ে। ল'ৰা দুটাই কলিকতালৈ গৈ চাকৰি কৰি আহে। ঘৰৰ কাষৰ ধানৰ পথাৰতে ধান, গম, বুট, মগু, মচুৰৰ খেতি কৰে অক্কুৰে।

সেই অক্কুৰে গাই বেচিব কিয়? ভাবি একো উৱাদিহ পোৱা নাই অনাথে।

পুৱা হেল্‌থ চেন্টাৰৰ পৰা ডাক্তৰে কাগজখন পঢ়ি অনাথলৈ পঠিয়াই দিয়ে। শান্তাই শুই উঠি দেখিলে— তেওঁৰ আদ্‌-পুৰণি স্বামীজনে কাগজৰ আখৰবোৰ চকুৰে খুটিয়াই খুটিয়াই খাই আছে।

কালি ৰাতিও ঘূৰি ফুৰিছিলা?

ক'তা! নাই ঘূৰা।

এবাৰ যেন দেখিলোঁ— বিছনাত তুমি নাই।

অলপ ওলাই গৈছিলোঁ।

ভাল কৰিছা। শেষত সাধু-চাধু হৈ যাবা। মোক বিয়া কৰি তুমি অলপো সুখী হোৱা নাই।

হঠাৎ এই কথাটো ক'লা কিয় শান্তা? মোৰ কামত জানো কিবা ফাকি দিছোঁ?

নাই দিয়া কাৰণেই ইমান ভয়। তুমি যে কিয় ইমান নিয়মত চলা মই নুবুজোঁ।

মই চকু নাৰাখিলে এই গৃহস্থালি উটি যাব, শান্তা।

অলপ উটি য'ক দিয়াচোন। এবাৰ ওপঙিয়েই চাওঁহক— কেনে লাগে।

অনাথে এইবোৰ কথাৰ পৰা ফালৰি কাটি গৈ সুধিলে— মদন-বদন আহিছিল নেকি?

ক'বই নোৱাৰোঁ। চাওঁচোন—

শান্তা উঠি গৈ বাৰান্দাত বহা বেঞ্চখনৰ তলৰ পৰা কবিৰাজে কৰা তাড়িৰ কলহটো হাতত লৈ উভতি আহিল। আহিছিল। সিহঁত ভায়েক-ককায়েক দুটাই দি নগ'লে ইয়াত তোমাক আৰু কোনে দি থৈ যাবহি তাড়ি।

তাৰ পিছত নিতৌ দিয়াৰ দৰে, শান্তাই এটা ডাঙৰ গিলাচত কাপোৰেৰে চেকি এগিলাচ তাড়ি অনাথৰ হাতত দিলে। ইয়ালৈ আহি অনাথৰ এই অভ্যাসটো হৈছে। কোঁট কোঁট কৰে খালে তিনি গিলাচ। তাৰ পিছত ক'লে— এতিয়া থোৱা। বাকীখিনি পিছত খাম। নাইবা, টুকুৰেও খাব পাৰে।

ডাঙৰ ছোৱালীক আৰু লতা নলগবা। পিছত বিপদত পৰিব তাই। কিহৰ বিপদ? কবিৰাজী অনন্তমূল দি গছত বহুৱাই থোৱা কলহৰ তাড়ি। যি খাব, শৰীৰ ভাল হ'ব।

ঘৰতে গাখীৰ যোগান দিয়াদি শহুৰেকৰ ঘৰলৈ যোৱা ছোৱালীলৈ তাড়ি পঠিয়াব পাৰিবানে?

সেইটো কথা সুকীয়া শান্তা। ভাল কথাই ওলাইছে। গাখীৰৰ যে কথা ক'লা, এটা কথা তোমাক কোৱা হোৱাই নাই। অক্কুৰ বাবুৱে তেওঁৰ গাইজনী বেচিব খুজিছে।

ঘৰলৈ আৰু জীৱ-জন্তু নানিবা। কোনোবাই কিবা বেচে বেচক, তোমাক কয়হি কিয়?

টুকু আৰু লিলি ক'ৰবাত আছিল। টোপনিৰ পৰা উঠিয়েই কোম্পানী বান্ধলৈ গৈছিল। সদায় যায়। মদন আৰু বদনে বৰশী বায় নিতৌ ৰাতি। পুঠি মাছ, কেচু, শিঙৰা যি পায়— বৰশীত গাঁথি থৈ দিয়ে। এবাৰ ভোজৰ ৰাতি, এডাল সাপ গাঁথিছিল মাত্ৰ। প্ৰায়ে সিহঁতে কুঢ়ি মাছ পায়। চেনি, শ'ল, মাগুৰো কেতিয়াবা পায়। যিহকেই বৰশীত নালাগক লাগে, টুকুৱে আগবাঢ়ি সেইবোৰ লৈ ঘৰ পাবহি। ক'ব— বাবু, কিনা। এতিয়াই কিনিব লাগিব। লগত সৰুজনী ছোৱালী লিলি থাকেই। তায়ো কয়— কিনিবই লাগিব।

আজিও দুয়োজন ককাই-ভাইকে লগতে লৈ আহিছে টুকু আৰু লিলিয়ে। মদনৰ হাতত বৰশী। বদনৰ হাতত ডাঙৰ এটা শ'ল। এতিয়া দৰদাম কৰিব আধাঘন্টা ধৰি। শান্তাৰ খং উঠিব। তাৰ পিছত নিজেই মাছটো কুটি-কাটি বলাইক চৰুত জাল দিবলৈ ক'ব। দৰদামৰ নামটোহে, আচলতে অনাথে মদন-বদনৰ সৈতে কথাৰ মহলা মাৰে। এইদৰে কথাৰ মহলা মাৰিবলৈ নতুন নতুন কাম উলিয়াই অনাথে প্ৰায়েই সিহঁত দুই ভাই-ককাইক মজুৰি দি আনফালে যোৱাৰ মুদা মাৰি থয়। — পুখুৰীৰ শেলাই চাফা কৰ। মাছৰ সংখ্যা বঢ়া নাই মুঠেই। তলৰ বোকা খচি গেচ উলিয়াই দে মাটিৰ। এনেকুৱা কিছুমান কথা। তাৰ মাজে মাজে অইন কথাও পাতে। কোনোবা এটা বাৰিষা সিহঁত দুয়োটাই মিলি ধানৰ পথাৰত পুখুৰীত ওপঙি থকা ৰৌ মাছ ধৰিছিল চৌধ কেজিৰ। জবহঁতৰ খুটিত বেচি আঠান্নৰ্ব্বে টকা পাইছিল। সিহঁতৰ বৰককায়েক ভদ্ৰেশ্বৰে মাছটো প্ৰথমেই দেখিছিল বুলি তেওঁক দিছিল নগদ সাত টকা।

টুকুৰ কথাটো শুনি মনত লাগিল। — কোনজনী গাই বাবু? অক্কুৰ বৰদেউতাৰ? সেইজনীতো বৰ ডাঙৰ গাই। কি ধুনীয়া শিং! সকলো সময়তে নেজেৰে মাখি খেদায়।

ৰ'বি। আগধৰি মাছটোৰ দৰদাম কৰোঁ।

মাছটো মজিয়াত থোৱা মাত্ৰকে জঁপিয়াবলৈ লাগিল। তাৰ লগে লগে বাঘাৰো জঁপিয়াজঁপি আৰম্ভ হ'ল। পুখুৰীৰ পৰা লিলিয়ে নাম দিয়া দুয়োটা ৰাজহাঁহ— অৰুণ-বৰুণে বিকুল বজাবলৈ আৰম্ভ কৰিছে। ছাগলীবোৰ মুকলি হৈ শুক্লাৰ তত্ত্বাৱধানত বেঁ, বেঁ কৰি বান্ধটোৰ ওপৰ পালেগৈ। পাতিহাঁহৰ দল তেতিয়ামানে পুখুৰীৰ পানীত। লেগহৰ্ণ-কেইটায়ো অতিশয় বিচক্ষণ ভংগীৰে পায়চাৰি কৰিবলৈ বেৰা দিয়া ঠাইটুকুৰাতে জুখি জুখি খোজ দিছিল। কৃষ্ণচূড়াজোপাই ডালে ডালে ৰঙা ফুলৰ জুই বৰষিছে উপজি পুৱাতে। ঘাঁহ ঘন সেউজীয়া। গাঁৱৰ দূৰৰ ৰাস্তাইদি কাণমাৰিত ডাবৰ মুঠা ওলোমাই তিনিজন ষ্টেচনৰ পিনে গৈছে। ছয় বাজি পোন্ধৰ মিনিটৰ ৰেল ধৰিব। অনাথে একো নকৈ এক চেকেণ্ড মনে মনে ৰ'ল। তেতিয়াই নিজকে নিজে ক'লে— ইয়াৰ নামেই সুখৰ সংসাৰ। কথাটো বিশেষভাৱেই মনলৈ আহিল এইকাৰণেই যে, বোন্দা মেকুৰীটোৱে কোঠাৰ চুকত কুঁচি-মুচি সেই মুহূৰ্তত অনাথৰ ফাললৈকে চাই আছিল— আৰু আগফালৰ

ৰাঁও ঠেংখন তুলি আনি নাকৰ আগটো খজুৱাই লৈছিল। অতবোৰ মানুহ থকাৰ সময়ত মেকুৰীবোৰে তাৰ লগত কথা নাপাতে। নহ'লে, অনাথক বোন্দাটোৱে কিবা এটা ক'লেহেঁতেন। শান্তাই তাক বজ্জাত বুলি মাতে।

শান্তাই ক'লে— যিজনী গৰুৱে নেজেৰে মাখি খেদায়, তাইৰ ডিঙিত ঘা আছে তাৰমানে। সেইবোৰ বস্তু ঘৰত নুসুমুৱাবা। কোনোবাই কিবা বেচিব, তাৰ খবৰ সকলোতকৈ আগতে তোমাৰ ওচৰ পায়হি কিয়?

মদনে ক'লে— বাবু ডাঙৰ মানুহ, সেইবাবেই ওচৰ পায়হি। বদনে মূৰ দুপিয়াই ককায়েকৰ কথাত সন্মতি জনালে। চুলি কটা সিহঁতৰ জাতিগত ব্যৱসায়। দুই ভায়েক-ককায়েকে সেইবোৰ কামলৈ মন কৰা নাই। কিন্তু ক'ত খুব বিক্ৰী হয়, ক'ত নৰণি তৈয়াৰ কৰে, সেইবোৰ সিহঁতৰ নখ-দৰ্পণত ; কাৰণ সিহঁতৰ বৰ ককায়েক ভদ্ৰেশ্বৰে এতিয়াও নাপিতালি কৰি খাই আছে। তাকে কৰি যজমানিৰ দৰে চক্ৰৱৰ্তীহঁতৰ এজমালিৰ পৰা তিনি বিঘা মাটি পাইছে। তাতে খেতি কৰে ভদ্ৰেশ্বৰে। খেতিত বৰ ককায়েকৰ হাতৰ পৰা মজুৰি লৈ মদন-বদনে ধান ৰুই দিয়ে। সিহঁত দুটাই গছৰ ফল, ৰেগনৰ গম, ডোবাৰ মাছ, পুখুৰীপাৰৰ ওলকচু খাই পেট ভৰায়। তথাপি, দাঢ়ি খুৰোৱা, চুলি কটা, কাষলতি তলৰ নোম কটা— এইবোৰ কোনোপধ্যেই নকৰে। কেৱল মাজে-সময়ে অনাথৰ নখ কাটি দিয়ে।

মই ডাঙৰ মানুহ বুলি কেনেকৈ জানিলি?

বদনে ক'লে— সেইটো দেখিয়েই ধৰিব পাৰি, বাবু। বিশেষ কাম-কাজ নকৰেই। কেৱল অলপ সময় অফিচলৈ যায়। আৰু নগদ দি সকলো কিনে। কিনিবলৈ যাওঁতে সদায় ঠগ খাই আহিছে। সেই কথালৈ কোনো চিন্তাও নাই। ডাঙৰ মানুহ নহ'লে এইবোৰ জানো কৰিব পাৰে?

অঃ! — আৰু কথা নবঢ়ালে অনাথে। কিমান পালে মাছটো দিবি?

আপোনাৰ যি ইচ্ছা।

এইটো তহঁতৰ চালাকি। লাজত পৰি মই বেছি দাম দি দিওঁ। সেইবাবে বজাৰ দৰতে ওজন কৰি হিচাপ মতে দে।

বলাই নাহিলে দগাপাল্লা পোৱা নাযাব। ক'ৰবাত থৈ গৈছে।

এয়া মই আহিছোঁ, বাবু।

লিলিয়ে হাতচাপৰি মাৰি হাঁহি দিলে— কিহৰ ভাও দিছিলা বলাই দাদা?

লাজতে বলায়ে কঁকালত হাফপেন্টটো টানি বান্ধি ল'লে। এটাও বুটাম নাই। সকলো ঠাইতে চেফ্‌টিপিন্। আৰু কঁকালত নাৰিকলৰ ৰছী। অনাথে চেণ্ডেল কিনি দিছিল। বলায়ে পিন্ধিব পৰা নাই। ভৰিৰ আঙুলিবোৰ বেঁকা। কোনো জোতাই তাৰ ভৰিত ফিট নহয়।

কালি নিশা কেনে হ'ল?

অনাথৰ কথা শুনি বলায়ে হাঁহি ক'লে— যশোমতীৰ ভাও দিছিলোঁ।

সেইটো বুজিবই পাৰিছোঁ। গাৰ ৰংবোৰ ধুই আহ।

টুকুৱে চিঞৰি ক'লে— চকুৰ কাজল, ফোঁট নুধুবি বলাই। আমি তোৰ পাৰ্ট চাম।

ৰং ধুবলৈ যোৱাৰ আগতে বলায়ে ক'লে— অক্কুৰ বঙালে এজনী গাইৰ কথা আপোনাক ক'বলৈ কৈছিল। ৰেল আহোঁতে লেবেল ক্ৰচিঙতে মোক এইমাত্ৰ লগ ধৰিছিল। মোক নেদেখুওৱাকৈ গাইজনী নিকিনিব কিন্তু বাবু।

বলাইক মদন-বদনে চকু পাৰি দেখিব নোৱাৰে। বাৰুকৈয়ে হিংসা কৰে। অনাথক প্ৰায়েই সোধে— কিমান দিয়ে মাহেকত? খালী ফাকি দিয়ে—

মদনৰ বয়স তেইশ। বদনৰ এতিয়াও বোধহয় কৰি হোৱাগৈ নাই। দুই ভায়েক-ককায়েকে মাছৰ লোভত জাৰৰ নিশাও বৰশী পেলাই ডোবাৰ পাৰত মূৰে-গায়ে কাপোৰ লৈ বহি থাকে। মদনে ক'লে—বলায়ে নাবালেও চাৰি চাপৰ বায়। গৰু কিমান চিনি পায় জানো। যাওঁ ব'লক বাবু, আবেলি আটাইবোৰ গৈ চাই আহোঁ।

যাব পাৰি।

জীয়া মাছটো শান্তাই বাছিবলৈ বুলি লৈ গ'ল বৰ কষ্টেৰে। হাতত লোৱাৰ পিছতো তাৰ কি ধৰফৰণি! যোৱাৰ বেলিকা শান্তাই মদনক চকুৰে টিপ দি ক'লে— ওজন নকৰিলেও হ'ব। এতিয়াতো বাবুৰ তাড়িৰ ভাগ-বটৰা হ'ব। ৰাতি পুৱাইছেহে, এতিয়া ঘৰলৈ যা।

অনাথে ক'লে— দামটো আগতে দি দিওঁ।

সাত টকাতকৈ এপইচাও বেছি নিদিবা।

অনাথে মদনলৈ চাই চকু পিৰিকিয়াই হাঁহিলে, অৰ্থাৎ যি কৈছে কওক দে। মুখেৰে ক'লে— টেবুলৰ পৰা মোৰ মণিবেগখন আনচোন।

শান্তা মাছ বাছিবলৈ পাকঘৰত সোমাইছে। এনে সময়তে হকাৰ আহি অনাথৰ নিজৰ খবৰ কাগজখন দি গ'লহি। অনাথে মদনৰ হাতত দহ টকাৰ নোট এখন গুজি দি ক'লে— যা এতিয়া। গাইজনী চাবলৈ যাম আবেলি। আহিবি কিন্তু।

পুখুৰীৰ ঘাটত বলায়ে মুখ ধুইছিল। টুকু আৰু লিলি পাছফালে থিয় দি আছে। লিলিয়ে কৈছে— যশোদাৰ গীতটো এবাৰ গোৱাচোন বলাই দাদা।

শাৰী নিপিন্ধাকৈ মইতো গাব নোৱাৰিম।

টুকুৱে ক'লে— হাফ পেন্ট পিন্ধিয়েই গা।

তেতিয়াহ'লে হুটা মাত ওলায়। তহঁতে এতিয়া পঢ়গৈ যা। সন্ধিয়া নাচি নাচি গাই শুনাম। কথা দিলোঁ। তেতিয়া তহঁতৰ মাৰৰ শাৰী পিন্ধি ল'ম। ভৰিত নূপুৰ পিন্ধিম। চাবি—

তাড়ি খাই অনাথৰ মুখখন জ্বলা-জ্বলা লাগিছিল। নিজে চেকি লৈ আৰু দুগিলাচ খালে। তেতিয়া ৰিবৃৰিবৃ বতাহত, মূৰটো পাতল লাগিল আৰু গাটোও ভাল লাগি

আহিল অনাথৰ। মনতে ঠিক কৰিলে— আজি আৰু অফিচলৈ নাযাওঁ। তপতে তপতে মাছ-ভাত খাই দুৱাৰ বন্ধ কৰি একেৰাহে শোৱাহে কথা। তাৰ আগতে সাঁতুৰি গা ধুব লাগিব। চিঞৰি শান্তাক ক'লে— তপত তেলত মাছটো ভাজি ৰান্ধিবা কিন্তু।

শান্তাই আন কথাহে ক'লে। অকুৰেনো ইমান আঁকোৰ-গোঁজকৈ লাগিছে কিয়? গাইজনীৰ নিশ্চয় কিবা খুঁত আছে।

দুই

টুকু আৰু লিলি স্কুললৈ নগ'ল। শান্তাৰ ৰন্ধা-বঢ়াৰ গুণত আনদিনৰ তুলনাত সিহঁতে দুগুণ ভাত খালে। তাৰ পিছত অনাথক ক'লে—আমি এতিয়া খোজ কাঢ়িব নোৱাৰিম, বাবু। এতিয়া শুমহে আমি। কাইলৈ তুমি চিঠি এখনকে লিখি দিবা।

অনাথে প্ৰায়েই এনেকৈ চিঠি লিখিবলগীয়া হয়। তেওঁ চিঠি লিখিবলৈ মান্তি হ'ল। কিন্তু নিজৰ বেলিকা ভবামতে কাম নহ'ল। তাড়িৰ নিচাই ভালকৈ ধৰিছে। ভাতো যথেষ্ট খোৱা হ'ল। তাৰ পিছত ভৰ-পেটেৰে নিচাৰ ৰাগী লৈয়ে খৰখেদা কৰি চাৰে দহ বজাৰ ৰেলখন ধৰিলেগৈ। সদায় যোৱাৰ নিচিনাকৈ আজিও ভেগুৰৰ ডবাটোতে উঠি ল'লে। শাক-পাচলি বিক্ৰী কৰাবিলাকে তেওঁক বেৰি ল'লে। — কি খবৰ বসু ডাঙৰীয়া? আজি ইমান দেৰি?

অনাথে একো উত্তৰ নিদি খিৰিকিৰ কাষলৈ গৈ মূৰটো লোহাৰ চিটত পেলাই দিলে। এতিয়া গৈ থকা ৰেলখনৰ বিপৰীত ফালৰ বতাহে আহি তেওঁৰ চুলিৰ গুৰিলৈকে চুই যাব আৰু সেই অৱস্থাতে এটা ষ্টেচন নৌ-যাওঁতেই বহি বহিয়েই টোপনি যাব। টোপনি ভাগিবগৈ একেবাৰে শিয়ালদহত।

সঁচাই টোপনি ভাগিল। অৱশ্যে বহুত পিছত। ইলেকট্ৰিক ৰেল দুইফালেই যাব পাৰে। সেইদেখি ট্ৰেইনখন শিয়ালদহৰ পৰা আকৌ ওভতাৰ ঠিক আগে আগে অনাথ ট্ৰেইনৰ পৰা নামিল। সাধাৰণতে এনেকুৱাই হয়। ঘড়ী চাই দেখিলে যে প্ৰায় পঞ্চাশ মিনিট সময় দুৰ্ঘোৰ টোপনি গৈছিল। এতিয়া ষ্টেচনৰ বাথ-ৰুমৰ আইনাত তেওঁৰ দাড়ি খুৰোৱা মুখখন গহীন গহীন যেন লাগিব।

সেইখন মুখ লৈয়ে অনাথ অফিচ পালেগৈ। ঠাইখন বৰ ভাল। তেওঁ কাম জানে। সেইবাবে কোনেও তেওঁক আমনি নিদিয়ে। তিনিজনৰ কাম এঘন্টাতে শেষ কৰি আহিছোঁ বুলি অফিচৰ পৰা ওলাই আহিল।

ডেৰ বাজিছে। কলেজীয়া কালৰ বন্ধুসকল কোন ক'ত আছেগৈ চিন নাই। পুৰণি কলেজৰ আগেদি যাওঁতে তেওঁ ভালকৈ বুজি পালে— কালেই সকলো হৰণ কৰে। সেইখনেই কলেজৰ গেট। তাত বন্ধুসকলৰ লগত কিমান আড্ডা দিয়া হ'ল! সেইবোৰ

সময়ৰ পিছত কিমান দিনৰ নতুন নতুন সময় আহি পুৰণি সময়টোক তল পেলাইছে। খান্দি-কুৰুকিও সেই সময়খিনিক আৰু পোৱা নাযায়।

এই কলেজৰ হলতে তেওঁ ডিবেট কৰিছে। গেটত বক্তৃতা দিছে। এটা সময়ত পিকেটিং কৰিছে। আটাইকে বহুকালৰ বন্ধু যেন লাগিছিল। এতিয়া তেওঁবিলাক আটাইবোৰ ক'ত? কিবা কাম-কাজ কৰে চাগৈ!

পুৱাৰ খেপৰ ভাৰতী আহি সেই বকুল গছজোপাৰ তলতে থিয় হৈছিলহি। প্ৰথমতে অনাথ বাবু বুলি মাতিছিল। শেষত কেৱল বন্ধু বুলিছিল। তেওঁৰ নামটোৰ শেষত 'বন্ধু' কথাযাৰ ভাৰতীৰ মুখত বৰ ধুনীয়া লাগিছিল। বাহিৰৰ কোনোৱে তেওঁবিলাকৰ কথাটোৰ ফুটকে নাপাইছিল। অনাথে ভবিছিল— সিহঁতৰ বিয়াই হ'ব। কিন্তু নহ'ল। সেইবোৰ বহুত কথা। এতিয়া থাওক।

ওলাই আহিল কিয় সেই কথা মনত পৰাৰ লগে লগে তেওঁ ট্ৰাম লাইন এৰি ফুটপাথত ভৰি দিলে। এই ৰাস্তাটোত ডাঙৰ দা, সৰু লাঠি, মাছৰ টোপ কৰিব পৰা পৰুৱাৰ কণী, কোৰ, কুকুৰৰ চেইন, বাগিচা কৰা খুৰ্পি আৰু ডাঙৰ গৰু বন্ধা শকত শিকলি কিনিবলৈ পোৱা যায়। দৰ-দাম কৰি চাব পাৰি। যাওঁ বোলোঁতেই থতমত্ খালে অনাথে।

তেওঁৰ আগেদিয়েই ভাৰতী গৈ আছে। আগতকৈ শকত হৈছে। দামী শাৰী, কপালত সেন্দুৰৰ ৰেখা। লগত কেইগৰাকীমান সুখী যেন লগা তিৰোতা। ভাৰতীয়ে তেওঁক দেখিও চিনি নাপালে। অৱশ্যে বহুত দিনেই হ'ল। অনাথৰো চেহেৰা বহুত সলনি হৈছে। তেওঁ যিখিনি শুনিছে— ভাৰতীয়ে এখন স্কুলত ভূগোল পঢ়ায়। আকৌ গাৰ্ল-গাইডো হৈছিল। পাছে তেওঁৰ বিয়াৰ কথা কাণত পৰা নাই। বহুতদিন আবিয়ে থাকি হয়তোবা ইমান দিনৰ পিছত মানুহজনী বিয়াত বহিছে। সেইবাবেই মূৰত ইমান সেন্দুৰ! লগৰ ছোৱালী আৰু মহিলাসকল হয়তো শহুৰেকৰ ঘৰৰ ফালৰ আপোন মানুহ। বেছি বয়সীয়া ভাৰতীয়ে কোনোবা আদ্-বয়সীয়া মানুহৰ সৈতে মালা-বদল কৰিছে। ওপৰৰ পাৰিৰ আগ দাঁত দুটাৰ মাজৰ সেই ফাকটো আছে। কথা পাতি পাতি ভাৰতী গৈ সম্মুখৰ মিঠাইৰ দোকানত সোমাল।

অনাথৰ চিনাকি দিয়াৰ বৰ ইচ্ছা হ'ল। তেওঁক চিনি পালে ভাৰতীৰ মুখৰ চেহেৰাটো কেনে হয়, এবাৰ চাব লাগিব। অনাথো মিঠাই দোকানত সোমাল। সম্মুখতে ডাঙৰ চাইজৰ আইনা। তাতে দুয়োটা প্ৰতিবিম্বৰ চকুৰাচকি হ'ল। কিন্তু ভাৰতীয়ে একেবাৰে চিনি নাপালে অনাথক। অনাথে চিনাকি দিব খুজিলে। হাঁহিলে। কিন্তু ভাৰতীয়ে সমূলি চিনিব নোৱাৰিলে।

দোকানীয়ে অনাথক সুধিলে— কি দিম?

কি আছে?

চাওক, বহি খাবনে? নে লগত লৈ যাব?

লগত নিম।

সস্তাতে পাঁচটা মগুৰ লাড়ু পালে এটকাত। ঠোঙাত সেইকেইটা লৈ ৰাস্তাৰে খাই খাই যাবলৈ লাগিল অনাথ। খায় আৰু গৈ থাকে। এবাৰ ভাব হ'ল— পানী নোখোৱাৰ কাৰণে ডিঙিত লাগি ধৰিছে। মেচটোত টিউবৱেল দেখি পাম্প কৰিলে। সৰ্বনাশ! পানী দেখোন নাই। বিকল টিউবৱেলৰ সম্মুখৰ নিত্যানন্দ ভোজনালয়লৈ দৌৰি গৈ পানী খাই তেহে ৰক্ষা! ভোজনালয়ৰ ধুনীয়া পৰিষ্কাৰ চিৰিতে বহিল অনাথ। শেষত, ইমান দিনৰ পিছত প্ৰেমৰ এই পৰিণতি! ভাগ্যে জানিবা সি অৰ্ডিনেৰি। যদি অসাধাৰণ হ'লহেঁতেন, তেনেহ'লে নিজৰ স্মৃতি, সংস্কাৰৰ গৰ্বত বৰ কষ্ট পালেহেঁতেন অনাথে। এতিয়া যেনেকৈ আছে সেয়ে ভাল। নানাপ্ৰকাৰে জীৱনৰ জুতি লৈ এতিয়া এই অৱস্থা পাইছেহি। এতিয়া তাৰ আটাইতকৈ ভাল লাগে ঘাঁহনিত শুদা ভৰিৰে খোজ কাঢ়ি। আৰু ভাল লাগিলহেঁতেন— যদি বাগৰি ফুৰিব পাৰিলেহেঁতেন। আবেলি মুকলি পথাৰত চিৎ হৈ শুই পোনে পোনে আকাশলৈ চাই দেখিছে— পৃথিৱীখন পিঠিৰ তলেদি শ্লিপ কৰি ঘূৰি আছে, ই যে অনিত্য। সি নিজে কোনোদিনেই গীতা চণ্ডী পঢ়া নাই। কোনো গুৰুত্ব নাই অনাথৰ। গ্ৰহণী আছে। উচ্চাকাংক্ষা যি আছিল, গ'ল। দৈনিক সি কেৱল সৰল ৰং-ৰহইচত বুৰ গৈ আছে।

তথাপি স্বীকাৰ কৰিবই লাগিব— এইজন অনাথবন্ধুৰো এটা বেকগ্ৰাউণ্ড আছে। বহলাই ক'বলৈ সময় লাগিব। তাতকৈ চমুকৈ কোৱাই ভাল। আমাৰ অনাথে একালত অতিশয় ব্যস্ত জীৱন কটাই চাইছিল। আঢ়ৈ বছৰ কটালে ইস্পাত কাৰখানাৰ অ'পেন হাৰ্থ ফাৰ্নেচত। ডেৰ বছৰ মথুৰা প্ৰসাদ বিদ্যাপীঠত ইংৰাজী ৰেপিড ৰিডাৰ পঢ়ুৱালে। ৰেডিঅ'ত বাতৰি পঢ়িলে সাত মাহ। তিনিগৰাকী প্ৰেমিকাৰ সৈতে তিনিবাৰ বিয়া হওঁ হওঁ বুলিও নহ'লগৈ। কলেজৰ গেটৰ মিটিঙত সি ফায়াৰী স্পিচ দিছিল। তাৰ সময়ৰ এগৰাকী ছাত্ৰী-নেত্ৰী— যাক অনাথে বাইদেউ বুলি মাতিছিল— এতিয়া প্ৰধানমন্ত্ৰীৰ অত্যন্ত ঘনিষ্ঠসকলৰ এজন। এবাৰ অনাথৰ এপেণ্ডিচাইটিচ্ হ'ল। ভৰিত দুবাৰ প্লাষ্টাৰ পৰিছে। কত কথা সি জানে। তথাপি মনে মনে থাকি নিজানত বাঘাৰ বাংলা কথাৰ 'ঘেং' বুলি উত্তৰ দিবলৈকে তাৰ এতিয়া বেছি ভাল লাগে।

দিনৰ ভাগতে ঘৰলৈ উভতি অনাথে দেখিলে— দিনত ৰঙা ইটা গুড়ি দিয়া বাটটো বেলেগ ধৰণৰ। এই সময়ত ঈশ্বৰীতলাৰ ওপৰেদি সম্ভৱতঃ নিৰক্ষীয় ৰতাহ বৈ যায়। সেই বতাহে বোধকৰোঁ একো পঢ়া-শুনা কৰা নাই ; কিয়নো, ডোবাৰ পাৰৰ গছ-গছনিবোৰৰ ডাল-পাত এই বতাহতে ওলট-পালট হৈছে। ভালেমান গাই-গৰু পোৱালিৰে সৈতে হাবিৰ পৰা ঘৰলৈ উভতিছে। বাঘাৰ পহৰাত পাতিহাঁহ আঠটা ডোবাৰ পানীত আবেলিৰ শেষ স্নান কৰাত ব্যস্ত। এইবোৰত ক'তো লগৰীয়া বস্তুৰ ছাঁটোও দেখিবলৈ নাপালে অনাথে। আজি পূৰ্ণিমা হ'ব পাৰে। ইয়াৰ ভিতৰতে চন্দনেশ্বৰ মৌজাৰ সিপাৰে দূৰৰ

ৰিণিকি ৰিণিকি দেখা ঠাইৰ ওপৰৰ আকাশত জোনৰ ৰূপৰেখা ফুটি উঠিছে। ফৰিংফুটা জোনাকত ঈশ্বৰীতলাৰ এই ভাগটো একেবাৰে বনকুঁৱৰী হৈ যায়।

ঘৰখনত কাৰো সাৰসুৰ নাই যদিও সকলো ঠিকে-ঠাকে আছে।

সাৰসুৰ নাই, কাৰণ ডাঙৰ চাইজৰ কণী পাৰিবলৈ দৰৱ খুৱাওঁতে একাৱন্ন নম্বৰ লেগহৰ্ণটো অলপ আগতে মৰি থাকিল। সিহঁতৰ কিন্তু তালৈ কাণষাৰেই নাই। পায়চাৰি কৰা ঠাইত আটাইবোৰে ভালকৈ খেলি আছে। মতা কুকুৰাবোৰৰ ওঁঠবোৰ চাফা কৰিব লাগিব। একাৱন্ন নম্বৰৰ সৎকাৰৰ আয়োজন কৰা নাই। মদনৰ বয়স তেইশমান হ'ব। বদনৰ অন্ততঃ উনৈশ। সিহঁতে আজিয়েই জীৱনত প্ৰথম কুকুৰাৰ মঙহ খাব। শান্তাই ছোৱালীজনীক কেতিয়াও মৰা কুকুৰাৰ মাংস খাবলৈ নিদিয়ে। অনাথকো নিদিয়ে। শান্তাৰ বয়স কিমান হ'ল আগতে কৈছোঁ জানো? কোৱা মনত নপৰে। শান্তাৰ এতিয়া বত্ৰিশ কি তেত্ৰিশ। একাৱন্ন নম্বৰৰ মৃত্যুৰ প্ৰসংগতে শান্তাৰ বয়সৰ কথা ওলাইছে।

আচৰিত কথা! ক'ত মানুহ আৰু ক'ত কুকুৰা! এটা ক্ষুদ্ৰ জীৱ। আনটো প্ৰকাণ্ড।

বাৰান্দাত বহি আছিল— মদন, বদন, বলাই, টুকু, লিলি। শান্তাই এই সময়তে দাঁতেৰে ফিটা কামুৰি বেণী গোঁথে। অফিচলৈ যোৱা সাজটোৰেই অনাথো আহি বাৰান্দাতে বহিলহি। এই ভিৰৰ মাজত দুজনী ছোৱালী তেওঁৰ নিজৰ জীয়েক। এজন চেমনীয়া তেওঁৰ চাকৰ। গাঁৱৰ দুজন নিৰক্ষৰ যুৱকক আধা-আধি তেওঁৱেই পোহপাল দিছে। আটাইবোৰ মিলি এতিয়া অক্কুৰ বাবুৰ গৰু চাবলৈ যাব লাগিব।

টুকুৱে একেটা কথাকে কৈ আছে— এই গাই আমাক লাগিবই। আন একো কথা নুশুনো বাবু।

ভাল কথা। যাওঁ ব'ল।

সকলোৰে আগত মদন। তাৰ হাতত গৰু বন্ধা নতুন ৰছী। তাৰ পাছত এজন এজনকৈ বাকীবোৰ। চাৰি বাজি উনত্ৰিশৰ ৰেলখনৰ বাবে ষ্টেচনত লোকে লোকাৰণ্য। অক্কুৰ বাবুৰ তালৈ যোৱাৰ কোনো ৰাস্তা নাই। প্লেটফৰ্ম পাৰ হৈয়ে ডিচটেন্ট চিগনেলৰ ওচৰতে তেওঁৰ ঘৰটো। শিয়ালদহৰ পেচেঞ্জাৰবিলাকে এই বিচিত্ৰ দলটোক গৈ থকা দেখিলে।

অক্কুৰৰ চোতাল পাই দেখিলে— মাটিৰ পৰা ডালে-পাতে গছ কাটি আনি শুকাবলৈ দিয়া হৈছে। শুকান অংশটো অক্কুৰে ভাঙি পেলাইছে। ডালবোৰ জৰ্‌জৰ্‌কৈ পৰিছে। ভগা ডালবোৰ বাঁওহাতেৰে পিছলৈ দলিয়াই আছে অক্কুৰে। এজনী বান্ধি থোৱা গৰুৱে ডিঙি মেলি কেনোমতে পাতবোৰ মুখত লৈছিল।

গৰুজনী দেখি টুকু ৰ' লাগিল। সিহঁতৰ ৰামায়ণতহে মুনি-ঋষিৰ আশ্ৰমত এনেকুৱা গৰুৰ কথা আছে। ভাল বাংলাত ইহঁতক কয় ধেনু। সিহঁত পথাৰত চৰিবলৈ যায়। তাই খোলাখুলিকৈ ক'লে— বাবু, এইজনী গৰু আমি নিমেই।

ৰ'বিচোন পাগলী। আবেলি গৈ এন্ধাৰ হ'ল, এন্ধাৰ আকৌ জোনাকবোৰৰ মাজত পোহৰ হৈ উঠিল। আগতে দৰদাম কৰোঁ।

নহয়, আমাক লাগিবই।

অক্কুৰে শুনিলে নে নাই ধৰিব পৰা নগ'ল। গৰুজনী দেখুৱাবলৈ উঠি আহিল। মাটিৰ গোহালি। তাৰ ভিতৰত গৰুজনী থাকিবলৈকে নাটে যেন লাগে। লগত তাইৰ পোৱালি। বৰ শকত-আৱত নোদোকা। কেলেণ্ডাৰত এনেকুৱা পোৱালিৰ পিঠিতে আঁউজি কৃষ্ণই বাঁহী বজায়। মাক-পোৱালি দুয়োটাৰে চকুত ক'লা কাজল সনা আছে।

গোহালিৰ পৰা এটা নলা গৈ অক্কুৰে নিজে কৰা পানীৰ বান্ধ এটাত লাগিছেগৈ। গোবৰ, গৰুমূত, ভাতৰ নিসনি, আন আন সৰু বস্তু আটাইবোৰ সেই নলাইদি গৈ পানীত থকা মাছৰ খাদ্য হৈ পৰিছে। মাজে মাজে একো-একোটা ডাঙৰ মাছে পানীত নেজ মাৰি আছিল।

অক্কুৰে দাম কৰিলে— চাৰিশ টকা। শেষত ক'লে— কেইবছৰমানৰ পিছত পোৱালি-টোৱেই হালৰ বাবে আঢ়ৈশ টকাত বিক্ৰী হ'ব।

সেইখিনি টকাতে পোৱালিটোও পোৱা যাবনে? অনাথে সেই কথা নাজানিছিল। মনৰ কথা মনতে ৰ'ল, অনাথে নক'লে। মদন-বদনৰ কথা-বতৰাৰ পৰা বুজিলে— সেইটোৱেই নিয়ম।

অক্কুৰক সুধিলে— গাখীৰ দিয়ে কিমান?

পোৱালি ডাঙৰেই হ'ল। এতিয়া আঢ়ৈ সেৰ মান দিব। বৰ ঘন আৰু মিঠা।

মদনে সুধিলে— পোৱালি ইমান ডাঙৰ হ'ল, গৰুজনীয়ে পাল খোৱা নাই কিয়?

ইমান ডাঙৰ গাইজনীৰ বাবে ষাঁড় পাওঁ ক'ত?

মদনে সন্দেহৰ চকুৰে অক্কুৰৰ মুখলৈ চালে। সঁচা কথা কওকচোন বঙালবাবু। গৰুজনীয়ে পাল খাবলৈ এৰি দিয়া নাইতো? তেতিয়াহ'লে কিন্তু গৰু একেবাৰে বাঁজী। ওহাৰৰ বাট শুকাই গ'ল। কোনোদিনে আৰু গাখীৰ নিদিয়ে।

অক্কুৰৰ চকু থিয় হ'ল— নহয় নহয়, সেইটো কিয় হ'ব মদন? দাঁত লেখি চোৱা। এইজনী গাই এতিয়া অনাথবাবুৰ সেই সৰু ছোৱলীজনীৰ সমান বয়সীয়া। একেবাৰে কোমল। গাভিনী হ'লেও ছমাহলৈকে গাখীৰ দি থাকিব। এনেকুৱা বস্তু আৰু নোপোৱা।

লিলিয়ে কথাটো শুনি বৰ ভাল পালে। তাইৰ বয়সীয়া এই গৰুজনী। চেহেৰা যিমানেই ডাঙৰ নহওক, অক্কুৰ বাবুৱে যি কথা কৈছে মিছা নহয়। — বাবু, এইজনী গৰু কিনিবই লাগিব।

ৰ'বিচোন।

চাৰে তিনিশ টকাত বন্দোৱস্ত হ'ল। পোৱালিৰ সৈতে। অনাথে মনতে ভাবিলে— শান্তাক গৈ চক খুৱাব লাগিব। এটা জন্তুহে নিয়াৰ কথা। আমি নিম দুটা।

লাইট অহা নাই। জোনাকত লেম জলাই অক্কুৰ বাবুৰ গৰুৰ ৰচিদ-পত্ৰ লিখা হ'ল। দোৱাতত কলম ভৰাই। চকুত চচ্মা লৈ। অক্কুৰৰ ঘৈণীয়েকে তেতিয়াও চোতালৰ পৰা শুকাই যোৱা ডালবোৰ নি আছিল।

" শ্ৰীশ্ৰীকালী মা সহায়

মোৰ গৰু হাৰিয়ানা-২ থিয় শিং। গাটো দীঘল, ৰং বগা আৰু অলপ অলপ ক'লা। যোৱা বছৰ আঘোণ মাহত পোৱালি হৈছে। লগত সেই দমৰা পোৱালিটোও দিয়া হ'ল। আজি নগদ তিনিশ পঞ্চাশ টকা গণি লৈ শ্ৰীযুত অনাথবন্ধু বসু ডাঙৰীয়াক শোধাই দিলোঁ।

ইতি
শ্ৰীঅক্ৰূৰ বিক্ৰম মজুমদাৰ
ঈশ্বৰীতলা, ২৪ পৰগণা

সাক্ষী হিচাপে বাঁওহাতৰ বুঢ়া আঙুলিৰ টিপচহী দিলে বদনে। জোনাকৰ লগে লগে বতাহ আহি লেমটো নুবাবলৈ চেষ্টা কৰিছিল। এইকণ লিখিয়েই অক্কুৰৰ হাত কঁপি কঁপি জঠৰ। ৰচিদখনৰ লেখাখিনিও তেনেকৈ কঁপা-কঁপা ধৰণৰ হৈছে।

মদন-বদনৰ লগতে গৰু আৰু পোৱালিৰ ৰছীত ধৰি অনাথে বাহিৰলৈ ওলাই আহি দেখিলে— ৰেল লাইন, পথাৰ সকলোতে স্নিগ্ধ জোনাক। নানা তৰহৰ পোহৰ। নানা তৰহৰ ছাঁ চাৰিওফালে। কলিকতালৈ যোৱা ছয় বাজি দহ মিনিটৰ গাড়ীৰ নীলা পোহৰো অনাথে দেখিবলৈ পালে। তেওঁবিলাক আটাইকেইজনেই ৰেল লাইনৰ দঁতিয়েদি গৈ আছিল।

এনে সময়তে ৰেলখন হো-হোৱাই আহি পালেহি। আৰু লগে লগেই পোৱালিৰে সৈতে গৰুজনী মদন-বদনৰ হাত এৰাই একেবাৰে ঘোঁৰাৰ ৰেচৰ স্পীডত ৰেলৰ লগতে সমানে সমানে ঢপলিয়াবলৈ ধৰিলে। সিহঁতৰ পাছে পাছে অনাথহঁতৰ গোটেই দলটোও দৌৰিবলৈ লাগিল। এতিয়া পোৱালিৰে সৈতে গৰুজনী আগচিব নোৱাৰিলে মানুহৰ ভিৰ থকা প্লেটফৰ্মত একেবাৰে কাৰোবাক মহটিয়াই লৈ ওলাই যাব। বহুতেই আঘাত পাব। গৰুৰ ওজন অন্ততঃ দহ-বাৰ মোন হ'ব। এতিয়াই আগচিব লাগিব।

মদন-বদনে মৰোঁ-জীওঁ সোঁ-আধিকৈ পাছে পাছে লৰিছে। সিহঁতৰ পিছতে বলাই। অলপ পিছত অনাথ। ৰেল ভাৰচেচ গৰুৰ দৌৰ দেখি পাছ পৰি থকা টুকু আৰু লিলিয়ে আনন্দতে হাঁহি হাঁহি গৈ আছিল। বিপদটোনো ক'ত সিহঁতে একেবাৰে বুজিব পৰা নাই।

গৰু-পোৱালি কাকো আগচিব পৰা নগ'ল। সমান স্পীডত প্লেটফৰ্ম পাৰ হৈ সিহঁতে লেৱেল ক্ৰচিঙত ৰৈ গ'ল। ভাগ্য ভাল খোজৰ শব্দ শুনি আগতে মানুহবোৰ আঁতৰি গৈছিল। মাক-পোৱালিক এওঁবিলাকে গৈ লেৱেল ক্ৰচিঙতে ধৰি পেলালে। গাইজনীতকৈও

পোৱালিটোৰ কোব বেছি। ডিঙিত এটা সুন্দৰ কুঁজ। সুঠাম দেহা। টুকুৱে গাত এবাৰ হাত বুলাই দিলে।

সন্ধিয়া ঠিক সাত বজাত শান্তাক বলায়ে এখন কাঁহৰ থালত আমপাত, সেন্দুৰ, কেঁচা হালধি সজাই দি ক'লে— হেৰা, এইবাৰ বৰণ কৰা। গাই-গৰু নাছিল, এতিয়া হ'ল।

পুখুৰীপাৰৰ বকফুলৰ গছজোপাতে তাইক বান্ধিলে। পোৱালিটোক কদমজোপাত। দুইটাই পুখুৰীপাৰৰ পানী থকা ঘাঁহ খাইছে আৰু মূৰ তুলি সন্দেহেৰে আটাইকে চাইছে।

গৰুজনীৰ কপালত সেন্দুৰ দিবলৈ গৈ তিনিবাৰ পিছুৱাই আহিল শান্তা। আগ বাঢ়িলেই খুঁচিব খোজে। তেতিয়া বলায়ে আমৰ কুঁহিপাতখন তাইৰ মুখত গুজি দি কপালত সেন্দুৰ লগাই দিলে। শান্তাই তেতিয়া তাইৰ নাম দিলে— উমা। লিলিয়ে ক'লে— মই তেনেহ'লে তাইৰ পোৱালিটোক কানাই বুলি মাতিম।

অনাথে ক'লে— মাতিবি। সেইটোৱেই যেতিয়া তোৰ চখ।

উমাই সেন্দুৰৰ ফোট লৈ গহীন গহীনকৈ নতুন ঠাইত ঘাঁহ খাইছিল। এবাৰ ক'ব নোৱৰাকৈ শান্তাৰ কাষলতিটো লাগিলত শান্তাৰ ভয় ভাগি গ'ল। টুকুৱে আগ বাঢ়ি গৈ তাইৰ গলবিচনীৰ মহ-ডাঁহ খেদাই হাত বুলাওঁতে উমাই মুখ তুলি আকাশৰ তৰা চাবলৈ লাগিল।

এতিয়া সিহঁতৰ কাৰণে একো খোৱা বস্তু নাই ঘৰত। মদন আৰু বদনে লগ লাগি এজোপা বৰ ডাঙৰ ভীম কল টুকুৰা-টুকুৰ কৰি কাটি পেলালে। তাৰ পিছত পাচি এটাত ভৰাই দুয়োটালৈকে আগ বঢ়াই দিলে। মাক আৰু পোৱালিয়ে খাইছে আৰু তৃপ্তি পাই দুয়োটাই চকু মুদি দিছে। সিহঁতৰ আশে-পাশে অলপ আঁতৰা-আঁতৰিকৈ থিয় হৈ আছে শান্তা, বলাই, টুকু, মদন, বাঘা, লিলি আৰু বদন। অনাথৰ মনত ঈশ্বৰীতলাৰ এই গ্ৰুপ ছবিৰ চাপ সম্পূৰ্ণকৈ পৰিল।

ৰাতি খোৱা-বোৱাৰ পিছত পুখুৰীত হাত-মুখ ধুবলৈ নামি অনাথে দেখিলে— আচৰিত কথা! বৰষুণ দিছে। ডাৱৰবোৰ আহি চাৰিওফালৰ পৰা জোনাকক আকাশৰ পৰা ডিঙিত ধৰি উলিয়াই দিছে। দুই-এটোপাল বৰষুণ গাত পৰিল। ত্ৰিশ মাইলৰ ভিতৰতে নানা আকাৰৰ নৈ গৈ বংগোপসাগৰত পৰিছে। তেনেহ'লে আঞ্চলিক বাতৰিত কোৱা সেই নিম্ন চাপেই হঠাৎ ঈশ্বৰীতলালৈ বৰষুণ আনিলে নেকি?

মদন-বদন ঘৰলৈ গ'লগৈ। বাঘাই এন্ধাৰ বাৰান্দাত ৰৈ দূৰৰ হেৰিকেনটো দেখি তাৰ উচ্চ কণ্ঠৰ গলা ইচ্ছামতে টানিছিল। টুকু আৰু লিলি আজি শুবলৈ যোৱা নাই। সিহঁতে খিৰিকিয়েদি ক'লে— উমা তিতিব বাবু। কানাইৰো ঠাণ্ডা লাগিব।

বলায়ে খোৱা কাঁহী-বাটিৰ দ'মটো লৈ পুখুৰীলৈ আহি ক'লে— দাদা, বৰষুণ আহিলেই। পূৰ্ণিমাৰ বৰষুণ এতিয়া বেগেতে নেৰে—

শান্তাৰো মনে চেবালে, ক'লে— তেন্তে কি হ'ব? গোহালি নসজাকৈ উমাক যে কিয় আনিলে! বেচেৰা কানাইটোও তিতিছে।

বলাই, ব'লচোন। সিহঁত দুটাক চ'ৰা ঘৰতে আজি ৰাতিটো থওঁ।

সেইবোৰ মজিয়াত উমাৰ ঠেং পিছল খাব। সেইটো কৰিব নোৱাৰি দাদা। তাৰ পিছত বলায়ে বুজাই ক'লে— শুকান মজিয়াত গৰু নবন্ধাকৈ থ'ব নোৱাৰে। পিছল মজিয়াত থাকিবলৈ দিলে সিহঁতৰ ঠেং ভাগিব।

কিন্তু দোপালপিটা বৰষুণ দিয়াৰ বাবে সিহঁতক চ'ৰাঘৰলৈ নিয়া হ'ল। টুকু আৰু শান্তাই মিলি চেয়াৰ-টেবুল আঁতৰালে। উমা বা কানায়ে কাহানিও এনেকুৱা ঘৰত থকা নাই। বলায়ে আদৰ-সাদৰ কৰি সিহঁতক কোঠাটোত নি থ'লেগৈ। যাবই নোখোজে। লৰা-লৰি হোৱাত আটাইবোৰ বস্তু আঁতৰোৱা নহ'ল। কোঠাত সোমায়ে উমাই অনাথৰ চামৰাৰ বান্ধ দিয়া ডিক্সনেৰীখন টেষ্ট কৰিলে। বলায়ে টানি-আঁজুৰিও তাইৰ মুখৰ পৰা গোটেইখিনি উলিয়াই আনিব নোৱাৰিলে। প্ৰিফেচৰ পৰা জি-লৈকে প্ৰায় আটাইখিনিয়েই উমাৰ পেটত সোমাল।

বলায়ে ক'লে— ভোক লাগিছে।

খোৱাৰতো যোগাৰেই নাই। তোমাৰ হাতত কিবা আছে নেকি শান্তা?

কি থাকিবনো? পানী দিয়া ভাত আছে! কিন্তু সেইখিনি সিহঁতৰ এটাৰো এগৰাহেই নহয়।

বলাইৰ খং উঠিল। — আপুনি কেনেকুৱা মানুহ, দাদা? খোৱাৰ ব্যৱস্থা কৰা নাই। থাকিবৰ বাবে ঠাই দিয়া নাই। অথচ মাক আৰু পোৱালিটো কিনি লৈ আহিল!

চাই থাকিবি, সকলো হ'ব। মাত্ৰ আজিৰ ৰাতিটো আগতে চম্ভালিব পাৰিলেই ৰক্ষা।

ঠিক সেই সময়তে কানায়ে পাছ ঠেঙেৰে লঠিয়াই কোঠাৰ চুকত থকা কলহটো ভাঙি চূৰমাৰ কৰিলে। তাৰ পানীত গোটেই মজিয়াখন তল গ'ল। সেই সময়তে জোনাক নাইকিয়া কৰি হুৰহুৰাই বৰষুণ দিবলৈ ধৰিলে। উমা আৰু কানাই আচলতে গৰু। সিহঁতে বৈঠকখানালৈ কেৰেপ কৰা জীৱ নহয়। কানাইক বান্ধি থোৱা আছে খিৰিকিৰ গ্ৰীলত। উমাক দুৱাৰৰ অৰ্গলত। পঘাডাল অলপ দীঘলকৈ বন্ধা— যাতে সিহঁতে আঁঠু কাঢ়ি বহা-শোৱা কৰিব পাৰে। কিন্তু সেইবোৰলৈ সিহঁত দুয়োটাই কেৰেপকে কৰা নাই।

উমাই তপত বা-বলি থকা গোবৰেৰে খাপে-খাপে ওপৰলৈ উঠি যোৱা মন্দিৰৰ চূঁড়াৰ নিচিনা কৰি মজিয়া ভৰাই দিলে। তাৰ লগতে গৰম মূত।

টুকুৱে স্ফূৰ্তিতে হাতচাপৰি মাৰি ক'লে— মা, তোমাৰ আৰু গোবৰৰ খুটিৰ আকাল নহয়, এয়া চোৱাচোন।

অ' মোক তহঁতে গোবৰৰ খুটি বিচৰা মানুহ যেন পাইছ নেকি? এতিয়া কোঠাটো চাফা কৰে কোনে? কাষৰ কোঠাতেইতো শুবি তহঁত। গোন্ধত থাকিব পাৰিবি জানো?

অনাথে কোনো উত্তৰ নিদিলে। গাখীৰ এতিয়া কিমান দিয়ে দেখাই নাই, অথচ কত কাণ্ড হৈ গৈছে। ৰমেন বাবুৰ দোকানৰ পৰা সাত টকা পঞ্চাশ পইচা দি পঘা আনিছোঁ। মদন-বদনক ছটা টকা দিব লগা হৈছে। এতিয়া চ'ৰা ঘৰটোত মাক-পুতেকে অস্বস্তি

পাইছে। বিশেষকৈ নিয়ন লাইটৰ পোহৰে সিহঁতৰ চকুত ধৰিছে। এতিয়াই নুমাব লাগিব।

বলাই, তই এই কোঠাটোত শুব পাৰিবি?

নোৱাৰোঁ দাদা, শেষত গৰুৰ গচকত মৰাৰ বুদ্ধিহে হ'বগৈ।

সাৰে থাকিবি।

আজি ৰাতি তোমালোক আটাইবোৰে সাৰে থাকিব লাগিব।

নোৱাৰোঁ। অকলে পালে কানায়ে এন্ধাৰত খুঁচিব।

অগত্যা, লাইট নুমাই চিন্তিত মনেৰে দাঁতিৰ কোঠাতে আটাইবোৰ শুবলৈ গ'ল। বলাই থাকিল বাৰান্দাত। বাহিৰত আবতৰীয়া বৰষুণ। এই কাণ্ডটো নোহোৱা হ'লে মাক-পোৱালি দুয়োটাই পুখুৰীৰ পাৰত ৰাতিটো কটাই দিব পাৰিলেহেঁতেন।

শুবলৈ গৈও কাৰো টোপনি ধৰা নাছিল। কাষতে বহা কোঠাটো। তাত খিটিক্‌কৈ কিবা এটা শব্দ হ'লেই অনাথ উঠি বহে। বাঘাই কাণ্ডটো ভাল চকুৰে চোৱা নাই। দুটা গৰুক লৈ এনেকুৱা অতিচাৰ কাণ্ড সি একেবাৰে ভাল পোৱা নাই। এইটো কি বুলি এবাৰ সি উমাৰ ওচৰলৈ গৈ গাটো শুঙাৰ চেষ্টা কৰিছিল। কিন্তু উমা আৰু কানাই দুইটাই মিলি তাক চূড়ান্ত অপমান কৰিছে। উমাই শিঙেৰে তাক খুঁচিবলৈ যত্ন কৰিছিল। ভাগ্যে ঠিক সময়তে সি আঁতৰি আহিল। আৰু, পোৱালিটো হ'ল আৰু একাঠি চৰা। সিও পাছৰ ঠেং দাঙি লঠিয়াই তাক মাৰিবলৈ ঠিক কৰিছিল। বাঘাই তেতিয়াও ঠিক সময়তে আঁতৰি আহিহে জান-প্ৰাণ বচাব পাৰিছিল। যিমানেই যি নহওক, সিহঁত দুটা গৰু। সি জানো সিহঁতক একামোৰ মাৰিব নোৱাৰে? কিন্তু লাভ কি?

শান্তাৰ লগে লগে টুকু আৰু লিলিও শুইছে। সিটো কোঠাত কানায়ে বোধহয় মূতিলে। চেৰ্‌চেৰকৈ মূত পৰাৰ শব্দ নাইকিয়া হোৱাৰ লগে লগে আকৌ কাণ লৰোৱাৰ আৱাজ। দেখাত বেচ্ শকত-আৱত। চোৱাৰ ভংগীও ধুনীয়া। উমাৰ শিং দুটাও বৰ সুন্দৰ। আমপাত, কলগছ, পুখুৰীপাৰৰ ঘাঁহেৰে সিহঁতৰ ভোক নুগুচে। বিছনাত বহি বহি বৰ বেয়া লাগিছিল। আঁঠুৱা-তলৰ পৰা বাহিৰলৈ ওলাল অনাথ। কাষৰ কোঠালৈ যোৱা দুৱাৰখনত খিলিটো লগোৱা আছে।

ইমান লৰালৰিকৈ সিহঁতক অনাটো ভাল নহঁল। গোহালিৰ বস্তু আহি এতিয়া ড্ৰইং ৰুমত। সিহঁতৰ অসুবিধাতো হ'বই। খটখট্ শব্দ হৈয়েই আছে। তাৰ ওপৰত নেজৰ কোবৰোৰ গৈ বেৰত লাগিছে। ঠিক পানী পৰাৰ নিচিনা শব্দ কোবেপ্ৰতি। ৰাতি কিমান হ'ল? বৰষুণ নাই। কিন্তু ডাৱৰ বহুত।

শুকান খেৰ কাটিবৰ বাবে কাঁচি এখন লাগিব।

মাক আৰু পোৱালিৰ বাবে এতিয়াৰ কাৰণে অলপ শুকান ধানখেৰ।

দানা দিবৰ বাবে দুটা মাটিৰ গামলা।

ভুচি, খলিহৈ, গুড়। দানা তৈয়াৰ কৰিবৰ বাবে পানী অনা এটা সৰু বাল্টি। ডিঙিৰ লোহাৰ চেইন দুডাল। আৰু লগে লগে গাখীৰ খীৰাবলৈ এটা বাল্টি।

তাৰ আগতে, অৱশ্যে এটা গোহালিৰ দৰকাৰ। কিন্তু সাজিম কোনখিনিত? আৰু ভাবিব নোৱাৰিলে অনাথে। কাষৰ ঘৰত উমা আৰু কানায়ে শুম্ভ-নিশুম্ভৰ যুঁজ আৰম্ভ কৰিছে। সিহঁতৰ আৰি-মূৰি ভঙাৰ শব্দও কাণত পৰিছেহি। যেন ৰেলহে এৰিব এতিয়া— এই ভাবি হুৰমূৰাই সিহঁত উঠিল।

তাৰ পিছত মৰ্ মৰ্-খপকৈ পৰাৰ শব্দ।

উমাই হাগিলে। আৰু ঠাই সলাই থাকোঁতে থাকোঁতে এবাৰ পেটেৰে হেঁচা দি বহা কোঠাৰ ওলোৱা-সোমোৱা কৰা দুৱাৰখনৰ এখন পাল্লা মেৰেক্‌কৰে ভাঙি পেলালে। তাৰ পিছতেই টোপনিতে বলায়ে 'আই ঔ' বুলি চিঞৰি দিয়াৰ লগে লগে সাৰ পাই গ'ল। উঠি বহি কান্দি কান্দি ক'লে— এই গৰুজনী কাইলৈ পুৱাই ওভোতাই দি আহিবা, দাদা।

অনাথে লাইট জ্বলাই ভিতৰলৈ চালে। হয়, সেইটোৱেই হৈছে। এখন পাল্লা ভাগি আধাখিনি মজিয়াত-আধাখিনি বাৰান্দাত পৰি আছে। উমাই গোটেই কোঠাটো গোবৰ আৰু মূতেৰে খেৰেস্তানি কৰি থৈছে। নিজৰ সোঁ-ফালৰ টিকাতো সেইবোৰ লাগিছে। তাই হয়তো এবাৰ আঁঠু কাঢ়ি বহিবলৈ চেষ্টা কৰিছিল। এতিয়া সমান মজিয়াখনত ভালদৰে থিয় দিব পৰা নাই। পৰিম বুলি ভাবি বিপন্ন মুখেৰে চিন্তা কৰি কৰি দানা পাগুলিছে। কানাইৰো অৱস্থা তথৈবচ। দুয়োটাৰ মাজত মুখামুখিকৈ খোঁচা-খুঁচি হোৱাৰ থল নাছিল; কাৰণ সিহঁতক নিলগে নিলগে বন্ধা আছে। সেয়ে, পাছভৰিৰে লড়াই কৰিছে। বিপদটো তাতেই।

বলাই অ', এতিয়া বাহিৰত বৰষুণ নাই। বৰ কষ্ট পাইছে, ইহঁত দুটাক পুখুৰীৰ পাৰত আঁতৰা-আঁতৰিকৈ বান্ধি দিবিনে?

চকুত টোপনি লৈ খং কৰিয়েই বলাই উঠিল। তাৰ পিছত গৰু দুটাৰ টিকাত দুকোব দি কিবা বলকি বলকি বাহিৰলৈ লৈ গ'ল। বহা-ঘৰটোৰ অৱস্থা তেতিয়া একেবাৰে চাব নোৱৰা হৈছে। এভঁৰাল ধান, এগোহালি গৰু— এইবোৰ আগতেনো কাৰ আছিল? উঃ!

নিজেই বাল্টি আৰু বাঢ়নী লৈ কামত লাগিল। পানী ঢলাৰ শব্দ শুনি চকুত টোপনিৰ জাল লৈয়ে শান্তা উঠি আহিল। তোমাকতো তেতিয়াই কৈছিলোঁ মই—

বলায়ে পানী ঢালিছিল। অনাথে বাঢ়নীৰে সাৰি গৈছিল। কঁকালটো চপৰাই এনেকৈ কাহানিও বাঢ়নীৰে সৰা নাই। সেই অৱস্থাতে অনাথে ক'লে— পিছত সকলো ঠিক হৈ যাব। যেতিয়া গাখীৰ দিব, তেতিয়া।

বলায়ে গোবৰৰ লদাবোৰ বাল্টিত ভৰাই কঢ়িয়াইছে। সি পেলাই দিছিল। শান্তাই দেখি পেলাবলৈ মানা কৰিলে— টিউবৱেলৰ সেইখিনিতে দ'মাই থ। কাইলৈ খুটি কৰিবি।

বাঢ়নীটোৰ হাতত লৈ অনাথ উঠিল— কৈছিলোঁ নহয়। গৰু কিমান কামত লাগে!

শান্তাই অকণো নাহাঁহিলে। গহীনাই ক'লে— শুই থাকগৈ। কাইলৈ ৰাতিপুৱাই মিস্ত্ৰি মাতি আনি দুৱাৰখন ভাল কৰাবা। কৈয়ে শান্তা শুবলৈ গুচি গ'ল।

মাজৰাতিয়েই হ'ব। গোটেই ঘৰটোতে গোবৰ আৰু মূতৰ গোন্ধ। এন্ধাৰ পথাৰখনৰ পৰা খবৰ পাই দুটা-এটা মাখিও আহি পাইছেহি। বাহিৰত দুৱাৰৰ এচটা পাত ভাগি পৰি আছে। তাৰ সিফালে আকৌ অন্ধকাৰ পথাৰখনত অলপ অলপ জোনাক পৰিছে। বলাই শুই থাকিল। টোপনি যোৱাৰ আগে আগে নিজেই ক'লে— উঃ কি যে গোন্ধ! সিহঁতে তেতিয়াও গোন্ধ পোৱা বুলি নকয়।

ৰাতিপুৱা আটাইতকৈ আগতে উঠিল টুকু আৰু লিলি। সিহঁতে আহি শান্তাক মাতি নিলেহি— আই চোৱাহি আহাঁ। বকফুলেৰে গছতলখন বগা হৈ আছে।

দেখিয়েই শান্তাৰ চকু থৰ হ'ল। মাত্ৰ দুটা বছৰ ফুল লাগিছে গছজোপাত। অকস্মাৎ কোনোবা ওলালেহি চিংৰা আনিবলগীয়া হয়। চাহৰ লগত বেচন দি কৰা বকফুলৰ ভজা প্লেটত সজাই দিয়ে। গছজোপাত ফুলৰ সঁচ নাই। আটাইবোৰ মাটিত।

হেৰ' বলাই, কি কৰিছ? এই ধৰণৰ গৰু-পোৱালি কুমলীয়া গছজোপাত জানো বান্ধিব লাগে?

অনাথো উঠি আহিল। কানায়ে ডিঙিৰ পঘাৰে গছডাল ৰাতিৰ ৰাতিটো টনাটনি কৰিছে। জোকাৰণিত গছত এপাহো ফুল নাই। সেউজীয়া পানী থকা ঘাঁহৰ ওপৰৰ ফুলবোৰৰ কিছুমান কানায়ে গচকি পেলাইছে। কিছুমান এন্ধাৰত থিয় দি থাকোঁতেই খাইছে।

তিনি

আজি আৰু অনাথৰ অফিচলৈ যোৱা নহ'লগৈ। ডাৱৰীয়া আকাশখন দেখিয়েই বুজিলে— বতাহৰ লগতে বৰষুণ দিব। অথচ সিহঁতৰ কাৰণে ঘৰ কৰা হোৱাই নাই। এতিয়া কি কৰা যায়।

টুকু আৰু লিলিয়ে এনেয়ে নপঢ়ে। তাতে আকৌ উমা আহি পাইছেহি। সিহঁতক লৈ যিবোৰ কাণ্ড হৈছে, সেইবোৰ দেখি টুকুহঁতে একেবাৰে পঢ়িবলৈকে পাহৰিলে। পুৱাৰ আঞ্চলিক বাতৰিত খবৰ ওলাল— ঘন্টাত ছয়চল্লিশ কিলোমিটাৰ বেগেৰে আজি ধুমুহা হ'ব। উমাৰ ওহাৰৰ বাট গাখীৰেৰে ওফন্দি আছে। বলাই খীৰাবলৈ গৈ লাঠি খাই উভতি আহিল— দাদা, আপুনি গুৱাল মাতক। ইমান ডাঙৰ গাই মই খীৰাব নোৱাৰিম।

নোৱাৰ?

মইতো সৰু ল'ৰা। দেখিছেই দেখোন!

গণেশৰ মাকে ডাঙৰ ৰাস্তাৰ মিঠা পানীৰ টিউবৱেলটো পাম্প কৰি গাখীৰত ভাল পানী দেখ্‌দেখ্‌কৈয়ে মিহলায়। তাই মূৰৰ পৰা পাত্ৰটো নমাই হাঁহি মাৰি বাৰান্দাতে বহিলহি। অনাথে তেতিয়া তেওঁ নিতৌ খোৱা তাড়িকণ ছেকি ছেকি খাই আছিল। কামো

অপাৰ আছে। গণেশৰ মাকে ক'লে— অকণমান গাখীৰৰ কাৰণে বাছা তুমি ইমান জঞ্জাল চপাই ল'লা কিয়? দুটা পইচা কম দিলাহেঁতেন। এতিয়া চম্ভালাচোন চাওঁ।

গণেশৰ মাকৰ কথালৈ মুঠেই কাণ নিদিলে অনাথে। এতিয়া তেওঁ যুঁজৰ বাবে সাজু হৈ ৰ'ল। নিতৌ অহা দি মদন-বদন কোম্পানী বান্ধটোৰ পৰা আহিল। হাতত কেইটামান কেঁকোৰা। সিহঁতেই ক'লে— বাবু, তুমি তাড়িৰ সৈতে ভাজি খাবা। এটা পইচাও দিব নালাগে।

শান্তাই ভাজিবলৈ ৰাজী নহ'ল। বলায়ে ভাজি দিলে। কেঁকোৰাৰ লগত তাড়ি— এই উপজি পুৱাতে অনাথৰ মনত সাহস, শৰীৰত বল দিলে। কোনোবা এটা সুৰুঙাত টুকুৰেও এগিলাচ খালেহি। হেজাৰ হওক, নিজৰ বৰ জীয়ৰী। অনাথে বাছি বাছি ডাঙৰ কেঁকোৰাটোকে তাইক দি দিলে।

টুকুৰ খাবলৈ বৰ ভাল লাগিছিল। সেই নীলা পায়জামাটো পিন্ধি তাই দীঘল বগলীটোৰ দৰে ৰৈ আছে। ভজা কেঁকোৰাৰ তেল ওঁঠত লাগিছিল। মচি লৈ ক'লে— বাবু, দুপৰীয়া ভাতৰ সলনি কেঁকোৰা আৰু তাড়ি নকৰা কিয়? বৰ ভাল লাগে খাই।

এক ছেকেণ্ড অনাথে তাইলৈ চালে। এতিয়া বঢ়াৰ বয়স। যিহকে খায়, শৰীৰে তাকেই লয়। দৈনিক লেংলেংকৈ বাঢ়িহে গৈছে। ফুটাই ক'লে— ভিতৰলৈ গৈ পঢ়। মাৰে শুনিলে শুদাই নেৰে।

গণেশৰ মাকে ক'লে— বিয়া হ'লে লোকৰ ঘৰলৈ যাব লাগিব। তাইক তুমি তাড়ি খুৱাইছা? কোন ধৰণৰ বাপেক তুমি? তোমাৰ মূৰত শিল আছে।

অনাথে অবাক হৈ চাই থাকিল। এই ঠাইৰ মানুহবোৰৰ কোনো কোনোৱে একেবাৰে খাৰাংখাচ কথা কৈ দিয়ে। গণেশৰ মাকক বুজাই দিলেও লাভ নহ'ব— কলহত থোৱা এই তাড়ি কি বস্তু তেওঁ বাপেকটো হৈ অকলেই মজা কৰিব আৰু জীয়েকক সোৱাদ লোৱাৰ ভাগটোও নিদিব। এনে সুন্দৰ পুৱা— বেছি পোহৰো নাই, এন্ধাৰো নাই। ৰাজহাঁহ দুটাই পাতিহাঁহবোৰৰ লগ নোলোৱাকৈ পুখুৰীটোৰ এফালে একাষৰীয়া হৈ কাগজৰ নাৱৰ দৰে ওপঙি ফুৰিছে। বাঘাই টুকুৰ মুখৰ পৰা কেঁকোৰাৰ চোবা পোৱাৰ আশাত মুখখন তুলি চাই আছে। শুক্লাৰ নেতৃত্বত ছাগলীবোৰ এইমাত্ৰ ওলাই গৈছে। বিচক্ষণ লেগহৰ্ণৰ জাক এতিয়া মৰ্ণিং ৱাকত ব্যস্ত। সকলোৰে ওপৰত উমা আৰু কানাই। কালি গোটেই নিশা ইমান দিগদাৰি দিও সিহঁত একেবাৰে নিৰ্বিকাৰ। যেন একো হোৱাই নাই-- এনে ভাবেৰে পুখুৰীৰ পাৰত চৰি আছে।

অনাথে ক'লে— কাইলৈৰ পৰা গাখীৰ দিবলৈ নাহিবা।

নাহিলোঁৱেই জানিবা। কিন্তু গৰুজনীতো খীৰাব লাগিব। ওহাৰ ফুলি আছে। দেখা নাই জানো?

হয় নেকি?

এৰাতো। এতিয়াই খীৰাব লাগে। নহ'লে বাট নষ্ট হ'ব।

তুমিয়েই খীৰাই দিয়া, গণেশৰ মাক।

মই ইমান ডাঙৰ গৰু খীৰাব পাৰিম জানো? ডোবাটোৰ সিপাৰে যে লালন ঝাঁ আছে, তাকে মাতা। চাৰিজনী ম'হ আছে। পাঁচোটা এমাডিমা ল'ৰা-ছোৱালী থৈ লালনৰ ঘৈণীয়েক যোৱা মাহত ঢুকাল।

ডোবাটো সাঁতুৰি লালনক মাতি আনিবলৈ বদন ওলাই গ'ল। মদন গ'ল— গুড়, ভুচি, খলিহৈ আনিবলৈ। বলাই গ'ল— মাটিৰ গামলা এটা আনিবলৈ আৰু কাঠৰ মিস্ত্ৰিক খবৰ দিবলৈ।

কেইঘণ্টামানৰ ভিতৰতে গোটেই ঘৰে-ঘৰোৱাহে কামত লাগি গ'ল। তিনি গাড়ী শুকান খেৰৰ দায়িত্ব দিয়াত দোকানীয়ে তিনি মুঠা চেম্পোল হিচাহে পঠিয়াইছে। নতুনকৈ কিনা কাঁচিৰে বলায়ে সেই খেৰবোৰ সৰু সৰুকৈ কুটিছিল। গামলাত গুড়, খলিহৈ, ভুচিৰ লগত কুটা খেৰবোৰ মিহলাই মদনে পানী ঢালি দানা তৈয়াৰ কৰিলে। উমা আৰু কানায়ে খায়। খাওঁতে চপক্ চপক্ শব্দ হয়।

লালন ঝাঁ আহিল প্ৰায় দহ বজাত। তেতিয়া ডাৱৰীয়া বতৰ। আকাশৰ পৰা কিন্‌কিন্ বৰষুণৰ টোপাল বতাহত উৰিছিল। লালনৰ কান্ধত তিনি বছৰীয়া কেঁচুৱা এটা। উমাৰ ওহাৰৰ বাট চুচি দুই কেজি ডাঠ গাখীৰ উলিয়ালে। তাৰ পিছত ক'লে— গৰুজনীৰ মন ভাল নহয়। তাইক তদাৰক কৰিব লাগিব।

ইমানখিনি থৈয়া-নথৈয়াৰ পিছত গাখীৰ পাই অনাথে শান্তাৰ ফালে চালে। একেবাৰে নিজা গৰুৰ গাখীৰ। চকুৰ আগতে খীৰাইছে।

শান্তাৰ হাতত দি অনাথে উদাসীনভাৱে ক'লে— টুকু আৰু লিলিক এগিলাচকৈ গৰম গাখীৰ দিবা।

তেতিয়া কাঠৰ মিস্ত্ৰিয়ে ভগা পাল্লাজোৰা দিবলৈ বটালি-হাতুৰি লৈ কামত ধৰিছে।

মদনে ডেক'ৰেটৰক ত্ৰিপাল পঠিয়াবলৈ কৈ আহিছে। আজি ভাল বৰষুণ হ'ব। উমা আৰু কানাই মুকলি আকাশৰ তলত থাকিব নোৱাৰে। দুই-তিনি দিনৰ ভিতৰত গোহালিটো সাজিব পাৰিলে ত্ৰিপাল ঘূৰাই দিব পৰা হ'ব।

লালনে ক'লে— এইজনী গৰুৱে বাবু আপোনাক আৰু তিনি সপ্তাহ গাখীৰ দিব। তাৰ পিছত একেবাৰে ওহাৰ শুকাই যাব।

কাৰণটোও নিজেই ক'লে— এইজনী হ'লগৈ অক্কুৰ বাবুৰ সেইজনী গৰু। এবাৰ নহয়, তিনিবাৰ পাল খাই এৰি দিছে। কিবা ডাঙৰ বেমাৰ আছে।

গাভিনী নহ'লে গাখীৰ নিদিব নেকি?

লালনৰ হাঁহি উঠিল— বাবু, এইকণ যে গাখীৰ পালে সেয়া পোৱালিটো হোৱাৰ পিছত যিকণ বাকী আছিল সেইখিনিয়েই। পোৱালিও ডাঙৰ হ'ব, গাখীৰো কমি যাব।

আকৌ পাল খাব। গাভিনী হ'ব, পোৱালি জগিব, তেতিয়াহে গাখীৰ দিবলৈ আৰম্ভ কৰিব।

বেমাৰটো কি লালন? ভাল কৰিব নোৱাৰিনে?

মনটো বেয়া হৈ আছে তাইৰ।

কিয়?

কোনোবাই কিজানি বাবু, অপমান কৰিছে। গাজত লাগি গৈছে বাবু। এই গৰুৰ জাতেই বেলেগ। মনত থাকিবই।

তেনেহ'লে তাইৰ মনটো ভাল কৰি দেচোন। ক'ৰবালৈ ফুৰাবলৈ নিম নেকি?

তেনেকৈ নহ'ব বাবু। আপুনি অলপ চৰপত কৰিব লাগিব।

মই খাম নেকি?

নহয় বাবু, আপোনাৰ গৰুৱে খাব।

চৰপত কৰা।

কেইঘণ্টামানৰ ভিতৰতে প্ৰায় বাইশ টকা দামৰ চৰপত কৰি লালনে এটা বাল্টিত লৈ উমা আৰু কানাইৰ আগত দিলেগৈ। মিচিৰি, ঘিউ, আদা, ডালচেনি মিহলাই কৰা। বতাহত তাৰ গোন্ধ বিয়পি গৈছিল। উমাই এবাৰ মুখখন দিও আঁতৰাই আনিলে। কানাইক হেঁচি-ঠেলিও বাল্টিৰ কাষলৈ নিব পৰা নহ'ল।

শান্তাৰ তেতিয়া খং উঠিল। অনাথক ক'লে— এই চৰপতখিনি এতিয়া তুমি খাব লাগিব। ক'ৰবাৰ পৰা এজনী বেমাৰী গৰু কিনি আনি এতিয়া অত টকা পানীত পেলাইছে! ইমানবোৰ ভাল ঘিউ, সেইখিনিও পানীত পৰিল।

এইখিনি সময়তে লালনে উমাৰ পিঠিৰ অলপ চামৰা খামুচি ধৰি আকৌ এৰি দিছিল আৰু কৈছিল— চাওক বাবু, গৰুজনীৰ এতিয়াও আশা আছে। যেতিয়াই মুঠিটো এৰি দিছোঁ, তেতিয়াই আপোনাৰ গৰুৰ পিঠিটো কঁপি উঠিছে।

আশা আছে মানে কি, লালন?

পাল খাব, বাবু। সময় হ'লেই আকৌ খাব।

শান্তাই প্ৰায় কাজিয়া কৰিয়েই লালনক খেদিলে। মদন-বদনে পুখুৰীপাৰৰ কেইজোপামান গছত ৰছীৰে বান্ধি ত্ৰিপালখনেৰে তম্বু তৰিছে। তাৰ তলত গাঁত কৰি বলায়ে দুয়োটা গামলা বহুৱাইছে। যাওঁতে লালনে কৈ গ'ল— গৰুজনীৰ মনটো আগতে ভাল কৰক বাবু।

বাৰান্দাৰ তলতে বাল্টি। ইমান ভাল চৰপত। নষ্ট হ'ব নেকি? টুকুৱে ক'লে— আমি অকণ অকণ খামনে?

তেতিয়াও লালন যাবলৈ ওলায়ো যোৱা নাই। শান্তা ঘৰৰ ভিতৰলৈ যোৱা দেখি লালনে হাঁহি মুখেৰে উমাৰ মুখলৈ চালে। লালন অনাথৰ বয়সীয়া। গাত খাকী হাফ

চাৰ্ট। পিন্ধিছে ফটা লুঙি এখন। ভৰিত ফিটা খোলা বুট। গালত হৰেক ৰকমৰ কটা দাগ। ডাৱৰ ভৰা আকাশৰ তলত ঈশ্বৰীতলাৰ বতাহ ফালি লালনে গাবলৈ ধৰিলে–

ৰে কান্‌হু ৰে, তোৰি বগয়াৰ কৈসে কাটে ৰাতিয়া – আ- আ-

(অ' কানাই অ'

তোৰ চেনেহীৰ

যায় কেনেকৈ ৰাতি)

কান্ধৰ কেঁচুৱাটোৱে চক খাই লালনৰ মূৰৰ চুলিত খামুচি ধৰিলে। মিস্ত্ৰিৰ পৰা বাঘালৈকে যি য'ত আছিল– সকলোৱেই সেই ঠাইৰ পৰা থৰ লাগি লালনৰ ফালে চালে।

টুকুৱে তাইৰ বাবুৰ পৰা কোনো উত্তৰ নাপাই গুচি গৈছিল। তায়ো ৰৈ গ'ল। তাইৰ কাষতে এতিয়া শান্তা আৰু লিলি। সমুখতে বাঘা।

ডাঙৰ উকীলে যেনেকৈ জজৰ ফালে চাই যুক্তি দাঙি ধৰে, ঠিক সেই ভংগীৰে লালন ঝাঁই উমালৈ চাই হাত তুলি গাবলৈ লাগিল। মুখত ৰসিক নাগৰৰ হাঁহি। চকুত মিঠা বিনয়। ম'হ যি পোহে সি পুঁৱতি নিশাতে উঠিব লাগে। লালনে নিজেই সকলো কৰে। ঘৈণীয়েক ঢুকোৱাৰ মাত্ৰ এমাহ হৈছে। চকু দুটা সোমোৱা। সেই চকুত ৰঙা পেঞ্চিলেৰে আণ্ডাৰ লাইন কৰাদি কাজলৰ ৰেখা টানিছে। শিয়ালদহৰ পৰা এঘাৰ বাজি কুৰি মিনিটৰ ৰেলখন আহি পাইছেহি। লালনে যে উমাৰ হৃদয়ক আবেদন জনাইছে– সেই কথা নক'লেও হ'ব।

লালনৰ গীত ঈশ্বৰীতলাৰ কোম্পানী বান্ধটোত গৈ ধ্বনিত হৈছিল। মানুহৰ ভাষাত গাওঁতে গাওঁতে লালনে গৰুৰ ভাষা পালেগৈ। সুৰ একেই থাকিল .....

উহু! উহু! হু হু। হ-ল-ল-ল-হু-উহু-আ-

উমাই খাবলৈ এৰি লালনৰ ফালে মুখ তুলি চালে। চকুত এটা বিয়াকুল ভাব– কি কৰোঁ, ক'লৈ যাওঁ!

লালনে গীত এৰি বিজয়ীৰ দৰে সকলোলৈকে চালে। – বংগদেশলৈ আহাৰ আগতে বাবু, তিনি মাহ সমষ্টিপুৰত গানৰ ট্ৰেইনিং লৈছিলোঁ।

শান্তাই সুধিলে– গৰুৰ গান নেকি?

নহয় মাইজী, ভোজপুৰী কীৰ্তন। ৰেৱাজটো এৰি দিয়া নাই। শেহত মিচিকীয়া হাঁহি মাৰি লালনে ক'লে– মই আপোনাৰ গৰুজনী তদাৰক কৰিম। খীৰাই দিম। মোক ইয়াত থাকিবলৈ দিবনে? আপোনাৰতো বহুত ঠাই আছে। মোৰো ম'হজাক থাকিব, চৰিব, খাব।

শেহত ঠাইটুকুৰা নৰককুণ্ড হ'ব। দৰকাৰ নাই। তুমি যোৱা লালন।

যোৱাৰ সময়ত লালনে অনাথলৈ চাই ক'লে– মই আকৌ আহিম বাবু।

তাৰ পিছত, সকলোৱে দেখিলে– কেঁচুৱাটোক কান্ধত লৈ লালনে টুক্ টুক্ কৰে কোম্পানীৰ বান্ধটোৱেদি খোজ কাঢ়ি গৈ আছে। অলপ পিছতে যাৰ যি কাম কৰিবলৈ

লাগিল। ঘৰৰ ভিতৰৰ পৰা শান্তাই মাত লগাইছে-- অ'ই টুকু, গৰম গাখীৰ খাহি।

কাকো নেদেখি অনাথে উমালৈ চালে। উমায়ো তেওঁলৈ চালে। অনাথে আৰু এগিলাচ চেকি ল'লে। মুখত দিয়াৰ লগে লগে দাঁত আলুত জ্বলা-পোৰা কৰিলত তেওঁ জানিলেই যে নিচাই ধৰিছে। অনাথে অনুচ্চ কণ্ঠত ক'লে— হাস্ক-

উমাই মুখ তুলি স্পষ্ট ভাষাতে ক'লে— মই তোমাৰ কাষতে থাকিম। আৰু অলপ যত্ন লোৱা।

অনাথে ক'লে— হাম্বা আ—আ-

উমাই শুনি ক'লে— ধন্যবাদ।

অনাথে আকৌ ক'লে— হাম্বা আ—আ-

উমাই ক'লে— খোৱা। মইতো চৰপতৰ বাল্টিত মুখ দিয়েই তুলি আনিছোঁ। ইমানবোৰ বস্তু নষ্ট নকৰিবা।

চাপৰ বাৰান্দাখনতে বহি আছিল অনাথ। তাৰ কাষতে মাটিত সুগন্ধি চৰপতৰ সেই বাল্টিটো। অনাথে চাৰিওফালে চাই বাৰান্দাতে চিৎ হৈ শুলে। তাৰ পিছত মুখখন তললৈ নমাই চৰপতৰ বাল্টিত মুখ দিলে। সুন্দৰ! খাবলৈ ইমান ভাল!

টুকুৱে গিলাচ হাতত লৈ হাজিৰ হ'লহি— মোক অকণ দিয়া বাবু। আটাইবোৰ তুমি নাখাবা।

টুকুক দি অনাথে আকৌ বাল্টিত মুখ দিলে।

বলাই লৰি আহি বাল্টি আঁতৰাই নিলে। — পেট চলিব, দাদা। গৰম বস্তু। বৌক কৈ দিম নেকি?

তেতিয়াহ'লে এই ঘৰত তোৰ চাকৰি আৰু নাথাকে।

চাকৰি গ'লে য'ক। আপুনি টুকু বাইদেউক এইবোৰ খুৱাইছে কি বুলি?

এইদৰে বকি বকিয়েই টুকুৰ হাতৰ পৰা গিলাচটো বলায়ে কাঢ়ি লৈ গ'ল। তাৰ পিছত বাকী থকা চৰপতখিনি বাল্টিটোৰে সৈতে দাঙি নি উমা আৰু কানাইৰ গামলাত মিহলাই পেলালে।

সন্ধ্যাৰে পৰা বতাহে সোঁ-সোঁৱাই আছে। গোটেই দিন ধৰি কিন্ কিন্কৈ পৰি থকা বৰষুণৰ টোপালবোৰ ডাঙৰ হৈছে। আবতৰীয়া বৰষুণে আকাশখন অন্ধকাৰ কৰি তুলিছে। কানাইৰ উমঘামেই নাই। উমাৰো কাণষাৰ নাই। সিহঁতে দানা পালেই হ'ল। বতাহে সিহঁতৰ তম্বুৰ ওপৰখন কোবাই গৈছিল।

কাঠৰ টুকুৰা, কয়লা থোৱা ডাঙৰ কোঠাটোক সম্প্ৰতি গোহালি কৰা হ'ব। অনাথে লাইট জ্বলাই বহি টালিৰ হিচাপ কৰি আছিল। শোৱা-কোঠা। ডাঙৰ চাইজৰ। এটা চুকত লেগহৰ্ণকেইটাৰ খোৱা বস্তু ভৰাই থোৱা বস্তা। দিনৰ দিনতো ঘৰত থাকি থাকি বেয়া লাগিছিল অনাথৰ। এতিয়া ষ্টেচন বজাৰলৈ গ'লে কাৰোবাৰ লগত দেখা হ'বই। টুকুৱে সকলোতকৈ আগতে টোপনিত লালকাল দিয়ে। এইখন ঘৰত সাৰে থকা চৰাইটোৰ

নাম– লিলি। তাই হেনো ৰাতি বিছনাত শুই শুয়েই পুখুৰীত মাছে ফিচাৰে কোবাই যোৱা শব্দ শুনে। শান্তাই গৰম মছলা দি আলু-পটলৰ ডাল্না ৰান্ধিছিল।

পাক দি দি বতাহ ঘূৰি আছিল। কোম্পানী বান্ধটো অন্ধকাৰ। বৰষুণৰ টোপালবোৰ সিঁচৰতি হৈ পৰিছিল। বিজুলীৰ চমকনিত অনাথে দেখিলে– টুকুৰা টুকুৰ ডাৱৰেৰে আকাশ ভৰি পৰিছে। এইবোৰ ডাৱৰ সাধাৰণতে সাগৰৰ আকাশতহে ঘূৰি ফুৰে। ভাল এন্ধাৰেই হৈছে। লেৱেল ক্ৰচিঙৰ মুখত পঞ্চাননতলা পাওঁতেই আকৌ ইলেকট্ৰিক লাইট দেখা গ'ল। য'ত কীৰ্তন হয়, নাম-গীত হয়– পঞ্চাননতলাৰ সেই চোতালতে পঞ্চানন অপেৰাৰ নতুন নাটৰ ৰিহাৰ্চেল হৈছে। টিনৰ চালত বৰষুণৰ টোপালবোৰ শিল পৰাদি পৰিছে– খালী খটং খটং। অপেৰাৰ মেনেজাৰ– জোতাৰ দোকানী জগেন।

অনাথক দেখি তেওঁ টেমাৰ পৰা এখন খিলি আগবঢ়াই দিলে। অনাথে ভয়ে ভয়ে মুখত দিলে। তেওঁ জানে– এতিয়াই চূণ আৰু পাণ চোবোৱা মাত্ৰকে মুখখনেই নষ্ট হৈ যাব। কিন্তু ভদ্ৰতা! কি কৰিব আৰু? ঈশ্বৰীতলাত সকলো পোৱা যায়, পোৱা নাযায় খালী মিঠা পাণ।

অনাথ দাদা, তোমাৰ বিৰুদ্ধে এটা অভিযোগ আছে। তোমাৰ সেই বাঘাটোক চম্ভালিবা। সদায় সন্ধ্যা ৰিহাৰ্চেল শুনিবলৈ আহে। আচলতে, সি আহে ভোগৰ প্ৰসাদ পাম বুলি–

তেনেহ'লে অসুবিধানো কি?

তাৰ উৎপাতত আমি যুদ্ধৰ চিনটোৰ আখৰা কৰিব নোৱাৰোঁ। আলিংগন, কোলাকুলি, সাবটা-সাবটি দেখিলেই গুজৰি উঠে। আৰু কাণ-তাল মৰা ঘেং ঘেং। এনেকৈ জানো ৰিহাৰ্চেল চলে? দূৰৰ পৰা অহা কিজনতো ভয়তে তাপ মৰে। হিষ্টৰিকেল মিলিটেৰি নাটক। সেনাপতি অৰ্বুদ সিংহই অট্টহাস্য কৰোঁতেই বাঘা জঁপিয়াই পৰে–

ঘৰত বান্ধি থ'লে কান্দে। আৰু বাহিৰত ফুৰিবলৈ ওলালে সিংহ! ক'ত আছে সি?

নামাৰিবা। তোমাক দেখি এতিয়া প্ৰম্পটাৰৰ পাছফালে মনে মনে বহি আছে। – কথা কৈ কৈয়েই জগেন আকৌ ৰিহাৰ্চেলত সোমাই পৰিল। তেওঁ ৰাণী বিদ্যাময়ীৰ ৰ'লত ডায়েলগ দিবলৈ ধৰিলে। মাতটো সলনি হৈ তেওঁৰ মুখেদি 'নাথ' শব্দটো ওলাই আহিল। পঞ্চাননতলাৰ ওপৰখন এজোপা বনৰীয়া তেঁতেলী গছে ডাল-পাত মেলি অন্ধকাৰ কৰি থৈছে। দিনৰ ভাগত দেখা যায়– গছজোপাৰ আটাইতকৈ ওখ ডালটোত শিৱৰ পতাকা এখন বতাহত সোঁ-সোঁৱাই উৰি আছে। ঈশ্বৰীতলাৰ মানচিত্ৰত এই ঠাইকণ গুৰুত্বপূৰ্ণ দ্বীপ। ইয়াৰ ডেকাহঁতে মোজাৰে সৈতে পাম্পচু পিন্ধি বিয়া কৰাবলৈ যাওঁতে মূৰ দোঁৱাই যায়। আকৌ কন্যা লৈ উভতি আহি ইয়াতে হাতযোৰ কৰি প্ৰণাম কৰে।

মিঠাইৰ দোকানৰ পৰা দুখন জেলেপি কিনি বাঘাক দিলে। আকাশৰ গতি-গোত্ৰ ভাল নহয়। প্ৰায়বোৰ দোকানেই ওলমা দুৱাৰ খুলি নিচেই পুৱাতে পোহাৰ মেলিছে। অভয় পাই বাঘাৰ খোজ-কাটল এতিয়া একেবাৰে যেন বাপেকৰ লগতহে হাতলৈ

আহিছে। এঠাইত মুখ দিয়ে, আন এঠাইত নেজডাল ঘঁহে। কাৰোবাৰ কামিজৰ ওলমা জেপত মুখ দি বৰকৈ চমক খুৱাই দিয়ে। কিহৰ ভয়? দেউতা লগতেই আছে। তেওঁৱেই চম্ভালিব।

যাক বিচাৰিছিল তাকেই পাই গ'ল। অক্কুৰক দোকানতে পালে অনাথে– গৰুজনীৰ কিবা বেমাৰ-কুমাৰ আছে নেকি? অক্কুৰ বাবু? সঁচা কথা কওক। মই টকা ঘূৰাই বিচৰা মানুহ নহয়।

গৰুজনী নিখুঁত অনাথ বাবু। পোৱালি দিলে চাব কিমান গখীৰ দিয়ে। আৰু এইটো দামত এনেকুৱা গৰু ক'তো নাপায়।

শুনিলোঁ বোলে পাল নাখায়।

খোৱা নাই সঁচা। কিন্তু পাল খালে দহ কেজি গাখীৰ খাটাং পাব। পোৱালি হ'ব ইমান ডাঙৰ–

কিন্তু যদি পাল নাখায়–

একো চিন্তা নকৰিব। সেইজনী গৰুৱে আকৌ পাল খাব। আমি বুঢ়া-বুঢ়ীয়ে আৰু গৰুজনীৰ যত্ন ল'ব নোৱৰা হৈছোঁ। সেইদেখি বেচিছোঁ। নহ'লে বেচোঁনে এনেহেন গৰু?

পাল খাব মানে?

সময় হ'লে গৰুৱে পাল খায়, অনাথ বাবু। পূৰ্ণিমা-অমাবস্যাত লক্ষণ দেখা দিয়ে। তেতিয়া আপুনি সাৱধান হ'ব লাগিব। উঠোঁ। এতিয়া দুৱাৰ খুলিম।

পিছদিনা ৰাতিপুৱা বৰষুণ এৰা নাছিল। বতাহ চেঁচা চেঁচা লাগে। আকাশ ক'লা। পেট বিযোৱাৰ ভাও ধৰি লিলি বিছনাত মোটোকা মাৰি পৰি আছে। স্কুললৈ যোৱাৰ সময়খিনি পাৰ হ'লেই গোটেইজনী সিংহিনী হৈ উঠিব। টুকুৱে বলাইৰ লগত পুখুৰীৰ ঘাটটোত বহি পাতিহাঁহবোৰক শামুক ভাঙি খুওৱা দৃশ্য চাই আছিল। বলায়ে এই কামটো খুব ভালকৈ কৰিব পাৰে। এনেকৈ খুৱালে সিহঁতে বয়স নৌ হওঁতেই কণী পাৰিবলৈ আৰম্ভ কৰে। উমাই কানাইক লৈ ওচৰা-উচৰিকৈ বহি টোপনিয়াই আছিল। সিহঁতেই ভালেমান ঠাই জুৰি আছে। গোবৰ গুচোৱা ঠাইটুকুৰা জিলিকি আছে, কাৰণ ঘাঁহখিনি চুঁচি নিয়াত গোবৰৰ লেওৰে একেবাৰে মচি থোৱা যেন লাগিছে।

টুকু স্কুললৈ নাযাৱ?

আজি একো পঢ়া-শুনা নহয় বাবু। ক্লাচত কেৱল কথাহে পাতে।

পঢ়ানো কিমান হ'ল নাজানিলে কাইলৈ স্কুললৈ গৈ হয়তো অকল মাৰহে খাবি। আজি যা।

কুট তৰ্কলৈ নগৈ টুকুৱে এটা সৰল সমাধান কৰি দিলে– তেনেহ'লে কাইলৈ স্কুললৈ নাযাওঁ বাবু। তাকে কৰিলেই হ'ল দেখোন। তুমি ৰাজী?

কথাটো তোৰহে। পৰহিলৈ যদি বাইদেউহঁতে কোবায়?

পৰহিলৈও নগ'লেও হ'ব। তেতিয়া আৰু কোনো অসুবিধাই নাথাকে।

অনাথে মন কৰিলে— টুকু আৰু বলাইৰ মাজত ঠেং দুখন আগলৈ মেলি বাঘা এনেকৈ শুই আছে যেন সি চমজদাৰহে। কোনোবাই কথা ক'লেই সি আকৌ তাৰ মুখলৈ চায়। শান্তাৰ বদমাচ বোন্দাটোৱে বহুতপৰ শুই-মেলি আহিছে। চকু মেল খোৱাই নাই। আৰু অলপ সময় শুব। এতিয়া মাতিলেও নুঠে। বৰষুণ এৰা হ'লে গোহালিৰ কামত মানুহ লগাব পৰা গ'লহেঁতেন। এতিয়া লগালে হাজিৰাৰ পইচাকেইটা এনেয়ে যাব। কামো মুঠেই নহ'ব।

ষ্টেচন বজাৰৰ ভিতৰেদি ঝাঁজৰ[১] আৰু জয়ঢোলৰ মাত বাছৰ টাইম-অফিচ পাইছেগৈ। মাজতে বাঁহনি, মানুহৰ ঘৰ আছে কাৰণে একো নেদেখি। চাৰ্কাচ আহিলে এনেকৈ বাদ্য বাজে। চিনেমা হললৈ নতুন ছবি আহিলেও এই একে বাজনা বাজে। যাত্ৰা হ'লেও একে। আৰু সাধাৰণ দৰাৰ পাৰ্টিৰ লগত— ৰিক্সাৰ মিছিলৰ আগে আগে। এয়ে হ'ল ঈশ্বৰীতলাৰ ৰেৱাজ। পাঁচ-সাত-দহ মাইলৰ ভিতৰত যাত্ৰা বা চাৰ্কাচৰ তম্বু তৰিলেই এই ধৰণৰ বাজনা মোটামুটি ভাৱে মাটিৰ ৰাস্তাইদি গাঁৱৰ ভিতৰ সোমায়গৈ— লগতে খালী কাগজত ছপা কৰা হেণ্ডবিল বিলাই দিয়া হয়।

ঈশ্বৰীতলাৰ নিজৰ বস্তু বুলিলে বহুত কিবাকিবি বুজায়। এটা হ'ল এই বেণ্ডপাৰ্টি। পঞ্চাননতলা। ৰেলষ্টেচন। বেংক। পঞ্চানন অপেৰা পাৰ্টি। একাৱন্নটা গোমধানৰ কল। কলেজ। হেল্‌থ চেন্টাৰ। ছয়ত্ৰিশখন ৰিক্সা। এটা ইৰিগেচন কেনেল। তাৰ ওপৰত আলকতৰা লগোৱা কাঠৰ দলং। চেভেন-চাইডেড খেলাৰ গ্ৰাউণ্ড। ছায়াবাণী চিনেমা। বগা ৰঙৰ গীৰ্জা। ঈশ্বৰীতলাৰ আৰু আছে এজন এম. এল. এ.।

পুৱা লালন আহিছিল। ইয়াত সি ম'হকেইটা লৈ থাকিব খোজে। তাৰ নিজৰ ল'ৰা-ছোৱালী পাঁচোটা। অনাথে কৈছে— তাৰ প্ৰস্তাৱটো তেওঁ ভাবি চাব। তেতিয়াৰে পৰা লালনে গৰুজনী খীৰাই দিছে। আজি জুখি চাই দেখা গ'ল— প্ৰায় তিনি কেজি গাখীৰ দিছে উমাই। চ'ৰাঘৰৰ দুৱাৰখনো ঠিক কৰা হৈছে। মাথোন ৰং দিবলৈ বাকী।

তিনি দিন ধৰি আচৰিত বতৰ গৈছে। অসময়ত আকাশখন ডাৱৰীয়া হৈ পৰিছে। অনাথ অফিচলৈ নগ'লেও পৃথিৱী.ৰৈ থকা নাই। ঈশ্বৰীতলাও ৰৈ থকা নাই। ওপঙি ফুৰা অৰুণ-বৰুণে পুখুৰীৰ পৰাই স্পষ্ট ভাষাৰে জানিব খুজিলে— বহি বহি সময় নষ্ট কৰিছা কিয় অনাথ বাবু ? নিজৰ কাম কৰা। নিজৰ কাম। এই কোঠাটোৰ পৰা খিৰিকিয়েদি ৰাজহাঁহ দুটাক ভালকৈ দেখা গৈছিল। সিহঁতে আকৌ ক'লে— নিজৰ কাম কৰা।

অনাথে শূন্য কোঠাটোত 'টা-আঁত' বুলি চিঞৰি দিলে।

শান্তাই মাটিতে বহি লাও কুটিছিল। বুঢ়া লাও। উমা আৰু কানাইক লাও আৰু খুদৰ

---

[১] ঝাঁজৰ— এক প্ৰকাৰ কাঁহৰ বাদ্য

মণ্ড ৰান্ধি দিব। সেইটো খুৱালে গাখীৰ বাঢ়ে। তাৰ পৰাই অনাথক সুধিলে— তেনেকুৱা কৰিছা কেলেই?

কাহ।

কাহ তেনেকৈ ফুটে নেকি তোমাৰ?

গল-খেকাৰি মাৰি চাইছিলোঁ শান্তা। যদি ফুটে—

শব্দটো যে কি অদ্ভুত!

অৰুণ-বৰুণে কিন্তু শুনিবলৈ পাইছে। সিহঁতে শুনিছে— অনাথ কেতিয়াও বহি নাথাকে। অনাথ কেতিয়াও বহি নাথাকে।

পুখুৰীৰ পৰা উত্তৰ আহিল— ধন্যবাদ! ধন্যবাদ অনাথ!!

সকলোৱে শুনিলে— টা-আঁত!

বহুত দিনৰ মূৰত অনাথবন্ধু বসুৱে কাঠৰ হাতনি-পেৰাৰ পৰা তেওঁৰ ডায়েৰীখন লৈ বহিল। প্ৰায় তিনি সপ্তাহ ধৰি এটা লাইনো লিখা নাই। ঠিক এই সময়ত ঈশ্বৰীতলায়ো পৃথিৱীৰ লগে লগে সূৰ্য্যক প্ৰদক্ষিণ কৰিছে। সেই সূৰ্য্য অৱশ্যে ডাৱৰৰ আঁৰত। অলপ আগতে ৰেডিঅ'ত কৈছে— বংগোপসাগৰৰ নিম্নচাপ আঁতৰি লাহে লাহে চট্টগ্ৰামৰ ফালে গৈছে। এনেকুৱা বতৰ বেছি পৰ নাথাকে।

অনাথবন্ধুৱে লিখিলে—

মোৰ ঘৰত পোহা জীৱ-জন্তুৰ ভিতৰত পাতিহাঁহবোৰৰে একো যত্ন লোৱা নাই। সিহঁত উপেক্ষিতা। সতি-সন্ততিৰ মাজতো লিলিৰ কোনো যত্ন লোৱা নাই। লিলিও উপেক্ষিত। তাইৰ মনতো নিশ্চয় এই ভাবটো সোমাইছে।

মই এটা সময়ত আছিলোঁ এক নম্বৰ চহৰীয়া। সেইজন ময়েই ঈশ্বৰীতলালৈ উঠি আহি গাঁৱলীয়া, আধা আধি বেপেৰুৱা ঠাই এখনৰ ৰস চুহিবলৈ শিকিছোঁ। জীৱন ইয়াত প্ৰত্যক্ষ। ইয়াতেই জোনটো চাবলৈ শিকিলোঁ। বেলিক চিনিছোঁ। নিৰ্জনতা বহি বহি অনুভৱ কৰা বস্তু। মানুহৰ হাঁহিত আশা-আকাংক্ষা ফেনাই উঠে। মোৰ সুবিধা— মোৰ তিৰোতাই সেই কথা নাজানে।

মহাভাৰতৰ পিছত যিখন মহাকাব্যৰ পাত লুটিয়াই ভিতৰ সোমালোঁ, তাৰ নামেই ঈশ্বৰীতলা। ইয়াৰ বতাহত লোণ আছে। চোকা ৰ'দে অলপ দিনতে নাইকিয়া কৰে। খেজুৰ নামৰ এজোপা শুকান গছৰ ভিতৰেদি মই ঈশ্বৰীতলাৰ পাতালৰ ৰস খাবলৈ শিকিছোঁ।

বাঘা প্ৰভুভক্ত। উমা কৃতজ্ঞ। শুক্লা নম্ৰ। লেগহৰ্ণবোৰ চঞ্চল। অৰুণ-বৰুণে মোৰ দৰেই বতাহত পোহৰৰ গোন্ধ পায়। শান্তা শান্ত, গহীন হৈ থাকে। ইমান নিটোল। ইমান হৃষ্ট-পুষ্ট। কেতিয়াবা কেতিয়াবা ধাৰণা হয়— তেওঁ হয়তো আন কোনো বৃন্তৰ বিষাক্ত কলি।

কলম হাতত লৈ অনাথে কেনেলৰ সিপাৰলৈ চালে।

একেবাৰে তিনি দিন আচম্বিতে বৰষুণ পাই বাঁহনিৰ বাঁহৰ গুৰিবোৰ ঘন ক'লা হৈ পৰিছে। তাত দুগৰাকী সন্তানহীনা বিধবাই পিন্ধা কাপোৰ ঠিককৈ ল'বলৈ যত্ন কৰি কৰিয়েই বাঁহৰ গাজ বিচাৰিছে। দুয়োগৰাকীৰ হাতত সৰু দা।

এই বিশাল ঈশ্বৰীতলাৰ চাৰিওফালৰ গছ-গছনিয়ে সেউজীয়া বৰণ ধৰি এতিয়া ক'লা চানেকীয়া হৈছে। তাৰ ভিতৰতে, সেই দুগৰাকী বিধবাৰ নিশকতীয়া হাত দুখনত খোৱা বস্তু মৰোঁ-জীওঁ-সোঁ-আধিকৈ বিচাৰি দা দুখন ইমান কৰুণভাৱে উঠিছে-নামিছে যে দেখিলেই ধৰিব পাৰি— এই ঈশ্বৰীতলাই তেওঁবিলাকক অদূৰ ভবিষ্যতে গ্ৰাস কৰি পেলাব।

ঈশ্বৰীতলালৈ আহোঁতে ভাবিছিলোঁ— নিজান মুকলি ঠাইত ঘৰ বান্ধিম। গছ-গছনিৰ পৰা মানুহলৈকে যি অদৃশ্য অথচ নিশ্চিত ৰেখা এটি আছে তাৰ লগত নিজৰ ছোৱালী দুজনীক চিনাকি কৰাই দিম। যিটো ভবা নাই, সেইটোৱেই ঘটি গ'ল। টুকু গছ-গছনিৰ দৰেই নিৰ্বিকাৰ, নিষ্ঠুৰ, অবুজ হৈ উঠিছে। তাই যি কোনো মুহূৰ্ততে টোপনিৰ পৰা উঠি ঘৰৰ মাজত সাতোটা সিংহ ঘূৰি ফুৰা দেখিলেও নিৰ্বিকাৰ, নিৰ্ভয় হৈ থাকিব। আনহাতে লিলিয়ে তাইৰ মনৰ চোতালত বহি সকলো সময়তে ভাবিছে— দেউতাই আচলতে কাক বেছি মৰম কৰে?

ইয়াত, লেৱেল ক্ৰচিঙৰ এইফালে ঈশ্বৰীতলাৰ মাটি ঘাঁহে ঢাকি পেলাইছে। সদায় আবেলি ডাৱৰবোৰ ইয়াৰ আকাশেদি অহা-যোৱা কৰে। ইয়াতে মোৰ পত্নী শান্তা থাকে। তেওঁ নানা প্ৰকাৰৰ সুখ আৰু নানা প্ৰকাৰৰ দুখ অলপ অলপকৈ উপলব্ধি কৰিবলৈ জানে। দুপৰীয়া শুলে মুখখন পূৰ হৈ পৰে। আকৌ ৰাতি আঠ বজালৈকে নাকৰ দুই দাঁতিত সময়ৰ দুটা দাগ বহে। গীতা চণ্ডীৰ কথা শুনোৱা যেন লাগিব— কালে নিঃশব্দে সদায় সকলোটি হৰণ কৰিছে।

ঈশ্বৰীতলাত অনাথহঁতৰ ভালে কেইবছৰ হ'লহি। এই কেইবছৰত তেওঁ অন্ততঃ দুখন এনেকুৱা ডাঙৰ ডায়েৰীত নানা কথা লিখি থৈছে। এবাৰ ৰথযাত্ৰাৰ মেলাত শান্তাই তেওঁক এটা কাঠৰ হাতনি পেৰা কিনি দিছিল। ডায়েৰীবোৰ তাতেই থাকে। এবাৰ এখন ডায়েৰীৰ ওপৰত লিখি থৈছিল— 'জীৱনৰ অৰ্থ'। ইয়াত তেওঁ বতাহতো পোহৰ দেখা পায়। সদায় পুৱা উঠি ভালকৈ বুজিব পাৰে— এতিয়া তেওঁৰ খৰচৰ বাবে সম্মুখত এটা নতুন সম্পূৰ্ণ দিন পৰি আছে। নিতৌ পুৱাৰ বেলিৰ পোহৰ তেওঁৰ নতুন নতুন লাগে। এইধৰণে পুৱাই কিমান কোটি কোটি বছৰ ধৰি দিন আহি আছে। তাৰ মাজত এনেকৈ সংসাৰ কৰা এটা অৰ্থহীন ধেমালি। এই গোটেই ধেমালিটোৰ সৰু-সুৰা আসোঁৱাহ যাতে ধৰা নপৰে তাৰ বাবে টান কথা কোৱা এগৰাকী ঘৈণী থাকে। তেওঁৰ ল'ৰা-ছোৱালী হ'লেই মৰম-চেনেহ বস্তুটো অমিতাৰ এঠা হৈ পৰে। তাকেই লৈ কোনোৰকমে জোৰা-টাপলি মৰা সংসাৰ। নহ'লে বহুত পোৱালি দিয়া বুঢ়ী ছাগলী শুক্লাৰ কাৰণেও তাৰ

মনটোৱে ছটফটায় কিয়? কিয়নো অৰুণ-বৰুণৰ ভবিষ্যত ভাবি অনাথ চিন্তিত হয়? এদিন বুঢ়া হ'লে সিহঁতৰ লাৱণ্য আৰু নাথাকে। টুকু কিজানি পানীত পৰিল, তাইক মটৰে চেপিলে– এনেকুৱা ভাবেই বা কিয় হয়?

অনাথবন্ধুৱে বুজিলে– তেওঁৰ জীৱনটো এটুকুৰা ঠাইত আহি ৰৈ আছে। আৰু আগুৱাব পৰা নাই। ঊনচল্লিশ বছৰ বয়স হ'লহি, ইমানবোৰ ষ্টেচনৰ আটাইবোৰ ঠাইৰ কথা মনত নাই তেওঁৰ। এটা জংচনৰ নাম– দেউতা। এটা ডাঙৰ ষ্টেচন হ'ল– মা। এইবোৰ ঠাইত তেওঁ পানী খাবলৈ নমিছে। চাহ খাইছে। চকুত কয়লাৰ গুড়ি পৰিলে তাত নামি ষ্টেচনৰ কলৰ পানী মাৰি দিছে।

চাৰি

উমাই পাল খোৱাৰ ডাক দিলে চাৰে তিনি বজাত। সেইটোৱেই যে ডাক প্ৰথমতে অনাথে বুজিব পৰা নাছিল। ঘৰৰ আটাইবোৰেই ভাত-ঘুমটি মাৰিছিল। কিন্ কিন্ বৰষুণ। পাছে, আকাশ পৰিষ্কাৰ হোৱাৰ লক্ষণো ফুটি উঠিছিল। অনাথে ভালকৈ শুনিবলৈ পালে– উমাই কৈছে, অনাথ বাবু, ষাঁড় আনক।

প্ৰথমতে ভাবিছিল– অৰুৰ মনে মনে আহি দুৱাৰখন খোলা পাই তেওঁক মাতিছে। তাৰ পিছত যেন দৈৱবাণীৰ দৰে কথাষাৰ তেওঁৰ কাণত পৰিলহি– অনাথ বাবু, অ' অনাথ বাবু, ষাঁড় আনক।

ঘপহকৈ উঠি বহিল অনাথ। তেনেতে উমাৰ মাত শুনিলে– অনাথ বাবু, ষাঁড় আনক।

খাটখনৰ পৰা নামোঁতেই অনাথে চিঞৰি ক'লে– হাম্বা-আ.....

উমাই শুনিলে– গৈছোঁ ।

ঘৰৰ পৰা ওলায়েই বাঘাৰ লগত দেখা হ'ল। সিও অনাথক মাতিবলৈ আহিছিল। চকু অস্থিৰ। পুখুৰী পাৰলৈ আহি দেখে– বৰষুণ নাই। তিনি দিনৰ পিছত একধৰণৰ শেঁতা ৰ'দ ওলাইছে। কানায়ে মাকৰ পৰা যিমান পাৰে দূৰলৈ গৈ ৰৈ আছে। চকুত ভয়। উমা একে ঠাইতে আছে। যোগিনীৰ ভংগী। শৰীৰ অলপো লৰচৰ কৰা নাই। চকু গম্ভীৰ। অনাথক দেখিয়েই ক'লে– ষাঁড় আনক।

মদন-বদন পথাৰেদি এইফালেই আহিছিল। উমাৰ চিঞৰ শুনিয়েই মদন লৰি আহিল– আজি জানো গাখীৰ খীৰোৱা হ'ল?

পুৱা আহি লালনে খীৰাই দি গৈছে। একেবাৰে দোকমোকালিতে।

আপোনাৰ ভাগ্য ভাল বাবু। গৰুজনীয়ে পাল খোৱাৰ ডাক দিছে।

সেইটো গম পাইছোঁ। এতিয়া কি কৰ?

বদনে ক'লে— অক্কুৰ বঙালৰ ওচৰলৈ য'ক। গৰুৰ সকলো কথা তেওঁ জানে।

শব্দ শুনি শান্তাও উঠি আহিল। আবেলিৰ চাহটোপা কৰি অনাথৰ হাতত একাপ দিলেহি। তাৰ পিছত দুপৰৰ টোপনিৰ পৰা উঠি অহা চেপা মাতেৰে ক'লে— এনেকুৱা জঞ্জাল হ'ব বুলি জানিলে কোনোবাই জানো গৰু পোহে?

অভ্যাস কৰিব লাগে শান্তা। লিলি আৰু টুকু ক'ত আছে?

শুই আছে।

মই অক্কুৰৰ তাৰ পৰা আহোঁগৈ।

সোনকালে আহিবা। ইমান জঞ্জাল মোৰ ভাল লগা নাই।

টোপনিৰ পৰা উঠি অহা বলায়ে ক'লে— বাবু, আপোনাৰ গৰুৱে পাল খোৱাৰ ডাক দিছে। ভাল খবৰ!

হৈছে, আৰু নিচঞৰিবি। — এইবুলি কৈ শান্তাই নিজৰ কাপটো লৈ শোৱা-কোঠালৈ গ'ল।

অক্কুৰে নিজৰ পুখুৰীৰ পাৰত বহি টো আৰু বুৰবুৰণি অনুযায়ী মাছৰ স্বভাৱ, বয়স. চৰিত্ৰ মন দি চাই আছিল। সকলো কথা শুনি ক'লে— নতুন ঠাই। অজীৰ্ণ বা অম্লপিত্ত হোৱা নাইতো?

সেইটো হোৱা হ'লে পোৱালিটোৰো হ'লহেঁতেন!

পোৱালিটোৰ হজম শক্তি বেছি, অনাথ বাবু। মই সিহঁতৰ নাড়ী-নক্ষত্ৰ জানো। গোবৰৰ গোন্ধ লৈ চাইছেনে?

নাই চোৱা।

গোন্ধত যদি আপোনাৰ মূৰ ঘূৰি যায়, তেতিয়া বুজিব— পেটৰ গোলমাল। তেতিয়া তাৰ ডাক্তৰ বেলেগ। মুন্সী ডাঙৰীয়া। ৰিটায়াৰ কৰি ন-পুখুৰীৰ কাষতে থাকে। সাত-জনীমান আবিয়ে ছোৱালী আছে। ঘৈণীয়েকে সকলো সময়তে কাঁহী-বাটি ধোৱে।

অনাথে মাজতে বাধা দি সুধিলে— গৰুজনীৰ কি হ'ব?

একো গোন্ধ পোৱা নাইতো?

অনাথে আন্দাজতে ক'লে— নাই পোৱা।

তেনেহ'লে— বুলি কৈ অক্কুৰ থিয় হ'ল। — ব'লক, বাৰান্দাত বহি কথা পাতোঁগৈ। পূৰ্ণিমা কেতিয়া গ'ল?

গৰুজনী নিবৰ দিনাই পূৰ্ণিমা আছিল।

বাৰু। তেনেহ'লে পাল খোৱাৰ ডাক দিবও পাৰে। কিন্তু গাইজনীৰ কাৰণে ষাঁড় পাব ক'ত? ওচৰততো নাই। হয় সুভাষগ্ৰাম লেৱেল ক্ৰচিং, নহয় বীৰেন্দ্ৰপুৰ পল্লীমংগল কেন্দ্ৰ। দুয়োখনেই বহুত দূৰত। তেতিয়ালৈ পাল খোৱাৰ ইচ্ছা নাইকিয়া হ'ব পাৰে।

পাল খোৱাৰ ইচ্ছা?

ইমান দূৰ বাট খোজ কঢ়াই নিলে গৰুজনীৰ পাল খোৱাৰ ইচ্ছা আৰু নাথাকে,

অনাথ বাবু। অহা-যোৱা মিছা হ'ব। মই পাই থৈছোঁ। কেৱল পইচাৰ শ্ৰাদ্ধ হ'ব।

এনেকুৱা চিনাকি কথা কোৱাৰ পাক দেখি অইন সময়ত হোৱা হ'লে অনাথে হাঁহি ৰখাবই নোৱাৰিলেহেঁতেন। কিন্তু তেওঁ বিপদত পৰিছে। সিদ্ধান্ত ভুল হ'লে উমাৰ ভৱিষ্যত বেয়া হ'ব পাৰে।

তেতিয়াহ'লে আপুনি শংকৰপুৰলৈ য'ক। বিৰজা ডাক্তৰৰ চেম্বাৰলৈ। বাছৰ পৰা নামি ৰিক্সা ল'ব। ক'ব— ৰাচবাড়িৰ পথাৰলৈ ব'ল। তাত পুখুৰীৰ কাষতে ডাক্তৰৰ চেম্বাৰ। সন্ধিয়ালৈকে থাকে। নাপালে ঘৰলৈ যাবগৈ। পুখুৰীৰ পাছফালেই। ৰঙা ইটাৰ দেৱাল। ৰঙা বালি। চোতালত এজোপা ডাঙৰ দেৱদাৰু গছ আছে। দুটকা ফিজ ল'ব। এতিয়াই বাছত উঠি গুচি য'ক।

ডাক্তৰে কি কৰিব?

গৈ চ'কচোন। এতিয়াৰ পোৱালিটো সেই ডাক্তৰৰ হাততেই-

তেনেহ'লে ঘৰত কৈ যাওঁগৈ।

পলম হ'ব। এতিয়া ৰেলৰ সময়তে বাছ পাই যাব।

বাছত তিনি মাইল। ৰিক্সাতো কেইবা মাইল। ৰিক্সাৱালাই ৰাচবাড়িৰ কথা শুনি ক'লে— গামা চাৰ্কাচলৈ যাব নেকি?

নহয়। বিৰজা ডাক্তৰ।

অ' ব'লক, এয়া ওচৰতে।

ৰাচবাড়িৰ পথাৰত তুমুল কাণ্ড হৈছে। দি গ্ৰেট ৰয়েল গামা চাৰ্কাচৰ নাম লিখা বেনাৰ বাটত তিনি ঠাইত ওলমি থকা দেখিছে অনাথে। বিয়াগোম তম্বু। তেনেহ'লে ইয়াৰে হেণ্ডবিল বিলাইছিল আজি ঈশ্বৰীতলাত।

ৰিক্সাৱালাই মুখেৰে বলকি পেডেল মাৰিছিল। বেচ্ পালোৱান। ই যেন গামা পালোৱানৰে চাৰ্কাচ।

অলপ পিছতে সন্ধ্যা লাগিব। ৰাচবাড়িৰ মন্দিৰৰ চূড়া পাছফালে দূৰত দেখা গৈছিল। সমুখৰ পথাৰত চাৰ্কাচৰ তম্বু। তাৰ কাষতে ডাঙৰ পুখুৰী। পুখুৰীৰ কাষত বিৰজা ডাক্তৰৰ টিনৰ চেম্বাৰখন।

ৰিক্সাৰ পৰা নামি অনাথে দেখিলে— বন্ধ। এখন টিনৰ গাত বগা ৰঙেৰে লিখা আছে— চৰকাৰী কৃত্ৰিম গো-প্ৰজনন কেন্দ্ৰ। তাৰ তলত লিখা আছে— ডাঃ বিৰজা দত্ত।

কেউফালে বজাৰ। দোকানে দোকানে মানুহৰ ভীৰ। আটাইবোৰ লাইট জ্বলিছে। একেৰাহে তিনি দিনৰ বৰষুণৰ পিছত ৰ'দ দিছে যদিও বাট-পথ ভাল হোৱা নাই। ৰবৰৰ চেণ্ডেল পিন্ধি আহিছে অনাথে। যেতিয়াই-তেতিয়াই ভৰি পিছলাৰ ভয়।

ৰিক্সাৱালাই ক'লে— পুখুৰীৰ পাৰে পাৰে খোজ কাঢ়িয়েই য'ক বাবু। সোঁহাতে চাৰ্কাচৰ তম্বু। তাৰ পাছফালেই থাকে ডাক্তৰ বাবু।

চাৰ্কাচৰ তম্বুৰ ভিতৰত জয়ঢোল বাজিবলৈ আৰম্ভ কৰিছে। অলপ পিছতেই

সন্ধ্যাৰ প্ৰদৰ্শন আৰম্ভ হ'ব। শান্তাই এতিয়া টুকু আৰু লিলিক কেনেকৈ চম্ভালিছে কোনে জানে। উমাই নিশ্চয় ডাক দিয়েই আছে। হয়তো একেৰাহে ডাক দিছে। নিথৰ শিলৰ দৰে ৰৈ থকা গৰুজনীৰ এনেকুৱা কাণ-তাল-মৰা চিঞৰ যি শুনিব সি ঘূৰি চাবই। চালেই দেখিব— ডাঠ কাজল লগোৱা দুটা গহীন চকু। আকাশৰ পৰা পোনে পোনে এটা অজান ভয় বেগেৰে আহি তাইৰ চকুকেইটা বিন্ধি দিছেহি।

পুখুৰীৰ পাৰেদি যাবলগীয়া হোৱাত অনাথে পিছল খাইছিল। বিশেষকৈ ৰবৰৰ চেণ্ডেল পিন্ধাৰ বাবে। এবাৰ পুখুৰীত পৰিবই খুজিছিল। বাৰিষা বোকা হোৱাৰ বাবেই এই অৱস্থা। চাৰ্কাচেও এনেকৈ তম্বু তৰিছে— ভৰি দিবলৈ ঠাই থোৱা নাই। তম্বুৰ খুঁটিবোৰ মাটিত পোতা। তাত উজুটি খাব লাগিলে পানীত পৰাটো খাটাং। তম্বুৰ ভিতৰত জয়ঢোল বাজিবই লাগিছে। হাতীৰ চিঞৰ, বাঘৰ মাত সেই বাজনাৰ লগত মিহলি হৈ শব্দৰ এক অদ্ভুত চৰণত সন্ধ্যাৰ বতাহত বিয়পি পৰিছে। অনাথে ঠিক কৰিলে— এই জঞ্জালটো মাৰিব পাৰিলে এদিন সন্ধ্যা টুকু আৰু লিলিক চাৰ্কাচখন দেখুৱাই নিবহি। গণেশৰ মাকে ঠিকেই কৈছিল। এঘটি গাখীৰৰ বাবে ইমান জঞ্জাল! দুটা পইচা লাগিলে কমকৈয়ে দিব।

দেউতা ঔ— নিজেই চিঞৰি উঠিল অনাথে। লগে লগেই তিনিজনী ছোৱালীয়ে হি-হি কৈ হাঁহি দিলে।

পুখুৰীৰ ফালে কাটি হৈ পৰিব খোজোঁতে তম্বুৰ খুঁটিত ধৰি অনাথ উঠি আহিল— বচোৱা! মোক বচোৱা।

আৰু আহিবানে ভুমুকিয়াবলৈ? শিল দলিয়াইছিলা?

মই নহয়, মই নহয়।

এতিয়া মিছাই হ'ল। গামা ককাইদেউ, অ' গামা ককাইদেউ।

অনাথে থক্‌থক্‌কৈ কঁপিছিল— আগতে বাঘটো আঁতৰোৱা, নহ'লে পৰি যাম। আঁতৰোৱা বুলিছোঁ।

ঠাইটুকুৰা তম্বুটোৰ প্ৰায় পাছফালে। পুখুৰীৰ পাৰ আৰু তম্বুৰ পৰ্দাৰ মাজত বাট বুলিবলৈ নায়েই। অনাথে বিৰজা ডাক্তৰক বিচাৰি অন্যমনস্ক হৈ গৈ আছিল। কেতিয়ানো চাৰ্কাচৰ গ্ৰীনৰুমৰ আগত ওলালহি তৰ্কিবই নোৱাৰিলে।

ইলেক্‌ট্ৰিক লাইটৰ পোহৰত তিনিজনী জাঙিয়া পিন্ধা ছোৱালী থিয় দি আছে। ওপৰৰ ফালে গাত কেৱল এটাকৈ ক'লা ব্ৰেচিয়াৰ। সৰ্বাংগত ৰঙচুৱা ৰং এটা সানিছে। সিহঁতৰ এজনীয়ে ডাঙৰ মাংস এটুকুৰা পোৱালি চানেকীয়া বাঘ এটাক মৰম কৰি কৰি খুৱাইছে। এই দৃশ্যটো যি হঠাৎ দেখে, তাৰ বুকু ধপ্‌ধপাই উঠিবই। তাতে একবাৰে মুনিচুনি বেলিকা। পুখুৰীৰ পাৰতে। তিনিজনী চাৰ্কাচৰ ছোৱালী। এটা মেলি দিয়া বাঘ। আৰু কোনোবা এজনে যেন বৰ দীঘল ভৰি দুখন পুখুৰীৰ ফালে মেলি দি শুই আছে। তেৰোঁ জাঙিয়া পিন্ধিছে। ক'লা ৰঙৰ। ভয়ত চিঞৰি দিয়াৰ বাবে বাঘটো একেজাঁপেই

একেবাৰে অনাথৰ আগত পৰিলহি! তম্বুৰ সেই ঠাইখন খোলা। এহাতমানৰ ভিতৰতে বাঘৰ মুখ। দুটা জ্বলি থকা মাৰ্বলেৰে অনাথৰ ফালে চাই আছে।

অনাথে থক্‌থক্‌কৈ কঁপিছিল। আৰু অলপ পলম হোৱা হ'লে তেওঁ ভৰি পিছলি পুখুৰীৰ পানীত পৰিলগৈহেঁতেন। আঁতৰোৱা বুলিছোঁ— অনাথে আৰু কথা ক'ব নোৱাৰিলে।

গামা ককাইদেউ উঠি আহিল। স্বয়ং অৰণ্যদেৱ। ভৰিত আঁঠুলৈকে ঢকা জোতা। কঁকালত জাঙিয়াৰ ওপৰত লোহাৰ বল্টু দিয়া বেল্ট। আহিয়েই বাঘৰ কাণ এখনত ধৰি আঁতৰাই নিলে অলপ— কি হৈছে? হেৰা, তুমি কোন?

মই অনাথ ছাৰ— বাঘটো আঁতৰি যোৱা দেখি অনাথে অলপ উঠি আহিল।

ছোৱালীকেইজনীৰ এজনী আগ বাঢ়ি আহি ক'লে— এই মানুহটোৱেই সদায় পোৰা বিড়ি ৰিঙৰ ভিতৰলৈ দলিয়ায় দিয়ে। হয়, এই মানুহটোৱেই।

মিছা কথা, গামা ককাইদেউ। মই কেতিয়াও এই চাৰ্কাচ চোৱা নাই।

বাঁওহাতেৰে গামা ককাইদেৱে বাঘৰ কপালত থাপৰ দিলে। বাঘটো তেওঁৰ পাছলৈ গৈ হাতোৰাৰ ওপৰত ভৰ দি বহিল। গামা ককাইদেৱে তেতিয়া সোঁহাতেৰে অনাথক তুলি আনি পুখুৰী পাৰৰ টান মাটিত থ'লেহি— আমাৰ চাৰ্কাচ চোৱা নাই কেলেই?

সময় পোৱা নাই। এইবাৰ সঁচাকৈয়ে চাম, গামা ককাইদেউ।

এইফালে ক'লৈ গৈছিল? এইফালে কোনো নাথাকে।

থাকে। গৰুৰ ডাক্তৰ এজন থাকে।

সন্ধিয়া গৰুৰ ডাক্তৰ?

মোৰ গাইজনীয়ে পাল খোৱাৰ ডাক দিছে—

গামা ককাইদেৱে হাঃ হাঃকৈ হাঁহিবলৈ ধৰিলে। হঁহাৰ কোবত উৰু দুইটাৰ মাংসপেশী কঁপি উঠিল। হাঁহি হাঁহিয়েই ক'লে— এই বিবি, শুন। শুন। গৰুৱে ডাক দিছে— হঠাৎ হাঁহিবলৈ এৰি অনাথক ক'লে— য'ক, এইফালে আৰু কেতিয়াও নাহিব।

সেই ধমকিত বাঘটোৱে চক খাই চকুকেইটা একেবাৰে মুদি দিলে।

অনাথে ক'লে— মইতো এই বাটেৰেই উভতিব লাগিব। মই অইন বাট চিনিও নাপাওঁ।

বেছি কথা নক'ব। এতিয়া শ্ব' আৰম্ভ হৈছে। এই বিবি, চেকেণ্ড বেল পৰিল। যা, আজিলৈ যা।

অনাথে তম্বু পাৰ হৈ যিডোখৰ ঠাই পালেহি, তাৰ দহ হাতৰ ভিতৰতে এজোপা দেৱদাৰু গছ। কিন্তু, কি আচৰিত! বহুত ওপৰলৈকে গছজোপাৰ ডালবোৰ কাটি পেলোৱা হৈছে। গছজোপা পাৰ হৈয়েই এটা লুংলুঙীয়া মাটিৰ ৰাস্তা। তাৰ মূৰত ৰঙা ইটা আৰু ৰঙা টাইলৰ ঘৰটো এন্ধাৰত ক'লা হৈ পৰিছে। ঘৰৰ বাৰান্দাত জুই-ফিৰিঙতি এটা অহা-যোৱা কৰিছে। ধৰিবই পাৰি— চিগাৰেট লৈ এন্ধাৰ বাৰান্দাত কোনোবা এজনে বৰ চিন্তিত

মনেৰে পায়চাৰি কৰিছে। আৰু তাৰ বিপৰীত ফালেই তম্বু জুৰি নানা শব্দ, পোহৰ, বাজনা।

মাতিব নে নামাতে অনাথে ঠিক কৰিব নোৱাৰিছিল। এতিয়াও তেওঁৰ বুকুখন ধপ্‌ধপাই আছে। ভয় লগা বাঘৰ সৈতে মুখামুখি। ইমান ওচৰতে— শ্বেভিং ষ্টিক্ থকা হ'লে বাঘৰ দাড়িও খুৰাব পৰা হ'লহেঁতেন।

বাৰান্দাত জুইৰ ফিৰিঙতিৰ অহা-যোৱা নাইকিয়া হ'ল। — কোন সেয়া?

মই। মই অনাথ। ঈশ্বৰীতলাৰ পৰা আহিছোঁ। বৰ বিপদত পৰিছোঁ—

ময়ো বিপদত পৰিছোঁ।

লাইট নাই নেকি?

নাই। তাৰ পৰাই ক'ক।

মোৰ গৰুজনীয়ে পাল খোৱাৰ ডাক দিছে আবেলিৰ পৰা—

যাব নোৱৰিম।

এবাৰ বিৰজা বাবুৰ লগত কথা পাতিম।

ময়েই ডাক্তৰ বিৰজা। এতিয়া কোনো কথা নাপাতোঁ।

মই অনাথবন্ধু বসু। বৰ বিপদত পৰিহে আপোনাৰ ওচৰ পাইছোঁহি। এবাৰ লাইটটো জ্বলাই দিয়কচোন।

মোৰ ঘৰত এতিয়া লাইট নাই। ঘৈণীও নাই। কোনো নাই। আপুনি যাব পাৰে।

অনাথৰ পাছফালে এতিয়া পোহৰে জল্‌মলাই থকা এখন ডাঙৰ চাৰ্কাচ। সমুখত এন্ধাৰ ঘৰটোত দুৱাৰমুখত ডাক্তৰে হাততে জ্বলি থকা বিড়ি বা চিগাৰেটডাল মাটিত পেলাই দিলে।

মই নিৰুপায়, ডাক্তৰ বাবু। গৰুৰ কথা মই একো নাজানো।

ময়ো নিৰুপায়।

অলপপৰ দুয়ো নীৰৱ। দুয়ো এন্ধাৰতে থিয় হৈ আছে। হঠাৎ বিৰজা দত্তই জানিব খুজিলে— কেতিয়া ডাক দিছে? আজিনে?

হয়।

এতিয়াতো ডাক দিব নালাগে। হয় পূৰ্ণিমা নহয় অমাৱস্যাত ডাকে। আপুনি ক'ৰ পৰা আহিছে বুলি ক'লে?

ক'ম, আগতে অকণমান বহিবলৈ দিবনে? এইমাত্ৰ বাঘৰ মুখতে পৰিছিলোঁ—

বাঘ? ইয়াতনো বাঘ ক'ত আছে? এইবোৰ মনে-সজা কথা।

চাৰ্কাচৰ বাঘ। আপোনাৰ ঘৰলৈ আহোঁতেই— ভৰিত বৰ দুখ পাইছোঁ।

বিৰজা ডাক্তৰে এন্ধাৰতে লৰি আহিল— আহক, আহক। চাব— গাঁত আছে। সিহঁতে বাঘ এৰি দিয়ে নেকি? কি সৰ্বনাশ! জীৱ-জন্তুবোৰৰ শৰীৰ স্বাস্থ্য কেনে অছে চাবলৈ মোক ভিজিট দি মাতিছিল। ৰ'ব। ইয়াতে বহকচোন আপুনি। কাইলৈ গৈ তিনিওটা হাতীৰ টোপনি নাইকিয়া কৰিম।

অনাথে তেতিয়াও বাঘে চকু তুলি চোৱা দৃশ্যটো পাহৰিব পৰা নাছিল। খাটিয়াখনৰ পৰা গামা ককাইদেউ উঠি আহিছিল ৰ'বট এটাৰ দৰে। বিবিহঁতৰ হাঁহি। সকলো মিলি সাৰে থাকোঁতেই দুঃস্বপ্ন।

মই ঈশ্বৰীতলাৰ পৰা আহিছোঁ।

অঁ, বুজিছোঁ। আপুনি অক্কুৰৰ গাইজনী কিনিছে নিশ্চয়।

হয়। কিন্তু জানিলে কেনেকৈ?

গৰুজনী অসুখীয়া। তাই অসময়তেই পাল খাব। চিন্তা নকৰিব। ঠিক হৈ যাব।

অসুখটো কি?

জৰায়ুত ঘা আছে। পেনিচিলিন লাগিব—

আপুনি এবাৰ আহক—

এতিয়া যাব নোৱাৰিম। আপুনি ঘৰলৈ গৈ এপোৱা মচুৰ দাইল, সৰিয়হৰ খলিহৈ নিমখৰ লগত মিহলাই গুড়ি কৰি তপতাই ল'ব। তাৰ পিছত কুলা এখনত দি গৰুজনীক খুৱাব। খপাখপ খাব এতিয়া।

কিয়?

খুৱালে চৌবিশ ঘন্টা হিট্ থাকে। কাইলৈ দুপৰীয়া মই সাজু হৈ যাম। এটুকুৰা চাবোন যোগাৰ কৰি থ'ব।

এতিয়াই ব'লক। মই আপোনাক থৈ যামহি।

মোৰ যোৱাৰ উপায় নাই, অনাথ বাবু। সেই যে দেৱদাৰু গছজোপা দেখিছে, তাৰ ডালবোৰ নাই কিয় ক'কচোন। বিৰজাই চিগাৰেট এডাল জ্বলালে।

তাৰ পোহৰতে অনাথে মুখখন দেখিলে। দুইখন গালৰ পৰা দুচপৰা মাংস এৰুৱাই নিছে কিহবাই। শুকান মুখখনত দুটা উজ্জ্বল ক্লান্ত চকু। বিৰজাই নিজেই ক'লে— মোৰ একমাত্ৰ ল'ৰাটোক খৰি দিবলৈকে ডালবোৰ কটা হৈছে—

কি হৈছিল?

আত্মহত্যা কৰিছে। পৰীক্ষাত বহি নকল কৰিবলৈ গৈ এই কাণ্ড। মোৰ ঘৈণী ল'ৰা-ছোৱালী লৈ আছেগৈ ডাঙৰ জী-জোঁৱাইৰ ঘৰত। তেওঁ ঘনাই মূৰ্চ্ছা গৈছে।

চাওক, আপোনাক অনুৰোধ কৰাটো মোৰ বৰ অন্যায় হৈছে। কিমান ডাঙৰ ল'ৰা?

পিছৰ মাহত সোতৰ পূৰ হ'লহেঁতেন। ভাবিছিলোঁ— ঘৰৰ ওচৰতে ঈশ্বৰীতলাৰ কলেজতে পঢ়ুৱাম। য'ক সেইবোৰ কথা। তেনেহ'লে কাইলৈ দুপৰীয়া যাম। দুই ফাইল পেনিচিলিন কিনি থ'ব।

ৰাতি ঘৰলৈ উভতি আহি মচুৰ দাইলৰ লগত সৰিয়হৰ খলিহৈ আৰু নিমখ মিহলাই গুড়ি কৰোঁতেই গৰম হৈ গ'ল। হাতেৰে ছুব নোৱৰাৰ নিচিনাই। কুলাখনত ঢালি উমাৰ আগত ধৰাৰ লগে লগে টপ্ টপ্‌কৈ খাই পেলালে। পুখুৰীপাৰত বিচিত্ৰ দৃশ্য। ভাড়া কৰা

ত্ৰিপালৰ তম্বুত গহীন মুখেৰে উমাই খাইছে। দূৰত কানায়ে থিয় হৈ ঠেঙেৰে লঠিয়াইছে।. লিলিৰ টোপনি।

শান্তাই টুকু আৰু বাঘাক লৈ বৈ আছে। বলায়ে উমাক খোৱাবস্তুখিনি আগ বঢ়াই দিছে। তাক সহায় কৰিছে অনাথে। তেতিয়া তেওঁৰ এটা কথা মনত খেলাইছিল— উমাৰ কাৰণে নিগাজি গুৱাল এজন লাগে। যেনেকৈয়ে নহওক বন্দবস্ত কৰিব লাগিব। উমাই গহীন মুখেৰে সকলো চাই আছে। কিন্তু মাত মতা নাই। অনাথে লাইট নুমাই দি পুখুৰী-ঘাটতে বহিলহি। বৰষুণ নাই। অলপ জোনাক লৈ আকাশখনে মুখ দেখুৱাবলৈ যত্ন কৰিছিল।

আজি সন্ধিয়া এৰি দিয়া বাঘটোৰ মুখামুখি হৈ অনাথে তাৰ তঁ-তঁকৈ জ্বলি থকা মাৰ্বল দুটা দেখিছে। কি নিষ্পাপ! কি উজ্জ্বল! কি হিংস্ৰ! নেদেখিলে কল্পনা কৰিব নোৱাৰি। তাৰ কাষত হাঁহি-ধেমালিৰে তিনিজনী চাৰ্কাচৰ ছোৱালী খিল্ খিলাই আছিল। গাত মাংসৰ ভাৰ লৈ গামা ককাইদেউ কেনেকৈ ঘপহকৰে উঠি আহিল! আৰু বিৰজা দত্তই হয়তো এন্ধাৰ বাৰান্দাখনত বৈ লঠঙা দেৱদাৰু গছজোপাকে চাই আছিল।

বিৰজা পিছদিনা ঠিক এক বজাত ওলালহি। হাতত আইচ-বক্স। কান্ধৰ মোনাত যন্ত্ৰপাতি। ডোবাটোৰ পাৰেদি লেং লেং কৰে দীঘল ওখ-পাখ মানুহটোৱে ডাঙৰ ডাঙৰ ভৰিৰে খোজ দি আগ বাঢ়ি আহিল। চকু দুটা সঁচাই কোটৰৰ পৰা অলপ ওলোৱা। গাল দুখনত দুচকলা মাংস নাই। বয়স বাৰন্ন-চৌৱন্নমান হ'ব। আহিয়েই সুধিলে— চাবোন আনি থৈছেনে?

ঘৰৰ এইফালৰ খিৰিকি আটাইবোৰ জপাই দিয়া হ'ল। অনাথ আৰু শান্তাই আগতেই পৰামৰ্শ কৰি টুকু আৰু লিলিক শুৱাই থৈছে। বলায়ে উমাক আনি চিমেন্টৰ খুটি এটাত ভালকৈ বান্ধি থ'লে।

বিৰজাই মোনাৰ পৰা উলিয়াই ৰবৰৰ গ্লাভ্চ পিন্ধি ল'লে। তাৰ পিছত তাত চাবোনৰ ফেন ঘঁহি, মানুহে যেনেকৈ বুকশ্বেল্ফৰ পৰা কিতাপ উলিয়ায়, তেনেকৈ উমাৰ পাছফালে যিবোৰ গোবৰ আছিল, সেইবোৰ উলিয়াই পেলাই দিলে। তাত এটা এলুমিনিয়ামৰ যন্ত্ৰ বহুৱাই তাৰ ভিতৰত পাঁচ-বেটেৰীৰ টৰ্চৰ পৰা ফ'কাচ দিলে। — চাওক, জৰায়ুৰ ঘাটুকুৰা দেখিছেনে?

অনাথে নেদেখাকৈয়ে ক'লে— হয়।

এই কাৰণেই গৰুজনীয়ে পাল খোৱা নাই।

কিয় এনেকুৱা হ'ল?

ডেলিভাৰীৰ সময়ত কিবা আঘাত পাইছিল।

এতিয়া উপায়?

উপায় আছে, অনাথ বাবু। আপুনি টৰ্চটো ধৰি থাকক। — কথাষাৰ কৈয়ে বিৰজাই দুই ফাইল পেনিচিলিনৰ মুখ খুলিলে। তাৰ পিছত ফাউন্টেন পেনত চিয়াঁহী ভৰোৱাৰ

দৰে এটা আইনাৰ ফিচকাৰীত ঔষধখিনি ভৰাই ল'লে। সেইখিনি উমাৰ জৰায়ুলৈ পাম্প কৰি পঠিয়াই দিলে। — হৈ গ'ল। এতিয়া আপোনাৰ ভাগ্য।

এইদৰে কৈয়েই বিৰজাই কাঠৰ আইচ-বক্সটোৰ সাঁফৰখন খুলি ভিতৰলৈ টৰ্চ মাৰিলে। বৰফৰ ভিতৰত ডাঠ ঘিউ আছে। আইনাৰ ফিচকাৰীত সেইখিনি ভৰাই দুবাৰ উমাৰ জৰায়ুলৈ পঠিয়াই দিলে। — আমেৰিকাৰ অহিঅ'ৰ ষাঁড়ৰ বস্তু। দৈনিক ভাৰত চৰকাৰে এয়াৰ ইণ্ডিয়াৰ প্লেনত আনি গাঁৱে গাঁৱে বিলায়। বুজিলেনে কিবা?

অনাথে আন্দাজতে মূৰ দুপিয়ালে।

বিৰজাই চাৰিওফালে এবাৰ ঘূৰি উমাৰ চাৰিওখন ঠেং হাতেৰে চুই প্ৰণাম কৰিলে।

— আই, দোষ-দায় নধৰিবা। এতিয়া আপোনাৰ পৰিবাৰক একাপ চাহ দিবলৈ ক'ক।

ইয়াতেই সকলো কাম শেষ হৈ গ'ল নেকি?

আৰুনো কি কৰিব? এতিয়া আপোনাৰ ভাগ্য। পাল যদি খায়, খাব, নহ'লে আৰু নাই।

ইমানপৰ শান্তা ভিতৰতে আছিল। গ্ৰীন চিগনেল পাই ওলাই আহিল। বিৰজাই তেতিয়া কাহিনী ক'বলৈ লাগিল। কিমান বিধৰ যে গৰু! সিহঁতৰ স্বভাৱ-চৰিত্ৰ। মন-মেজাজ। নানা বিষয়ে। শান্তাই লাহেকৈ নমস্কাৰ দি চাহ কৰিবৰ বাবে ভিতৰলৈ গ'ল।

বিৰজাই কৈ গ'ল-- ইণ্ডিয়াত কেটোল প'পুলেচন আটাইতকৈ বেছি। কিন্তু অযত্নও আটাইতকৈ বেছি। গোটেই পথাৰখনত এটা অসুখীয়া ষাঁড়েই বহুতো গাই-গৰুৰ সন্তানৰ পিতৃ। এটা সন্তানৰ পৰা আন এটা সন্তান এইদৰে অসুখীয়া হৈ পৰিছে। সেইবাবেই এই আৰ্টিফিচিয়েল ইনচেমিনেচন। নিৰোগী পোৱালি, নিৰোগী মাকহে আমাক লাগে।

কথা এটা মনলৈ অহাত অনাথ অবাক হ'ল। এজন বঙালীৰ ভাষা এজন আমেৰিকানে নুবুজে। কিন্তু ইয়াৰ এটা গৰুৰ ভাষা আমেৰিকাৰ গৰুৱে নিশ্চয় বুজে, কাৰণ মানুহৰ নিচিনাকৈ সিহঁতৰ সভ্যতা বা ব্যাকৰণ নাই। বিৰজাক ক'ম নেকি কথাটো?

কাক ক'ব? বিৰজা তেতিয়া নিজৰ কথাতে মছগুল— আগতে ঘৈণীৰ কথা নুশুনিলোঁ। শুনা হ'লে, আৰু এটা ল'ৰাৰ কাৰণে চেষ্টা কৰিব পাৰিলোহেঁতেন! ল'ৰাটো আত্মঘাতী হ'ল। আমাৰো আৰু ল'ৰা হোৱাৰ পৰীক্ষাত বহাৰ বয়স নাই। ইয়াৰ নামেই কপাল। পেন্সন লৈ বুঢ়া-বুঢ়ী ক'লৈ যাম নাজানো।

চাহ খাই বিৰজা যাবলৈ উঠিল। অনাথে পাবলগীয়াখিনিতকৈও বেছি পইচা তেওঁৰ হাতত দিলে।

এই সময়ত আপোনাৰ টকাখিনি কামত লাগিব। গৰুজনীক এইকেইটা দিন আৰু সৰিয়হৰ খলিহৈ নিদিব। তেতিয়াহ'লে পাল নাখাবও পাৰে।

বিৰজা যেতিয়া ডোবাটোৰ পাৰেদি গৈ আছিল, তেতিয়া অনাথৰ মনত পৰিল— সেই মানুহটোৱেই কালি ৰাতি তেওঁৰ কাৰণেই সমবেদনাত চক্ চলচলীয়া কৰি কৈছিল— চাৰ্কাচৰ হাতী তিনিটাৰ টোপনি নাইকিয়া কৰি পেলাব।

বলাই আহি উমাক খুলি দিলে। ডিঙিৰ পৰা খোলা যেন পাই উমাই আপোন মনেৰে ইফালে-সিফালে ঘাঁহ খাবলৈ ধৰিলে। কিমান সহজে তাই ঠাইখন নিজৰ বুলি লৈছে! নহ'লে ঘাঁহত মুখ দিলেহেঁতেন জানো?

গা-পা ধুই, খোৱা-বোৱা কৰি শুবলৈ যোৱাৰ সময়তে শান্তাই ক'লে— আজি তিনি দিন ধৰি অফিচলৈ যোৱা নাই, খবৰ আছে?

আছে।

ছোৱালী দুজনীও স্কুললৈ যোৱা নাই।

ক'ব পাৰোঁ।

তোমাৰ বাৰু যি হৈছে হৈছে, এনেকৈ চলিলে সিহঁতৰ কি হ'ব? এবাৰ ভাবি চাইছানে?

ভাবিছোঁ।

কি?

তেনেকুৱাকৈ একো ভবা নাই। এই মুকলি আকাশৰ তলত একেলগে ইমানবোৰ জীৱ-জন্তু দেখিছে। ধুমুহা-বৰষুণ, ৰ'দ-জাৰনো কি ভালকৈ বুজি পাইছে। এইটোৱেই জানো সিহঁতৰ ডাঙৰ স্কুল নহয়, শান্তা? সিহঁতে সাঁতোৰে। পানী নালাগে। দুষ্টামি নাই। চকুপানী নোটোকে। এইবোৰেই আটাইতকৈ ডাঙৰ ট্ৰেইনিং নহয় জানো?

সিহঁত তোমাৰ মনোমত প্ৰকৃতি-জীয়ৰী হ'ব বুলি ভাবিছা নেকি?

এতিয়া একো ভবা নাই। সিহঁতে যাতে নিজৰ ভৰিৰ ওপৰত থিয় দি নিজৰ চিন্তা-ভাবনা কৰিব পাৰে, মই সিহঁতক সেইভাৱেই গঢ় দিব খোজোঁ।

তাৰ মানে তোমাৰ লগতে বহি ৰাতিৰ ৰাতিটো যাত্ৰা চাব। ৰাতিপুৱা ভাগ কৰি বান্ধি থোৱা কলহৰ তাড়ি খাব।

খাই জানো টুকুৰ গা-ধৰা নাই? কলিকতাত থাকোঁতে আদৰ-সাদৰ কৰি ডাঙৰ কৰিছিলা, চেহেৰা আছিল ক্ষীণ, কথাই কথাই লেন্‌ছেলাই কান্দে। সেইবোৰ বেমাৰ জানো টুকুৰ এতিয়া আছে? লিলি জানো এইবোৰ দেখি-শুনি বয়সৰ তুলনাত বেছি ৰিজনেব্‌ল হোৱা নাই? হয় নে নহয়?

ইমান কথা কোৱাৰ দৰকাৰ নাই। আজি অফিচলৈ যাবা নে নোযোৱা?

আজি দুৱাৰ মাৰি শুমহে। আবেলি গোহালি সাজিবলৈ কাম্‌লাকেইটা আহিলে কথা পাতিব লাগিব। মোক মাতি দিবাচোন।

মোক আৰু জোলে জুৰিছে। টোপনিৰ পৰা উঠিলে আজি ছোৱালী দুজনীক এসেকা দিম।

পিছত তুমিয়েই মনত দুখ পাবা, শান্তা। মই টুকুক খুব মাৰিছিলোঁ। মাৰি পস্তাইছোঁ— বৰ অন্যায় কৰিছোঁ। তাই বাঢ়ি অহা ছোৱালী। মই বাটত থিয় দিলোঁ

ইমানদিন কবন্ধ পাথৰৰ দৰে। মই আঁতৰি দিয়াৰ লগে লগেই চোৱা, তাই কেনেকৈ বাঢ়ি আহিছে!

সেইবোৰ মই নুবুজোঁ। আমাৰ মন ইমান কোমল নহয়। ইমান কথা নুবুজোঁও।

অনাথে আৰু একো নক'লে। অলপ পিছত টোপনিতে অনাথে দেখিবলৈ পালে— পৃথিৱীৰ গাত আগৰ পৰা গুৰিলৈকে মৌজা-মেপৰ লাইন। সেয়া দেখা গৈছে— মৌজা চন্দনেশ্বৰ। তাৰ পিছত মৌজা দ্বাৰিকপোতা। এয়া ঈশ্বৰীতলা মৌজা। এই আটাইবোৰ মৌজা জুৰি উমা থিয় দি আছে। সুঠাম দেহ। তাইৰ সতি-সন্তান ইফালে-সিফালে চৰি ফুৰিছে। সিহঁত বেচ্ তেজাল, নোদোকা।

আঁঠুত পৰা চুৰিয়া। ভৰিত জোতা। গাত হাফ চাৰ্ট। কাষলতি তলত অলপ কাগজপত্ৰৰ সৈতে এটা ছাতি। মানুহজনে ঈশ্বৰীতলা মৌজাত সোমোৱাৰ আগেয়ে অনুমতি বিচাৰিলে। —যাব পাৰোঁনে?

উমাই সুধিলে— আপুনি কোন?

মই ভগৱান।

উমাই ক'লে— ইয়েচ্।

তেতিয়া টোপনিতে উমাৰ গৌৰৱত অনাথৰ গাত ঘাম ওলাল। এই কোঠাটোৰ ফেনখনত ভাল বতাহ পোৱা নাযায়।

পাঁচ

অক্কুৰ বঙালৰ দোকানত পুৱাৰে পৰা ভিৰ। প্ৰতি মংগলবাৰে ঈশ্বৰীতলাৰ দোকানীসকলক লৈ দবিৰুদ্দী গাজীৰ লৰীখন কলিকতালৈ যায়। বৰবজাৰত মাল-বস্তু কিনি লৰিখন ঘূৰি আহে। মোনে পতি এটকা ভাড়া। মাখন বাবুৰ দোকানৰ তেল আহে। বনমালী কয়ালৰ হাৰ্ডৱাৰৰ দোকানৰ ৰং আহে। অক্কুৰৰ আহে— খলিহৈ, দাইল, লোণ, মছলা, কাপোৰ ধোৱা চাবোন, ধঁপাত, কেৰাচিন।

মদনহঁতৰ ঘৰত আজি ভোজ আছে। দুয়ো ভাই-ককাই মিলি গোটেই নিশা পুখুৰী সিঁচি নানা বিধৰ মাছ ধৰিছে। সিহঁতৰ ভনীয়েক ওষ্টক আজি মুৰোগাছাৰ পৰা মানুহ আহিব চাবলৈ। বৰ ককায়েক ভদ্ৰেশ্বৰৰ ঘৈণীয়েকে কৈছে— আঢ়ৈশ সৰিয়হৰ তেল আনিবা দেই। কিবাকিবি বহুত ৰন্ধা-বঢ়া আছে।

অক্কুৰে বজাৰতকৈ দহ পইচা কম দামত আঢ়ৈশ তেল দিলে। তাৰ সলনি এমুঠি লাচোন-ভাঙোন মাছ সিহঁতৰ পৰা খুজি নিলে। আঠ কি চাৰে আঠত ষ্টেচন বজাৰ বহে। লোকে লোকাৰণ্য। মিঠাইৰ দোকানত কাঠৰ ডাঙৰ থালত হেজাৰ-বিজাৰ মাখি।

ৰাচবাড়িৰ ফালে বাছ গৈছিল। তাৰ ছাদত কোমোৰাৰ দ'ম। যাত্ৰা বলিয়া জগেনে

জোতাৰ দোকান খুলি বহি আছে। বেছিভাগ মানুহেই গদা মাৰ্কা ৰবৰৰ চেণ্ডেল পিন্ধে। বজাৰত চাউলৰ পাল্লাত এতিয়া চাৰে সাত টকা।

লাউৰ লগত কেঁকোৰা মিহলাই জোল কৰিছে। কচুগুটি দি খেচাৰি দাইলৰ আঞ্জা। পুঠি মাছৰ জোল। আৰু গাখীৰৰ লগত ভাল গুড়। ভদ্ৰেশ্বৰ, মদন, বদন তিনিওজনৰ সৈতে দৰাৰ বৰ ককায়েকে খাবলৈ বহিছে। সিহঁত মুৰোগাছাৰ কাপালি। আই. আৰ. এইট-ৰ খেতি কৰা তিনি বিঘা ওখ মাটি আছে। লগতে পুখুৰীও। ল'ৰাটোৱে এইটলৈকে পঢ়ি ঘটকপুখুৰীৰ ডাঙৰ বাছ-ষ্টপত ভজা বস্তুৰ দোকান দিছে। লগতে মুড়িও বেচে। বয়সো হৈছে। অৱস্থাও ভালেই। ভদ্ৰেশ্বৰে নিজ চকুৰে দেখি আহিছে।

চাইকেল, আঙঠি আৰু ঘড়ী— ল'ৰাৰ বাবে এই তিনিপদ বস্তু দাবী কৰা হৈছে। ল'ৰাৰ নাম বংশী কাপালি। তাৰ ককায়েক হৰিদাস কাপালি। বৈষ্ণৱ পৰিয়াল। ফোঁট লৈ ছোৱালী চাবলৈ আহিছে। আদিতে বাকাবিষ্টুপুৰৰ মানুহ আছিল। কলিকতা বা ৰাচবাড়িলৈ অহা-যোৱা কৰিব লাগিলে সিহঁত ঈশ্বৰীতলা হৈয়ে যাব লাগে।

মদন-বদনহঁতৰ ভনীয়েকজনীয়ে পুৱাৰে পৰা বৰ নবৌৱেকৰ লগত ইটো-সিটো কৰি ফুৰিছে। বিদ্যাধৰীৰ সোঁত কমি গৈছে যদিও, ঈশ্বৰীতলা পাৰ হৈ ট্ৰেইন লাইনৰ কাষত নৈৰ ডুবি এটা পৰিছে। চ'ত মাহৰ টিকা ফটা ৰ'দতো তাৰ পানী চেঁচা হৈ থাকে। নিচেই পুৱাতে ওষ্টই তাত গা ধুই আহিছে। খোপা বান্ধিছে। তাৰ পিছত বৰ নবৌৱেকৰ লগত ৰন্ধা-বঢ়াত লাগিছে।

হৰিদাসক ডাঙৰ ৰাস্তালৈকে আগ বঢ়াই দি ভদ্ৰেশ্বৰ ঘূৰি আহিল। আজি চুলি-দাড়ি খুৰোৱাৰ কথা নাই। দুপৰীয়া আনদিনৰ তুলনাত খোৱা-বোৱা বেছি হোৱাত ঘৰৰ আটাইবোৰ মানুহে কোনোকালে নকৰা কাম কৰিলে। দিনতে প্ৰায় আটাইবোৰেই বাগৰ দিলে। কেৱল ভদ্ৰেশ্বৰৰ বিধৱা মাকে বৰশী লৈ ঘৰৰ পাছফালে থকা বাঁহনিখনৰ কাষৰ ডোবাটোত বহি থাকিল। আজিকালি মাছ নোখোৱাকৈ বুঢ়ী থাকিব নোৱাৰে। সকলোতে অৰুচি।

আবেলি চোতালত তিনি ভাই-ককাইৰ আলোচনা সভা বহিল। বাপেকৰ দিনৰে ঘৰৰ তালপাতৰ ছাৱনি গেলি-পচি গৈছে। টান ৰ'দত সেইবোৰ এতিয়া খৰখৰীয়া। কেনেবাকৈ জুই লাগিলে ছাই হৈ যাব। গোহালি থাকিলেও গৰু নাই। এটা সুবিধা— ভদ্ৰেশ্বৰৰ ঘৈণীয়েক আঠকুৰীয়া। সেইকাৰণে এইখন গৃহস্থালিত গাখীৰ লৈ কোনেও চিন্তা নকৰে।

তিনিও ভাই-ককায়েকে চিন্তা কৰিও ঠিক কৰিব নোৱাৰিলে— ক'ৰ পৰা চাইকেল, ঘড়ী, আঙঠি পোৱা যাব। এবাৰ, যজমানীৰ মাটিটুকুৰা বেচি দি টকা উলিয়াব পাৰি নেকি তাৰ কথা ওলাল। কিন্তু গোটেই বছৰ ধৰি চুলি-দাড়ি খুৰোৱাৰ বিনিময়ত সিহঁতে সেই মাটি বাপেকৰ দিনৰে পৰা ভোগ কৰি আহিছে। এই মাটি বিক্ৰী কৰিব নোৱাৰি।

বদনে এখন চাইকেলৰ খবৰ দিলেহি। ৰাচবাড়িৰ আদালত-এলেকাৰপৰা চুৰ কৰি

অনা। নিশাপতিহঁতৰ চাইকেলৰ দোকানত আছে বুলিও সি জানে। সেইখনকে ইটো-সিটো লগাই ৰং কৰি ল'লেই হৈ যাব। দামো হ'ব কম। কিন্তু ঘড়ী আৰু আঙঠি ক'ত পোৱা যাব? পুখুৰীত যদি এটা ডাঙৰ ৰৌ বা চিতল ধৰিব পৰা গ'লহেঁতেন, তেতিয়া সকলো চিন্তা দূৰ হলহেঁতেন!

সন্ধিয়া তিনিও ভাই-ককাই তিনিফালে গুচি গ'ল।

গাল, মূৰ, কাষলতিতল খুৰোৱা কামৰ বাহিৰেও ভদ্ৰেশ্বৰৰ সুকীয়া এটা কাৰবাৰ আছে। সি চাৰিওফালৰ খবৰ কিছুমান ৰাখিব লাগে। ঈশ্বৰীতলাৰ কোনটো পুখুৰীত মাছ কিমান ডাঙৰ হ'ল, কাৰ কোমোৰা ডাঙৰ হৈছে, কাৰ ঘৰৰ বোৱাৰীয়ে অসাৱধান হৈ ঘাটত কাঁহী-বাটি থৈ আনিবলৈ পাহৰি যায়, কাৰ দোকানত এতিয়া ধান জুখি-মাখি থোৱা হৈছে— এইবোৰ তাৰ বাবে দামী খবৰ। ঠিক ঠাইত দিলে কাম শেষ হোৱাৰ পিছত সি তাৰ ভাগ পায়। এইটো উপৰুৱা আয়। আগেয়ে সি ডকাইতিৰ সূত্ৰৰো সন্ধান দিছিল। এবাৰ সন্তোষ টাকিৰ লগত গৈছিলও। বেচেৰা এতিয়াও জেলত পচি আছে।

উমাই কাৰো ছাঁটোকে নসহে। এতিয়াও ডেৰ কেজিমান গাখীৰ দিয়ে। গাভিনী হোৱাৰ পিছত কোনো গৰু সাধাৰণতে ইমান সদয় নহয়। কানায়ে মাকৰ লগতে আবেলি পথাৰৰ ঘাঁহ ছিঙি ছিঙি খাইছে। অফিচৰ কামত অনাথ শালিমাৰ ইয়ার্ডলৈ গৈছিল। নিচেই পুৱাতে। ঘূৰিল আবেলি। শান্তাই তেওঁৰ গিৰিয়েকৰ স্বভাৱটো অতদিনে বুজি পাইছে।

উভতি আহোঁতে যিমানেই দেৰি নহওক, কলহৰ তাড়িকণ তেওঁ খাবই। দুখন-এখন ৰেকৰ্ড শুনিব। আজিকালি বৰে খানৰ ঠুংৰি-দাদৰা তালৰ গান বাৰে বাৰে শুনে। আজিও শুনিছে। ডেৰ বাজিলেই শান্তাই খাই-বৈ ভাত-ঘুমটি মাৰে। এনেকুৱা সময়তে অনাথ ওলালহি। টুকু আৰু লিলি স্কুলত। বলায়ে লেগহৰ্ণবোৰৰ থকা ঠাইখিনি চাফা কৰিছিল। বাঘা সমুখৰ বাৰান্দাখনত একেবাৰে ছবিৰ কুকুৰটোৰ দৰে বহি আছে। অনাথে কাপোৰ-কানি সলাই তাড়িৰ কলহটো লৈ বহিল। চাৰিওফালে মুকলি। চৰাই উৰি ফুৰিছে। বাৰে খান মৰিল। তেওঁৰ গহীন-গম্ভীৰ গলা এতিয়া ডোবাটো পাৰ হৈ ৰতন ঘোষৰ ইটাখোলাৰ গাঁতবোৰত সুন্দৰকৈ সোমাই পৰিছে। বৰ ভাল লাগিছিল অনাথৰ। ছয় গিলাচ খোৱাৰ পিছত তেওঁৰ থুঁতৰিৰ বাঁওফালে এটুকুৰা ঠাই কোঁচ খাই কটা মাছৰ কলিজাৰ দৰে ধপ্‌ধপালে। তাড়ি খোৱাৰ আৰাম এইকণেই।

শান্তাই ক'লে— যোৱা, গা ধুই আহা। সৰু মাছৰ জোল কৰিছোঁ। উমাৰ গাখীৰৰ পৰমান।

পৰমান ছোৱালীহঁতক দিবা। কি মাছ?

মদন-বদনে দি গৈছেহি। শিঙৰা-পুঠি— সানমিহলিকৈ দিছে। জলা-আঞ্জা কৰিছোঁ।

তাড়িৰ নিয়মেই সেইটো। কেতিয়াও এসোপা খাব নালাগে। গাটো গধুৰ যেন লাগিলেই পুখুৰীত নামিব লাগে। গা ধুই মূৰ আঁচুৰি সৰু মাছৰ জোলেৰে দুটামান ভাত

খোৱা দৰকাৰ। তাৰ পিছত দুৱাৰ জপাই অলপ সময় টোপনি। আবেলি. পাতল পাতল লাগে।

গান শুনি থাকোঁতেই অনাথে বাৰান্দাখনৰ পৰা কোঠা এটাৰ চকী এখনৰ তলত পুৰণি ট্ৰাংকটো দেখা পালে। কোনো কথাই পৰিপাটী নহয় অনাথৰ। ইন্সিঅ'ৰেন্স, প্ৰভিডেন্ট ফাণ্ডৰ কাগজ-পত্ৰ ক'ত আছে কোনে জানে।

ট্ৰাংকটো চাই থাকোঁতেই এখন সৰু চিঠি পালে অনাথে।

বাবু,

উমাই আজি কেইবাবাৰো ডাক দিছে। তুমি পাল খাবৰ বাবে লৈ যোৱা।

ইতি

বাবুলৈ— লিলি।

সচাঁ ঘটনা।

ঈশ্বৰীতলা।

লিলিয়ে তেনেহ'লে কথাটো শুনিছিল। নুবুজাকৈয়ে লিখিছে। সম্ভৱতঃ শোৱাৰ আগে আগে লিখা। লিখি মূৰ-শিতানত থৈ শুলে। শান্তাই পাই থৈ দিছে। তাৰ পিছত কেনেবাকৈ পুৰণি কাগজপত্ৰৰ এই ট্ৰাংকত সোমালহি। ফটা কাগজত পেঞ্চিলেৰে লিখা।

কাগজ-পত্ৰ চাওঁতে চাওঁতে আৰু এখন চিঠি পোৱা গ'ল। বহুত দিনৰ আগৰ। কাপোৰৰ টোপোলাত বন্ধা আছিল। টোপোলা খুলিলত বহুত চিঠি ওলাই পৰিল। সেইবোৰ চাবলৈ এৰি অনাথ পুখুৰীত নামিলগৈ।

টোপনিৰ পৰা উঠি নতুন এখন পকাবন্ধা বহী লৈ অনাথ বহিল। অফিচৰ বহী। কিবা এটা টুকি থ'বৰ বাবে ঘৰলৈ আনিছিল। টোকা আৰু নহ'লগৈ। বহীটো তেতিয়াৰে পৰা ঘৰতে পৰি আছে।

সমুখৰ পথাৰখনত কানাইক লৈ ঘাঁহ খাই খাই উমা বহুত দূৰ আগুৱাই গ'ল। অনাথহঁতৰ ঘৰটোৰ ছাঁ দীঘলীয়াকৈ পৰি পথাৰ পায়গৈ। ট্ৰাংকটো চাওঁতে আজি বহুত পুৰণি চিঠি পাইছে অনাথে। কোনোবাখন পোষ্টকাৰ্ড। কোনোবাখন লেফাফা।

এখন চিঠি কলেজীয়া দিনবোৰৰ ক্লাচ-ফ্ৰেণ্ড ভাৰতীয়ে লিখা। সুদূৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ পৰা লিখিছিল। ভাৰতীৰ শেষ কথা আছিল ঃ কলেজৰ দিনবোৰ সপোনৰ দৰেই ক্ষন্তেকতে পাৰ হৈ গ'ল। সেই চৌধ নম্বৰ কোঠাত টিউটৰিয়েল। দিলীপৰ খোনাই খোনাই কোৱা কথাবোৰ (সেই দিলীপক বিয়া কৰিয়েই ভাৰতী আমেৰিকাত)। ৱেষ্টাৰ্ণ ক্লাচিক্সৰ বিষয়ে ড° দত্তই দিয়া নোট্‌চবোৰ আছিল অমোঘ। সেইবোৰ দিন আৰু ঘূৰি নাহে। ইয়াৰ কেন্টিন, ইয়াৰ নিৰ্জনতা, ইয়াৰ সৌন্দৰ্য্যৰ তুলনা নাই। কিন্তু আমি আটাইবোৰ মিলি আৰু কাহানিও শ্ৰীহৰিৰ দোকানত মাটিৰ পিয়লাত চাহ, লগত অমৃত খাবলৈ নাপাওঁ।

ভাৰতীৰ শেষ কথা— য'তেই থাকা, সুখে-সন্তোষেৰে থাকা।

আৰু এখন চিঠি লিখিছিল বীৰেনে। ইন্‌লেণ্ড লেটাৰত। অভিমানেৰে ভৰপূৰ চিঠি। — তই এতিয়া বহুত ডাঙৰ হ'লি। আমাৰ কথা জানো মনত আছে? মই জীৱনত একো কৰিব নোৱাৰিলোঁ। তই যদি অলপ সহায় কৰিলিহেঁতেন!

ঘৰটোৰ ছাঁ যেনি পৰি আছে, অনাথে সেইমুৱা হৈ চকু জপাই দিলে। বীৰেনক কোনোৱে সহায় কৰিব নোৱাৰে। সি যি হ'বলৈ বিচাৰে, সেই অনুপাতে সি পৰিশ্ৰম কাহানিও কৰা নাই। সি হ'ল অভিমানৰ এটা গোটা কণী! ইমান দিনৰ মূৰত চিঠিখন দেখি বীৰেনৰ কথা মনত পৰাৰ লগে লগে সেই সময়টোও চকুৰ আগত ভাঁহি উঠিল।

তেতিয়া অনাথে ভাবিবই পৰা নাছিল— এদিন ল'ৰা-ছোৱালী লৈ ঈশ্বৰীতলা নামেৰে এখন ঠাইত আহি দিন কটাব লাগিব। তেতিয়া তেওঁ আছিল ছাত্ৰ আন্দোলনৰ নেতা। পোষ্টাৰ লিখা, বক্স কলেকচন, মিছিলৰ শ্লোগান দিওঁতা। এতিয়া তেওঁ বছৰটোলৈ আলু কিনি আনি তক্তাপোছৰ তলত বালি দি থৈ দিয়ে। এতিয়া তেওঁ এনে এটা বয়স পাইছেহি-- য'ৰ পৰা পিছলৈ চাব পাৰি। আকৌ আগলৈকো চাব পাৰি। এতিয়া ধাৰণা হয়— জীৱনত কি কৰিলোঁ? ঘৈণী? ইন্সিঅ'ৰেঞ্চ? ঘৰ? গৰু? মোৰ জানো আন কৰিবলগীয়া নাছিল? এতিয়া অনাথে নিকট অতীতকো স্নেহৰ চকুৰে চাই বাতিল কৰিবলৈ শিকিছে।

বহীখন মেলি তেওঁ লিখিবলৈ ধৰিলে। লিখিবলৈ গৈ দেখিলে— তেওঁৰ জীৱনৰ প্ৰথম ঊনচল্লিশটা পৃষ্ঠাৰ বান্ধ বৰ ঢিলা। সকলো সোলোক-ঢোলোক হৈ পৰিছে। পৃষ্ঠাবোৰ সাৱধানে লৰাব-চৰাব লাগিব, নহ'লে ছিগি যাব পাৰে। ইমান দিনৰ পিছত সময় পাই তেওঁ ডায়েৰীত 'জীৱনৰ মানে' লিখিবলৈ লৈছে।

এতিয়া অনাথে জীৱনটো লিখি থ'ব খুজিছে। ধাতু-- পৃথিৱীৰ শৰীৰ। পেট্ৰ'ল— অন্তৰ্হিত হোৱা প্ৰাগৈতিহাসিক প্ৰাণীৰ শৰীৰৰ চৰ্বি। কয়লা— আচলতে সুপ্ৰাচীন বৃক্ষ।

— চনত মোৰ জন্ম। ঠিক এই চ'ত মাহতে। বৌটিৰ মুখত শুনিছোঁ— মফচলৰ ধায়ে আঢ়ৈ টকা ফিজ লৈছিল। সেইজনী ধাইৰ নাম আছিল ফ্যাকাশী। ডাঙৰ হৈ দেখিছোঁ— সেই ফ্যাকাশীয়ে সম্প্ৰতি দিবলৈ আৰম্ভ কৰা ৰেচন আনিবলৈ যোৱাৰ সময়ত চুবুৰীটোক শুনাই কৈ যায়— ৰেচন আনিবলৈ যাওঁ।

ফ্যাকাশীৰ ককায়েকহঁতৰ নাম আছিল— কালা আৰু ফোতো। কালা আৰু ফোতো দুই ককাই-ভায়ে একেলগে এখন ঘোঁৰাৰ গাড়ী চলাইছিল। সিহঁতৰ মাক ৰুক্মিণী দাস গাভৰু কালত স্থানীয় জমিদাৰ শশী বিশ্বাসৰ ৰক্ষিতা আছিল। শশী ভালেদিনৰ আগতে ঢুকাল। তেওঁৰ ল'ৰা মতি বি. এ. পাছ। নাকৰ তলত আশুতোষ গোঁফ। তেওঁৰ একমাত্ৰ জীয়েক সাধনাই ফ্ৰক পিন্ধি মোৰ লগত লৰা-ঢপৰা খেলিছিল। ফোতোৰ লগত গৈ থকা ঘোঁৰা-গাড়ীখনত বহি মই বহুতবাৰ তাইক কোৱা শুনিছোঁ— মতি আচলতে মোৰ সৰু

ভাই। মতিয়ে কাহানিও ফোতোক বা কালাক মাতি কথাটো সোধা নাই। অথচ সিহঁত দুয়োটাই চহিচৰ বাকচত বহি নিতৌ ভাইটি ভাইটি বুলি মাতে। সেইফালে কালা কিছুদিনৰ বাবে সৰু ভায়েকৰ বেলাৰ ঘোঁৰাই টনা গাড়ীৰ চহিচ হৈছিল।

লিখি লিখিয়েই অনাথে পথাৰৰ ফালে চালে। কিমান দিনৰ কথা। এতিয়া বেলি লহিযাইছে। নিতৌ যাত্ৰীসকল কমি অহা পোহৰকণতে ট্ৰেইনখনৰ পৰা নামি আহে। পাঁচ বাজি কুৰি মিনিটৰ ডাউন ট্ৰেইনে হুইচেল দিলে। ঈশ্বৰীতলাৰ ধনী নাগৰিকসকল এতিয়া ঘৰলৈ ঘূৰিব।

হিটলাৰৰ হাতৰ পৰা টিউনিচিয়া ঘূৰাই পাই ইংৰাজ চৰকাৰে আমাৰ স্কুলত ফ্ৰি-কৈ মিঠাই খুৱাইছিল। আমি লাইন দি সেইবোৰ খাইছিলোঁ। পিছদিনা বাণী চিনেমাত বিনা-পইচাই 'ৰাঙাবউ' ছবিখন দেখুৱাইছিল। মোৰ নুমলীয়া ভাই শ্ৰীনাথক কোলাত লৈ দুয়ো ছবিখন চাইছিলোঁ। আমাৰ দেউতাই চেনিৰ লাড়ু, ক্ষীৰৰ গজা আৰু বৌটিৰ কাৰণে আল্‌তা আনিছিল।

লিখি যাওঁতে অনাথে বুজিলে— স্মৃতি পাতবাহাৰ গছৰ পাতৰ দৰে। তাত ৰাস্তাৰ ধূলি পৰি থাকে। জোকাৰি দিলেহে তাৰ আচল ৰং ওলায়। তেওঁ এতিয়া ইয়াত জীৱনটো এনেকৈ সজাই তুলিছে— চাৰিওফালে শিপাবোৰ এনেকৈ দলে গৈছে যে তেওঁ এতিয়া আৰু এই টান মাটিৰ পৰা তেওঁৰ নিজৰ গছডাল উভলাটো অসম্ভৱ।

ডোবাৰ পাৰটোৱেদি দুজন অচিনাকি মানুহ এইফালেই নামি আহিছে। এজনৰ টপা মূৰত চাদৰৰ পাগুৰি। বয়স ধৰিব নোৱাৰি। ইজনৰ ত্ৰিশেই হোৱা নাই। গোঁফ গালৰ দুই পাশে ওলমি পৰিছে।

অনাথৰ পিনে চায়ে তেওঁবিলাক দুজন বাৰান্দাত বহিলহি। — বদন প্ৰামাণিকে খবৰ পঠিয়াইছে, বাবু। আপোনাৰ দমৰাটোক হেনো বলদ কৰিব খুজিছে? আমি আঢ়ৈ টকা লওঁ।

কোনে খবৰ দিলে?

বদন প্ৰামাণিকে।

অ'। আমাৰ বদন। — অনাথে পথাৰৰ ফালে চালে। কানায়ে ঘাঁহ খাই খাই মুখ তুলি তেওঁৰ ফালে চাইছে। কানাইক কিনিবলৈ মানুহ ঘূৰি ফুৰিছে। দামো উঠিছে। এতিয়াই এই সময়তে যদি বলদ কৰা হয়, তেন্তে বয়সত ভালকৈ হাল টানিব পাৰিব। অনাথৰ ভাল হ'ক বুলিয়েই বদনে তেওঁবিলাকক পঠিয়াই দিছে।

অলপ দিন য'ক।

এতিয়াই বলদ নকৰিলে এই দমৰাটোক আপোনাৰ বলদ কৰাটো কষ্টকৰ হ'ব।

কেনেকৈ কৰিবা?

এই কটাৰীখনেৰে।

হাতত লৈ চালে অনাথে। বাঁহৰ চোঁচেৰে কৰা। ক'তো আঁহ নাই। তেনেই নিমজ।

দমৰাটোৱে কষ্ট পাব।

পাব হয়, বাবু। লগে লগে ঔষধ দি বান্ধ দিম। সাদিনতে শুকাই যাব।

তোমাৰ নাম কি?

মই ইমদাদ হুছেইন। তেওঁৰ নাম বালক দত্ত। আমি গাঁৱে গাঁৱে ঘূৰি এই কামটোকে কৰি ফুৰোঁ। আপোনাৰ দৰকাৰ হ'লে খবৰ দিব।

ক'ত শিকিলা এই কামটো?

এইটো আমাৰ বোপা-ককাৰ দিনৰে ব্যৱসায়। উপজিয়েই শিকিছোঁ।

আয় কেনেকুৱা হয়?

বাৰিষাৰ আগে আগে বহুত কাম পাওঁ। কিন্তু জাৰকালি কমি যায়। যাওঁ বাবু।

তেওঁবিলাক ডোবাটোৰ পাৰে পাৰে গৈ আছিল। কানায়ে চিঞৰিলে— হাম্বা-আ-আ—

অনাথে শুনিলে— আজি বৰ কষ্ট পালোহেঁতেন।

চাৰিওফালে চাই অনাথে উত্তৰ দিলে— হাম্বা-আ—

কানায়ে শুনিলে— মই থাকোঁতে তোৰ একো ভয় নাই।

এই সময়তে ডোবাৰ পাৰত ছবি এখনৰ দৰে ৰিক্সা-চাইকেল জিলিকি উঠিল। টুকু আৰু লিলিয়ে হাতত কিতাপ-পত্ৰ লৈ হাঁহি হাঁহি আহি আছে। ৰিক্সাত আহিলি কিয়?

ওচৰ পোৱাৰ লগে লগে অনাথে ক'লে— ৰিক্সাত আহিলি। ভাড়া দিব কোনে এতিয়া?

তুমিয়েই দিয়া। ভৰি বিষাইছিল। আইক নক'বা।

অলপ সময়ৰ ভিতৰতে ঘৰখনত উখল-মাখল লাগিল। টুকুৱে পুখুৰীপাৰলৈ গৈ অৰুণ-বৰুণৰ ঠেঙত টাকুৰীৰ সূতা বান্ধি টনাটনি কৰিবলৈ ধৰিলে। ৰাজহাঁহ দুটাই ইচ্ছানুযায়ী ওপঙি ফুৰিব নোৱৰাত পানীত তিতা হাঁহৰ দৰে চিঞৰিবলৈ ধৰিলে। মাতটো সজীৱ। হাঁহ দুটাৰ বয়সেই বা কিমান? টুকুৰ বহুত দিনৰ হেপাহ— ৰাজহাঁহৰ কণীৰ অমলেট খাব। কিন্তু অৰুণ-বৰুণহঁতৰ গড়ালত কাহানিও কণী বিচাৰি পোৱা নাই।

ডাঙৰ শোৱনি-কোঠাটোৰ পিছতেই সিহঁতৰ গৃহস্থালি। বাঁহেৰে সজা গড়ালত থাকে অৰুণ-বৰুণ। তাৰ পিছতে কয়লা থোৱা চালি। তাৰ পিছতে টাইলৰ চালিত থাকে বাঘা। তাৰ কাষৰ চালিত আঠটা পাতিহাঁহ। শামুক খাই খাই সিহঁতৰ কণীৰ চাইজ বেচ্ ডাঙৰ। তাৰ পিছত নাতি-পুতি লৈ শুক্লা থাকে। ইয়াত ষোল হাতৰ আঁতৰে আঁতৰে তিনিজোপা নাৰিকল গছ। ডাবৰ ফুলেৰে ঠাইখন উপচি থাকে। তাতেই উমা-কানাইৰ পকা ঘৰ। একেবাৰে শেষত থাকে লেগহৰ্ণৰ জাকটো। জোনাকত নিজান ৰাতি এইফালে সিহঁতৰ মাতৰ ঐকতান বাজে। তেতিয়া কোম্পানী বান্ধটোৰ ওপৰেদি বতাহ বৈ যায়। বিছনাত শুই শুয়েই অনাথে সকলো শুনিবলৈ পায়! তেওঁ বৰ বেয়াকৈ লাগি ধৰিলহি ঈশ্বৰীতলাত।

সন্ধ্যাৰ আগে আগে আকাশৰ পৰা এটা হেঙুলীয়া পোহৰ ওলাই গোটেই ঈশ্বৰীতলা বিয়পি পৰিল। শান্তাই ঘৰৰ ভিতৰতে বহি এই সময়তে নিশ্চিয় দাঁতেৰে ফিটা কামুৰি বেণী গুথিছে। গোটেই আবেলিটো শান্তাই দাঁতেৰে কামুৰি থকা ফিটাডালৰ দৰেই ক'লা হৈ পৰিছিল।

আজিৰ পৰা প্ৰায় কুৰি বছৰৰ আগতে জাৰকালি দুপৰীয়া এদিন টলষ্টয়ৰ ৰেজাৰেকচন পঢ়িছিলোঁ। অশোক গুহৰ বঙালী অনুবাদ। বৰ্ধমান টাউন লাইব্ৰেৰীৰ বন্ধাই থোৱা কিতাপ। প্ৰতিটো লাইনৰ শেষৰ আখৰটো বন্ধাওঁতে কাটিং মেচিনে বাৰে বাৰে কাটি পেলাইছে। সেইবাবে অনুমানতে আখৰটো পূৰাই পঢ়িবলগীয়া হৈছিল। দুই-তলাৰ ঘৰ। সমুখত বাৰান্দা। ডিচেম্বৰৰ আবেলি তিনি বাজিছে। সমুখৰ জি. টি. ৰোডেদি মুহূৰ্তে মুহূৰ্তে লৰীবোৰ অহা-যোৱা কৰি আছিল। অলপ দূৰত ধান-দোৱাৰ পাছত টকলা হৈ পৰা পথাৰবোৰৰ মাজেদি ৰেল লাইন গৈছে। কিতাপৰ পৰা মূৰ তুলি দেখিলোঁ এটা কয়লাৰ ইঞ্জিন ফোঁপাই-জোপাই সেই পথাৰৰ মাজেদি সাঁতুৰি গৈছে। তাৰ নেজত এলানি বগি। খিৰিকিবোৰৰ কাষত মানুহ বহিছে। মোৰ চকুৰ পানী ওলাল। কিয়? সেইটো নাজানো।

জগেনে বেংকৰ পৰা টকা ধাৰ কৰি জোতাৰ ব্যৱসায় ডাঙৰ কৰিব খুজিছিল। ব্যৱসায় ডাঙৰ নহ'ল। সুদ বাঢ়ি গৈ আছে, কাৰণ মূলৰ কিস্তিকে শোধাবলৈ বাকী আছে। বাকী থকাই স্বাভাৱিক। পঞ্চানন অপেৰা পাৰ্টিৰ নতুন নতুন কষ্টিউম্ আহিছে। জোতাৰ দোকানৰ ভিতৰত এখন চাইনব'ৰ্ড আঁৰিবলগীয়া হৈছে জগেনে। তাত লিখা আছে-- হাইপ'থিকেটেড্ টু .....। তাৰ তলতে বেংকৰ নাম লিখা-- ঈশ্বৰীতলা ব্ৰাঞ্চ। এই চাইনব'ৰ্ড আঁৰিবই লাগিব। বেংকৰ সেয়ে নিয়ম। জগেনে কৰিছে কি-- সি সেই চাইনব'ৰ্ডখন একেবাৰে চিলিঙৰ কাষত নি আঁৰি দিছে। তাৰ ফলত গ্ৰাহকৰ চকুতেই নপৰে। জগেনেও আজিকালি বেংকৰ ধাৰৰ কথা একেবাৰে পাহৰি গৈছে।

সি লাগি আছে অপেৰা পাৰ্টিত। এতিয়া জগেনে বাতৰি কাকতত অপেৰা শ্ব' চলি থকাৰ জাননী দেখিলেই গোটেই নিশা এক্‌টিং চাই আহেগৈ। চাই আহিয়েই নিজৰ নাটৰ ভাব-ভংগী শুধৰাই ঘঁহি-পিহি লয়।

আজি সন্ধিয়া ঈশ্বৰীতলাৰ মিস্ত্ৰিহঁতৰ পথাৰখনত জগেনৰ নাট মেলিছে। তহচিলদাৰৰ ঘৰৰ পাছফালে ছোঁ-ঘৰ। পেইন্টৰ অভাৱ, অসংখ্য উইগ, তৰোৱাল বাৰখন আৰু সোণালী সূতাৰ সাজ। এইবোৰ লৈয়ে জগেনে মঞ্চত হিষ্টৰিকেল মিলিটেৰী নাট মঞ্চস্থ কৰিছে। টিকট ত্ৰিশ পইচা। তাতো লটাৰী। লাকি নম্বৰ যদি পায়, ফাৰ্ষ্ট প্ৰাইজ এটা পেট্ৰ'মাক্স। দুহেজাৰমান মানুহে টিকট লৈছে। ভাড়া কৰা তিনিজনীয়া মিউজিক বেণ্ডপাৰ্টিয়ে সন্ধ্যা লাগোঁতেই বজাবলৈ আৰম্ভ কৰিছে। এতিয়া ডায়েলগৰ মাজত সিহঁতে অলপ ৰেষ্ট লৈছে।

ছোঁ-ঘৰৰ কাঠৰ চকীখনত বহি ৰাণী বিদ্যাময়ীৰ মেক-আপ কৰিছিল জগেনে।

পঞ্চানন অপেৰাৰ এতিয়াও ইমান টকা হোৱা নাই যে ফিমেল ৰ'লৰ বাবে অভিনেত্ৰীক মাননি যাচি আনিব পাৰে। ৰাণীৰ বেশত সি যেতিয়া ষ্টেজত উঠিল, ঠিক তেতিয়াই পৰ্দাৰ আঁৰ লৈ বগুৱা বাই যিটো মানুহ এইমাত্ৰ জুমৰ ভিতৰত সোমাই বহিল তাক ইয়াত আটায়ে চিনি পায়। ভয় কৰে। চকুৰ আঁৰ হ'লে গালি পাৰে। গালখন দাড়িয়ে-গোঁফে ভোবোকাৰ হৈ থকাৰ বাবেই কোনোৱে চিনিব নোৱাৰিলে তাক।

জেলৰ পৰা সন্তোষ টাকিয়ে আজি খালাচ পাইছে। কলিকতাত ফুৰি-চাকি ট্ৰেইনত ঈশ্বৰীতলালৈ ঘূৰোঁতেই সন্ধ্যাৰ সময়খিনি পাৰ হ'ল। ষ্টেচন বজাৰ প্ৰায় শূন্য। কাৰণটোনো কি উলিয়াবলৈ যাওঁতে দেখে— পঞ্চানন অপেৰাৰ যাত্ৰা। টিকট কাটিব কোনে? সন্তোষ টাকি ভিতৰ সোমাই একান্তমনে যাত্ৰা চাবলৈ লাগিল। কোনে ৰাণীৰ ভাও দিছেহেঁ! পেনপেনাই পেনপেনাই কান্দোতে-কান্দোতে কাণৰ মলি সৰুৱাই দিয়াৰ উপক্ৰম হৈছে। এনেকুৱা সময়তে কঁকালত তৰোৱাল লৈ ষণ্ডামৰ্ক ধৰণৰ মানুহ এজন সোমাল। তাৰ অট্টহাস্য শেষ হোৱাৰ লগে লগেই ক্লেৰিঅ'নেট বাজি উঠিল। চামিয়ানাৰ তলত সকলোৱেই একান্তমনে শুনিছে। অকুৰ বঙাল একেবাৰে সমুখত। মাহী-পেহীসকলৰ কোলাৰ কেঁচুৱা ইয়াৰ ভিতৰতে শুই লালকাল দিছে।

ঠিক সেই মুহূৰ্ততে ষণ্ডামৰ্ক ধৰণৰ মানুহটোৱে তৰোৱাল তুলি ল'লে। আৰু ক'ৰবাৰ পৰা এটা ডাঙৰ কুকুৰে ভৌ ভৌ কৰি একেবাৰে ষ্টেজ পালেহি। চাৰিওফালে পোহৰ। বাজনা। ঈশ্বৰীতলাৰ আটাইবোৰ ঘৰৰ পৰা দলেবলে অহা মানুহৰ মূৰ! ক'লা, বগা, আধাপকা। বাঘাই থত্‌মত্‌ খালে। সি একে কমোৰেই অৰ্বুদ সিংহৰ চোলাৰ তলছোৱা ছিঙি মুখত লওঁতে মানুহটোৱে কান্দি কান্দি উচুপিবলৈ ধৰিলে। — মোক বচোৱা—

আটায়ে মন দি যাত্ৰা চাই আছিল— কুকুৰটো যে যাত্ৰাৰ বাহিৰৰ বস্তু সেই কথা কোনোৱে আটকাল কৰিব পৰা নাই। যেতিয়া গম পালে ৰাণী বিদ্যাময়ীয়ে নিজৰ পাৰ্ট পাহৰি বহি আছে, তেতিয়া হৈ-চৈ কাণ্ড।

সন্তোষ টাকিয়ে আনন্দতে থিয় হৈ হাত-চাপৰি বজালে। তেতিয়া তাক কোনোৱে চিনি পোৱা নাই। কাষতে ভদ্ৰেশ্বৰ আছিল। সি মানুহৰ জুমৰ মাজেদি সাৱধানে আগবাঢ়ি গ'ল। — সন্তোষ ককাইদেউ? কেতিয়া আহিলা? বাহিৰলৈ ব'লা।

যাত্ৰাৰ বাহিৰৰ বাকী ঠাইখিনি এন্ধাৰ।

লাষ্ট ট্ৰেইনখন পাৰ হৈ গ'ল ৰাতি বাৰ বাজি পোন্ধৰত। তাৰ অলপ পিছতে দুজন মানুহ ষ্টেচন বজাৰত থকা জগেনৰ জোতাৰ দোকানৰ পাছফালে গৈ থিয় হ'ল।

টোপনিতে শান্তাই প্ৰথমতে শুনিলে। গমো পালে। এবাৰ উঠি চাব নেকি? হাঁহৰ গড়ালত দেখোন শব্দ হৈছে।

অনাথৰ টোপনি ভাঙিবলৈ টান পালে। বলাইক মাতিলে। সি এতিয়া টোপনিত কোনোবা সপোনপুৰীত আছে। যিমানেই মাতা সি সাৰ নাপায়। গোহালিৰ গোবৰ পেলোৱা।

হাঁহ, কুকুৰা, ছাগলীৰ গড়াল চাফা কৰা। বাঘাক গা ধুওৱা, তাৰ পিছত গৰু বন্ধা। গৰু ৰখা। গাখীৰ খীৰোৱা মানুহটোৰ কাষত বাল্টি লৈ বহা। পোন্ধৰ-যোল বছৰৰ সতেজ শৰীৰটো লৈ নিতৌ পুৱা শোৱাৰ পৰা উঠি আহে বলাই। ইমান কাম কৰাৰ পিছত যেতিয়া শুবলৈ যায়, তেতিয়া দেহত আৰু একো নাথাকে। পাটীত পৰিলেই টোপনিয়ে হেঁচা মাৰি ধৰে।

পাতিহাঁহৰ গড়ালৰ পৰা কিবাকিবি শব্দ আহিছিল। ইমান ৰাতি ওলাই যোৱাটো ভাল নহ'ব বুলিয়েই শান্তাই ঠিক কৰিলে। তাৰ পিছত কোনোবা এটা সময়ত তেওঁৰো টোপনি গ'ল।

ৰাতিপুৱা বলাইৰ চিঞৰত আটাইৰে টোপনি ভাগিল।

দুটা পাতিহাঁহ মৰি পৰি আছে হাঁহৰ গড়ালত। এটাই লৰচৰ কৰা নাই। একেথৰে ৰৈ আছে। বাকী পাঁচোটা পুখুৰীত। মাটিত ভৰি মেলি বহি লৈ বলায়ে কান্দিছে। ল'ৰা-ছোৱালী মৰিলেও মানুহে এনেকৈ নাকান্দে। সেই হাঁহ দুটাই আটাইতকৈ ডাঙৰ কণী পাৰিছিল। কিমানবাৰ ক'লোঁ আপোনাক বাবু, হাঁহৰ গড়ালত জালৰ দুৱাৰ দিয়ক। সকলোৱে নজৰ দিছে।

কুকুৰাৰ ডাক্তৰে সদৰত আমিনৰ কাম কৰে। ৰমেশ সান্যালে বন্ধৰ দিনত পোলট্ৰি ফাৰ্মবোৰত ঘূৰে আৰু দৰৱ দিয়ে। ভিজিট দুটকা। তেওঁ চাই ক'লে— শিয়াল অহা নাই। অহা হ'লে এটা হাঁহ মুখত লৈ গ'লহেঁতেন। জহামাল বা হেঁপাও অহা নাই। সিহঁত অহা হ'লে হাঁহবোৰৰ গাত অন্ততঃ আঁচোৰ এটা মাৰিলেহেঁতেন। এটাৰো গাত ঘা নাই।

ৰমেশ সান্যালে ডাঙৰ ছুৰীৰে এটা মৰা হাঁহ ফালি চালে। নাই, বিষতো মৰা নাই। পাছে, হাৰ্টত ঘা লাগিছে যেন অনুমান হৈছে।

অনাথে থিয় হৈ সকলো মন কৰি আছিল। হাঁহৰ এনাটমি ইমান সহজে বুজিব পাৰি।

শান্তাই সুধিলে— তেনেহ'লেনো কি হ'ব পাৰে?

ৰমেশ সান্যালে ক'লে— হাৰ্টফেলৰ কেচ্।

একেলগে দুটা হাঁহে হাৰ্টফেল কৰিলেনে?

আৰু এটায়ো কৰিলেহেঁতন! চাওকচোন। কেনেকৈ একেথৰে ৰৈ আছে। ইয়াক এতিয়াই পুখুৰীলৈ নি সাঁতোৰাব লাগে।

ক'বলৈহে পালে, বলায়ে সেই সাৰসুৰহীন হাঁহটো নি মাজপুখুৰীত এৰি দিলে। হাঁহটো গৈ কলপটুৱা পৰাদি ধপচ্ কৰে পানীত পৰিল। তাৰ পিছত লাহে লাহে পাখি মেলিলে। ঠেঙেৰে পানী কাটি যাবলৈ লাগিল।

ৰমেশ সান্যালে ক'লে— মাজনিশা গড়ালৈলৈ এনেকুৱা কিবা এটা আহিছিল যাক দেখি সিহঁতৰ এই অৱস্থা। কি হ'ব পাৰে? কিনো সেইটো?

বলায়ে ক'লে– সাপেই হ'ব লাগে।

হ'ব পাৰে। হ'ব পাৰে নহয়, হয়েই। সাপেই হয়। অনাথ বাবু, আপুনি আজিয়েই জালৰ দুৱাৰৰ ব্যৱস্থা কৰক।

পুৱাৰে পৰা মিস্ত্রি কামত লাগিলহি। অফিচলৈ যাবলৈ ওলোৱাৰ গোটেই সময়খিনি অনাথে সেই দৃশ্যকে চাই থাকিল। একেবাৰে চকুৰ আগতে।

নিজান নিশা। পাতিহাঁহৰ গড়ালটোলৈ কোম্পানী বান্ধটোৰ পৰা বিয়াগোম বিষধৰ এটি আহিছে। বাহিৰত চেঁচা বতাহ। ঘৰৰ ভিতৰখন এন্ধাৰ। বিষধৰে তাৰ বল-বিক্রম দেখুৱাবলৈ নেজৰ ওপৰত ভৰ দি ফেঁট তুলি আছে আৰু চেঁচা মাটিত ফোঁচ-ফোঁচকৈ বিষ ঢালিছে। সাপে একোবাৰ মূৰটো তললৈ দোঁৱাই আনে আৰু পাতিহাঁহ আঠোটাই যি যিফালে পাৰে চুকলৈ হুঁহকি গৈ থাকে।

কিমান সময় গড়ালটোত এই কাণ্ড চলিছিল কোনে জানে। বিষধৰে নিজান নিশা বল-বিক্রম দেখুৱাইছে। আঠটা নিৰুপায় ভয়াৰ্ত প্রাণ, ওলোটাই আঘাত কৰাৰ উপায় নোপোৱাৰ বাবে ক্রমাৎ পিছলৈ গৈ আছে।

এবাৰ নিশ্চয় সেই মৰা হাঁহ দুটাৰ গাত বিষধৰৰ মূৰ লাগিছিলগৈ। সিহঁতে এন্ধাৰত বিষধৰৰ বুকুৰ বগা ফালটো দেখিছিল নিশ্চয়। তাৰ পিছত কিবা মন গ'ল, বিষধৰ উভতিল।

পুৱাৰ তাড়ি অনাথৰ খোৱা ন'হল। বাৰে বাৰে ভাব আহিল– মোৰ কাৰণেই, মোৰ কাৰণেই সিহঁত অকালতে গুচি যাব লগা হ'ল। যদি অলপ আগৰে পৰা সাৱধান হ'লোহেঁতেন।

মদন-বদনে পুখুৰীৰ পৰা মাছ নি বাৰান্দাতে বহিছিল। সকলো শুনি ক'লে– এটা নেউল পুহিবনে বাবু? ডোবাটোৰ সিপাৰৰ হাবিৰ পৰা এটা ধৰি আনিব পাৰোঁ।

তাৰ আগতে সাপবোৰ ধৰচোন। কোম্পানী বান্ধত বহুত সাপ আছে।

মহম্মদ বাজিকৰক খবৰ দিম নেকি? তাৰ নজৰ সাংঘাতিক। গাঁত দেখিলেই হাত সুমাই দিয়ে।

তাকেই মাত।

মদনে ক'লে– তাতকৈ বাবু, আপুনি এটা সৰ্পযজ্ঞ কৰক।

বাকী আছেগৈ সেইটোহে। ল, এই তাড়িখিনি খা। আজি পুৱাই ট্রেইন ধৰিব লাগিব।

শান্তাই বুজিলে– সেই কোম্পানী বান্ধটোৰ কোনোবা এটা গাঁতত বিষধৰ থাকে। সি তাৰ পৰাই এই বসু পৰিয়ালৰ গতিবিধি বহি বহিয়েই নিৰ্বিঘ্নে নিৰীক্ষণ কৰে। সি নিজেই ধৰা নিদিলে তাক কোনেও ধৰিব নোৱাৰে।

ছয়

সন্ধিয়া সময়ত ৰিটায়াৰ্ড মেজিষ্ট্ৰেট দক্ষিণা চক্ৰৱৰ্তী অনাথক লগ পাবলৈ আহিল। কথা সামান্য। দক্ষিণা ইলেক্‌চনত উঠিব। কাইলৈ সন্ধিয়া ষ্টেচন বজাৰৰ মুকলি পথাৰখনত প্ৰথম মিটিং। তক্তাপোচৰ ওপৰত চেয়াৰ আৰু মাইক থাকিব। গণ্যমান্যসকলৰ লগতে অনাথো তাত বহিব লাগিব।

অনাথে ক'লে— নাই নোৱাৰোঁ, ক্ষমা কৰিব। মই শ্ৰোতা হৈ মানুহৰ মাজত থাকিব পাৰোঁ। কিন্তু ষ্টেজত নবহোঁ।

দক্ষিণা বি-এ. বি-এল.। তিনি বছৰ হ'ল ৰিটায়াৰ কৰিছে। চাৰিওফালে ৰাল দিয়া দুমহলীয়া ঘৰ। বাপেক আছিল ৰেলৰ গাৰ্ড। তদুপৰি আছিল ডাঙৰ খেতি-বাতি। দক্ষিণা যেতিয়া ল'ৰা, তেতিয়া এই অঞ্চলত স্কুল নাছিলেই। সাত মাইল বাট কুৰি বাইহে স্কুল কৰিছিল। তাৰ পিছত কলিকতাৰ কলেজ। এই কথা লৈয়ে তেওঁ বৰ গৰ্ব কৰে। ধান বেচি বাপেকে আধাকৰা ছাদখন ঢালাই কৰিছে। কোঠাই কোঠাই ইলেক্‌ট্ৰিক লাইট। পুখুৰীপাৰৰ বগৰীজোপাত লোমালোমে বগৰী লাগে। যাবৰ সময়ত দক্ষিণাই মনতে বেয়া পাই গ'ল।

অনাথৰ কৰিবলগীয়া একো নাছিল। তেওঁ ইয়ালৈ দল গঠনৰ বাবে অহা নাই। তেওঁ ইলেক্‌চন কৰা মানুহো নহয়। ডোবাটো পাৰ হৈ নস্কৰহঁতৰ মাটিৰ এটা ফালে কিছুমান কুঁহিয়াৰ গছ দেখি। অনাথে সদায় চায়। সদায় চাই ভাল পায়। কিয় যে ভাল পায়, অনাথে তাক নাজানে। মুকলি পথাৰত সিহঁত এনেকৈ ৰৈ থাকে যে, নোচোৱাকৈ থাকিব নোৱাৰি।

পাঁচ বাজি কুৰি মিনিটৰ ডাউন ট্ৰেইন গ'ল। দক্ষিণা চক্ৰৱৰ্তী মাইকৰ আগত থিয় হ'লহি। তেওঁৰ কাষতে চকীত বহিছে দক্ষিণাৰেই বাল্যবন্ধু— এসময়ৰ সেই অঞ্চলৰ নাম থকা ধনদা ৰায়। আৰু বালি-ব্যৱসায়ী মুকুন্দ পালুই। চিংগুৰৰ বালি চাপ্লাই দি ক'ব— এয়া পাণ্ডুৱাৰ বালি। ঘৰটো সজাৰ সময়ত বালি কিনিবলৈ যাওঁতে গম পাইছিল।

দক্ষিণাই মাইকত কৈ গ'ল— মোক কোনে কোনে নিৰিচাৰে, মই জানো। সিহঁতক এসেকা দিবলৈকে মই বিধানসভালৈ যাব লাগে। মই ইয়াত থিয় হৈয়ে দেখি আছোঁ— কোনে কোনে মোক টিট্‌কাৰি দিছে। মোৰ এগেইনচ্‌টে কোন আছে তাকো মই জানো। কিন্তু আমি তালৈ ভয় কৰিলে নচলিব। মই জনতাৰ মানুহ।

মাইকটোৱে এনেয়ে এবাৰ সুহুৰি বজালে। অনাথ জুমৰ মাজৰ পৰা ওলাই গ'ল।

টুকু আৰু লিলিক লৈ আজি সন্ধ্যা শান্তা ছায়াবাণীলৈ গৈছে। এইখিনি সময়ত ষ্টেচন বজাৰ এচ্‌প্লেনেড হৈ যায়। ৰিক্সাৰ টিলিং টিলিং শব্দ। মিঠাইৰ দোকানত ডাঙৰ কেৰাহিত জেলেপী ভাজিছে। হ'লচেল দোকানৰ পৰা মানুহে লাইন কৰি জুইশলা, চাবোন, হেৰিকেনৰ ফিটা কিনিছে।

হলত সোমাই বেছিপৰ চিনেমা চোৱাটো তেওঁবিলাকৰ কপালতে নাছিল। দুষ্টগ্ৰহ বাঘা আহি হাজিৰ। দুৱাৰ খোলা পাই সোমাই আহিল। খেতিয়কসকলৰ কোনো কোনোৱে ভৰি তুলি ছবিখন চাই আছিল। বাঘাই সুঙি সুঙি টুকুহঁতক বিচাৰি তেওঁবিলাকৰ কাষেদি যাওঁতে তেওঁবিলাকে ভৰি নমাই চিঞৰি উঠিছিল— পিতাই ঔ।

বাঘাৰ তালৈ কাণযাৰেই নাই। ভৌ-ভৌ কৰি টুকুহঁতক বিচাৰি ঠিকেই উলিয়ালেগৈ। তাৰ পিছত দুই দাঁতিৰ ৰ'কেইটাৰ মাজতে হাতোৰাৰে বহি লৈ ছবি চাবলৈ লাগিল। কিন্তু বেছিপৰ এনেকৈ নাথাকিল। পৰ্দাত কিবা মৰামৰি দেখি সি থিয় দিলে। তাৰ পিছত মজিয়াখনত তিনিবাৰ ঠেঙেৰে আঁচুৰি এবাৰ এবাৰকৈ তিনিবাৰ ডাঙৰকৈ ভৌ-ভৌ কৰিলে।

গেটকিপাৰ লৰি আহিল। গোটেই হলটোৰ মানুহৰ চিঞৰ— এই আপদটো বাহিৰ কৰি দিয়া।

উলটি বাঘাইহে ভৌ-ভৌ কৰি উঠিল। এনেকুৱা অৱস্থাত তাক কোনে বাহিৰ কৰিব? কাৰ সাহ আছে? ওচৰলৈ আহিবলৈ ভয় কৰি মেনেজাৰে শান্তাক দূৰৰ পৰাই ক'লে— তাক বাহিৰত থৈ আহকচোন। পাব্লিকৰ খং উঠিলে চেয়াৰ ভাঙিব।

ভঙাৰ শব্দও শুনা গৈছিল। টুকু আৰু লিলিয়ে একোপধ্যেই ছবি নোচোৱাকৈ নাহে। শান্তাই ক'লে— আপোনালোকে দুৱাৰ খুলি থৈছিল কিয়?

মেনেজাৰে কাওবাওকৈ ক'লে— কিবা এটা কৰক আৰু। পাব্লিকে চেয়াৰ ভাঙিছেই। এইবাৰ পৰ্দা ফালিব।

অগত্যা তিনিও উঠিবলীয়া হ'ল। বাঘা অকলে অকলে উভতি যোৱা ভকত নহয়। বাহিৰলৈ আহিয়ে টুকুৱে খঙতে কাণ মলি দিলত বাঘাই ভাবিলে— সেয়া মৰম।

এই ধুনীয়া সন্ধ্যাটোত অনাথবন্ধুৱে খোজ কাঢ়ি খোজ কাঢ়ি আহি বিদ্যাধৰীৰ ডুবি পাইছেহি। নৈখন ইয়াতে নাইকিয়া হোৱা বহুদিন হ'ল। তিনি-চাৰি মাইল জুৰি এটা ডাঙৰ মৰাসুঁতি পৰিল। বাৰিষা চাৰিওফালৰ পানী আহি ইয়াতে পৰেহি। জাৰকালিৰ শেহত চৰাইবোৰে আড্ডা দিয়ে। জহকালি পানী পৰি বাঢ়ি অহা ঘাঁহৰ আগবোৰ বতাহত লৰি থাকে। এতিয়া দূৰত ওলমি থকা ডাৱৰবোৰৰ সমানে সমানে বগলীৰ জাকে আকাশেদি উৰা মাৰিছে।

ডুবিৰ কাষতে এটা সময়ত সম্ভৱতঃ মানুহ আছিল। এতিয়া মানুহ উঠি গৈছে। কিন্তু বটগছৰ তল, হাবিৰ মাজৰ ভগা মন্দিৰ আছে। অনাথে গৈ বটগছৰ তলতে বহিলগৈ। ঠাইটুকুৰা ওখ। ঘাঁহেৰে ঢাক খোৱা। দিনত কোনোবাই খেজুৰ চুঁচি খাই পাতবোৰ পেলাই গৈছে।

অনাথে মনটো দৃঢ় কৰিবলৈ চেষ্টা কৰিলে। পৃথিৱীৰ ঠায়ে ঠায়ে কিমান যে ঘটনা ঘটি আছে! ইয়াত সময় উশাহহীন হৈ পৰি আছে। ঈশ্বৰ সম্পৰ্কে তেওঁৰ কোনো শিক্ষা নাই। এই স্তব্ধ নিৰ্জনতাই হয়তো ভগৱানৰ পাঠশালা। পৃথিৱী সলনি হৈছে বুলি কোনে

ক'ব। ঋষি-মুনিসকলৰ শান্ত স্থৈৰ্য্য এতিয়াও পৃথিৱীৰ বহু ঠাই জুৰি আছে। চহৰনো কিমান ডাঙৰ? ৰেলখন কিমান ডাঙৰনো? এতিয়াও বেছিভাগ ঠাই— গছ-গছনিৰ, পাহাৰৰ, নৈৰ।

নৈৰ এন্ধাৰ জোঁৱাৰত খাগৰি-ইকৰা আৰু পানীত হোৱা ঘাঁহৰ আগবোৰত পৰি জোনাকী পৰুৱাবোৰে নিজৰ পোহৰ বিলাইছে। দূৰৰ পৰা এন্ধাৰে এন্ধাৰে দুটা মূৰ্তি জোঁৱাৰৰ পাৰে পাৰে আহি আছিল। হাতত ডাঙৰ ডাঙৰ বৰশী। মূৰ্তি দুটা বটগছৰ তলৰ ঠাইখিনিলৈকে আগবাঢ়ি আহিল। সিহঁতে লণ্ঠন জ্বলাই বিড়ি লগাওঁতেই অনাথে চিনি পালে। — মদন? কি কৰিছ বদন?

সিহঁত দুয়োটাই চক খাই উঠিল— কোন?

বদনৰ হাতত এখন চিপ্‌ৰাং। — তাত কোন সেয়া? মাত দিয়া—

মই অ' মই। অঁকৰাহঁত! — কৈ কৈ অনাথ উঠি আহিল।

অ'। আমি ভাবিছোঁ এওঁ আকৌ কোন? ইয়াত কি কৰিছে, বাবু?

ফুৰি ফুৰি এইখিনি পালোঁহি। তহঁত একা?

আৰু নক'ব বাবু। ভনীজনীৰ বিয়া। চাইকেল আৰু আঙঠি হ'ল। এতিয়া ঘড়ীটোৰ যোগাৰ কৰিব পৰা নাই। মুঠেই দহোটা দিনহে আছে হাতত। যদি কপালত আছে, ডুবিটোৰ এটা মাছেই এটা ঘড়ী আনি দিব।

ডাঙৰ ডাঙৰ মাছ আছে?

চাইজ বিয়াগোম! তাহানি নৈ থকা দিনৰে। এতিয়া কেনিও ওলাব নোৱাৰি গোটেই মৰাসুঁতিটো খলক্ লগাই থাকে।

একোটাৰ ওজন?

ডেৰ মোন ওজনৰ ডাঙৰ শ'ল আছে। ডাঙৰ চিতল আছে। বৰশীত গাঁথি দিবলৈ গাঁতত ভেকুলীকে বিচাৰি পোৱা নাই। আপুনি ইয়াত নবহিব। সাপ-সুপ আছে। ঘৰলৈ য'কগৈ।

তহঁতে মহম্মদ বাজিকৰক নানিলি দেখোন—

খবৰ দিবলৈ সময় পোৱা নাই। কাইলৈ যাম। এতিয়া আমাৰ যে কিমান কাম আপোনাক কি ক'ম! ঘড়ী লাগে। মানুহক খুওৱা-বুওৱাৰ কথা আছে। চানাই আছে। কুটুমৰ ঘৰলৈ কিবা কিবি দিবও লাগিব। ধুতিয়েই লাগিব তিনিজোৰা।

হোঁ, এইটো ল।

কি?

লচোন। — এন্ধাৰতে অনাথে হাতখন আগবঢ়াই দিলে।

এইটো ঘড়ী দেখোন! আপোনাৰ ঘড়ী। নবৌৱে গালি পাৰি আমাক কুকুৰ-পিটা দিব।

গমেই নাপাব। ক'ম— ভাল কৰিবলৈ দিছোঁ।

সময় চাই ৰেল ধৰিবলৈকে আপোনাক লাগিব দেখোন। পিছত ৰেল ধৰিবকে নোৱাৰিব। নালাগে।

মাছ পৰিলে মোক টকা দি দিবি। তেতিয়া নতুন ঘড়ী কিনি ল'ম।

যদি নপৰে, বাবু?

তেনেহ'লে তহঁতৰ ভনীয়েৰৰ বিয়াখনেই বন্ধ হৈ যাব।

তেতিয়াহ'লে দিয়ক।

অনাথে হাতৰ পৰা ঘড়ীটো খুলি মদনৰ হাতত দিলে। — মোক মাতিবি কিন্তু। আমি তহঁতৰ ভনী-জোঁৱাইক আশীৰ্বাদ দি আহিম।

আটায়ে বৰ ভাল পাব। আপুনি বাবু, এই ঠাইৰ মানুহ নহয়। বেলেগ ধৰণৰ মানুহ আপুনি। ইয়াৰ মানুহৰ মনত কেৱল হিংসাহিংসিৰ ভাব। কেনেকৈ বিপদত পেলোৱা যায় সেইটোৱেই হ'ল চিন্তা। আমি সুধন্য নস্কৰৰ দোকানৰ পৰাই আটা খাওঁ। বহীত বেছি বেছিকৈ লিখি থয়। গেবাৰি খাটি এতিয়া শুজিব লগা হৈছে।

ৰিক্সা চলাবও পাৰ দেখোন!

আমি শিকাই নাই। আমি ধান ৰুব পাৰোঁ। মাছ ধৰিব পাৰোঁ। ঘৰ চাব পাৰোঁ। পুখুৰী খান্দিব জানো। এই ঠাইততো ইমানবোৰ কামেই নাই।

ডাবৰ কাৰবাৰ নকৰ কিয়? মই টকা দিম।

ইমান ডাব এই ঠাইত ক'ত? যিকেইজোপা আছে, তাৰ আগধন দি থৈছে। সম্মুখত মৰাসুঁতিৰ বিশাল পানী। এন্ধাৰত এন্ধাৰ লগতে মিলি আছে। আজি জোন ওলাওঁতে বহুত পলম হ'ব।

অকলে জানো যাব পাৰিব বাবু?

নিশ্চয় পাৰিম।

সন্তোষ টাকিয়ে আজি তিনিদিন ধৰি সকলো বস্তু নগদ দি বজাৰৰ পৰা আনিছে। আলুৰ চপ, কণী-ভজা— সকলো নগদ। দোকানীবিলাক আচৰিত! জেলৰ পৰা সাধু হৈ উভতিল নেকি মানুহটো? এনে অভ্যাসতো আগেয়ে নাছিল।

অক্কুৰে দোকানৰ গাদীত বহি কয়— জেলত কাম কৰিলে কিবা মজুৰি পায়। সেই সাঁচতীয়া পইচাকেইটাকে ভাঙি খাইছে এতিয়া। শেষ হ'লেই আকৌ ডকাইতিত ধৰিব—

সন্তোষে শাল গছৰ পাতত ঘুগনি খাইছিল। তপত। খোৱাৰ শেষত হাঁহি হাঁহি দূৰৰ গাঁৱৰপৰা অহা বাছৰ পেচেঞ্জাৰ এজনৰ মূৰত হাতখন মচি লৈ সুধিলে— মানুহ সলনি হয়, নহয়নে অক্কুৰ ককাইদেউ?

সন্তোষ যে ওচৰতে আছিল, অক্কুৰে দেখাই নাছিল। ভয় ভয়কৈ ক'লে— মানুহ সলনি হয়। তুমি জানো সলনি হোৱা ভকত?

এবাৰ বিশ্বাসত লৈ চোৱাচোন।

আপত্তি নাই। কিন্তু কি চাই ল'ম? বিয়া কৰিছা জানো?

ছোৱালী দিব কোনে? মোলৈ সকলোৱে ভয় কৰে।

চেষ্টা জানো কৰিছা? কৰা নাই, নহয়?

নিয়ম-নীতি একো নাজানো।

কিয়? কাম কৰিবা, খাবা। মূৰৰ ঘাম পেলাই ভাত যোগাবা। ঘৈণীয়ে ৰান্ধিব। ল'ৰা-ছোৱালী হ'ব।

মোকনো কাম দিব কোনে?

কাম নাপালে ব্যৱসায়ত ধৰা। কত মানুহে ব্যৱসায় কৰিয়েই খাইছে।

ব্যৱসায়ৰ বাবে ধন ক'ত, অক্ৰুৰ ককাইদেউ?

কিয়? এই যে সাঁচতীয়া পইচাকেইটা এইকেইদিন উৰাই দিছা, কিবা এটা কিনিছা? কিবা খাইছা? এই পইচাবোৰ কামত লগাব নোৱাৰিলাহেঁতেন জানো? অক্ৰূৰ বিক্ৰম মজুমদাৰে কথাও কৈছিল, লগে লগে তেল, মছলা, খলিহৈ বেচি আছিল। ওজন কৰিছিল। দগা-পাল্লা চাই ঠোঙাত ভৰাই বস্তু দিছিল।

এইখিনি পইচানো কিমান?

এইবাৰ ঘৰ বান্ধি থিতাপি লাগা, সন্তোষ। বয়সতো ৰৈ নাথাকে। মুখাগ্নি কৰিবলৈও বংশধৰ এজন লাগে—

কথাটোৱে ঘপহ্ কৰে সন্তোষৰ মগজুত বিন্ধিলেগৈ। বজাৰত মানুহৰ অহা-যোৱা চলি আছে। তথাপি হাঁহি হাঁহি ক'লে— মোৰ আকৌ কিহৰ বংশধৰ! পুলিচৰ গুলীত কোনোবা এদিন ৰেল লাইনত পৰি থাকিব লাগিব। শগুণ উৰিব—

এতিয়া থাকা ক'ত?

কিয়? প্লেটফৰ্মত। ফেনৰ তলত শুই থাকোঁ। ৰেলৰ কলৰ পানী খাওঁ। জেলত কলৰ পানী খাই খাই বেয়া অভ্যাস হৈ গ'ল অক্ৰুৰ ককাইদেউ। পুখুৰীৰ পানী মুখত ল'বই নোৱাৰোঁ, ঘিণ লাগে।

ভালেই হৈছে। তুমি চৰকাৰী প্ৰজা।

নিশাপতিয়ে বহুত পৰ ধৰি পালিচ কৰিলে। তাৰ পিছত নকৈ ৰং দিয়া চাইকেলখন ভদ্ৰেশ্বৰৰ হাতত দি ক'লে— চলাব জানা নহয়?

নাই, নাজানো দাদা। ডাঙৰ হোৱালৈকে চুলি কাটিয়েই কটালোঁ। চাইকেল শিকিম কেতিয়া?

তেনেহ'লে খোজ কাঢ়িয়েই লৈ যোৱা।

পেডোলৰ একো দোষ নাই নহয়?

নাই, নাই। নিশ্চিন্তে লৈ যোৱা।

পোহৰ পৰি থকা বাটডোখৰ পাৰ হৈ ভদ্ৰেশ্বৰে চাইকেলৰ বেলটো বজাই গৈ থাকিল।

হাবিত চৰি-মেলি বিপৰীত ফালৰ পৰা এজাক গৰু উভাতিছে— বগাবোৰহে কেৱল দেখি, ক'লা গৰুবোৰ একেবাৰে চাইকেলৰ ওপৰতে পৰিলহি।

ঘৰ পাই আনদিনা ভদ্ৰেশ্বৰে বস্তু-বাহানি মূৰত লৈ ভনীয়েক ওষ্টক মাতে। মুঠেই তিনিটা মাটিৰ ঘৰ। দীঘল বাৰান্দাখনত গাঁত খানি তাত হাঁহ থোৱা হয়। তেতিয়া শিয়ালৰ পেটলৈ যোৱাৰ ভয় নাথাকে। ডাঙৰ কোঠাটোৰ বাৰান্দাখনত মাকে ওষ্টক লগতে লৈ শোৱে। বুঢ়ীৰ ছোৱালী বুলিবলৈ এজনীয়েই। মদন-বদন ঘৰত প্ৰায় নাথাকেই ; গোটেই দিন কোম্পানী বান্ধত— সেই ডোবাটোত থাকে। নহ'লে সেই নৈৰ ডুবিটোৰ কাষে কাষে কটায়। মাছ বিছাৰে। ভেকুলী বিচাৰে। কেঁচু বিচাৰে।

আজি ভদ্ৰেশ্বৰে একেৰাহে বেলটো বজাবলৈ ধৰিলে। ক্ৰিং ক্ৰিং। ৰোৱাই নাই।

এ ৰাম! সঁচাই যে। কি কৰিছ ভন্‌টি? — ওষ্টই ৰ' লাগি চায়েই থাকিল। সন্ধ্যা টোপনি ধৰিছিল। দুহাতেৰে চকুকেইটা মচি আকৌ চালে। — এইখন যে একেবাৰে নতুন গাড়ী। অ' নবৌ, চোৱাহি—

মদন-বদন ঘৰত নাই। বাকী যি য'ত আছিল, উধাতু খাই আহিল।

ভদ্ৰেশ্বৰে ক'লে— বংশীক গাড়ীখনে শুৱাব।

সেই নামটো ওষ্টই শুনিছে। বিয়া নোহোৱালৈকে চিনিব নোৱাৰি। কোনে সিহঁতৰ দৰে ঘড়ী, চাইকেল, আঙঠি দি কোনে দৰা বিচাৰে। বিয়াৰ কথাটো ইমান দিন তাইৰ বাবে অলীক কাণ্ড হৈয়ে আছে।

চাওঁ, গুচচোন। বাৰান্দাতে থৈ দিওঁ। কাকো চুবলৈ নিদিবি।

ভদ্ৰেশ্বৰৰ ঘৈণীয়েকে ক'লে— দিনত কোঠাৰ ভিতৰত থ'ব লাগিব। ইয়াততো কেউফালে চকু দিয়া মানুহৰ অভাৱ নাই।

খোৱা-বোৱাৰ পিছত ওষ্টই ভালকৈ তামোল এখন কাটি আনি ভদ্ৰেশ্বৰক দিলেহি। আঙঠিটো হ'ল বুলি তাই জানে। এতিয়া ঘড়ী এটা হ'লেই হয়। নস্কৰ ককাৰ দোকানৰ পৰা আধামোন চাউল উঠনাকৈ পোৱা যাব। এইবাৰ হয়তো সঁচাই তাইৰ বিয়াখন হ'বগৈ। ইমান দিনৰ পিছত তাইৰ বিয়াৰ ফুলপাহ ফুলিছে। কালি বৌটিয়ে ঘৰৰ পাছফালৰ ডোবাটোৰ পৰা এটা ৰৌ পোৱালি তুলিছিল বৰশীৰে। নবৌৱে মাছৰ মূৰটো ভাতৰ পাতত দি কৈছিল— এতিয়া আৰু ভাল বস্তু খাই গাটো টঙাই ল, ওষ্ট। শুনি তাইৰ বৰ লাজ লাগিছিল। আন এজন মতা মানুহে তাইক বিয়া কৰাই লৈ যাব। এইখন চোতাল, পাছফালৰ বাঁহনি, তিনিজনকৈ ককায়েক, বৌটি, ন-বৌ, বিদ্যাধৰীৰ ডুবি— এই গোটেইবোৰ এৰি থৈ তাই আন ঠাইলৈ গুচি যাব লাগিব। একেবাৰে। বিয়াৰ দিনাৰ পৰা সেই ঠায়েই তাইৰো ঠাই হ'ব। ওষ্টৰ মনত একেলগেই দেখা দিয়ে— অলপ আনন্দ আৰু অলপ বেজাৰ।

গহীন ৰাতি বাঁহনিৰ ওপৰেদি জোনাক আহি চোতালত পৰিলহি। বৰশী দি থৈ মদন-বদনে ঘৰ সোমাই কাণ্ড দেখি অবাক। – তহঁত এতিয়াও শোৱা নাইনে?

চাগৈচোন, ভদ্ৰই কি আনিছে–

মাকৰ কথা শুনি ওষ্ট ৰ'বই নোৱাৰিলে। – চাইকেল। একেবাৰে নতুন।

সঁচানে? দুয়ো ককাই-ভায়ে বাৰান্দালৈ গৈ চাইকেলখন চালেগৈ। এন্ধাৰত চিক্-চিকাই আছে। তেতিয়া নিশা ক'তো সাৰ-সুৰ নাই। গাঁৱত মানুহ সোনকালে শোৱে। কেনিও মাত-বোল নাই। ইহঁত ককাই-ভাইকেইটাই কাহানিও চাইকেলত উঠা নাই। চলোৱা নাই। ভদ্ৰেশ্বৰ আৰু তাৰ ঘৈণীয়েকে মদন-বদনেনো কি কৰে চাই আছিল।

সিহঁত দুয়োটা ককাই-ভায়ে চাইকেলখন চোতাললৈ নমাই বেলটোকে একেৰাহে বজাবলৈ ধৰিলে। তাৰ পিছত কঁকালৰ গামোচাৰে গোটেই চাইকেলখন ভালকৈ মচি পেলালে।

আমিও এটা বস্তু আনিছোঁ। চাহি—

জোনাকৰ পোহৰত মদনে কঁকালত বান্ধি অনা ঘড়ীটো উলিয়ালে। – চা, কেনেকৈ টিক্ টিক্ কৰি আছে। বৰ টান বস্তু, বুজিছ।

ওষ্টৰ মূৰটো যেন আচন্দ্ৰাই কৰিছে! তেনেহ'লে আৰু বিয়াৰ বস্তু আৰুনো কি বাকী থাকিল! আটাইবোৰেই গোট খালে। কাইলৈ দুপৰীয়া সখীহঁতৰ লগত নৈৰ ডুবিত গা ধুবলৈ যাওঁতে মণিছালেৰে মুৰটো ভালকৈ ঘঁহিব। কলপাতত কাজল তুলি চকুত লগাব। নবৌৱে কৈছিল– ভৰিৰ গোৰোহা দুটা পোৰা ইটাৰে ঘঁহিবি। ঘঁহিব লাগিবই।

ভদ্ৰেশ্বৰে হাতত লৈ ক'লে– ক'ত পালি? এইটো দেখোন সোণৰ!

সোণৰ পানী চৰোৱা। ওষ্টৰ বিয়াৰ কথা শুনি বাবুৱে দিলে। নিজৰ হাতৰ পৰা খুলি দিলে। অনাথ বাবু—

মূৰকত একো জঞ্জাল নহয়তো? চাবি কিন্তু–

নাই, নহয়। তেওঁতো তেনেকুৱা মানুহেই নহয়। একো বেয়া বুদ্ধি নাই। একো অহংকাৰ নাই। অথচ তেওঁ ডাঙৰ মানুহ।

দেখাত কেনে বাৰু কোৱাচোন সৰু ককাই! নৈৰ ডুবিটোৰ ফালে মাজে মাজে বাবু এজন আবেলি ফুৰিবলৈ আহে। থোৰ মৰা চুৰিয়া। ভৰিত জোতা। গাত হাফ চাৰ্ট, নহ'লে পাঞ্জাবী থাকে।

চকুত চচ্মা?

অঁ, হয়, তেনেহ'লে সেইজন বাবুকে আমি দেখিছোঁ। বৰ গছৰ তলত মনে মনে বহি থাকে। আকাশ চায়। চৰাই চায়। ঘাটৰ পৰা আহোঁতে আমি মাজে মাজে দেখোঁ।

সিহঁতৰ মাকে ক'লে– ওষ্টৰ বিয়াত তেওঁক ক'বলৈ নাপাহৰিবি। আমাৰ ভাল হোৱাটো কোনেও নিবিচাৰে। তথাপি এজন মানুহ আছে—

বুঢ়ীয়ে আৰু বহুত কথাই ক'লে। খন্তেক পিছতে ল'ৰাহঁতে নিজৰ কোঠাই কোঠাই

শুই গ'ল। মদন-বদনক ওষ্টই খাবলৈ দিলে। দুয়ো ককাই-ভায়ে এন্ধাৰতে ভাল খাব পাৰে। ওষ্টই চাকি জ্বলাব খুজিছিল। মদনে হাক দিলে। – তেলকণ থৈ দে। ৰাতি লাগিব।

মাজু ককাইটি, ৰাতি হ'বলৈনো কি বাকী আছে আৰু?

সেইটো তই বুজিবি কেনেকৈ?

ওষ্টই বুজে। তাইৰ দুয়োজন ককায়েক ৰাতি থাকোঁতেই নৈৰ ডুবিটোলৈ যাব। মাছ পৰিছে নেকি চাব। হাতত চাকি-চুকা এটা লাগে। কোম্পানী বান্ধলৈও যাব। মাছ লাগিল নে নাই। – হাতত তেতিয়া পোহৰ এটা লাগেই।

বাগৰ দিয়াৰ পিছতো ওষ্টৰ টোপনি ধৰা নাছিল। সেই কোন কাহানিবাই সিহঁতৰ ল'ৰাকালতে বাপেকে চকু মুদিলে। কোনোবা এদিন যে তাইৰ বিয়া হ'ব– এই আশা তাইৰ মনে-ঘৰেও নাছিল। কিন্তু সেইটোৱেই এতিয়া সঁচা হ'ব খুজিছে। বংশী নামৰ ল'ৰা এটাই তাইক বিয়া কৰাই লৈ যাব। পাছে, তাইৰ ককায়েককেইটা তিতি-বুৰি আহিলে ভাত দিব কোনে? এক ধৰণৰ অদ্ভুত আনন্দত চাইৰ চকুৰ পানী ওলাল। ওষ্টই চকু মচি কাতি হ'ল। তাৰ পিছত টোপনিত লালকাল মাকক সাৱটি ধৰি শুবলৈ যত্ন কৰিলে। টোপনি সহজে নাহে। দিনৰ পোহৰৰ দৰে কেউফালে জোনাক।

ডোঁৱাৰৰ তিনিওটা বৰশীত একো নালাগিল। বৰশীত গাঁথি দিয়া দৰিকণা মাছটোৱেই তিনি নম্বৰ বৰশী মাৰিডালৰ আগটো লৰাইছিল। দুয়ো ককাই-ভায়ে বৰ আশা কৰি বৰশী দিছে। শেহৰাতি কাতি হৈ পৰা জোনটো ডুবিৰ পানীত কাঁহী এখনৰ দৰে ওপঙি আছিল। মদনে বদনৰ হাতত চাকিটো দি ঠাই সলাই আকৌ বৰশীটো দিলে।

তাৰ পিছত দুয়োটা ককাই-ভায়ে খৰধৰকৈ কোম্পানী বান্ধটোৰ ফালে যাবলৈ লাগিল। বাট এৰি পথাৰে পোনাই দিলে। জেঠৰ পথাৰ। বোকা। আলিৰ ওপৰত যোৱা বাৰিষাৰ শামুকবোৰ মাটিত মিহলি হৈ আছে। সাৱধানে ভৰি দিব লাগে। এইখিনি সময়তে আকৌ দীঘল পৰুৱাবিধো আহাৰ বিচাৰি ওলায়। আগত পৰিলে ফেঁট নৌ-তোলোঁতেই কিমানবাৰ যে মৰিয়াই মাৰিছে! কিন্তু আহিব কোন ফালৰ পৰা কোৱা টান।

দূৰৰ পৰা দেখিবলৈ পালে– পুখুৰীত কিবা এটা পোহৰ পৰিছে। মদন-বদনে লৰিবলৈ ধৰিলে। এইখিনি সময়তে বৰশীত লগা মাছ চুৰ কৰে। আজি চোৰক হাতে-লোটে ধৰিব। বান্ধটোত উঠিয়েই দেখিলে– বাবুৰ বগা ৰঙৰ ঘৰটো জোনাকত বুৰ গৈ আছে। নকৈ সাজিব খোজা গোহালিৰ ৰঙা টালিবোৰ শুকান গুড়ৰ বৰফিৰ দৰে থাক্‌থাক্‌কৈ সজোৱা আছে। সিহঁত লৰি আহি পানী-যুঁৱলিত অবাক হৈ গ'ল। – নাই, টোপ ঠিকেই আছে। ডোবাটো এন্ধাৰত নৈৰ দৰে। দুফালে ওখ পাৰ। হাতৰ এই টিপ-চাকিৰ পোহৰত অলপহে দেখি। পানীত তেলৰ কুপি ওপঙাই দি আহিছে কোন? ইমান ৰাতি নাও বাই মাছ ধৰিবলৈ কোন আহিব? মদন-বদনে মনে মনে সাৰ-সুৰ নোহোৱাকৈ বহি থাকিল। আগতে ওচৰ পাওকহি।

অৱশ্যে এই ডোবাইদি মাজে মাজে নাও যায়। কেইঘৰমান পূৰ্ববংগীয় মানুহ আহি ষ্টেচনৰ ওচৰে-পাজৰে বহিছেহি। সিহঁতৰ ঘৰৰ টালি, নহ'লে বালি বা ইটা কঢ়িয়াই নিয়ে নাৱত। বাঁহৰ বোজাও সিহঁতে ওপঙাই নিয়ে। কিন্তু ইমান ৰাতি নহয়।

ওচৰ পাওঁতেই মদনে মাত দিলে। মাতটো গহীন। — কোন সেয়া?

তহঁতৰ বাপেৰ।

চিনাকি মাত। তথাপি এনেকৈ গপচত কথা কৈছে কোনে? বদনে হাতৰ মুঠিটো ৰেডি কৰি ল'লে। মাৰোঁ মাৰোঁ কৰোঁতেই— মদনে বাঁও হাতেৰে বদনক ধৰি ৰাখিলে। — সন্তোষ ককাইটি নেকি?

কোন? মদন? মাছ পালিনে?

বদনে মুঠিটো নমালে। — কোন ফালে? এইদৰে আৰু নচলে ককাইটি।

মোৰ লগলৈ আহ। তহঁত কেনেকুৱা মতা মানুহ? বুকুত সাহ-পিত নাই?

এইবাৰ সিহঁতে সন্তোষক ভালকৈ দেখিবলৈ পালে। দেখি বুকুৰ ভিতৰখন একেবাৰে চেঁচা পৰিল। ছয়-সাতখনমান ৰেলৰ শ্লিপাৰ একেলগে বান্ধি পানীত ওপঙাই আহি আছে সন্তোষ টাকি। তাতে এটা সৰু হেৰিকেন লেম। বুকুলৈকে পানীত নামি ঠেলি ঠেলি আহিছে। আটাইবোৰ কাঠৰ শ্লিপাৰত ৰেলৰ ছাপ মৰা।

তোমাৰ নিচিনা ইমান সাহস আমাৰ ক'ত হ'ব, সন্তোষ ককাইটি! তুমি হ'লাগৈ অতিপাত সাহ-পিত থকা মানুহ।

মাছ মাৰি কেই পইচা পাবি? মোৰ লগত থাকিবি-ফুৰিবি। পইচাৰ চিন্তা মোৰ। তহঁত দুয়োটা ককাই-ভায়ে কামত ঘূৰিবি। ভাল কথা। কাইলৈ দুপৰীয়া মোক লগ ধৰিবলৈ ভদ্ৰাক ক'বিচোন।

বদনৰ বুকুখন ধপধপাবলৈ ধৰিলে। কি বা ভাবিছে! চাইকেলখন ক'ৰ পৰা আনিছিল বাৰু?

সন্তোষ টাকিয়ে সিহঁতক এৰি আগ বাঢ়িল। যাব দুৰ্গাৰ কৰত কললৈ। ডোবাটোৰ সিপাৰে ইলেক্‌ট্ৰিকৰ সহায়ত কল এটা বহুৱা হৈছে। ৰাতি পুৱাৰ আগতেই শ্লিপাৰবোৰ চিটা-চিট্ হৈ নিৰ্দোষ কাঠ হৈ পৰিব। আগৰ কোনো চিন-চাবেই নাথাকিব।

মদনৰ মনত পৰিল, সিহঁতৰ ককায়েক ভদ্ৰেশ্বৰে ঘড়ীটো দেখি কৈছিল— একো বিপদ-আপদ নহয়তো? চাবি আকৌ—

এতিয়া ঘৰলৈ গৈ ককায়েকক জগাবৰ মন গৈছে তাৰ। সুধিবৰ ইচ্ছা হৈছে— চাইকেলখন পালা ক'ত? একো বিপদ-আপদ নহয়তো? চাবা আকৌ—

মুঠতে ছটা বৰশীৰ ভিতৰত দুটাত মাছ লাগিল। এটাত ডাঙৰ ৰৌ। সাতশ কি চাৰে সাতশ হ'ব। আনটোত অলপ ডাঙৰ বৰালী মাছ। এইটো ঘৰলৈ গৈ আজি খাবলৈ ঠিক কৰিলে। ৰৌটো বাবুক খাবলৈ দিব।

বাকীকেইটা বৰশীৰ ঠাই সলাই দি সিহঁতে বাবুৰ কুকুৰা থোৱা চালিখনৰ পৰা

কেথা-গাৰু উলিয়াই আনিলে। তাতেই থয় সেইবোৰ। শিৰীষ গছৰ গুৰিটোতে কাতি হৈ শোৱাৰ আগতে চাকিটো নুমাই দিলে। হাত-জালখনৰ ৰছী শিৰীষ গছত বন্ধা। সৰু জালখনত ৰৌ আৰু বৰালী মাছ দুটা ইটোৰ গাত সিটো লাগি থকাৰ দৰে আছে। এনেকৈ সিহঁত পুৱালৈকে থাকিব। শোৱাৰ লগে লগে টোপনিয়ে আহি সিহঁতক হেঁচি ধৰিলেহি। চাৰি বাজি কুৰি মিনিটৰ ফাৰ্ষ্ট লোকেল ট্ৰেইনলৈ এতিয়াও কেইঘন্টামান বাকী।

মাথোন জবেহঁতৰ চুবুৰীত হোৱা হৈ-চৈৰ শব্দ ভাঁহি আহিছিল। ঈশ্বৰীতলাত এইখিনি সময়তে মাছৰ নীলাম হয়। ফাৰ্ষ্ট লোকেলখন অহালৈকে চলে। আশে-পাশে থকা বিল, পুখুৰী, ডোবাৰ মাছ চুবুৰীয়ে চুবুৰীয়ে নীলাম হয় আজিকালি। কুইন্টলৰ দৰত। ডাক হয়। কলিকতাৰ বেলেগ বেলেগ বজাৰৰ বেপাৰীয়ে কিনে আজিকালি। লাষ্ট ট্ৰেইনত আহি বহি থাকেহি।

চুবুৰীবোৰত হোৱা অস্পষ্ট কোৰ্হালে এইখিনি সময়ত সিহঁত দুয়োটাৰে কেঁচা টোপনি ভাঙে। আজিও ভাঙিলে। এঙামুৰি দি দুয়ো ককাই-ভায়ে এতিয়া একেবাৰে সৰুকালৰ দৰে, ওচৰা-উচৰিকৈ শুলে। টোপনিতে বদনৰ বুকুখনৰ তলফালে বিষত টনহ-টনহ কৰিছিল।

সি যেন বুকুৰ ভিতৰতে বহি দেখিলে— চাইকেলখন নিজে নিজেই ল'ৰি আহিছে— কোম্পানী বান্ধটোৰ ওপৰেদি। চাইকেলত মানুহ-দুনুহ কোনো নাই। আগৰ চকাটোৰ লোহাৰ কাঠিবোৰত জুই লাগিছে। বতাহত জুইৰ শিখা কঁপি আছে। এই অৱস্থাত চাইকেলখন কোনেও চুব পৰা নাই।

মদনৰ স্বপ্ন দেখা বাতিক নাই। এই চিল্‌মিল টোপনিতো সি ধৰিব পাৰিছিল— জোনাকৰ লগত এই সময়ত জাৰো পৰিব। যিমানেই আহল-বহল নহওক, এখন কেথাই দুই ভাই-ককাইক নাঁটে। তাৰ ভৰিকেইখন ঢাক খোৱা নাই। তাতেই জাৰে আহি ধৰিছিলহি।

অনাথবন্ধুৰ বগা ৰঙৰ ঘৰটোৱে ইমানপৰ এইবোৰ দেখি আছিল। সকলো দেখিও সি মনে মনে থাকিব লাগে। কাতি হোৱাৰ উপায় নাই তাৰ। ঠাই সলোৱাৰো উপায় নাই। সি কেৱল দৰ্শক। ঈশ্বৰীতলাৰ এই ইতিহাস আৰু ভূগোলত আজি কেইবছৰমান ধৰি সিও ঠাই পাইছে।

এযোৰা লক্ষ্মী ফেঁচা উৰি উৰি আহি দুবাৰমান পাক দি ঘৰটোৰ ছাদত পৰিলহি। ঘৰটোৱে তথাপি একো নক'লে। সি কেৱল সকলো চাই যাবলৈ ধৰিলে। এতিয়া তাৰ কাম সেইটোৱেই।

সাত

সেইদিনা বাঘাই চিনেমা চোৱা পণ্ড কৰাৰ বাবে শান্তাৰ খং উঠিছিল। খং উঠা নাছিল

টুকু আৰু লিলিৰ। বাঘা সিহঁতৰ ভায়েক। প্ৰথমতে বাঘাই জাৰৰ নিশা ঘৰৰ বাহিৰত পহৰা দিবলৈ টান পাইছিল। বৰ ভয়। এন্ধাৰ। জাৰ। সি আহি টুকু আৰু লিলিৰ মাজত লেপৰ তলত লুকাই থাকেহি। অনাথৰ চকুৰ পৰা এইদৰে আঁৰ হৈ থাকে।

সেইদিনা আধৰুৱাকৈ চিনেমা চাই উভতি আহোঁতে ষ্টেচন বজাৰত বাঘাই এখন দোকানৰ মুখত ৰৈ ভুকিবলৈ ধৰিলে।

টুকুৱে চাই দেখে— ফটো তোলা নতুন দোকানখনৰ শ্ব'কেচত ডাঙৰ চাইজৰ এখন কুকুৰৰ ছবি। তাকে দেখি বাঘাৰ খং উঠিছে।

শান্তায়ো বুজি পালে। বুজি বাঘাৰ কাণত ধৰি টানি দিলে— সঁচাসঁচি কুকুৰ দেখিলে পলাবি। আৰু এতিয়া ছবিৰ কুকুৰ দেখি ইমান সাহ! ব'ল, ঘৰলৈ ব'ল।

লিলিয়ে ক'লে— আই, বাঘাৰ ফটো এখন লোৱাচোন!

কেলেই? তাৰ জন্মদিন নেকি?

যদি কেতিয়াবা মৰি যায়!

নক'বি তেনেকৈ। মৰিব কিয়?

বুঢ়া হৈওতো মৰিব পাৰে।

বৰ বৰ কথা ক'বলৈ শিকিছ দেখোন।

টুকুৱে ক'লে— নহয়, সঁচাকৈয়ে তাৰ ফটো এখন লোৱাচোন।

ফটো তোলাবলৈ গৈ এন্ধাৰ ষ্টুডিঅ'ৰ ভিতৰত বাঘাৰ আৰু খং উঠিল। ঈশ্বৰীতলাৰ দিলীপে ভাল ছবি তোলে। পাৰ্ট টু ফেল কৰি দোকান দিছে। তাকেই বাঘাই কামুৰিব খুজিলে।

দিলীপে ক'লে— হ'ব বাৰু ন-বৌ। মই কেমেৰা লৈ দেওবাৰে পুৱা যাম। চাহ খুৱাব। দাদাক ক'ব। মই ফটো তুলি আহিম।

দেওবাৰে পুৱা অনাথৰ ঘৰত ঈশ্বৰীতলাৰ ইতিহাসত আৰু এটা নজিৰ স্থাপিত হ'ল। টুকুৱে লাগি আছে বাবে অকল বাঘাকে নহয়, আটাইকে লৈ এখন ফটো লোৱা হ'ল। ফটো লোৱা জানো সহজ? অৰুণ-বৰুণক চম্ভালি থাকোঁতে শুক্লা ফ'কাচৰ বাহিৰলৈ গুচি যায়। সেই বজ্জাতটোক ডিঙিত ৰছী বান্ধি লিলি চকীত বহিছে। টুকুৰ ভৰি দুখনৰ মাজত অৰুণ-বৰুণ ৰৈ আছে। বলাই মাটিত বহিছে। পাতিহাঁহবোৰ তাৰ কোলাত। মদনে উমাক ধৰি আছে। বদনে কানাইক। চকীত শান্তা আৰু অনাথ। বেকগ্ৰাউণ্ডত লেগহৰ্ণবোৰে ইফাল-সিফাল কৰি আছে। আটাইৰে আগত বাঘা।

পুৱাৰ ঈশ্বৰীতলা। ৰ'দ তেতিয়াও কোমল। ফ'কাচৰ ভিতৰতে দিলীপে দেখিবলৈ পালে— দূৰত এই আহাৰৰ আৰম্ভণিতে পথাৰত মানুহে হাল যুৰিছে। মাটি চহাই থ'লে প্ৰথম বাৰিষাৰ পানী বান্ধি ৰাখিব পাৰি। নষ্ট হোৱাৰ ভয় নাথাকে। ঘৰটোৰ এটা অংশও দিলীপে লেন্সৰ ভিতৰত দেখিবলৈ পাইছিল। চাটাৰ টিপি তিনিখন ফটো ল'লে।

— থেংক ইউ। কেই কপি কৰিম, ন-বৌ?

কেই কপি কৰিবা? এটা কপি হ'লেই হ'ব।

নহয় আই। চাৰি কপি কৰিব। মই স্কুলত নি আটাইকে দেখুৱাম।

অনাথে টুকুৰ কথা শুনি তৃপ্তি পাইছিল। এই গ্ৰুপ ফটোৰ বাবেই ভালেমান সময় বহি থাকিবলগীয়া হ'ল। দিলীপে ফ'কাচ ঠিক কৰোঁতে সময় লৈছে। এতিয়া চাইকেলত উভতি গৈছে। নতুন ঘৰৰ চোতালৰ এটুকুৰা সজোৱা ঠাইত অনাথে সপৰিয়ালে নিজক দেখিবলৈ পালে। ৰাতিপুৱাৰ নতুন পোহৰত এতিয়া সকলো ধুনীয়া। কোম্পানী বান্ধত তেওঁ নিজহাতে ৰোৱা গছবোৰে এতিয়া ছাঁ দিছে। কেচিয়া গছৰ হালধীয়া ফুলবোৰ দুপৰীয়া ইটাগুড়ীয়া বাটটোত সিঁচৰতি হৈ পৰি থাকে।

শান্তা, আজি ইয়াতেই চাহ দিয়া আমাক।

সিহঁতে চাহ খাব জানো?

নহয়, সকলোকে দিয়া। মদন, বদন, বলাই— সকলোকে—

লিলিৰ বৰ ভাল লাগিছিল। ৰাতিপুৱাই বনভোজৰ চিন্তা। — বাবু, আজি তোমাৰ লগত বজাৰলৈ যাম।

মই বজাৰলৈ যাব লাগিব নেকি? — অনাথে শান্তাৰ ফালে চালে। বজাৰ কৰাটো এটা মজাৰ কথা। মানুহে কয়— বস্তু-বাহানিৰ দাম বাঢ়িছে। কাগজতো লিখালিখি হয়। কিন্তু অনাথে একেবাৰে বুজি নাপায়। বিশ পইচাৰ শাক-পাচলিৰে সিহঁতৰ তিনি দিন যায়। গৃহস্থ হোৱাৰ সুখৰ ভিতৰত এটা ডাঙৰ সুখ—বেগ পূৰ কৰি বজাৰৰ পৰা উভতি অহা। ৰান্ধনীঘৰত বেগ লুটিয়াই বস্তুখিনি যেতিয়া অনাথে ঢালি দিয়ে, তেতিয়া তেওঁৰ বিজয়ীৰ ভাব আহে। কিন্তু শান্তাই তেওঁক বৰকৈ বজাৰলৈ যাবলৈ নিদিয়ে। লিলি যেতিয়া একেবাৰে সৰু আছিল, তেতিয়া বলায়ে বজাৰলৈ যোৱাৰ সময়ত তাইক মাইকী মানুহে লোৱা দি কোঁচত লৈ এহাতত বেগ ওলমাই বজাৰ পায়গৈ।

চাহ খোৱা শেষ হওঁতেই অনাথৰ চকুত পৰিল— শিৰীষ গছৰ তলত শকত-আৱত বিয়াগোম মানুহ এটাই তেওঁৰ ঘৰৰ ফালে চাই বহি আছে। চাৰি মাহৰ গাভিনী উমাক এৰাল দিবলৈ বলায়ে লৈ গ'ল। কানাইক আজিকালি এৰি নিদিয়ে। যাকে-তাকে খুঁচি মাৰি পেলাব পাৰে। বজ্জাত, শুক্লা, অৰুণ, বৰুণ পাতিহাঁহবোৰ এৰি দিয়া মাত্ৰকে দৌৰ দিছে। যোৱা নাই মাথোন বাঘা। টুকু কুকুৰা থোৱা চালিত সোমাল—কণী বুটলিবলৈ। বদনে চাহৰ কাপপ্লেট লৈ শান্তাৰ পাছে পাছে ৰান্ধনীঘৰলৈ গ'ল। শান্তাই তাক কালিৰ পইতা ভাত নহ'লে বাহী ৰুটি দিব। খাই-বৈ বদনে কাপ-প্লেটবোৰ ধুই-মেলি দি থৈ যাব। নহ'লে অকলশৰীয়া বলাইৰ কামৰ ভাৰখন বেছি হয়।

মদন, চাচোন। কোনোবা এটা মানুহে এইফালে চাই তেতিয়াৰে পৰা বহি আছে—

ক'তনো?

সৌৱা, শিৰীষতলত।

মদন থিয় হ'ল। – অ', সেইটো দেখোন মহম্মদ বাজিকৰ। খবৰ দিছিলোঁ। – মদন দৌৰি গ'ল।

লিলিয়ে বুজিলে– বাবুৱে আজি আৰু বজাৰলৈ নাযায়। এসোপামান কণী লৈ কুকুৰা-চালিৰ পৰা ওলাই আহিল টুকু।

মদনক দেখি বাজিকৰ বহাৰ পৰা উঠিল। কি বিয়াগোম মানুহ! কোম্পানী বান্ধত থিয় হৈ আছে চাহাৰ দৰবেশ কাহিনীৰ দৰবেশৰ দৰে। ভৰিত ৰঙা কেড্চ। গাত ক'লা আলখাল্লা—আঁঠুৰ নামলৈকে পৰা। আধাপকা চুলি বেকব্ৰাচ কৰিছে। ওচৰলৈ আহি দেখিলে–চকুত কাজল সনা। কান্ধত বেকা লাঠি এডালত ওলমি আছে টোপোলা।

অনাথ উঠি বহিবলৈ দিলে।

বিচাৰিছিল, সেইবাবে আহিছোঁ।

আপোনাৰ চেহেৰা ইয়াৰ মানুহৰ নিচিনা নহয়। এই অঞ্চলৰেই নহয়।

নহয়, মই বাঙালী। আপুনিয়েইতো অনাথ বাবু। নামটো প্ৰায়েই শুনো।

শান্তাই বাহিৰলৈ ওলাই আহি, চেলাউৰি কোঁচালে। কিন্তু চেহেৰাৰ কি যে আকৰ্ষণ! শান্তা নিজেও আহি অনাথৰ কাষত বহিলহি। মূৰৰ ওৰণি গুচাই ল'লে। তাৰ পিছত তন্ন-তন্নকৈ মানুহটোক চাবলৈ লাগিল। পঞ্চাশ-ষাঠিৰ ভিতৰতে হ'ব বয়স। কেড্চ জোতাত ভৰিৰ ডাঙৰ পতা খাই পৰা নাই। ওফন্দি আছে। চকুদুটা ডাঙৰ। মূৰত আধাপোৰা কেঁকোৰা চুলিৰ থাকে-থাকে টৌ। চকীৰ বাহিৰতো গাৰ ভালেখিনি অংশ ওলাই আছে। ওখ নাকত পুৱাৰ ৰ'দ।

আপোনাৰতো সংসাৰ সুখৰ। ফটো তুলিছিল, দেখিলোঁ।

কেতিয়া আহিল? গুচি নাহিল কিয়?

পুৱাৰ পৰাই বহি আছোঁ। আপোনালোক টোপনিৰ পৰা উঠিছে। বহি বহি ঘৰটোকে চালোঁ। মুকলি পথাৰৰ মাজত আপোনাৰ চৌখীন ঘৰটো ছবিৰ নিচিনা লাগিছিল। আপোনাৰ ঘৰটোৰ অৱস্থা মোৰ দৰেই–

কেনেকৈ?

মোৰ চেহেৰা ক'তো লুকাব নোৱাৰোঁ। বজাৰত নিমখ কিনিবলৈ গ'লেও মানুহে চাব। আপোনাৰ এই ঘৰটোও চকুত নপৰাকৈ নাথাকে। আমাৰ ভাগ্য–

এই কথা কোৱাৰ পিছত মহম্মদ বাজিকৰৰ চকুৰ দৃষ্টি উদাস হৈ পৰিল।

কিহৰ কাৰণে আহিছোঁ শুনিছেই চাগৈ।

অঁ।

নিৰীহ দুটা পাতিহাঁহ হাৰ্টফেল কৰি মৰিল। এটাতো জীৱন্ততে মৰাৰ নিচিনা। আজিও ভালকৈ সাঁতোৰা নাই। হয়তো ব্ৰেইনত কিবা এটা হৈছে–

কিন্তু আপুনি আৰু সিহঁতক নিৰ্বংশ কৰিব নোৱাৰে। ধৰিত্ৰীৰ লগে লগে সিহঁত থাকিবই।

দৰবেশৰ দৰে মানুহৰ মুখত 'ধৰিত্ৰী' শব্দটো আচৰিত যেন লাগিল।

সিহঁতো আছে। আমিও আছোঁ। অনাথ বাবু, এই ঠাইৰ পথাৰে-সমাৰে আজি পঞ্চাশ বছৰ ধৰি অনাই-বনাই ফুৰিছোঁ। সিহঁতে আমাক চিনি পায়। আমিও সিহঁতক চিনি পাওঁ। মানুহ বহুত বস্তুৰ লগত একেলগে থাকে। সন্ধ্যা লাগিলেই কাণ পাতি শুনিবা চোন— আপোনাৰ ঘৰৰ ভিতৰৰ পৰা একৰাহে শব্দ হৈ আছে— চিবি, চিবি, চিবি—। কিহৰ শব্দ কওকচোন?

ঝি, ঝি?

ওহোঁ, আই বসুমতীক পুৰিলে ইটা হয়। সেই ইটাৰ গাঁথনিৰ নামেই হ'ল ঘৰ। তাত আপোনাৰ-মোৰ দৰে মানুহে যেনেকৈ আশ্ৰয় পায়, তেনেকৈ প্ৰতিটো ঘৰৰ তলত এটাকৈ বাস্তুসাপ বসুমতীয়ে চিৰকাললৈ বন্দী কৰি থয়। সন্ধ্যা হ'লে সি চিঞৰিবই। — পানী দে। পানী দে। অকণো বতাহ নাই। মই আৰু নোৱাৰিছোঁ। আমি শুনোঁ—চিবি, চিবি, চিবি—

কোৱাৰ ঠাঁচত কিবা এটা আছিল। অনাথে মাটিৰ এন্ধাৰত ঘৰটোৰ বিৰাট ওজনৰ তলত বন্দী সাপৰ মূৰটো দেখিবলৈ পালে। পানী আৰু বতাহৰ অভাৱত শুকাই গৈছে জিভা। ফণাৰ ওপৰত টোপালে টোপালে ঘাম। তীক্ষ্ণ চকু দুটা জাপ খাই গৈছে। শৰীৰৰ বাকী অংশ এন্ধাৰ সুৰংগত বাৰে বাৰে ঠেকা খাইছে। আকৌ একেৰাহে সেই চিঞৰ—চিবি, চিবি, চিব্ চিব্। নিতৌ সন্ধিয়া যিকোনো ঘৰৰ মজিয়াৰ পৰা সেই চিঞৰটো আহে। লগে লগে অনাথ এটা সিদ্ধান্তলৈ আহিল— মানুহটোৱে কথাবোৰ সাজি সাজি কৈছে।

অলপ পিছত পুখুৰীৰ ফালৰ বাৰান্দাত মহম্মদ বাজিকৰক শান্তাই খেজুৰ পাতৰ কঠত বহিবলৈ দিলে। তাতে বহি নামাজ পঢ়ি বাজিকৰে ক'লে— মই সূৰ্য্য প্ৰণামো কৰোঁ, অনাথ বাবু। মন্দিৰ, গীৰ্জা দেখিলে আপোনা-আপুনি হাত উঠি আহে কপাললৈ। ডেকা বয়সত নানা সাধনা কৰিছিলোঁ—

পঢ়ুৱাবলৈ বহি নন্দ বাবুৱে বহীখন পকাই লৈ তাৰে টুকুৰ মূৰত মাৰিলে হ'বপায়। বাৰান্দাত বহি, শব্দটো শুনি অনাথে কথাটো আন্দাজ কৰিলে।

এনাচিন বা চেৰিডন আছে নেকি ঘৰত?

আছে। পথাৰৰ মাজত থাকোঁ দেখি মাহেকটোৰ কাৰণে আটাইবোৰ আনি থওঁ। মূৰ কামুৰিছে নেকি?

নাই, মোৰ একো হোৱা নাই। বড়ি এটা দিয়ক। কি কৰিম, দেখুৱাম।

শান্তাই আনি দিয়াৰ লগে লগে তাৰ আধা ভাঙি বুঢ়া আঙুলিৰে মজিয়াত হেঁচি-

টেপি গুড়ি কৰি পেলালে বাজিকৰে। তাৰ পিছত হোমিঅ'পেথিৰ পুৰিয়াৰ দৰে কাগজৰ টুকুৰাত লৈ কঠখনত থ'লে।

থৈ, লগত অনা টোপোলাটো খুলিলত বেতৰ এটা সৰু পাচি ওলাই পৰিল।

সাপ আছে নেকি? ইয়াতে খুলিবনে?

ক'ত খুলিমনো তেনেহ'লে? — কৈ কৈয়েই পাচিৰ ঢাকনিখন দাঙি ধাৰিলে বাজিকৰে। প্ৰায় লগে লগেই বাৰ ইঞ্চি বহল ফণা তুলি সাপটো উঠিল। অতি সন্তৰ্পণে তাৰ মূৰটো ধৰোঁতেই সাপডালে বাজিকৰৰ হাতখন মেৰাই ধৰিলে। বৰ পোহ মানিছে। ইয়াৰ অনুগ্ৰহতে জীয়াই আছোঁ।

হাতৰ কায়দাৰে মুখখন ফাক কৰি তাৰ ভিতৰত গোটেই পুৰিয়াটো ভৰাই দিলে বাজিকৰে। — বেচেৰাৰ মূৰ কামুৰিছে। বিষ ঢালিব পৰা নাই। অলপ পিছত কেই টোপালমান পানী গণ্ডুষ কৰি সাপডালক খুৱালে। এইখিনি সময়তে বাজিকৰৰ হাতত মেৰখোৱা নেজডাল ঢিলা হৈ পৰিছে। সাপডাল অৱশ হৈ পৰিছে। পাচিটোত ভৰাই মহম্মদ বাজিকৰে খোলাচাকৈ ক'লে— আজিকালিতো এইবিধ জীৱ বৰকৈ নধৰোঁ। কিন্তু খাম কি? সেইবাবে এইডালকে পুহিছোঁ— বিষ গোট খালে তাকে বেচি-মেলি ভালকৈ জীয়াই থাকিব পাৰোঁ। বিষ ঢালিব পৰা নাই বাবে কালিৰে পৰা তাৰ মূৰ কামুৰিছে। এতিয়া অলপ শুব।

আকৌতো মূৰৰ বিষ হ'ব।

নাই, কাইলৈ দুপৰীয়াৰ আগতে নহয়। তেতিয়ামানে গ্ৰাহক আহি পাবহি। বিষখিনি উলিয়াই দিব পাৰিলেই আকৌ টক্‌টকীয়া হৈ পৰিব সি। আঁউসী-পূৰ্ণিমাৰ যোগ পৰিলেই বিষ গোট খায়। উলিয়াই দিব নোৱাৰিলে সিহঁতে বৰ কষ্ট পায়। বৰ সৰল জীৱ।

কি কথা কৈছে! সাপৰ নিচিনা খল— এই কথাষাৰ সৰুকালৰে পৰা পঢ়ি আহিছোঁ আমি—

সিহঁতৰ যদি ল'ৰাপাঠ থাকিলহেঁতেন, আমাৰ কথাও তেনেকৈয়ে লিখা হ'লহেঁতেন। বাৰু, সেইবোৰ কথা থাকক। আপোনাক মই কেইডালমান শিপা চিনাই দিম। তাতেই আপোনাৰ হৈ যাব। গোটেই দেশতে সাপক নাশ কৰাটো ভাল কথা নহয়। মই বৰং আপোনাক আন এটা বস্তুৰ সোৱাদ দিম।

শান্তাই অমলেটৰ লগত চাহ দিবলৈ আহি এই কথা শুনি চক খাই উঠিল। ইমানপৰ সাপক ঔষধ খুওৱা দেখিছে। শেষত কিহৰ সোৱাদ দিব? বিষৰ?

ৰ'দে এতিয়া খাওঁ খাওঁ কৰিছে! ন বজাই নাই। মহম্মদ বাজিকৰৰ মূৰৰ চুলিবোৰ বিপৰীত ফালৰ পৰা অহা বতাহে আউল-বাউল কৰি তুলিলে। — শ্যামা সংগীত মোৰ বৰ ভাল লাগে। নাথ গানো দুই-এটা বৰ ভাল লাগে। আচলতে কি জানে—যি চিন্তা ঘাম পেলাই অৰ্জন কৰিব নোৱাৰি, তাৰ কোনো দাম নাই।

এই কথাটো কিয় ক'লে?

একো একোটা গান শুনো আৰু ভাবোঁ— এই গানটোৰ পদফাঁকি কেনেকৈ পালে? ই জানো কেৱল বহি থাকি আন দহজনৰ দৰে সংসাৰ কৰি পোৱা? কেতিয়াও নহয়। কোনোবাই পাইছে টাটী দিওঁতে। কোনোবাই পাইছে নাৱৰ ব'ঠা বাওঁতে। কোনোবাই ৰছী টানোতে। আপুনি জানি ল'ব—প্ৰকৃতিয়ে সকলো সময়তে পৰিশ্ৰমীৰ কাষেদিহে যায়।

অনাথ অবাক হৈছিল। এইজন মানুহৰ নাম বাজিকৰ কেনেকৈ হ'ল? — আজি আমাৰ ইয়াতে খোৱা-বোৱা কৰি য'ক।

দিনত এবাৰহে খাওঁ। খায়েই ওলাই আহিছোঁ। শেহৰাতি টোপনি ভাগি গ'ল। গহীন ৰাতিৰ জোনাক। বৰ আদৰ বিচাৰে। বেগেতে যাবই নোখোজে। ৰাতি নৌ-পুৱাওঁতেই সেই এন্ধাৰ সময়কণতে চৰুৰ পৰা দুটামান পঁইতা ভাত উলিয়াই ল'লোঁ। আকৌ কাইলৈ খাম। এতিয়া যাওঁ।

আকৌ যে লগ পোৱাৰ ইচ্ছা আছিল—

লগ পাম।

আধা চহাই থোৱা পথাৰখনৰ আলিয়েদি মহম্মদ বাজিকৰ ঈশ্বৰীতলাৰ ডাঙৰ ডাঙৰ দাগৰ মাটিবোৰ পাৰ হৈ গৈছিল। কান্ধৰ লাঠিত ওলমি আছিল পাচিৰ টোপোলাটো।

উমা এবাৰ মাটিত পৰি গ'ল। এতিয়া পূৰা গাভিনী। এই সময়ত এনে ঘটনা চিন্তাৰ বিষয়। বৰ কষ্টেৰে তিনি-চাৰিজন মিলি উমাক দাঙি ধৰিলেও তাই থিয় হ'ব পৰা নাই। পাছ ভৰিটোত দুখ পাইছে। গোটেই দিনটো শুই-বহি কটায়। শেষত হাড়ো খাঁক খবৰ দিয়া হ'ল।

গাঁৰিয়লী দিয়া লুঙি, শুদা গা, মূৰটো বগা—আহি ক'লে— গাইজনীৰ ঠেঙৰ হাড় ভাগিছে। মানুহ মাতক।

কেইদিনমান বৰষুণ দি আছে। পথাৰৰ শুকান ঘাঁহৰ চেহেৰা এতিয়া সেউজীয়া। উমাই ঘাঁহৰ ফালে ৰ' লাগি চাই থাকে। আগলৈ গৈ খাব নোৱাৰে।

হাড়ো খাঁই ক'লে— মই হাড়ৰ ডাক্তৰ। সেইবাবে এই অঞ্চলত মোৰ নাম হাড়ো খাঁ। নহ'লে মোৰ আৰু এটা নাম আছে।

মদন, বদন, বলায়ে মিলি উমাক দাঙিবলৈ চেষ্টা কৰিছিল। হাড়ো খাঁই বাৰীখনলৈ গৈ কল গছৰ শুকান কলঠৰুৱা এডাল আনিলে। তাৰ পিছত সেইডালকেই ৰছী কৰি উমাৰ আঁঠুৰ পৰা উৰুলৈকে জোখ এটা ল'লে। আকৌ আঁঠুৰ পৰা খুৰালৈকেও জুখি চালে। চাৰিওটা ঠেঙৰে। উমাক উঠাবলৈ মানা কৰি হঠাতে পাছৰ সোঁ ঠেঙৰ সৰু ফালটো ওপৰলৈ দাঙি ধৰিলে। খটক্‌কৈ উঠা শব্দ এটা আটায়ে শুনিলে। — আপোনাৰ গাইজনী এইবাৰ থিয় হ'ব।

ক্ষন্তেক পিছতে—

সঁচাকৈয়ে উমা থিয় হ'ল। থিয় হওঁতে থৰথৰকৈ কঁপিছিল।

হাড়ো খাঁই ক'লে— অলপ সময় লাগিব। ঠেংখন এতিয়াও চেট হোৱা নাই। আপোনাৰ গাইজনীৰ দেখোন এনিমিয়া হৈছে। এই সময়ত তেজ নাইকিয়া হোৱাটো বেয়া।

অনাথ বিবুদ্ধিত পৰা যেন দেখি হাড়ো খাঁই সান্ত্বনা দিলে। — কাৰোবাক পঠিয়াই 'বেলাৰমেল' ইনজেকচন অনাই দিয়ক। চিৰিঞ্জ মোৰ আছেই। দি দিম।

বজাৰৰ পৰা ঔষধ আহি পালেহি। কিন্তু ইনজেকচনৰ পদ্ধতি অদ্ভুত। হাড়ো খাঁৰ চিৰিঞ্জ মানে সৰু-সুৰা এটা ফিচকাৰী। বেজি নে যাঠি! আগতে দূৰৰ পৰা বেজিটো হেঁচা দি উমাৰ উৰুত লগাই দিলে। তাৰ পিছত আইনাৰ ফিচকাৰীত এমপোলৰ গোটেইখিনি দৰৱ ঢালি ল'লে। উমাৰ ওচৰ চাপি সাৱধানে সেই ফিচকাৰীটো বেজিৰ লগত লগ লগাই হাড়ো খাঁই বহুৱাই ল'লে। তাৰ পিছত দৰৱ শৰীৰৰ ভিতৰলৈ পঠিয়াই দিলে। -- এনেকৈ কৰিলে বেজি ভগাৰ ভয় নাথাকে। আৰু পাঁচোটা ইনজেকচন দিব লাগিব।

অনাথ অবাক হৈছিল। ইমানদিন সি ৰেডিঅ', বাতৰি কাকত, হেল্‌থ চেন্টাৰৰ কথা শুনি আহিছে। কিন্তু এইবোৰ বস্তু এতিয়াও ভালেমান ঠাই পোৱাগৈয়ে নাই। চন্দনেশ্বৰৰ সিফালে কাগজ নাযায়। বহুত ঠাই সি দেখিছে— য'ত ডাকঘৰ দূৰৰ কথা, গৰুৰ গাড়ীও চলা নাই কোনোদিন। এইবোৰ ঠাইলৈ হাড়ো খাঁৰ আহ্-যাহ্ আছে। মহম্মদ বাজিকৰো যায়। চ'তৰ সংক্ৰান্তিত মেলা বহে। নানা ধৰণৰ বেজ গোটেই দেশতে বিয়পি আছে। কোনোবাই শিপাৰ কথা জানে। কোনোবাই ইনজেকচন দিয়ে।

মোৰ আচল নাম অচিন্ত্য মালখণ্ডী। দৰকাৰ হ'লে খেয়াদালৈ মানুহ পঠিয়াই দিব। গাঁৱত সোমাই সুধিলেই হ'ল— মালখণ্ডীহঁতৰ ঘৰ কোনটো?

উমাই খোজ কাঢ়ি ফুৰিছিল। অনাথে সুধিলে—বাকী ইন্‌জেকচনকেইটা কোনে দিব?

অনাই থ'ব। মই আহি দি যাম।

একো একোজন মানুহ তাৰ ওচৰলৈ আহেই। আৰু কোম্পানী বান্ধেদি উভতি যায়। তেওঁবিলাকৰ খোজ দিয়া ছেওটোৱে বাৰান্দাত বহি থকা অনাথৰ মনত চাপ বহুৱাই যায়। হাড়ো খাঁই খোজ কাঢ়ি গৈ আছিল। কাৰোবাৰ গৰু যদি মাটিত পৰি যায়, কাৰোবাৰ গৰু যদি তেজহীনতাত ভোগে, হাড়ো খাঁ তালৈ যাবই।

ওষ্টই নৈৰ ডুবিটোৰ পানীত বুৰ দিলে। আহাৰৰ মাজ। বৰষুণ দিয়ে। এৰে। আকৌ দিয়ে। একো ঠিক নাই।

বুৰ দি ওষ্টই তলী বিচাৰি নাপালে। ইমানপৰ নবৌৱেক লগত আছিল। ভৰ দুপৰীয়া। ডুবিটোত জন-প্ৰাণী নাই। দূৰণিত বেল যোৱাৰ লগে লগে পানীৰ বুকুখন লাহে লাহে কঁপে। যোৱাৰ আগতে নবৌৱেকে কৈ গৈছে—ইমানপৰ মচুৰ-বটাৰে ঘঁহিলো। বোকাপানী খচকি আকৌ লেতেৰা হৈ নুভতিবা।

নবৌৱেকে আজি তাইৰ বাবে বহুত কৰিছে। পোৰা ইটাৰ টুকুৰাৰে গোৰোহাটো ঘঁহি দিছে। মণিছালেৰে মূৰ ঘঁহিছে। 'আৰু অলপ সাঁতুৰি যাওঁ' বুলি এই নিৰ্জন ডুবিটোত

ওষ্ট.অকলে থাকিল। এইখিনি সময়তে গৰখীয়াবোৰে মাজে মাজে গৰু লৈ নামে। সিটো ফালে। তাত পানী বৰ কম।

ইয়াত কিন্তু বেছি। মেটেকাৰ লগতে ভেট ফুলৰ ঠাৰি বিচাৰি ফুৰিছিল ওষ্টই। বুৰ মাৰি চায়। ভেট ফুলৰ ভিতৰখন ভাঙি খালে আতলাচৰ নিচিনা লাগে। ওষ্টই আকৌ বুৰ মাৰিলে। এইবাৰ বুৰ মাৰি পানীৰ তলত ওষ্টই মূৰটো নি মেটেকা ফুলৰ শিপাৰ ওচৰ পোৱালেগৈ। দীঘল উশাহ লৈ তাই বুৰ মাৰিছে। মেটেকাৰ গুৰি পাই ওষ্টৰ লোভ লাগিল। একেবাৰে কোমল। তুলি নিব পাৰিলে নবৌৱেকে বৰ সুন্দৰকৈ ৰান্ধিব। ভেট ফুলৰ কথা পাহৰি গৈ দুইহাতে তাই মেটেকা ছিঙিবলৈ ধৰিলে। এবাৰ মাকে কোৱা কথা এষাৰ মনত পৰিল—মেটেকাৰ ফুল নাখাবি। তাত সাপৰ বিষ থাকে। কেতিয়াবা মৰিবি।

কথাটো মনত পৰোঁতে তাই সপোনতে আছে নে ডুবিটোৰ পানীৰ তলতে আছে, গমেই পোৱা নাছিল। সকলো যেন শিথিল হৈ পৰিছে। হাতৰ মেটেকা ফুল আঙুলি সৰকি পৰি গ'ল। বুকুৰ চাদৰ ডিঙিত লাগি ধৰিছে। তাই আৰু বংশী গহীন নিশা চোতালত বহি আছে। বাৰান্দাত আঁওজাই থোৱা চাইকেলখন বাঁহনিৰ ওপৰেদি অহা জোনাকত চিক্‌চিকাই আছে। শুকান মাটিৰ উদং চোতাল। তাতে বংশীয়ে লেপেটা কাঢ়ি বহি আছে। তাইৰ ফালে চাওঁতেই এই প্ৰথমবাৰ বংশীৰ মুখখন দেখিলে ওষ্টই। কেনে ধুনীয়া! বাঁও গালখনত ৰঙচুৱা মাহ এটা আছে।

'আই ঔ।'

চকুত পানী সোমাল ওষ্টৰ, অথচ কোনো কষ্টও পোৱা নাই।

গধূলিৰ সাজৰ বাবে ভাত বহাই দিছে মহম্মদ বাজিকৰে। মাটি খান্দি ধৰা কাঠখৰিৰ জুই বতাহ লাগি দপ্‌দপ্‌কৈ জ্বলিছিল। ডুবিটোৰ কাষৰ ডাঙৰ ডাঙৰ গছবোৰত এতিয়া এটাও চৰাই নাই। গছৰ তলত শুকান পাতবোৰ বতাহত খৰমৰকৈ উৰি ফুৰিছিল। ঢাকনিখন দাঙি বাজিকৰে দেখিলে—ভাত আৰু উফাব। পানী দিব লাগিব।

নাৰিকলৰ কোৰোকা হাতত লৈ ডুবিটোলৈ গ'ল মহম্মদ। ওচৰ পাই মন কৰিলে— পানী-যুঁৱলিৰ পৰা অলপ দূৰতে শাৰীৰ আঁচল এটা অলপ অলপকৈ ওপঙি আছে, আকৌ তললৈ সোমাই গৈছে। হাতৰ কোৰোকাটো পাৰলৈ দলিয়াই দিলে বাজিকৰে। গাৰ দীঘল হলৌ-চোলাটো তৎক্ষণাৎ খুলি পেলালে। এইখিনি সময়ত বাজিকৰৰ চেহেৰা একেবাৰে অমানুষিক। পিন্ধি আছে কেৱল ৰাচবাড়িৰ আদালত-হাটত কিনা পাইজামাটো। এবাৰ বুৰ মাৰিয়েই বাজিকৰে ওপঙি থকা শাৰীৰ আঁচলটো ধৰি ধৰি ওষ্টক বিচাৰি পালেগৈ। তাত দহ হাত পানীও নাই। ছোৱালীজনী চেঁচা বোকা মাটিত গধুৰ ইটাৰ দৰে পৰি আছে। ওপৰলৈ টানি আনি তাইক একেবাৰে পাৰত তুলিলেহি বাজিকৰে। বহুত দিন বুৰ মৰা, সাঁতোৰাৰ অভ্যাস নাই। ছোৱালীজনীৰ কাষত বহি

ফোঁপাবলৈ ধৰিলে। সিফালে ভাত ধৰিছে—গোন্ধ ওলাইছে। আৰু অলপ সময় থকা হ'লে সন্ধিয়া ছোৱালীজনী ধেল্‌পোঙা দিলেহেঁতেন। কোনোমতে উঠি ওষ্টক ওপৰমুৱাকৈ শুৱালে। তাৰ পিছত তিতা শাৰীখন চেপি লৈ গাত মেলি দিলে। দিয়েই বাজিকৰৰ ভাব হ'ল—এতিয়া আৰু তেওঁৰ বহি থকাৰ সময় নাই। মেটোৰ শিপাত ভৰি লাগি ধৰি কিমানপৰ পৰি আছিল কোনে জানে। ডিঙিত শাৰীৰ ফাঁচ লাগি আছে।

ছোৱালীজনীক বহুৱাই লৈ মুখত ঘাঁহ, লতাপাত গুজি বমি কৰাই দিলে। তিনি মিনিটমানৰ ভিতৰতে। চকুৰ বগা অংশ ঘোলা। তাৰ ক'লা ঘূৰণীয়া দুটা শেঁতা হৈ পৰিছে। বাজিকৰে দেখিয়েই বুজিলে— জাতকে এতিয়াও চেতনা ঘূৰাই পোৱা নাই।

এইবাৰ ওষ্টক শুৱাই থৈ বাজিকৰে নিজৰ দীঘল দেহাটো কুঁজা কৰি কুকুৰৰ দৰে মাটি শুঙি শুঙি বট গছৰ গুৰিলৈ লৰ মাৰিলে। চৰাই, সাপ, কেৰ্কেটুৱা বা গৰুৱে যদি তেওঁক দেখিলেহেঁতেন, তেনেহ'লে মূৰ্চ্ছা গ'লহেঁতেন। এটা কুশ্ৰী শেঁতা বৰণৰ মানুহ। তেওঁৰ ভোবোকাৰ দাড়িকোচা পানীত তিতি লেহুকা হৈ পৰিছে। পিশাচ বা কোনোবা অলৌকিক প্ৰাণীয়েহে যেন খোৱা বস্তু বিচাৰি মাটি শুঙি শুঙি গৈ আছে। দৰকাৰী বনৰীয়া গছৰ শিপা উভালি আনিলে। তাৰ পিছত সেইবোৰ ওষ্টৰ মুখত দি ক'লে— এতিয়া চোবাই দিয়া, আই। গাৰ বল দি—

সেই শক্তিকণো ওষ্টৰ নাছিল। কাণৰ কাষলৈ মুখখন নি ডাঙৰকৈ চিঞৰি চিঞৰি ক'ব লগা হ'ল বাজিকৰে। — প্ৰাণায়নী গছৰ শিপা। দাঁতেৰে চেপি ধৰা যিমান পাৰা।

বাজিকৰে বুজিলে— ছোৱালীজনীৰ এইবাৰ হুঁচ আহিছে। চেতনা পাইছে যদিও তেওঁক দেখিলেই হয়তো আকৌ জ্ঞান হেৰুৱাব। বাজিকৰে উঠি গৈ হলৌ-চোলাটো পিন্ধি ল'লে। তাৰ পিছত পাচিটোৰ গাত গুজি থোৱা কাকৈখনেৰে প্ৰথমে মূৰৰ চুলি ফণিয়ালে। তাৰ পিছত দাড়ি। এতিয়া চকু গ'ল ভাতৰ চৰুটোলৈ। ঢাকনি দাঙি দেখিলে— আধা ফুটা ভাতবোৰ আকৌ চাউল হৈ পৰিছে।

ইমান খপ্‌জপৰ মাজতো এটা শব্দ বহুত পৰ কাণত পৰি আছিল। বজাৰৰ ফালৰ পৰা আহিছে। কেইদিনমানৰ পৰা কেউফালে এই শব্দ হৈছে। য'লৈকে যায়, ত'তে শুনে মহম্মদে। কেইবছৰমানৰ অন্তৰে অন্তৰে—বছৰটোৰ এটা সময়ত ঢোলৰ বাজনাৰ নিচিনা এটা আৱাজ বতাহত ভাহি ফুৰে। — ভোট ফৰ! ভোট ফৰ! ভোট ফৰ!

বুঢ়া গছৰ বাকলিত বাঢ়েটোকা চৰায়ে এনেকৈয়ে ঠোঁটটো মাৰি মাৰি শব্দ কৰে।

মাটি কিনাৰ সময়ত কোম্পানী বান্ধৰ কাষত এডাল শিলিখা গছ পাইছিল অনাথে। ঘৰ সজাৰ সময়ত শান্তাই সেইডাল কাটিবলৈ নিদিলে। গোটেই বাৰীখন মুকলি। অসময়ৰ টোপনি ভাগিল যদিও, শান্তাৰ প্ৰথমতে উঠিবলৈ এলাহ লাগিল। সকলো স্মৃতি কাঢ়ি নিয়া এই টোপনি বৰ সুন্দৰ। খিৰিকিৰ পৰ্দাৰ সিফালে বান্ধৰ ওপৰত শিলিখা গছডাল। তাত চৰায়ে বাহ পাতি লৈছে। কিচিৰ-মিচিৰ শব্দ অনবৰত শুনি। শুই শুই শান্তাই সকলো

চাই আছিল। এইদৰে চাই বৰ আৰাম লাগে। খিৰিকিয়েদি গছজোপাৰ যিকণ দেখা গৈছে, সি সম্পূৰ্ণভাৱে এখন ছবি। সেই ছবিৰ মাজত, শান্তাই শুই শুয়েই দেখিলে—কিবা এটা বগা বস্তু সোমাল। বৰ সাৱধানে সোমাইছে।

শান্তাই উঠি চিঞৰি ক'লে— এই বজ্জাত! নামি আহ বুলিছোঁ, নামি আহ—

আচলতে বজ্জাত হ'লগৈ এটা বোন্দা। সি কাণ দিব কিয়? আন সময়ত হোৱা হ'লে মেওঁ বুলি উভতি চালেহেঁতেন। এতিয়াতো খোৱা-বোৱাৰ সময় নহয় যে মাত শুনিয়েই কাষত আহি বহিবহি। তদুপৰি, শান্তাৰ কথালৈ সি কাণ দিব নোৱাৰে এতিয়া। তাৰ মাত শুনিলে চৰাইবোৰ ভুৰুংকৈ উৰি যাব। সিহঁতৰ বাহ এটা আজি বহুত দিনৰ পৰাই তলত বহি বহি চাই-চিন্তি থৈছে বজ্জাতে। সি অহা গম পাই আটাইবোৰ চৰাই উৰা মাৰিলেও এটা-দুটা পোৱালি সি জানো নাপাব বাহত! নোপোৱাটো হ'বই নোৱাৰে।

বজ্জাত যি ধৰণে আহিল, সেই একেটা ধৰণেই গৈ থাকিল— পাছৰ ডালটোত সাৱধানে ঠেংখন দি। অলপ ইফাল-সিফাল হ'লেই— ধুপুচ্।

এই বজ্জাত, নামি আহ। — উঠি থিয় হৈ শান্তাই মাতিলে।

বজ্জাত তেতিয়া জোপোহা ওখ ডাল এটাৰ পাতৰ আঁৰত আছিল।

বেছি সময় নহ'লেই। ডাল-পাতৰ মাজৰ পৰা বজ্জাতে ধৰফৰ কৰাৰ দৰে শব্দ এটা কৰিলে।

ইচ্। — শান্তাই চকু মুদি দিলে। কোনোবা এটা চৰাই মৰিল চাগৈ!

এইবাৰ বেছি জোৰত। ডাল-পাতৰ মাজত ছটফটনিৰ শব্দ। দেখি শান্তা একেবাৰে থৰ লাগিল। পাকঘূৰণি খাই বজ্জাত আহি ধুপুচ্কৈ মাটিত পৰিলহি। লগে লগে এজাক মৌ-মাখি নামি আহিল। বগা বৰণৰ বজ্জাতক ক'লা মৌ-মাখিবোৰে ঢাকি ক'লা কৰি পেলালে। তাৰ মাজতে এবাৰ কাতি হ'বলৈ যত্ন কৰিলে বজ্জাতে। অলপ সময়।

আবেলিৰ পাতলীয়া ৰ'দ। সেউজীয়া ঘাঁহৰ ওপৰত ক'লা বৰণীয়া বজ্জাত পৰি আছে। মৌবোৰে একেলগে ক'লা উৰণীয়া চপৰা যেন হৈ উৰি আকৌ শিলিখা গছৰ ডালত পৰিলগৈ। বজ্জাতে তাৰ আগৰ বৰণ আৰু ঘূৰাই নাপালে। হালধীয়া হৈ পৰি আছে ঘাঁহত। থৰথৰ্কৈ গাটো অলপ কঁপিল। তাৰ পিছত থিৰ হৈ গ'ল। শান্তাই খিৰিকিৰ চিকত ধৰি থিয় হৈ আছিল। অলপো লৰচৰ কৰিব নোৱাৰিলে। এবাৰ ভাবিলে— সন্ধ্যাৰ আগৰ ৰ'দত হয়তো অলপ হালধীয়া বৰণ থাকেই। বজ্জাতৰ গাটো হালধীয়া হৈছে সেই কাৰণেই।

এই বজ্জাত— বজ্জাত!

একো সাৰ-সুৰ নাই তাৰ। ঘৰতো কোনো নাই। গেটখনো খোলা। বলাই বোধকৰোঁ ওচৰে-পাঁজৰে আছে ক'ৰবাত। উমাই দূৰণিত ঘাঁহ খাই আছে। চোতালেদি শান্তা গৈ বজ্জাতৰ ওচৰ পালেগৈ। কাতি হৈ পৰি আছে। হাতেৰে টনাৰ লগে লগে তাৰ মুখখন

এইফালে আহিল। আকাশলৈ চাই আছে। বাঁও চকুত চোতালৰ মাটি সোমাইছে। আনটোত খোলাটোহে আছে, চকুটো নাই। চকুৰ দৰে কিবা এটা বস্তু থেতেলা খাই ফাটিছে। তাত তেজ বিৰিঙিছে। আবেলি সময়ত দেখাত ক'লাচানেকীয়া হৈছে।

শান্তাই এৰি দিয়াৰ লগে লগে মুখখন আকৌ মাটিৰ ফালে ঢলি পৰিল। ওপৰলৈ চাই দেখিলে— ডালে-পাতে গোটেই শিলিখা গছজোপা এতিয়া এন্ধাৰত বুৰ গৈছে। তাৰ ওপৰত নীলবৰণীয়া আকাশ। আজি বোধহয় জোন নোলায়। নতুন ঘৰটোতো কোনো নাই। আশে-পাশেও কোনো নাই এতিয়া। অলপ আগতে বজ্জাতৰ গাটো যেনেকৈ থৰথৰ্‌কৈ কঁপিছিল, সেইদৰে তেওঁৰ গাটোও কঁপি উঠিল। তথাপি, শান্তাই সাহসেৰে শিলিখা গছজোপাৰ ফালে চালে। চৰাইবোৰ উভতিছে। সেইবাবে, চেঁ-চেঁয়নি বেছি হৈছে। এতিয়া এন্ধাৰ হোৱাৰ লগে লগে কমিব। শান্তাই বুজিলে— সেইখিনিৰ পৰাই উৰণীয়া মৌবোৰ এটা ডাঙৰ চপৰা যেন হৈ নামি আহিছিল। তেওঁৰ ভৰিৰ কাষতে বজ্জাত পৰি আছে। এতিয়াই গোটেইখন এন্ধাৰ হৈ পৰিব। বলায়ে সিদিনা কৈছিল হয়— মৌ-মাখিবোৰে শিলিখা গছৰ ডালত বাহ লৈছে।

আঠ

গাখীৰ খীৰাইছিল বলায়ে— ডাঙৰ গুৱালে দুই আঁঠুৰ মাজত কৰীয়া লৈ যেনেকৈ খীৰায়, ঠিক তেনেকৈ। মুখেৰে কিবা কৈ আছে। উমা তাৰ বৰ বাধ্য। পুৱা-আবেলি দুবাৰ গাখীৰ খীৰায়। এতিয়া গাখীৰ একেবাৰে শুকাইছে। তথাপি ডেৰ কেজিমান হয়গৈ। ঘন ক্ষীৰৰ দৰে একেবাৰে। এসেৰত এপোৱা ছানা হয়। গাখীৰ দিওঁতে উমাৰ পাছফালেই আছিল গোহালিৰ দুৱাৰখন। বলাই দুৱাৰ মুখৰ পৰা আঁতৰি আহিল। পুৱা-আবেলি খীৰোৱাৰ সময়ত নানা হাটৰুৱা মানুহ আহি ওলায়হি। — গাভিনী হোৱা কিমান দিন হ'ল? গাখীৰ কিমান দিয়ে? দৈনিক খোৱা-খৰচ কিমান? বয়সনো কিমান? হেজাৰ প্ৰশ্ন। আকৌ ঘূৰি ঘূৰি উমাৰ ওহাৰখন চাব। এনেকৈ নজৰ দিয়েহি। আজি ৰাতিপুৱাই আকৌ তিনিজন আহি ওলাইছেহি।

গাখীৰৰ কৰীয়াটো ঘৰত দি আহি বলায়ে ক'লে— বাবু এতিয়াও উঠা নাই। শুই আছে।

সিহঁতৰ এটাই ক'লে— কানাই ক'ত?

বলাইৰ মূৰত দুষ্ট বুদ্ধি খেলাল। মনে মনে ভাবিলে— কানাই তোমাৰ বন্ধু নেকি? কানাইক কিনাৰ লোভ হৈছে তোমাৰ? ফুটাই ক'লে— বাৰু, মাতি দিছোঁ।

গোহালিৰ ভিতৰলৈ গৈ কানাইৰ পঘা সোলোকাই বলায়ে তাক বাহিৰলৈ আনিলে। তাৰ পিছত মানুহ তিনিটাৰ কাষলৈ তাক আনি ক'লে— কথা-বতৰা পাতা যদি পাতা।

বয়স কিমান?

দুবছৰমান হ'ব পাৰে।

সিহঁত তিনিওটা অবাক। কানাইক বলদ কৰিলে অকলেই সি যোল বিঘা চহাব এটা বাৰিষাত। মাটি ভঙাৰ পৰা আৰম্ভ কৰি মৈ দিয়ালৈকে অকল সিয়েই পাৰিব। যুৰীয়া বলদৰ আৰু দৰকাৰ নহয়। অৱশ্যে কানাইৰ যোৰৰ গৰু পোৱাও কঠিন।

প্ৰায়েই এনেকুৱা গ্ৰাহক আহে। কানায়ে সিহঁতক চায়। আজি বলায়ে তাৰ গাত হাল বুলাওঁতে কিবা এটা হ'ল। হঠাৎ কানায়ে আগ ঠেং দাঙি জপিয়াবলৈ ধৰিলে। তিনিওজনেই গ্ৰাহক বা গ্ৰাহক হয়তো এজনহে। বাকী দুজন সংগী। সিহঁতে কোম্পানী বান্ধৰ কাষেদি গৈ তললৈ নামি গ'ল। আৰু নামিলেই পানী। কানায়ে সেইখিনিলৈকে পাছে পাছে খেদি গ'ল।

সিহঁতৰ তিনিজনৰ এজনে পানীত পৰি চিঞৰিবলৈ ধৰিলে। — হেই, মাহিন্দিৰ, পোৱালিটো ধৰিবলৈ কচোন। এনেকুৱা গৰুক হালত যুতি পোহ মনাব পৰা নহ'ব।

বলায়ে কানাইক ধৰি গোহালিৰ কাষতে বান্ধি থ'লে। সিহঁত তিনিটা পুখুৰীতে পৰি থাকিল নে পুখুৰীৰ পৰা উঠি ৰেল লাইনৰ ফালে গ'ল, সেইটো চাবলৈ বলাইৰ এতিয়া সময় নাই। পাতিহাঁহৰ গড়ালৰ দুৱাৰ খুলিব লাগিব। বাঘাই গোটেই নিশা উজাগৰে থাকি বাৰান্দাত পায়চাৰি কৰিছে। তাক তাৰ গড়ালত শুৱাই দি কোঠাটো এন্ধাৰ কৰি থ'ব লাগিব, নহ'লে বাঘাৰ টোপনি নাহে। লৰালৰিকৈ গৈ অৰুণ-বৰুণহঁতৰ গড়ালৰ জপনাখন বলায়ে খুলি দিলে। ৰাজহাঁহ দুটা খৰধৰকৈ ওলাই আহিল। চন্দনেশ্বৰৰ গছ-গছনিৰ ওপৰেদি বেলিয়ে কোমল জিলিঙনি এই মাত্ৰ মেলি দিছে।

বহুত দিনৰ মূৰত অনাথে আবেলি বেলিকা বজাৰ কৰি উভতি আহিছিল। শ্যাম পালৰ নিজা মাছ জীওৱা পুখুৰী আছে। নিজৰ মাছ বিক্ৰী কৰা কেন্দ্ৰও আছে। তাৰ পৰাই জীয়া শিঙৰা মাছ অনাথে কিনি আনিছে। লৰালৰিকৈ ঘৰলৈ উভতিছিল।

ষ্টেচন বজাৰ পাৰ হৈ লেৱেল ক্ৰচিং পাই দেখিলে— ৰিক্সা আৰু নাযায়। তিনিখন গৰু-গাড়ী বাট নাপাই ৰৈ আছে। বৰ ভিৰ। আগ বাঢ়িবৰ উপায় নাই। আটাইতকৈ বেছি ভিৰ হৈছে নিশাপতিহঁতৰ চাইকেলৰ দোকানৰ মুখত। দুজন মানুহ দৌৰি ওলাই গ'ল। সিহঁতৰ চোলাত তেজৰ দাগ। ইজনৰ জেপ ফাটি ওলমি পৰিছে। ভিৰৰ য'ত গোলমাল, সেই আচল ঠাইত মানুহ ঠেলি সোমাব পৰা নগ'ল। অনাথে দূৰৰ পৰাই সন্তোষ টাকিৰ মাত শুনিলে। চিঞৰ-বাখৰ কৰি কাৰোবাক যেন কোনোবাই মাৰিছে। লগত তাৰ নিজৰ মানুহো আছে। সিহঁতে এই টিকট নোহোৱা চাৰ্কাচৰ ভিৰ চম্ভালিছে।

জুমটো পাৰ হৈ ঘৰলৈ যাওঁতে বাটত অনাথে যি শুনিলে, সেইটো হ'ল— দক্ষিণা চক্ৰবৰ্তীৰ হৈ সন্তোষ টাকিয়ে এতিয়া মাটি-খোৱা মানুহবোৰক এসেকা দিছে। দক্ষিণাৰ মাটি-বাৰী বাপেকৰ দিনৰে। পৰিমাণ কম নহয়। তদুপৰি, বিদ্যাধৰীৰ চৰৰ সংলগ্ন কিছু মাটি নদীখন মৰা নদী হোৱাৰ বাবে দক্ষিণাৰ দখললৈ আহিছে। সেইখিনিতো বিশ-ত্ৰিশ

বিঘামান হ'ব। গোটেইখন বালি। তৰমুজ, চিৰালৰ ভাল খেতি হৈছে আজি কেইবাবছৰো। সেই ঠাইত কেইজনমানক মাটি খাবলৈ দিছিল দক্ষিণাই । সিহঁতৰে এজনে তৰমুজৰ ভাগ দিয়া নাই বুলি নিশাপতিৰ দোকানৰ মুখত এই ভিৰ হৈছে। দক্ষিণাই মাটি-খোৱা মানুহক সেকা দিয়াৰ ভাৰ দিছে সন্তোষ টাকিক। মানুহে কৈছে– এই সম্পৰ্কত পুলিচৰ লগত কাৰবাৰ কৰাৰ ভাৰ স্বয়ং দক্ষিণাই লৈছে। ঘৰৰ পদূলিত সোমাওঁতেও অনাথে সন্তোষৰ হাতৰ লাঠিডাল আৰু ধমক দিয়া দৃশ্য স্পষ্টকৈ দেখিছিল। শুনিবলৈও পাইছিল।

চৰৰ সংলগ্ন মাটিৰ ভাগ লৈ খেতি কৰিবলৈ হ'লে গোটেই নিশা উজাগৰে থাকিব লাগে। নহ'লে তৰমুজ, চিৰাল একোৱেই চোৰৰ হাতৰ পৰা ৰক্ষা কৰিব নোৱাৰি। দিনত বালি-মাটি তপত হৈ থাকে। ৰাতি আকৌ বেয়াকৈ জাৰ পৰে। অতিপাত সাৱধান নহ'লে কোনো খেতিয়কে ইয়াত তিষ্ঠিব নোৱাৰে। শেষত খাটনিয়েই সাৰ হয়গৈ। অতিপাত খাটনি, তাতে জমিদাৰক দিব লগা ভাগৰ কথাতো আছেই। তাৰ পিছতে আছে ভাগ্য। তেনেকুৱা কোনোবা এজন বিফল খেতিয়কেই মাৰ খাইছিল সন্তোষৰ হাতত। দক্ষিণাই এনেকৈ খেতিয়কসকলক উৎখাত কৰিছে– এই কথা ইয়াত সকলোৱে জানে। খেতিয়ক-সকলে কয়– আমি দেহা মাৰি এই তিনি বছৰত ঠাইটুকুৰা সোণতলী কৰি তুলিলোঁ। আৰু দুটা বছৰ বঢ়াই দিয়ক। সুতে-মূলে পইচা উঠি যাব। জমিদাৰো সন্তুষ্ট হ'ব। দক্ষিণাই শুনা নাই। নতুন মানুহক মাটি দিব। সিহঁতে নগদ টকা বেছিকৈ দিব। তদুপৰি, দক্ষিণাৰ এতিয়া বহুত পইচাৰ দৰকাৰ। সমুখত ভোটৰ দিন। মাইক। মটৰ-গাড়ী। পোষ্টাৰ। গাঁৱে গাঁৱে শ্লোগান ভাহি উঠিছে বতাহত– জনতাৰ প্ৰাৰ্থী দক্ষিণা চক্ৰবৰ্তী।

পঞ্চাননতলাৰ বিপৰীত ফালেই পঞ্চানন অপেৰা পাৰ্টিৰ অফিচ। আজি ভালেমান দিন তলা বন্ধ। বাটেদি গৈ থকাৰ সময়ত ৰিহাৰ্চলৰ বচন মতা আৰু নুশুনি। সেই ঘৰটোৰ বাৰান্দাতে বহি মুঠা মুঠাকৈ বিড়ি বান্ধি আছিল তিনিজন মানুহে।

কলিকতাৰ পৰা তিনি বাজি কুৰি মিনিটৰ ট্ৰেইনখন আহি পালেহি। ঠিক এই সময়তে মূৰত জঁটা থকা মানুহ এটাই পঞ্চাননতলাৰ মুখৰ বাটটোতে চিঞৰিবলৈ ধৰিলে– যেন তাক কোনোবাই মাৰিহে পেলাইছে, চিঞৰটো সেই ধৰণৰ। – পিতাই ঔ। বৌটি ঔ। মোক এৰি দিয়া। আঘাত বেছিয়েই।

মজাৰ কথাটো হ'ল– তাক কোনেও আহি ধৰাহিও নাই। অলপ পিছত মানুহটো শান্ত হ'ল। যিকেইজনে বিড়ি বান্ধি আছিল, সেই কেইজনৰে এজনে এঘটি পানী দিলেহি। – খাই লোৱা জগেন ককাইটি।

বাৰান্দাত বহি জগেনে ক'লে– ডাঙৰ বাতাচা এখন মোক লাগে।

তাকো তেওঁবিলাকে আনি দিলে। পানী খাই জগেনে ক'লে– একটিং কেনে হ'ল, কোৱাচোন।

চমৎকাৰ হৈছে। এতিয়া ঘৰলৈ গৈ শুই থাকাগৈ। ৰ'দ কেনেকুৱা চোকা দেখিছা নে নাই?

ক'তা? মোৰ দেখোন জাৰহে লাগিছে। সেইদেখি কোট পিন্ধি আছোঁ।

যিজনে পানী দিছিল, তেওঁ একো নকৈ মনে মনে চাই থাকিল। এই গৰমত ইলেকট্ৰিক ট্ৰেইন জুই হৈ আছে। বতাহ অলপো নাই। পঞ্চাননতলাৰ মূৰলৈ যিজোপা ছাঁ থকা গছ আছে সেইজোপাৰ পাত এটাও লৰা নাই। তথাপি, কৈছে– জাৰ লাগিছে!

ডাব, তাড়ি, মাছ লৈ যিবোৰ মানুহ কলিকতালৈ যায়, সিহঁতে এই ট্ৰেইনতে উভতি আহি এতিয়া ঘৰমূৰা হৈছে। সিহঁতৰ এজনক ৰখাই জগেনে এডাল চিগাৰেট খুজি ল'লে। চিগাৰেটডাল একে টানতে শেষ। তাৰ পিছত আকৌ সেই চিঞৰ। – মোক ধৰি নিনিবা। এৰি দিয়া বুলি কৈছোঁ।

দক্ষিণা চক্ৰবৰ্তীৰ নুমলীয়া ল'ৰা বিকাশে কলিকতাৰ আশুতোষ কলেজত পঢ়ে। অলপতে নাম লিখাইছে। হাফপেণ্ট এৰিছে, কিন্তু চুৰিয়া ভালকৈ পিন্ধিব জনা নাই। সি ৰৈ ৰৈ জগেনক চাই আছিল। ওচৰলৈ আহি সুধিলে– তোমাক ধৰিছে কোনে?

মোক এৰুৱাই দিয়া। অলপ কষ্ট কৰা। আঘাত বেছিয়েই।

কোনেনো ধৰি আছে তোমাক?

চিনি নাপাওঁ।

বাটেদি যোৱা মানুহৰ কোনোবাই জগেনলৈ মন কৰে, কোনোবাই নকৰে। আগেয়ে সি আছিল– জগেন যাত্ৰা, এতিয়া সি জগেন বলিয়া। লেৱেল ক্ৰচিং পাৰ হৈ বাঁও হাতে ষ্টেচন বজাৰৰ মুখতে জগেনৰ জোতাৰ দোকান। আজি ভালেদিন সেই দোকানৰ তলাবন্ধ।

ডোবা পাৰ হৈ বিকাশ ঘৰলৈ উভতিল। এই সময়কণ তাৰ বৰ ভাল লাগে। এই সময়তে ঈশ্বৰীতলাত ছাঁ পৰে। সন্ধিয়াৰ আগে আগে বতাহ মাৰে। সেউজীয়া বৰণৰ ইলেকট্ৰিক ট্ৰেইনখন পিছৰ ষ্টেচনৰ ফালে বেগেৰে গৈ থকা চকুত পৰে। ইয়াৰ তুলনাত সি কলিকতাত কোনো ৰং দেখিবলৈ নাপায়। গোটেই চহৰখন কিবা উকা-উকা লাগে।

সন্ধ্যাৰ আগে আগে বিকাশে দেখিলে– লিলিক লৈ টুকুৱে কোম্পানী বান্ধত ফুৰিছে। লগত সিহঁতৰ বাঘা। এই কুকুৰটোৱেই যত কূটৰ ঘাই। এদিন সি টুকুৰ সৈতে কথা পাতি আছিল। কুকুৰটো আগৰ দৰেই আহি ওলালহি। তেতিয়া আৰু কথা পাতিব পাৰি জানো?

এক্সাৰচাইজ বুকৰ পাত এখিলা ফালি বিকাশে লিখিবলৈ বহিল। – প্ৰিয় টুকু–

দুপৰীয়া উমাৰ বিষ আহিল। অনাথ আৰু অফিচলৈ যাব নোৱাৰিলে। আবেলি নৌ-হওঁতেই পোৱালি জগিল। দমৰা। সন্ধ্যা দেখা গ'ল– নতুন বগা বৰণীয়া পোৱালিটোৱে ডেও দি ফুৰিবলৈ চেষ্টা কৰিছে, কিন্তু পৰা নাই।

বলায়ে ভালেমান পৰ লাগি উমাক খীৰাই এবাল্টি গাখীৰ উলিয়ালে। এইখিনি গাখীৰ পোৱালিয়ে খাব নোৱাৰে। এইখিনি গাখীৰ মানুহেও খাব নোৱাৰে। খালে পেট

চলিব। সন্ধ্যাৰ এবাল্টি গাখীৰ বলাইৰ কান্ধত দি শান্তা পঞ্চাননতলালৈ গ'ল। লগত টুকু আৰু লিলি। উমাৰ নতুন পোৱালিটো জীয়াই ৰাখিবলৈকে কানাইক বান্ধি থ'বলগীয়া হৈছে। নহ'লে খুঁচি খুঁচিয়েই মাৰি পেলাব। পোৱালি দি উমাই এতিয়া মুকলি আকাশৰ তলত থিয় দি ডাঙৰ এটা গামলাত পূৰকৈ দিয়া খাদ্য খাবলৈ পাইছে। নিসনি, গুড়, ভুচি বেছিকৈ মিহলোৱা হৈছে শুকান খেৰৰ সৈতে। তাই খাইছে আৰু মুখ তুলি পোৱালিটো চাইছে।

খিৰিকিৰ কাষত বহি অনাথে তেওঁৰ খাতা খুলিছে। ঘৰখন এতিয়া খালী। শান্তাৰ পাছে পাছে টুকু গৈ আছিল। তাইৰ মাত শুনিবলৈ পালে। বলাইক সুধিছে— উমাই দিনে কিমান গাখীৰ দিব?

বলায়ে কিবা এটা ক'লে। টেবুলত বহি অনাথে ইমান দূৰৰ পৰা একো শুনিবলৈ নাপালে। বোধকৰোঁ শান্তাই ভেকাহি মাৰি দিলে। অনাথে কোম্পানী বান্ধটোৰেদি তেওঁৰ নিজৰ ঘৈণীয়েক, দুজনী জীয়েক, বলাইক খোজ কাঢ়ি গৈ থকা দেখিবলৈ পালে। শান্তাৰ মূৰত ওৰণি। এন্ধাৰে আৱৰি ধৰা পোহৰত সহযাত্ৰী টুকু আৰু লিলিক দুটা ক'লাবৰণীয়া সৰল ৰেখা যেন দেখা গৈছিল, তাতকৈ বেছি আৰু একো নহয়। সকলোৰে আগত বাঘা।

লৰালৰিকৈ অনাথে খাতাখন মেলি বহিল। আজিকালি বহুত কথাই তেওঁৰ মনত পৰে। পিছত পাহৰি যায়। আজিৰ পৰা তেওঁ লিখি থ'ব। এই মুহূৰ্তত উমাৰ লগে লগে এক ধৰণৰ আন এবিধ তৃপ্তিত কোম্পানী বান্ধৰ ওপৰৰ আকাশলৈ চালে। সন্ধ্যাৰ হেঙুলীয়া আকাশত দুচপৰা ডাৱৰ ওলমি আছে। আকাশ যদি এটা ঘৰ হয়, ডাৱৰ দুচপৰা তাৰ দুৱাৰ। সেই ঘৰত জুই লাগিছে। চকুৰ আগৰ পৰা বেলি নাইকিয়া হ'লেই ঘৰটো এন্ধাৰত বুৰ যাব। অনাথে তেওঁৰ খাতাত লিখিলে—

আকাশ তৰল বস্তু। চুব নোৱাৰি। ক্ষণে ক্ষণে সলনি হয়। আগৰ ক্ষণটো আৰু ঘূৰি নাহে। এইবোৰ মাথোঁ নিৰীক্ষণৰ বিষয়। মহম্মদ বাজিকৰ আহিছিল। সি মোক প্ৰতিদিনে দুচামুচকৈ আকাশ খাবলৈ পৰামৰ্শ দিছে। তাৰ মতে, তাৰ পৰা মনটো ভালে থাকিব। আকাশতো আমি সকলো সময়তে খাই আছোঁ। মুখ মেলিলেই ভিতৰ পায়গৈ। শূন্যৰ পৰা মাটিলৈকে এই আকাশ নামি আহিছে।

শান্তাই কিবা এক নতুন অনুভূতিত আপ্লুত হৈ পঞ্চাননতলালৈ গ'লগৈ। বাবা পঞ্চানন্দ ফুল-বেলপাতৰ তলত প্ৰায় হেঁচা খাই পৰি আছে। এইমাত্ৰ ভিতৰত চাকি জ্বলাইছে। আন আন শিলৰ দেৱ-দেৱীসকল পোহৰ পাই চিক্‌মিকাই উঠিল।

শান্তাই বাবা পঞ্চানন্দৰ ফালে বহলকৈ চকু মেলি চালে। বলাই আগলৈ গৈ এবাল্টি গাখীৰ সেই শিলামূৰ্তিত ঢালি দিলে। শান্তাই মনতে ভাবিলে— বাবা, আমাৰ উমাই যেন সদায় এনেকৈয়ে গাখীৰ দিয়ে। তোমাক ব'হাগ মাহৰ পুৱা ভোগ দিম। বলায়ে ঝাৰিও বহুৱাই থৈ যাবহি।

পঞ্চানন্দৰ কাষতেই নাৰায়ণ মূৰ্তি। শান্তাই গলবস্ত্ৰ হৈ প্ৰণাম কৰিলে। মূৰ তোলাৰ আগতেই শান্তাই মনে মনে ভাবিলে— আপোনাসকল দেৱতাবৃন্দ ইয়াতেই আছে। আপোনালোক আটায়ে টুকুক অলপ চাব। তাইক লৈ মোৰ বৰ ভয়। টুকুক সুমতি দিয়ক। আহিবৰ সময়ত ৰূপৰ টকা এটা দলিয়াই দি থৈ আহিল। শিলত লাগি টংকৈ শব্দ এটা হ'ল। লগে লগে বাটৰ দুটা নাঙঠ-পিঙঠ ল'ৰা দৌৰি আহি মন্দিৰৰ ভিতৰত সোমালহি। বাবাৰ ঘৰত কোনো পহৰা নাই। নাথাকেও। এয়ে ঈশ্বৰীতলাৰ নিয়ম।

তেতিয়া অনাথে তেওঁৰ খাতাত লিখিছিল—

বিৰজা ডাক্তৰৰ সৈতে আৰু দেখা-শুনা হোৱা নাই। সেই চাৰ্কাচ পাৰ্টিটোৱে এতিয়া নিশ্চয় আন ক'ৰবাত তম্বু তৰিছে। সেইদিনা সন্ধ্যা সময়ত চাৰ্কাচৰ বাঘটোৰ চকুত যেন দুটা মাৰ্বল জ্বলি আছিল। গামা ককাইটিয়ে আঁতৰাই নিনিয়া হ'লে, মোক নিশ্চয় কামুৰিলেহেঁতেন। বিৰজা ডাক্তৰৰ ল'ৰাটোৰ বাবেই ঘৰৰ কাষৰ দেৱদাৰুজোপা টকলা হ'ব লগা হৈছিল। এতিয়ামানে নিশ্চয় নতুন ডাল হ'বলৈ আৰম্ভ কৰিছে। বিৰজা বাবু নোহোৱা হ'লে উমা গাভিনী নহয়। মই পুখুৰীৰ পানীত পৰি গৈছোঁ, তেতিয়াও চাৰ্কাচৰ ছোৱালীজনীয়ে হাঁহিহে আছিল। হাঁহিৰ কোবত তাইৰ কঁকালৰ জাঙিয়াটো কঁপি উঠিছিল। ডাঙৰ তম্বুটোত তেতিয়া বাজনা বাজি আছিল। এইবোৰ ঘটনা আকাশৰ তলতে ঘটে।

অনাথৰ চকুত পৰিল— নতুন পোৱালিটো থৰক-বৰককৈ আহি মাকৰ কাষত ৰৈছেহি। উমাই তাৰ গাটো চেলেকিবলৈ ধৰিলে।

অৰুণ-বৰুণ সিহঁতৰ গড়ালত সোমাইছিল। সিহঁত দুটাই এই দৃশ্য দেখি একেলগে কোৱাক্ কোৱাককৈ মাতিলে। পোৱালিটোৱে সেই বিকুলৰ ধ্বনি শুনি বৰ ভয় খালে। সেই আৱাজতে তজবজীয়া লেগহৰ্ণকেইটাই পেৰেড কৰা কনিষ্টবলৰ দৰে একেলগে ৰাইট এবাউট টাৰ্ণ কৰিলে।

কোম্পানী বান্ধৰ গাতে লাগি থকা বেছি ঘৰ নাই। তিনি-চাৰি ঘৰমান মানুহ আছে। ঈশ্বৰীতলাৰ এই ফালটো এতিয়াও মুকলি। পুখুৰীৰ সিপাৰৰ বাঁহনি, ইটাখোলাৰ গাঁত, ৰেলৰ ডিচটেণ্ট চিগনেলৰ পোহৰ— এই আটাইবোৰেই ইয়াৰ পৰা জিলিকি আছিল। তাৰ মাজেদিয়েই সন্ধ্যাৰ বতাহ আহি অনাথৰ গাটো জুৰ পেলাই গ'ল। ৰাতিয়ে এতিয়া দিনক গ্ৰাস কৰাৰ সময়।

জগেন বলিয়াক ওচৰলৈ অহা দেখি লিলিয়ে 'আই' বুলি চিঞৰি শান্তাক সাৱটি ধৰিলে। বলায়ে ভেকাহি মাৰি দিলে। — এই জগেন ককাইটি। হৈছে কি? বলিয়াৰ ভাও জুৰিছ?

শান্তা আঁতৰি গৈ এখোজ-দুখোজকৈ যাবলৈ ধৰিলে। তেওঁ ভালকৈ জানে— জগেন যাত্ৰাৰ এই বলিয়ালি ভাও নহয়। সেইদিনা ৰাতি বাঘাৰ কাৰণেই যাত্ৰা পণ্ড হওঁ হওঁ হৈছিল। শান্তাই সকলো শুনিছে। সেইদিনা ৰাতিয়েই জগেনৰ জোতাৰ দোকানৰ দুৱাৰ ভাঙি কোনোবাই চুৰ কৰিলে। গোটেই ঈশ্বৰীতলাৰ মানুহে জানে। বেংকৰ মানুহ

আহিছিল— টুকুৰ দেউতাকৰ ওচৰলৈ, সাক্ষ্য ল'বলৈ। একেলগে দুটা বেজাৰ। প্ৰথমতে জগেনৰ বেবেৰিবাং কথালৈ কোনেও কাণ দিয়া নাছিল। তাৰ পিছত দেখা গ'ল— জগেনে ষ্টেচনৰ ওখ পানীৰ টেংকিত উঠি গাৰুৰ গিলিপ লৰাই চিগনেল দিছে। তেতিয়াই কথাটো ধৰা পৰিল। তেতিয়া বহুত পলম হৈ গৈছিল।

বাঘা বলাইৰ ওচৰা-উচৰিকৈ আগে আগে গৈ আছিল। জগেনৰ কিবা মন উফৰিল, আকৌ ঘূৰি আহিল। মুখত একেটাই কথা — চিঠি! চিঠি!! চিঠি!!!

গমকলৰ পৰা পোহৰ আহি পৰিছেহি জগেনৰ গাত। মূৰত জঁটা। শুদা গাত বুকু-খোলা কোট। পেণ্টৰ বাঁও ভৰিছোৱাৰ বেছিভাগ নাই। গালৰ দাড়িখিনিত বাঁও হাত বুলাই আছিল। সোঁ হাতত সঁচাকৈয়ে এখন কাগজ। মেৰাই লৈছে।

আকৌ জগেনে চিঞৰিলে— চিঠি! চিঠি!! চিঠি!!!

এনেকুৱা মাত বাঘাই একেবাৰে সহ্য কৰিব নোৱাৰে। সি সকলোতকৈ আগতেই পুখুৰীৰ সিপাৰ পালেগৈ। শান্তাও দীঘল দীঘল খোজ দি আগ বাঢ়িল। লিলিয়েও তাকেই কৰিলে। পূজা দিয়াৰ পিছত টুকুৱে মিচিৰিৰ ঢেলা এটা পাইছিল। তাকে কামুৰি চোবাই গৈ আছিল। এবাৰ হঠাতে তাই জগেনৰ মুখতে ওলালহি।

বজাৰ পাবগৈ লাগিব বুলিয়েই শান্তাই টুকুক শাৰী এখন পিন্ধাই আনিছে। ৰাস্তাৰ লাইটৰ পোহৰত জগেনৰ মুখখন টুকুৰ চকুত কটা মূৰ হৈ ওলমি থকা যেন লাগিল ; কাৰণ, জগেনৰ শৰীৰৰ বাকী অংশ এন্ধাৰত। টুকুৱে আচৰিত হৈ সুধিলে— কাৰ চিঠি?

তোমাৰ। এইখন। — জগেনে প্ৰায় টুকুৰ হাতখন মেলি তাত গুজি দিলে। দিয়েই যেনেকৈ আহিছিল তেনেকৈ গুচি গ'ল। টুকুৰ হাতৰ পৰা কাগজখন পৰি গ'ল। মাক আগত গৈছে। বাঘাই পুখুৰীৰ সিপাৰৰ খেজুৰতলৰ পৰা মাতিছে। কিবা মন গ'ল — টুকুৱে বুটলি ল'লে। এক্সাৰচাইজ বুকৰ পাত এখিলা। এবাৰ মেলি চালে। গোটা গোটা আখৰেৰে কিবা লিখা আছে। হাতৰ মুঠিত লৈ পুখুৰীৰ পাৰেদি দৌৰি গ'ল টুকু। মাক লগ ধৰিবগৈ লাগিব। অকলে তাই যাব নোৱাৰে। খেজুৰতলখন এন্ধাৰ।

আই, জগেন যাত্ৰাই এইমাত্ৰ এখন কাগজ দিলে—

পেলাই দে। সিহঁতৰ হাতবোৰ লেতেৰা হৈ থাকে।

লিলিয়ে মাত লগালে— বাইদেউ, নেপেলাবি। কেতিয়াবা বলিয়াবোৰৰ হাতত মন্ত্ৰৰ কাগজ থাকে বুলি শুনিছোঁ। তাৰ পৰা তোৰ উপকাৰো হ'ব পাৰে।

বায়েক হিচাপে টুকুৱে ক'লে— একেবাৰে পকি গৈছ! এইদৰে কৈও তাই কাগজখন পেলাই দিব নোৱাৰিলে।

বাৰান্দাখনত উঠিয়েই শান্তাই অনাথক দেখিলে। অনাথে টেবুলৰ পৰা আহি নতুন পোৱালিটোক এইমাত্ৰ কোলাত লৈ শুকান খেৰৰ গাদীত বহুৱাই দিছে। আজি ৰাতি বলাই গোহালিৰ কাষতে শুব। কানায়ে আঘাত কৰিব পাৰে। বগা ৰঙৰ পোৱালি। ক'লা

চকুকেইটা টঁ-টঁকৈ জিলিকিছিল। নাকৰ আগটো একেবাৰে আইনাৰ পেপাৰৱেইট! বলায়ে তাক গাখীৰ খাবলৈ শিকাব।

শুনিছানে— দক্ষিণা বাবু, ননী বাবু, শশী বাবুহঁতৰ ঘৰলৈ কাইলৈ মই গাখীৰ পঠিয়াম। আটায়ে ভাল পাব।

পঠিয়াবা।

উমাক কাইলৈ ৰাতিপুৱা লাউৰ পায়স ৰান্ধি দিব লাগিব।

আই, চোৱাঁ। জগেন যাত্ৰাৰ কাগজত মোলৈ কোনোবাই চিঠি লিখিছে—

শান্তাই মুঠেই কাণ নিদিলে। লিলি আৰু টুকুৱে ইমানপৰে পোহৰত মেলি লৈ পঢ়াৰ চেষ্টা কৰিছিল। কাগজখন জাপি থোৱা আছে।

সঁচা আই, পঢ়ি চোৱাচোন।

অনাথে কাগজখন হাতত ল'লে। — তোমালোকে এতিয়া হাত-ভৰি ধুই পঢ়িবলৈ বহাঁ। মই চাম বাৰু। বলাই, অলপ চাহ কৰিবিনে?

ঘৰৰ কাম কৰিবলৈ শান্তা মাজে মাজে একোবাৰ ওলাই গৈছিল। টুকুৱে নন্দ বাবুৰ হ'মৱৰ্ক একো বুজি নাপায়। এইবোৰ বুদ্ধিৰ অংক তাইৰ মূৰত একেবাৰে নোসোমায়। এতিয়া গোটেই ঈশ্বৰীতলাৰ পথাৰে পথাৰে ধানৰ গোছ ডাঙৰ হৈ ক'লা বৰণ ধৰিছে। দিনে দিনে বৰ ধুনীয়া দেখা হৈছে। অংক এৰি দি টুকুৱে ৰং পেন্সিলেৰে ছবি আঁকিবলৈ আৰম্ভ কৰি দিলে। লিলিয়ে একান্ত মনে পেন্সিল কাটিছিল। আগটো সৰু হৈ মুটুক্ কৰে ভাগি গৈছিল।

লিলি উঠি দেউতাকৰ কোঠালৈ গ'ল। তাইৰ দেউতাকে কেতিয়াবা খাতা মেলি কিবাবোৰ লিখে। আকৌ ৰেকৰ্ড বজাই গান শুনে। এতিয়া খিৰিকিয়েদি এন্ধাৰত কিবা চাই আছে। টেবুলৰ তলত বাঘা গহীন হৈ বহি আছে। আনদিনা, এই সময়ত বজ্জাত বাচি থকা হ'লে তাৰ লগত এন্ধাৰ চোতালত বাঘাই খেলি থাকিলহেঁতেন— দৌৰাদৌৰি।

বাবু, আমাৰ ঘৰলৈ কোনো নাহে কিয়? মানে, ফুৰিবলৈ নাহে কেলেই?

আমি কলিকতাৰ পৰা দূৰত থাকোঁ নহয়, সেইবাবে।

সেইবুলি দদাইদেউ, বৰদেউতাহঁত নাহিবনে?

সময়নো ক'ত? আটায়ে কামত লাগি থাকে।

কিয়? শশী বাবুৰ ককায়েক চন্দননগৰৰ পৰা আহে।

তেওঁ ৰিটায়াৰ কৰিছে।

আমাক ক'ৰবালৈ ফুৰাবলৈ লৈ যোৱা বাবু।

বাৰু, এনুৱেল পৰীক্ষা হৈ য'ক।

লিলিয়ে খিৰিকিৰ বাহিৰৰ এন্ধাৰত চাই দেখিলে— কেউফালে পোহৰ কৰি, ইলেকট্ৰিক

ট্ৰেইনখনে মানুহ-দুনুহ লৈ ঈশ্বৰীতলা এৰি থৈ গৈ আছে। ইয়াত ৰহি এন্ধাৰৰ মাজত এই ছবিখন সাইলাখ চিনেমাৰ নিচিনা। বহুত দূৰেদি যোৱাৰ কাৰণে কোনো শব্দ নাই।

অনাথে জানে– এইখন ঘৰত তেওঁ শান্তা, টুকু আৰু লিলিক সকলো দিব পাৰে। কলিকতাত যিবোৰ বস্তু পোৱা যায়– সকলো। কলিকতাৰ মানুহৰ ভিৰে সেইবোৰ দিব নোৱাৰে। শব্দ। কথা-বাৰ্তা। লগালগিকৈ থাকিলে একেটা চুবুৰীৰে বুলি যি ভাব এটা আটাইৰে হয়, ঈশ্বৰীতলাৰ কোম্পানী বান্ধৰ কাষৰ মুকলি পথাৰৰ মাজত সজা নতুন ঘৰত সেই বস্তুটো একেবাৰে পোৱা নাযায়। বৰষুণৰ ৰাতি ধুমুহা-বতাহৰ লগত অহা আছাৰকণি বৰ ভাল লাগে– কিন্তু ওচৰত কোনো জন-প্ৰাণী নাই। মানুহ বুলিবলৈ নাই। খিৰিকি মেলিলেই কেৱল অন্ধকাৰ। ইয়াৰ সলনি কৰাটো তেওঁৰ পক্ষে সম্ভৱ নহয়।

ৰাতি খোৱা-বোৱাৰ পিছত অলপ সময় ৰেকৰ্ড বজালে। শান্তায়ো শুইছিল। অনাথে মাতি ক'লে– সিহঁতৰ গাত কাপোৰ দি এই কোঠাটোলৈ অলপ আহিবা।

গোটেই ঘৰখন নিজান। শান্তাই তামোল এখন পকতিয়াই মুখত ল'লে আৰু এখন অনাথক দি ক'লে– কি ক'ব খুজিছা কোৱাঁ। বৰ টোপনি ধৰিছে মোৰ। দিনটো অকণো কাতি হ'ব পৰা নাই।

তোমাৰ ছোৱালীলৈ লিখা চিঠি দেখিছানে? – অনাথে কাগজখন শান্তাৰ হাতত দিলে।

শান্তাই খাটখনত বহি পঢ়িবলৈ লাগিল।

প্ৰিয় টুকু,

মই তোমাক ভালপাওঁ। সেইদিনা কোম্পানী বান্ধত তুমি যেতিয়া বাঘাক লৈ খেলি আছিলা, মই তেতিয়া কলেজৰ পৰা উভতিছোঁ। গছ-গছনিৰ মাজত বাঘাক লৈ তুমি দৌৰা-দৌৰি কৰা দৃশ্যটো মই নোচোৱাকৈ থাকিব নোৱাৰিলোঁ।

তাকেই বোধকৰোঁ ভালপোৱা বোলে।

আজিকালি সকলো সময়তে তোমাক চাবলৈ মন যায়। তোমালোকে যাত্ৰা চাবলৈ গ'লে মোক খবৰ দিবা। ময়ো পেণ্ডেলত গৈ বহি থাকিম।

তোমালোক ইয়াৰ মানুহ নহয়। তোমাৰ দেউতাৰা প্ৰথম যেতিয়া ইয়ালৈ আহে, মই তেতিয়া ক্লাচ ফ'ৰত পঢ়িছিলোঁ। তুমি একেবাৰে সৰু আছিলা। লিলিক মাটিত বগাই ফুৰা দেখিছোঁ।

তুমি মোতকৈ বহুত সৰু। মই এতিয়া কলেজত পঢ়োঁ। পঢ়া-শুনাত বৰ খাটনি। এটা লেক্‌চাৰ মিচ কৰিলে বহুত লোকচান হয়। সেইবোৰ তুমি নুবুজা। এদিন তুমিও ডাঙৰ হ'বা, তেতিয়াহে বুজিবা– কলেজৰ পঢ়া-শুনা কি বস্তু, ভালপোৱা কাক বোলে। মই

জানো, এই চিঠিৰ মৰ্ম তুমি নুবুজা। তথাপি লিখিছোঁ। তোমাক নেদেখাকৈ থাকিব নোৱাৰোঁ। উত্তৰ দিবা। ইতি

তোমাৰেই

বিকাশ

পুঃ দেউতা এতিয়া ভোটত লাগিছে। দুপৰীয়া একতলাৰ চ'ৰা-ঘৰ শূন্য হৈ থাকে। তেতিয়াই আহিব পাৰা।

চিঠিৰ পৰা মুখ তুলি শান্তাই অনাথৰ পিনে চালে। – ল'ৰা একেবাৰে পকা। তোমাৰ ছোৱালীয়ে একো কৰা নাইতো?

মাক হৈ তুমি নাজানা। – তাৰ পিছত হাঁহি ক'লে– ল'ৰাটো পকা নহয়। সৰল। এই বয়সত এনেকুৱা হয়েই।

কেনেকৈ হয়, কোৱাচোন। টুকুৰ বয়সনো কিটো হৈছে? গ্ৰথ বেছি হৈছে বুলিয়েই আটায়ে ভুল কৰে। ছোৱালীজনীও উৎপতীয়া। গোটেইখন ভ্ৰমি ফুৰে। কাইলৈ ৰাতিপুৱাই কৈ দিম– স্কুল আৰু ঘৰ, তাৰ বাহিৰে ক'লৈকো যাব নোৱাৰ।

সেইটো কেলেই কৰিবা? তাইৰ দোষ কি? যেনেকৈ চলিছে, তেনেকৈয়ে চলিবলৈ দিয়া।

ইয়াত থাকিলে তোমাৰ ছোৱালী মানুহ হ'ব নোৱাৰে। নষ্ট হ'ব। ল'ৰাবোৰ ভাল নহয়।

এটা ল'ৰাও বেয়া নহয়, শান্তা। একেবাৰে লগে-ভাগে নুফুৰে বাবেই এই অৱস্থা। তোমাৰ টুকুৰ মনত এইবোৰ ভাব হৈছে নেকি?

তাইৰ কথা নক'বা। তাইনো কি জানে? সময় হ'লেহে মানুহে শিকে।

জানো শান্তা। তাইৰ এতিয়া বঢ়াৰ বয়স। ক'ৰবাত কিবা বাধা দিলেই খঙত কিবা কৰি পেলাব। তেতিয়া ৰাখিব নোৱাৰিবা, শান্তা।

আজিকালি দেখোন শোৱাৰ আগতে নিতৌ ৰাতি তিনি-চাৰিটা মিঠাই থালত দি কেলেণ্ডাৰৰ শ্ৰীকৃষ্ণক সেৱা কৰে। তাৰ পিছতহে শোৱে।

কথাটো কি, শান্তা?

একো নাই। ৰাতিপুৱা উঠি সেই মিঠাই নিজেই খায়। লিলিৱে কৈছিল– প্ৰভু, মই যেন অংকত ভাল হওঁ, ইংৰাজীত যেন পাছ কৰোঁ– এইবুলি হেনো সেৱা কৰে। চোৱা, তোমাৰ ছোৱালীৰ কাণ্ড।

তাইক সীতাকুণ্ডৰ স্কুলত নাম লগাই দিম, শান্তা। ট্ৰেইনত আহিব-যাব। মুঠেই দুটা ষ্টেচনহে। তেতিয়াহ'লে কাৰো লগত দেখা-শুনা নহয়। সময়েই নাপাব। স্কুলখনো ভাল।

দুয়ো অলপ সময় মনে মনে থাকিল। ঈশ্বৰীতলাৰ পথাৰবোৰত এতিয়া ভৰি দিবলৈকে

ঠাই নাই। গোটেইখন ধান। গোছবোৰ দিনে দিনে লহ্‌পহ্‌কৈ বাঢ়ি আহিছে — একেবাৰে টুকুৰ দৰে। বলাইৰ বাপেক ভগীৰথে কয়— ধানৰ গোছ নহয়, অমৰ লতা, বাবু। মৃত্যু নাই। বছৰে বছৰে আকৌ ঘূৰি আহে। এইবিধ শইচ অমৰ।

টুকুৰ কথা ভাবি অনাথৰ মন কিবা এক আনন্দেৰে উপচি পৰিল— বাৰিষাৰ পানীৰ দৰে। বাৰিষা বান্ধ কাটি দিলেই ঈশ্বৰীতলাৰ পথাৰবোৰ এইদৰে পানীৰে উপচি পৰে। সন্ধ্যা লগা সেই পানীৰ মাজৰ ওখ ওখ ঘাঁহৰ আগত জোনাকী পৰুৱাবোৰ আহি পৰিলে সিহঁতৰ পোহৰৰ জিলিঙনি পথাৰৰ পৰা ছিটিকি ওপৰ পায়হি। টুকুৰ কথা ভাবি অনাথৰো বুকুৰ একতলাৰ পৰা যেন দুইতলালৈ পোহৰ উঠি আহিছিল।

শান্তাই তেতিয়াও খিৰিকিৰে আন্ধাৰত কিবা চাই আছিল। হঠাৎ অনাথৰ পিনে ঘূৰি ক'লে— ভাবিছিলোঁ, দক্ষিণা বাবুৰ ঘৰতো নতুন গাখীৰ দিম। এতিয়া ভাবিছোঁ, নিদিওঁ।

কিয়? দক্ষিণা চক্ৰবৰ্তীৰতো একো দোষ নাই।

কি কৈছা তুমি! জনতাৰ প্ৰাৰ্থী। সেইবাবে নেকি? কিন্তু টুকুৰ কথা লৈ আমাৰ চিন্তা হৈছে।

অনাথে ক'লে— দক্ষিণা বাবু বেয়া মানুহ নহয়। অৱস্থা ভাল হ'লে মানুহৰ যি মেজাজ হয়, সেইখিনিয়েই তেওঁৰ আছে। তাতকৈ বেছি আৰু একো নহয়।

তেওঁৰ জানো এতিয়া ভোটত উঠাৰ সময়? তাৰ আগতে ছোৱালী তিনিজনী বিয়া দি উলিয়াই দিব নালাগে জানো? মোৰ লগত দেখা হ'লেই আগবাঢ়ি আহি কথা পাতে আৰু হাঁহে। তিনিওজনী বাই-ভনী বৰ ভাল। তোমাৰ কথা কৈ সিহঁতৰ ডাঙৰজনীয়ে কৈছিল— আমাৰ বিয়াৰ কথাটো দেউতাক সোঁৱৰাই দিবলৈ দাদাক এবাৰ আপুনি ক'বচোন।

ন

সীতাকুণ্ড পাৰ হৈ আৰু এটা ষ্টেচন। তাৰ পিছত বৰপীৰৰ জংচন। ষ্টেচনত ধূপ বিক্ৰী হৈছে। দুপৰৰ মানুহ-দুনুহ নোহোৱা ট্ৰেইনৰ পৰা অনাথবন্ধু বসু হোল ফেমিলিৰ সৈতে নামিল। গেট পাৰ হৈ ৰ'দ— ঘাই ইটাৰ ৰাস্তা। দুই দাঁতিয়ে বৰ পীৰ চাহাবৰ দৰগাহৰ ছবি ছপোৱা কেলেণ্ডাৰ বিক্ৰী হৈছে। দোকানে-দোকানে ভোগ চৰোৱাৰ নানা বস্তু সজাই থোৱা আছে। পইচা দিলেই পোৱা যায়।

দুপৰীয়া এইদৰে ওলাই যোৱাৰ আইডিয়াটো অনাথৰ। ওচৰ বুলিও একেবাৰে ওচৰ। তথাপি ট্ৰেইনেৰে যাব লাগে। যেন দিগ্‌ছৌ বাটলৈহে গৈছে— এনে এক ভাবেৰেই ট্ৰেইনত উঠিছে।

অনাথৰ সমস্যা বহুত। কলিকতাত থকা ভাই-ভনী, চিনাকি মানুহ-দুনুহ এৰি থৈ আঠ বছৰৰ আগতে ইয়ালৈ গুচি আহিছিল। এতিয়া গৰীয়াহাটাৰ আলি-কেঁকুৰি, ৰজনী

সেন ৰোড— এইবোৰ তেওঁৰ ফৰেইন যেন লাগে। তাতকৈ শিয়ালদহ হৈ কলেজ মাৰ্কেটলৈ যোৱা বাটটোৱেই তেওঁৰ এতিয়া বেছি চিনাকি।

বজাৰ কৰিবলৈও আজিকালি তেওঁৰ বৰ ভাল নালাগে। বলাইকে ধৰি পাঁচজন। কিন্তু ঘৰখনত ইমান বেছি মানুহ নাই যে ৰিক্সা লৈ এজন পুৰণি গৃহস্থ হিচাপে অনাথে বজাৰ কৰি উভতিব আৰু আটায়ে আনন্দ পাব। তেনেকৈ বজাৰ কৰিলে বস্তু-বাহানি নষ্ট হয়। সন্ধ্যা ঘৰত বহি কথা পাতিলে সেইবোৰ ৰিবাউণ্ড কৰে। ঘৰখন তোলপাৰ লগাব পৰাকৈ মানুহ নাই।

শান্তাই কেতিয়াবা কেতিয়াবা সন্ধ্যা সময়ত কয়— ইয়াত যদি আটায়ে ঘৰ-দুৱাৰ কৰিলেহেঁতেন, তেতিয়াহে ভাল লাগিলহেঁতেন। অনাথেও কেতিয়াবা তেনেকৈ মনতে ভাবে। অথচ অনাথ ইয়ালৈ আহিছিল— মুকলি-আকলিকৈ থাকিবৰ বাবে। অৱশ্যে মুকলিত থাকি থাকি তেওঁ এতিয়া নিজক বেছিকৈ দেখিবলৈ পায়। এইদৰে নিজক চোৱাত অনাথৰ সাহায্যকাৰী ঢেৰ, যেনেকৈ— ডাৱৰবোৰ। বিদ্যাধৰীৰ ডুবিটো। বাৰিষা ডাঠ ক'লা বৰণ ধৰা বাঁহনিখন। এইবোৰে তেওঁৰ চকুৰ আগতে বতাহৰ গাৰ পৰা মোটটো এৰুৱাই তাৰ আচল ৰূপটো দেখুৱাই দিয়ে। কলিকতাত এই সুযোগ কোনোদিনে পোৱা নাই অনাথে।

শান্তাই ৰ'ব নোৱাৰি দুখন কেলেণ্ডাৰ কিনিলে। বৰ পীৰ চাহাবৰ দৰগাহৰ ছবি। ওখ বেদীৰ দৰে মাজাৰখন। দুইফালে ফুলৰ থোপা। বহুত দিনৰ আগৰ ছবিৰ পৰা ব্লক কৰি কেলেণ্ডাৰ ছপোৱা হৈছে। শান্তাই দুখন কিনিছে— এখন ডাঙৰ শোৱা কোঠাত থাকিব, আনখন চ'ৰা-ঘৰত। বৰ জাগ্ৰত পীৰ। হিন্দু, মুছলমান, খ্ৰীষ্টান— আটাইবোৰেই আহে দৰগাহলৈ, নানা মানস কৰি।

ঠাইখন চালে চকুৰোৱা। দুপৰীয়া বুলি মানুহৰ ভিৰ একেবাৰে নাই। ওচৰতে মক্কা পুখুৰী। নিজৰ কামনাৰ কথা জনাই শান্তাই কাগজৰ নাও উটাই দিলে। তাৰ পিছত পানীত ঢৌ তুলিলে। ঢৌ লাগি যদি নাওখন গৈ সিপাৰত ঠেকা খায়গৈ তেতিয়াহ'লে মনৰ কামনা সিদ্ধি হ'ব। শান্তাই ঢৌ তুলি আছিল। কাষত টুকু আৰু লিলি থিয় হৈ আছে। শান্তাই মনতে ভাবিছিল— পীৰ চাহাব, আপুনি টুকুৰ দেউতাকক তাড়ি এৰাৰ মতি-গতি দিয়ক। সেইটো হ'লে মই তিনি দিন সন্ধ্যা আপোনাৰ দৰগাহত ভোগ চৰাম। লিলিক অলপ শকত কৰি দিয়ক। টুকুৰ সুমতি হ'ক। বৰ বনৰীয়া হৈছে ছোৱালীজনী। আবেলি আবেলি কোম্পানী বান্ধলৈ তাই ফুৰিবলৈ গ'লে ষ্টেচন বজাৰৰ গজলীয়া ল'ৰাবোৰে আহি গান গায়, হাঁহে আৰু তাইলৈ চায়। টুকু বৰ হোজা, একোকে নুবুজে। মইনো আৰু কোনফালে চাম, পীৰ চাহাব!

দৰগাহৰ ঘৰটো আগৰ দিনৰ চূণ-চুৰ্কিৰ গাঁথনি। ভিতৰত বগা কাপোৰেৰে ঢকা মাজাৰ। ইয়াৰ ছবিকে কেলেণ্ডাৰত ছপোৱা আছে। কাষৰ বাৰান্দাত ডাঙৰ ক'লা শিলৰ মছলা-বটা পটাখন। বছেৰেকীয়া উৎসৱৰ দিনা মাংস ৰন্ধা হয়। তেতিয়া পটাখনত মছলা

বাটে। দৰগাহৰ ভিতৰলৈ কেৱল পুৰুষহে সোমাব পাৰে। অনাথে নমস্কাৰ কৰি ভিতৰলৈ গ'ল। নিয়ম মতে চুৰিয়াৰ থোৰ খুলি লুঙী কৰি ল'বলগীয়া হ'ল। তাৰ পিছত বেৰত ওলোমাই থোৱা ভালেমান ফেজৰ পৰা এটা দাঙি লৈ মূৰত পিন্ধিবলগীয়া হ'ল। ডাঙৰজন মোল্লা চাহাব যেনে বগা তেনে শকত। তেওঁৰ নিৰ্দেশত তল মূৰ কৰি অনাথে প্ৰাৰ্থনা জনালে। বৰ সৰল প্ৰাৰ্থনা। — বৰ পীৰ চাহাব, আপোনাক প্ৰণাম জনাইছোঁ। কাইলৈ পুৱাও যেন চন্দনেশ্বৰৰ সিটো ফালৰ পৰা বেলি ওলায়। আমাৰ ঘৰৰ খিৰিকিয়েদি সদায় যি যি দেখোঁ কাইলৈও যেন তাকেই দেখিবলৈ পাওঁ। এই ঈশ্বৰীতলালৈ যেন বাৰে বাৰে ঘূৰি আহিব পাৰোঁ। ফৰিংফুটা জোনাকৰ পোহৰত বাঁহনিৰ ওপৰত চৰায়ে মাতক। তেতিয়া বাঁহনিৰ তলখনত জোনাক পৰি থাকিব।

উভতি আহোঁতে ট্ৰেইনৰ খিৰিকিৰ কাষত বহি শান্তাই দেখিলে— বৰ পীৰ চাহাবৰ দৰগাহৰ পাছফালে থকা পথাৰৰ নাৰিকল গছত সেউজীয়া গোলাকাৰ ডাববোৰ লাগি আছে। ফুটাই ক'লে— মাজে মাজে আমি এনেকৈ ফুৰিব পাৰোহঁক।

অনাথৰ বুকুত যেন খচ্‌কৈ আলপিনেহে বিন্ধিলে। আমি মানে কি? বিয়া হোৱাতো বেছি দিন হোৱা নাই। এতিয়া টুকু-লিলিক লৈ তেওঁবিলাক এটা প্ৰতিষ্ঠান। কথা-বতৰাত পুৰণি হৈ যোৱাৰ আভাস আছে। এইবোৰ অনাথৰ ভাল নালাগে। তেন্তে যোৱাৰ সময় পালেহি নেকি? আমি ইমান ততাতৈয়াকৈ পুৰণি হৈ গৈছোঁনে?

দক্ষিণা চক্ৰবৰ্তী এই অঞ্চলৰ প্ৰথম এম. এ. বি. এল.। বোকা-পানী খচকি সাত মাইল বাটকুৰি বাই স্কুলত পঢ়িছিল। কয়লাৰ ইঞ্জিনেৰে টনা দুখন গাড়ী সেই সময়ত কলিকতালৈ গৈছিল-আহিছিল। তাতে উঠি কলিকতাৰ কলেজত পঢ়িছিল। আইন পঢ়িছিল। স্বাধীনতাৰ আগে আগে অলপ দিন জেলতো আছিল। তাৰ পিছত কিবা এখন লেখা দি ওলাই আহি চৰকাৰী কামত সোমাল। সেয়া বহুত দিনৰ আগৰ কথা।

এতিয়া ঈশ্বৰীতলাত সময় তিনি বাজিছে। কাতিমহীয়া আবেলি। আগতীয়াকৈ পকা ধান লৰালৰিকৈ দোৱা কাম আৰম্ভ হৈছে। দক্ষিণাৰ মাহিন্দৰহঁতে গৰু-গাড়ীৰে শুকান খেৰ আৰু ধান আনি চোতালত দ'ম কৰি থৈছে।

দক্ষিণাৰ বাপেকেই একতলা ঘৰটো সজাইছিল। দক্ষিণাই সেই ঘৰ দুই তলা কৰিছে। ডাঙৰ ডাঙৰ বাৰান্দা। তিনি তলাৰ ছাদত এটা ডাঙৰ কোঠা। সেই কোঠাতে এখন ইজিচেয়াৰত দীঘল দি আছে দক্ষিণাই। ভৰিৰ কাষত বহি আছে সন্তোষ টাকি। দক্ষিণাৰ বৰ জীয়েক ৰেখাৰ বয়স এতিয়া বত্ৰিশ। মাজুজনী ৰিণিৰ আঠাইশ। সৰুজনী শুভাৰ বয়স ছাব্বিশ। তাৰ পিছত দুটা ল'ৰা আছে দক্ষিণাৰ— প্ৰকাশ আৰু বিকাশ। ল'ৰাহঁত ঘৰত নাই। দুৰাটি মুড়ি আৰু চাহ লৈ তিনি তলাৰ সেই কোঠাটোত দি আহিল ৰেখাই।

দক্ষিণাৰ ঘৈণীয়েক ৰোহিণী দক্ষিণাহঁততকৈ বহুত বেছি ধনী ঘৰৰ ছোৱালী। তেওঁ ভোট, মাটি-বাৰী এইবোৰ বুজি নাপায়। সৰুকালতে হাওড়াৰ সিফালে থকা এটা মজলীয়া ধৰণৰ কাৰখানাৰ ছোৱালী হিচাপেই এই ঘৰৰ বোৱাৰী হৈ আহিছিল। তেতিয়াৰে পৰা

ঈশ্বৰীতলাতে আছে। তেওঁৰ মতে, ঠাইখন বৰ দুখীয়া। আটায়ে আটাইকে ঠগোৱাৰ চেষ্টাতে থাকে। এবটল তেল ধাৰে দি সাদিনলৈ তাগাদা দিয়ে। অৱশ্যে, ইয়াত ইজনে-সিজনক বৰকৈ ঠগাব নোৱাৰে, কাৰণ আটায়েই সাৱধান। বহুতেই এবেলাৰ বেছি ভাত খাবলৈ নাপায়। চেহেৰা ক্ষীণ। বেয়া। একেবাৰে পাত-গাভৰুও খীণাই-শুকাই খেৰৰ শনি যেন হৈছে।

চিৰিয়েদি বৰজীয়েকক নমা দেখি সুধিলে— কেনি গৈছিলি, ৰাখু?

দেউতাৰ কোঠাত মুড়ি দি আহিলোঁ। চাহ নোখোৱানে?

দে। তোৰ দেউতাৰে সেই ডকাইতটোৰ লগত পৰামৰ্শ কৰিছে নেকি?

অঁ। সন্তোষ ককাইটি আহিছে।

কিহৰ ককাইটি বুলিছ! এই দেশত শেষত ডকাইতক ককাইটি বুলিব লাগিব নেকি?

দেউতায়েই ককাইটি বুলিবলৈ কৈছে।

সেইবোৰ বন্ধ কৰি ল'ৰা এটা চাবৰ বাবে ওলাই যাবলৈ ক বুঢ়াক। নোনা-বিষ্টুপুৰৰ পৰা এটা ল'ৰাৰ খবৰ আহিছে।

বৌটী, সকলোৰে জানো বিয়া হয়? — সৰু ছোৱালী শুভা ক'ৰবাত আছিল। তাই আহি সুধিলে। এইজনী ছোৱালীলৈ ৰোহিণীৰ ভয়। মুখৰ গঢ় ভাল। অৱশ্যে শুকান। সকলো সময়তে তাত এটা অজান দুখৰ আভাস থাকে।

মাকৰ কোনো উত্তৰ নাপালে শুভাই। তেতিয়া তাই নিজেই ক'লে— বৌটী, আমাক দেখোন কলেজত পঢ়ুৱাব পাৰিলাহেঁতেন! আমি বাহিৰৰ পৃথিৱীখন চাবলৈ শিকিলোহেঁতেন। আজি কতকাল ঘৰতে বহি আছোঁ।

কেলেই? ৰিণিৰ দৰে দেখোন ঘূৰি ফুৰিব পাৰ! কোনে জেং পুতিছেনো?

তোমাৰ ৰিণিয়ে এতিয়া পুখুৰীপাৰত বৰশী লৈ বহি আছে। মাছ নহ'লে ভাতৰ গৰাহকে মাৰিব নোৱাৰে।

ছিঃ ছিঃ, কি ঘিণ লগা কথা! এই মাছোৰোকা ছোৱালীক মই কাৰ ঘৰলৈ দিম? — ৰোহিণী প্ৰায় কান্দো কান্দো হ'ল।

চাহৰ লিকাৰ আছিল। তাকে গৰম কৰি গাখীৰ-চেনি মিহলাই সময় মতে আনি ৰাখুৱে কাপটো মাকৰ আগত দিলেহি। — ৰিণিক বকিছা কেলেই বৌটী? তাইৰ দোষ কি? সময়ত বিয়া দিয়া নাই। তেনেকৈ পঢ়ুওৱাও নাই। আমি যাম ক'লৈ?

এষাৰ কথাও ক'ব নোৱাৰিলে ৰোহিণীয়ে। চাহৰ পিয়লাটো থৈ ক'লে— তহঁতৰ দেউতাৰ যে মন্ত্ৰী হ'বলৈ ওলাইছে! ভোট আহিলেই।

তিনি তলাৰ কোঠাত সন্তোষ টাকিয়ে তেতিয়া দক্ষিণাক ভাল ভাল খবৰ দি আছিল। তাৰ মতে এতিয়াই ৰাতিৰ ভিতৰতে আধিয়াৰবোৰক পামৰ মাটিৰ পৰা উঠাই দিব লাগে। ভোটলৈ এতিয়াও অলপ দেৰি আছে। এই সুযোগতে উঠাই নতুন মানুহ বহুৱাই দিব পাৰিলে হাতলৈ টকাও আহিব।

এই কোঠাটো এতিয়া দক্ষিণা চক্ৰবৰ্তীৰ মন্ত্ৰণা কৰা কোঠা। দহোটা অঞ্চল লৈ বিধানসভাৰ কেন্দ্ৰ। তেওঁৰ ওচৰলৈ কিমান ঠাইৰ যে মানুহ আহে! পেন্সনৰ টকা কমিউট কৰিহে দুইতলা গাঁথিবলগা হৈছে। সেইবাবে মাহৰ শেষ হ'লে, এতিয়া যিখিনি পেন্সন পায়, তাৰে সংসাৰ নচলে। বাপতিসাহোন মাটিয়েই ভৰসা। ঘৰভাড়া দিব নালাগে। গৰু আছে। বৰকৈ গাখীৰো কিনিব নালাগে। কয়লাৰ জঞ্জাল কম। কাঠৰ টুকুৰাৰেই বহু কাম হয়। মাটিৰ পৰা শুকান খেৰ, ধান, গুড়, দাইলৰ বাহিৰেও ঢেকীত বনা চাউল পায়। কণীও পায়। কেৰল চাবোন-চৌডা, ইলেকট্ৰিক বিল, মছলা-পাতিৰ বাবে নগদ ধনৰ দৰকাৰ। আৰু মাজে মাজে বজাৰৰ পৰাও দুই-এপদ বস্তু অনাৰ দৰকাৰ হয়। ডাঙৰ ল'ৰা প্ৰকাশে ল-ফাইনেল দিব। ভোটৰ আটাইবোৰ খৰচ চম্ভালিবলৈ মাটিও বেচিব লাগিব। পাৰ্টি ফাণ্ডৰ পৰা আটাইবোৰ খৰচ দিব নোৱাৰে। অৱশ্যে ডিষ্ট্ৰিক্ট প্ৰেচিডেণ্টক কথাটো কাণ ছোৱাই থৈছে দক্ষিণাই।

বাহিৰৰ আকাশত সুন্দৰ ডাৱৰ ভাহি ফুৰিছে। কোঠাৰ কাষৰ ছাদত দক্ষিণাই দেখিলে— ডাবৰ ফুল পৰি ঘিউ-বৰণীয়া হৈছে। সৰুতে এই ফুল বুটলি দক্ষিণাই খাইছিল। আজিকালিৰ ল'ৰা-ছোৱালীয়ে বস্তুটো চিনিকে নাপায়।

তেওঁৰ ভৰিৰ কাষতে সন্তোষ টাকি। গাত হাত কটা ফুটুৱৈ-চোলা। নীলা ৰঙৰ। চুৰিয়া পিন্ধিছে। দুই পিনে পোন্ধ মাৰি লৈছে। জোতাযোৰ দক্ষিণাই দিয়া। এতিয়া সেইবোৰ দুৱাৰ-দলিত আছে। সন্তোষে যিহকেই কওক লাগিলে, আৰম্ভণিতে কয়— 'আমাৰ'।

যেনেকৈ—

'আমাৰ ভোট।'

'আমাৰ ভাগ্য।'

'আমাৰ খৰচ-পাতি।'

দক্ষিণাই জানে— এই 'আমাৰ' শব্দটোৱেই সন্তোষৰ আটাইতকৈ ডাঙৰ অস্ত্ৰ। এবাৰ 'আমাৰ' বুলি কৈ সন্তোষ যে কিমান আপোন হৈ পৰে, সেই কথা সন্তোষে নিজেও জানে। এইবোৰ কথাৰ শেষত সন্তোষে টকাৰ কথা উলিয়ায়।

যেনেকৈ—

উত্তৰ ৰামনগৰ অঞ্চলৰ তাঁতীবোৰক এসাজ খুৱাব লাগে। তাৰ বাবে পূৰা আশী টকাতো আমাক লাগিবই। অতি কমেও ন ঘৰ মানুহ।

সাতঘেৰে স্কুলৰ ক্লাচ টেনৰ কোঠাটোৰ চালত এক নম্বৰী ভাল টাইল লাগে আঠশ। সত্তৰ টকাৰ তলত এশ টাইল আমি নাপাম।

এনেকুৱা নানা কাম থাকে সন্তোষৰ। আটাইবোৰ চুক্তি কৰাৰ কাম। মাহিলি কিবা এটা লয়। তদুপৰি সন্তোষৰ কাৰণে পুলিচকো চম্ভালিব লগা হয়। একোটা কাম কৰি অঁতালেই সন্তোষে কমিচন পায়। দক্ষিণাই কৈছে— মন্ত্ৰী হ'লে সন্তোষক কলিকতালৈ নি অফিচৰ কাম এটা দিব। চাকৰি নিগাজি হ'ব।

ধৰি ল, সিহঁতেও লাঠি-যাঠি লৈ সাজু হৈ আছে, তেতিয়া কি কৰিবি?

থাকিবই। আমিও সাজু হৈ যাম। — এইদৰে কৈয়েই সন্তোষৰ মনত খেলালে— তাৰ লগত লাঠিৰে যুঁজ কৰিবলৈ ইমান ৰাতি কোন যাব, কোন যাব পাৰে, সি এতিয়াও নাজানে। চক্ৰবৰ্তী ডাঙৰীয়া কঠিন ধাতুৰ মানুহ। মেজিষ্ট্ৰেট আছিল। আইন জানে। মাটি-বাৰীও আছে। এই ঘৰখনত সোমাই সন্তোষে গাত এটা সুকীয়া বল পায়। সাহ হয়। ইমানদিন সি ষ্টেচনতে শুই থাকিলহেঁতন। তাৰ কলৰ পানী খালেহেঁতেন। এতিয়া ইয়াতেই একতলাৰ বাৰান্দাত শোৱে। দুইবেলা ইয়াতে খায়। সকলোৱে তাক দক্ষিণাৰ মানুহ বুলিয়েই কয়।

সিহঁতৰ সংখ্যা বেছি।

বেছিভাগ মানুহৰে গাত ছাল-বাকলি নাই। একেটা খুন্দাতে মুখ থেতেলা খাই পৰি যাব।

দক্ষিণাৰ কপাল কোঁচ খালে। ভোটলৈ বেছি দিন নাই। হাতত টকা লাগে। ধানৰ দাম নাই। নতুনকৈ মাটি দি ৰায়তক বহুৱালে এতিয়াই নগদ ধন হাতলৈ আহিব। পুৰণি আধিয়াৰবোৰক উঠাব পাৰিলেই বাট মুকলি হৈ পৰিব। কিন্তু বৰকৈ হৈ-চৈ কৰিলে সমস্যা হ'ব। আন আন অঞ্চলৰ আধিয়াৰ ভোটাৰে কথাটো ভাল চকুৰে নাচাব। মিঠা কথাত ৰায়তো উঠি নাযায়। কি কৰা যায়!

প্ৰথমতে তিনিটা মৰিল। তিনিওটাই কণী পাৰিছিল। অফিচলৈ ওলাই যাওঁতে অনাথে শান্তাক ইন্‌জেকচনৰ ভাৰ দি গ'ল। ক'লে— সোনকালেই ঘূৰি আহিম। তুমি কুকুৰাৰ ডাক্তৰৰ ঘৰলৈ বলাইক ৰিক্সা এখন দি পঠাই দিবা।

আবেলি শেষৰখনৰ আগৰখন গাড়ীত অনাথ আহি প্লেটফৰ্মত নামিলহি। নামিয়েই আটাইবোৰ খবৰ পালে। অসুখ সামান্য। ককচিডাইচিচ। চূণৰ বৰণৰ শৌচ। কঁপনি। আৰু মৃত্যু। বাধা দিব নোৱাৰিলে মাৰাত্মক। সেইটোৱেই হৈছে।

আজি প্ৰায় দুমাহ ধৰি এডলা এডলা কণী পাইছিল। বজাৰত অলপ বিক্ৰীও হৈছে। কুকুৰাৰ খাদ্য কণী বেচা পইচাৰে অনা হৈছিল। সেইটো হ'লেও, যথেষ্ট টকা পাইছিল এইকেইমাহ।

কোম্পানী বান্ধটোৱেদি খোজ কাঢ়ি গৈ ঘৰৰ কাষত অনাথ ৰ'ল। গোটাচেৰেক কুকুৰা তেতিয়াও পাইচাৰি কৰা ঠাইটুকুৰাত জুপুকা লাগি কঁপিছে। বাকীখিনি ঠাইত মৰা কুকুৰাবোৰ ডাঙৰ ডাঙৰ বগা ফুল একোপাহৰ দৰে পৰি আছে।

বলাইক ৰঙা বাৰান্দাতে লগ পালে। বহি বহি কান্দি আছিল। শান্তাই মন দি ফটা কাপোৰৰ কেথা চিলাই কৰি আছিল বেজিৰে। অনাথক দেখি মূৰ তুলি চালে। চকুত পানী। অনাথে হঁহাৰ চেষ্টা কৰিলে। নোৱাৰিলে।

সন্ধ্যা সময়ত মদন-বদনে পথাৰৰ মাজত ডাঙৰকৈ গাঁত এটা খান্দিলে। স্কুলৰ পৰা

আহি এইবোৰ দেখি টুকুহঁতৰ মুখৰ মাত হৰিল। মদন-বদনে দুটা কুকুৰা ল'লে। এতিয়াও সিহঁত মৰা নাই। বাকীবোৰ বলায়ে তিনি-চাৰিবাৰ অহা-যোৱা কৰি যোৰা-যোৰাকৈ নি গাঁতত পেলালে। তাৰ পিছত মাটি দিয়া। টুকু আৰু লিলিয়ে দেখিলে— এন্ধাৰে এন্ধাৰে দুটা আধামৰা কুকুৰা ওলোমাই লৈ মদন-বদন ঘৰমুৱা হৈছে। যাবৰ সময়ত মদনে সিহঁতৰ মাকৰ পৰা দুটা নহৰু, দুটা পিঁয়াজ লৈ গ'ল।

ৰাতিপুৱা খাবলৈ বহি অনাথে ক'লে— আমি আৰু কেতিয়াও একো নোপোহোঁ।

বাঘাই তেতিয়া খটখটিৰ চুকত নিজৰ খোৱা প্লেটখন লুটিয়াই লৈ খাই আছিল। সি ভালকৈ খাব নোৱাৰে।

শান্তাই কোনো উত্তৰ নিদিলে। এবাৰ নিজেই ক'লে— ইয়াতকৈ হাঁহ পোহা বহুত ভাল। দৰকাৰ মতে বহুৱাই পোৱালি তুলিব পাৰি। খোৱা বস্তু বুলিবলৈ মাথোন শামুক। একো জঞ্জালেই নাই।

ৰাতি চিগাৰেট খাই থাকোঁতে কুকুৰাবোৰে পাইচাৰি কৰা ঠাইকণ চকুত পৰিল অনাথৰ। তাত অলপ মাত্ৰ জোনাক পৰিছিল।

শান্তাই মাতিলে— এইফালে আহাঁ।

অনাথ ওচৰলৈ আহিলত শান্তাই ক'লে— গাখীৰ তপতাই আছিলোঁ। খিৰিকিয়েদি বিড়িৰ গোন্ধ পালোঁ। চোৱাচোন, কোনোবা আছে নেকি? চোৰ নহয়তো!

কেলেই? বলাই গ'ল কেনি?

বাঘাক লৈ কোম্পানী বান্ধটোলৈ গৈছে— মদনৰ বৰশী বোৱা চাবলৈ।

ৰান্ধনী ঘৰৰ পাছফালেই ডাঙৰ বাৰান্দা। তাৰ সিফালে মুকলি পথাৰ। বাৰিষা পানী হয়। জাৰত আকৌ জাৰ। বাহিৰত ঘূৰি অনাথে একোকে নেদেখিলে। ঈশ্বৰীতলাৰ আকাশত তেতিয়া কেইটামান তৰা জিলিকিছে। আৰু অলপ মটীয়াবৰণৰ পোহৰ আছিল। জোনৰ চকুত চচ্‌মা থকা হ'লে সি ইয়াৰ কেইটামান ঘৰৰ ছাদ, গছৰ আগ ছয়াঁময়াকৈ দেখিলেহেঁতেন এতিয়া।

গোন্ধ পোৱাটো সঁচানে?

সঁচা। মোৰ কোনো ভুল হোৱা নাই।

হ'বও পাৰে। — এইবুলি অনাথ বাহিৰলৈ গ'ল। বাৰান্দাৰ তলতে এজোপা পাতি-নেমুৰ গছ। তাৰ মাজতে অমিতা। ডাঙৰ অমিতাবোৰত বলায়ে ফটাকানি মেৰিয়াই থৈছে। তলৰ পৰা তাত বাঁহৰ ঢোকা দিয়া আছে। অলপ আঁতৰতে কম বয়সীয়া নাৰিকল গছবোৰৰ আটাইবোৰতে ডাব লাগিছে আজি কেইবছৰমান। তাত এন্ধাৰ। কোনোবা লুকাই আছে নেকি আকৌ?

টৰ্চটো দিয়াচোন।

পোহৰ পেলায়ো একো নেদেখিলে অনাথে। পোহৰৰ চমকনিত অৰুণ-বৰুণে এবাৰ কোৱাক্ কৰিলে। নতুন টিউবৱেলত হেণ্ডোল পাম্প কৰোঁতে পানীৰ লগতে এই শব্দটো

হয়। ঘৰৰ বাহিৰলৈ আহি বুজিলে— ঘৰটো কেনেকৈ মুকলি পথাৰৰ মাজত ৰাতি নিঃসংগ হৈ পৰে।

ঘৰলৈ আহি অনাথে শান্তাক ক'লে— এই মুকলিখনত থকাৰ সুখকণৰ হয়তো মুদা মৰিল। শনিয়ে পাইছে। নহ'লে একেদিনাই আটাইবোৰ কুকুৰা মৰিব কিয়?

মাজৰাতি টোপনিৰ আবেশতে অনাথে গম পালে— টোপ্ টোপকৈ বৰষুণ পৰিছে। টোপালবোৰ আহি খিৰিকিৰ পাল্লা আক্ৰমণ কৰিছে। শুই শুয়েই তাৰ শব্দ শুনিবলৈ বৰ ভাল। তাৰ মাজতে বাঘাৰ মাত শুনিলে। বহুত দূৰৰ পৰা সি ভুকিছে। বাহিৰত ক'তো অলপো পোহৰ নাই। কোম্পানী বান্ধ, চন্দনেশ্বৰ মৌজা, খাড়ুপাতাল মৌজাৰ ওপৰেদি বতাহ-বৰষুণৰ কোব চৰিছে। তাৰ মাজতে বাঘাই ৰৈ ৰৈ চিঞৰি আছে। নহয়, সি কিজানি কান্দিছেহে। টোপনি আৰু আৰামত বাঘাৰ মাতটোও অনাথৰ সপোন সপোন যেন লাগিল। সপোনত জানো কোনোবা উঠে! অনাথো নুঠিল।

এনেকুৱা সময়ত উমাই মাজে মাজে কাণ লৰায়। ডাঙৰ কাণ। সেই কাণ লৰোৱাৰ শব্দটোও অনাথে শুনিলে। শুই শুয়েই। অতি লাহে লাহে মাতিলে— উমা! উমা! আমাৰ ঘৰলৈ অহা তোৰ ভালেদিন হ'ল। ভালদৰে তোৰ যত্নও লোৱা নাই।

বাঘাই আকৌ ভুকিছে। আন্দাজত টোপনিৰ মাজতে অনাথে মুকলি পথাৰত বিজুলী চমক দেখিবলৈ পালে। বাঘাই ডিঙি ফালি চিঞৰিছিল। সেই পোহৰতে তাক এক মুহূৰ্তৰ বাবে দেখা গ'ল। চকু দুটা জ্বলিছে। নেজডাল থিয় হৈছে।

কাতিমহীয়া দাব লগা ধান কেতিয়াবাই দোৱা হৈ গ'ল। তাৰ চাউলো বজাৰত শেষ হৈছে। একেবাৰে শেষত দোৱা হয় শালি ধান। সিও শেষ হ'ল। ৰাতিপুৱাৰ সময়খিনিত পুখুৰীৰ পাৰৰ ফালে থকা বাৰান্দাখনে নিয়ৰত গা ধুই থাকে। ৰ'দ চোকা হ'লেহে নিয়ৰৰ পানী শুকায়।

শেষ ৰাতিৰ কুঁৱলীত মূৰত চাদৰখন মেৰিয়াই লৈ অনাথ ওলাই গ'ল। চিনাকি ঈশ্বৰীতলা তেতিয়া বেলেগ। দূৰৰ ষ্টেচন বজাৰৰ জবেহঁতৰ বহাত মাছ নীলামৰ ডাক দিছে। তাৰ অস্পষ্ট কোৰ্হালৰ শব্দ ভাহি আহিছিল। অনাথে তাৰ বিপৰীত ফালে আগ বাঢ়িল। যাবৰ সময়ত দেখিলে— উমাই বহি বহি ঘুমটি মাৰিছে। নকৈ জগা পোৱালিটোৱে কালি ৰাতিৰ বাহী দানাত সেই ৰাতিপুৱাতে মুখ দিছিল।

পথাৰৰ ঘাঁহবোৰ তিতা।

যাওঁতে যাওঁতে অনাথ গৈ বিদ্যাধৰীৰ ডুবি পালেগৈ। ইয়াতেই সকলোতকৈ আগতে ৰাতি পুৱায়। মাৰ যোৱা জোনটোৰ ঘূৰণীয়া ৰেখাডালহে কেৱল ডুবিৰ পানীত উবুৰি খাই আছে। পুৱতি নিশাৰ বতাহে এন্ধাৰ আঁতৰাই পোহৰ আনিছিল। ডুবিৰ পানী বহুত ঠাই জুৰি আছে।

অনাথ বট গছৰ তলতে বহিল। ইয়াৰ পৰাই আকাশ, পানী, বতাহ— সকলোৰে সোৱাদ ল'ব পাৰি। কেইদিনমানৰ আগত অসময়তে বৰষুণ হৈছিল। ডুবিৰ পানী সেইবাবে

অলপ বাঢ়িছে। চাদৰখন ভালকৈ গাত মেলি ল'লে অনাথে। এই সময়তে নিজান পৰিবেশত গছ-গছনিৰ মাজত তেওঁৰ এটা ভাব আহে। সেই ভাবৰ অৰ্থনো কি তেওঁ নাজানে। অনাথে ধ্যান কি তাকো নাজানে। একো গূঢ় জ্ঞান নাই তেওঁৰ। পৃথিৱীখন ইয়াত গভীৰ হৈ ডুবিৰ পানীৰ দৰেই কেউফালে চপ্‌চপীয়া হৈ আছে।

মই কি এৰিবলৈ শিকিছোঁ? – নিজকে প্ৰশ্ন কৰিলে অনাথে। আগতে অনাথে অফিচত প্ৰমোচন, স্পেচিয়েল ইনক্ৰিমেণ্টক লৈ মূৰ ঘমাইছে। মনত কষ্ট পাইছে। বহুত কথাই অবিচাৰ বুলি ধাৰণা হৈছে। এক ধৰণৰ বেজাৰত মনটো ক'লা পৰিছে। সেইবোৰ বহুত দিনৰ আগৰ কথা। তাৰ পিছত তেওঁ লাহে লাহে আকাশৰ ৰং চিনি লৈ ঈশ্বৰীতলা পালেহি। প্ৰচণ্ড বেগেৰে বৰষুণ দিয়াৰ দৃশ্য তেওঁ ইয়াতেই দেখিছে। সেই দৃশ্য চাই চাই হেঁপাহ নপলায়। ভগৱানৰ নিজৰ এই ফুটবলটোৰ গোটেই গাতে গছ-গছনি, মানুহৰে তৈয়াৰী ইমানবোৰ লেচৰ কাৰুকাৰ্য্য! কল্পনা কৰাই টান। কিমান যে ডিজাইন!

মই ইয়ালৈ আহি এটা মায়াত সোমাই পৰিছোঁ। কলিকতাত থকাকালত ইটো-সিটো বহুত কথাত লাগিছিলোঁ, সেইবোৰ যে এৰি পেলাইছোঁ সেইটো খাটাং। কিন্তু ইয়ালৈ আহিও এখন নগৰৰহে সৃষ্টি কৰিছোঁ। শান্তা, উমা, টুকু, বাঘা, শুক্লা, লিলি– আৰু যে কিমান কি, অন্ত নাই। আজিকালি কানাইৰ বাবে মনত বৰ বেজাৰ লাগে। তাক নেবেচিলে আৰু উপায় নাই। কেৱল খোঁচে। একো কামত নাহে। খেৰ যিমান খায়, তাৰ তিনিগুণ পেলায়। কিন্তু যাব ক'লৈ? কোনোবা অচিনাকি ঠাইত বেয়া অৱস্থাত পৰি তাৰ প্ৰাণ নগ'লেই ৰক্ষা! যি কিনিব, তেওঁ জানো ভালকৈ খাবলৈ দিব?

ডুবিটোৰ সমুখৰ এই বট গছৰ তলত বহি অনাথে মনটো সুস্থিৰ কৰাৰ চেষ্টা কৰিলে। মইনো ত্যাগ কৰিবলৈ শিকিলো ক'ত? ত্যাগ নকৰিলে জগতখন জানো চাব পাৰি? চাবৰ বাবে চকু লাগে। মোৰ চকুত কিমান বস্তুৰ মোহ এঠা লগাদি লাগি আছে। বাহুল্য কমাই কমাই একেবাৰে অকলশৰীয়া কেতিয়া হ'ম? শুনাত স্বাৰ্থপৰ যেন লাগে। কিন্তু এই পৃথিৱীখনৰ ৰস পাবলৈ হ'লে এদিন নহয় এদিন অকলশৰীয়া হ'বই লাগিব। নহৈনো আৰু কি উপায় আছে?

চন্দনেশ্বৰ মৌজাৰ ওপৰৰ আকাশেদি বেলিয়ে আজিৰ প্ৰথম তিনিটা জিলিঙনি মেলি দিলে। যেনে তেজাল তেনে ঋজু। কুঁৱলীৰ মাজেদি আহি বট গছৰ তল পাই নিয়ৰত তিতি থকা ঘাঁহত পৰি পোহৰৰ জিলিঙনিবোৰ চিক্‌মিকাই উঠিল।

অনাথৰ মূৰটো আহি বুকুত লাগিছিলহি। চৰাইবোৰ বাহৰ পৰা ওলাই আহিল। সিহঁতে এতিয়া ডোৱাৰৰ পানী পাৰ হৈ সিপাৰৰ মুকলি আকাশ বিদীৰ্ণ কৰি যিমান পাৰে ওপৰলৈ উৰি যাব। ইয়ালৈ অহাৰ পৰাই দেখিছে– চৰাইবোৰে সদায় ৰাতিপুৱা এই কামটোকে কৰে।

অ' বসু ডাঙৰীয়া দেখোন! কেতিয়া আহিল?

অনাথে সেই কথালৈ কাণ নিদিলে। আজিকালি অকণমান সময় পালেই দুই-চাৰি

দিনৰ অন্তৰে অন্তৰে ইয়ালৈ গুচি আহে। আহি মহম্মদ বাজিকৰৰ বহাতে বহেগৈ। নহ'লে, তালপাতৰ সেই সৰু ঘৰটোৰ বাহিৰৰ এই মাটিৰ টিপটোতে আহি বহেহি। দুয়ো নানা তৰহৰ কথা পাতে। কেতিয়াবা আকৌ মনে মনে বহি থাকে। তেতিয়া চকুৰ আগতে ইয়াৰ আকাশৰ ছবি সলনি হৈ থাকে। একোটা সময়ত ডাৱৰবোৰ মহাভাৰতৰ কৌৰৱ সেনা হৈ আহে। আকৌ কেতিয়াবা ৰামায়ণৰ কাহিনীৰ চেহেৰাও লয়। প্ৰথম পুৱাৰ পোহৰ পৰা আৰু আবেলি বেলি লহিওৱাৰ সময়ত আকাশে যে কি ৰূপ লয়, কোৱা টান ; মাত্ৰ চাবহে পাৰি। চাই চাই ভাবিব লাগে।

কিনো ভাবি আছে থিয়ৈ-থিয়ৈ? আহক!

আপোনাৰ হাতত সেইডাল কি?

খেতিৰ পৰা মূলা তুলি আনিছোঁ।

মূলা ক'ত? সেইটো দেখোন সাপ!

ৰাতি নৌ-পুৱাওঁতেই উঠিলোঁ অনাথ বাবু। সিহঁতে যেতিয়া খাদ্য বিচাৰি ওলায়, তেতিয়াই উঠিছোঁ। নহ'লে ধৰিব নোৱাৰি।

বাজিকৰ ডাঙৰীয়া, দায়-দোষ নধৰিব, নধৰাকৈও পাৰিলেহেঁতেন। সিহঁতৰোতো এটা জীৱন আছে।

ধৰাৰ ইচ্ছা নাছিল। ৰ'বচোন। আগতে থৈ আহোঁ। তাৰ পিছত কথা পাতিম।

এৰি দিয়ক, হেৰি।

বাজিকৰ ৰ'ল। কোনো উপায় নাই। আজি বহুত দিন ধৰি সি মোৰ ওপৰত চকু ৰাখিছে। মই টোপনিতে তাৰ চকুকেইটা দেখোঁ। শান্ত হৈ মোৰ ফালে চাই আছে। ময়েই তাৰ নিয়তি। আজি মই নধৰা হ'লে সিয়েই মোক খাটাং ধৰিলেহেঁতেন। বিষধৰ সাপ। সি ধৰা হ'লে ঢলি পৰিলোহেঁতেন। তাৰপৰা নিস্তাৰ নাপালোহেঁতেন সেই ভাবিয়েই মই তাক জীয়াই ৰাখিব খুজিছোঁ।

আপুনি নিয়তি মানে নেকি?

এহ্, আপোনাৰ স্বভাৱটো বৰ বেয়া। একেলগে বহুত প্ৰশ্ন কৰে। কোনটোৰ উত্তৰ দিম? বহক, মই আহিম।

অনাথক আৰু কথা ক'বলৈ নিদি বাঁহৰ দুৱাৰ খুলি বাজিকৰ ভিতৰ পালেগৈ।

অলপ পৰৰ পিছত দুয়ো মুখামুখিকৈ বহিল। মাজত বেলিৰ পোহৰ পৰি আছে। অলপ সময়ৰ ভিতৰতে ঘাঁহৰ নিয়ৰ ভাপ হৈ উৰি যাব তাৰ স্পৰ্শত। পোহৰে সেই কাম আৰম্ভ কৰিছেই।

ঘৰত দুটা ডাব আছে, খাব?

আনক। কিন্তু কাটিব কিহেৰে?

তাৰ কথা ভাবিব নালাগে। ছুৰী-কাঁচি থকা ঘৰৰ ছোৱালী ওষ্টই মোক এখন কটাৰী দি গৈছে। দাম লোৱা নাই। ভাল বস্তু।

আপুনি প্ৰাণ ঘূৰাই দিলে। সিহঁতেনো আৰু কি দাম ল'ব? – তাৰ পিছত অনাথে ক'লে– যি আপোনাক অন্ন যোগায়, সি ক'ত?

মূৰৰ বিষৰ ঔষধ খাই খাই চহৰীয়া হৈ পৰিছিল। সেইদেখি জপুৰৰ হাবিত এৰি থৈ আহিলোঁ। যাওক দিয়ক। কিছুদিন অন্ততঃ আকৌ সাপ হৈ থাকক। আঁউসী-পূৰ্ণিমাত বিষ আহক। মূৰৰ যন্ত্ৰণাত খং কৰি গছৰ গাত খোঁট মাৰক।

বাজিকৰৰ কথাৰ ছেও এনেকুৱা যে অনাথৰ চকুৰ আগতে সেই সাপটোৱে ফেঁট তোলা যেন লাগিল। গহীন ৰাতি বনৰীয়া গছ-গছনিৰ মাজৰ ক্ষীণ জোনাকত বৰ কষ্টেৰে সি মূৰ দাঙিছে। আৰু ভাৰ সহ্য কৰিব পৰা নাই। ওচৰতে থকা গুৰি-শকত গছজোপাত খোঁট মাৰিলে। এটা খোঁট। দুটা খোঁট। তিনিটা। এইবাৰ মূৰটো ভাল লাগিছে। দেহাটোৰ ভিতৰৰ নেদেখা পেশীত হেঁচা দি চলা-ফুৰাৰ শক্তি পালে। সেই শক্তি পাই সাপডাল গছ-গছনিৰ মাজত লুকাই পৰিল।

তাক জানো আকৌ কেতিয়াবা বিচাৰি পাব?

লগ পালেই মোৰ পাচিলৈ সি উঠি আহিব। আজি ডুবিৰ কাষৰ পথাৰৰ পৰা যিডাল ধৰি আনিছোঁ, তাক বাটে-পথে লগ পাই থাকোঁ। তাক ধৰাৰ বা তাৰ জীৱনটোৰ পৰা তাক আঁতৰাই অনাৰ ইচ্ছা মোৰ নাছিল। এদিন বুজিলোঁ– সি মোৰ ওপৰত নজৰ দিছে।

কেনেকৈ বুজিলে?

বুজিব পাৰি, অনাথ বাবু। মোৰ আব্বাজান বেজ আছিল। আকৌ ডকাইতো আছিল। আম্মাই আটাইবোৰ শিকিছিল তেওঁৰ পৰা। দুয়ো গছৰ শিপা-শিহৰি, সাপৰ বিষ আৰু লুট কৰি অনা বস্তু-বাহানি লৈ হাবিতে আছিল। মই সৰু ল'ৰা, অবাক হৈ চাই থাকোঁ– আম্মাই হাবিৰ মাজতে লুট কৰি অনা গহনা পিন্ধি আব্বাজানৰ বাবে দুপৰৰ পৰাই সাজি-কাছি ৰৈ থাকে। ধৰক, আব্বাজান জানিবা মাজৰাতি ঘূৰি আহিল। তেতিয়া কাণত ইয়েৰিং, ডিঙিত সাতসৰী, বেনাৰচী শাৰী পিন্ধি আম্মা শুই থাকে– যেন ঘুমটিত পৰা বনকুঁৱৰীহে। সাত-আঠ বছৰীয়া মই তেতিয়া লণ্ঠন দেখুৱাই আব্বাজানক চিগনেল দিওঁ। তেতিয়াহে আব্বাজান ঘৰলৈ আহে। হাবিতলীয়া বাটতো শতুৰুৱে চোপ লৈ বহি থাকিব পাৰে। বাৰু, সেইবোৰ থ'ক। পুৱা এইবোৰ শুনিব। আপোনাক ডাবৰ পানী দিওঁ আগতে।

আপুনি কৈ য'কচোন।

মুখেৰেহে খাব লাগিব। কাঁহী-বাটি, গিলাচ বুলিবলৈ একো নাই মোৰ।

দিয়ক তেনেহ'লে। আপুনি এটা খ'ক, মই এটা।

বিষয়-জঞ্জালৰ প্ৰতি ঘিণ কৰিবলৈ আম্মায়ে শিকালে। আব্বাজানৰ চখ আছিল কিবাকিবি চাই ফুৰাৰ। দখল কৰাৰ চখ। খবৰদাৰী কৰাৰ চখ। কোন হাবিত মই উপজিলোঁ নাজানো। জনাবুজা হোৱাৰে পৰা দেখি আহিছোঁ– হাবি-জংগলেই মোৰ ঘৰ। আব্বাজানে বহুত গছ-লতা চিনি পাইছিল। ডাক্তৰতো হাবিত নাছিল। আম্মাই বাবাজানৰ পৰাই শিকি

লৈছিল। জ্বৰ হ'লে আম্মাই কিবাকিবি গছ-লতাৰ ৰস দিছিল। গাটো টঙাব পাৰিছিলোঁ। আব্বাজান দলে-বলে দূৰৰ গাঁৱলৈ গুচি গৈছিল। ঘূৰি আহোঁতে আনিছিল— গহনা, টকা, কাপোৰ, চাউল— এইবোৰ। মোৰ কাহিনী শুনি আপোনাৰ ভাল লাগিছেনে?

আপুনি নৰ'ব। এয়াতো আপোনাৰ আগৰ জন্মৰ কাহিনী।

বাৰু, শুনিব খুজিছে যেতিয়া কওঁ। মোৰ আম্মা সম্ভৱতঃ হিন্দু ছোৱালী আছিল। আব্বাজানক নোকোৱাকৈয়ে দূৰৰ কালী মন্দিৰত আব্বাজানৰ বাবেই শৰাই দিছিল। আকৌ, মাটি খান্দি শকত গছৰ গুৰিত গাঁত কৰি টকা থৈছিল। গহনাও থৈছিল। দুই-তিনিদিনৰ মূৰত আব্বাজান ঘূৰি আহি একো বিচাৰি নাপাইছিল। আটাইবোৰ কথা মনত ৰাখিবও নোৱাৰিছিল। দুয়োৰে মাজত উখনা-উখনি লাগে। আম্মাক সাপে খুঁটিলে। আব্বাজান শেষত গৈ পুলিচৰ গুলীত মৰিল। কঠিন জীৱ। যায় কেনেকৈ সহজে? গাৰ য'তে-ত'তে গুলী। তথাপি নমৰে। ৰাচবাড়িৰ আদালত-হাটৰ ওচৰৰ ইটাখোলাৰ পুখুৰীত গৈ জঁপিয়াই পৰিল আব্বাজান। পুৰণি ডকাইত। গাঁৱৰ মানুহে যাঠি-জোং লৈ শালি পেলালে। তথাপি নমৰে। মূৰ দাঙি ওপঙি আছে। জীয়াই থকাৰ বৰ আশা আছিল। কোনোবা এজনৰ চকুত পৰিল— দাঁতেৰে কিবা শিপা এডাল কামুৰি আছে। দূৰৰ পৰা মাৰি এডালেৰে দাঁতৰ মাজত লাগি থকা শিপাডাল আঁতৰাই পেলালে। তেতিয়া প্ৰাণ-বায়ু উৰি গ'ল। এয়ে আছিল মোৰ আব্বাজান।

সেই গহনাবোৰ? টকা-পইচা?

মাটিৰ তলৰ গাঁতত। গছৰ খোৰোঙত। আম্মাজান হঠাৎ মৰিল। তাৰ পৰা আৰু অনা নহ'ল। আব্বাজানেও নাজানিলে। তাৰ পিছততো মৰিলেই। মই তেনেই সৰু। আটাইবোৰ চাই থোৱা নাছিলোঁ। যি অলপ জানিছিলোঁ, তাকো পাহৰি গ'লোঁ। সেইবোৰ এতিয়া কোনোবা এখন হাবিত ৰজাৰ ঐশ্বৰ্য্য, খাজনা হৈ পৰি আছে। কোনেও কোনোকালে সেইবোৰ হয়তো বিচাৰি নাপাব।

এজন বেজৰ তিৰোতাক সাপে খুঁটিলে কেনেকৈ?

মইতো তেতিয়া তেনেকৈ একো শিকা নাই। পুলিচৰ চকুত ধূলি দিবৰ কাৰণে আব্বাজান বাহিৰে বাহিৰে থাকে। সেই সময়তে আম্মাৰ নিজৰ পাচিটোৰ সাপেই সেই কাণ্ডটো কৰিলে। পাচিটোৰ মুখখন বান্ধিবলৈ পাহৰি গৈছিল আম্মাই। মাজৰাতি ঢাকনি খুলি ওলাই আহিল। মোৰ আজিও মনত আছে। আম্মাৰ কাষতে শুই আছোঁ। মোৰ হাতৰ ওপৰেদিয়েই সেই ঠাণ্ডা শৰীৰটো বগাই পাৰ হ'ল। সাৰ পাই মনে মনে শুই আছোঁ। লৰচৰ কৰিলেই শেষ। বনলৈ যোৱাৰ আগতে আম্মাক চুমা খাই গ'ল। টোপনি-জালত মাত্ৰ এবাৰ 'উস্' বুলি কৈছিল। শেহৰাতি চিঞৰিছিল। পিছদিনা ৰ'দ ওলোৱাৰ লগে লগে নাকটো বহি গ'ল। টোপনিত হুচ্ নাই। আম্মাক আৰু জগাব নোৱাৰিলোঁ।

আপোনাৰ আব্বাজান ডকাইত হ'ল কেলেই? বেজ মানুহ--

তেওঁ ডকাইত হোৱাৰ কোনো কাৰণ নাছিল। ডাঙৰ বেজৰ ল'ৰা আছিল। হিন্দু এজনৰ ঘৰত বয়সীয়া ছোৱালী এজনীৰ কান্ধৰ পৰা ভূত নমাবলৈ গৈ আম্মাক লগ পালে। দুয়ো পলাই গৈ নিকাহ কৰিলে। দেখাত দুয়ো বৰ ধুনীয়া আছিল। মোৰ এই বয়সৰ চেহেৰা দেখিয়েই সেই কথা আপুনি ধৰিব পাৰিছে। শহুৰেকে সেইহেন বোৱাৰীক গ্ৰহণ নকৰিলে। বাহিৰতো কোনেও কাম-কাজ নিদিলে। তেতিয়া আব্বাজান ডকাইত হৈ পৰিল। এইবোৰ মোৰ জন্মৰ আগৰ কথা। তাৰ পিছৰ পৰাই মই হাবিতে আছোঁ। আল্লাতালাই অৰ্ডাৰ দিলে লোকালয়লৈ যাওঁ।

আপুনিতো আমাৰ দৰেই বঙালী কয়।

মই বঙালী। আব্বাজানৰ নাম আছিল মোদাব্বেৰ। তাৰ পিছৰে পৰা আপোনালোকৰ দৰে মানুহৰ লগতে আজি চল্লিশ বছৰ ধৰি উঠা-বহা কৰিছোঁ। ভাষাটো সেইবাবে এনেকুৱা হৈ গ'ল। আপোনালোকৰ গাজনৰ গীত মোৰ ভাল লাগে। চ'ত মাহত চং দিয়া দেখিলে সৰু কালত তাৰ পাছে পাছে লৰি যাওঁ।

বিয়াতো কৰোৱা নাই?

নাই, কৰোৱা নাই। ইচ্ছাই নহ'ল। হাবিত থাকোঁ। বিদ্যাধৰীৰ এই ডুবিটো ভাল লাগিল। সেইবাবে থাকি গ'লোঁ। তেওঁবিলাক দুয়োৰে মৃত্যু হোৱাত মই হাবিত অকলশৰীয়া হৈ পৰিলোঁ। আঘাত পাই পাই নিজেই শিকিবলৈ ধৰিলোঁ। কম বয়সৰে পৰাই গম পাওঁ— কিহবাই আঁৰৰ পৰা চাইছে নে নাই। নজৰৰ চোক লুকাব নোৱাৰি। ধৰা পৰিবই। এমাহতকৈও বেছিকাল সেই জীৱটোৱে মোক দূৰৰ পৰা লক্ষ্য কৰিছে। ডুবিৰ পানীত গা ধুবলৈ নামিছোঁ, দেখিছোঁ— সি পাৰেদি গৈ আছে। নামাজ পঢ়ি উঠিছোঁ- তাৰ নেজডাল দেখিছোঁ। নিচিনা-নজনা গাঁত এটাত সোমাই পৰাৰ আগতে ইচ্ছা কৰিয়েই দেখুৱাই যায় তাৰ চিকুণ চেহেৰাটো। মই মনে মনে কওঁ— বাৰু, বাৰু।

গহীন নিশা সিহঁত আহাৰৰ বাবে ওলায়। দুদিনমান দিনৰ ভাগতে মোৰ বহাৰ আগৰ বালিচহীয়া মাটিত নেজৰ চিন দেখিলোঁ। বুজিলোঁ— লুকাই-চুৰকৈ আহি মোৰ থকা ঠাইখনো চাই গৈছেহি। আৰু দেৰি কৰিলে মোক খুঁটিব। মোক সি তেতিয়াই চকু দিছে। আৰু উপায় নাই। সেইবাবে, আজি ৰাতি নৌ-পুৱাওঁতেই ওলাইছিলোঁ, অনাথ বাবু।

সিহঁতৰ কাৰণে দুখ নহয় নে আপোনাৰ?

হয়। হোজা। সৰল জীৱ। নাজানি খেলিমেলি কৰি পেলায়।

অলপ ৰৈ মহম্মদ বাজিকৰে তেওঁৰ হলৌ-চোলাটোৰ হাতখনেৰে মুখখন মচি ল'লে। — আপুনিয়ে বোলে এদিন কোম্পানী বান্ধৰ সাপবোৰক নিৰ্বংশ কৰিব খুজিছিল?

তেতিয়া বুজিব নোৱাৰিছিলোঁ, বাজিকৰ।

যেতিয়া খোটে, তেতিয়া সিহঁতেও মানুহক খুঁটিছে বুলি বুজি নাপায়। ভাবে— বাধা

গাজনৰ গীত ঃ চড়ক পূজাৰ সময়ত শিৱৰ উৎসৱ হয়। তাত শিৱসম্বন্ধীয় গীত গোৱা হয়। বাংলা বছৰৰ অন্তত হোৱা শৈৱ উৎসৱকে গাজন বা চড়ক বোলে।

দিলোঁ। ভাল পালোঁ। ইয়াৰ নামেই হ'ল কাল পীৰিতি। এনেকৈ আল্লাতালাই এটাৰ হতুৱাই আন এটালৈ চমন পঠিয়ায়। মোক সি চকু দিছিলেই।

পুৱাৰ বতাহত জাৰ-জাৰ লাগিছিল। মহম্মদ বাজিকৰে ক'লে– এনেকুৱা ঠাণ্ডাত সিহঁত এতিয়া সাধাৰণতে ওলাই নাহে। হয়তো খাদ্য একো নাছিল, নহ'লে গাৰ পৰা গোন্ধ ওলাইছিল। সেই সময়ত সিহঁতে পকা কঁঠালৰ গোন্ধৰ দৰে গোন্ধ এটা বতাহত বিয়পাই দিয়ে।

ইমান কথা জানি-শুনিও আপুনি এই হাবিখনত পৰি থাকে কিয়?

ৰাতি নৌ-পুৱাওঁতেই আপুনি শোৱাৰ পৰা উঠি কিয় বট গছৰ তললৈ আহিছে?

ইয়াত মই নিজকে অকলশৰীয়াকৈ পাওঁ। জগতখন চাবলৈ পাওঁ। ইমান মুকলি। ক'তো ফাকি নাই।

মোৰো কথা সেইটোৱেই, অনাথ বাবু। অৱশ্যে আপোনাৰ আৰু মোৰ মাজত ফাৰাক আছে। আপুনি সংসাৰ কৰিছে, মই কৰা নাই। আকৌ, মই দুনিয়াৰ গছ-লতা সকলো চিনি পাওঁ। কোনখন পাতৰ কি গুণ, কোনডাল শিপা কি কামত আহে– মই জানো ; আপুনি নাজানে। বতাহৰ ফালে চায়েই বুজিব পাৰোঁ– বতাহৰ মাজত অদৃশ্য হৈ কোন কোন আছে। শুদা চকুৰেই দেখোঁ, আপুনি নেদেখে।

সেইটো আকৌ কেনে কথা, বাজিকৰ ডাঙৰীয়া?

আন এদিন ক'ম। তাতকৈ, আহক, মনে মনে বহি ইয়াৰ পৰাই চাই থাকোঁ– দুনীয়াৰ যিমানখিনি চাব পাৰি, চাওঁ।

ভালকৈ ৰ'দ ওলোৱাৰ বাবে এতিয়া গাত গৰম লাগিছে। ভালেই লাগিছিল। চোৱা ছয় বজাৰ ট্ৰেইনখন গুম-গুমাই ঈশ্বৰীতলাত সোমাইছেহি। দিনৰ পোহৰত মদন-বদনক ভালকৈ দেখা গৈছে। সিহঁতে আঁতৰা-আঁতৰিকৈ বৰশী বাইছে। সেইবোৰ দাঙি দাঙি চাইছে। নৈয়ে এৰি যোৱা ডুবিটো পানীৰে চপ্‌চপীয়া হৈ আছে। তাৰ লগতে আবতৰীয়া বৰষুণে ধোৱা পথাৰৰ পানী। প্ৰায়, ভৰপূৰ বাৰিষাৰে চেহেৰা। অথচ এতিয়া জাৰকালিৰ মাজভাগ। কোন-কাহানিবাই ইয়াত নৈখনৰ চিন-চাপেই নাইকিয়া হ'ল। এই বট গছৰ তলতে হয়তো আছিল পাৰঘাট। এতিয়া সেই নৈৰ বুকু ধানৰ পথাৰৰ সৈতে একাকাৰ হৈ পৰিছে। নতুনকৈ চৰৰ মাটি ওলোৱাত ভৈয়ামৰ মানুহৰ লোভ উথলি উঠিছে। সৌ দূৰণিত ধোঁৱা-ধোঁৱা যেন লগা ঠাইবোৰ ৰিণিকি-ৰিণিকি যে দেখিছে, তাতেই বালিচৰত শাক-পাচলিৰ খেতি হয়। দক্ষিণাৰ আধিখোৱা খেতিয়কবোৰো সেইফালেই থাকে।

ইয়ালৈ অহাৰ আগতে তেওঁৰ ঘৰৰ সেই ৰঙা বাৰান্দাত নিশ্চয় মদনে তাড়িৰ কলহটো থৈ আহিছে। অনন্তমূলৰ দৰে আৰু বহুতো কিবাকিবি মিহলাই কলহৰ মুখ বান্ধি গছত ওলোমাই থোৱা হয়। অলপ অলপকৈ ৰস পৰি থাকে। কলহৰ তলীত থাকে চূণ।

তাত ৰ'দৰ উত্তাপ লাগি দিনৰ দিনটো বস্তুবোৰ ভাপত সিজে। তাত নিচা থাকে। থাকে পৃথিৱীৰ ভিতৰৰ নিজা ৰস। প্ৰথমতে দাঁতৰ আলু পোৰে, তাৰ পিছত গাল। অলপ পিছতে মূৰটো গধুৰ হৈ শিল যেন হয়। তেতিয়াই মজা লাগে।

মহম্মদ বাজিকৰৰ গাত মাত্ৰ সেই হলৌ-চোলাটো। যত্ন নোলোৱা আধাপকা দাড়িকোছাই বুকুখনৰ অলপমান ঢাকি পেলাইছে। দাড়িৰ কাষতে বুকুৰ এটা ভাগ ৰ'দত অলপ ৰঙচুৱা যেন হৈছিল। ডাঙৰ ডাঙৰ দুইটা চকুতে ডুবিৰ ছাঁ পৰিছিল। এই নিজানত পাছলৈ চালেই তেওঁৰ বহাটো চকুত পৰিব।

আপুনি মোতকৈ বহুত পিছতহে দুনীয়ালৈ আহিছে। এতিয়াও আপোনাৰ সময় আছে। আপোনাৰ নিজাকৈ কিবা এটা কৰিবলৈ মন নাযায়নে? মোৰতো আৰু সেই বয়স নাই।

মইনো এই বয়সত কি কৰিম?

কিয়? কোম্পানী বান্ধৰ কাষত আপোনাৰ তিনি-চাৰি বিঘা মাটি আছে। তাতে খেতি কৰকচোন।

মই খেতিৰ আও-ভাও একো নাপাওঁ, বাজিকৰ।

কৰি কৰিয়েই শিকিব। সৃষ্টি কৰাৰ আনন্দ এটা বেলেগ বস্তু। মদন-বদনকো লগত ল'ব। দেখিব, কিমান সুখ!

কিয়? আপুনি কাহানিবা খেতি কৰি পাইছে জানো?

মই কৰিব পৰা নাই বাবেই কৈছোঁ।

দহ

মাঘৰ প্ৰায় মাজভাগতে কানাইক বেচি দিয়া হ'ল। কিনিলে— ঈশ্বৰীতলাৰ ৰংগলালে। ইটাখোলা আছে। কয়লাৰে ইটা তৈয়াৰ কৰে। গুড়ি কয়লা আহে লৰীত ৰাণীগঞ্জৰ পৰা। কাম কৰা মতা আৰু মাইকী মানুহ আহে ৰাঁচীৰ পৰা। সিহঁতে ইটাখোলাতে ঘৰ সাজি থাকে। কুকুৰা পোহে। তাৰ কেঁচা মাটি ভালকৈ খচি মিহলাবৰ বাবে লোহাৰ ঘেৰ এটাৰ ভিতৰত মাটি পেলাই লয়। লোকৰ হুকুমত লোকৰ বাবেই কাম কৰাৰ দৰে এই ঘেৰটোত কান্ধত গধুৰ কাঠ লৈ দিনৰ দিনটো কানায়ে ঘূৰপাক দিবলগীয়া হয়। বজাৰৰ ফালে যোৱা বাটটোৱেদি অনাথ আৰু নাযায়। গ'লেও ইটাখোলাৰ ফালে নাচায়। যদি কানাইৰ সৈতে দেখাদেখি হৈ যায়! কানায়ে চাই থাকিলে কি ক'ব অনাথে? তেওঁৰ ক'বলগীয়া একো নাই। বহুৱাই আৰু খুৱাব নোৱাৰিলা। ভাল কথা, এৰি দিব পাৰিলাহেঁতেন। চৰি খালোহেঁতেন। আৰু বেচিলা ইটাখোলাত! নাজানানে কি খাটনি ইয়াত? এই কামত কোনো জন্তুৱেই এটা ঋতুতকৈ বেছি নিটিকে। টিকিলেও দেহা নষ্ট হয়, অসুখ কৰে।

এনেকুৱা কথা আছিল জানো তোমাৰ লগত, অনাথ বাবু? ইটাখোলাৰ দিনকেইটা পাৰ. কৰি দিব পাৰিলে হয়তো কোনোবা খেতিয়কে সস্তাত কিনি লৈ যাব। মাৰ-পিট কৰি হালত জুতি দিব।

আজিকালি অনাথৰ ৰুটিন বেলেগ ধৰণৰ হৈছে। নিচেই পুৱাতে তাড়ি খাই নিজৰ ঘৰৰ ৰঙা বাৰান্দাত বহি মিটিং কৰে। সেইদিনা বাজিকৰে কোৱা কথাটো তেওঁৰ মনত লাগিছে। কিবা এটা সৃষ্টি কৰাৰ মাজতে হয়তো এই জগতৰ প্ৰাণ বাস কৰে। কেৱল তাতেই তাৰ উমান পাব পাৰি, স্পৰ্শ কৰিব পাৰি। প্ৰথমে ভাবিছিল— মানুহ খটুৱাই নিজৰ চাৰি বিঘাতে খেতি কৰি চাব। এতিয়া আই-আৰ-এইট নে কিবাবোৰ ওলাইছে। জাৰকালিৰ শেহত ৰোৱে। জেঠ মাহৰ শেহলৈ ধান দায়। বাৰিষাতকৈ এই সময়খিনিত শইচো হেনো বেছি হয়। পাছে, চোৱা-চিতা কৰিব লাগে বেছি।

বাজিকৰৰ কথাটো এইকেইদিন তেওঁৰ মূৰৰ ভিতৰত মাৰ্বলৰ দৰে ঘূৰি ফুৰিছিল। নিজে নিজে জানো কিবা গঢ়িব পাৰি? গঢ় দিয়াৰ বাবে এনে কি বস্তু আছে, যি আপোনা-আপুনি নিতৌ সলনি হৈ বিষয়-বুদ্ধিৰ ৰূপ স্পষ্টকৈ দেখুৱাই দিয়ে। অফিচত বহি বহি বাজিকৰৰ এই কথাবোৰ ফঁহিয়াই চায় অনাথে। বাজিকৰে কৈছিল— গছ, যাৰ প্ৰাণ আছে।

নৈৰো প্ৰাণ আছে, বাজিকৰ ডাঙৰীয়া! মই জানো এখন নৈ সৃষ্টি কৰিব পাৰিম?

মই এটা সময়ত পাৰিছিলোঁ, অনাথ বাবু। সেয়া বেলেগ কথা।

ক'কচোন, মই একেবাৰে একো নাজানো। একো কথাই নাজানো।

আপোনাৰ ভিতৰৰ মাটি ভাল। যি মন যায়, তাৰে খেতি কৰিব পাৰি।

আপুনি নৈ সৃষ্টি কৰাৰ কথাটো ক'কচোন, বাজিকৰ ডাঙৰীয়া।

সেয়া তন্ত্ৰৰ কথা। এসময়ত তন্ত্ৰত বৰকৈ লাগিছিলোঁ। ভালেমান দিনৰ আগৰ কথা। কিন্তু সৃষ্টি কৰিলেও সিতো আচল নৈ নহয়। চকুৰ নিচা। মনৰ খেলিমেলি। আচল নৈ সৃষ্টিৰ খনিকৰতো স্বয়ং আল্লাতালা। সেইবোৰ এৰক। আন এদিন পাতিম তাৰ কথা। আপুনি খেতি কৰক। ধানৰ খেতি কৰিব পাৰে। কিমান খেতি আছে। জলকীয়া কৰক। প্ৰতি বিঘাত চৌধশ পুলি লগাব পাৰে।

তাৰ পৰা বিষয়-বুদ্ধি হ'বনে?

হ'ব হ'ব। কেঁচা জলকীয়াৰ দুই-তিনি টকা কেজি, শুকালে দহ টকা-বাৰ টকা। লোভৰ খেলাখনো বুজিব পাৰিব।

বাৰিষাৰ খেতি উঠিলে ঈশ্বৰীতলাৰ পথাৰত সকলোৱে গৰু উদং মেলে। ইয়াত অইন ঠাইতকৈ জলকীয়াৰ খেতি কৰা টান। মদনে ক'লে— বাবু, আপুনি ধানৰ খেতি কৰি চ'ক। বেছি ঠাই জুৰি খেতি কৰিলে আটায়ে গৰু বান্ধি থ'ব।

কিন্তু মাটি মাথোন চাৰি বিঘাহে। ডাঙৰ খেতি কেনেকৈ কৰিবি?

পাম্পেৰে পুখুৰীৰ পানী তুলিলে খেতিৰ খৰচ নুঠিব।

বহুত ভাবি এটা উপায় পাইছে অনাথে। যিমানদূৰ বুজিব পাৰি— ঈশ্বৰীতলা, চন্দনেশ্বৰ মৌজা, খাড়ুপাতাল মৌজা, দ্বাৰিকপোতা মৌজা— এই আটাইবোৰ ভালেমান বছৰৰ আগতে বংগোপসাগৰৰ বুকুত আছিল। আন দিশলৈ গতি কৰাৰ সময়ত সাগৰে বসুমতীৰ গৰ্ভত লুণীয়া পানী পেলাই থৈ গৈছে। বসুমতীৰ হাড়ে-হিমজুৰে লোণ সানি থৈ গৈছে। ইয়াত মিঠা পানী বহুত দ'ত আছে। খেতি কৰিবলৈ হ'লে কোম্পানী বান্ধৰ লগতে লাগি থকা খাল-বিলৰ পানীয়েই একমাত্ৰ ভৰসা। সেই পানীৰে বহলাই খেতি কৰিলেহে খেতিৰ খৰচখিনি ওলাব। কিন্তু মাটি ক'ত?

ভাবি ভাবি এটা উপায় পালে অনাথে। এই উপায়টো পোৱাৰ লগে লগে তেওঁ এখন বিৰাট জগতৰ সন্ধান পালে। তাৰ নিচাই সুকীয়া। বাৰিষাৰ খেতিৰ পিছত পানীৰ অভাৱত, সাৰৰ অভাৱত বহুত মাটি এনেয়ে পৰি থাকে। কাৰোবাৰ পাঁচ বিঘা, কাৰোবাৰ আকৌ এবিঘা। এনেকৈ কোম্পানী বান্ধটোৰ কাষৰ অন্ততঃ তিনিশ বিঘা মাটি জাৰকালি খেতি উঠাৰ পিছত এনেয়ে পৰি থাকে।

ধান পায় প্ৰতি বিঘাত ছয় কেজিমান। কেইমাহমান বা পাঁচ সপ্তাহতে কঠীয়া তুলি নি পাঁচ ইঞ্চি ন ইঞ্চিৰ শাৰী একোটাত প্ৰতি গোছাতে তিনিডালকৈ কঠীয়া ৰুই যাব লাগিব। সোঁ-হাতৰ বুঢ়া আঙুলিৰে টিপি টিপি। একৈশ দিনতে সেই গোছবোৰত ঘন ক'লা ৰং ধৰিব। তেতিয়াৰে পৰা সাৰ। তেতিয়াৰে পৰা নিৰোৱা। খুচৰি দিলে শিহৰি ছিগি নতুন গজালি ওলাব গোছে গোছে।

মদনে যিমান কয়, তাতকৈ বেছিকৈ কয় আনবোৰ খেতিয়কে। সিহঁত মদন-বদনৰ দৰে আধা-খেতিয়ক নহয়। গোটেই বছৰটোৱেই সিহঁতৰ মাটিৰ লগতে কাৰবাৰ।

ঈশ্বৰীতলাত জনাজনি হৈ গৈছে— পুখুৰীৰ পানীত পাম্প বহুৱাই সমূহীয়া খেতি হ'ব। আজি আবেলি ঈশ্বৰীতলাত মিটিং। কাইলৈ কোম্পানী বান্ধত। পৰহিলৈ চন্দনেশ্বৰত। এনেকৈ চলি আছে। অনাথবন্ধু কামত একেবাৰে আপোনপাহৰা। অফিচ একপ্ৰকাৰ বাদেই পৰিছে।

টোপনিৰ পৰা উঠিয়েই পুঁটে নস্কৰৰ ঘৰ। বান্ধটোৰ কাষত তাৰ সাত বিঘা মাটি। দুপৰীয়া স্বয়ম্বৰ কাওৰাৰ ঘৰত। স্বয়ম্বৰে ৰাতি জাল মাৰি ঘূৰি ফুৰে। দিনৰ ভাগত শোৱে। আবেলি টোপনিৰ পৰা উঠি দুটা দুখীয়া ল'ৰাক জধেমধে পিটন দিয়ে। এইখনেই স্বয়ম্বৰ কাওৰাৰ ছবি।

ইজন-সিজনৰ ঘৰলৈ অনাথ যায়। তেওঁৰ আন্তৰিকতা আৰু ইচ্ছা দেখি সকলোৱেই মাটি দিলে। মাটি বিচাৰি ফুৰোঁতে এনেকুৱা দহ-বাৰজন নানা তৰহৰ মানুহক লগ পালে অনাথে। তেওঁবিলাকৰ লগত অনাথৰ চৰ্ত হ'ল— খেতি উঠিলেই এবস্তা ধান।

গাঁৱে-গাঁৱে ধান লৈ আচৰিত ধৰণৰ সুতৰ কাৰবাৰ চলিছে। অভাৱৰ দিনত খেতিয়কে

যদি এবস্তা ধান ধাৰলৈ লয়, খেতি চপোৱাৰ সময়ত ডেৰ মোন দিব লাগে। ঈশ্বৰীতলাৰ ভাষাত এই কাৰবাৰৰ নাম হ'ল ধানবড়ি। তেনেকৈ দোকানবোৰতো আটাবাড়ি শব্দটোৰ চলন্তি আছে।

এইবাৰ গাঁৱৰ মাজত ঘৰে ঘৰে ফুৰি অনাথে দেখিবলৈ পালে— পুখুৰীবোৰ চাফা নকৰাৰ বাবে দুৰ্গন্ধময় শেলুৱৈৰে সেউজীয়া হৈ আছে। পকা ঘৰবোৰতো ফাট মেলিছে। কেঁচা ঘৰবোৰৰ ছাউনিৰ তালপাতবোৰ শুকাই খৰখৰীয়া মাৰিছে। গৰুবোৰ বেমাৰত ভুগিছে। যাৰ যক্ষ্মা হৈছে, তেওঁবিলাকক ঘৰ-ঘৰোৱাহৰ পৰা আছুতীয়াকৈ থৈছে। মাটিৰ অভাৱতে পুৰণি ঢেকী ঘৰত বুঢ়া-বুঢ়ীয়ে আশ্ৰয় লৈছে।

গোটেইবোৰ গাঁৱৰ চেহেৰা কৰ্কশ, শুকান। মানুহবোৰৰ কোনো চিৰি নাই। আটায়ে আটাইকে অবিশ্বাস কৰে। তাৰ ভিতৰতে অনাথৰ কথা শুনি ঈশ্বৰীতলাৰ মানুহৰ মনত বিশ্বাস বস্তুটোৰ ওপৰত বিশ্বাস হ'বলৈ ধৰিলে।

অনাথৰ কথা বৰ স্পষ্ট। আমি বেংকৰ পৰা ধাৰ কৰি যন্ত্ৰপাতি, পাম্প, সাৰ, পোক মৰা দৰৱ, সঁচ কিনিম। যাৰ মাটি এতিয়া পৰি আছে, তেওঁবিলাকে খেতি কৰিবলৈ দিলে এবস্তা ধান পাব। খেতি চপালে জমিদাৰৰ ভাগ বাদ দি আধাখিনি খেতিয়কৰ, আধাখিনি বেংকৰ। খেতিয়কৰ শ্ৰম। গাঁৱৰ মানুহৰ মাটি। টকা বেংকৰ। মোৰ কাম হ'ল— এওঁবিলাক আটাইকে একত্ৰিত কৰা।

মদনে সুধিলে— ইমান খাটি আপুনি কি পাব?

মই? একো নাপাওঁ!

তেনেহ'লে অনৰ্থক খাটিছে কিয়?

সেইটো তই বুজিবি কেনেকৈ? যা, পলা। বাৰু, তোৰ ভনীয়েকৰ বিয়া কেতিয়া?

পিছুৱাওঁতে পিছুৱাওঁতে ফাগুন পাৰ হ'ল।

কেইটা ফাগুন গ'ল? হাতঘড়ীটো বেচি পইচাখিনি খাই পেলালি নেকি?

সেইটো কৰিলে আমাৰ মহাপাপ হ'ব। আপুনি ঘড়ীটো দিলে। তাৰ পিছত চাইকেলখনো হ'ল।

বহুতেই আহিছে খেতি কৰিবলৈ। দ্বাৰিকপোতাৰ খেতিয়কসকলেই আটাইতকৈ বেছি উৎসাহী। আৰু বিদ্যাধৰীৰ নতুন বালিচৰৰ খেতিয়কসকলো উৎসাহী। তেওঁবিলাকে কয়— পানী পালে সকলো কৰিব পাৰি। ইয়াত পানীৰে আকাল। যিখিনি আছে, সেইখিনি লুণীয়া। মিঠা পানী পাতাল পালেগৈ। বাৰিষাৰ পানী পুখুৰীত থাকে। তাৰ কাৰণে পাম্প মেচিন পাইছোঁনো ক'ত?

বেংকৰ মেনেজাৰ ডাঙৰীয়াই ক'লে— টকা আমি দিম। কিন্তু টকাটোৱে পতি দহ পইচা আপোনালোকে দিব লাগিব।

অনাথে মূৰত হাত দিলে। সেয়াতো বহুত টকা। মনতে ভাবিলে— বাজিকৰ ডাঙৰীয়া, এয়া কি খেলাত নমালা মোক!

ৰাতি খাবলৈ বহি শান্তাই ক'লে— যিসকলে তোমাক মাটি দিছে, তেওঁবিলাকৰ প্ৰত্যেকৰে ভঁৰালত ধান আছে। এবস্তা এবস্তা ধান খোজা। ক'বা— খেতি উঠিলে ঘূৰাই দিম। এতিয়া ধানৰ দৰ ভাল। পঞ্চাশ-ষাঠি বস্তা ধান বেচি দিলে টকা ওলাব।

খাই উঠি অনাথে ভাবিলে— কথাটো বেয়া নহয়। যি মাটি দিছে, তেওঁবিলাকেই ধানো দিব পাৰে।

বাহিৰত বৰ জাৰ। ব'ল বলাই—

এই ৰাতিখন ক'লৈ? এতিয়া আপোনাৰ খেতিয়কসকল শুইছে।

ব'লচোন তই।

পথাৰৰ মাজে মাজে গৈ যেতিয়া দ্বাৰিকপোতাৰ অম্বিক গাড়িৰ ঘৰ পালেগৈ, তেতিয়া চজিনাতলত গাঁৱৰ কুকুৰবোৰ গোট খাইছে। সিহঁতে বাঘাক কামুৰিব। চাৰিও-ফালে কুঁৱলী। বাঘা আহি অনাথৰ আঁঠু দুটাৰ মাজত সোমাব খুজিছে, আৰু, কুঁ-কুঁকৈ কান্দিছে। বলায়ে ক'লে— গাড়ি ডাঙৰীয়া এতিয়া মানে শুলেই চাগৈ। কাইলৈ ৰাতিপুৱা আহিব।

চাওঁচোন ৰ। — ঈশ্বৰীতলাৰ নিয়ম মতে অনাথে ডাঙৰ ডাঙৰকৈ কাহিবলৈ ধৰিলে। লগতে গলখেকাৰি। অম্বিক গাড়িৰ খেতি ডাঙৰ। কেইবছৰমানৰ আগত মাটি কাটিছিল। হেজাৰ দৰত লোৱা মজুৰিয়েই আছিল ভৰসা। পৰিশ্ৰম কৰি কৰি অৱস্থা আকৌ টনকিয়াল কৰিছে। খেতিয়কৰ মুখৰ পৰাই শুনিছে— অম্বিকাই ধান জমা কৰি সময়মতে বেচি পইচা কৰিছে। সেইবোৰ পইচা ঈশ্বৰীতলাৰ ষ্টেচন বজাৰৰ নতুন বেংকত নথয়, থয়— নিজৰ ঘৰতে। ঘৰৰ বাহিৰত শোৱে। মাটিৰ মজিয়াত। কিন্তু ভিতৰৰ ভেটিত দিয়া বেৰবোৰ বালি-চিমেণ্টেৰে গঁথা ইটাৰ। বাৰান্দাত শুই লৈ গোটেই নিশা উজাগৰে কটায়। অসাৱধান অৱস্থাত যদি চোৰ আহে! ডকাইত আহি যদি টোপনিতে ধৰেহি! সেয়ে টোপনি গ'লেও দিনৰ ভাগতহে যায়— দুপৰীয়া। গোটেই নিশা কঠটোৰ কাষতে টৰ্চ-যাঠি লৈ উজাগৰে বহি থাকে অম্বিক গাড়ি। গাঁওখনৰ আটাইবোৰ ভতুৱা কুকুৰে অম্বিকৰ বাৰান্দাতে পৰি ঘুমটি মাৰে। — এইবোৰ কথা খেতিয়কসকলেই কৈ ফুৰে।

বৰকৈ কাহ মাৰিব লগা নহ'ল— অনাথৰ।

কোন? তাত কোন?

চোৰ আহিলেও মানুহে এনেকৈ নিচিঞৰে। — মই অনাথ।

কোন অনাথ?

এইবাৰ বলায়ে চিঞৰি চিঞৰি ক'লে— তোমালোকৰ কুকুৰবোৰ চম্ভালা। কামুৰিব।

হেৰিকেন হাতত লৈ অম্বিক ওলাই আহিল।

বলায়ে মাত লগালে— আমি কোম্পানী বান্ধৰ নতুন ঘৰৰ—

লেমৰ পোহৰ তুলি অম্বিকে ক'লে— এ বসু ডাঙৰীয়া যে! আহক।

কথাখিনি কোৱাৰ পিছত অম্বিকে ক'লে— শুদা ধানখিনিনো আপুনি কঢ়িয়াই নিব

লাগিছে কেলেই? কাইলৈ পুৱাতে বজাৰলৈ যাওঁতে টকা দি যাম। এবস্তা ধানৰ দামহে। সকলোৱেই দিব।

খেতিৰ ভাগটো ধৰি তেনেহ'লে দুবস্তা ধান দিব, নহয়?

নিশ্চয় দিম। আপুনি নিশ্চিন্তে গৈ শুই থাককগৈ। মই নিজেই আটাইকে ক'ম। দুই-চাৰি দিন সময় ল'ব।

টুকু সীতাকুণ্ডলৈ যাব। বিকাশ কলিকতালৈ। টুকুৰ সীতাকুণ্ডৰ গাৰ্লচ স্কুলত পঢ়া ডেৰ বছৰমান হ'ল। বিকাশ আশুতোষ কলেজৰ ছাত্ৰ।

ডাউন আৰু আপ ট্ৰেইন ওচৰা-উচৰিকৈ ৰৈ আছে। বিকাশ ডাউন ট্ৰেইনত উঠি বহিল। টুকুৰ এইবোৰ চাবৰ সময় নাই। ঈশ্বৰীতলাৰ স্কুল এৰি সীতাকুণ্ডলৈ যাওঁতে তাইৰ প্ৰথমে ভাল লগা নাছিল। এতিয়া সীতাকুণ্ড বৰং বেছি ভাল লাগে। ইয়াত নীলা পাৰিৰ শাৰী পিন্ধিব লাগে।

প্লেটফৰ্মত নামি বিকাশক দেখি টুকু অবাক। ৰঙা পাথৰ দিয়া প্লেটফৰ্মৰ বাঁওহাতে নামি গ'লেই স্কুললৈ যোৱা বাট। বাটটোৰ মুখতে এজোপা নিম গছ। তাৰ তলতে টিউবৱেল। ট্ৰেইন এৰাৰ লগে লগে প্লেটফৰ্ম শূন্য হৈ গ'ল। টুকুৰ কিবা এক ধৰণৰ লাজ লাগিল। ভৰি যেন আৰু নচলে। বিকাশে আগবাঢ়ি আহি ক'লে— মোৰ চিঠি পাইছিলানে?

সকলো জানি-বুজিও টুকুৱে সুধিলে— কি চিঠি?

জগেন যাত্ৰাই তোমাক চিঠি এখন দিয়া নাইনে?

অ', হয়, দিছিল। সেইখন চিঠি দেউতাক দিছোঁ। সেইখন চিঠি আছিল নেকি? মই ভাবিছিলোঁ— বলিয়াটোৰ কাগজ। কথা কৈ যাওঁতে টুকুৱে মন কৰিলে— বিকাশৰ মুখ বিবৰ্ণ হৈ গৈছে। তাৰ মাজতে টুকুৱে ক'লে— আপুনি ইয়াত? কলেজলৈ নাযায়?

যাম। এই ট্ৰেইনখনেই আকৌ আপ ট্ৰেইন হৈ উভতি আহিব, তেতিয়া যাম। তাৰ পিছত অলপ ৰৈ ক'লে— তোমাৰ চিঠিখন দেউতাৰাৰ হাতত দিলা কি বুলি?

আপুনিতো ভাল বলিয়া। বলিয়াটোৰ হাতত চিঠি দিলে আপোনাৰ চিঠি বুলি জানিম কেনেকৈ? যাওঁ, ক্লাচৰ কাৰণে দেৰি হৈছে—

ৰ'বা টুকু। মোৰ বহুত কথা আছে।

আবেলি আমাৰ ঘৰলৈ আহিব। তেতিয়া ক'ব।

কলেজৰ পৰা ঘূৰোঁতে মোৰ সন্ধ্যা লাগে। এতিয়াই তোমাক ক'ব খুজিছোঁ। বাৰু, তোমাৰ ভাল নামটো কি?

টুকুৱে তাইৰ জ্যামিতিৰ বহীখন আগবঢ়াই দিলে। তাৰ বেটুপাতত লিখা— দিচ বুক বিলংচ টু— তাৰ পিছত তাইৰ নামটো লিখা আছে।

নামটো পঢ়ি বিকাশে ক'লে— সুতপা বসু। বাঃ সুন্দৰ নাম!

টুকু অস্থিৰ হৈছিল। স্কুলৰ টিচাৰ্চ কোৱাৰ্টাৰবোৰ প্লেটফৰ্মৰ কাষতে। কোনোবা

বাইদেৱে খিৰিকিয়েদি চালেই তাইক চুৰিয়া পিন্ধা ল'ৰা এটাৰ লগত দেখিব। এইখন ঈশ্বৰীতলা নহয়। এইখন সীতাকুণ্ড। সকলোৱে জানে— সুতপা বসু, ক্লাচ নাইন, ৰোল নং টেন, ট্ৰেইনত পঢ়িবলৈ আহে।

তোমাক সদায় চাবৰ মন যায়।

টুকুৱে একো উত্তৰ নিদিলে। তাই ভালকৈ দেখিলে— নিম গছৰ পাতৰ ছাঁ তাইৰ শাৰীৰ উকা অংশটোত পৰি অলপ অলপ লৰি আছে। প্লেটফৰ্মৰ মাজেদি দুই-এটা কুকুৰ পাৰ হৈছে। তাইৰ নিজৰ কাণ দুখন ৰঙা পৰিছে। লাহেকৈ ক'লে— আপোনাৰ কলেজলৈ লেট হৈ যাব।

ফাৰ্ষ্ট পিৰিয়ডটো নকৰোঁ আৰু।

কিয়? তেনেকৈ নকৰোঁ বুলি নকৰাকৈ থাকিব পাৰি হ'বপায়।

কলেজত সেইটো হয়। সকলো পিৰিয়ডতে সুকীয়া সুকীয়াকৈ ৰোলকল হয়।

বাঃ বৰ ভাল দেখোন!

তাৰ উপৰিও প্ৰক্সি আছে।

সেইটো কি বস্তু?

বৰ গৰ্ব হৈছিল বিকাশৰ। ক'লে— ক্লাচত এজনক কৈ থওঁ। আজি ভাই আহোঁতে পলম হ'ব। মোৰ ৰোল নং মাতিলেই সি 'ইয়েচ চাৰ' ক'ব।

যদি ধৰা পৰে?

সাৱধানে ক'ব লাগে।

কলেজ বোলা বস্তুটোক সুতপাই আজিকালি সমীহ কৰে। তাত পঢ়াবোৰ আটাইবোৰেই হায়াৰ চেকেণ্ডাৰী পাছ। বৰ স্বাধীনভাৱে সিহঁতে পঢ়িবলৈ যায়। তদুপৰি আজি প্ৰক্সিৰ কথা নতুনকৈ শুনিলে। কলেজ সম্পৰ্কে তাইৰ জ্ঞানৰ ভঁৰাল অলপ অলপকৈ বেছি হৈ আহিছে। আজি তাত অলপ জমা হ'ল। তাই নিজে যে কেতিয়ামানে কলেজত পঢ়িব!

মোৰ চিঠিৰ এটা লাইনো তুমি পঢ়া নাই?

পঢ়িছোঁ। কাগজখন দেউতাই টেবুলত থৈ দিছিল। দুপৰীয়া মই অকলে অকলে পঢ়িছোঁ।

সেইবোৰ দুজনে পঢ়াৰ বস্তু নহয়। অকলেই পঢ়িব লাগে সুতপা।

টুকুৱে মন কৰিলে— বিকাশে মুখ কৰি আছে পোনে পোনে ৰেল কোৱাৰ্টাৰবোৰৰ পিনে। চকু আছে নিম গছৰ তলত। এটা বিশেষ ঠাইত দৃষ্টি আবদ্ধ নহয় বিকাশৰ। গহীন। ক্লান্ত।

টুকুৰ ভালেই লাগিছিল। — সেইবোৰ লিখিছে কিয়? মোকতো বাটলৈ ওলালেই চাব পাৰি। কোম্পানী বাগৰত আবেলি লিলিক লৈ মই পখিলা ধৰোঁ। বাঘাও আমাৰ লগত থাকে।

বাঘাক লগত আনা কিয়? তাৰ কাৰণেই বান্ধটোলৈ যাব নোৱাৰি।

বাঘা বৰ ভাল। আমাৰ বাহিৰে তাৰ কোনো নাই। নিজৰ আই-বোপাইৰ কথাও সি পাহৰিছে। তেনেই পোৱালিতে আহিছে আমাৰ ওচৰলৈ।

বৰ বেয়া কুকুৰ। মোক দেখিলেই ভুকে।

মোক হ'লে বৰ ভাল পায়।

ময়ো তোমাক ভাল পাওঁ।

থ'ক। সেইবোৰ কথা নক'ব। আপোনাৰ ট্ৰেইনৰ চিগনেল দিছে।

এঘাৰ

চোতালৰ ডাঙৰ নেমুজোপাৰ শকত ডাল এটাত বদনে মেন্থল লাইট এটা ওলোমাই থৈছে। ওচৰৰ কোমল ডালবোৰ দলি দিছে সেইবাবে। পোহৰ দেখি পোক আহিলে, সিহঁত গৈ গছজোপাৰ সেউজীয়া পাতত পৰিবগৈ। তেতিয়া অলপ উপদ্ৰৱো কমিব।

বৰযাত্ৰী অহাৰ কথা আছিল বাৰজন, আহিছে একৈশজন। ভদ্ৰেশ্বৰৰ বৰ খং। বাকীকেইজনৰ যোগাৰ এতিয়া হ'ব ক'ৰ পৰা? দৰা বংশী কাপালিক দেখাত ধুনীয়া হৈছে। বদনে চাইকেলখন গামোচাৰে ভালকৈ মচি লাইটটোৰ তলত থৈছে।

বংশীৰ ককায়েক আৰু অভিভাৱক হৰিদাস কাপালিকৰ লগত ভদ্ৰেশ্বৰৰ এখুন্দা লাগিল। চিঞৰি চিঞৰিয়েই ক'লে— কথা জানো এনেকুৱা আছিল? আজিকালি ইয়াৰ নামেই ভদ্ৰতা নেকি?

ভালকৈ লগা যেন দেখি মদনে তাৰ ককায়েকক প্ৰায় জোৰ কৰিয়েই আনি সম্প্ৰদান দিয়া ঠাইত বহুৱাই দিলেহি। মেন্থল লাইটৰ পোহৰ য'ত ভালকৈ পৰা নাই, তাত অন্ততঃ চাৰিটা কুকুৰ বৈ আছে। সেইফালে বিপদৰ উমান পাই বাঘাই এতিয়া কোনোবা এজন বৰযাত্ৰীৰ জোতাৰ গোৰোহাটো দাঁতেৰে ছিঙিব পাৰে নে নোৱাৰে চাইছিল। তাত আঁৰ-বেৰ বুলিবলৈও একো নাই। দৰাৰ বৰ ককায়েকৰ লগতে বহিছে অনাথ। মদনে বৰকৈ ধৰিলত তেওঁ আহিছে। অলপ সময় বহি ঘৰলৈ ঘূৰিবই লাগিব। এতিয়া ৰাতি ৰাতি পাম্প চলাবলগীয়া হয়। সকলো ঠাইতে পানী পৰিছে নে নাই খেতিয়কসকলে ঘূৰি ঘূৰি চাব। যাৰ মাটিত পানী পৰাগৈ নাই, তেওঁ খাল খান্দি পানী নিব। দৰাৰ আসনত বংশী। তাৰ হাতত অনাথৰ হাতঘড়ীটো।

মাটিৰ ওখ বাৰান্দাখনত ল'ৰা-ছোৱালীবোৰৰ বেচটোৱে খালে। বিয়াৰ কাম চলি আছে, ৰাতি ন-দহমান বাজিব। অনাথে উচ্‌পিচ্‌ কৰি আছিল। তেওঁ কাৰোবাক জামিন দিহে বেংকৰ পৰা টকা লৈছে। সেই টকাৰে ইলেকট্ৰিক পাম্প, কঠীয়া ধান, সাৰ, পোকৰ দৰৱ, দৰৱ ছটিওৱা মেচিন অনা হৈছে। এতিয়া প্ৰায় তিনিশ বিঘাৰ পঞ্চল্লিশ দিনীয়া ধানৰ

গোছাই সেউজীয়া বৰণ ধৰিছে। পানীও ৰাখিব লাগে, কমকৈও আধা ইঞ্চিমান। এই সময়তে ধান লহ্‌পহ্‌কৈ বাঢ়ে। গেঁৰ ওলাবলৈ ধৰে। কেইসপ্তাহমানৰ ভিতৰতে গেঁৰ মেলি জোপোহা হৈ পৰিব। এতিয়াই নজৰ নিদিলে মাজপানীতে নাও বুৰিব।

অনাথে উঠোঁ উঠোঁ কৰিছিল। বদন আহি ক'লেহি— আৰু আধা ঘণ্টা বাবু। বিয়াখন শেষ হ'লেই আপুনি বৰযাত্ৰীসকলৰ লগত একেলগে খাবলৈ বহিব।

মেন্থল লাইটৰ পোহৰে গাঁৱৰ পুখুৰীবোৰ, ঢেকীঘৰ, বাঁহনি, টিউবৱেলটো ছুবগৈ পৰা নাই, সেয়ে ঠাইবোৰ নিজান। আঁতৰা-আঁতৰিকৈ থকা মানুহৰ ঘৰ ধানৰ পথাৰৰ কাষ পাইছেগৈ। তাৰ পৰা দূৰলৈ চালে জোনাকখিনিকো কুঁৱলী যেন লাগিব। এইদৰে ঘন বসতিৰে একোটা ডাঙৰ বুৰবুৰণি হৈ গাঁওবোৰ পৃথিৱীৰ গাত লাগি আছে। আকৌ কেতিয়াবা বসতি কমি কমি খেতিৰ মাটিৰ কাষত একেবাৰে নাইকিয়া হয়। এয়ে হ'লগৈ জগতখনৰ নিয়ম। অনাথে আজিকালি বুজিছে— দূৰত গছ-গছনি ঘন হোৱাৰ মানেই হ'ল সেই ঠাইত মানুহৰো ঘন বসতি। মানুহ নহ'লে ৰুব কোনে গছ-গছনি?

ঈশ্বৰীতলাৰ ভৰদ্বাজ পণ্ডিতে যিখিনি সংস্কৃত মন্ত্ৰ পঢ়িছিল, তাৰ এটাও ওষ্ঠ নাইবা বংশীয়ে উচ্চাৰণেই কৰিব নোৱাৰিছিল। এখন ৰঙা শাৰী পিন্ধি তাই একেবাৰে পুতলা যেন হৈছে। ৰঙা চাদৰ গাত লৈ থকা ভদ্ৰেশ্বৰক তান্ত্ৰিক যেন লাগিছে।

বৰযাত্ৰীসকলৰ মাজত গাঁৱৰ নিমন্ত্ৰিতসকলো আছে। তেওঁবিলাকৰ আগত এথাল বিড়ি আৰু দুটা জুই বাহ সজাই দি বদনে সোধ-পোছ কৰিছিল।

এনেকুৱা সময়তে জোতাৰ শব্দ হ'ল। কুকুৰৰ ত্ৰাহি মধুসূদন চিঞৰ। টৰ্চৰ পোহৰ আহি পৰিলহি চোতালত। আটাইবোৰ থিয় হ'ল। — কি হ'ল? পুলিচ আহিছে কিয়?

ৰাচবাড়িৰ আদালত-হাটৰ কাষতে থানাখন। তাৰ দাৰোগা বাবুক দেখি অনাথ আগ বাঢ়ি গ'ল। — কি মন কৰি আহিল চাৰ?

এ, আপুনি? ইয়াত?

এখন বিয়া হৈছে।

এইটো ভদ্ৰেশ্বৰ প্ৰামাণিকৰ ঘৰ নেকি?

অনাথে 'হয়' বুলি ক'বলৈকে নাপালে, সম্প্ৰদান দিয়া ঠাইৰ পৰা ঘপ্‌হ কৰে উঠি আহিল ভদ্ৰেশ্বৰ— মই, হুজুৰ।

তুমি? এই কেশৱ, সন্তোষক এইপিনে আনচোন--

বৰযাত্ৰীসকলো থিয় হ'ল। বাঘায়ো জোতা এৰি মানুহৰ জুমত সোমালহি। গাঁৱৰ কুকুৰবোৰে তাক কাষতে পাই চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। এজন কনিষ্টবলে বুটেৰে গোৰ এটা মাৰোঁতেই বাকীবোৰ অলপ দূৰলৈ আঁতৰি গৈ আকৌ কোৰ্হাল কৰিবলৈ ধৰিলে। জুমৰ মাজত বাঘাই অনাথক বিচাৰি ফুৰিছিল।

হাতকেৰেয়া লগোৱা সন্তোষক দুটা পুলিচে আগুৰি আনি হাজিৰ কৰিলেহি।

আগৰ সন্তোষ আৰু নাই। আজিকালি দক্ষিণা চক্ৰবৰ্তীৰ মানুহ হৈও তাৰ মুখখন

উখহি আছে। গাত একো নাই। পিন্ধি থকা চুৰিয়াখনো আধাখোলা। পোন হৈ থিয় হ'বই পৰা নাই। দুজন পুলিচৰ কান্ধত ভৰ দি কোনোমতে থিয় হৈ সন্তোষ টাকিয়ে ক'লে— হয়, হুজুৰ।

দাৰোগা বাবুৱে ভদ্ৰেশ্বৰৰ কান্ধত ঢকা এটা মাৰি ক'লে— এইফালে আহ।

মোৰ ভনীৰ বিয়া হৈছে হুজুৰ।

তোৰো বিয়া হ'ব এতিয়া। — দাৰোগা বাবুৱে তাৰ কান্ধত আৰু এটা ঢকা মাৰিলে।

ওষ্টও থিয় হ'ল বহা আসনৰ পৰা — বৰ ককাইদেউ

তাইৰ মূৰৰ ওৰণি খহি পৰিল। মন্ত্ৰ মাতিবলৈ এতি ভৰদ্বাজ পণ্ডিতো আসনত বহি আছে। দৰা বংশী কাপালিকো বহি আছে।

দুজন পুলিচে ভদ্ৰেশ্বৰৰ হাতত হাতকেৰেয়া লগালে। ভদ্ৰেশ্বৰে চিঞৰি উঠিল— হুজুৰ। ভৰিত ধৰিছোঁ। কাইলৈ পুৱা মোক লৈ যাব। মই নিজে গৈ থানাত হাজিৰ হ'ম—

এজন পুলিচে কিবা এটা ভাল কথাই ক'লে। গণ্ডগোলত একো শুনা নগ'ল। তাৰ পিছত এটা ঘোচা।

ওষ্ট লৰি আহিল। অনাথে গৈ বাটতে ধৰিলে। — এতিয়া বিয়াৰ পৰা এনেকৈ উঠি আহিব নাপায়। বহ।

দাৰোগা বাবুৱে চিঞৰি সুধিলে— জগেন যাত্ৰাৰ জোতাৰ দোকানৰ তলা ভাঙোতে এইবোৰ কথা ভাবিছিলি নে নাই?

টৰ্চৰ ফ'কাচ। বুটৰ শব্দ। কুকুৰৰ কোৰাচ আঁতৰত চলি আছিল। অনাথে বেগাবেগিকৈ গৈ দাৰোগা বাবুক ধৰিলে— আজিৰ ৰাতিটো তাক এৰি দিব নোৱাৰিনে? মই জামিন—

আপুনি হুঁহ্বালে। জামিন কৰ্টতহে হয়। আজি ৰাতিয়েই কেচটো নুঠে। থানাৰ লক-আপত থাকিব। কাইলৈ দহ বজাত আলিপুৰলৈ চালান দিম। তেতিয়াই আহিব অনাথ বাবু।

আপোন লোকৰ হাতত ডেফিনিট প্ৰমাণ আছেনে?

নথকা হ'লে ইমান ৰাতি এনেকৈ বাটকুৰি বাই আহোঁনে? সন্তোষ টাকিক পালোঁ ডিচটেণ্ট চিগনেলৰ সোঁহখিনিতে। শিয়ালদহৰ যিখন জোতাৰ দোকানত বাসত্তৰ জোৰা জোতা বেচিছে তাৰ প্ৰ'প্ৰাইটৰ কালি আবেলি ধৰা পৰিছে।

কথা দিছো, দাৰোগা বাবু— ভদ্ৰেশ্বৰ নপলায়। কাইলৈ ৰাতিপুৱা আমি গৈ তাক থানাত থৈ আহিমগৈ।

ল'ৰা-ধেমালি কৰি সময় নষ্ট কৰিছে কেলেই অনাথ বাবু। বেংকে এফ. আই. আৰ. দিছে। জগেনৰ দোকান হাইপ'থেটিকেট কৰা আছিল।

পুলিচৰ পাছে পাছে কুকুৰজাকো গ'লগৈ। ভদ্ৰেশ্বৰৰ ঘৈণীয়েক কোঠাত যি সোমাল সোমালেই, আৰু ওলাই নাহিল। সম্প্ৰদান দিয়া ঠাইতে ওষ্ট বহি আছে। মূৰৰ ওৰণিখন দাঙি দিবলৈও কাষত কোনোৱেই নাই।

ঘৰৰ ওখ বাৰান্দাখনত গাঁৱৰ নিমন্ত্ৰিতসকলৰ সৈতে কেইজনমান বৰযাত্ৰীৰ তৰ্কাতৰ্কি লাগিল। মদনে লৰি আহি অনাথক ক'লে— বাবু, ৰক্ষা কৰক। কিবা এটা উপায় কৰক। বিয়া যে পণ্ড হ'ব এতিয়া—

বদনো আহি কাষতে ৰ'লহি। ভালেখিনি টকা-পইচা খৰচ হ'ল, বাবু। আপোনাৰ হাতঘড়ীটোও গ'ল। কিবা এটা কৰক।

লাইটটো আগতে ঠিক কৰ—

মদনে দৌৰি গৈ পাম্প কৰিবলৈ ধৰিলে। ভিতৰৰ শিখা নুমাওঁ নুমাওঁ হৈছিল। আকৌ পোন হৈ উজ্জ্বল পোহৰ দিবলৈ ধৰিলে।

বংশীও মনে মনে দৰাৰ আসনতে বহি আছে। অনাথে ক'লে— পণ্ডিত, আৰম্ভ কৰি দিয়ক।

সম্প্ৰদান কোনে কৰিব?

মই কৰিম।

আপুনি? বৰ ভাল কথা। মোৰ ওষ্টৰ যে মহাভাগ্য। আই, মূৰত ওৰণিখন লোৱা—

মাত্ৰ এটা দীঘল শ্লোক শেষ হৈছেহে, এনেতে বংশীৰ ককায়েক বাৰান্দাখনৰ পৰা বেগাবেগিকৈ আহি বংশীৰ কাষত থিয় হ'লহি-- এই বিয়া নহয়। উঠি আহ বংশী।

পণ্ডিতে শ্লোক মাতিবলৈ এৰি মূৰ দাঙি চালে। তেওঁ দেখিলে— বাঁহনিখনৰ ওপৰত বগা ৰঙৰ গোলাকাৰ কাগজ এখন বতাহ পাই আপোনা-আপুনি উৰি আছে। এনেকুৱা গুৰু-গম্ভীৰ পৰিৱেশৰ পৰা তেওঁৰ চকু সেইফালে যোৱা উচিত নহয়। তেওঁ ল'ৰা নহয়। পুৰোহিতৰ বাব লৈ তেওঁ এখন বিয়া চম্ভালিব লগা হৈছে। কিন্তু তথাপি মনটো সেই উৰি থকা গোলাকাৰ কাগজখনৰ ফালেই ঢাল খাইছে। বৰ যন্ত্ৰণা।

সম্প্ৰদানৰ আসনৰ পৰাই অনাথে ক'লে— ছোৱালী আমাৰ ভাল। ওষ্টইতো একো দোষ কৰা নাই।

বংশীৰ ককায়েকে আকৌ চিঞৰি উঠিল— বংশী, গুচি আহ।

বংশী তেতিয়াও আসনতে লেপেটা কাঢ়ি বহি আছে।

এই মাহতে তোৰ আকৌ বিয়া পাতিম মই। ছোৱালীৰ কি আকাল লাগিছে?

বংশী কাপালি ঘটকপুখুৰীৰ বাছ ষ্টপত আলুৰ চপ, ঘুগনি, পিঁয়াজ আৰু বেঙেনা ভজাৰ কাৰবাৰ কৰা মানুহ। বয়স কম। কিন্তু চাৰিওফালে নজৰ। সি আসনত বহিয়েই

ককায়েকক ক'লে— যোৱাচোন, বাৰান্দাত বহাঁগৈ। বিয়াৰ আধাখিনিতো হৈয়ে গ'ল।

তেনেহ'লে, মোৰ কথা নুশুন নেকি? বাৰু, কৰি থাক তই তোৰ বিয়া। বহি বহি চোৰৰ বৈনাই হ।

মদন-বদনে দৌৰি গৈ বংশীৰ ককায়েকক যোৱাত বাধা দিলে। বংশীয়ে আসনত বহি বহিয়েই হাঁহি হাঁহি ক'লে— যাবলৈ দিয়া। এতিয়া এখনো বাছ নাই।

বংশীৰ ককায়েকে তেজ দেখুৱাই ওলাই গ'ল আৰু ক'লে— কুমড়োৰ লৰীত উঠি যামগৈ, নহ'লে খোজ কাঢ়িম।

ৰাতি তিনি বজাত অনাথ ঘৰলৈ উভতিল। বলাই এতিয়া সাৰে থকা নাই। থকা হ'লে অনাথে এতিয়া পাম্প চলালেহেঁতেন। যিসকল খেতিয়ক পানী নিবলৈ আহিছিল, তেওঁবিলাকে নিশ্চয় পুখুৰীৰ ফালে থকা বাৰান্দাত শুই আছে। দেৰিকৈ উভতি আহি অনাথে নিজৰ কথা ৰাখিব পৰা নাই।

এতিয়া বাঘাই তেওঁৰ লগৰীয়া। ঘৰৰ ওচৰ পাওঁতে দেখিলে— বাৰান্দাত বিড়ি জ্বলিছে। তেতিয়াহ'লে কোনোবা খেতিয়ক তেওঁলৈ বাট চাই এতিয়াও সাৰে আছে নেকি? বাঘাই ভৌ-ভৌ কৰোঁতেই অনাথে তাক এচাট দিলে— ৰ, নিচিঞৰিবি। শান্তা, টুকু, লিলি শুই আছে। তোৰ চিঞৰতে সাৰ পাব।

আজিকালি অনাথ ঘৰলৈ উভতি কেতিয়া আহে একো ঠিক নাই। ৰাস্তাৰ পৰা ভৰিত ধূলি-বোকা লৈ আহি বাৰান্দাতে বহেহি। তাতে বহি চোলাটো খোলে। পানী খায়। কথাও কয়। মনে মনে সকলো সময়তে এটা অংক কৰে। বিঘাই পতি পোন্ধৰ মোন ধান পালে একেটা খেতিতে দেনাখিনি শোধ কৰিব পাৰি। বেংক সন্তুষ্ট হ'ব। মাটিৰ মালিকসকলো সন্তুষ্ট হ'ব। সন্তুষ্ট হ'ব— খেতিয়কসকলো। তদুপৰি বাকী থকা ধানেৰে চাই-চিতি এটা পাৱাৰ টিলাৰো কিনিব পাৰি। তেতিয়াহ'লে হালৰ গৰুৰ সমস্যাৰো সমাধান হ'ব। এতিয়া অনাথৰ এনেকুৱা লাগে— যেন গোটেই ঈশ্বৰীতলাখনেই তাৰ সংসাৰ।

পুঁটে নস্কৰে এদিন কৈছিল-- আপুনি অনাথ বাবু আগৰ জন্মত এই ঠাইতে আছিল। কম বয়সতে মৰি আকৌ উভতি আহিছে। জন্মান্তৰৰ টান এটা নাথাকিলে আটাইৰে লগতে এনেকৈ উঠা-বহা জানো কৰিব পাৰে!

এতিয়ানো কোন সাৰে থাকিব পাৰে? বাৰান্দাৰ একেবাৰে ওচৰলৈ আহি অনাথে ক'লে— কোন সাৰে আছে?

মই— বিৰজা।

কোন?

মই— বিৰজা দত্ত।

অনাথৰ সমূলি মনত নপৰিল। খট্‌খটিয়েদি উঠি যাওঁতে টৰ্চৰ পোহৰত দেখি চক খাই গ'ল— এইটো কি চেহেৰা হ'ল আপোনাৰ ডাক্তৰ বাবু?

কিয় কয় তেনেকৈ? বাচি যে আছোঁ সেয়ে বহুত।

আপুনি আহিছে বুলি শান্তাই জানেনে?

নাজানে। মতাই নাই। আপোনাৰ খেতিয়কসকলে ক'লে— এতিয়া আৰু বাছ নাই। থাকক। বাবু আহিবই।

ভাল কৰিলে। কিবা খাবনে?

ইমান ৰাতি নাখাওঁ। টেঙাপানী আহিব। এটা দৰ্কাৰত আহিছোঁ, অনাথ বাবু। আপুনি হয়তো পাৰিব।

কি ইমান দৰকাৰ যে এই ৰাতিখন আহিব লগা হ'ল। বহক। কাপোৰ-কানি সলাই আহোঁ।

অলপ পিছত ডাক্তৰ বিৰজা দত্তই যি ক'লে, সি হ'ল— ছোৱালীৰ ঘৰলৈ গৈ ঘৈণীয়েক তাতে ঢুকাল। চাকৰি-বাকৰিৰ আৰু প্ৰয়োজন নাই বুলি তেওঁ বনগাঁৱলৈ গৈ সম্বন্ধীয়া ভায়েক এজনৰ ঘৰত আছিলগৈ। তাত আমনি লগাত, আজি দুদিন হ'ল, ৰাচবাড়িৰ আদালত-হাটৰ ঘৰলৈ আহিছে। পিয়নে খিৰিকিয়েদি দুখন চিঠি পেলাই থৈ গৈছে।

খুলি চাই দেখে— এখন ১৩৭০ টকাৰ চেক। এল. আই. চি.য়ে পঠিয়াইছে। আপোনঘাতী হোৱা ল'ৰাটোৰ নামত এহেজাৰ টকাৰ ইনচিঅ'ৰ কৰিছিলোঁ— সি ওপজোঁতেই। বোনাচৰ সৈতে সিমান হৈছেগৈ। টকাখিনি অনাথে ল'ব লাগে। ৰাচবাড়িলৈ উভতি অহাৰে পৰা অনাথৰ কাৰ্য্যকলাপৰ কথা মানুহৰ মুখত শুনিছে। সেই কাৰণে অনাথৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস। যিটো ল'ৰা নাই, তাৰ টকা ৰাখি কি লাভ? অনাথে টকাখিনি পচন্দমতে ভাল কামত লগাই দিয়ক।

প্ৰস্তাৱটো শুনি অনাথ আচৰিত হ'ল। বিৰজা ডাক্তৰে একো ডাঙৰ চাকৰি নকৰে। ইমানবোৰ টকাৰ মায়া ত্যাগ কৰিছে কেনেকৈ? ফুটাই ক'লে— খবৰ নিদি বিপদ মাতি আনিছে, আপোনাৰ চাকৰি আছেনে এতিয়াও?

সেই কথা ক'ম অনাথ বাবু। চেক্‌খন আপুনি ৰাখক। তাৰ পিছত ক'ম।

এতিয়া আপোনাৰ হাতত ৰাখকচোন। পিছত ঠিক কৰিম।

বিৰজা ডাক্তৰ যেন বিমোৰত পৰিল— আপুনি তেনেহ'লে নাৰাখে? পাছে, ইমানপৰ মই বহি থাকি, বক্‌বক্ কৰি মৰিলোঁ কিয়?

কি ক'ব খুজিছিল, ক'কচোন।

আপোনাৰ গৰুজনী কেনে আছে?

ভালেই।

অফিচলৈ নোযোৱাৰ বাবে চাকৰি গ'ল। দুই নম্বৰ চিঠিখনৰ খামটো খুলি দেখিলোঁ— গ্ৰেচুইটি, পি. এফ. পেনন্সনৰ কাগজ-পত্ৰ সাজু কৰিছে বুলি লিখিছে।

আপুনি গৈ ক'কগৈ— দোষ হৈছে। চাকৰিটো এৰি নিদিব। এৰি দিলে খাব কি?

নহয় অনাথ বাবু, সেইটো নকওঁ। মই আপোনাক আৰু এটা অনুৰোধ কৰিম। ৰাখিবই লাগিব। কেইদিনমানৰ ভিতৰতে কাগজ-পত্ৰ আটাইবোৰ ৰেডি কৰি আপোনাক বুজাই দি যামহি। আপুনি চাই-চিতি টকাখিনি উলিয়াব। ভাল কামত লগাব। আহিয়েই খেতিয়কসকলৰ মুখত শুনিলোঁ— আপুনি বেছি মাটিত আনৰ সৈতে একেলগে খেতি কৰিবলৈ লৈছে। সেই টকাখিনিৰ লেঠা মাৰিব পাৰিব কেৱল আপুনিহে।

আপুনি চলিব কেনেকৈ?

কেনেবাকৈ চলি যাম। এই কেইমাহত এটা অভিজ্ঞতা হ'ল। এটা পেটৰ কাৰণে বিশেষ একো নালাগে। দেশজুৰি কিমান মানুহৰ গাই-বলদৰ অসুখ-বিসুখ আছে। য'তেই থাকোঁ, মানুহে খবৰ পালেই মাতি লৈ যায়। কোনোবাই চাউল এমুঠিকে দিয়ে, কোনোবাই গাখীৰ দিয়ে। কোনোবাই আলু। চলি যায় ভালকৈ। আপুনি টকাখিনিৰ ভাৰ ল'ক।

ৰ'ব। এইমাত্ৰ ভগা বিয়া এখন জোৰা দি আহিলোঁ। এতিয়া মোৰ মগজেই কাম কৰা নাই। মই ক'ব খুজিছিলোঁ— আপুনি বৰং মোৰ ইয়াতেই থাকক। খেতিয়কৰ গৰু, গৰু-পোৱালিবোৰ চাব। অসুখ হ'লে ভাল কৰিব।

নহয় অনাথ বাবু, ৰাচবাড়িৰ আদালত-হাটৰ ইমান ওচৰতে মই থাকিব নোৱাৰিম। ইয়াৰ বহুত গৰু, বহুত মানুহক মই চিনি পাওঁ। ইয়াত মোৰ মন থিৰে নাথাকিব। বাৰে বাৰে বহুত কথাই মনত পৰিব।

অলপ সময়ৰ ভিতৰতে ৰাতি পুৱাব। শিলিখা গছজোপাৰ চৰাইবোৰে সঁহাৰি দিছেই। অৰুণ-বৰুণেও এবাৰ মাত দিছে হ'বপায়।

তেনেহ'লে আপুনি যাব ক'লৈ?

যি কোনো এখন ট্ৰেইনত— কলিকতালৈ। যোৱাৰ আগতে আপোনাক গোটেই অথৰিটি দি যাম। মোৰতো টকাৰ আৰু প্ৰয়োজন নাই।

অসুখ হ'লে আপোনাক চোৱা-চিতা কৰিব কোনে? বয়সতো আৰু ৰৈ নাথাকে।

মানুহে মানুহক চায়। সেইটো লৈ চিন্তাৰ কাৰণ নাই। কোনেও ইয়ালৈ হেজাৰ বছৰ আয়ুস লৈ অহা নাই নহয়।

কি কৰে হেৰি? উঠিছে দেখোন। চাহ নোখোৱাকৈ যাবনে?

নালাগে, মই পুৱতি নিশাৰ বতাহত ফুৰি ভাল পাওঁ। খোজ কাঢ়িয়েই ষ্টেচন পামগৈ। তাৰ পিছত ফাৰ্ষ্ট ট্ৰেইনত কলিকতালৈ যাম।

অনাথৰ আৰু ঘৰত সোমোৱা নহ'লেই। এতিয়া সোমালে আটাইবোৰে সাৰ পাব। তাতকৈ বাৰান্দাতে বহি থকাই ভাল। খেতিয়কসকল নৌ-পোহৰ হওঁতেই ওলাবহি। নিজৰ নিজৰ মাটিত নিৰাব। খোঁচৰা-মেলা আৰম্ভ কৰিব। বাজিকৰৰ কথাতে তেওঁ নতুন এটা পৰীক্ষাত লাগিছে। মাটি লোকৰ। খাটনিও লোকৰে। টকাও লোকৰ।

মগজটোহে তেওঁৰ নিজৰ। বুদ্ধি তেওঁৰ নিজৰ। আটাইবোৰ মিলি এটা ভাগত প্ৰায় তিনিশ বিঘাৰ খেতি। অন্ততঃ এশ মাইলৰ ভিতৰত এই অঞ্চলত এনে ধৰণৰ খেতি বছৰৰ এই সময়টোত আগে-পিছে কোনেও কৰা নাই। দূৰৰ পৰা মানুহ আহে চাবলৈ। ৰৈ ৰৈ চায়। কোনোৱে ধানৰ গোছ লেখি চায়। কোনোৱে ধানৰ পোখা ধৰিছে বুলিও কয়। হাত দি ধানৰ গোছ দেখি দূৰৰ গাঁৱৰ খেতিয়কে 'বাঃ' বুলি খোলোচাকৈ প্ৰশংসা কৰে। অনাথে নিজেও লেখি চাইছে। ক'ৰবাত ক'ৰবাত এটা গোছত আশীটালৈকে পোখা মেলিছে। ইয়াৰ আটাইবোৰতে ধান নহয়। কিন্তু সিকিভাগতো যদি ধান হয়, তেন্তে শইচেৰে উৰ্ভৈনদী হ'ব।

সেই একেটা ৰাতিতেই অনাথে ভদ্ৰেশ্বৰৰ ভগা বিয়া পাতি এতিয়া বিৰজা ডাক্তৰে দিয়া দুটা লেফাফা হাতত লৈ বহি আছে।

অনুজ্জ্বল আকাশ পোহৰ হ'ল। অনাথৰ নিজৰ ভিতৰখন থৰথৰ্‌কৈ কঁপি উঠিল। এয়া মই কি কৰিছোঁ? ইমান বিৰাট কৰ্ম-কাণ্ডত লগাৰ সঁচাই জানো তেওঁৰ কিবা প্ৰয়োজন আছিল? নতুন কিবা এটা সৃষ্টি কৰি তাৰ মাজত জগত-সংসাৰৰ প্ৰাণৰ পৰশ পোৱাৰ অৰ্থ এয়ে নেকি? মাটিৰ পইচা, বেংকৰ বন্ধকী দলিল, সুত, সাৰৰ খৰচ— কিমান যে কথা তেওঁৰ মনত ৰাখিবলগীয়া হৈছে। ইয়াতকৈ বিদ্যাধৰীৰ ডুবিটোৰ পাৰত বট গছৰ তলত বহি নিচেই পুৱাতে বেলি ওলোৱাৰ সাক্ষী হোৱাটো বেছি মধুৰ আৰু গভীৰ নহ'লহেঁতেননে? জীৱনৰ এটা দশাত উপস্থিত হৈ পাছলৈ চাবলৈ যেনেকৈ ভাল লাগে, তেনেকৈ আকৌ মনত ভয়ো লাগি যায়।

অফিচৰ পৰা শেহৰ ট্ৰেইনখনৰ আগৰখনত আহিও অনাথে একো কাম কৰিব নোৱাৰিলে। টোপনিয়ে মানুহটোক জব্দ কৰি পেলালে। লিলিয়ে ইয়াৰ স্কুলৰ পৰা অকলে উভতি আহোঁতে বাটৰ দুয়োকাষৰ গছ-গছনিৰ সৈতে কথা পাতি আহে। হাতত কিবা এডাল থাকিলে গছবোৰক মাৰি মাৰি সুধিব— দুখ পাইছ নেকি?

টুকু সীতাকুণ্ডৰ স্কুলৰ পৰা ট্ৰেইনত উভতি আহে।

অনাথে অসময়তে টোপনিত লালকাল দিলে। টোপনিৰ মাজতে দেখিলে— আগত থকা কয়লাৰ ইঞ্জিনটো বৰষুণত তিয়াই লোকেল ট্ৰেইনখন হুইচেল দি দি প্লেটফৰ্ম সোমালহি। পিছৰ এটা ডবাৰ পৰা পিতাক নামি আহিল। হাতত ৰছীৰে বন্ধা ছাতি। নামিয়েই তাক ক'লে— মইনা, এই আমৰ টোপোলাটো ধৰ।

অনাথে নিজৰ বাৰ বছৰ বয়সৰ চেহেৰাটো বহুত দিনৰ মূৰত দেখিবলৈ পালে।

লৰি আহ। ট্ৰেইন এৰিব।

অনাথে হাফ পেণ্ট পিন্ধিছে। দীঘল ভৰিকেইখন ওলাই আছে। বৰষুণত তিতি তিতিয়েই আমৰ টোপোলাটো ট্ৰেইনৰ পৰা নমালে। বৰষুণত তিতি হুইচেল দি ট্ৰেইনখন ওলাই গ'ল।

খাটি বেনাৰচী লেংৰা। ৰিক্সা মাত। মই ৰখি আছোঁ।

বাৰ বছৰীয়া অনাথে যিখন ৰিক্সাকে মাতে, সেইখনকে কোনোবাই ভাড়া কৰে। লাহে লাহে ষ্টেণ্ডত ৰিক্সা নাইকিয়া হ'ল। সি অকলে বৰষুণত তিতিছে।

এইখিনিতে তেওঁৰ টোপনি আপোনা-আপুনি ভাগিল। খিৰিকিয়েদি দেখিলে— তেতিয়াও সন্ধ্যা লগা নাই। এতিয়াও কাণত পৰি আছে— ইঞ্জিনৰ বৰষুণত তিতা হুইচেলৰ মাত। বৰষুণৰ ডাঙৰ ডাঙৰ টোপালত সেই হুইচেলটো থেতেলা খাইছে। বতাহৰ বিপৰীতে উজোৱা ট্ৰেইনখনে হুইচেল দিছে। সেই মাতটো বতাহত টো হৈ পাছলৈ বিয়পি গৈছে। তাৰ লগে লগে বৰষুণলৈ কেৰেপ নকৰি ইঞ্জিনৰ ক'লা ধোঁৱাই যেন আকাশত বৰশীহে পেলাইছে।

কিমান দিনৰ আগৰ ছবি আজি টোপনিত দেখা গ'ল। বহুত দিন হ'ল পিতা ঢুকাল। আয়ো ঢুকাল। ডাঙৰ মানুহ নাথাকিলে বৰ উৰুঙা উৰুঙা লাগে।

আকাশত এতিয়া হেঙুলীয়া ডাৱৰ। এন্ধাৰ হৈ আহিছে যদিও গোটেই ঘৰখনতে কোনেও লাইট জ্বলোৱা নাই। বাৰান্দাত সোমাই দেখিলে— তেওঁ অকলেহে ঘৰত আছে। শান্তাই টুকু আৰু লিলিক লৈ কোম্পানী বান্ধটোৰ একেবাৰে মূৰ পাইছেগৈ। পাছে পাছে বাঘা। অসময়ত ঘৰলৈ উভতি অহা অনাথক শুই থকা দেখি শান্তাই ছোৱালীকিজনী লৈ ওলাই গৈছে। পাছত কিবা এটা শব্দ হোৱাত অনাথৰ টোপনি ভাগি গ'ল।

আবেলিৰ বতাহত সঁজাল ধৰা ৰুৱাবোৰ হালিজালি আছিল। পথাৰৰ মাজমানৰ পৰাই লৰি লৰি আহিল মদন— হাতত যেন কিবা এটা আনিছে। সন্ধ্যাৰ আগৰ নিজান পথাৰ। দূৰ-দূৰণিত একোটা দাগত দুই-চাৰিজন খেতিয়কে আঁঠু কাঢ়ি পানী চাই ফুৰিছে। কোনোবাই গেঁৰ মেলিছে নে নাই চাইছে। কোনো শব্দ নাই। কেৱল ক'লা চানেকীয়া ঘন সেউজীয়া ধানৰ ৰুৱা হালিজালি আছে। বতাহো গৰম নহয়। তাৰ মাজেদিয়েই বাঘে পোৱা মানুহৰ দৰে মদনে শুদা ভৰিৰে উধাতু খাই আহি অনাথৰ আগত মাটিত বহিলহি। সি তেতিয়াও ফোঁপাই আছিল। হাতখন দাঙি কোনোমতে ক'লে— বাবু, পোক।

অনাথে নামি আহি পোকটো হাতত লৈ চালে। দেখাত ক্ৰিমি ক্ৰিমি যেন লগা টো থকা খোলা এটা। আগে-গুৰিয়ে মাংসই।

কি পোক অ'?

ধানৰ যম, বাবু। পথাৰ ধ্বংস কৰি গুচি যাব। মজা পোক।

অনাথে মাটিত পোকটো পেলাই গোৰোহাৰে পিহি পেলালে।

খেতিয়কসকল গৈছে। ছোৱালীহঁতক লৈ শান্তাও ঘূৰি পোৱাহি নাই। ঠিক এই সময়তে এখন জীপ আহি কোম্পানী বান্ধত ৰ'লহি। তাৰ গোটেই গাতে পোষ্টাৰ। ড্ৰাইভাৰৰ কাষৰ পৰা নামি আহিয়েই দক্ষিণা চক্ৰবৰ্তীয়ে ক'লে— এয়া, অনাথবন্ধু, খেতিতো ভালেই দেখিছোঁ—

নাই, এতিয়াই একো ক'ব নোৱাৰি। – কথা কৈ থাকোঁতেই অনাথে দেখিলে– জীপৰ পাছৰ চীটৰ পৰা সন্তোষ টাকি নামি আহিছে।

তাক জামিনত দিছে নেকি?

মুকলি কৰি আনিবলগীয়া হ'ল।

আমাৰ ভদ্ৰেশ্বৰক এৰি দিবনে?

সেইটো কথা ক'ব নোৱাৰোঁ।

আহি আহি দুয়ো মাটিৰ ওচৰ পালেহি। দক্ষিণা চক্ৰবৰ্তী জনতাৰ প্ৰাৰ্থী। এই শ্লোগানটো শুনি শুনি ঈশ্বৰীতলাৰ মানুহৰ কাণ গেলিছে। দুবাৰমান ভোটৰ তাৰিখ পিছুৱালে বাবে আৰু কিমান দিন এই শ্লোগান শুনিব লাগিব তাৰ ঠিক নাই।

দক্ষিণাই তেওঁক কেতিয়াবা আপুনি, কেতিয়াবা তুমি বুলি কথা কয়। এতিয়া ক'লে– তোমাৰ এই খেতিৰনো উদ্দেশ্য কি, অনাথবন্ধু? খোলোচাকৈ কোৱাচোন মোক–

কোনো উদ্দেশ্য নাই।

দক্ষিণাই হা-হাকৈ হাঁহি দিলে। তেওঁৰ লগতে যোগ দিবলৈ গৈ সন্তোষ টাকিয়েও আৰু বিকট হাঁহি মাৰিলে। দক্ষিণাই ক'লে– মই ইমান লৰালৰিকৈ উত্তৰ বিচৰা নাই। দুদিনমান ভাবি মোক ক'বা।

ভাবিবলৈ একো নাই। ইমান মাটি এনেয়ে পৰি আছে। আটায়ে মিলি কিবা কাম কৰিব পাৰি নে নোৱাৰি চাইছোঁ।

সেইটোৱেই কথা। বাটো সেয়ে। সকলোৱে মিলি–

কি কথা? ইয়াত ইমান ৰহস্য দেখিছে ক'ত?

বুজিছোঁ ভাই, সকলো বুজিছোঁ।

নহয়, এইটো আপোনাৰ বুজাৰ কথা নহয়। মই খেতিয়ক নহয়। মোৰ ইমান মাটি নাই যে মই ৰাতিটোৰ ভিতৰতে জমিদাৰ হৈ যাম। টকা-পইচাও নাই।

সেই কাৰণেই কৈছোঁ, ঠিক বাটকে বাছি লৈছা।

কিহ'লৈ পোনাইছে নাজানো। মই ইমানকে জানো– একেলগে খেতি কৰি এই কেইদিনতে ঈশ্বৰীতলাখনক ভালেখিনি জানিব পাৰিছোঁ। সকলো মানুহেই ভাল, মাত্ৰ চাব জানিব লাগে। তেনেকুৱা চকুও লাগে।

এনেকৈয়েতো মানুহে লাহে লাহে জানে। তাৰ পিছতে গোটেইটো কন্সটিটুৱেন্সিয়ে জানিব পাৰিব।

অ', আপুনি কি ক'ব খুজিছে বুজিছোঁ। নহয় দক্ষিণা বাবু, আপুনি ভুল কৰিছে। মই ভোটত উঠা মানুহ নহয়।

তুমি নিবিচাৰিলেও মানুহেই থিয় কৰাব তোমাক। তেতিয়া কি কৰিবা?

নুঠোঁ। সেই পথ মোৰ নহয়।

সেইটোনো কেনেকৈ কওঁ অনাথ? তুমি জানো মোৰ মাটি খোৱা মানুহবোৰক মোৰ বিৰুদ্ধে তুলি দিয়া নাই? এই সন্তোষ, কি কৰ তই?

সন্তোষে এখোজ আগলৈ আহি ক'লে— চৰত শাক-পাচলি কৰা খেতিয়কবোৰক আপুনি মতা নাই নেকি?

মাতিছোঁ সকলোকে। যি খাটিব, সিয়েই পাব ধানৰ ভাগ। কাম কৰা আৰু ধান লৈ যোৱা।

তাত আপোনাৰ কি লাভ হ'ব বাবু?

মোৰ কোনো লাভ নাই। কেৱল বিনা-পইচাৰ খাটনি।

ভাল কৰিছা অনাথবন্ধু, ভাল কৰিছা। মই মিছা কোৱা নাই। আচল বাটটোকে তুমি বাছি লৈছা। আটায়ে জানিব— তুমি নিঃস্বাৰ্থ হৈ দেশৰ মানুহৰ বাবে খাটিছা। এই খেতিয়েই তোমাৰ আটাইতকৈ ডাঙৰ পাব্লিচিটি। মানুহে নিজ চকুৰে দেখিব, মানুহৰ মুখৰ পৰাও শুনিব, আৰু ভোটত তুমি জয়ধ্বনি কৰি জিকি আহিবা। এই কাম কৰি তুমি আমাৰ আটাইৰে ক্ষতি কৰিছা।

ক্ষতি?

এৰা, ক্ষতি! মোৰ ঘৰৰ পাছফালে থকা মাটিটুকুৰাৰ জেং-জাবৰ গুচাই কোমোৰাৰ পুলি লগাম বুলি ভাবিছিলোঁ। তালৈকে মানুহ ক'ত? আটাইবোৰ যে তোমাৰ ইয়াত। এইখন পথাৰত যেন দুৰ্গোৎসৱহে আৰম্ভ হৈছে। পিছত সিহঁতে আমাৰ কথা শুনিব বুলি ভাবিছা নেকি?

আমাৰ বুলি কওঁতে কাৰ কথা কৈছে?

এই ধৰা— মই, তুমি— যিবোৰ সভ্য-ভব্য হৈছোঁ। ঘৰ-দুৱাৰ, মাটি-বাৰী, চাকৰি-বাকৰি আছে।

অৰ্থাৎ আপুনি কৈছে, আমি যিবোৰে ভৰিত জোতা পিন্ধি শিয়ালদহলৈ যাওঁ— কলিকতাত চাকৰি কৰোঁ, বাতৰি কাকত পঢ়োঁ, ৰেডিঅ' বজাওঁ। নহয় জানো?

শুনিবলৈ বেয়া লাগিলেও কথা সেইটোৱেই। ঠিকেই ধৰিছা। এইহেন খেতি দেখি এতিয়া তোমাৰ বুদ্ধি নাই বুলি কোনে ক'বলৈ সাহ কৰিব?

ঠিকেই কৈছে। কিন্তু আপোনাৰ এটা ভুল হৈছে। আপুনি আচল কথাটো নুবুজেও।

তথাপি শুনোচোন।

মই খেতিয়ক নহয়। মই ভোটত উঠা মানুহো নহয়। কোনো দলতো মই নাই। মই চাউল কিনি খাওঁ। মনত ৰাখিব— আমাৰ নিচিনা মানুহৰে সংখ্যা বেছি। আমাৰ নিচিনা মানুহৰ অসুবিধা হ'ল— আমি ক'তো কেতিয়াও একগোট নহওঁ, দেখা-সাক্ষাৎ নহয়। আমি আটায়ে অকলশৰীয়া। সেইবাবেই আপোনালোকে আমাৰ মূৰৰ ওপৰত লাঠি ঘূৰোৱাৰ চান্স পাইছে।

অনাথ, তুমিয়েই দেখিছোঁ ধম্‌কি দিছা। এই সন্তোষ–

বাবু–

ৰ'ব। মোৰ কথা আটাইবোৰ কোৱা হোৱাই নাই। আটাইবোৰ ক'বও নোৱাৰোঁ। ক'লেও বুজি নাপাব।

কৈ যোৱাচোন বাৰু!

জানো– আপুনি মস্কৰা কৰিছে দক্ষিণা বাবু। মই জীৱনত কেতিয়াও এনেকৈ খেতি কৰা নাই।

এয়া কি কৈছা অনাথ? ইমান ডাঙৰ খেতি কৰিছা, আৰু এতিয়া বিনয় কৰিছা। ভালেই কৰিছা। বিনয়ে মানুহক ডাঙৰ কৰে। একেবাৰতে তুমি বাজিমাৎ কৰিছা, অনাথ। য'লৈকে যাওঁ, ত'তে খেতিয়ক মানুহে তোমাৰ খেতিৰ কথা কয়। সিহঁতে তোমাৰ বিষয়ে যিবোৰ কথা কয়, সেইবোৰ ময়ে নাজানো। অথচ, তোমাৰ নিচেই ওচৰতে ময়ে থাকোঁ। তুমি নিৰ্দলীয় হৈ উঠিবা নে পাৰ্টি নমিনেচন পাবা?

আপুনি বাৰে বাৰে একেটা ভুলেই কৰিছে। মই সেই লাইনৰ মানুহেই নহয়। মানুহে বঢ়াই কৈছে, তাকে আপুনি শুনিছে। মই সঁচাকৈয়ে খেতিৰ খ-টোও নাজানো। খেতিয়কৰ পৰাই দুই-এটা কথা শিকিছোঁ। তেওঁবিলাকৰ সংগ মোৰ ভাল লাগে। তেওঁবিলাকে যদি আমাৰ কথা কেতিয়াবা নুশুনে– সেই দোষ আমাৰেই, তেওঁবিলাকৰ নহয়।

সিহঁতে তোমাক ভাল উকীল ধৰিছে। ইয়াৰ পিছতো ক'বা নে কি– তুমি এই ইলেক্‌চনত সিহঁতৰ কেণ্ডিডেট নহয়?

নহয়। তেওঁবিলাকৰ কোনো পাৰ্টি নাই। তেওঁবিলাকে মানুহক বিশ্বাস কৰিবলৈ ভাল পায়। কাৰোবাৰ ঘৰলৈ গ'লে এগিলাচ পানী আৰু বাতাচা দিয়ে। তেওঁবিলাকৰ মনত লগাকৈ কথা ক'ব পাৰিলে তেওঁবিলাক যি কোনো কামতে আগ বাঢ়ি আহিব।

তুমিতো গাঁৱে গাঁৱে চান্দা তুলি ফুৰিছা?

সেয়া হ'ল বেংকৰ মাৰ্জিন মণি। এইবোৰ কাম মই কৰাৰ কথা নাছিল। আপুনি জনতাৰ প্ৰাৰ্থী– দক্ষিণা চক্ৰবৰ্তী। মই বাহিৰৰ মানুহ। এই ঠাইতে আপোনাৰ জন্ম, আপুনিয়েই এইবোৰ কাম কৰিব লাগে।

সেইবাবেইতো আচৰিত হৈছোঁ। তুমি কৰিছা কিয়? কোনো লাভৰ কথা নাই, কেৱল বিনা পইচাৰ খাটনি।

ধানৰ গোছ ডাঙৰ হৈছে। তাৰ শব্দ শুনিবলৈ পাওঁ। যিসকলে হাল দিলে, ৰুই দিলে, তেওঁবিলাকৰ ঘামত তিতা মুখৰ হাঁহিত ডাৱৰ, বতাহ, জোনাকৰ জলছবি দেখিবলৈ পাওঁ।

আজিকালি শুদা চকুৰেও বতাহো দেখিবলৈ পাইছা নেকি? বাঃ! শুনি বৰ ভাল পালোঁ। তোমাৰ বহুত উন্নতি হৈছে দেখিছোঁ। তেনেহ'লে, নিতৌ সিহঁতৰ লগত বহি কিমান তাড়ি খোৱা?

একলহমান। কিয় সুধিলে?

মানুহে এইবোৰ কথাও কয়।

কোনে কয়? আপোনাৰ মানুহ মানে যিসকলে ভৰিত জোতা পিন্ধি কলিকতাত চাকৰি কৰেগৈ, সেইসকল নহয় জানো? আপোনাৰ কথা মতে তেওঁবিলাকে মোকতো ভোট নিদিয়ে— কি কয়?

দক্ষিণা চক্ৰবৰ্তীয়ে উত্তৰ নিদিলে। ভৰিত কেম্বিচৰ জোতা। ক'লাপাৰিৰ চুৰিয়া। থোৰটো ধূলিত লেটি লৈ গৈছে। কিৰকিৰীয়া গাত ফাইন আদ্দিৰ পাঞ্জাৱীটো বেচ্ শুৱাইছে। আগৰীয়া কোম্পানী বান্ধত জোৰকৈ উঠিবলৈ যাওঁতে কান্ধৰ হাড় দুডাল উখহি গ'ল। পোহৰ থকা হ'লে, মূৰৰ আধাপকা চুলিবোৰো দেখা গ'লহেঁতেন।

এনেকুৱা হুঁটা কথা কোৱাটো স্বভাৱ নহয় অনাথৰ। বেক কৰা জীপখনৰ শব্দ হ'ল। দক্ষিণা তাত উঠি সাউৎকৰে গুচি গ'ল। তেওঁৰ কাৰণে অনাথৰ বেয়া লাগিল। মানুহজন তেওঁৰ বাপেকৰ যুৰীয়া। এইবোৰ কথা দক্ষিণাৰ মুখৰ ওপৰতে ফৰ্‌ফৰ্‌কৈ নোকোৱা হ'লেই ভাল হ'লহেঁতেন। আচলতে মানুহজনে তেওঁক ক'বলৈ বাধ্য কৰিলে।

অসময়ত শুই এনেয়ে মনটো বেয়া লাগি আছিল। টোপনিত দেখিছিল— ৰৰযুণত তিতা কয়লাৰ ইঞ্জিনৰ পৰা ক'লা ধোঁৱা কুণ্ডলী পকাই আকাশৰ পিনে উঠি গৈছিল। তাৰ লগত হুইচেলৰ দীঘলীয়া উকি। এইমাত্ৰ, অলপ আগতে, অনাথে টোপনিৰ পৰা উঠি আবেলিৰ পথাৰখন চালে। তাৰ মাজত একমাত্ৰ শিলিখা গছজোপাই ডাল-পাতেৰে সন্ধ্যাৰ বতাহত হালি-জালি আছিল। তলত জোপোহা হৈ অহা সেউজীয়া ধানৰ গোছবোৰ লৰচৰ কৰা নাছিল।

শান্তা এতিয়াও ওভতা নাই কিয়? সন্ধ্যা সময়ত প্ৰায়ে কোম্পানী বান্ধত সাপ ওলায়। টুকু যিহে অসাৱধান! ভৰি য'ত দিব লাগে ত'ত নিদিয়ে। বলাইনো ক'লৈ গ'ল? — বাঘা— বাঘা—

কোনো সঁহাৰি নাই। আকৌ চুবুৰীলৈ ফুৰিবলৈ গ'ল।

সঁহাৰি দিলে উমাই। প্ৰথমতে কাণ দুখন লৰালে। তাৰ পিছত গহীনকৈ মাত দিলে— হাম্বা- আ—

অনাথে শুনিলে— ইমান কষ্ট নকৰিবা। শৰীৰ ৰুগীয়া হ'ব।

অনাথে ক'লে— হাম্‌বা— আ—

উমাই শুনিলে— ধন্যবাদ।

এন্ধাৰত উমাৰ বগাবৰণীয়া ডেও দি ফুৰা পোৱালিটো কোনোবাই যেন একেবাৰে খোদাই কৰিহে থৈছে। জল্‌মলাই আছে।

বলায়ে চপাই অনা নাই বাবে অৰুণ-বৰুণ পুখুৰী পাৰত উঠি মনে মনে ৰৈ আছিল। অনাথক দেখি সিহঁতে বিকুল বজাই দিলে।

অনাথে ক'লে— আহ, দুৱাৰ খুলি থৈছোঁ।

সিহঁত দুটা থুপুক-থাপাক্‌কৈ আহি বাহত সোমালহি। শুক্লাই গৰম সহ্য কৰিব নোৱাৰে বাবে তাই অকলে আজিকালি ঘৰৰ আগৰ পথাৰখনতে শুই থাকে। তাত এপাচি কঁঠাল পাত আছে। তাতে কেইটামান জোনাকী আহি পৰিলহি। সিহঁতকে দেখি আৰু কেইটামান আহিল। তাৰ পিছত অসংখ্য। এন্ধাৰ ঠাইটুকুৰাত এতিয়া এপাচি পোহৰৰ টুকুৰা। বুঢ়ী শুক্লাই উঠি গৈও সাহ কৰি মুখ দিব পৰা নাই।

অনাথো ঘৰৰ ভিতৰলৈ সোমাব পৰা নাই। এটা নভগা-নিছিগা খালী ঘৰ ঠিক তেওঁৰ পিছতে চোপ লৈ ৰৈ আছে। শিলিখা গছজোপালৈ চৰাইবোৰ উভতি আহি মনে মনে আছে। ভৰিৰ কাষতে অলপ পোহৰ। শুক্লা বুঢ়ীয়ে আগলৈ যাব নে পিছলৈ যাব ঠিক কৰিব পৰা নাই। অনাথে যিমান পাৰে গাৰ জোৰেৰে চিঞৰিলে— শান্তা— আ—

তেওঁ অধীৰ হৈ উঠিল। এনেকৈ অকলে অকলে অনাথ থাকিব নোৱাৰে। এই নিৰ্জনতাৰ এটা ওজন আছে। তাৰ তলত পৰি অনাথে হেঁচা খাই আছিল। আকৌ মাতিলে— শা- ন্- তা- আ—

কি হ'ল? চিঞৰিছা কিয় তেনেকৈ?

সেই, তেতিয়াই গ'লা! ইমানপৰে উভতি অহাৰ নামগোন্ধেই নাই—

সেইবুলি চিঞৰিবানে? যদি আন ঠাইত থাকিলোহেঁতেন, তোমাৰ চিঞৰ জানো কাণত পৰিলগৈহেঁতেন!

অনাথে একো ক'ব নোৱাৰিলে।

টুকু আৰু লিলিয়েও বাপেকৰ এই কাণ্ড দেখি অবাক হ'ল। সিহঁতে বাৰান্দালৈ গৈ চুইচ্ টিপিলে।

শান্তাৰ পাছে পাছে অনাথে ঘৰত সোমাই সুধিলে— আজিকালি সন্ধ্যাৰ চাকিগছ নিদিয়া নেকি?

এতিয়া দিম। তোমাৰ হৈছে কি কোৱাচোন।

একো হোৱা নাই। বলাই ক'ত?

বজাৰলৈ পঠিয়াইছোঁ। এই সময়তে জীয়া মাছ ধৰি আনি কচু পাতত ভাগ কৰি বেচিবলৈ বহে।

বাৰ

যিদিনা দক্ষিণাই অনাথৰ খেতি-বাতিৰ খবৰ ল'বলৈ আহি গধূলি সময়তে কিছুমান টান কথা শুনাই গ'ল, সেইদিনা মাজৰাতিলৈকে বাঘাই কোম্পানী বান্ধেদি অকলে অকলে ফুৰি আহিল। এন্ধাৰত টৰ্চ দি যদি কোনোবাই চালেহেঁতেন, তেওঁ দেখিলেহেঁতেন— বাঘাৰ মুখখনত বেজাৰৰ চিন। চকুৰ বগা অংশ ছলছলীয়া। নেজডাল ঠেং দুখনৰ মাজত বাৰে বাৰে পাক খাই গৈছে।

ৰাতিপুৱা বাঘাক দেখি অনাথে অলপ বকিলে। বাঘা বাৰান্দাৰ চুক এটাত লৰচৰ নকৰাকৈ শুই আছে। এবাৰ মাথোন মুখ তুলি চাই আকৌ মূৰটো পেলাই দিলে।

নিচেই পুৱাতে নিতৌ অনাথে মাটি চাবলৈ যায়। পথাৰৰ আলিয়ে আলিয়ে ঘূৰি পানী চায়। পাত হালধীয়া পৰা বেমাৰটো হৈছে নে নাই তাকো চায় সদায়। পাত পচা, পাত সৰা বেমাৰো আছে। আজিও চাইছিল। আহি আহি ঘৰৰ পৰা ভালেমান দূৰ পালেহি। দূৰৰ পৰা দেখিলে— শান্তাই ডাঙৰ দুৱাৰখন খুলি বৈ আছে। হাতত কিবা এটা যেন আছে।

অনাথে জানে জানো? শান্তাই এতিয়া তেওঁক ঘৰত কৰা দৈ খুৱায় প্ৰায়ে ; কাৰণ, আৰু অলপ পিছতে তেওঁ তাড়িৰ কলহ লৈ বহিব। তাৰ আগতে পেটত দৈ পৰিলে হেনো পাকস্থলীত ঘা হোৱাৰ একো ভয় নাথাকে।

দৈ খাবলৈ যোৱাৰ আগতে অনাথে সন্দেহ কৰি জোপোহা ধানৰ গোছ এটাৰ ভিতৰৰ পৰা মাজৰ কেইটিমান পাত গুৰিৰে সৈতে উভালি আনিলে। টনা মাত্ৰকে উভাল খাই আহিল।

সেইকেইডাল হাতত লৈ বাৰান্দালৈ বুলি আহি থাকোঁতে তেওঁৰ ঘপহ্‌কৰে মনত খেলালে— মাজৰ গোছটো ইমান সহজে উভাল নাখায়। উভালিবলৈ বৰ জোৰ দিব লাগে। প্ৰায় গোটেই গোছটো উভালি পেলাবলগীয়া হয়।

সাৱধানে আলিত ভৰি দি আহি অনাথে বাৰান্দা পালেহি। টোপনি ভাল হোৱাৰ বাবে শান্তাৰ মুখ পূৰ হৈ আছে। ভিতৰত নন্দ বাবুৰ মাত শুনা গৈছে। লিলিয়ে বোধকৰোঁ মাৰ খাই কান্দিছে। টুকুৰ আজিকালি মুখখনকে দেখিবলৈ নাপায় অনাথে। স্কুল সলনি কৰাৰ পিছৰ পৰা ছোৱালীজনীৰ যে কি হ'ল!

দৈ খাই অলপপৰ মনে মনে বহি থাকিল অনাথ। বাৰান্দালৈকে চাহ আনি শান্তাও বহিল। ঘৰত আটাইতকৈ আগতে উঠে অনাথ। তেতিয়া শান্তাই টোপনিতে দেখা সপোনৰ মাজত সাঁতুৰি ফুৰে। উঠি আহি ঘৰৰ বাহিৰত তেওঁৰ প্ৰথম দেখা হয় বাঘাৰ সৈতে।

এই বাঘা— বাঘা—

মূৰ তুলি চালে বাঘাই। তাৰ পিছত মূৰটো ঠেং দুখনৰ মাজত গুজি দিলে। শান্তাৰ চাহৰ কাপটো থৈ ক'লে— সেই ৰাতিপুৱাৰে পৰা কিমান শুইছে ই! কালি ৰাতি এবাৰো ভুকা নাই।

অনাথে মাত লগালে— কালি ৰাতিনো কেতিয়া আহিল গমেই নাপাওঁ। বৰকৈ ঘূৰি ফুৰিছে যেন পাওঁ।

চাহৰ কাপ লৈ শান্তা ভিতৰলৈ গ'ল। শান্তাই উমাৰ গোবৰখিনি গোটাই থৈছিল। বাল্টিত ভৰাই বকফুলজোপাৰ গুৰিত ঢালি দিলে।

অভ্যাস অনুযায়ী অনাথে ভালকৈ চেকি লৈ চাৰি গিলাচ ঢোকাঢোকে গিলি পেলালে।

তাৰ পিছত ছিঙি অনা ধানৰ পাতবোৰ চাবলৈ লাগিল। নখেৰে ভালকৈ ফালি চোৱাৰ পিছত, অনাথৰ যিকণ আশা আছিল সিও গ'ল। যি পাতটোকে ফালি চায়, তাৰ ভিতৰতে সেই একেই পোক — থপ্‌থপীয়া মঙহ থকা টো তোলা ক্ৰিমি যেন। শেষৰ এডাল থোৰ আছিলগৈ। সেই থোৰটোও ফালি চালে অনাথে। তাতে শকত থোৰটোৰ ভিতৰত একে টো তোলা ক্ৰিমি। মজা পোক।

অনাথে ডাঙৰ কলহটোৰ মুখখন কাপোৰেৰে ভালকৈ বান্ধি সৰু কলহটো তুলি ল'লে। তাৰ পিছত নিজৰ মূৰটো পাছলৈ নি মুখখন মেলিলে। একেবাৰে গোটেইখিনি শেষ কৰি কলহটো মাটিত থৈ দিলে।

অলপ অলপকৈ মূৰটো গধুৰ হৈ আহিছে। তলৰ পাৰি দাঁতৰ আলুত এক চেকেণ্ডতে পোৰণি উঠিল। থুতৰিটোৰ বাঁও ফালে ওঁঠৰ তলছোৱা এতিয়া কোঁচ খাই আহিব। এনেকুৱা অৱস্থাতে অনাথে আহি পথাৰৰ কাষত ৰ'লহি। নিচাই শৰীৰ দখল কৰিব খুজিও বাৰে বাৰে যেন ব্যৰ্থ হৈ উভতি গৈছে।

ৰাতিপুৱাৰ পথাৰ। ধানৰ গোছবোৰৰ ঘন সেউজীয়া ডাঙৰ পাতত ৰ'দৰ জিলিঙনি আহি পৰিছেহি। লেংলেঙীয়া ডাঙৰ পাতবোৰ চাই অনাথে বুজি পালে— সিহঁতৰ মৃত্যুবাণ গোটেই পথাৰতে বিয়পি পৰিছে। যিখন পথাৰ দেখি দূৰৰ গাঁৱৰ খেতিয়কসকলে তেওঁৰ শলাগ লৈছে, দক্ষিণাই যিখন পথাৰ দেখি ভাবিছে— এইটো তেওঁৰ ভোটত উঠাৰহে ফন্দী— সেইখন পথাৰ উৎখাত কৰি দিবলৈ আজি ভালেদিনৰ আগৰে পৰাই পোকবোৰ লাগি গৈছে। কোনেও গম পোৱা নাই।

আলিয়ে আলিয়ে খোপনি ধৰি ধৰি যাবলৈ ধৰিলে অনাথে। শকত গোছবোৰৰ য'তেই হাত দিয়ে, ত'ৰ পৰাই বগা পখিলা জাকে জাকে উৰি যায়। অনাথে জানে— ইয়াৰ ভিতৰত যিবোৰৰ বাঁওফালৰ পাখিখনত ক'লা ক'লা ফুল আছে সিহঁতেই মাইকী পখিলা, সিহঁতেই পোকবোৰৰ মাতৃ। ধানৰ শিহ ওলোৱা থোৰটো এই পোকবোৰে খাই পেলায়। তাৰ পিছত যি ওলায়, সি হ'ল মৰা শিহ— শুকান। শেহত পৰি থাকে পতান।

কেইবা ঠাইতো অনাথে হাতেৰে মাৰি চালে। সেই একে ধৰণৰ পখিলা উৰি আন গোছত পৰিলগৈ। অনাথৰ মূৰটো আচন্দ্ৰাই কৰিছিল। তেওঁ বুজিছিল— দেখাত চালে-চকু-ৰোৱা এই পথাৰখন আচলতে পোকেৰে ভৰা।

থৰক্-বৰককৈ অনাথে এটা দাগৰ আলিৰ পৰা আন এটা দাগলৈ গৈছিল। দ্বাৰিকপোতাৰ কালো মোড়ল খেতিয়ক হিচাপে পৰিশ্ৰমী। আধি লৈয়ে খেতি কৰে। এই সময়ত মাটি পাই বৰ আনন্দ। বৰ যত্ন কৰি ধানৰ গোছৰ গুৰিবোৰ নিৰাই দিছিল। অনাথক এনেকৈ থৰক্-বৰককৈ যোৱা দেখি হা-হাকৈ হাঁহি মাৰি সুধিলে— অনাথ দাদা, তোমাৰ হ'ল কি?

অনাথে নিলগৰ পৰাই মোড়লৰ হাঁহিটোলৈ মন কৰিছিল। কিন্তু কথাখিনি নুশুনিলে। অনাথে গম পাইছে— তেওঁক জব্দ কৰিব নোৱাৰি নিচা এতিয়া যাবলৈ ওলাইছে। গোটেই

পথাৰখনৰ এখন মেপ কৰিবলগীয়া হৈছে। নম্বৰ দিবলগীয়া হৈছে। বাৰান্দাত বহি বহি অনাথে এতিয়া নম্বৰ ধৰি ধৰি সাৰ, পোক মৰা দৰৱ, পানী কণ্ট্ৰ'ল কৰিব পাৰে।

তেওঁ ঈশ্বৰৰ কথাও নাজানে— মাত্ৰ তেনেকুৱা এজন আছে বুলি শুনিছে। তেওঁৰ লগত অনাথৰ কোনো কাজিয়া নাই। লড়াই নাই। তৰ্কও নাই। আনকি তেওঁৰ সলনি আন এটা বস্তুকো তেওঁ দাঙি ধৰিব নোৱাৰে। তথাপি, নীলা ৰঙৰ কাঁহী এখনৰ নিচিনা আকাশখনৰ ফালে মূৰ দাঙি চালে। মনৰ ভিতৰৰ ঢিলা-সোলোকা চিন্তাবোৰ সুদৃঢ় কৰিবলৈ যত্ন কৰি থাকোঁতেই অনাথে নিজেই নিজকে ক'লে— মইতো ভূগোল নাজানো। ইতিহাস নাজানো। যেনেকৈ নাজানো ভগৱানৰ কথা।

মই জানো— আবেলিৰ আকাশৰ শান্তি। বতাহত গছ এজোপা অকলে অকলে হালিজালি থকা দেখিলে ভাল লাগে। কোম্পানী বান্ধৰ গাতে লাগি থকা পুখুৰীটো অলপ গৈ ৰেল লাইনক বাট এৰি দি বাঁওফালে ঘূৰিছে। তাৰ মাটিও বান্ধটোৰ লেখীয়া ওখ। সেই ওখ বান্ধটোত অনাথে এইমাত্ৰ এটা মূৰ্তি দেখিবলৈ পালে। মূৰ্তিটো যাৰ, তাক তেওঁ বৰকৈ বিচাৰি ফুৰিছে— কেৱল তেওঁৰ নামটোহে মনত পৰা নাই। কিন্তু এই গধুৰ গধুৰ লগা মূৰটোৰ ভিতৰতে ইমান পৰে সেই চেহেৰাৰ আভাস অলপ অলপকৈ ফুটি উঠিছিল।

তেওঁক দেখিয়েই অনাথে ভাবিছিল— দৌৰি গৈ তেওঁৰ লগতে একেলগে যাব। কিন্তু খোজ দি বুজিলে, পৰা নহ'ব। সম্পূৰ্ণ একলহ তাড়ি এতিয়া তেওঁৰ পেটত খল্‌খলাই আছে।

বতাহত হলৌ-চোলা আৰু দাড়ি একেলগে লৰিছে। মূৰৰ আধা পকা চুলিবোৰ বাঁও হাতখনেৰে এঢলীয়া কৰি খোজ কাঢ়ি গৈ আছে। মহম্মদ বাজিকৰেও তেওঁক দেখিবলৈ পাইছে।

অনাথে চিঞৰি ক'লে— বাৰান্দালৈ আহক।

দুয়ো কঠত মুখামুখিকৈ বহি প্ৰথমে যিবোৰ কথা পাতিলে, তাৰ বেছিভাগেই পুৱাৰ আকাশৰ সৌন্দৰ্য্যক লৈ। অনাথে আৰু ৰ'ব পৰা নাছিল, কৈয়ে পেলালে।

গোটেইখিনি কথা শুনি বাজিকৰে ক'লে— তেতিয়াহ'লে বহি থাকিলে নচলিব। প্ৰকৃতিয়ে তাৰ নিদানকাল নিৰ্ণয় কৰি বহি আছে। আগৰে পৰা সাৱধান নহ'ল।

আমি আটায়ে পথাৰৰ ৰূপ দেখি সকলো পাহৰি গ'লোঁ।

উচিত হোৱা নাই, অনাথ বাবু। তাৰ নামেইতো মায়া। মহামায়াই এইদৰে পাহৰাই দিয়ে। এতিয়াও নিশ্চয় কিবা এটা কৰাৰ সময় আছে।

আছে, পাছে, একেবাৰে শেষ কৰিব নোৱাৰি। যি লোকচান হ'ল, হ'ল আৰু। বাকীখিনি ৰাখিব পাৰিলেও বহুত।

পোকবোৰকো বাচি থাকিবলৈ খাদ্য লাগে। সিহঁতৰ দেহৰ পৰাই নতুন পখিলাৰ জন্ম হ'ব। তেনেহ'লে, কি কৰিম বুলি ভাবিছে?

বিহ দিম। মাৰাত্মক বিহ। চিচটেম পয়জন। গোটেই পথাৰতে গুড়ি ছটিয়াই দিলে পানী বিষাক্ত হৈ যাব। পানীৰ পৰা ধানৰ গোছে সেই বিহ টানি ল'ব। ধানৰ গোছত থকা বিহ চুহি খাই পোকবোৰ যদি মৰে, তেন্তে আমাৰ ভাগ্যই বুলিব লাগিব।

আপোনাৰ বাঘাই মোক দেখি কাষলৈ নাহিল দেখোন। তাৰ কি হৈছে?

একো হোৱা নাই। শেহ ৰাতি আহি সেই যে বাৰান্দাত থৰ লাগি পৰি আছে—

আজিকালি বট গছৰ তললৈ মোক বিচাৰি যোৱা নাই ভালেদিন। আগে খবৰ লয় মাজে মাজে। কি হৈছে? —বাঘা—

বাঘাই চকু মেলি চাওঁতেই বাজিকৰ তাৰ ওচৰ পালেগৈ। বাঘাৰ মুখখন ভালকৈ চালে। তাৰ পিছত আগৰ হাতোৰাকেইটা চালে— কিমান পৰ এনেকৈ শুই আছে?

কিমান ৰাতি আহিছে সঠিককৈ নাজানো। অহাৰ পৰা এনেকৈয়ে শুই আছে। মাতিলে কোনোমতে মূৰ তুলি চায়।

আপোনাৰ বাঘাক কোনোবাই কিবা কৰিছে।

কিবা কৰিছে?

হয়। তাক বাণ মাৰি বোবা কৰি পেলাইছে। আৰু কি ক্ষতি কৰিছে, এতিয়াও ধৰিব পৰা নাই। ইয়াত আপোনাৰ কোনোবা শত্ৰু আছে। চাওঁচোন তাৰ বাণ কাটিব পাৰি নে নোৱাৰি। বহুত পলম হৈ গ'ল। — এইবুলি কৈ বাজিকৰে কোম্পানী বান্ধত উঠি পুখুৰীৰ ফালে নামি গ'ল। পুখুৰী পাৰ হৈ একেবাৰে সিপাৰ পালেগৈ। ইটাখোলাৰ গাঁতত হাত দি কিবাকিবি গছ-লতা ছিঙি আনিলে। সেইফালে মানুহৰ আহ-যাহ নাই কাৰণে ডাঙৰ পাতৰ ঘাঁহবোৰ ঘন সেউজীয়া হৈ আছে। তিতা হলৌ-চোলাটোৰে সৈতে বাৰান্দাত লেপেটা কাঢ়ি বহি গছ-লতাবোৰ থেতালি ৰস উলিয়াই বাঘাৰ মুখ ফালি পেটৰ ভিতৰলৈ পঠিয়াই দিলে। কোৱাৰিয়েদি অলপ ৰস বৈ গ'ল। বাঘাই চকু মেলি এবাৰ মাথোন কাহ এটা মাৰিলে।

একেবাৰে সাগৰ-ফেনাৰ এঠা খুৱাই দিছোঁ—

সৰ্বনাশ! কয় কি?

ঠিকেই কৈছোঁ, অনাথ বাবু।

বাঘাই মূৰটো তুলি ঢুলঢুলীয়া চকুৰে ধান খেতিৰ পিনে ৰ' লাগি চাই আছে। — ঈশ্বৰীতলাত সাগৰ-ফেনাৰ নিচিনা গছ দেখাৰ আছে। ইয়াৰ মানুহে ভাবে— বজ্ৰপাত পৰিলে এইবিধ গছে তাক বৰণ কৰি লয়। সাগৰ-ফেনা ভাঙিলেই বগা এঠা ওলাই আহে। বৰ বিহ।

কেলেই খুৱাব? কোনেনো খুৱাব?

হিংসাত। পিত্ত-কফৰ দৰে সেই বস্তুটোও মানুহৰ শৰীৰত থাকে। অলপ চকু ৰাখিব।

কেনি যায়?

মোৰ বহি থকাৰ উপায় আছে জানো?

ময়ো অফিচলৈ যাব লাগিব। আপুনি যে মোক কি জঞ্জালত পেলাই দিলে—

কিয়? আনন্দতে আছে দেখোন।

আনন্দ এইবাৰ ধোঁৱা হৈ উৰি যাব।

অলপমান জঞ্জাল নোলোৱাকৈ কেনেকৈ কাম কৰিব? আহিছোঁ অনাথ বাবু। বাঘা বোধকৰোঁ নিজীয়ে।

অনাথৰ মূৰটো এতিয়া শিল যেন হৈছে। গধুৰ। তেওঁৰ শৰীৰত অতপৰে অলপ নিচাও লাগিছে। বাজিকৰে কোম্পানী বান্ধেদি অঘৰী দৰবেশৰ দৰেই গৈ আছে। তাৰ শেহৰ কথাষাৰৰ অৰ্থ এতিয়া অনাথে বুজি পালে। তেওঁ বাঘাৰ ফালে চালে। সিও তেওঁলৈ চায় নে নাচায় লক্ষ্য কৰিলে। চাব নোৱাৰিলে। বাঘাই ক'লৈকো চোৱা নাই। সি সকলো ঠাইকে লৈ সুদূৰলৈ দৃষ্টি নিক্ষেপ কৰিছিল। ক্লান্ত সেই দৃষ্টি।

বাঘাৰ কাষলৈ যাব নোৱাৰি অনাথ পুখুৰীত নামিল— টুকু, গা নোধোৱনে?

বাৰান্দাৰ পৰা টুকুৱে ক'লে— কেতিয়াবাই গা ধুলোঁ বাথৰুমত।

অনাথে মন কৰিলে— ছোৱালীজনীয়ে আজি ভালেদিন তেওঁৰ ওচৰ চপা নাই। আগৰ দৰে আজিকালি 'বাবু' বুলিও নামাতে। তাৰ সলনি 'বাবা' বোলে।

দুপৰীয়া অনাথে অফিচ পালেগৈ। কেইবাদিনৰ পিছত হাততে পাই অফিচেও তেওঁক ভালকৈ খটুৱালে। অন্ততঃ তিনি দিনৰ কাম। মানুহ কম বুলি অনাথৰ ওপৰতে আটাইবোৰ জাপি দিলে। অনাথ কেতিয়াবা অবাক হৈ যায়। তেওঁৰ অকণো ভাগৰ নাই কিয়? অফিচৰ কাম তেওঁৰ বাবে ভাতৰ লগত পানী খোৱা যেন হয় কিয়? পলমকৈ শোৱে। ৰাতি নৌ-পুৱাওঁতেই উঠে। মূৰ নাকামোৰে। টোপনিও নধৰে। ইলেকট্ৰিক ট্ৰেইনৰ মিটেলৰ বডি ৰ'দত গৰম হৈ থাকে দুপৰীয়া। তাৰ ভিতৰত বহি গৰমত সিজি কলিকতালৈ আহে। ফেনৰ বতাহত ফ্ৰেশ হ'লেই আকৌ সেই আগৰ মানুহটো হৈ পৰে। কোনো কামকেই আজিকালি কাম যেন নালাগেই। কামত ধৰে আৰু শেষ কৰি পেলায়। দহ মাইল ৰাস্তা ভালকৈ খোজ কাঢ়ি যাব পাৰে। গোটেই দিনটো পেটত একো নপৰাকৈও ৰ'দত বহি ঠাণ্ডা মগজুৰে পানীৰ পাম্প মাৰিব পাৰে। আধা সিজা আধা কেজি মাংসৰ প্লেট নিমিষতে শেষ কৰি দিব পাৰে। যি খায় সিয়েই হজম হয়। বিছনাত পৰিলেই টোপনি আহে। ৰেকৰ্ড প্লেয়াৰত আমিৰ খাঁৰ গান লগাই দি মেঘ ৰাগ শুনি শুনিয়েই তিনিশ বিঘা মাটিত দিয়া সাৰৰ হিচাপ অনায়াসে কৰি পেলায়। পুখুৰীত বুৰ মাৰি মাটি তুলি আনিব পাৰে। ভৰি ওপৰমুৱা কৰি চৰায়ে পাখি কোবোৱাৰ দৰে কোবাই কোবাই পোনে পোনে পুখুৰীৰ তলীত থকা চেঁচা বোকাত মূৰটো লগাই দিয়াত অনাথৰ একো অসুবিধাই নহয়। এয়া খেতিত লগাৰ ফল নেকি? তাড়ি খাই নিয়মিত সাঁতোৰাৰ মহিমা নেকি এয়া? নে অইন কিবা? তেওঁ জানো এনেকৈয়ে গঢ় লৈছে? শৰীৰটো জানিবা তেওঁ নিজহাতে চাচি কৰা কোৰৰ নালহে। বৰ কামত আহে।

চাৰি নৌ-বাজোঁতেই কাম-কাজ শেষ কৰি থৈ অনাথ ওলাই আহিল। অফিচ বন্ধ

হোৱাৰ আগতেই ডেলহাউচিৰ পোক মৰা দৰৱৰ কোম্পানীলৈ গৈ আটাইবোৰ কথা কোৱাত তেওঁবিলোকে দৰৱৰ নাম, দাম কৈ দিলে। ৰাচবাড়িৰ আদালত-হাটত সকলো পোৱা যায়। ডিলাৰ আছে।

সন্ধিয়া ঘৰলৈ ঘূৰি আহি অনাথে চকুৰে অন্ধকাৰ দেখিলে। সীতাকুণ্ডৰ স্কুলৰ পৰা উভতি আহি আবেলিৰে পৰা বিছনাত পৰি টুকুৰে কান্দি আছে। লিলিক শান্তাই কুটা এগছকে খুৱাব পৰা নাই। সিহঁত দুইজনীয়েই বুজিছে– বাঘা আৰু নাবাচে।

বাঘা ক'ত?

শান্তাই পুখুৰীলৈ আঙুলিয়াই দিলে। বাহিৰৰ লাইটটো জ্বলাই অনাথ পুখুৰীপাৰ পালেগৈ। বলায়ে পানীত বুৰ গৈ থকা চিৰি এটাত পেণ্টটো তিয়াই বহি আছে। তাৰ কাষতে বাঘা। সি নিঃশব্দে নেজডালেৰে সৈতে গোটেই তলপেটটো পানীত বুৰাই মুখ মেলি উশাহ লৈছে। চকুত টোপনি-টোপনি ভাব। ইলেকট্ৰিকৰ পোহৰত দেখা গ'ল– বলায়ে চকুলো টুকিছে। নিজেই আহি সি পানীত বহিছেহি। কিবা কাৰণত পেট বিষাইছে বাঘাৰ। ফুটাই ক'ব পৰা নাই। অনাথে অকলে থকা হ'লে ক'লেহেঁতেন– ভৌ। অনাথে বুজি পালেহেঁতেন।

মাতিবনো কাক? অনাথে একো ঠিক কৰিব নোৱাৰিলে। আকাশ এন্ধাৰ। ঘৰৰ আগৰ লাইট-পোষ্টটোৰ কেউফালে অসংখ্য বগা পখিলা। মনে মনে একে ঠাইতে ৰৈ থকাৰ কাৰণে অনাথৰ ভৰি বিষাল। তেওঁ নিজে একচল্লিশ ক্ৰচ কৰিছে। বাঘা লিলিতকৈও সৰু। বহুত সৰু। চাৰি বছৰমানৰ সৰু হ'ব। প্ৰথমে আহোঁতে ৰাতি কান্দে। তেতিয়া বৰ সৰু। গাখীৰ খাবলৈও শিকা নাছিল।

ৰাতি কাৰো খোৱা নহ'ল। শান্তাই ৰন্ধাও নাই। চেষ্টা কৰিও ছোৱালী দুজনীক গাখীৰ দিয়া চিৰাও খুৱাব নোৱাৰিলে। বলায়েও একো মুখত নিদিয়ে বুলি আটায়ে জানে। বাঘাই নিজে নিজে পুখুৰীৰ ঘাটটোৰ পৰা উঠি আহি বাৰান্দাত আকৌ লৰচৰ নকৰাকৈ শুই থাকিল।

আজি ঘৰত কোনেও লাইটো নজ্বলালে। লাইট-পোষ্টৰ পোহৰত এন্ধাৰ ঘৰটো ওলাই আছিল। বাৰান্দাখনত সেই পোহৰটো তিনিকুণীয়া হৈ পৰিছেহি। তাৰে অলপমান বাঘাৰ গাতো পৰিছে।

অনাথ আৰু শান্তাই দুয়ো মিলি একেলগে বাঘাক কোলাত ল'ব খুজিলে। বাঘাই এন্ধাৰত মূৰ তুলি চালে। লগে লগে তাৰ চকুৰ নীলা মাৰ্বল দুটা উজলি উঠিল। সি আকৌ মজিয়াত মূৰটো পেলাই দিলে।

শান্তাই মাত মাতিব পৰা নাই যদিও জোৰেৰে কাহ এটা মাৰি ডিঙিটো পৰিষ্কাৰ কৰিবলৈ চেষ্টা কৰিলে। ঘেৰঘেৰণি শব্দ শুনা গ'ল। – আহ, কোলালৈ আহ–

এতিয়া বাঘাৰ শৰীৰ ডাঙৰ। শান্তাৰ কোলাত লোৱাৰ সাধ্য কি? তদুপৰি আজি যেন আৰু গধুৰ হৈ পৰিছে। ল'ব নোৱাৰি শান্তা আঁতৰি গৈ বহিল।

ৰাস্তাত থকা লাইট-পোষ্টটো ঘেৰি বগা পখিলাবোৰে জুম পাতিছে। সিহঁতেই গোটেই পথাৰখনত সেই কালান্তক পোকবোৰ প্ৰতিটো গোছতে এৰি থৈ আহিছে। এতিয়াও মাজৰ কোঁহবোৰত সোমাই চুহি নিছে ধানৰ প্ৰাণ। শুকান শিহ ওলাইছে। তাত ফুল ধৰিলেও গাখীৰতী নহয়। পাতবোৰ বৰণ ধৰাৰ কোনো প্ৰশ্নই নাই। একেবাৰে শুকান। সোমবাৰৰ পৰা পথাৰত পোক মৰা দৰৱ ছটিয়াব লাগিব।

বাঘাক তুলি নি যদি বিছনাত শুৱাই দিব পৰা হ'লহেঁতেন! বৰ অৱশ হৈ লোৱা উশাহ-নিশাহৰ লগে লগে ডাঙৰ শব্দ হৈছে। মূৰটো অলপ দাঙি দিয়াৰ বাবে এইমাত্ৰ তাৰ চকু দুটা নীলা ৰঙৰ মাৰ্বলৰ দৰে জ্বলি উঠিছিল।

গহীন ৰাতি কিমান দিন যে কোম্পানী বান্ধত এন্ধাৰত অনাথে বাঘাৰ চকুৰ এই উজ্জ্বলতা দেখিছে! সন্ধিয়া এটা পাক মাৰি ঘূৰি আহে বাঘা। কেতিয়াবা বজাৰ। কেতিয়াবা ৰেলৰ প্লেটফৰ্ম। কেতিয়াবা আকৌ বিদ্যাধৰীৰ ডুবিটোৰ পাৰ। নহ'লে বগা গীৰ্জাৰ চোতাল।

এটা দিনৰ কথা ভালকৈ মনত আছে অনাথৰ। বাঘা ডাঙৰ হৈছে। সন্ধিয়া পাক মাৰি উভতিছিল। উভতি আহোঁতে তাৰ খোজ-কাটল ডেইলি পেচেঞ্জাৰসকলৰ দৰে। গাজি-গুমৰি বৰষুণ আহিল। লগত প্ৰবল বতাহ। অন্ধকাৰ। দুৱাৰখন জপোৱাৰ আগতে অনাথে বা-ঘা-আ বুলি চিঞৰিলে— যিমান জোৰেৰে পাৰে। দূৰৰ কোম্পানী বান্ধৰ পৰা দুটা নীল ৰঙৰ মাৰ্বল শূন্যত ওপঙি ওপঙি আগুৱাই আহিবলৈ ধৰিলে। ধুমুহা, বৰষুণ, বিজুলী, বতাহৰ মাজতো সেই নীল বৰণৰ মাৰ্বল দুটা আগুৱাই অহাৰ মৃদু ভংগী অলপো সলনি নহ'ল। নিৰুদ্বিগ্ন। যেন ধুমুহা-বৰষুণ নহয়, নিৰ্মল আকাশৰ পুৱা বাঘাই যেন ডুবিৰ কাষৰ বট গছৰ তলত বাজিকৰৰ লগত দেখা কৰিহে উভতি আহিছে। আচলতে তেতিয়া কিন্তু এন্ধাৰতে সকলো ঠাইতে দোপাল-পিটা বৰষুণ হৈছে। ঈশ্বৰীতলাত ঘৰৰ বাহিৰত তেতিয়া জনপ্ৰাণী এটাও নাই। কেৱল বাঘাহে অকলে বাহিৰত। এনেকুৱা সাহসী। সি এন্ধাৰ-টেন্ধাৰ একো নুবুজে। ধুমুহা-বৰষুণ বুজি নাপায়। গোটেই শৰীৰটো এন্ধাৰত লীন হৈ ওপঙি থাকে কেৱল সেই নীলা বৰণৰ মাৰ্বল দুটা।

বলাইক পুখুৰীৰ পৰা আহিবলৈ কোৱা। ইমানপৰ পানীত বহি থাকি জ্বৰহে মাতি আনিব শেষত—

তুমিয়েই মাতাচোন!

অনাথে জোৰেৰে চিঞৰিলে— অ' বলাই। আহ, গুচি আহ—

বলাইৰ কোনো উত্তৰ নাই।

অনাথো মনে মনে ৰ'ল।

এটা সময়ত লাষ্ট ট্ৰেইনখন গ'ল। দুয়ো বহি বহিয়েই টোপনিয়াইছে। খট্ কৰে শব্দ এটা হ'লত অনাথৰ চিলমিলনি নাইকিয়া হ'ল। অবাক হৈ দেখিলে— বাঘা উঠিছে। তাৰ পিছতে ঠেঙৰ হাড়ৰ শব্দ হৈছে— খট্।

অনাথে চিঞৰি দিলে— চোৱাঁহি কি হৈছে! অ' বলাই, চাহি-- বাঘা ভাল হৈছে। — কৈ কৈ অনাথ থিয় হ'ল।

তিতা পেণ্টেৰে বলাই লৰি আহিল-- ক'ত?

শান্তা কলাঘুমটিৰ পৰা উঠি আহি বাৰান্দাৰ চুইচ্ জ্বলাই দিলে। সমুখত এন্ধাৰ পথাৰখন। তিতা পেণ্ট পিন্ধি বলাই। চকু দুটা ৰঙা। উখহা-উখহা।

বাঘাই কাৰো ফালে নাচালে। সদায় যেনেকৈ যায়, আজিও তেনেকৈ যেন পাক এটা মাৰিবলৈহে ওলাইছে। মৃদু ভংগীৰে গৈ কোম্পানী বান্ধৰ লাইট-পোষ্টৰ তলতে ৰ'ল। তাৰ পৰা তাৰ দীঘল ছাঁ পৰিছে। সেই ছাঁটোতে সি শুলে— দীঘলীয়াকৈ, কোনোফালে নোচোৱাকৈ।

অনাথ, শান্তা, বলায়ে দৌৰি গৈ কোম্পানী বান্ধ পালেগৈ। যি আশাৰে তেওঁবিলাকৰ তিনিখন মুখ উজলি উঠিছিল, সেই আশা আকৌ নুমাই গ'ল।

বাঘা দীঘল হৈ শুইছে— ঠেং মেলি, ডিঙিটো দাঙি। চাৰিওফালে পথাৰ জনপ্ৰাণীহীন। ইয়াত মানুহৰ বসতি নাই বুলিলেই হয়। এতিয়া বাঘাকে ধৰি তেওঁবিলাক চাৰিটা প্ৰাণী। কোম্পানী বান্ধত মাত্ৰ এই এটা পোষ্টতে লাইট জ্বলে।

অনাথে হাত দুখন মেলি বাঘাক দাঙিবলৈ চেষ্টা কৰিলে। বাঘাই বৰ কষ্টেৰে মুখ তুলি অনাথলৈ চাই মূৰটো আকৌ পেলাই দিলে। তাক কোলাত তুলি ল'বলৈ সহায় কৰাৰ শক্তিকণো বাঘাৰ গাত নাই।

বলাইয়ে চকুকেইটা মচি ক'লে— আপোনালোক ঘৰলৈ য'কগৈ।

কিনকিনীয়া বৰষুণ দিছে। বাঘা বাহিৰত পৰি থাকিব আৰু আমি এতিয়া ঘৰলৈ যাম?

বলাই মনে মনে থাকিল। বতাহত এছাৰেকনি আহি বাঘাৰ গাত পৰিছিল। তাৰ লগতে পুষ্পবৃষ্টিৰ দৰে ভাগৰুৱা বগা পখিলাবোৰ জুম বান্ধি থকাৰ পৰা পিছলি আহি বাঘাৰ মূৰত পৰিছিলহি।

শান্তাই ক'লে— ছাতি এটাকে আনি দিওঁ—

বলায়ে যিটো নকৰে কোনোদিনা, আজি কৰিলে। দুয়োকে ধমকি দিয়াদি দিলে— মাজ মূৰত ছাতিটো কোনোবাই লৈ যাব।

ব'লক, ঘৰলৈ ব'লক।

কিয়? আৰু অলপ থাকোঁ। সি অকলে অকলে থাকিব—

কোনো লাভ নাই। বাঘা মৰিব— অলপ পিছতে--

শান্তা কান্দো-কান্দো হ'ল— কেনেকৈ জানিলি বলাই?

মৰাৰ আগতে কুকুৰ-মেকুৰীয়ে ঘৰৰ বাহিৰলৈ ওলাই আহে। এই সময়ত মুকলি আকাশৰ তলত আহি শোৱে। গৃহস্থৰ ঘৰত সিহঁত কেতিয়াও নমৰে।

কলিকতাৰ পৰা ট্ৰেইন আহি ইয়াত খালী হৈ যায়। তাৰ পিছত আঠ-দহোটা ষ্টেচন পাৰ হৈ এখন শীৰ্ণ নৈৰ কাষত লাইনৰ শেষত গাড়ীখনে জিৰণি লয়। ঈশ্বৰীতলাৰ পৰা শেহৰ ষ্টেচনলৈ আৰু আধা ঘণ্টা।

এইকণ বাট পাৰ হৈ বিকাশ আৰু টুকু শেহৰ ষ্টেচনটোত আহি নামিলহি। ৰাতিপুৱাৰ ট্ৰেইন। মানুহ-দুনুহ নাই। বিকাশে ক'লে— লাঞ্চঘাটলৈ যাওঁ বলা। যাবানে সুতপা?

কোনোবাই যদি দেখে?

তোমাৰ বৰ ভয়। ইয়াত আমাক কোনে চিনি পাব?

লাঞ্চঘাটটো চাবলগীয়া। নৈখনৰ মাজলৈকে কাঠৰ তক্তাৰে সজা ডেক। শামুক বোজাই কৰি নাও মেদিনীপুৰলৈ গৈছে। চূণ কৰিব। ইখনৰ পিছত সিখনকৈ চাৰি-পাঁচখন লাঞ্চ যাওঁ যাওঁ হৈ আছে।

ব'লা, আমি কেনিবা যাওঁ।

এইখিনি সময়ৰ ভিতৰতে সুতপাই ইমান সাহ পালে ক'ত?

আমি ঈশ্বৰীতলাৰ প্লেটফৰ্মৰ পৰা বেলেগ বেলেগ ট্ৰেইনত আহিছোঁ, কিমান যে ভয় তোমাৰ—

সুতপাৰ ভয় অৱশ্যে যোৱা নাই। শাৰীৰ আঁচলটোৰে সোঁ-ফালৰ কান্ধখন ভালকৈ ঢাকি ল'লে। ঢাকি পেলাই ভাবিলে— তাই অলৰ-অচৰ কাপোৰৰ টোপোলা হৈ পৰিছে। সমুখতে এজোপা ডাঙৰ আঁহত গছৰ ডাল-পাত ৰাস্তাৰ ফালে হালি আছে। নৈৰ খহনীয়াত গছজোপাৰ শিপাবোৰ একেবাৰে ওলাই পৰিছে।

কালি আবেলি টুকু কোম্পানী বান্ধটোৰ পাৰত মনে মনে বহি আছিল। কেতিয়ানো সন্ধিয়া হ'ল, গমেই পোৱা নাছিল। সেই সময়তে কলেজৰ পৰা উভতি আহোঁতে বিকাশে তাইক দেখিলে। এইখিনি সময়তে বাঘা সদায় সিহঁতৰ লগতে ফুৰে। টুকুৱে বুজিছে— এতিয়া আৰু কুকুৰ লৈ খেলাৰ বয়স তাইৰ নাই। আজিকালি নেখেলিলে বাঘা আশে-পাশে ঘূৰি ফুৰে। আশা কৰে— কিজানিবা খেলা হয়েই। টুকুৱে জানে— তাইৰো তেনেকুৱা লাগে। এটা সময়ত সদায় অফিচৰ পৰা আহি বাপেকে তাইক চুমা খাইছিল। লাহে লাহে বাপেকে সেইটো কৰিবলৈ এৰি দিয়াত তাই মনতে বৰ দুখ পাইছিল। বাপেকে মাজে মাজে আজি-কালি তাইক 'তুমি' বুলি কথা কয়। এইটো ভাল লক্ষণ নহয়। আগৰ 'তই' কিমান ভাল আছিল! এদিন তাই এটা সপোন দেখিলে— বাপেকে আন এজনী অচিনাকি ছোৱালীক কোলাত লৈ ঈশ্বৰীতলাৰ সংক্ৰান্তি মেলাত ঘূৰি ফুৰিছে। সেই দুষ্ট ছোৱালীজনীৰ কাৰণে বহুত পুতলা কিনিছে। টুকুৰ মনটো বেয়া লাগি গৈছিল।

বাঘাৰ কথা মনত পৰাৰ লগে লগেই টুকুৰ চকু ছলছলীয়া হ'ল। বান্ধটোত মানুহ-দুনুহ নাই। বিকাশে ক'লে— যি গ'ল, তাৰ কাৰণে কান্দিছা কিয়? উভতি আৰু নাহে। তাতকৈ কাইলৈ লাঞ্চঘাটত ফুৰি আহোঁগৈ ব'লা। ঠাইটুকুৰা তোমাৰ বৰ ভাল লাগিব সুতপা।

ক'ত? মইতো কাহানিও নৈ দেখা নাই।

ৰেল লাইন য'ত শেষ হৈছে, তাতেই নৈ। কিমান নাও! চৰাই। মাছ।

লিলিক লৈ যাম কিন্তু।

তেতিয়াহ'লে তোমাক অকলে নাপাম, সুতপা।

এইবোৰ কথাৰ কোনো উত্তৰ দিব নোৱাৰে টুকুৱে। শুনিলেই তাইৰ গাটো শিৰশিৰাই উঠে। বিকাশ তাইতকৈ কেইবা শ্ৰেণীৰো আগ। হায়াৰ চেকেণ্ডাৰী পাছ। তথাপি একো একোটা সময়ত ইমান ল'ৰামতীয়া যেন লাগে! সেই সময়ত টুকুৰ মনটোত আন কথা নাথাকে— পাতল পাতল লাগে মনটো। তাই ভালকৈ দেখিবলৈ পালে— এজাক টিয়া ভাটৌ পুৱাৰ নৈখনত নামি পাখিৰ পানী ছটিয়াই ছটিয়াই একেলগে গা ধুই আছে। তাৰ পিছত জাকি মাৰি উৰি শাক-পাচলিৰ খেতিত চৰিবৰ বাবে কোবেৰে গৈছে। এটা সুকীয়া আনন্দৰ কণা তাইৰ মনতো আহি পৰিলহি।

লাঞ্চঘাটত বতাহৰ লগে লগে এছাৰেকনি মাৰিছিল। সেইবাবে সিহঁত দুয়োৰে চকু-মুখ অলপমান তিতিছিল। ব'লা সুতপা, সিপাৰলৈ যাওঁ— টুলুঙা নাৱত।

নাযাওঁ। পলম হ'লে ধৰা পৰি যাম। আমাৰ দুয়োকে আটায়ে চিনি পায়। তোমাক যে আটায়ে চিনি পায়। তোমাৰ দেউতাৰা ভোটত উঠিছে। উভতি যাওঁ ব'লা।

ষ্টেচনলৈকে ৰাস্তা ভাল। এই বাটকণ যাতে সোনকালে শেষ হৈ নাযায়, সেইবাবে দুয়ো বৰ লাহে লাহে গৈ আছিল। ট্ৰেইনত উঠিয়েই ঠিক কৰিলে— দুয়ো একেলগে বহি অলপ দূৰ যাব। তাৰ পিছত ঈশ্বৰীতলা নৌ-পাওঁতেই বিকাশ আন এটা ডবালৈ গুচি যাব। বাটত চিনাকি কাৰোবাক পালে টুকুৱে ক'ব— সীতাকুণ্ডলৈ জিঅ'গ্ৰাফিৰ টিচাৰৰ ওচৰলৈ গৈছিল। ঘৰলৈ মাতিছিল। কোনেনো আৰু খবৰ ল'বলৈ যাব?

ট্ৰেইনত উঠি টুকুৱে মনতে ভাবিলে— আৰু অলপ থাকিব পৰা হ'লহেঁতেন। এতিয়া ট্ৰেইনত মানুহ-দুনুহ নাই। অফিচৰ ভিৰলৈহে তাইৰ বৰ ভয়।

বেগেৰে গৈ থকা ট্ৰেইনৰ খিৰিকিত বতাহৰ সোঁ-সোঁৱনি। ডবাটোত মানুহ নাই। কাৰো কথা কোনেও শুনা নাছিল। বতাহ সোমাই শব্দবোৰ নুশুনা কৰি তুলিছিল। ইয়াৰ ভিতৰতে তিনিবাৰ টুকুৱে চুলিখিনি ঠিক কৰি লৈছে। বিকাশৰ আগত আৰু মূৰ আঁচুৰিব নোৱাৰি। ফণিও নাই লগত। ৰেল লাইনৰ দাঁতিৰ ডাঙৰ বান্ধ এটাৰ পানী উলিয়াই দি মানুহে মাছ ধৰি আছে। দূৰত শাক-পাচলিৰ খেতি পানীৰ অভাৱত হালধীয়া পৰিছে।

পাছৰ ষ্টেচনটোত কেইজনমান চাউল-বেপাৰী উঠিল। উঠিয়েই ডবাটোৰ বাংকৰ খালী ঠাইবোৰত চাউলৰ টোপোলাবোৰ লুকাই থ'লে। এজনৰ ভৰিৰ ধূলি আহি সিহঁতৰ গাত লাগিলত বিকাশ বহাৰ পৰা উঠিল— হৈছে কি? টিকট নাই, স্মাগ্‌লিং কৰিছ— আকৌ পেচেঞ্জাৰৰ গাত ভৰিৰ ধূলি লগাইছ?

বাঁও চকুটোৰ তলতে কটা দাগ থকা ল'ৰাটোৱে ধীৰে-সুস্থে নিজৰ কাম কৰি গ'ল। তাৰ পিছত চিটৰ ওপৰৰ পৰা নামি আহি হাত চাপৰি বজোৱাৰ নিচিনা কৰি দুহাতৰ

ধূলিবোৰ গুচাই ল'লে— মানুহ-দুনুহ নোহোৱা ডবাত বেচ্ স্ফূৰ্তি হৈছে। অসুবিধা হ'ল নেকি?

টুকুৰ কাষতে বিকাশ বহি আছিল। টুকু খিৰিকিৰ কাষত। ডবাৰ বাহিৰত ইমান সুন্দৰ পথাৰ! একোজোপা গছ ইমান ধুনীয়া! তৎক্ষণাৎ চকুৰে নেদেখা হৈ যায়। কি সুন্দৰ!

আৰু এই ডবাৰ ভিতৰত? টুকুৱে মুখ ঘূৰাই চাবলৈও সাহ কৰা নাছিল। কিন্তু এইবাৰ আৰু নোচোৱাকৈ নোৱাৰিলে। বিকাশৰ লগতে তায়ো বহাৰ পৰা উঠিল। প্ৰথম ঘোচাটো বিকাশেই মাৰিলে। চকুৰ তলতে কটা দাগ থকা ল'ৰাটোৱে মূৰটো কাতি কৰি দি হাঁহিলে। তাৰ পিছত মুখখন মেলি জিভাখন পাক দি কামুৰি লৈ অতৰ্কিতে বিকাশক এপাট কাণতলীয়া চৰ শোধাই দিলে। ঘোচাও বুলিব পাৰি। বিকাশ উফৰি গৈ দুশাৰী চিটৰ মাজত পৰি গ'ল। — উস্, দেউতা অ'!

ল'ৰাটো আৰু আগুৱাই গ'ল। চাৰ্টটোত ধৰি টানি বিকাশক তুলিলে। টুকুৱে হাতত একো নাপাই ল'ৰাটোৰ বুকুত জধে-মধে চৰ-ঘোচা মাৰিবলৈ ধৰিলে। তালৈ সি কেৰেপ নকৰি বিকাশক আৰু এটা ঘোচা মাৰিলে। তাৰ পিছত আৰু এটা। আৰু এটা।

শেহৰবাৰ মাৰোঁতে বিকাশে পাকঘূৰণি খাই পৰি গৈছিল। দুশাৰী চিটৰ মাজত। চকুৰ তলতে কটা দাগ থকা ল'ৰাটোৱে এইবাৰ টুকুৰ ফালে ঘূৰি হাঁহি দিলে। তাৰ লগৰকেইটাই দুৱাৰ মুখত থিয় হৈ বতাহ লৈছে। আচলতে নিজানৰ এই মৰামৰিৰ পৰা আঁতৰত ৰৈ সিহঁতে পহৰা দিছে— বিকাশে যাতে তৰ্জন-গৰ্জন কৰি ওলাই যাব নোৱাৰে, বাহিৰৰ মানুহ যাতে মাতি আনিব নোৱাৰে।

এইবোৰ ক্ষন্তেকতে ঘটি গ'ল। মানুহ-দুনুহ নোহোৱা ট্ৰেইনখন যেন আনদিনাতকৈও আজি বেগেৰে চলিছে। ল'ৰাটো আহি টুকুৰ হাতখন পকাই ধৰিলে। ঠিক সেই সময়তে বিকাশে দুশাৰী চিটৰ মাজতে তক্তাৰ ওপৰত নাৰিকলৰ ডাব বেচা মানুহৰ বাওকা এডাল পালে। সেইডালেই লাঠি হ'ল। সেইডাল লৈ সি থিয় হ'ল। তাৰ পিছত ধলংপলংকৈ গৈ চকুৰ তলত কটা দাগ থকা ল'ৰাটোৰ ডিঙিত যিমান জোৰে পাৰে মাৰি দিলে।

টুকুৰ হাতখন চাউল-বেপাৰী ল'ৰাটোৰ হাতৰ পৰা এৰ খাই গ'ল। সেই সময়তে 'উহ' বুলি ল'ৰাটোও তক্তাৰ ওপৰতে বহি গ'ল।

কি হ'ল অ' বিষ্টু? — এইবুলি কৈয়েই বাকী তিনিজন দুৱাৰ মুখৰ পৰা লৰি আহিল।

এইকণ সময়তে বিকাশে টুকুক কাষলৈ চপাই ল'লে। — এখোজ আহিলেই মাৰিম। — বিকাশে তেনেকৈ ক'লে হয়, তাৰ কিন্তু চুৰিয়াৰ থোৰটো খোল খাই তক্তাত লেটি লৈছে। গাৰ ফটা চাৰ্টত মুখৰ পৰা ওলোৱা তেজ পৰি দাগ লাগিছে। মূৰৰ চুলি কপালৰ আগত পৰিছেহি আৰু বাঁও চকুটো ঢাক খাই আছে। সোঁ-চকুৰ চেলাউৰিত কেইবা ঠাইতো টেমুনা বান্ধিছে। ধলংপলংকৈ আছে, তথাপি হাতৰ বাওকাডাল টানকৈ ধৰি আছে বিকাশে। -- আৰু এখোজ আহিলেই--

টুকুৱে কান্দিছিল— থিয় হৈ। পাছত অহা তিনিটাৰ ভিতৰত শকত-আৱত মানুহটোৱে ঘপহকৰে ছুৰী এখন উলিয়ালে। — অ' কথা সেইটোৱেইনে?

বিকাশেও মৰো-জীওঁ-সোঁ-আধিকৈ ফেপেৰি পাতি ধৰিলে।

ট্ৰেইনখনে ঘট্‌ঘট্ শব্দ কৰি কেইবাটাও ডবল লাইন পাৰ হৈ গ'ল। টুকুৱে বুজিলে— সিহঁত এখন প্লেটফৰ্মত সোমাইছেহি। আজি ৰাতিপুৱাই ওলাই আহিবলৈ বাৰু কিহে পাইছিল?

মাৰ খোৱা ল'ৰাটো ইতিমধ্যে বহি থকাৰ পৰা উঠিল— চিটত ধৰি। এইবাৰ চাৰিওটাই মিলি বিকাশহঁতক পেপুৱা কৰি তিনিফালৰ পৰা বেৰি ধৰিছে।

এতিয়া? — মাৰ খোৱা ল'ৰাটোৱে চিঞৰি ক'লে।

টুকুৱে চকুপানী টুকিছে। নিজক চম্ভালিব পৰা নাই। সেই অৱস্থাতো, তাই ভাবিছে— ইমান পৰে যদি সীতাকুণ্ডকে পালোগৈহেঁতেন।

শকত-আৱত হটঙা মানুহটোৱে ছুৰী দাঙি লৈছে, এনে সময়তে খিৰিকিৰে ভুমুকিয়াই ডবাটোলৈ যিটো মানুহ সোমাই আহিল, সি হ'ল সন্তোষ টাকি। সোমাই সি হতভম্ব। — কি হ'ল? সৰুদাদা দেখোন।

বিকাশৰ হাতৰ পৰা বাওকাডাল পৰি গ'ল। সন্তোষে বিকাশক সৰুদাদা বুলি মাতে। তাতকৈ ডাঙৰ প্ৰকাশক — বৰদাদা।

পাছফালে মাত শুনি সিহঁত চাৰিওটাই উভতি চালে। সিহঁতৰ এটাৰ হাতত ছুৰী দেখিয়েই কি হৈছে সন্তোষে বুজি পালে— এই হাৰামজাদা। আমাৰ মানুহক অকলে পাই-

সন্তোষৰ কথা শেষ নহ'লেই। তাৰ গোটেই শৰীৰটোৱেই ডাঙৰ লাঠি হৈ পৰিল। শকত-আৱত হটঙা মানুহটোৰ পেটত সেই লাঠিৰ কোব পৰিল। তাৰ পিছত জধে-মধে বাঘঢকা, চৰ, ঘোচা, গোৰ। বুটাম-টিপা যন্ত্ৰৰ দৰে। চাৰিওটা একেবাৰে ছিটিকি গ'ল। এটা চিটত আঁউজি ৰৈছে। দুজনে লৰ মাৰি দুৱাৰৰ কাষ পালেগৈ। প্ৰথমতে মাৰ খোৱা সেই ল'ৰাটোৱে লোহাৰ ৰদত খুন্দা খাই বহি পৰিল। তাৰ কঁকালত গোৰ এটা মাৰি সন্তোষে বিকাশৰ হাতৰ পৰা বাওকাডাল ল'লে। — বিনা-টিকটত চাউলৰ বেপাৰ কৰিছ, তাতে আকৌ ভদ্ৰলোকৰ ল'ৰা-ছোৱালীৰ গাত হাত দিছ। — ভালকৈ মাধমাৰ দিওঁ বুলি সন্তোষে বাওকাডাল দাঙি ল'লে।

খুন্দা খাই বহি পৰা ল'ৰাটোৱে ইতিমধ্যে মূৰটো বাচক বুলি হাত দুখন দাঙিছে।

টুকুৱে আহি সন্তোষ টাকিৰ হাতত ধৰি ক'লে— মৰি যাব।

সন্তোষ ধমক খাই ৰ'ল। — মই ভাবিছোঁ এওঁনো কোন? অনাথ দাদাৰ ডাঙৰ ছোৱালী নহয়নে?

ইমান গণ্ডগোলৰ ভিতৰতো সন্তোষ টাকিয়ে হাঁহি মাৰি ক'লে— শাৰী পিন্ধিছা,

চিনিম কেনেকৈ বাইদেউ? তুমি যে ইমান ডাঙৰ হ'লা, একেবাৰে নাজানো।

ৰেল ৰোৱাৰ লগে লগে প্ৰথম তিনিটা দৌৰি পলাল। তক্তাৰ ওপৰেদি বগুৱা বাই গৈ সেই মাৰ খোৱা ল'ৰাটো দুৱাৰমুখ পাইছেগৈ।

তেতিয়াও টুকুৱে মূৰ তুলি চাব পৰা নাই। বিকাশে এইবাৰ মানুহ-দুনুহ নোহোৱা চিট এটাত ঘপহ্কৈ বহিল। পোন্ধটো মৰাৰ কথাও সি পাহৰিছে। বাঁও চকুৰ ওপৰৰ চুলিখিনি ঠিকঠাক কৰি ল'লে।

ইমান ৰাতিপুৱাই তোমালোক ক'ৰ পৰা আহিলা, টুকু বাইদেউ?

লাঞ্চঘাটলৈ ফুৰিবলৈ গৈছিলোঁ।

মোক কোৱা হ'লেই হ'লহেঁতেন। আটাইবোৰ দেখুৱাই মেলি আনিব পাৰিলোহেঁতেন তোমালোকক।

অনাথৰ লগত শান্তা ডুবিটোৰ ফালে অহা নাই। ধুমুহাত লাইন ছিগি যোৱাত ইলেকট্ৰিক লাইট আজি তিনি দিন বন্ধ। পুখুৰীত যিকণ পানী আছে সি ৰ'দত জুই হৈ আছে। আজি কেইদিনমান ধৰি ধানৰ গোছত পোক মৰা দৰৱ পুৱা-সন্ধ্যা দিয়া হৈছে। মজা পোক মৰাৰ শেষ চেষ্টা। আজি অনাথ ফ্ৰি। অফিচ বন্ধ। জৈনসকলৰ বাবে কিবা এটা পাব্লিক হলিডে'।

গছৰ ছাঁৰ মাজে মাজে দুয়ো আহি আহি বট গছৰ বিপৰীত ফালে ডুবিটোৰ আন এটা পাৰ পালেহি। তাত থিয় হ'লেই বট গছৰ তলখন পেন্সিলেৰে অঁকা ছবি যেন লাগে। — এইফালে পানী অলপো চেঁচা নহয়, শান্তা। আৰু অলপ আগলৈ যাওঁ—

আৰু খোজ দিব নোৱাৰোঁ। চেঁচা পানীৰ লোভ দেখুৱাই দেখুৱাই অতদূৰ আনিলা। ইলেকট্ৰিক লাইন ঠিক নহ'লে বাথৰুমলৈ পানীও নাহে। আৰুনো কিমান দূৰ যাম?

আৰু অলপ আহাঁ।

আগত এয়া হাবি। মই আৰু যাব নোৱাৰোঁ।

আহাচোন শান্তা। অলপ আগলৈ গছৰ ছাঁত চেঁচা পানী পাম।

নৈৰ পাৰৰ বালিত মানুহটোৰ সমান ওখ ঘাঁহ আৰু বনৰীয়া গছেৰে হাবি হৈ আছে। তাত অচিনাকি লতা-ফুল বগাইছে। গঙাচিলনী এটাই ছাঁ দেখি উৰি আহি পৰিছিলহি। তেওঁবিলাকৰ খোজৰ শব্দত সি তাৰ গধুৰ ডেউকা মেলি ডুবিটোৰ আন এটা চুকলৈ গুচি গ'ল।

কোন? -- এইবুলি অনাথে ক'বলৈহে পালে, নীলা চোলা পিন্ধা কোনোবা মানুহ এটাই উভতি লৰ মাৰিলে— বনৰীয়া গছ আৰু ঘাঁহবোৰ মহটিয়াই। অনাথে নিজেই ক'লে— সন্তোষ টাকি নেকি? কিন্তু একেবাৰে নিশ্চিত হ'ব নোৱাৰিলে। ঠাইটুকুৰা এন্ধাৰ।

শান্তায়ো চক খাই উঠিল। তেওঁৰ সমুখতে ৰিণি থিয় হৈ আছে। দক্ষিণা বাবুৰ মাজুজনী ছোৱালী ৰিণি। — এই ৰিণি? তই ইয়াত কি কৰিছ?

নবৌ, তুমি?

আমি গা ধুম বুলি আহিছোঁ। তই কি কৰিছিলি? তোৰ লগত আৰু কোন আছিল?

অনাথে অইনফালে গৈ থিয় হ'ল। তাৰ পিছত পানীলৈ নামি গ'ল। তেওঁ ভালকৈ দেখিছে— সন্তোষৰ বাহিৰে আন কোনো নহয়। এনেকুৱা বেঁকা-বেঁকা খোজ আৰু কাৰ হ'ব?

কোনো নাই। অনাথ দাদা কেনি গ'ল? তুমি কিবাহে দেখিলা।

নাই, কিবা দেখা নহয়। মনত ৰাখিবি— তই দক্ষিণা বাবুৰ ছোৱালী, যি মন যায় কৰিলে ঈশ্বৰীতলাত ৰক্ষা নাপাবি। কোনেও ক্ষমা নকৰে।

মই ইয়াত মাছ ধৰিবলৈ আহিছিলোঁ।

তোৰ বৰশী ক'ত, কুলক্ষণী?

আজিকালি হাতেৰেই মাছ ধৰোঁ, নবৌ। বাৰু, তুমি মোৰ কাৰণে ইমান চিন্তা কৰা কেলেই, কোৱাচোন।

অকল হাতেৰেই? তই পাৰিবি হয়। মুখখন যে তোৰ ইমান ধুনীয়া! মই পুৰুষ হোৱা হ'লে তোক জোৰ কৰি বিয়া কৰালোহেঁতেন। গা ধো, আমাৰ লগতে গাটো ধুই ল। আমাৰ ঘৰতে খাবি আজি।

জোৰ কৰি বিয়া কৰালে যদি ছুৰী হাতত লয় কোনোবাই?

তোৰ দৰে ছোৱালীৰ বাবে ছুৰী লোৱা, মৰামৰি কৰা একো আচৰিত নহয়। ঈশ্বৰীতলাত তোৰ যোগ্য পুৰুষ নাই যে—

তুমি তেনেকৈ মোৰ ফালে চাই নাথাকিবা, নবৌ। মোৰ বৰ লাজ লাগে।

তোৰ যি চেহেৰা, নোচোৱাকৈ নোৱাৰি, ৰিণি। এই ঠাইৰ পুৰুষবোৰনো কি? এটাৰো চকু নাইনে?

মোৰ দেউতাই যে অন্ধ, নবৌ। ইলেক্‌চন ইলেক্‌চন কৰি থাকে।

তোৰ লগৰ ল'ৰাটো কোন আছিল, ৰিণি?

আহাঁ নবৌ, পানীত নামো।

অগত্যা অনাথে আৰু দূৰলৈ গৈ সাঁতুৰিব লগা হ'ল। ডুবিৰ এই ফালটো বৰ দ। নৈৰ সুঁতিয়ে এৰা পানীখিনি য'ত বৈ যায়, সেই ঠাইটুকুৰাতে ডুবি হয়। নৈ নাথাকিলেও সি থাকিব।

এই নবৌ, মইতো গামোচা অনা নাই।

কি হ'ল পিছে? মোৰ গামোচাকে ল'বি। ল'ৰাটো কোন আছিল বাৰু?

সন্তোষ দাদা— আটায়ে সন্তোষ টাকি বুলি কয়।

সৰ্বনাশ! চাই ল, তোক মই কি কৰোঁ। পানীৰ পৰা উঠি আহ এবাৰ। শুনিছোঁ — সি হেনো ডকাইত।

এসময়ত ডকাইতি কৰিছিল। এতিয়া দেউতাৰ ভোটত লাগিছে। ইলেক্‌চন হৈ গ'লে মোক বিয়া কৰাম বুলি কৈছে।

বি সৰ্বনাশ! কিমানখিনি আগ বাঢ়িছ, জহনিত যাঁতী?

টুপ্ কৰে বুৰ এটা মাৰি ৰিণিয়ে মূৰৰ চুলিখিনি ঠিক কৰি ল'লে। — আমিনো আৰু কি আগ বাঢ়িম নবৌ। কিবা এটা কাম বিচাৰি ল'বলৈও দেউতাইতো আমাক নপঢ়ুৱালেই। মোৰ বাবে এয়ে ভাল। মোক এদিন নেদেখিলেই সন্তোষ দাদাই চকুপানী টোকে।

তলে তলে ইমান পালিগৈ?

গা ধুই উঠি অনাথ আগে আগে যাবলগীয়া হ'ল। ইয়াত এনেকুৱাই নিয়ম। মইকী মানুহে পাছে পাছে তিতা কাপোৰেৰে যায়। সেইটোৱেই ৰীতি।

শান্তাহঁতৰ ঘৰ পাই শান্তাৰে শাৰী এখন পিন্ধিলে ৰিণিয়ে। খোৱা-বোৱাৰ পিছত নানা কথা ওলাল। কলেজত পঢ়াহেঁতেন তাই এনেকুৱা কথা নক'লেহেঁতেন। শান্তাহঁতৰ বিছনাত লেপেটা কাঢ়ি বহি নিজৰ বুদ্ধি অনুযায়ী হাঁহি-তামাচাৰ কথা কৈ গ'ল। — কোন গৰুৰ কি বেমাৰ হ'ল, কেনেকৈ সেই বেমাৰ নাইকিয়া হ'ল, পঞ্চাননতলাৰ বাবা পঞ্চানন্দ কিমান জাগ্ৰত — এইবোৰ। আৰু 'সুন্দৰ' শব্দটোক তিনিবাৰমান 'সোন্দৰ' বুলি ক'লে— এই অঞ্চলৰ উচ্চাৰণ মতে।

শান্তা আৰু অনাথে ভালেই পাইছিল। টুকু আৰু লিলিয়ে এইটো কোঠাৰ পৰা অলপো লৰচৰ নকৰিলে। হাঁহিলে ৰিণিক বৰ ধুনীয়া দেখি।

আবেলিৰ চাহ খাইহে ৰিণি গ'লগৈ।

তোক বিচাৰ-খোচাৰ নকৰিবনে? ইমান দেৰিকৈ গৈছ।

আটায়ে ভাবিব— মই বাৰীত থকা পুখুৰীতে বৰশী লৈ বহি আছোঁ। আৰু, সঁচাকৈয়ে মই তাতেই থাকোঁ। মোৰ বিচাৰ-খোচাৰ কোনেও নকৰে।

কি বিচাৰ-খোচাৰ কৰিব? ভদ্ৰলোকৰ ছোৱালী হৈ ডকাইতৰ ডিঙিত মালা দিবি। সেইবোৰ এৰ, ৰিণি। তেনে কাম উচিত নহয়। মই অলপ-অচৰপ কলেজত পঢ়িছোঁ। মই জানো।

ৰিণিয়ে একো নকৈ কোম্পানী বান্ধেদি গুচি গ'ল। এবাৰ উভতিও নাচালে। ঘৰৰ বাৰান্দাত তেতিয়া শান্তাৰ কাষত টুকু আৰু লিলি ৰৈ আছিল।

লিলিয়ে ক'লে— ৰিণি পেহীক আৰু এদিন আহিবলৈ ক'বা, আই। বৰ ভালকৈ কথা কয়। হাঁহিলে তেওঁক মোৰ বৰ ভাল লাগে।

খোজ কাঢ়ি গৈ থকা ৰিণিক তেতিয়াও দেখা গৈছিল।

অনাথ পথাৰত। একো একোটা গোছ পৰীক্ষা কৰি চাইছে— মজা পোক যদি আছে, পোক মৰা দৰৱত সি মৰিছে নে নাই। মৰা নাই যদি, কিয় মৰা নাই? তেওঁৰ লগত এতিয়া মদন-বদন আছে।

আধামৰা কিছুমান পোক পোৱা গ'ল। কিছুমান মৰিছেও। দুই-এটা একেবাৰে জীয়া।

বেছিভাগ পোকে দৰৱৰ কোবত ধানৰ থোৰটোৱেদি তললৈ লাহে লাহে বগাই গৈ মাটিত আশ্ৰয় লৈছে।

এটা কথা কওঁ, বাবু— ডাঙৰ ককাইদেউৰ কিবা খবৰ পায়নে?

অনাথে মন দি পোক চাই আছিল — থোৰৰ ভিতৰখন ফালি ফালি। মূৰ তুলি মদনলৈ চালে।

ভদ্ৰেশ্বৰৰ কথা কৈছোঁ বাবু। নবৌৱে খোৱা-বোৱা কৰিবলৈকে এৰি দিছে।

জামিনত দিবই নোখোজে।

কোনখন জেলতনো আছে, জানেনে বাবু ? নবৌক এবাৰ দেখুৱাই আনিলোহেঁতেন। আপুনি 'পাছ' এখন লিখাই আনি দিব নোৱাৰিবনে?

পাৰি। কিন্তু তালৈকে খা-খবৰ কৰিবলৈ সময় ক'ত? মই যাম কেতিয়া?

আপুনি যাব লাগিব। ওষ্টক লৈ বংশীও আহিছিল। সিহঁতেও ডাঙৰ ককাইদেউক দেখা কৰিব খুজিছে।

বংশীহঁতৰ খবৰ কেনে, মদন?

ভালেই। ইয়ালৈকে উঠি আহিম বুলিছে। মাটি চাইছোঁ আমি—

ইয়ালৈ আহি কি কৰিব?

দোকান দিব। আলুৰ চপ, বেঙেনা ভজা— যি বিক্ৰী কৰে, তাকেই কৰিব।

অনাথে গম পালে— চৌবিশ ঘণ্টাৰ পিছত আকৌ পৃথিৱীৰ আৰু এটি আবেলি ঈশ্বৰীতলাৰ আকাশৰ পৰা এই পথাৰখনলৈ নামি আহিছে। শব্দ নাই। পোহৰো কম। এনেকৈয়ে নিতৌ আবেলি আবেলিবোৰ আহে। চৰাইবোৰে শেষবাৰলৈ পোক, শুকান খেৰ, ঘাঁহ ঠোঁটেৰে খুটি খাইছে।

ছাদনাতলাত ওষ্টৰ মুখখনলৈ অনাথৰ মনত পৰিল। সেইবাতি ছোৱালীজনীয়ে কি কৰিব ভাবি পোৱা নাছিল। ওৰণি খহি পৰিছে। ভগা বিয়াৰ হৰ্তাকৰ্তা। তাইৰ নিজৰ দৰা বংশী কাপালি তেতিয়া বিপৰীত ফালে থকা আসনত বহি আছিল।

অনাথ থিয় হ'ল। তেওঁ বুজিলে— কেইবাদিনো ধৰি ঔষধ দিও মজা পোক নাইকিয়া কৰিব পৰা নাই। অলপহে মৰিছে। বেছিভাগ আশে-পাশে আছেই।

তেওঁৰ কপাল কোঁচ খালে।

তেৰ

পুখুৰী খান্দি তোলা মাটিৰে কোম্পানীয়ে বান্ধটো বান্ধিছিল। পুখুৰীৰ পানীৰেই এই খেতি হৈছে। এই পুখুৰীৰ লগত এটা সময়ত বিদ্যাধৰীৰ যোগ আছিল। তেতিয়া পুখুৰীৰ ওপৰেদি লাঞ্চ গৈছিল। সেই লাঞ্চত উঠা ভালেমান মানুহে এতিয়াও ঈশ্বৰীতলাত ফুৰা-চকা কৰে। বহুত বছৰ ধৰি নৈ আছে। বহুত বছৰ ধৰি বৈ গৈছে। যেতিয়া নৈ মৰাসুঁতি

হ'ব, তেতিয়া কোনেও বাধা দিব নোৱাৰে। পাছত পৰি ৰয় ডুবি আৰু অলপ সোঁৱৰণি। সেইবোৰ কথাও এদিন লুপ্ত হয়। তাৰ পিছত নৈৰ কাহিনী থাকে পুখুৰীত– হয়তো কোনো ডাঙৰ শুকান গাঁতত। বাৰিষাৰ ৰাতি তাত টোপালবোৰ টপ্‌টপ্‌কৈ পৰে। জোনাকত পলস পৰা ঠাইবোৰ বুৰ যায়। সন্ধ্যালৈকে গৰু চৰে। ভাল খেতিয়কে তাত ভূঁই-কোমোৰাৰ খেতি কৰে।

অনাথে এদিন মদন-বদনৰ সৈতে দ্বাৰিকপোতালৈ গৈছিল। পথাৰৰ মাজৰ এটুকুৰা ঠাইত কলিকতাৰ ড্ৰেইনৰ চাইজৰ এটা খাল পানীৰে পূৰ হৈ আছিল। জাঁপ মাৰি পাৰ হোৱাৰ সময়ত মদন-বদনে কপালত হাত দিলে।

সিহঁতকে দেখি অনাথেও কপালত হাত দিলে। – কি হ'ল মদন?

আমি বিদ্যাধৰী পাৰ হৈছোঁ বাবু।

এয়েনে বিদ্যাধৰী?

এতিয়া এইকণহে আছেগৈ। আমাৰ ককাহঁতে ইয়াৰ পৰাই নাও লৈ বিদ্যাধৰী পাৰ হৈছিল। পাৰ হওঁতে পইচা দলিয়াই দিছিল – নাও যাতে নুবুৰে তাৰ বাবে মাননি।

সেই বিদ্যাধৰী এয়াইনে?

হয়, এয়াই।

এটা খাল মাত্ৰ।

ককাহঁতৰ দিনত অকল সেয়েই জানো? তেতিয়া ডাঙৰ ডাঙৰ নাৱত অহা-যোৱা কৰিছিল – পাল তুলি।

অনাথে খালটোৰ সিপাৰে থিয় দি শিয়ঁৰি উঠিছিল। নৈ থকা হ'লে তেওঁ এতিয়া ভৰা সুঁতিতে ভৰি দিলেহেঁতেন। এটা বিশাল পানীৰ সোঁতে তাৰ প্ৰবল শক্তি লৈ সকলো ৰাজপাট ইয়াৰ পৰা তুলি নিছে।

ধানত ফুল ধৰিছে। এতিয়াও বুজিব পৰা হোৱা নাই– মজা পোকৰ উৎপাতত কোনডাল শিহত গুটি ধৰিব. কোনডাল শুকাই যাব। আৰু এমাহমান গ'লেহে গোটেই ধানৰ চেহেৰা ফুটি ওলাব।

সন্ধ্যা সময়ত অফিচৰ পৰা ঘূৰি আহি অনাথে দেখিলে– ঈশ্বৰীতলাৰ যুটীয়াভাৱে খেতি কৰা খেতিয়ক আটাইবোৰেই তেওঁৰ কাৰণে কোম্পানী বান্ধত অপেক্ষা কৰিছে।

অনাথ অহাৰ লগে লগেই তেওঁবিলাকে ক'লে– পাম্প মাৰিলে এতিয়া পাতলীয়া বোকা- মিহলি পানীহে উঠে।

অনাথে পৰা হ'লে বান্ধটোৰ ওপৰতে বহি থাকিলহেঁতেন। এতিয়া এইকেইমাহ পানীৰ বৰ দৰকাৰ।

ইয়াৰ পাছৰ দুটা দিন অনাথে বেংক আৰু কলিকতালৈ তাঁত বাতি কাৰিলে। চাৰি দিনৰ দিনা ইলাহী কাণ্ড। চাৰি ইঞ্চি ডায়েমিটাৰৰ পাইপ আহিল দহটা। তাৰ লগত ফিল্টাৰ। ড্ৰিল কৰি পাইপ বহুৱালে। বালিৰ গুড়ি টেষ্ট কৰি পাইপৰ তলত থকা ফিল্টাৰটোৰ

চৌপাশে সৰু সৰু ষ্টোনচিপ দুশ ফুট তললৈ নমাই দিয়া হ'ল।

যেনেকৈয়ে নহওক, ইমান ডাঙৰ খেতি ৰক্ষা কৰিবই লাগিব। চাৰিটা ফিল্টাৰ বহুওৱা টিউবৱেলৰ পৰা ইলেকট্ৰিক পাম্পটোৱে যিখিনি পানী তুলিলে, সেইখিনি দেখি আটাইৰে চকু থৰ হৈ গ'ল। প্ৰায় তিনিশ বিঘা মাটিৰ ধানত ফুল ধৰিছে। এতিয়া বহুত পানী লাগে। টিউবৱেলৰ পৰা কম পানী ওলাইছে। আৰু এইবোৰ পানী খেতিতো দিব নোৱাৰি। যি ঘাঁহৰ ওপৰতে পৰিছে, সেই ঘাঁহেই শুকাই গৈছে। খেতিয়কসকলে ফুটাই ক'লে— বাবু, পানীবোৰত কিবা বেয়া বস্তু আছে।

অনাথ এইকেইদিন অফিচলৈ যোৱা নাই। বেংকৰ পৰা নকৈ ধাৰ লৈ এই টিউবৱেল অনা হৈছে। তাৰো এই অৱস্থা। অনাথ বাৰান্দাতে বহিল।

সময় ডেৰ বাজিছে। শান্তাই ক'লে— গা ধুই আহা। কিবা এটা নোখোৱানে?

খোৱাৰ ইচ্ছাই নাই। তুমি খাই লোৱা।

শান্তা ৰৈ থাকিল। পিছত ক'লে— এইবাৰ ইমানবোৰ টকাৰ জামিনদাৰ হৈ ঘৰটো বন্ধকত দিলা। আকৌ টিউবৱেল বহুওৱা টকাৰ দেনাও তোমাৰ মূৰতে পৰিল।

ধান চপাব পাৰিলে সকলো পৰিশোধ কৰিব পাৰিম।

ধান জানো পাবা? চোৱাঁ, ইয়াৰ পৰাই দেখা গৈছে— খেজুৰ গছৰ তলৰ পথাৰৰ ধান কেনেকৈ হালধীয়া হৈ পৰিছে।

অনাথে একো নামাতিলে। অলপ পিছত ক'লে— পানী আমাক লাগিবই। নাপালে নহ'ব। নাপাব লাগিলে মৰি যামহঁক। এনেকুৱা সময়ত দক্ষিণফালৰ পানী উলিওৱা পাম্পটোৱে কিয় যে আটাইবোৰ পানী শুহি নিলে! মইনো এতিয়া কৰিম কি বুজিবই পৰা নাই, শান্তা। আটাইতকৈ আগতে লাগে পানী।

এটা কাম কৰা নহ'লে। ইটাখোলাৰ ডাঙৰ ডাঙৰ ডোবাবোৰত বহুত পানী আছে। খাল খান্দি পাম্পৰ গুৰিলৈ লৈ আহাঁ।

অনাথ ঘপহকৈ থিয় হ'ল। বাৰান্দাৰ পৰাই ইটাখোলাৰ ডাঙৰ ডাঙৰ গাঁতবোৰ দেখি।

বেয়া কোৱা নাই তুমি। কিন্তু সিহঁতে পানী দিব জানো?

সিহঁতৰ পানীখিনিনো কি কামত লাগিব আৰু? জবেদ আলীক গৈ কোৱাচোন।

পিছদিনা আবেলিৰ ভিতৰতে পানী আহি মাটি পালেহি। পানী আনোতে এটা সৰুসুৰা উৎসৱেই হ'ল। পঞ্চাশ-ষাঠিজন খেতিয়কৰ পিঠি ঘামত তিতি গৈছে। কোৰ মাৰিলত নলাটো হৈ গ'ল। শুকাল হালধীয়া পৰা ধানৰ গোছত দুদিনতে ৰস-পম আহিল।

তথাপি, অনাথৰ ভয় নাঁতৰে। এই পানী আৰু কেইদিন? এতিয়াও অন্ততঃ এমাহমান পানী লাগে। সিমানদিন পানী থাকিবনে? তাতে আকৌ আছে অদৃশ্য মজা পোকৰ জাক।

কেইমাহমান হ'ল— টুকু আৰু লিলিয়ে কাষৰ কোঠাটোতে সুকীয়া আঁঠুৱা তৰি

শোৱে। আগৰ দৰে, সিহঁতক লৈ একেলগে শুব নোৱাৰি। সিহঁত হেনো ডাঙৰ হৈছে।

ৰাতি এদিন অনাথে উঠি গৈ দেখে— টুকুৰে ভৰিৰ পৰা মূৰলৈকে কেথা লৈ শুই আছে। লিলিৰ বাঁও হাতখন খাটিয়াৰ বাহিৰত ওলাই আছে। অনাথে হাতত সাৰে ভৰিত সাৰে গৈ হাতখন তুলি থৈ আহিল।

আঁঠুৱাৰ ভিতৰতে শান্তাই ক'লে-- এনেকুৱা খেতিত ননমা হ'লে তোমাৰ নহ'লহেঁতেননে?

অনাথে এন্ধাৰতে মাত লগালে— খেতিৰ আগতে-ইমানবোৰ কথা জানিছিলোঁ জানো? মাটিৰ স্বভাৱ, গছৰ ধৰ্ম, খেতিয়কৰ ৰুচি, ধানৰ দৰ, নানা তৰহৰ পোকৰ মৃত্যু-যন্ত্ৰণা?

এইবোৰ জানিবলৈ যাওঁতে কম মূল্য দিবলগীয়া হোৱা নাই তুমি।

কোনো বস্তুকে বিনা-পইচাত পোৱা নাযায়, শান্তা। পাতালৰ পৰা শিপাই ৰস টানি আনে। সেই শিপাৰ ভিতৰৰ খবৰ আমি কিমান ৰাখোঁ? এতিয়া বুজিছোঁ— মইতো ইমান দিনে একোকে নাজানিছিলোঁ। মোৰ চৌপাশে এখন ৰসাল জগত। এইমাত্ৰ সি দুৱাৰ খুলি দিছে।

সেই বাজিকৰে তোমাৰ মূৰটো খালে।

অনাথবন্ধু বসুৱে বহুত দিনৰ মূৰত শ্ৰীমতী শান্তা বসুৰ ওঁঠত, যিকোনো মুগ্ধ পুৰুষৰ দৰেই বৰ জোৰেৰে চুমা এটা খালে। — তুমিও মোৰ মূৰটো খাইছা, শান্তা।

ময়েইতো তোমাক পানী অনাৰ বুধিটো দিলোঁ। ইমান জোৰে চুমা নাখাবা। দুখ পাওঁ।

দুখ পাবাই। আকৌ খাম। কিমান দিন তোমাক পোৱা নাই—

ইচ্ছা কৰাহেঁতেন নিশ্চয় পালাহেঁতেন। সকলো সময়তে ধান, পোক, খেতিয়কসকলক লৈ থাকিবা—

আজি তোমাক লৈয়ে থাকিম।

মই জানো নাইকিয়া হৈ গৈছোঁ?

আজি সকলো নাইকিয়া হৈ গৈছে যেন লাগিছে। আৰু যেন নাপাম।

ঔ আই, সেইটো কি কথা!

অফিচৰ পৰা ঘূৰি আহি সময় থাকিলে অনাথে দৈনিক পথাৰত একোবাৰকৈ পাক একোটা মাৰে। সেইদিনাও গ'ল। ফকীৰচাঁদে খেতি কৰি কৰি প্ৰায় বুঢ়াই হৈছে। কেইবা পুৰুষৰে মাটি-বাৰী। তেওঁক পথাৰতে পালে অনাথে। অকলে বহি বহি ফকীৰচাঁদে ধানৰ শিহ লেখি আছিল। অনাথক দেখি থিয় হ'ল। — ন-দহ মোনতকৈ বেছি ধান নহয় বাবু।

তেতিয়াহ'লে খৰচটোৱেই নুঠে ফকীৰচাঁদ।

নুঠে সঁচা। তাতে আকৌ টিউবৱেলো বহুৱালে। তাৰ খৰচ কোনে দিব?

এই ধানৰ পৰাই খৰচ উলিওৱাৰ কথা।

এই বছৰত আৰু নোলায় বাবু।

অনাথৰ মনত পৰিল— শেহৰবাৰ বেংকে টকা দিবৰ সময়ত চৰ্ট-টাৰ্ম ল'ন দিছে। ধান চপালেই লগে লগে পৰিশোধ কৰিব লাগিব।

শুকান খেৰ বেচিও অলপ পাম।

পাব, কিন্তু ঘূৰি বাৰিষাতহে। তেতিয়া শুকান খেৰৰ দাম উঠে।

তেতিয়ালৈকে ইমানবোৰ খেৰ থ'ম ক'ত?

তেতিয়াহ'লে সস্তাতে বেচি দিব লাগিব। নহ'লে, পেলাই থ'লে আগ বাৰিষাতে পচি যাব।

অনাথে মনে মনে অংক কৰি বিষণ্ণ হৈ পৰিল। — মাটিৰ মালিকৰ ধান। মাৰ্জিন মনিৰ বাবদ লোৱা ধান। খেতিয়কৰ ধান। তাৰ পিছত বেংকৰ ধান। ইমান ধানতো পথাৰত নাই। হ'লহেঁতেন, যদি মজা পোকবোৰ অহাৰ আগতে সাৱধান হ'ব পৰা গ'লহেঁতেন।

ঈশ্বৰীতলাৰ সকলো মানুহেই জানে— কোম্পানী বান্ধটোৰ কাষত এটা বিয়াগোম কাণ্ড হৈছে। ট্ৰেনৰ ডবাটোৱে প্ৰতি অনাথৰ নাম। ইমান দিনে আটায়ে জানিছিল— তেওঁ ইয়াতে ঘৰ-দুৱাৰ কৰি ঈশ্বৰীতলাৰ বাসিন্দা হৈ পৰিছে। এতিয়া জানিছে-- অনাথবন্ধু এজন খেতিয়কো। বেংকৰ কৰ্মচাৰীসকলে ভাল খেতিয়ক বুলি প্ৰায়েই কয়— অহাবাৰ ট্ৰেক্টৰ কিনাৰ পইচা লওক। দীঘলীয়া কিস্তিত ঘূৰাই দিব।

অনাথে কিবা এটা সৃষ্টি কৰি চাব খুজিছিল। সৃষ্টিৰ মাজত পৃথিৱীৰ অভ্যন্তৰত কি ঘটে তাক বুজিবলৈ যত্ন কৰিছিল। তালৈ গৈ তেওঁ হয়তো মনে মনে ভাবিব— মই ডাৱৰ হৈ আকাশত ওপঙি ফুৰিব নোৱাৰোঁ, কিন্তু বোকা খচি ধান ৰুই তাৰ বৰণ ঘন সেউজীয়া কৰি তুলিব পাৰোঁ। তিনিডাল কঠীয়া গৈ শেষত আশীডাল পূৰঠ ধান হ'বগৈ মোৰেই তদাৰকীত। এনেকৈয়ে ভাবিছিলোঁ।

কিন্তু কি হৈ গ'ল! এতিয়া তেওঁৰ চকুৰ আগত পোকে খোৱা ধানৰ পথাৰ। ইমানবোৰ মানুহে আশা কৰিছিল— এইবাৰ ঈশ্বৰীতলাত এটা ভাল কাম হ'বলৈ ধৰিছে। ধান যদি হয়, তেন্তে তেনে ধৰণৰ খেতি গোটেই ঈশ্বৰীতলাৰ পথাৰে পথাৰে হ'ব। এই ধৰণৰ কথা ঈশ্বৰীতলাৰ গছতলত, পঞ্চাননতলাত, ষ্টেচন-বজাৰত— সকলোতে শুনা গৈছে, অথচ আচল বস্তুৱেই উছন হওঁ হওঁ।

সন্ধিয়া ছাদৰ ওপৰত থকা কোঠাটোলৈ উঠি দেখিলে— মাটি দেখোন বহুত তলত। ঘৰটোৰ চাৰিওফালে ধানৰ পথাৰ। দূৰত দ্বাৰিকপোতা, খাড়ুপাতাল, চন্দনেশ্বৰ— এই মৌজাবোৰে ইটোৰ পিছত সিটোকৈ সন্ধ্যাৰ এন্ধাৰত গা ঢাকিবলৈ চেষ্টা কৰিছে।

সৰ্বমুঠ দেনা পঞ্চাশ হেজাৰতকৈও বেছি হ'বগৈ। অনাথে বুজিব পাৰিলেও সাহ কৰিব পৰা নাই। তেওঁ এতিয়া যদি তললৈ জঁপিয়াই পৰি আপোনঘাতী হয়, তেনেহ'লে তেওঁক কোনো দেনাই চুব নোৱাৰিব। আচলতে তেওঁৰ এতিয়া ওলাই অহাৰ কোনো

উপায় নাই। লোকচান হৈছে বুলি জানিও সকলো কাম পূৰাকৈ তেওঁ কৰিব লাগিব। যিখিনি পোৱা যাব, সেইখিনি নচপালে লোকচানৰ মাত্ৰা আৰু বাঢ়িব। হাৰিম বুলি আগতে জানিও দৌৰ নিদিয়াকৈ থকাৰ উপায় নাই।

কিমান বছৰ ধৰি এই ধাৰৰ বোজা ব'ব লাগিব!

এতিয়া এই পথাৰজুৰি থকা ধানৰ গোছ আচলতে শুকান খেৰহে। ভৱিষ্যতৰ শুকান খেৰ!

আন এটা দিশৰ পৰা অনাথে নিজক সান্ত্বনা দিলে।

হাৰিলোঁৱেই যেনিবা, কিনো হ'ব? মই কিমান বস্তু দেখিলোঁ। চাই চাই গৈ আছোঁ। এতিয়া মই ভূগোলৰ পুথিৰ ঋতুৰ প্ৰতিটো প্ৰহৰকে চিনি পাওঁ।

আচলতে শেষলৈকে কি থাকে? থাকে— এই মানুহটো। এই মই। মোৰ চোৱা। মোৰ চেষ্টা। মোৰ কষ্ট। মোৰ সুখ।

সেইটো সঁচা জানো? নিজৰ প্ৰেমত পৰাটো কিন্তু আটাইতকৈ বেয়া কথা অনাথ। বৰ ঘৃণনীয়।

জগেন যাত্ৰাই এতিয়া জগেন বলিয়া হৈ এমুঠি মুড়ি খাই ধুনীয়াকৈ কৈৱল্যদায়িনী বুলি গীত গাই ফুৰে। যিমানেই দিন গৈছে তাৰ যি য'ত আছিল সকলো নষ্ট হৈছে। পোনতে জোতাৰ দোকান গ'ল, তাৰ পিছত যাত্ৰা। এতিয়া এটা এটাকৈ গাৰ চোলা-কাপোৰ কমি গৈছে। বাঢ়িছে কেৱল চুলি, দাড়ি, নখ। আৰু বুঢ়া মতা ছাগলীৰ গোন্ধটোৰ দৰে গাৰ গোন্ধটো। ইফালে বস্তু-বাহানি কমি যোৱাৰ লগে লগে জগেনৰ গলা দিনে দিনে ভাল হৈ আহিছে। সিযে কেতিয়াবা এনেকৈ গীত গাব, কোনে ভাবিছিল!

বস্তুৰ মোহ এৰিব পাৰিলে শৰীৰ পাতল লাগে, মনটো উৰণীয়া হয়। ৰাতিপুৱা বিদ্যাধৰীৰ ডুবিটোৰ পানীতে বেলিটো প্ৰথমে জঁপিয়াই পৰে। তাৰ ঠিক আগে আগে এন্ধাৰ পাতলীয়া হৈ অহাৰ সময়ত পৃথিৱীখন বৰ পৰিষ্কাৰ হৈ থাকে। তুচ্ছ ঘৰ-দুৱাৰ নেদেখি। গোটেইখন কুঁৱলী আৰু এন্ধাৰ মিহলি চিৰকালৰ জগত বুলি ভাব হয়। চোকা পোহৰত সকলো বাহুল্য ওলাই পৰে। পৃথিৱীৰ সোৱাদ ক'ত তাক চিনি পোৱাত আজিকালি আৰু অনাথৰ অসুবিধা নহয়। শুদা ভৰিৰে পুৱাৰ পথাৰত খোজ দিওঁতে ভৰি তিতি যায়। সন্ধ্যাৰ পিছত গাঁৱৰ কিমান মানুহৰ ঘৰলৈ গৈছে অনাথ। গোহালি ঘৰ, ধানৰ ভঁৰাল, চোতাল— সকলোতে সমানে জোনাক পৰি থাকে। সত্যনাৰায়ণৰ ভোগ দিয়াৰ দিনা আটায়ে কলপাত লৈ বহে। ঘৰৰ বৰ ঘৈণীয়ে পকা কল মোহাৰি গুড় মিহলাই কৰা আটাৰ ঘোল কেতিয়া দিবহি বুলি ৰৈ থাকে। তাতে ঘৰৰ গৰুজনীৰ গাখীৰো দিয়ে ভালেখিনি। এনেকুৱা কত ঠাই জুৰি আছে জগতখন। আজিকালি চিনাত অকণো অসুবিধা নহয় অনাথৰ। ইয়াৰ মাজত অনৰ্থক ধানৰ গোছ ৰোৱা কাম। এইবোৰক পকিবলৈ সময় দিব লাগিব। তাৰ পিছত ধান দোৱা, মৰণা মৰা, কঢ়িওৱা কাম আছেই। পতান গুচাই ধান উলিয়াব লাগিব। সিমান দিনলৈকে কামৰ বোজা বৈ যোৱা। অকণো নিস্তাৰ নাই।

ওপৰৰ পৰাই অনাথে বিকল হৈ পৰা টিউবৱেলটো দেখিবলৈ পালে। তাৰ দৰেই এই পথাৰখনকো তেওঁৰ এতিয়া বিকল যেন লাগিছে। কিন্তু এই মুহূৰ্তত ওলাই অহাৰো কোনো সুৰুঙা নাই।

ৰাচবাড়িৰ আদালত-হাটৰ কাষতে এই অঞ্চলৰ ডাঙৰ ছপাখানাটো। তাৰ পৰা এদ'ম পোষ্টাৰ আহি পাইছেহি ঘটকপুখুৰীৰ বাছত। ড্ৰাইভাৰৰ চিটৰ কাষৰ পৰা পোষ্টাৰৰ বোজা নমাইছিল সন্তোষ টাকিয়ে। পাছৰ দুৱাৰৰ হাত মাৰিডালত ধৰি বোৱাৰীৰ চেহেৰাৰ ছোৱালী এজনী নামোতেই পোষ্টাৰৰ বোজা ৰাস্তাত পেলাই থৈ আগবাঢ়ি আহিল সন্তোষ টাকি।

ওষ্ট নেকি? কেতিয়া আহিলি?

দেখিছাই নহয়, বাছৰ পৰা নামিছোঁ।

তোৰ গিৰিয়েৰ ক'ত?

তাই বাছৰ ছাদলৈ আঙুলিয়ালে। বংশীয়ে মেৰিয়াই অনা বিছনাৰ টোপোলাটো তলৰ খালী ঠাই চাই পেলাই দিলে। তাৰ পাছত কাঁহী-বাটি থকা এটা কাঠৰ বাকচ নমালে।

তহঁত গুচি আহিলি নেকি?

ইয়াত কেইদিনমান থাকিম—

এটা ভাল খবৰ আছে— ভদ্ৰেশ্বৰে বোলে জামিন পাব।

হয় নেকি? বৰ ককাইদেউ আহিব?

তেনেকৈ শুনিছোঁ। ক'টত একো প্ৰমাণ হোৱা নাই এতিয়াও। আমাৰ পকা হাতৰ কাম, বুজিলিতো—

পোষ্টাৰবোৰৰ ওপৰেদি ৰিক্সাৰ চকা যোৱা দেখি সন্তোষে ইস্-আস্ কৰি দৌৰি গ'ল।

সেইদিনাই ৰাতি ষ্টেচন, বজাৰ, অইলমিল, বেংক, বট গছৰ তল, জগেনৰ বন্ধ জোতাৰ দোকানৰ বেৰ— সৰ্বত্ৰ পোষ্টাৰ আঁৰি দিয়া হ'ল। জনতাৰ প্ৰাৰ্থী— দক্ষিণা চক্ৰবৰ্তী। পোষ্টাৰ দেখি মানুহে সেইবুলিয়েই কয়। আচলতে তাত লিখা আছে— চক্ৰবৰ্তী, তথাপি মানুহে কয়— চক্কোত্তি। ভোট পিছুৱাই যোৱাত ইলেক্‌চন মিটিংবোৰো একপ্ৰকাৰ সেমেকিছে।

অনাথৰ আগেদিয়েই ওষ্ট আৰু বংশীয়ে ৰিক্সাত উঠি গাঁৱলৈ গুচি গ'ল। ৰিক্সা দুখন। পাছৰখনত কাঁহী-বাটিৰ বাকচ, হেৰিকেন, লৈ ফুৰিব পৰা চুলা— আৰু বহুত লাংখা-লিংখি।

অনাথে বজাৰৰ কমাৰশাললৈ আহিছিল। আজি তিনি দিন ষোলখন কাঁচিত ধাৰ দিবলগীয়া হৈছে। এতিয়া লোহাখিনি টান কৰা হৈছে। হ'লেই ডেলিভাৰী দিব। সোমবাৰৰ

পৰা ধান দোৱা আৰম্ভ। মাজত আৰু দুটা দিন। ধান পকি গছ হালি পৰিছে। আৰু দেৰি কৰিলে সৰি যাব। আকাশৰ চেহেৰাও তাম বৰণীয়া হৈছে। অলপো বিশ্বাস নাই।

মিস্ত্ৰিহঁতৰ মিঠাইৰ দোকানলৈ নিতৌ পাঁচ কেজি গাখীৰ নিজহাতে জুখি শান্তাই পঠিয়াই আছে। আজি ছয়ত্ৰিশ দিন হ'লহি এটা পইচাও দিয়া নাই। হিচাপৰ খাতা দেখুৱাই পইচা আদায় কৰি শান্তা উভতি আহিছিল। বৰ মিস্ত্ৰিটোৰ বৰ বৰ কথা – আই, গাখীৰৰ দাম অলপ কমাই লওক। ডাঙৰ গৰুৰ গাখীৰত ছানা কম থাকে। আমাৰতো ছানা লৈয়ে কাৰবাৰ। আপুনি দামটো অলপ কম কৰক।

শান্তাই মনা নাই। এটা কথাকে বাৰে বাৰে কৈছে-- এই গৰুৰ গাখীৰেৰেই আমাৰ সংসাৰখন চলিছে। হাট-বজাৰ কৰা হৈছে।

কিয়? বাবুৱেতো চাকৰি কৰে।

মূৰৰ ওৰণিখন আৰু অলপ তুলি লৈ শান্তাই কয়-- খেতিৰ খৰচৰ বাবে বহুত টকা আগধন হিচাপে ল'বলগীয়া হৈছে। মাহেকীয়া দৰ্মহাত কাটে।

এতিয়া ধান দোৱা আৰম্ভ হৈছে। ধান চপালেই সকলো ধাৰ শুজিব পাৰিব। আমি খবৰ ৰাখোঁ, আই।

ইয়াৰ ভিতৰতে ধানত যে পোকে ধৰিছে, ভালেমান গোছ যে শুকাই গৈছে, তাৰ খবৰ ঈশ্বৰীতলাৰ মানুহে অলপো নাজানে। ধান দোৱা কাম চলি আছে। খেতিয়কসকলে গম পাইছে। নিতৌ ৰাতি অনাথে কেৱল পায়চাৰি কৰে। শান্তাই ফুটাই ক'লে-- সেয়া আপোনালোকৰ আশীৰ্বাদ। যাওঁ, বৰষুণ দিব পাৰে।

ৰিক্সা মাতি দিমনে আই? আকাশৰ গতি-গোত্ৰ ভাল নহয়।

দৰকাৰ নাই। খোজ কাঢ়িয়েই যামগৈ।

খোজ কাঢ়ি আহি আহি শান্তা অক্কুৰৰ দোকানৰ আগতে ৰ'লহি। আজি কেইমাহমান তেওঁ নিজেই হাট-বজাৰ কৰিছে। অনাথতো খেতি লৈয়ে ব্যস্ত। ৰ'দত এইকেইমাহ পথাৰৰ আলিয়ে আলিয়ে ঘূৰি চেহেৰাটো ক'লা পৰিছে। মাজে মাজে মূৰ ঘূৰায়।

শান্তাক দেখি অক্কুৰে ক'লে-- এক নম্বৰ খলিহৈ আছে, আই। ভাল গুড়ো আহিছে। ল'ব নেকি?

আজি নালাগে। সৈন্ধৱ লোণ আছে যদি এক কেজি দিয়ক। আপোনাৰ গৰুজনীৰ স্বভাৱতো জানেই। কেইমাহমানৰ অন্তৰে অন্তৰে লোণ নিদিলে তাইৰ মুখত অৰুচি হয়।

আপোনালোকৰ ঘৰলৈ নিয়াৰ পিছত গৰুজনী সুখী হৈছে।

ঠোঙাটো হাতত লৈ আৰু কোনো কথাই নক'লে শান্তাই। উমা এতিয়া তেওঁবিলাকৰ সম্পত্তি। তেওঁবিলাকেই চাব লাগিব-- সুখীয়েই হওক বা দুখীয়েই হওক। বলায়ে মাহেকৰ বাবে ভুচি, গুড়, খলিহৈ একেবাৰে ৰিক্সাত বোজাই দি লৈ আহে। উমা নথকা হ'লে এই কেইমাহ সংসাৰখন যে কেনেকৈ চলিলহেঁতেন তাক শান্তাই ভাবিকে নাপায়। গাখীৰৰ

পইচাৰে নগদ দি কিনিবলগীয়াখিনি কিনা হয়। উমাৰ গাখীৰেৰে ঘৰতে দৈ, সন্দেশ মাজে মাজে কৰা হয়। নেবেচিলে টুকু আৰু লিলিৰ বাবে পায়সো ৰান্ধে।

লেৱেল ক্ৰচিং পাৰ হওঁতেই গেট বন্ধ হৈ গ'ল। আবেলি চাৰি বাজি কুৰি মিনিটৰ কলিকতাৰ গাড়ীখন আহিছে। আলুৰ চপ তৈয়াৰ কৰা চুলাৰ কাষৰ পৰা ল'ৰা এটা আহি প্ৰণাম কৰিলেহি — এই ঠোঙাটো লৈ য'ক ন-বৌ। আপুনি বজাৰলৈ অহা যেন পাইছোঁ।

শান্তা ৰৈ গ'ল। বেচ্ ধুনীয়া চেহেৰা। ঠোঙাটো পূৰ হৈ আছে অলুৰ চপ আৰু বেঙেনা ভজাৰে। গোটাচেৰেক শিঙি মাছৰ চপো আছে। গৰম।

লৈ য'ক। ছোৱালীকিজনীয়ে খাব। মই নিজহাতে ভাজিছোঁ।

তুমি কোন?

ল'ৰাটো মনে মনে থাকিল। — আপুনি মোক চিনি নাপায় নেকি?

নাপাওঁ বুলি ক'বলৈ শান্তাই বেয়া পালে। কিন্তু, তাক সঁচাকৈয়ে তেওঁ চিনিবও পৰা নাই। হঠাৎ হাতখনলৈ চকু যোৱাত চিনিব পাৰিলে। সেই হাতঘড়ীটো শান্তাই চিনি পায়। বেণ্ডো সলনি কৰা নাই। — তুমি বংশী, নহয় জানো? — এইদৰে কৈ শান্তাই মন কৰিলে— এই কেইদিনতে বেচ শকত-আৱত চেহেৰা হৈছে।

আপুনি ঠিকেই ধৰিছে।

ইয়ালৈ কেতিয়া আহিলা?

বেছিদিন হোৱা নাই। দোকান দিছোঁ। মোৰ হাতৰ বস্তু আপোনালোকক খুৱাই পোৱাই নাই। ওষ্টৰ মুখত আপোনালোকৰ বহুত কথা শুনিছোঁ—

ঘটকপুখুৰীৰ দোকান কি হ'ল?

সেইখন ইয়ালৈ উঠাই আনিলোঁ।

আৰু নোযোৱা নেকি? ওষ্ট ক'ত আছে?

ওষ্টক লৈ আহিছোঁ। ককাইদেউৰ অত্যাচাৰত তাত আৰু থকাৰ উপায় নাছিল, আই। শিঙি মাছৰ চপ আপুনি খাই চাব। দাদাকো দিব।

খালখুল পাৰ হোৱাৰ সময়ত শান্তাই মন কৰিলে— কোম্পানী বান্ধলৈ উঠা ঠাইতে যিজোপা তাল গছ আছে, তাৰ গাত লগাই থোৱা দক্ষিণা চক্ৰবৰ্তীৰ পোষ্টাৰবোৰৰ আধাখিনি বতাহৰ কোবত এৰাই গৈছে। চেঁচা বতাহ আহি গাত লাগিছেহি।

ঘৰলৈ আহি বাৰান্দাত ভৰি দিয়েই শান্তাই দেখিলে— খেতিয়কসকলে বাহিৰৰ লাইট জ্বলাই লৈ ধানৰ ডাঙৰি আনি দ'ম কৰিছেহি। পথাৰৰ পৰা আটাইবোৰ আনিব পৰা নহ'ব। এতিয়াও শুকোৱা নাই। পথাৰৰ বাৰ অনা ধান দাবলৈ বাকী আছে।

মাজৰাতি বৰষুণৰ খবৰটো জনা গ'ল। ঘৰৰ ভিতৰত মেকুৰীৰ কাজিয়াৰ নিচিনা শব্দ শুনি শান্তা উঠিল। লাইট জ্বলাই দেখে— খোলা খিৰিকিয়েদি কোঠাৰ ভিতৰলৈ ডাঠ

কাগজ এখন উৰি আহি মজিয়াত খৰখৰাই আছে। পোক মৰা দৰৱৰ বাকচৰোৰ পথাৰতে বহি খুলি দৰৱ ছটিয়াই দিয়ে। তাৰেই এখন ডাঠ কাগজ বতাহে উৰাই আনি কোঠাত পেলাই দিছেহি। তাৰ বাবেই মাজৰাতি এই খৰখৰণি হৈছে।

অনাথ টোপনিত লালকাল। শান্তাই দুৱাৰ খুলি বাহিৰলৈ আহিয়েই বুজিলে— কি কোবাল গতিৰে বতাহ বৈছে। তাৰ লগত প্ৰায় মাৰ্বল চাইজৰ বৰষুণৰ টোপাল। শান্তাই সাৱধানে দুৱাৰ জপাই থৈ বিছনাত পৰিলহি। এতিয়া অনাথে জানিলে বাহিৰলৈ ওলাই যাব। গৈ একো লাভ নাই। তথাপি নগৈ নোৱাৰে। বিজুলী চমকত দেখিবলৈ পাব— বতাহে দোৱা ধানৰ গছিবোৰ গোটেই পথাৰখনতে উৰাই লৈ ফুৰিছে। দিনৰ দিনটো গোটাই থোৱা ডাঙৰিবোৰত বৰষুণৰ টোপালবোৰ জোৰেৰে পৰি সোমাই গৈছে। ঘৰৰ আগতে বিকল টিউবৱেলৰ জঁকাটো স্থিৰ হৈ আছে। কেউফালে কেৱল লোকচান আৰু লোকচান!

পুৱতি নিশা ঘৰৰ আটাইৰে টোপনি ভাগিল। গোটেই পথাৰখনৰ ওপৰৰ আকাশ বৰষুণত বগা হৈ পৰিছে। যেনিয়েই চোৱা তেনিয়েই বৰষুণৰ দেৱাল। কেইদিনমানৰ আগত খাল শুকাই গৈছিল। ৰাতিটোৰ ভিতৰতে তাত পানী হৈছে।

অনাথ খাটিয়াখনৰ পৰা নানামিল। টুকুক খিৰিকিখন জপাবলৈ কৈ তেওঁ শান্তাৰ পিনে চালে। — ইমান পানী ক'ৰ পৰা আহিছে ক'ব পাৰানে? নৈ ইয়াৰ পৰা আঠ মাইল দূৰত।

খেতিয়কসকলৰ কোনো নাহিব নেকি?

এই বৰষুণত কোনো নাহে। পানী কমিলে এজন এজনকৈ দেখা দিবহি।

বাৰ বজাৰ ভিতৰতে আকাশ ক'লা হৈ আহিল। তেতিয়াই বুজা গ'ল— বিদ্যাধৰীৰ ডুবিটো পানীৰে উপচি পৰিছে। অনাথৰ ঘৰটো পথৰুৱা মাটিৰ পৰা গাঁথি অনাৰ বাবে যথেষ্ট ওখ। চন্দনেশ্বৰৰ ফালৰ পৰা পানী জোৰেৰে আহি আছে। তিনি বজাত অনাথহঁতৰ ঘৰৰ দুটা চিৰি পানীত বুৰ গ'ল।

বলায়ে দুপৰ বেলাটো আঁঠুৱনীয়া পানীত নামি মাছ ধৰিছে। অলপ আগতে পোৱালিৰে সৈতে উমাক নি কোম্পানী বান্ধত থৈছে। দূৰত কোম্পানী বান্ধত গাঁৱৰ মানুহো ভালেমান আহি উঠিছেহি। অস্পষ্ট পোহৰত ঘৰৰ পৰা অনাথে বিশেষভাৱে কাকো চিনি নাপালে।

হোৱা ধানৰ পথাৰত আবেলিৰ ভিতৰতে পানী এডিঙি হ'লগৈ। কালি আবেলিৰ ডাঙৰিবোৰত পানী সোমাই একেবাৰে নষ্ট হ'ল। অনাথে আৰু ভাবিবকে নোৱাৰিলে।

সন্ধ্যা সময়ত বলাই আহি খবৰ দিলেহি— উমাৰ খোৱা বস্তুৰে আৰু তিনি দিনহে যাব। কয় যদি লৈ আহোঁ। অক্কুৰে দোকান খুলিছে বুলি শুনিলোঁ।

তিনি দিনত পানী শুকাই যাব, চাই থাকিবা। — এইদৰে কৈ টুকুৰে চিঞৰি উঠিল— সৌৱা চোৱাঁ, অৰুণ-বৰুণ গুচি গৈছে।

পানীৰ সোঁত বেছি। পকা ধান আটাইবোৰ বুৰোঁ বুৰোঁ। বলিয়া বতাহ। লগত বৰষুণ। আবেলি শেষ নৌ-হওঁতেই এন্ধাৰ ঘন হৈ আহিছে। সেই সুৰুঙাতে অৰুণ-বৰুণে বিকুল বজাই পানীত ওপঙি ওপঙি গুচি গ'ল।

বলাই লৰ মাৰি গ'ল। কিন্তু চাই থাকোঁতেই অৰুণ-বৰুণে কোনোবাখিনি পালেগৈ। ছাগলীবোৰ পাতিহাঁহৰ লগত বাৰান্দাত উঠিছেহি। চাৰিওপিনে পানী। অনাথে ডিঙিলৈকে কাপোৰ লৈ শুই থাকিল। — ক'ৰ পৰা পানী আহিছে ক'ব পাৰানে শান্তা?

ধৰিবই পৰা নাই।

ক'ৰবাত নিম্নচাপ হোৱাৰ বাবেই এই কাণ্ড ঘটিছে। দক্ষিণভাগৰ পাম্পিং ষ্টেচনৰ আগত নৈৰ বান্ধ ভাগি পানী সোমাইছে। তুমি লাগিলে চাই আহা। ডুবিটোত পানী উপচি আছিল। তাতেই পানী সোমাই এই কাণ্ড ঘটিছে।

তেনেহ'লে তোমাৰ বাজিকৰ উটি যাব পায়।

উটি নাযায়। কোনোবা ওখ ঠাইলৈ গৈছে নিশ্চয়। যোৱাৰ আগতে পাচিত থকা সাপকেইডাল হয়তো এৰি দিছে।

শান্তাই ছেগ বুজি কথাটো উলিয়ালে— ধান আটাইবোৰ নষ্ট হ'ব নেকি?

অলপ হয়তো বাচিব। — অলপ সময় মনে মনে থাকি অনাথে আকৌ মুখ খুলি ক'লে— বাচিলেই বা কি লাভ হ'ব?

অসময়ত এনেকুৱা বৰষুণ দিব বুলি কোনে ভাবিছিল?

পানী উলিওৱা পাম্পটোৱে আটাইবোৰ পানী টানি নিব বুলি কোনে ভাবিছিল? কোনে ভাবিছিল — এইদৰে মজা পোকে গোটেইখন পথাৰ দখল কৰিব? কোনেনো ভাবিছিল শান্তা, যে টিউবৱেলটোৱেই ফেইলিঅ'ৰ হ'ব?

তিতি তিতি বলাই আহি সোমালহি। — নাই, নাপালোঁ। মগৰমপুৰৰ পিনে উটি গ'ল। পানীৰ সোঁতৰ বিপৰীতে ঘূৰি আহিব কেনেকৈ? ভটিয়াই আহোঁতে মোৰে ভৰিৰ বিষ হৈছে।

হোঁ। এই হেৰিকেনবোৰ মচি পেলাচোন।

কিয়? লাইট গৈছে নেকি? তেল আছেনে?

এন্ধাৰ কোঠাৰ মজিয়াত বহি শান্তা আৰু বলায়ে দুটা হেৰিকেন জ্বলালে। খাটিয়াৰ ওপৰত অনাথ, টুকু, লিলি। উমা পোৱালিৰে সৈতে কোম্পানী বান্ধত তিতি আছে। গোহালিত তাইৰ পেটলৈকে পানী। বাৰান্দাত শুক্লাই এবাৰ কাহ মাৰিলে। বাহিৰত বতাহৰ লগে লগে বৰষুণ দিছিল। অনাথে লাহে লাহে ক'লে— অৰুণ-বৰুণক আৰু পোৱা নাযাব। নহয় জানো?

শান্তা, টুকু, লিলি ওচৰতে আছিল। কোনেও কথা এষাৰো ক'ব নোৱাৰিলে।

আটায়ে লেমৰ পোহৰত বহি আছে। লিলিয়ে ক'লে— আমাৰ পুখুৰীটোৰ ওপৰেদি পানী বাগৰিছে বাবু।

সেইটো হ'বই। একো বাদ নপৰে।

টুকুৰে ক'লে– চোৰাগৈচোন মদন দাদা, বদন দাদাই নিশ্চয় মাছ ধৰি আছে।

কিমান ধৰিব মাছ। এতিয়া চাৰিওপিনে মাছ। এইকেইটা দিন কলিকতাত মাছ সস্তা হৈ যাব চাবা।

চৌধ্য

আজি দহ দিন হ'ল পানী শুকাইছে। বহুত ধান গজালি ওলাই আকৌ শুকাই গ'ল।

ৰ'দতো গোটেই পথাৰত পানী। পোৱালিটোক বান্ধি ৰাখিবলগীয়া হৈছে। পকা ধান পানী খাই খাই গধূৰ হৈছে। তাতে ৰ'দত আধা-সিজা অৱস্থা। এইবোৰ খালে পেটৰ অসুখ হ'বই। উমাই মচমচ্‌কৈ ধানৰ গছিবোৰ খাই খাই গৈ আছিল। ভালেমান খেতিয়কে ধান দোৱাই নাই। পথাৰত যিখিনি আছে, সেইখিনি দোৱাৰ বাবে যিমান হাজিৰা দিব লাগিব সিমানখিনি তেওঁবিলাকৰ নুকুলায়গৈ।

আকৌ বহুতে দাইছেও। যিবোৰ মাটিত ধান দাইছে, সেইবোৰ মাটিৰ মালিকক ধান পহুছাই দিব লগা হৈছে। খেতিয়কসকলে নিজৰ ভাগ লোৱাৰ পিছত যি ধান থাকে, সেইখিনি বৈদ্যনাথৰ দোকানলৈ নিছে। বিক্ৰী যেনেকৈ হৈছে, সেইদৰে বেংকলৈও গৈ আছে।

কেইদিনমানৰ পিছত শান্তাই ক'লে– তোমাৰ উমাক বান্ধি থোৱাঁ। আৰু ধান খাবলৈ নিদিবা।

খাবলৈ তাত জানো ধান আছেগৈ?

বলায়ে ক'লে– আছে। মই ঘূৰি-মেলি চাইছোঁ।

তেতিয়াহ'লে খেতিয়কসকলক খবৰ দে।

তেওঁবিলাক নাহে। তেওঁবিলাকে কৈছে– ভাগ-জোগ কৰাৰ পিছত পামেই বা কিমান? সেইবোৰ তোমালোকেই লোৱা।

সেইটোও ঠিক।

শান্তা উঠি বিছনাত বহিল। – নহয়, ঠিক নহয় সেইটো। সেইখিনি ধান মানুহ লগাই দোৱাই পেলোৱা।

হাজিৰা দিবলৈ নুকুলায়, শান্তা।

মই কৈছোঁ, কুলাব। ত্ৰিশ-চল্লিশ বিঘা মাটিৰ ধান তেনেকৈ চৰাই, গৰুৰ মুখত দি একো লাভ নাই। যি পোৱা হয়, সেয়ে লাভ। তুমি মানুহ লগাই দি চোৱাচোন।

ডেৰ মাহমানৰ পিছত দেখা গ'ল– ভাগত পোৱা ধানেৰে প্ৰায় সাতচল্লিশ হেজাৰ টকা বেংকক শোধ কৰা হৈছে। শান্তাৰ কথা মতে মানুহ লগাই আৰু আঠ হেজাৰ টকা পৰিশোধ কৰা হ'ল– খৰচ-বৰচ এৰি। তথাপি প্ৰায় এক সত্তৰ হেজাৰ টকা দিবলৈ বাকী

থাকিল। প্ৰথম অৱস্থাত অনাথে ভাবিছিল— ধাৰ বৰ বেছি হ'লে পঞ্চাশ হেজাৰ হ'বগৈ। দেনা বাঢ়িল টিউবৱেলটোৰ বাবে।

গোটেই পথাৰখন তেওঁৰ আগত মৰিশালি যেন হৈ পৰি থাকে দিনটো। বাৰিষাৰ খেতিলৈ আৰু ডেৰ মাহমান আছে। পথাৰখনত অনাথৰ নানা তৰহৰ স্বপ্ন জীৱন্ত অৱস্থাতে পোত খাইছে। মাজতে কেইটামান দিনৰ বাবে পানী আহি আগৰ সেই খাল-পুখুৰী সকলো তচনচ কৰি পেলালে।

সন্ধ্যাৰ আগে আগে অনাথে অফিচৰ পৰা আহি ঘৰৰ সমুখৰ ৰঙা বাৰান্দাতে বহি আছিল। লাইটটো জ্বলাই শান্তাই তাতে বহি টুকুৰ ব্লাউজৰ হাতৰ ভাঁজ কৰা অংশটো বৰ সাৱধানে চিলাই কৰি আছে। বাৰান্দাৰ কাষৰ কোঠাৰ পঢ়া টেবুলত টুকু। লিলিয়ে পুখুৰীৰ ফালৰ বাৰান্দাখনত বহি বলাইৰ সৈতে কিবা কথা পাতি আছে। এতিয়া সোমাল আহাৰ। গাঁৱে গাঁৱে বাৰিষাৰ খেতিৰ কুৰুং কাৰাং হৈছে। গৰু বেচা হাটত নতুন নতুন বলদ ওলাইছে। আনকি উমাৰ কোলাৰ কেঁচুৱাটিৰো খেতিয়ক এজনে দৰদাম কৰি গৈছে।

শান্তাই দুপৰীয়া শোৱাৰ পিছত চুলি বান্ধিছে। অনাথৰ কাৰণে আলু-পটলৰ জোল কৰিছে। ভাবিছে— গা, হাত-ভৰি ধুলেই ছোৱালীহঁতকো মাতি একেলগে খাবলৈ দিব।

অনাথে গা ধুবলৈ যাবলৈ ইচ্ছাই কৰা নাছিল। গা ধুই কি হ'ব? আগত কোনো আনন্দই নাই। আজি আবেলি অফিচতে হিচাপ কৰি চাইছিল। এতিয়াই যদি ৰিটায়াৰৰ সময়ৰ পইচাকেইটা পালেহেঁতেন, তেতিয়াহ'লে একে কোবেই ধাৰবোৰ পৰিশোধ কৰা হ'লহেঁতেন। নহ'লে গোটেই জীৱন ধৰি সুত দিব লাগিব।

ভিতৰৰ এই অৱস্থা বাহিৰত কোনেও নাজানে। ঈশ্বৰীতলাত তেওঁ এতিয়া কৃষি-বিশেষজ্ঞ। সকলো আহে। জানিবলৈ বিচাৰে— কেনেকৈ বেংকৰ টকা পোৱা যায়। কি কৰিলে অনাথৰ দৰে তেওঁবিলাকেও একেলগে খেতি আৰম্ভ কৰিব পাৰে। এনেকুৱা বহুত প্ৰশ্ন। অনাথে তেতিয়া মনৰ ভিতৰত বহি বেংকৰ সুতৰ পাহাৰখন দেখা পায়।

বাজিকৰ ডাঙৰীয়া আহিছিল নেকি, শান্তা?

ক'তা? অহা নাই দেখোন।

সেই বতাহ-বৰষুণৰ পিছত আৰু কোনো খা-খবৰ নাই মানুহজনৰ। মই এবাৰ যাব লাগিব।

যোৱাৰ সকাম নাই। এতিয়া ভালেই আছা। অফিচ কৰা। কিতাপ পঢ়া। এনেকৈয়ে আমাৰ দিন পাৰ হৈ যাব।

সুতে-মূলে বেংকৰ ধাৰখিনিয়ে মগজ ঘূৰাই দিছে, শান্তা।

এদিন নহয় এদিন পৰিশোধ হ'বই, চাবাচোন।

সেইটো মেজিকতহে সম্ভৱ। ধাৰ শুজাৰ একো বাট নাই, শান্তা।

হ'ব, হ'ব। চিন্তা নকৰিবা। টিউবৱেলটো তুলি পেলোৱা তুমি। তাৰ পৰাই বহুত টকা পাবা। বেচিলেই টকা আহিব।

ফিল্টাৰটো আৰু উঠাব নোৱাৰি। সি মাটিৰ তলতে থাকি যাব, শান্তা।

বাকী অংশ নতুন হৈ থাকোঁতেই উঠাই বেচি দিয়া।

মই যে হাৰি গ'লোঁ—

তুমি হৰা নাই। পোক। বিকল টিউবৱেল। তাৰ পিছত হঠাৎ পানী। যেন ইটোৰ পিছত সিটোকৈ কোনোবাই ঠিক কৰিহে থৈছিল। অথচ আগতে আমি একোকে অনুমান কৰিব নোৱাৰিলোঁ।

কিমান যে কি ভাবিছিলোঁ, শান্তা—

লাভও তোমাৰ নিচেই কম হোৱা নাই—

লাভ?

বহুত হৈছে। এতিয়া অন্ততঃ দুশজনক নামে-মানুহে চিনি পোৱা।

হয়, চিনি পাওঁ হয়। অন্ততঃ বিশ হেজাৰ মানুহে মোক চিনি পায়। বহুতৰে চকুত মই সাধুকথাৰ মানুহ। কিন্তু এইবোৰ দক্ষিণা চক্ৰবৰ্তীৰ কামতহে আহিলহেঁতেন। জনতাৰ প্ৰাৰ্থী। মইতো সাধাৰণ মানুহ। কোনেও নাজানে মোৰ কি সৰ্বনাশ হৈছে। খেতিয়কসকলে অলপ জানে। আৰু দুই-চাৰিজনে জানে।

তুমি জিকিছাও। কিমান মানুহে তোমাক ছাতিৰ লেখীয়া আশ্ৰয় বুলি ভাবি বিপদত লৰি আহে।

তুমি বিপদত পৰিলে তেওঁবিলাকে আশ্ৰয় দিবনে?

আমাক টনকিয়াল বুলি ভাবে।

মই আপোনঘাতী হ'লে তোমালোকক কোনে চাব?

যিহেকে পাই তিহকে নক'বা। ভয়াতুৰৰ দৰে কথা কোৱাটো মই বৰ ঘিণ কৰোঁ। ব'লা, কিবা এটা খাই লোৱাঁ। — শান্তাই হাতৰ চিলাই বাৰান্দাতে এৰি যাবলৈ সাজু হ'ল।

খোৱা-বোৱা শেষ হওঁ হওঁ হৈছে, এনেতে উমাৰ মাত শুনা গ'ল। গম্ভীৰ। গধুৰ। গাঢ়। অনাথে গাৰুত মূৰ থৈছিলহে, মাত শুনি চক খাই উঠিল। এইটো মাত তেওঁ চিনি পায়। গাখীৰ প্ৰায় শুকাই আহিছে— উমাই যিমান দিয়ে তাৰ তুলনাত। এতিয়া আঢ়ৈ লিটাৰমান দিয়ে— দুই বেলা। এইকেইমাহ খেতিতে ইমানকৈ লাগি আছিল যে কেনিও চাবলৈ সময় পোৱা নাই অনাথে।

উমাই তেতিয়া গম্ভীৰ মাতেৰে মাতিছিল— অনাথ বাবু, অনাথ বাবু, ষাঁড় আনক।

বলায়ে ক'লা চৰু পানীত তিয়াই থৈছিল। লৰি আহিল। উমাই ডাক দিছে।

মচুৰ দাইল, নিমখ আৰু সৰিয়হৰ খলিহৈ মিহলাই খুৱাই দে। কাইলৈ ৰাতিপুৱা কিবা এটা কৰিব লাগিব।

উমাই গোটেই ৰাতি গম্ভীৰ মুখেৰে এন্ধাৰ গোহালিটোত থিয় হৈয়ে থাকিল। টুকু এতিয়া ডাঙৰ হৈছে। সদায় শাৰী পিন্ধে। সীতাকুণ্ডৰ ডেইলি পেচেঞ্জাৰ। লিলিক লৈ টুকু শুবলৈ গ'ল। শান্তাই ক'লে— বিৰজা বাবুও আৰু ইয়াত নাই।

কোন মুলুকত ঘূৰি ফুৰিছে, খবৰ লোৱা।

ডাক্তৰ বাবুৰ চেকখন ভঙাইছিলা নে নাই?

বলিয়া হ'লা নেকি? লোকৰ টকাৰ ভাৰ ল'ব কোনে? চৰকাৰৰ ঘৰত আছে থাকক। আহিলে কাগজ-পত্ৰ ঘূৰাই দিম।

এতিয়া থকাহ'লে উমাক চাব পাৰিলেহেঁতেন।

এইবাৰ উমাক চাকবেড়ৰ লেৱেল ক্ৰচিঙলৈ পঠিয়াম।

তালৈ পাঁচ-ছয় মাইল দূৰ। এনে অৱস্থাত উমাই ইমান দূৰ যাব পাৰিবনে?

পাৰিবতো। বলাই যাব। মদন-বদন যাব। পাল খুৱাই আকৌ ঘূৰি আহিব।

উমাৰ জোৰৰ ষাঁড় আছে জানো?

ৰেলৰ এজন পইণ্টচমেনে দুটা ষাঁড় পুহিছে—

পিছদিনা পুৱা তিনিটা হাফ পাউণ্ডৰ পাওৰুটি হাতত লৈ তেওঁবিলাক তিনিজন ৰাওনা হ'ল। লগত উমা। পাল খুওৱাৰ দুই কিস্তি পাৰিতোষিক হিচাপে নগদ চিকা ৰূপ ছটা টকা অনাথে বলাইৰ হাতত দি পঠিয়াইছে। উমাই কেইখোজমান যায়, আৰু ঘাঁহত মুখ দিয়ে। ৰাস্তাৰ কাষৰ পুখুৰীবোৰৰ পানীত বুৰবুৰণি দেখিলেই মদন ৰয়। দুই ভায়েক-ককায়েকে আনন্দতে জঁপিয়ায়। এইটো শ'ল হ'বই। দুয়োটাৰে তথিয়াতথি হয়। বদনে হয়তো ক'লে— নহয় নহয়, বৰালিহে। সন্ধ্যা সময়ত কণীৰ খোলাত জোনাকী পৰুৱা ভৰাই টোপ দিলেই ধৰা দিব।

যি সময়ত বলাই উমা আৰু দুইজন ককাই-ভাইক লৈ লেৱেল ক্ৰচিং পালেগৈ, তাৰ বহুত আগতেই তিনিওটা পাওৰুটি শেষ। মূৰত ৰ'দ। গেট বন্ধ কৰি ৰেলৰ সেই মানুহটোৱে ভাত ৰান্ধিছে। মূৰৰ ওপৰত এডাল বিয়াগোম তেঁতেলী গছ। ঘন ছাঁ পৰি ঠাইটুকুৰা বেচ্ ঠাণ্ডা হৈ আছে। ৰঙা ৰঙৰ ৰেলৰ ঘৰৰ কাষতে খেৰৰ চালি এখনত ষাঁড় দুটা আছে। উমাৰ কাণ থিয় হ'ল।

ৰেলৰ মানুহটোৱে দূৰৰে পৰা হাতৰ তিনিটা আঙুলি দেখুৱালে। মদনে ক'লে— হ'ব হ'ব, কিহৰ চিন্তা! কিন্তু সঁচা কথা এটা ক'বই লাগিব।

কোৱাঁ।

ষাঁড় দুটাক হিং খুওৱা নাইতো?

হাবুৱে ৰন্ধা-বঢ়া শেষ কৰি উঠি আহিল। কেঁচা খৰিৰ জুইৰ ধোঁৱা ষাঁড় দুটাৰ চকুত লাগিছিলগৈ। লৰচৰ কৰাৰ উপায় নাই। লোহাৰ শিকলিৰে বন্ধা। সেইদেখি দুয়োটাৰ চকুৰ পৰা পানী ওলাইছে। নিজানত ৰেলৰ লাইন বেগেৰে গৈছে। দুয়োফালে আগ-বাৰিষাৰ পথাৰত মানুহে হাল যুৰিছে। বাঁওফালে এজাক গাহৰিয়ে কোণাকুণিকৈ পথাৰখন পাৰ হৈছিল। তেঁতেলীতলৰ লেৱেল ক্ৰচিঙত মানুহ-দুনুহ নাই।

শপত খাইছোঁ। এই কাম হাবুৱে কেতিয়াও নকৰে।

বদনে ক'লে— নাই, আচলতে কামেই নহয়। সেইবাৰ দক্ষিণা বাবুৰ গাইজনী দুবাৰ আনিবলগীয়া হ'ল। তোমাৰ হিংখোৰ ষাঁড়ৰ পাল গাই-গৰুৱে নাখায়।

তেনেহ'লে এটা টকা বেছিকৈ দিবা। গাই-গৰুৱে পাল নোখোৱাকৈ নাথাকে।

তেন্তে? এতিয়া দেখোন স্বীকাৰ কৰিলা। দুটা পইচা লোৱা, তাকে কৈ পেলাই লোৱা, আপত্তি নাই। কিন্তু ষাঁড়ক হিং খুৱাই পইচাৰ লোভত বাৰে বাৰে হায়ৰাণ কৰি লাভ কি?

উমা আবেলি ঘূৰি আহিল— ৰংমনেৰে। চৰি চৰি আহিছে। খোজ দিয়ে আৰু মুখ নমাই ঘাঁহ খায়।

দেওবাৰে নিচেই পুৱাতে শুক্লাৰ নাতিৰ নাতিক কান্ধত লৈ অনাথে পথাৰেদি খোজ ল'লে। আগদিনা ৰাতি শান্তাই যি ফৰ্দ দিলে, তাৰ বাবে অন্ততঃ চল্লিশটা টকাৰ দৰকাৰ। লিলি-টুকুৰ স্কুলৰ ফিজ। এক পাল্লা চাউল। সৰু-সুৰা বজাৰ। তাৰ উপৰিও ন টকা দহ পইচাৰ ইলেক্‌ট্ৰিক বিল। দৰ্মহা পাবলৈ এতিয়াও পাঁচ দিন বাকী। কটা-কুটাৰ পিছত দৰ্মহাও বিশেষ নাপায়। পাম্পচেটটোৰ ধাৰ শুজিবলৈ ছমাহৰ আগধন লৈছে অনাথে।

পথাৰৰ মাজমান পাঁওতেই অনাথে তেওঁৰ ঘৰৰ ফাল চালে। কান্ধত পঠাটো আছেই। মুকলি পথাৰ পাই সি বেচেৰাই বেঁ-বেঁ বুলি চিঞৰি দিলে। দূৰৰ পৰা ঘৰটো সাধুকথাৰ ঘৰ যেন লাগিছে। বগা। নিমাওমাও। পথাৰখন ওখ, সেইফালে এঢলীয়া হৈ নামি গৈছে।

নিজকেই কিবা অদ্ভুত যেন লাগিল অনাথৰ। তেওঁ কলিকতাৰ কলেজৰ পৰা বি. এ. পাছ কৰিছে। চহৰৰ জনবহুল বিৰক্তিকৰ জীৱনৰ পৰা ওলাই আহি মুকলিত বাগৰ দিম বুলি ঈশ্বৰীতলালৈ আহিছিল। এতিয়া উপজি পুৱাতে উঠি পঠা বেচিবলৈ ওলাই আহিছে। বজাৰলৈও যাব পাৰিলেহেঁতেন। তাত বেছি পইচা নাপাব বুলিয়েই আদিবাসীসকলৰ ওচৰলৈ ওলাইছে। যাব — বিদ্যাধৰীৰ ডুবিটো পাৰ হৈ। আদিবাসীসকল ঘৰৰ পৰা ওলাই যোৱাৰ আগতেই পাবগৈ লাগিব। তেওঁবিলাকে জংচন ষ্টেচনলৈ গৈ বেছি দামত মাংস বেচে। তেওঁবিলোকে নিজে নাড়ী-ভুঁৰু ৰান্ধি খায়।

অনাথে নিজৰ ঘৰটোৰ পৰা চকু আঁতৰাব পৰা নাছিল। আজিকালি তেওঁ জানে— স্নেহ, মায়া, মমতা, ভালপোৱাৰ শব্দ শুনিবলৈ নাই। ভয়ৰো কোনো শব্দ নুশুনি। এইবোৰে মনৰ ভিতৰতে এক ধৰণৰ ধুমুহাৰ সৃষ্টি কৰে। সেই ধুমুহাত একো ভাগি নপৰে। কেৱল মাজে মাজে বুকুত অলপ-অচৰপ বেদনা অনুভৱ হয়। মুকলি আকাশৰ তলত সেই ঘৰটোৰ ভিতৰত তেওঁ সুন্দৰকৈ সংসাৰ পাতি চলাই আছে। সংসাৰখনৰো কোনো সুকীয়া শব্দ নুশুনি। সেই মাটি টুকুৰাতে তেওঁ তিৰোতা আৰু ছোৱালীহঁতক লৈ পৃথিৱীৰ অকণমান খামুচি ধৰি আছে; অথচ বাহিৰত ইমান বহল আকাশ, মুকলি পথাৰ। বাৰিষাৰ আগমুহূৰ্তত গজা বনৰীয়া শাকেৰে পথাৰ ভৰি পৰিছে। ৰাতিপুৱালেই ডাউক, ফৰিং আহি হাজিৰ।

আদিবাসীসকলৰ চুবুৰীটোৰ পৰা খালী হাতেৰে আহি অনাথ হাজিৰ হ'লহি ডুবিটোৰ পাৰৰ বট গছৰ তলত। বাজিকৰৰ নামাজ শেষ হোৱা নাই। অনাথ ৰ'বলগীয়া হ'ল। আগৰ সেই খেৰৰ চালি নাই। মজবুতকৈ গঁথা মাটিৰ বেৰ। তাত টাইল দিয়া হৈছে। দূৰত মদন-বদনে ৰাতি পেলাই থোৱা বৰশী তুলি তুলি চাইছে। ছপা কৰা কেলেণ্ডাৰৰ ছবিতহে এনে দৃশ্য থাকে। সিহঁতে কিয় জানো ভালেদিন ডাঙৰ মাছ পোৱা নাই। হঠাতে পাতৰ খচমচনি শুনি অনাথ চক খাই গ'ল। ইমানপৰ তেওঁ মন কৰাই নাছিল। তেওঁ তকৈ বহুত আগতে আৰু এজন মানুহ আহি বহি আছেহি। বাজিকৰৰ ভিজিটৰ। জগেন যাত্ৰা। অনাথক দেখি দাড়ি-চুলিৰ ফাঁকেদি মিচিকীয়া হাঁহি এটা মাৰিলে।

সেই হাঁহিটো দেখি আচৰিত হৈ ভালকৈ চায়ো অনাথে বুজিব নোৱাৰিলে— জগেনৰ ভালেই হৈছে নে সি আগৰ দৰেই আছে। নামাজৰ পিছত আসনখন ঠিককৈ থৈ মহম্মদ বাজিকৰ উঠিল। — ঘৰটো দেখিছেনে? মজবুতকৈ নাবান্ধিলে আৰু উপায় নাই। বানত ডুবিটোৰ পানী আহি সোমাল। মই আৰু যাম ক'লৈ? তিনি দিন গছত। ওপৰৰ পৰা দেখিলোঁ — পাচিটো পানীত উটি গৈছে। শেষত শ্ৰীমান পাচিটো খুলি পলাল।

সেইবুলিয়েই এনেকুৱা ভাল ঘৰ সাজিলেনে? তেনেহ'লে ইয়াতে থিতাপি ল'ব নেকি ক'কচোন!

উপায় কি আছে? ইমান সুন্দৰ বট গছৰ তল! সন্ধ্যা-পুৱা সকলো চাব পাৰি। হেৰা জগেন, আহাঁ।

য'ত বহি আছিল ত'ৰ পৰাই জগেনে মাত লগালে— মাষ্টৰ, আজি মোৰ ছুটী নেকি!

অলপো পঢ়া-শুনা নকৰানে? গোটেই দিনটো ছুটী ল'বা জানো?

দিয়ক। এটা দিনহে।

তেনেহ'লে এই উপজি পুৱাতে আহি বহিছিলাহ কিয়? কিবা খালানে?

জগেনে হাঃ হাঃকৈ হাঁহি দিলে— মইতো আজিকালি বতাহ খাঁও। একেবাৰে পেট ভৰি যায়। একোদিনা ওফন্দি উঠে। তেতিয়া ডুবিৰ পানী খাওঁ—

তেনেহ'লে খোৱা-বোৱা শেষ কৰি একেবাৰে ঘূৰি আহা। দিনটো তোমাৰ মুখ নেদেখিলে ভাল নালাগে।

জগেন যোৱাৰ পিছত অনাথে সুধিলে— এনেকুৱা ছাত্ৰ কেতিয়াৰ পৰা পালে?

আহে। আহি বহি থাকে। মোৰ লগত ভালদৰে ঘূৰে। সাপ ধৰিবলৈও শিকাই দিছোঁ।

কি কয় আপুনি? বলিয়া মানুহ। ক'ব নোৱৰাকৈয়ে প্ৰাণটো যাব।

নহয় অনাথ বাবু, বলিয়া মানুহক কাম দিয়ক, সি একেবাৰে মন দি কৰিব।

সাপ ধৰিব পাৰেনে?

বৰ ভালকৈ পাৰে। হাঁহি হাঁহি কথা কৈ কৈ ধৰে। গান গাই গায়ো ধৰে। সি ধৰা এডাল বিষাক্ত সাপ আছে, চাব নেকি?

নালাগে। এতিয়া থাকক।

বাজিকৰৰ ঘৰ বিশ হাতমানৰ দূৰ হ'ব। মাটিৰ বেৰ। ওপৰত টাইল। চাৰিওফালৰ পৰা গছ-লতা আহি আবৰি ধৰিছে।

খেতি চপোৱাৰ পিছত অনাথ বাবু ক্লান্ত হৈ পৰিছে, নহয় জানো?

কান্ধত এসোপা ধাৰৰ বোজা। কি হয়গৈ ক'বই পৰা নাই।

দুনিয়াক জানিবলৈ এনে দায়িত্ব ল'বই লাগে। তাৰ সুত দিব লাগিবই। বুকুত হাত দি ক'কচোন, আপুনি একো লোভ কৰা নাই বুলি।

বাজিকৰ ডাঙৰীয়া, মই ইয়াক লোভ নোবোলোঁ। ভাবিছিলোঁ – চপাই-মেলি এই বছৰতে পৰিশোধ কৰিম আটাইবোৰ। বাঢ়ি যি থাকিব তাৰে ডুবিৰ ওপৰেদি ব্ৰিজ এখন কৰিম। মই খাটি জয় কৰিব খুজিছিলোঁ।

এবাৰ সৰ্বনাশ হৈছে, আৰু এবাৰ খাটি চ'ক।

আৰু নহ'ব। সাগৰে ঠাই সলোৱাৰ সময়ত এই দেশৰ হাড়ে-হিমজুৰে লোণ পেলাই গৈছে। পাতালতো লোণ। ডুবিৰ পানীত লোণ। কিহেৰে লড়াই কৰিম ক'কচোন। বাৰিষা লোণ নাইকিয়া হ'লে ধান ভাল হয়। তেতিয়াতো কোনেও একেলগে খেতিৰ মাটি মোক নিদিব। বড়ো ধানৰ বতৰত আকৌ সেই দক্ষিণ অংশৰ পাম্পিং ষ্টেচনত লুণীয়া পানী ওলাব পাৰে। তেতিয়া?

আপোনাৰ একো ক্ষতি হোৱা নাই। ইয়াৰ পৰা পৃথিৱীখনৰ ফালে এবাৰ ভালকৈ চ'ক। পুৱাই কেনে বৰণ ধৰিছে।

অনাথৰ মনটো ভাল নহয়। পঠাটো বেচি পালে সাতচল্লিশ টকা। চামৰাৰ বাবে ধৰিছে পাঁচ সিকি। এইটো শুক্লাৰ নাতিৰ নাতি। পুৱতি নিশা উলিয়াই অনাৰ সময়ত অনাথে মুখখন টেপা মাৰি ধৰিবলগীয়া হৈছিল। বুঢ়ীয়ে ঠিক বুজি পাইছিল। বেঁ-বেঁকৈ মাতিছিল। অনাথে শুনিছিল-- ক'লৈ নিছা তাক?

অনাথে ছাগলী-গড়ালৰ পৰা ওলোৱাৰ সময়ত কৈছিল– বেঁ! তেতিয়াও শান্তা, টুকু, লিলি কোনো টোপনিৰ পৰা উঠা নাই। এতিয়া চাগৈ উঠিছে।

কিবা দেখিছেনে?

আজিকালি মোৰ চকুৱে কোনো ৰং ধৰিব নোৱাৰে।

আপুনিয়েই ধৰিব পাৰিব, অনাথ বাবু।

অনাথৰ চকুৰ আগতে ডুবিটোৰ বহল ডাঙৰ শৰীৰটো পৰি আছে। পুৱাৰ সুথিৰ পানীত বতাহ লাগি দুই-এটা ঢৌ উঠা যেন লাগিছে। ডুবিৰ মাজৰ ওখ ঠাইত এজোপা জোপোহা বন। এই ৰাতিপুৱাই আকাশ শূন্য কৰি ডুবিটোৰ ঠিক ওপৰতে ডাৱৰবোৰ আহি থূপ খাইছিলহি। পুৱাৰ তেজাল পোহৰ আকাশ ডাৱৰীয়া হোৱাৰ বাবে অলপ সময় ক'লা-চানেকীয়া হৈছিল।

অনাথে জানে– ঈশ্বৰীতলাৰ যিকোনো এটা ফাললৈ চাই পঠিয়ালেই অলপ সময়ৰ

ভিতৰতে চাইলেণ্ট পিক্‌চাৰ চাব পাৰি। দূৰত ওখ কোম্পানী বান্ধটোৰ ওপৰেদি নিঃশব্দ গৰুগাড়ীৰ দিগন্ত যাত্ৰা। দুজোপা তাল গছৰ মাজত অকলশৰীয়া ম'হ এটাই মূৰ তুলি হোঁকৰিছে। ইমান দূৰৰ পৰা তাৰ মাত নুশুনি। পুখুৰীপাৰত হাটবাৰৰ বাবে মানুহৰ ভিৰ হৈছে। সিহঁতৰ কথা-বাৰ্তা বতাহত ভাঁহি আহি নাইকিয়া হৈ গ'ল। ইমান দূৰৰ পৰা কোনে শুনিব?

ইয়াৰ আন এটা সুকীয়া ৰূপো আছে। চাইলেণ্ট পিক্‌চাৰৰ চৰিত্ৰ একোটাৰ দৰেই বাজিকৰ ডাঙৰীয়াৰ সাপবোৰে নিজ নিজ গাঁতত মেৰ পাতি পৰি থাকে। ইহঁতেই নিঃশব্দে ইটোৰ পিছত সিটো আলি পাৰ হৈ একোখন মৌজা অতিক্ৰম কৰে।

বট গছৰ তলৰ হাবিতলীয়া বাটত দুটা মূৰ্তি অনাথৰ চকুত পৰিল। হাতৰ হাতঘড়ীটো দেখিয়েই ল'ৰাটোক চিনিব পৰা গ'ল। যৌতুক দিয়াৰ সময়ত মদনে আন কি বেণ্ডডালো সলোৱা নাই। বংশী কাপালি আৰু তাৰ ঘৈণীয়েক ওষ্ট কাপালি।

ইমান ৰাতিপুৱাই ক'লৈ?

বংশীয়েই উত্তৰ দিলে— নতুনকৈ দোকানখন দিছোঁ, বাজিকৰ ডাঙৰীয়াই যদি দৰগাহত অলপ ভোগ চৰায়—

বংশীৰ কোনো সংকোচ নাই। সি ঘাঁহৰ ওপৰতে বহিল। অনাথৰ ভৰিত ধৰি মূৰটো মাটিত থৈ আশীৰ্বাদ বিচাৰিলে। ওষ্ট কিন্তু ইমান অসংকোচ হ'ব পৰা নাছিল। সেইবাবে অনাথৰে বেয়া লাগিছিল। ইমানদিন সংসাৰধৰ্ম পালন কৰি তেওঁ এতিয়া বুজিছে — উপকাৰীৰ আগত উপকৃতজন কোঁচ খায়। কৃতজ্ঞতা। লাজ। আৰু নানা কথা।

ওষ্ট, আহ, বহ্‌হি।

অনাথে কোৱা সত্ত্বেও ওষ্টই বহিব নোৱাৰিলে।

মহম্মদ বাজিকৰৰ মুখত মিচিকীয়া হাঁহি। বুকু খোলা ক'লা হলৌ-চোলা এটাৰ ওপৰত তেওঁৰ আধা পকা দাড়িবোৰ বতাহত লৰিছিল। দুই চেলাউৰিতো কেইডালমান নোম ৰূপোৱালী হৈছে। বংশীক হাঁহি হাঁহি সুধিলে— তেনেহ'লে দোকান দিছা!

দিছোঁ, বাজিকৰ ডাঙৰীয়া। কি হয়গৈ ক'ব পৰা নাই। মছলাৰ বাবে, কৰিব জানো বাবে মোৰ বেঙেনা ভজা, আলুৰ চপেই দেখিছোঁ আটাইতকৈ বেছি বিক্ৰী হয়। গোটেই দিনটোত দুই পাল্লা বেচন লাগে। আমাৰ ঘটকপুখুৰী বজাৰতকৈ ইয়াত বিক্ৰী বেছি। অৱশ্যে ইয়াত মানুহো বহুত বেছি।

আৰু বহুত কথাই ক'লে বংশীয়ে। বেচ্ স্ফূৰ্তিত আছে। বজাৰখনৰ মূৰত এটা ঘৰ লৈছে। লৈ ফুৰাব পৰা আখাটোতে ওষ্টই ভাত-পানী ৰান্ধে। বাটেদি গ'লেই দেখি। ইয়াত মাটি কিনি ঘৰ সজাৰ বৰ ইচ্ছা আছে বংশীৰ। এনেকৈ বিক্ৰী হৈ থাকিলে সি অৱস্থা আকৌ ভাল কৰিবই। সি আৰু ক'লে— এই ফালটো বৰ মুকলি-আকলি।

অনাথে বংশীৰ মাজত আগৰ অনাথক দেখিবলৈ পালে— যি অনাথে মুকলি পুখুৰীপাৰ, শান্ত ডুবি, ভেলভেট পেটাৰ্ণৰ দুবৰিয়ে ঢকা ঠাইবোৰ দেখি ৰং পাইছিল।

আপুনি আমাৰ হৈ অলপ ভোগ দিয়ক, বাজিকৰ ডাঙৰীয়া।

কিহৰ ভোগ বংশী? কি লাগেনো তোমাক?

মোক অৱশ্যে বিশেষ একো নালাগে। সকলোৱেই ভাল পায়। বিশ্বাস কৰে। বজাৰলৈ সোমাওঁতে মোৰ তাতে হাতৰ লাম-লাকটু থৈ যায় মানুহে। ঘৰৰ গিৰিহঁতনীয়ে চাকৰ-বাকৰ পঠিয়াই আবেলিৰ চাহটোপা খাবলৈ চপ, পিঁয়াজ-ভজা আদি নিয়ায়। এতিয়াই বংশীৰ পিঁয়াজ-ভজা, বংশীৰ চপ বুলি মানুহে কোৱা-কুই কৰা শুনিছোঁৱেই। ভগৱানৰ দয়া নথকা হ'লে ইমান সোনকালে এনেকুৱা হয় জানো?

ময়ো তাকেই ক'ব খুজিছোঁ। তোমাক কি লাগে? কি নাই তোমাৰ?

সেইটো ভাবিয়েই পোৱা নাই।

তেনেহ'লে ইমান দূৰ আহিলা কিয়? কি মানস কৰিবা, সেইটো ঠিক কৰি অহা নাই জানো?

ওষ্টই এইবাৰ মাত লগালে— বৰককাইদেউক এৰি নিদিব নেকি?

বংশীয়ে ক'লে— অন্ততঃ জামিনত।

অনাথে কথাৰ আঁতিগুৰি একো ধৰিব পৰা নাছিল। দোকান চুৰি হোৱাৰ দুখতে জগেন যাত্ৰা এতিয়া জগেন বলিয়া। আনহাতে, ভদ্ৰেশ্বৰে যিয়েই নকৰক লাগিলে, কৰিছে কেৱল ভনীয়েকৰ বিয়াৰ বাবেই। আচল ডকাইত সন্তোষ টাকিও এতিয়া ক্ৰিমিনেল জানো? বুজাই টান। দক্ষিণা চক্ৰবৰ্তীৰ ঘৰত থাকি থাকি মানুহটো এতিয়া সলনি হৈছে। ধুৰ্তি, চাৰ্ট পিন্ধে। শান্তাৰ লগত ডুবিত গা ধুবলৈ গৈ যি অৱস্থাতহে অনাথে তাক লগ পাইছিল!

ঈশ্বৰীতলা আৰু সীতাকুণ্ড ষ্টেচনৰ মাজৰ পথাৰখনৰ ভিতৰেদি গাঁৱলৈ অহা-যোৱা কৰা বেলেগ বেলেগ ৰাস্তা আছে। উত্তৰে-দক্ষিণে। আজি কিছুদিন হ'ল, সন্তোষে জোতা পিন্ধিবলৈ লৈছে। মানুহে আপুনি বুলিও কয়। ৰিণিৰ বাবে অলপ গুটি কচু লৈ যাব পথাৰৰ পৰা। জ্বৰৰ পৰা উঠাৰ পিছত ছোৱালীজনীৰ খোৱাত বৰ অৰুচি।

এতিয়া ভোটটো হৈ গ'লেই সন্তোষে ৰক্ষা পৰে। দুবাৰমান পাছ হোঁহকাই এইবাৰ এটা পকা তাৰিখ ৰেডিঅ'ই ঘোষণা কৰিছে। ঘৰে ঘৰে গৈ ভোটৰ কাৰণে কৈ ফুৰাটো সন্তোষৰ আৰু ভাল নলগা হৈছে। তাতকৈ এই ঠাইতে ক'ৰবাত যদি ঘৰ পাতি সংসাৰী হ'ব পাৰিলেহেঁতেন! সময় চাৰিমান বাজিছে। ফাগুনৰ পছোৱা বতাহত সৰু সৰু গছ-গছনি হালি-জালি উঠিছে-পৰিছে। ৰিণিৰ বাবে এখন ৰঙা পাৰিৰ শাৰী কিনিছে সন্তোষে। দিবলৈ ছেগ পোৱা নাই। দুপৰত ছোৱালীজনীয়ে অকলে অকলে মাছ ধৰে। বৰশী পেলাই পকা ঘাটটোত বহি থাকে। তেতিয়াই কচু আৰু শাৰী লৈ সন্তোষ হাজিৰ হ'বগৈ। সেইটোকে ঠিক কৰিছে। ৰিণিয়ে আচৰিত হ'ব দেখি। খোপা খুলি ছোৱালীজনী বহাৰ পৰা উঠি দিব।

খোজ কাঢ়ি গৈ থাকোঁতে সন্তোষে মন কৰিলে— সি আহি বিদ্যাধৰীৰ চৰত ভৰি দিছেহি। সেইটুকুৰাই দক্ষিণা চক্ৰবৰ্তীৰ আধি খোৱা মানুহে শাক-পাচলিৰ খেতি কৰা ঠাই। সেউজীয়া হৈ আছে ভালেখিনি ঠাইজুৰি। এলেকাটো মুকলি। খেতিয়কসকলৰ ঘৰ নুবুলি চালি বোলাই ভাল। গোবৰ-মাটিৰে লিপা চোতাল। লাউ বগোৱা বাঁহৰ চাং। তাতে ওলমি আছে সঁচৰ গুটি থোৱা হালধীয়া বুঢ়া লাউ।

বহুত দিন এইফালে অহা নাই। ভেন্দি, কেঁচা জলকীয়াৰ শাৰীবোৰ পাৰ হৈ কাৰোবাৰ ঘৈণীয়েক যেন লগা এজনী মানুহ দেখি ক'লে— তোমালোকৰ হাত-দাখন অকণমান দিয়াচোন। কচু খান্দিম।

মানুহজনীয়ে দাখন লৈ আহিছিল, ঘৰৰ চোতালৰ পৰাই ওলাই আহিছিল। কিয় জানো থমকি ৰৈ গ'ল। সন্তোষো অন্যমনস্ক হ'ল। বাৰিষা সিঁচৰতি হৈ পৰা গুটিৰ পৰাই গুৱামৰি পুলিবোৰ হৈছিল। বতৰ গ'লেও তাত এতিয়া ফুল ফুলিছে। কেতিয়া আৰু গুটি ধৰিব!

উভতি চাই দেখে যে তাৰ চাৰিওফালে বহুত মানুহ গোট খাইছে। কোনো কোনোৱে পথাৰত কাম কৰি আছিল। এজনৰ হাতত নাঙলৰ পৰা খুলি অনা ধাৰ থকা ফাল।

এজন দীৰ্ঘদেহী গোঁফাল মানুহ আগ বাঢ়ি অহাৰ লগে লগে সন্তোষে হাঁহি মাৰি ক'লে— কি খবৰ পালান?

কি হ'ব সন্তোষে বুজিব পৰা নাছিল। মানুহটোৰ নাম যে পালান চৰ্দাৰ, সেইটো তাৰ মনত আছে। এবাৰ দুমুঠিমান পুৰৈ শাক লৈ দক্ষিণা চক্ৰবৰ্তীক দেখা কৰিবলৈ আহিছিল। গহীন মাতেৰে কথা কয় মানুহটোৱে। ভয়াতুৰো।

এতিয়া কিন্তু তেনে যেন নালাগিল। পালানে গহীন-গম্ভীৰভাৱে আহি ক'লে— হেৰা কুটুম, নতুন মানুহ পত্তন দি আমাক উঠোৱাৰ পাং পাতিছা। হেই ভবেন, সোঁফালে থিয় হচোন।

সন্তোষ ঘপহ্কৈ পোন হ'ল। তাৰ হাতত একো নাই। দূৰত আবেলিৰ আকাশ ক'লা বৰণীয়া হৈ পৰিল।

পালান দাদা, আগতে কথা এটা শুনা। মই গুটি কচু বিচাৰি—

সেইবোৰ কথা যাত্ৰাপাৰ্টিক ক'বি। এইবাৰ যদি পইচা লৈ মাটি দিয়, তেতিয়াহ'লে—

প্ৰথম কোবটো আহি তলপেটত পৰিলহি। নাঙলৰ ঈহ্ডালৰ ভোটা ফালটো গৈ তাত লাগিল। গোটেই পেটটো এতিয়া মাৰি থোৱা ময়দাৰ নিচিনা হ'ল। দুইহাতে চেপি ধৰি সন্তোষে লৰ মাৰিলে।

পালানৰ কাষতে থকা কম বয়সীয়া ল'ৰাটোৱে চিঞৰি ক'লে— যাবলৈ নিদিবা।

পালান চৰ্দাৰ অকণো বিচলিত নহ'ল। সন্তোষে ভালকৈ দেখিলে— সি নিজৰ ঠাইতে থিয় হৈ কৈছে— এতিয়া যাবলৈ দে। কিমান দূৰনো যাব?

সন্তোষ ধলং পলংকৈ যেনিয়েই যায় তেনিয়েই খেতিয়কসকলৰ ভিতৰৰ যতীন নাইবা ভবেন নহ'লে ষষ্ঠী নায়কে কোৰৰ নাল বা হাত-দাৰে সন্তোষৰ গাত মাৰি হাতৰ খজুৱতি মাৰিছে।

ইতিমধ্যে চুৰিয়াৰ আগ ৰঙা হৈ গৈছে সন্তোষৰ। ভৰিৰ কেনভাচ জোতাতো তেজৰ দাগ। কান্ধৰ কাষৰ লপ্‌থপীয়া মাংসত লোহাৰ টুকুৰা এটা সোমাই গৈছে। মূৰৰ খোলাৰ পৰাও তেজ নিগৰিছে।

সন্তোষে বুজিলে— তাৰ কান্ধৰ ঠাইখিনিত ফাঁক এটা হৈ তাত হু-হুকৈ বতাহ সোমাইছে। উৰি যোৱা চৰাইৰে সৈতে দূৰৰ আকাশখন আহি তাৰ চকুত যেন ছিটিকি উপচি পৰিলহি।

যিজনী মানুহে হাত দাখন লৈ চোতালৰ পৰা ওলাই আহিব পৰা নাই, সম্ভৱতঃ ঘৰৰ মানুহে সন্তোষ টাকিক দেখি আহিবলৈ সাজু হওঁতেই মানুহজনীক ওলাই যাবলৈ মানা কৰিছিল, তাই তেতিয়াও ভিতৰ-চোতাললৈ যাওঁ বুলিও যাব পৰা নাই। বাৰান্দাৰ খুটা এটাত ধৰি গাৰ নোম শিয়ঁৰি উঠা এই গোটেই দৃশ্যটো তাই ইমানপৰে মনে মনে চাই আছিল। এইবাৰ মানুহজনীয়ে থিয় হৈ থকা অৱস্থাতে খুটাত মূৰটো থৈ হুক্‌হুকাই কান্দিবলৈ ধৰিলে। আঁঠুটো মোচোকা খাই সন্তোষ টাকি পৰি গ'ল। তেতিয়া দ্বাৰিকপোতা, চন্দনেশ্বৰ, খাড়ুপাতাল, ঈশ্বৰীতলা মৌজাৰ ওপৰেদি সন্ধ্যাৰ বতাহজাক সমানে বৈ আছিল।

উমাই পাল নাখালে। শেহৰাতি বিছনাত পৰি অনাথে গম পালে— উমাই স্পষ্টকৈ গহীন-গম্ভীৰ মাত দিছে। অনাথ বাবু, অনাথ বাবু, ষাঁড় আনক।

মুখখন তিতা-তিতা লাগিছিল অনাথৰ। সেই মুখ লৈয়ে উঠি আহিল তেওঁ। টকাৰ লোভত চাকৰেড়ে ষ্টেচনৰ হাবু নামৰ পইন্টচমেনটোৱে এই কাণ্ড কৰিলে কিয়? হিং খুৱাই খুৱাই ষাঁড় দুটাক নিষ্ফলা কৰি থয়। এতিয়া বদনামটো হ'বগৈ অনাথৰেই। এতিয়া উমাৰ যোগ্য ষাঁড় বিচাৰি পোৱা যাব ক'ত? বিৰজা ডাক্তৰ থকা হ'লে তেও এটা কথা আছিল। তেওঁৰ একো খবৰ নাই। তেওঁৰ ঠাইত নতুন মানুহৰ এপইন্টমেণ্ট আজি দুবছৰ ধৰি হোৱাই নাই।

পুৱাই ষাঁড় বিচাৰি অ'ত-ত'ত ঘূৰি ফুৰিবলৈ কাৰনো ভাল লাগে? মদনে খবৰ দিলেহি, সীতাকুণ্ডৰ নস্কৰহঁতৰ হাতত এটা ষাঁড় আছে। সি সদায় পুৱা ষ্টেচনৰ পাণদোকানত ৰেডিঅ' শুনিবলৈ সময় মতে আহে। টাইমৰ কোনো হেৰফেৰ নাই। শুকান বিড়িৰ পাত, বাহী খবৰ কাগজতো তাৰ অৰুচি নাই।

বদনে ক'লে— মিচন আশ্ৰমৰ গুৰু ট্ৰেইনিং স্কুলত তিনিটা এই প্ৰকাণ্ড প্ৰকাণ্ড বিদেশী ষাঁড় আছে। পিঠি একেবাৰে সমান। সকলো সময়তে লোহাৰ চেইনেৰে বন্ধা থাকে। সন্ন্যাসীসকলক কৈ-মেলি গৰুজনী লৈ যাব পাৰি। সাধাৰণ ষাঁড় নহয়। সৰু-সুৰা গাই-গৰুৱে সিহঁতৰ তিনিটাক দেখিলেই কোঁচমোচ খায়।

মিচন আশ্ৰমলৈ ইয়াৰ পৰা পকা সাত মাইল বাট। ঘৰতে পতা দৈৰ লগত চিৰা খাবলৈ দিলে শান্তাই। মদন-বদনক লৈ যোৱাৰ আগে আগে শান্তাই মাত লগালে।

অলপ ফুচ্‌ফুচাই ক'লে— ৰিণি আহিছিল।

কোন ৰিণি?

এহ্ চিনি নোপোৱাই হ'ল! দক্ষিণা বাবুৰ ছোৱালী ৰিণি। তোমাক এবাৰ জংচন ষ্টেচনৰ থানা হৈ যাবলৈ কৈছে। সন্তোষ টাকিৰ ডেড বডি পুলিচৰ মৰ্গৰ পৰা নি পুলিচৰ মানুহেই খৰি দিব। তাই বৰ কাকুতি-মিনতি কৰি কৈ গৈছে—

কি?

উমাৰ লেঠাটো মাৰি তুমি যদি এবাৰ তালৈ যোৱাঁ—

গৈ কি হ'ব?

বেৱাৰিচ বডি। সন্তোষৰতো কোনোৱেই নাই। দাহ কৰাৰ সময়ত তুমি যদি উপস্থিত থাকা, তেনেহ'লে হতভগীয়া ছোৱালীজনীয়ে মনত শান্তি পাব। সেইবাবে তোমাক দিবলৈ এই পঞ্চাশ টকা দি গৈছে—

দাহ কৰা হৈয়ে যাব পায়। তিনি দিন হ'ল নহয়।

যদি হোৱা নাই? ৰিণি বলিয়াৰ দৰে হৈছে। কান্দোতে কান্দোতে চকু উখহি গৈছে।

অনাথে একোকে ক'ব নোৱাৰিলে। টকাখিনি জেপত ল'লে। টুকুৰে এইমাত্ৰ পঢ়িবলৈ বহিছে। লিলি এতিয়াও টোপনিৰ পৰা উঠাই নাই।

উমাক লৈ গৈ থাকোঁতে এদিনৰ দুপৰৰ কথা বাৰে বাৰে অনাথৰ মনলৈ আহিল। তেওঁ আৰু শান্তাই ডুবিটোত গা ধুবলৈ গৈছিল। সেইদিনাই।

ৰিণিৰ মুখত হাঁহি আছিল। ধৰা পৰিব বুলি লাজ-লাজ ভাব এটাও আছিল। ভয়ো আছিল। অনাথে কৈয়ে পেলালে— বান্দৰৰ ডিঙিত সোণৰ হাৰ। দক্ষিণা চক্ৰবৰ্তীৰ ওপৰত খং উঠিছিল বাৰে বাৰে। ভোট ভোট কৰিয়েই মানুহজন ৰসাতলে গ'ল। ঘৰত যে তিনিজনী ছোৱালীৰ বিয়াৰ বয়স পাৰ হৈ গ'ল তালৈ কাণসাৰেই নাই। মান্ধাতাযুগীয়া সেই মটৰখনত উঠি গাঁৱে গাঁৱে ভোট বিচাৰি ফুৰিছে। লগত বক্তৃতা।

সম্প্ৰতি সন্তোষৰ যে অলপ সলনি হৈছিল, সেই কথা অনাথৰ চকুত পৰিছিল।

পোন্ধৰ

পুখুৰীত চৰিবলৈ গৈয়ে তিনিটা পাতিহাঁহ নাই। ঘৰলৈ নাহিল। বলায়ে ক'লে— বোন্দা মেকুৰী নাইবা জহামালৰ কাণ্ড। ইটাখোলাৰ এৰা-প'ৰলীয়া কেঁচা ইটাৰ দ'মবোৰৰ মাজত সিহঁত থাকে। চৰি থাকোঁতে হাঁহবোৰ অন্যমনস্ক হয়, তেতিয়াই দৌৰি আহি জঁপিয়াই পৰে সিহঁত। পুখুৰীৰ দাঁতিৰ দীঘল ঘাঁহৰ মাজত লুকাই থাকি ফল' কৰে।

আবেলি ৰঙা বাৰান্দাত বহি অনাথে চিঠি পঢ়িছিল। বলাইক ক'লে— কি কৰিবি আৰু। যি হ'ল হ'ল, যিকেইটা আহিছে সিহঁতকে গড়ালত বান্ধি থ।

সন্ধ্যাৰ আগে আগে টুকু কোম্পানী বান্ধলৈ ফুৰিবলৈ গ'ল। ভালেদিন হ'ল— শাৰী পিন্ধিছে। অনাথৰ নজৰত নপৰাকৈ থকা নাই। আজি কিছুদিন ছোৱালীজনীৰ মুখখনত চিন্তাৰ চাপ। দিনৰ দিনটো পঢ়ে। আগত ফাইনেল।

অনাথে চকুৰ পৰা চচ্‌মা খুলি ইজিচেয়াৰৰ হাতমাৰিত থ'লে। চচ্‌মাৰ খাপটোৰ তলতে চিঠিখন থ'লে। বেংকৰ চিঠি।

সিহঁতে ৰেজিষ্টাৰ কৰি পঠিয়াইছে— ইংৰাজীত টাইপ কৰি।

প্ৰিয় মিষ্টাৰ বসু,

আপোনাৰ কথা মতে ঈশ্বৰীতলাৰ কোম্পানী বান্ধৰ কাষত কৰা ধান খেতিৰ বাবে আমি চৰ্ট টাৰ্ম আৰু লং টাৰ্ম ল'ন দিছিলোঁ। তাৰে কিছু টকা আপুনি পৰিশোধ কৰিছে। বাকীও আছে। কথা আছিল— ধান চপালেই আপুনি ক্ৰপ্‌ ল'ন ঘূৰাই দিব। গোটেইখিনি আপুনি এতিয়াও দিয়া নাই। পাম্পচেট আৰু টিউবৱেলৰ টাৰ্ম-ল'নৰ কিস্তিও আপুনি যৎসামান্যহে দিছে। এই অৱস্থাত আমি ক'বলৈ বাধ্য হৈছোঁ— প্ৰতি বিঘাত ভাল ধানেই আপোনালোকে পাইছে, আমি দেখি আহিছোঁ। আমাৰ ফিল্ড অফিচাৰেও তেনে এক ৰিপৰ্টকে দিছিল। সেই অনুপাতে আপুনি কিন্তু ল'ন ৰিপে কৰ নাই। এতেকে সুতসহ চৰ্ট-টাৰ্ম ল'ন ৰিপেমেণ্টৰ ব্যৱস্থা আপুনি অতি সোনকালে কৰিব লাগিব।

অনাথে আৰু চিঠিখনৰ কথা ভাবিব নোৱাৰিলে। জধেমধে যুক্তি নাইকিয়া কথা কিছুমান লিখিছে। চকুৰ আগতে কোম্পানী বান্ধ অন্ধকাৰ হৈ গ'ল। দিনত তাপ বাঢ়িছে। যথেষ্ট গৰম। অথচ মাজৰাতি কাপোৰ ল'ব লাগে, নহ'লে জাৰ-জাৰ লাগে। ধানৰ খেতি যে চিলাই কল নহয়, সেইটো সিহঁতক বুজাব কোনে? ধানত পোক লাগে। খৰাং হয়। বানপানী আছেই। বেংকৰ ঠাণ্ডা ঘৰত বহি সুত কচিব পাৰি, ধান কিন্তু সেই নিয়মত নচলে। তিনি সপ্তাহৰ ভিতৰত এইখনক লৈ বেংকৰ ই হ'ল চাৰি নম্বৰ চিঠি।

লাইট জ্বলাই বেংকৰ চিঠিখন তেওঁৰ আৰু এবাৰ পঢ়ি চাবলৈ মন গ'ল। লাইটৰ চুইচ দূৰত। উঠিব লাগিব। অনাথ চেয়াৰতে নীৰৱে বহি থাকিল।

গোহালিৰ মুখত থিয় হৈ বলায়ে উমাক বলকিলে। সি চিঞৰি কৈছিল— দুষ্টালি এৰ এতিয়া। ইয়াতকৈ সৰুকৈ খেৰ কাটিব নোৱাৰি। এতিয়া ইয়াকে খুৱাওক বাবু। কাইলৈ পুৱা আৰু সৰুকৈ কাটি দিম।

এই আটাইকেইদিন অনাথে উমাৰ চকুলৈ চাইছে। তাত দেহৰ ৰসাধিক্যৰ চিন। দুয়োটা চকুতে ডাঠ কাজলৰ আকৰ্ষণ। চকুৱে চকুৱে পৰিলে উমাৰ চাৱনি এনেকুৱাই হয়। চকুত কৃতজ্ঞতাৰ দৃষ্টি!

এই ঈশ্বৰীতলালৈ আহি অনাথে তেওঁৰ জীৱনটোকে সলাই পেলাইছিল। সৰু এটুকুৰা মাটি কিনি তাতেই সৰু সৰু পুখুৰী খান্দি তোলা মাটিৰে ইটা কৰিছিল। লাথগঞ্জৰ ভাটাৰ ইটা। শান্তাই ইয়াৰে ভাড়া ঘৰৰ পৰা দিনে দুবাৰকৈ আহি মিস্ত্ৰিবোৰৰ কাম চাইছিল। ভেটি ভৰোৱাৰ মাটি নাপাই কাম পোন্ধৰ দিন পিছুৱাই দিছিল। তেতিয়া লিলি বলাইৰ কোলাত উঠি বজাৰলৈ গৈছিল। 'ল' ক'ব নোৱাৰে, কয়— 'ন'।

ভাটা ভাঙি ইটাবোৰ দ'ম কৰাৰ সময়ত ভাটাৰ ছাইবোৰ ভালকৈ থৈ দিছিল অনাথে। আনেও সেইটো কৰে। সেই ছাইবোৰ চূণৰ লগত মিহলাই সাদিন থৈ দিলে গাঁথনিৰ মছলা হয়। দুৱাৰ-খিৰিকিলৈকে গাঁথিও অনাথে দীঘল লিনটেল নিদিলে। টুকুৰা-টুকুৰ লিনটেল দি খৰচ কমালে। ঘৰ লোৱাৰ দিনা মিস্ত্ৰিহঁতৰ মিঠাই দোকানৰ পৰা সাত কলহ দৈ অনা হৈছিল। গোটেই ঘৰটো অনাথৰ কিবা খালী খালী লাগিল। দক্ষিণ কোণৰ কোঠাটোত শান্তাই খুট্‌খাটকৈ কিবা কৰি আছিল। কোনো কথাতে তেওঁৰ উদ্বেগ নাই। অনাথক একো নোসোধেও। টিউবৱেলৰ পাইপ, মটৰ, পাম্পছেট — এইবোৰ তুলি আনি ঘৰত থ'বৰ বাবে ঈশ্বৰীতলাৰ একমাত্ৰ হাৰ্ডওৱাৰ মাৰ্চেণ্ট বিশ্বপতিক খবৰ দিছে। এইবোৰ কাম বৰ নিয়াৰিকৈ অকলে অকলে কৰি পেলায় শান্তাই। বাহিৰৰ কোনোবাই দেখিলে আচৰিত হ'ব।

লিলিয়ে স্কুলৰ পৰা আহি কল সানি নিশ্চয় বেছিকৈ গাখীৰ-ভাত খালে। এতিয়া ক্লান্ত হৈ শুইছে। জগাই পঢ়িবলৈ বহুৱাই নিদিলে তাই কাইলৈ পুৱাহে একেবাৰে বিছনাৰ পৰা উঠিব।

টুকুৱে অকলে কোম্পানী বান্ধৰ দাঁতিত বহি আছিল। আৰু এহাত তলতে পানী। আগতে ইয়াত কোনো নবহে। তাইৰ বাপেক অনাথবন্ধু বসুৱে মদন-বদনৰ হতুৱাই সাদিন ধৰি এইবোৰ ঠাই চাফা কৰি বহিব পৰা কৰিছে। বাপেকৰ হাতত পইচা থাকিলেই এইবোৰ কাম কৰি ফুৰে। মানুহ ফুৰিবলৈ আহি যাতে নিৰাপদে বহিব পাৰে, তাৰ বাবে ঘৰৰ পইচা এই ধৰণে কোনে অপব্যয় কৰে? মাকে প্ৰায়েই বাপেকক ককৰ্থনা কৰে। মাকৰ ফলীয়া নহৈ এনেকুৱা কথাত টুকুৱে তাইৰ বাপেককহে চাপ'ৰ্ট কৰে। বাপেক নহা হ'লে—

আন আন বহুত কথা ভাবিবলৈ চেষ্টা কৰিও টুকুৱে নোৱাৰিলে। সেই একেটাই চিন্তা। সেই একে চাবজেক্ট। আজি কেইবাদিনো ধৰি তাইৰ মনটো খুলি খুলি খাইছে। বিদ্যাধৰী আৰু নাই। তাৰ বুকুত সৃষ্টি হোৱা এসময়ৰ চৰ এতিয়া মৰা নদীৰ গৰ্ভত। তাৰ কাষৰিৰ আহল-বহল প্ৰান্তৰ জুৰি শাক-পাচলিৰ খেতি। তেনে খেতি চৰ অঞ্চলতো হৈছে। তাতে সন্তোষ টাকি— সন্তোষ দাদাক— আবেলি সময়ত— মুকলি ঠাইত—

আকৌ চকুৰ পানী ওলাল টুকুৰ।

প্ৰথমতে তায়ো সকলোৱে ভবাদি মানুহটোক বেয়া বুলি ভাবিছিল। নানা কাহিনী শুনিছে। ডকাইতি, চুৰি, গুণ্ডামি। সকলোতে পাকৈত আছিল সন্তোষ দাদা। কিন্তু

অলপতে, যোৱা বছৰ ট্ৰেইনত সন্তোষ দাদা নথকা হ'লে কি যে হ'লহেঁতেন! বিকাশতো মাৰ খাই খাই পেপুৱা লাগিছিল।

টুকুৱে চকু মচি মচি সন্ধিয়াৰ এন্ধাৰত বহি আছিল। পাছলৈ ঘূৰি চাই দেখিলে— বিকাশ আহিছে। আজিকালি সকলো সময়তে চুৰিয়া-পাঞ্জাৱী পিন্ধে।

কেতিয়া আহিলা?

টুকুৱে কোনো উত্তৰ নিদিলে। বিকাশে প্ৰায়ে গাৰ্জেনৰ দৰে তাইক প্ৰশ্ন কৰে — যেন তাইৰ ছদ্মবেশী অভিভাৱকহে। আন সময়ত টুকুৱে হাঁহি দিয়ে। আজি নাহাঁহিলে। কেতিয়াবা বিকাশৰ তেনেকুৱা কথা ভালো লাগে।

পানীৰ ফালে তলমূৰকৈ চাই থকা টুকুৰ গালত বাটেদি যোৱা ৰিক্সাৰ পোহৰত পানীৰ টোপাল দেখি বিকাশ কাযতে বহিল— কান্দিনো কি লাভ হ'ব টুকু?

কিয় মাৰিলে— কিয় মাৰিলে সন্তোষ দাদাক?

দুই-চাৰিজন ধৰা পৰিবগৈ শেষত। এজনক পুলিচে নিছে। কিন্তু সিহঁতৰনো দোষ কি—

চকু মচি টুকুৱে চালে— পটল খেতি কৰা মানুহক তেনেহ'লে ধৰিব কিয়?

ধৰাৰ কাৰণ আছে। সিহঁতে হয়তো হত্যা কৰিছে—

তেনেহ'লে, তুমি যে ক'লা, সিহঁতৰনো দোষ কি?

দোষটো আচলতে আন মানুহৰ—

কাৰ?

শুনিব খোজা নেকি? দক্ষিণা চক্ৰবৰ্তীৰ— মোৰ দেউতাৰ। জনতাৰ প্ৰাৰ্থী। মই সকলো জানো টুকু। সন্তোষ দাদাৰ লগত বহি নানা পৰামৰ্শ কৰে। পাব্‌লিচিটিৰ টকা আহিব ক'ৰ পৰা? চৰৰ আধি খোৱাবোৰক উঠাই দি নকৈ মানুহৰ পত্তন দিলেই টকা। দেউতাৰ লোভৰ মূল্য দিলে সন্তোষ দাদাই।

ছিঃ হেজাৰ হ'ক, তেওঁ তোমাৰ দেউতাৰা।

হ'ক দেউতা। আই উইল অলওৱেজ কল স্পেড এ স্পেড।

ইয়াৰ অৰ্থটোনো কি বিকাশ দাদা?

মই ক'ব খুজিছোঁ— অন্যায়ক সদায় অন্যায় বুলি চিনি পাওঁতে বিকাশ চক্ৰবৰ্তীৰ ভুল নহয়। জৰ্জ দি থাৰ্ড পঢ়ুৱাবৰ সময়ত জে. এন. চি.য়ে কথাটো কৈছিল।

জে. এন. চি.!

অ', তুমি সেইটোও নাজানা টুকু! তোমাৰ দোষ কি? কলেজত চাৰৰ নাম চৰ্টকৈ কয়। প্ৰফেচৰ জ্যোতিনাথ চাকি। কি সুন্দৰ প্ৰণানচিয়েচন। ডায়াচত উঠি পঢ়ুৱাওঁতে বাঁওহাতে লৈ থাকে ছেক্সপীয়েৰ—

তেওঁতো এজন কবি, নহয়নে বিকাশদা?

কবিতো হয়েই। পৃথিৱীৰ সকলো কালৰ সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ।

শুনিছোঁ– কলেজত প্ৰতিটো ক্লাচতে ৰোলকল হয়?

অঁ। সেইটোৰ সহায়তে পাৰচেণ্টেজ ঠিক কৰা হয়। তুমিতো সোনকালেই কলেজত পঢ়িবাগৈ–

টুকুৰ চকুৰ আগতেই এই কেইবছৰত বিকাশৰ বহুত সলনি হৈছে। দুবছৰৰ আগতো বিকাশে হাফপেণ্ট পিন্ধিছিল। এতিয়া সকলো সময়তে এটা ডেম-কেয়াৰ ভাব। দুটা-এটা কথা কোৱাৰ পিছতে ইংৰাজী আহেই। ঈশ্বৰীতলাৰ সৈতে কোনো মিল নাই।

সন্তোষ দাদাই আমাক সেইদিনা বৰ বচালে।

অঁ, টুকু। একেবাৰে দেৱদূতৰ দৰেই আহি ওলাইছিলহি। আকৌ কান্দিছা?

টুকুৱে পানীলৈ চাইছিল। লাহেকৈ ক'লে– তেওঁৰ কাৰণে কান্দোতা কোনো নাই।

ৰাতিপুৱাই উঠি শান্তাই বেৰৰ পৰা ছবিবোৰ নমাই নমাই আলান্ধু মকৰাজাল গুচাইছিল। এটা ছেগত অনাথক চাহ দি গ'লহি। সকলোতকৈ আগতে উঠি টুকুৱে পুখুৰীৰ ফালৰ বাৰান্দাত কঠ এখন পাৰি পঢ়িবলৈ বহিছে। লিলিৰ উঠিবলৈ এতিয়াও বহুত সময় বাকী।

চাহ খাই অনাথ বাথৰুমলৈ গ'ল। তাৰ পিছত তাড়িৰ কলহটো লৈ তেওঁ বহিছেহে মাত্ৰ, এনেতে ধূলি-বালি লগা ফটো এখন বেৰৰ পৰা নমাই শান্তাই দেখুৱাবলৈ আনিলে।

ঈশ্বৰীতলাৰ এই অংশৰ চাৰিওফালৰ গছ-গছনি পুৱাবেলা চেঁচা বতাহত কঁপি উঠে। তাৰ মাজত অনাথৰ ঘৰটো ছবিৰ দৰে। এইখিনি সময়তে তেওঁৰ তিনি গিলাচ হ'লেই। এই উপজি পুৱাতে নানা দলৰ মিছিল ওলাইছে– ষ্টেচন-বজাৰৰ ৰাস্তাত। ইয়াৰ পৰাই শুনা গৈছে– ভোট ফৰ– ভোট ফৰ–

চোৱাচোন– চিনি পোৱা নে নোপোৱা!

শান্তাৰ হাতৰ পৰা ফটোখন অনাথে ল'লে। এইখনতো সৌ সিদিনা তোলা ফটোহে। একেবাৰে লাহে লাহে অনাথে ক'লে– ফটোত থকা বহুতেই এতিয়া ইয়াত নাই।

শান্তাই একো নামাতিলে।

আৰু এগিলাচ কোঁট-কোঁটকৈ পি শেষ কৰি পেলালে অনাথে। ফটোখনত বলাই বাঘাৰ কাষত ৰৈ আছে। বাঘাৰ চকু কেমেৰাৰ ফালে। অৰুণ-বৰুণ বানপানীত উটি গ'ল। কানাইক বিক্ৰী কৰা হ'ল। ফটোৰ বেকগ্ৰাউণ্ডত কুকুৰাবোৰে পায়চাৰি কৰিছে। সিহঁতৰ এটাও এতিয়া আৰু নাই।

ফটোখন অনাথৰ হাতত দি শান্তাই ডাঙৰ কোঠাটো চাফা কৰিছিল। অনাথে মন দি ফটোৰ অন্নাথক চাই আছিল। কোঠাটোৰ পৰাই শান্তাই ক'লে– বলাইক ৰাতিপুৱাই বজাৰলৈ পঠিওৱা। টুকুৰ উইক্‌লি পৰীক্ষা আছে।

অনাথৰ মনত পৰিল– হাতততো এটা পইচাও নাই। নিজৰ যি অলপ-অচৰপ আছিল, সিও খেতিৰ কামতে গ'ল।

এই বলাই, বলাই–

আজি বজাৰলৈ নাযাওঁ।

যা বোপাই, আজিলৈ অন্ততঃ যা। আজি অফিচত অলপ টকা পাম। টিউবৱেলটো পাইপৰে সৈতে মাটিৰ পৰা উঠাই বেচি দিলেও কিছু টকা পাম–

শান্তা ডাঙৰ কোঠাটোৰ পৰা ওলাই আহিল। হাতত শোটা। – টিউবৱেল বেচা পইচা বেংকক দিব লাগিব। সেইখিনি টকাত হাত দিবলৈ মই নিদিওঁ। ঘৰ মৰ্টগেজ আছে, মনত নাই?

আছে, সকলো মনত আছে, শান্তা। – অনাথে আৰু এগিলাচ খাই ল'লে। এইবোৰ শুজিব পৰা দেনা নহয়। বছৰি বছৰি সুতৰ পাহাৰ উঠিছে। যিখিনি পৰিশোধ কৰিবা, সেইখিনি সুতেই খাই পেলাব।

তেনেহ'লে আমাৰ ঘৰ কেতিয়াও মোকলাব নোৱাৰিম নেকি?

মোৰতো তেনে ভাব হোৱা নাই।

তেনেহ'লে আকৌ খেতিত ধৰা। বেছিকৈ কৰা।

কৰিও লাভ নাই। মজুৰি, সাৰৰ দামৰ অনুপাতে ধানৰ দাম পোৱা নাযাব। ধানৰ কেজি সত্তৰ পইচা। সাৰৰ কেজি প্ৰায় দুটকা।

তেনেহ'লে মানুহে খেতি কৰিছে কেনেকৈ?

নিজে গাৰে খাটিলে উচল হ'ব, নহ'লে নহয়।

তেন্তে চেষ্টা কৰা। বহি বহি তাড়ি খাই নাথাকিবা। সেইকণ সময় কামত লগোৱা।

অনাথে দেখিলে– শান্তাৰ মুখখন বিদৰি গৈছে। নাকৰ দুয়োফালে বয়সৰ চাপ, পৰিশ্ৰমৰ চাপ, চিন্তাৰ চাপ দুটা শকত দাগ হৈ দেখা দিছে। এই ঘৰটো সজাৰ সময়ত নিজেই আগত থাকি লৰীৰ পৰা ছাদ ঢালাই কৰা লোহা নমোৱাইছিল। মিস্ত্ৰিহঁতৰ পৰা হিচাপ আনিছে। এতিয়াতো সুতৰ জাল ফালি ওলাব খুজিবই। অনাথে নিজেও ওলাব খোজে। কিন্তু টকাৰ সংখ্যা ইমান বেছি যে তেনে আশা কৰাই টান। তাতকৈ যেনেকৈ চলি আছে, তেনেকৈ চলি থাকিবলৈ দিয়াই বৰং ভাল বুলি ধাৰণা হয়।

বলায়ে হাতত বেগ লৈ ওলাই আহি ক'লে– মোক আৰু বজাৰলৈ নপঠিয়াব বাবু। নগদ পইচা নিদিলে কোনেও আৰু বাকীত বস্তু দিব নোখোজে। সকলোৱে কয়– তহঁতৰ বাবুৰ কি হ'ল অ'? মই মুখ তুলি চাবই নোৱাৰোঁ।

আজিৰ দিনটো কৰি দেচোন। কাইলৈৰ পৰা নগদ দিহে বজাৰ কৰিব লাগিব।

বজাৰলৈ যোৱাৰ সময়ত শান্তাই লগা বস্তুখিনিৰ কথা কৈ বলাইক ক'লে– বোপাই, চাউলো নাই। তোৰ মাৰৰ পৰা এক পাল্লা ধাৰলৈ আনিবি। কাইলৈ দাম দি দিম।

বজাৰলৈ যোৱাৰ আগতে বলায়ে দুবাৰ লিলিক মাতিলে – সৰু বাইদেউ, বজাৰলৈ যাবা নেকি? আজিকালি সি 'সৰু বাইদেউ' বুলি মাতে লিলিক। লিলিয়ে তালৈ কাণ নিদিলে। তাই এতিয়া ডাঙৰ হৈছে। ক'লে– তুমি অকলে যোৱা, বলাইদা।

এই বলাইৰে কোলাত উঠি তাই এটা সময়ত বজাৰলৈ গৈছিল। সেই কথা লিলিয়ে শুনিছেহে, তাইৰ কিন্তু মনত নাই।

বলায়ে আকৌ ক'লে– যাবা নেকি, সৰু বাইদেউ? তোমাক ৰঙা কাগজ কিনি দিম। শিকলি কৰিবা।

তুমি যোৱাচোন। মোৰ স্কুল আছে নহয়!

শিয়ালদহৰ পৰা পাঁচ বাজি কুৰি মিনিটৰ ট্ৰেইনখন আহি সীতাকুণ্ডৰ ফালে গুচি গ'ল। আনকাল হোৱাৰ দৰেই আজিও কোম্পানী বান্ধত আবেলি হ'ল। টুকুৱে দুডাল বেণী গুঠি পুখুৰীপাৰত ফুৰিছে। শান্তাই দুদিন মানা কৰিছে। – সেইদৰে অকলে অকলে পুখুৰীৰ পাৰত ফুৰিব নালাগে। তই এতিয়া ডাঙৰ হৈছ টুকু। এতিয়া যেতিয়াই-তেতিয়াই ওলাই যোৱা ভাল নহয়।

ডাঙৰ হৈ উঠা মানেনো কি, আই?

মুখত হাঁহি নুগুচা এইজনী পাতগাভৰুক শান্তাই এতিয়া সকলো কথা ভেদ ভাঙি ক'ব খোজা নাই। কৈনো কি লাভ? ল'ৰাকাল গ'লেই, আৰু নাপায়। ফুটাই কয়– যা ফুৰি আহ, সোনকালে আহিবি কিন্তু।

যাম আৰু আহিম, আই।

লিলি স্কুলৰ পৰা আহি কাতি হৈ শুই ল'ৰা-ছোৱালীৰ কাৰণে পূজাত ওলোৱা শকত আলোচনী এখন পঢ়ি আছিল। শান্তাই আজি দুপৰৰ সময়ছোৱা অলপো টিপ মাৰিব নোৱাৰিলে। বিশ্বপতিৰ হাৰ্ডওৱেৰৰ দোকানৰ মানুহ আহি হৈ-চৈ কৰি মাটিৰ তলৰ পৰা টিউবৱেলৰ বাৰডাল পাইপ তুলিছে। একোডাল পাইপ চাৰি ইঞ্চি শকত। সেইবোৰ এতিয়া শিলিখাতলত পৰি আছে। এনেকুৱা এটা আবেলিতে এই গছজোপাৰ তলতে এজাক মৌ-মাখি নামি আহি বজ্জাতক ক্ষন্তেকৰ ভিতৰতে শেঁতা আৰু মৰা-মুছা কৰি পেলালে। মেকুৰীটোৰ চকু এটাও বেয়া কৰি পেলালে। শান্তাৰ হঠাৎ বৰ ভয় লাগিল– অ' বলাই, বলাই।

মাতোঁতেই ওলাই আহিল বলাই। কান্ধত গামোচা। হাতত টোপোলা।

যাৱ ক'লৈ?

মই যাওঁগৈ।

ক'লৈ? – কথাষাৰ কৈও ভিতৰত বেদনা অনুভৱ কৰিলে শান্তাই। বলাই এইখন ঘৰলৈ নিচেই সৰুতে আহিছিল। এতিয়া দুডাল-এডাল গোঁফ ঠুটিয়াইছে।

একেবাৰে।

তাৰ মানে?

গোটেই আবেলিটো শান্তাৰ চকুৰ আগতে যেন স্তব্ধ হৈ গ'ল।

বলায়ে মূৰ দাঙি চাবই পৰা নাছিল। তলমূৰকৈয়ে সি ক'লে— আপোনালোকৰ কষ্ট চাই থাকিব মই নোৱাৰোঁ। বাবুৱে যে কিয় খেতি কৰিবলৈ ল'লে!

সেইটো আমাৰ কথা। তই যাৱ ক'লৈ?

ৰাজমিস্ত্ৰিৰ যোগালী হ'ম।

ইটা কঢ়িয়াব পাৰিবি? হাড় ভাগি যাব।

শিকি ল'ম।

উমাক কোনে চাব?

চাবলৈ একো নাই, শুকান খেৰ খাবলৈ দিলেই হ'ব।

বাবুক কৈ নাযাৱ?

তেওঁৰ ওচৰলৈ নাযাওঁ।

তোৰ তিনি মাহৰ দৰ্মহা বাকী। চাৰি পাল্লা চাউলৰ দাম পাবি—

আই আহি লৈ যাবহি।

নগ'লে নহয় নে বলাই? এতিয়া নগ'লিয়েই জানিবা। এই ভৰ সন্ধ্যাকালত মই অকলে থাকিমনে?

আন সময়ত যোৱাই নহ'ব।

তেনেহ'লে যা। মাজে মাজে আহি থাকিবি। লিলিয়ে জানিলে কিন্তু বৰ কান্দিব।

এতিয়া নক'ব তাইক। ক'ব— কৃষ্ণলীলা নাট কৰিবৰ বাবে আগধন পাই বাহিৰলৈ গৈছে।

মিছা কথা ক'ব নোৱাৰোঁ, বলাই।

তেন্তে যি ইচ্ছা তাকে ক'ব। মই যাওঁ।

খৰখেদাকৈ বলাই গুচি গ'ল। শান্তাই একে ঠাইতে ৰৈ চাই থাকিল। পুখুৰীপাৰত এসোপা কাঁহী-বাটি তিয়াই থোৱা আছে। সি নিশ্চয় ঘঁহি থৈ গৈছে। শান্তাৰ ধাৰণা হ'ল—কিশোৰ-কিশোৰীবোৰ বৰ নিষ্ঠুৰ হয়।

বহুত ভাবি-চিন্তি অনাথে এখন চিঠি দিলে। বেংকৰ সুতৰ কিস্তিৰ তাগিদা আহিছে। চকু মুদি থকাৰ উপায় নাই। চিঠিখন বংশীলৈ দিছে— লিলিৰ হাতত। স্কুললৈ যাওঁতে বাটতে দি যাব।

বংশীৰ ভজা বস্তু বেচাটো এতিয়া চাইড-বিজিনেচ। বছৰটো শেষ নৌ-হওঁতেই সি এখন হ'লচেলৰ দোকান দিছে। পকা ঘৰ এটা লৈ তাত চাইনব'ৰ্ড মাৰিছে— কাপালি ষ্টোৰ্চ। মানুহে তথাপি তাক ভজা বস্তু বেচা দোকানী বুলিয়েই কয়। তাত আপত্তি নকৰে সি। সদায় মুখত হাঁহি নুগুচে। চাবোন কোম্পানী, চিগাৰেট কোম্পানী, তেল কোম্পানীৰ ভান আহি ৰয়হি দোকানৰ আগত।

লিলিক দেখি বংশী আগবাঢ়ি আহিছিল— কি লাগে— পেনচিল? ৰবৰ?

নালাগে। দেউতাই এই চিঠিখন দিছে।

কাগজখন হাতত লৈও চাবলৈ আজৰি পোৱা নাই বংশীয়ে। দুপৰীয়া দোকান বন্ধ কৰি ঘৰলৈ খাবলৈ গ'ল। ঘৰ মানে মুখাৰ্জীহঁতৰ লণ্ড্ৰিৰ পাছফালে থকা দুটা পকা ঘৰ, এখন বাৰান্দাও আছে। ৰাস্তাৰ পানীকলৰ পৰা ওষ্টই পানী আনে।

খাবলৈ বহি বংশীয়ে চিঠিখন ওষ্টৰ হাতত দিলে। – বসু ডাঙৰীয়াই দুহেজাৰ টকা বিচাৰিছে।

খাবলৈ বহোঁতেও বংশীৰ বহাৰ এটা ঢং আছে। তাত বৰ মানুহৰ ভাব-ভংগী ফুটি উঠে। দোকানৰ পৰা ঘৰ– এইকণ বাটো বিয়াৰ যৌতুকত পোৱা চাইকেলতহে বংশীয়ে অহা-যোৱা কৰে।

মই পঢ়িব নাজানো।

অ'। শুনা – পঢ়ি শুনাইছোঁ।

ওষ্টই কথালৈ কাণ দিয়া নাছিল। বজাৰৰ গেলা-পচা বস্তু এতিয়া আৰু মুখত দিব নোৱাৰে। মাছৰ বজাৰৰ নীলা মদাৰীসকলে সপ্তাহত ঘূৰাই দিয়া চৰ্তত বংশীৰ পৰা টকা হাওলাত আনে। সেইবাবে ভাল মাছ বা জীয়া মাছ ৰাতিপুৱাই বংশীৰ ঘৰলৈকে পঠিয়াই দিয়ে। আজিকালি বংশীৰ দুখ এটাই– খৰচ বৰকৈ বাঢ়িছে। ঘৰ ভাড়া কৰি থাকিবলগীয়া হোৱাত জমা টকা ওলাই গৈছে। ওষ্টই কৈছে– যিমান দিন বাচি থাকা, ভালকৈ বাচি থাকা। সি আৰু পেটত গামোচা বান্ধি থাকিব নোখোজে। সৰুৰে পৰা ইমান কষ্টত ডাঙৰ হৈছে যে এতিয়া আৰু তাৰ সেইবোৰ ভাল নালাগে। ডাঙৰ ৰৌমাছৰ মূৰটো মগু দাইলৰ মাজৰ পৰা দাঙি আনি গিৰিয়েকৰ কাঁহীত দিলে।

শুনিছানে?

হুঃ।

তুমি কাণেই দিয়া নাই।

কোৱাঁ, কি লিখিছে, বিপদত পৰিয়েই লিখিছে নিশ্চয়–

প্ৰিয় বংশী,

চাৰি মাহত ঘূৰাই দিয়াৰ চৰ্তত যদি টকাখিনি দিয়া তেন্তে মান ৰক্ষা হ'ব। মাহেকৰ মূৰত দৰ্মহা পালে কিস্তি কিস্তিকৈ পৰিশোধ কৰিম। যি সুত লাগে দিম। ইতি– তোমাৰ দাদা! ...

কি ভাবিছা তুমি?

কি ভাবিম আৰু? টকা যদি তোমাৰ আছে, দিয়া।

ঘূৰাই পামনে?

পইচা খোৱা মানুহ নহয়।

তুমিতো সকলোকে ভাল চকুৰেই চোৱা।

অনাথ বাবু বৰ ভাল মানুহ। – কথাষাৰ কৈয়ে ওষ্টৰ নিজৰ বিয়াৰ কথা মনত

পৰিল। – তোমাৰ সেই হাতঘড়ীটো তেৰেঁই দিছিল। মোৰ ককাইহঁতে ইমান দামী বস্তু পাব ক'ত কোৱা।

এইবাৰৰ সৈতে সত্তৰবাৰ ক'লা। ইমান দামী বস্তু নহয়।

সোণৰ হাতঘড়ী।

আঃ কিমানবাৰ কৈছোঁ – এইবোৰক সোণ নোবোলে। সোণ পানী চৰাই দিছে। এইবোৰ ঘড়ীৰ দাম দুশ-আঢ়ৈশ টকাৰ বেছি নহয়। – বংশীয়ে ভাত খাবলৈ লাগিল। ওষ্টই দুটুকুৰা মাছৰ পেটি দি মনে মনে ভাবিলে – দুশ-আঢ়ৈশ বেছি টকা নহয়? মানুহটোৰ ভাব-ভংগী বৰ বৰ মানুহৰ নিচিনা হৈছে। ৰাতি শোৱাপাটীত পৰি কিমান যে কথা কয়! পকা ঘৰ সাজিব। দুশ-আঢ়ৈশ-টকা– কম টকানে? তেষষ্ঠি টকাৰ বাবে ওষ্টহঁতৰ ঘৰ-ভেটি সাত বছৰ বন্ধকত আছিল। এইবোৰ হ'ল বৰ মানুহৰ ঢং। আজিকালি ৰাতি পীৰিতি কৰাৰ সময়ত ওষ্টই বংশীক ধেমালিতে কেতিয়াবা হ'লচেলাৰ বুলি মাতে। বংশীয়ে বৰ ভাল পায়। চাবোন কোম্পানীৰ মানুহৰ বাবে সি এজন ডাঙৰ হ'লচেলাৰ। কথাটো তাতেই সি শুনিছিল।

কি ঠিক কৰিলা? টকা দিবানে?

বংশীয়ে বেলেগ কথা ভাবিছিল। কাইলৈ দুপৰীয়া বাৰ বজাৰ ভিতৰতে বালিগঞ্জ গ'ডাউনত সাত হেজাৰ টকা জমা দি চালানখন ল'ব লাগিব। তাৰ পিছত টেম্পো ঠিক কৰি মোতিহাৰী ধপাতৰ বস্তা ৰেল ইয়ার্ডত দিবগৈ লাগিব। ঈশ্বৰীতলাৰ ষ্টেচন-বজাৰত এতিয়া তাৰ নাম ক'লে যি কোনো বস্তুৰেই দিব। দূৰ-দূৰণিৰ হাটৰ দোকানীবোৰ তাৰ ঘৰলৈ ফুৰিবলৈ আহে। ঘৰতে বহি সি খেয়াদা, মীনাখাঁ, নোনা-বিষ্টুপুৰলৈকে এইবোৰ ঠাইৰ বজাৰ-দৰৰ খবৰ পাই থাকে এতিয়া। কলিকতাতকৈ শতকৰা দুপইচা এৰি দিয়ে কাৰণে সকলো তাৰ ওচৰলৈ আহে। এনেকুৱা সুবিধা পালে কলিকতালৈ আৰু কোন যায়? সেইবাবে বংশীৰ বস্তুও বেছি বিক্ৰী হয়।

দিম। দিয়াটো ঠিকেই। কিন্তু কিহৰ সলনি?

অনাথ বাবুৰ লগত আৰু সলনি-তলনিৰ কাৰবাৰ নকৰিবা। মোৰে শপত–

টকাখিনি ঘূৰাই পাম নে নাপাম সেইটোওতো চাব লাগিব।

দিবহে, ঘূৰাই দিব। চকু মুদি তুমি দিব পাৰা। বৰ ভাল মানুহ তেওঁ। ছোৱালী দুজনীও কেনে ধুনীয়া! ঘৈণীয়েকহে অলপ খিংখিঙীয়া, নহ'লে সুন্দৰ সংসাৰ। বিপদত পৰিয়েই বিচাৰিছে। তুমি দিয়া। চকু মুদি দি দিয়া। মানী লোকৰ মান ৰাখিব লাগে এই সংসাৰত।

কিবা ভাবি বংশীয়ে হা-হাকৈ হাঁহি দিলে। ভৰিত পাম্পচু। আজিকালি সকলো সময়তে জোতা পিন্ধি থাকে। ঘটকপুখুৰীৰ তুলনাত ঈশ্বৰীতলাৰ ষ্টেচন-বজাৰ চহৰৰ নিচিনা। হ'লচেলাৰ বংশীয়ে যেতিয়া য'ত থাকে তেতিয়া সেই ঠাইৰে নিয়ম মানি চলে। একেবাৰে ভদ্ৰলোকৰ দৰে।

তামোলখন মুখত দি ক'লে— ল'ৰা-তিৰোতাৰ কথামতে সদায় চলে। টকাহে আচল কথা।

ৰাতি দোকান বন্ধ কৰি বংশীয়ে টকাখিনি লৈ অনাথবন্ধুৰ ঘৰ পালেগৈ। ভৰি চুই প্ৰণাম কৰিলে। হাঁহি এটা মাৰি ক'লে— আপোনাৰ চিঠি পায়েই আহিছোঁ। মনে মনে বহি থাকোঁনো কেনেকৈ?

কেইঘণ্টামান কথা-বতৰা পাতি টকাখিনি দি বংশী গুচি আহিল। অহাৰ সময়ত পোৱালিটোৰে সৈতে উমাক লগত লৈ আহিল — এন্ধাৰত টানি টানি খোজ কাঢ়ি, কোম্পানী বান্ধৰ ওপৰেদি।

বংশী যোৱাৰ পিছত শান্তাই ক'লে— দি দিলা?

বেংকেতো নেৰে, শান্তা।

সেইবুলি গাভিনী গৰু? এই সন্ধ্যাকালত? ইমান ভাল গৰু —

আকৌ টকা হ'লে কিনিম। — অনাথে জোৰ দিয়েই ক'লে।

আমাৰ আৰু টকা নহয়।

কিয় নহ'ব শান্তা? মই এতিয়াও বুঢ়া হোৱা নাই। আকৌ কাম কৰিম।

টকা হ'লেও এনেকুৱা গাই কিনি তুমি ৰাখিব নোৱাৰা। কিনিবা— আকৌ বেচিবা। কিয়?

তোমাৰ হাতত ভাল বস্তু নিটিকে। — এইদৰে কৈয়েই শান্তা ভিতৰলৈ গ'ল। ছোৱালী দুজনীয়ে নোখোৱাকৈ শুলে। আজিকালি সন্ধিয়া আৰু তেওঁৰ ৰান্ধিবলৈ ইচ্ছা নাযায়। ৰাতিপুৱাই হ'ক সন্ধিয়াই হ'ক, সেই আগৰ উছাহ আৰু শান্তাৰ নাই। অথচ ইয়াত মাটি কিনাৰে পৰা ঘৰ সজা, কোঠা সজোৱা, গোহালি কৰা— এই আটাইবোৰতে এটা সময়ত কিমান খাটিছে তেওঁ! অকণো গাত লগা নাছিল। সদায় ৰাতিপুৱা তেওঁৰ ধাৰণা হৈছিল— এইমাত্ৰ এটা সজীৱ দিন আৰম্ভ হ'ল। সমুখত কিমান কাম! খাটি খাটি সকলো কামৰ লেঠা মাৰি পেলাইছিল। তেতিয়া খাটনিক খাটনি যেনেই লগা নাছিল।

বাৰান্দাত কঠ এখনত মন মাৰি বহি আছিল অনাথ। বংশীৰ মানুহ আহি কাইলৈ পুৱাই ৰচিদখন লৈ যাবহি। নিজৰ নাম-চহী লিখি থ'ব লাগিব। নগদ আঠশ টকা। বাকী বাৰশ তিনি মাহত ঘূৰাই দিয়াৰ বন্দোৱস্তত ল'বলগীয়া হৈছে।

ল'ৰাটোৱে যেনেকৈহে ঘূৰি-মেলি গোটেইবোৰ ঘৰ চাইছিল— যেন গৰুজনীৰ লগতে ঘৰটোও পঘাৰে বান্ধি লগতে লৈ যাব -- টানি চেঁচৰাই। সেই সময়ত তেওঁৰ হাতঘড়ীটোৱেই বংশীৰ হাতত।

অনাথে কঠটোৰ পৰা উঠিব নোৱাৰিলে। বাৰান্দাত বহি থাকিয়েই বুজিব পাৰিলে— শান্তা ছোৱালীহঁতৰ কাষতে শুই থাকিল।

ইলেক্‌ট্ৰিক লাইটৰ কেউফালে জহকালিৰ নকৈ ওলোৱা পোক। ৰাতি ন বজাই নাই। গোহালি উদং। এনেকুৱা সময়ত মুকলি ঘৰত বহি উমাৰ কাণ লৰোৱাৰ শব্দ শুনা

গৈছিল ইমান দিন। শান্তায়ো নুবুজিলে। মই এটা ভাল কামৰ সপোন দেখিছিলোঁ। মিছা হ'ল। সেইটো কি কথা? আকৌ নহ'ব জানো?

বন্ধুসকল! উপস্থিত ভেয়েৰা[১]। আৰু বুনেৰা[২]!!

আপোনালোক সকলোৱেই জানে— সন্তোষ আৰু আমাৰ মাজত নাই।

ষ্টেচন আৰু বজাৰৰ মাজৰ এখন মুকলি ঠাই। তাত বৰষুণ পৰি পানী হয়। পানীত ভেকুলীৰ টোৰটোৰনি। আন সময়ত তাত ৰিক্সা ৰৈ থাকে। এতিয়া তাত মঞ্চৰ মাইকত হাত দি জনতাৰ প্ৰাৰ্থী দক্ষিণা চক্ৰবৰ্তী। তিনিশ মানুহে ঠেলাঠেলি কৰি বহিছে। আৰু পাঁচ দিনৰ পাছতেই ভোট। বক্তা— দক্ষিণা। শ্ৰোতাসকলৰ বেছিভাগেই ৰাস্তাটোৰ অ'ত-ত'ত থিয় হৈ আছে। ট্ৰেইনখন অহাত মানুহৰ ভীৰ বেছি হৈছে। মানুহ সেই একেবোৰেই। অনাথবন্ধুও তাত ৰৈ আছিল।

'ভেয়েৰা', 'বুনেৰা' শব্দ দুটা তিনিবাৰ শুনি অনাথে বুজিলে— ঈশ্বৰীতলাৰ প্ৰতি টান থকাটো বুজাবলৈকে তেনেকৈ দক্ষিণা চক্ৰবৰ্তীয়ে কৈছে। আচলতে ক'ব লাগে— 'ভাইয়েৰা', 'বোনেৰা'।

মাইকে চিঞৰি উঠিল।

ছহীদ সন্তোষে আপোনালোকৰ বাবেই প্ৰাণ বিসৰ্জন দিলে— প্ৰতিক্ৰিয়াশীলহঁতৰ আক্ৰমণত।

অনাথে ভাবিলে— সন্তোষক খৰি দিয়াৰ সময়ত আপোনালোককতো দেখা পোৱা নাই। পুলিচৰ লগত কেৱল ময়েই অকলে আছিলোঁ। ৰাজপুৰৰ মৰিশালিত। বডিটো কাপোৰেৰে ঢকা আছিল। মোৰ সমুখতে লাচ কটা ঘৰৰ পৰা পুলিচ ভানত তোলা হৈছিল। তেতিয়াতো আপোনালোক কোনো যোৱা নাই।

মাইকত শুনা গ'ল— এই প্ৰতিক্ৰিয়াশীলহঁতৰ কামৰ যোগ্য প্ৰত্যুত্তৰ দিব লাগিব বেলট বক্সত।

অনাথে ভোৰভোৰাই উঠিল— তাকে কোৱা। তাৰবাবেই এই শোকসভা। জগেন যাত্ৰা ষ্টেজত উঠিব খুজিছিল, ভলণ্টিয়াৰবিলাকে ধৰি লৈ আহিল।

ৰিটায়াৰৰ পিছত দক্ষিণাৰ মুখৰ তিনিটা আগ দাঁতেও ৰিটায়াৰ কৰিছে। সেইবাবে প্ৰতিক্ৰিয়াশীল কথাষাৰ কাণত পৰিছিলহি — প্ৰীতিক্ৰিয়াশীল বুলি। কথাটো সকলোৱে ধৰিব পাৰিছিল।

জগেন যাত্ৰাক টনা-আঁজোৰা কৰি ভলণ্টিয়াৰবিলাকে আঁতৰাই আনিবলগীয়া হ'ল। ফলস্বৰূপে মাইকৰ তাঁৰডাল এৰাই থাকিল। দক্ষিণাই নিজেই ৰেডিঅ'ৰ অনুকৰণত ঘোষণা কৰিলে— বিজুলীৰ বিজুতি ঘটাত সভা সাময়িকভাৱে স্থগিত থাকিল। আপোনালোক

---

[১] ভেয়েৰা- ভাইহঁত

[২] বুনেৰা- ভনীহঁত

কোনো নাযাব। সভাৰ শেষত আমি ঈশ্বৰীতলাৰ সকলো মেহনতী মানুহে একেলগে. ছহীদ সন্তোষৰ নামত শপত খামহঁক।

এনে সময়তে সঁচাকৈয়ে তাঁৰ ছিগি গ'ল। দুজন ভলণ্টিয়াৰে দাং-দোলাকৈ জগেন যাত্ৰাক লৈ যাওঁতে তাৰ বাঁও ভৰিখনত মাইকৰ তাঁৰডাল মেৰ খাই লাগি ধৰিছিল।

অনাথ ওলাই আহিল। বংশীৰ দোকানত ৰুটিৰ কাৰণে মানুহৰ লাইন। তাত এতিয়া কথা পতাৰ কোনো অৰ্থ নাই। এবাৰ ভাবিছিল— উমানো কেনে আছি জানি যাওঁ। তাইৰ খোৱা-বোৱা সম্পৰ্কে সেইদিনা কাপালিকক একো কোৱা নহ'ল। উমাৰ স্বভাৱটো ঠাণ্ডা।

লেৱেল ক্ৰচিং পাৰ হৈয়ে অনাথে বেয়া খবৰটো পালে। বিদ্যাধৰীৰ ডুবিটোৰ ফালে থকা আদিবাসী চুবুৰীৰ চৰ্দাৰৰ লেখীয়া মানুহটোৱে তেওঁক দেখিয়েই ভজা বস্তু বেচা দোকানখনৰ পৰা ওলাই আহিল। চকুকেইটা বৰকৈ মেলি সি খৰকৈ ক'লে-- আপোনাৰ ছাগলীজনী বাবু— সেই বুঢ়ী ছাগলীজনী ডাঙৰ চিগনেলৰ মুখতে এইমাত্ৰ ৰেলে দুছোৱা কৰিলে। মই দেখি আহিছোঁ—

তাৰ পিছত সি বৰকৈ হাঁহিবলৈ ধৰিলে। — দেহাটোকে টানিব নোৱাৰে বাবু। কয় যদি ছালখন বখলিয়াই দিওঁ। দাম পাব। মাংসখিনি কিন্তু আমাৰ। কয় যদি আদা-পিঁয়াজ কিনো। আপোনালোকেতো আৰু মাইকী ছাগলী নাখায়।

নাখাওঁ। — কৈয়েই মনত খেলালে— চামৰাৰ দৰ-দাম কৰা হোৱা নাই। ক'লে— চামৰাৰ বাবদ কিমান দিবি?

সেই একেই দৰ। ন-সিকি। কেনি যায় বাবু? বাবু—?

তই পিঁয়াজ কিনি আন। মই আহিম।

ৰেল লাইনেদি কেইখোজমান গৈ আকৌ ঘূৰি আহিল অনাথ। গৈনো কি হ'ব? একো লাভ নাই। আদিবাসী চৰ্দাৰৰ লেখীয়া মানুহটো তেতিয়াও ৰৈ আছে। নিশ্চয় শুক্লা। আজিকালি ভালকৈ খোজেই দিব নোৱাৰে। বলাই থাকোঁতে কেতিয়াবা চৰাই আনে, নহ'লে কঁঠাল পাত আনি মুখৰ আগত ধৰেহি। টনাটনি হ'লে তাইৰ নাতি-পুতি বেচি অনাথৰ সংসাৰ চলি গৈছিল। শুক্লাই কালি ৰাতিও বৰকৈ কাহিছিল।

আদিবাসী মানুহটোক মাতি সুধিলে— ছাগলীজনীৰ দাড়ি আছেনে? দেখাত বগা?

সেইবোৰতো চোৱা নাই বাবু। — কৈয়েই লাইনৰ কাষৰ দোকানীটোক ক'লে— আদা দিলিনে?

অনাথ ক'লে— মই আৰু নাযাওঁ। মাংসখিনি লৈ চামৰাৰ দামটো দি যাবি কিন্তু।

ষোল

ভোট বুলি দুদিন বন্ধ। এদিন দেওবাৰ। দুপৰীয়া খাই-বৈ লাইনত থিয় দি ভোট দিলে অনাথে আৰু শান্তাক লৈ ঘূৰি আহিল।

সেই ন-সিকি আদিবাসী মানুহটোৱে নিদিলেহি। পথাৰে পথাৰে অনাথে তাৰে তাগিদাত ওলাই গ'ল। ডাৱৰীয়া আকাশ। ডুবিৰ কাষৰ বট গছৰ তলত বাজিকৰক নাপালে। লৰালৰিকৈ উভতিব লাগিব। আজি সন্ধিয়া কালোৱাৰ বেপাৰী টিউবৱেলৰ পাইপ চাবলৈ আহিব। পছন্দ হ'লে আগধন দিব। কাপালিৰ বিৰক্তিকৰ নাকীসুৰীয়া কথা অনাথৰ আৰু ভাল লগা নাই। সেইবাবে অফিচলৈ যাওঁতে হিন্দ্ চিনেমাৰ পাছফালৰ বেপাৰীটোলাৰ বেপাৰীহঁতৰ দোকানলৈ পাইপৰ এটুকুৰা চেম্পোল লৈ গৈছিল। পছন্দ হ'লে সিহঁতে কিনিব। টকা যদি দিয়ে, বংশীৰ মুখখন আগতে বন্ধ কৰিব লাগিব। ল'ৰাটোৱে লগ পালেই কিবা নহয় কিবা এটা ক'বই।

ডুবিটোৰ দক্ষিণ পাৰেদি গৈ আছিল। বছৰৰ এই সময়ত ঈশ্বৰীতলাৰ জেকা ঠাইবোৰ বনৰীয়া গছেৰে ভৰি যায়। সেইবোৰৰ পৰা আঁতৰি চুৰিয়া কোঁচাই খোজ দিছিল অনাথে। অ' এইজনীতো শাক-পাত বিচৰা তিৰোতা নহয়!

অনাথ ক্ষন্তেক ৰ'ল।

প্ৰথমে ভাবিছিল-- দুখীয়া মানুহৰ ঘৰৰ কোনোবা ছোৱালী দুপৰৰ ছেগতে লুকাই শাক তুলিবলৈ আহিছে। ট্ৰেইনখন যোৱাৰ শব্দটো এইফালেও বিয়পি পৰিল।

ভালকৈ চাই অনাথ থমকি ৰ'ল। নিজক আবুৰত ৰখাৰ কোনো চেষ্টা নাই ৰিণিৰ। ঘনকৈ হোৱা বনৰীয়া ঘাঁহ-বনৰ ওপৰত বাগৰি আছে। তেওঁক দেখিও চকুৰ পানী নমচিলে। উচুপনিত গোটেই দেহাটো ওফন্দি উঠিছে। ঘাঁহ-বনত ঘঁহনি খাই বহল ক'লা পাৰিৰ তাঁতৰ শাৰীখনৰ ভালেমান ঠাইত সেউজীয়া দাগ লাগিছে।

অনাথে গৈ লাহেকৈ ধৰি দাঙিলে। কুমাৰী যদিও বয়স বেছি। — ক'ত শুই আছা দেখিছা নে নাই? — ঘাঁহ-বনৰ মাজত ৰিণিৰ মুখখন খহি পৰা ডাঙৰ গছৰ পাত যেন লাগিছে। চকুৰ পৰা একেৰাহে পানী ওলাই থকাৰ বাবে মুখৰ ওপৰত বহুত শুকান ৰেখা। সেইবোৰ আকৌ তিতি গ'ল। অনাথে দুখন হাতেৰে ধৰি থকা অৱস্থাতে ৰিণিয়ে বেজাৰ কৰি কৰি যি অসহ্য যন্ত্ৰণা সহ্য কৰিছিল, সি এটা সময়ত হুকহুকাই ওলাই আহিল।

কি হৈছেহে তোমাৰ? নিজক চম্ভালিব লাগিব ৰিণি। ইয়াত কাৰো একো দয়া-মমতা নাই। কোনেও ক্ষমা নকৰে। — এইদৰে কৈ অনাথৰ ধাৰণা হ'ল— তেওঁ মূৰ্খৰ দৰে এইবোৰ কথা কৈ আছে। ৰিণিক কোনেও একো বুজাব নোৱাৰে। উচুপনি আৰু মনোকষ্টত ধুনীয়া মুখখনে বৰষুণত অস্পষ্ট হৈ পৰা দূৰৰ কোনো প্ৰান্তৰৰ ৰূপ লৈছে।

সিহঁতে তেওঁক মাৰি পেলালে কেলেই অনাথ দাদা? বেছিকৈ মাৰ-পিট কৰিও এৰি দিব পাৰিলেহেঁতেন— আধামৰা কৰি! একেবাৰে শেষ কৰি দিলে কিয়?

এইবোৰ কথাৰ একো উত্তৰ নাই। ঘন-ডাঠ চুলিকোছা এচলীয়া মাটিত লাগি আছে। ধুনীয়া হাত দুখন কটা কল গছ হৈ কোলাতে পৰি আছে। উচুপনিত গোটেই দেহা ওফন্দি উঠিছে। কাৰোবাৰ বাহু দুটি যে ইমান ধুনীয়া হ'ব পাৰে, ইয়াৰ আগতে সেই কথালৈ অনাথে মনেই কৰা নাছিল— উঠি বহাঁ। দেখিলে মানুহে যে কি ভাবিব তাৰ ঠিক নাই।

জানো— ইয়াৰ বাবে মোৰ দেউতাই দায়ী। মোৰেই দেউতা। সদায় ওপৰৰ কোঠাত বহি পৰামৰ্শ। কিমান মানা কৰিছোঁ— সন্তোষদা, তুমি গুচি যোৱাঁ, গুচি যোৱাঁ। তথাপি নগ'ল।

তোমালোকৰ ঘৰতেইতো খাইছিল, শুইছিল।

মংগলবাৰে গোটেই দিনটো কাউণ্টিং চলিল। সেইদিনাই ৰাতি আঠ বজাত আকাশবাণী কলিকতাৰ পৰা ঈশ্বৰীতলা বিধানসভা কেন্দ্ৰৰ ভোটৰ ফলাফল জনা গ'ল। ৰেডিঅ'ৰ ঘোষণাই জনতাৰ প্ৰাৰ্থীৰ বুকু ভাঙি থৈ গ'লহি। দক্ষিণা বন্ধুবৰ্গৰ সৈতে বহি আছিল। এন্ধাৰ বাৰান্দাত। এখন খালী চেয়াৰত ট্ৰেনজিষ্টৰ। ভালকৈ শুনা গ'ল— দক্ষিণা চক্ৰবৰ্তীতকৈ সাতশ ভোটত আগ বাঢ়ি অনাদি ঘোষ জয়ী হৈছে। এন্ধাৰ বাৰান্দাখনত অৱস্থা আৰু গুপগুপীয়া হৈ পৰিল। কাৰো মুখত এষাৰো কথা নাই। অনাদি ঘোষ সদৰ থানাৰ মানুহ। এতিয়াই তেওঁৰ বিজয়ৰ মিছিল এইফালে আহিব।

দক্ষিণাই লাহেকৈ ক'লে— পাব্লিক বেইমান!

তাতে বহি থকা খয়েৰ খাঁ বোলা এজনে ক'লে— আমি ৰিকাউণ্টিং দাবী কৰিম!

ঠিক এই সময়তে বংশী কাপালি তাৰ গুদামঘৰত অকলে আছে। সি এতিয়া বলিয়াৰ দৰে হৈছে। ষ্টেচন-বজাৰত ডাঙৰ ৰাস্তাৰ ওপৰত দীঘলীয়া কোঠা এটাতে হ'লচেলৰ দোকান। দোকানৰ পাছতেই ডাঙৰ ডাঙৰ তিনিটা কোঠা— কাপালি ষ্টোৰ্চৰ গ'ডাউন।

ৰাতি আঠ কি চাৰে আঠ বাজি গৈছে। বংশী দোকানঘৰৰ পৰা গৈ গুদামত সোমাইছিল। চাবোনৰ বাকচ, বিস্কুটৰ টিন, ধপাতৰ বস্তাবোৰ ঠিকমতে ৰখা হৈছে নে নাই তাকে চাবলৈ বুলি গৈ বংশী মহা মস্কিলত পৰিল।

এফালে ষ্টেচনেৰি— মনোহাৰী বস্তু। তাৰ বিপৰীত ফালে ধপাতৰ বস্তাৰ দ'মে চিলিং চুইছেগৈ। মাজত অহা-যোৱা কৰিব পৰা সুৰুকীয়া বাট। জুইশলাৰ বাকচ আৰু নিমখৰ বস্তা অলপ সাধৱানে থোৱা হৈছে। কোঠাবোৰৰ ইলেকট্ৰিক লাইটৰ সিমান পোহৰ নাই।

এঠাইত বস্তা ফাটি ধপাতৰ পাত ওলাই আহিছে। এনেকৈ পাত ওলাই থাকিলে গোটেই বস্তাটোৱেই সেমেকি যায়। এটা বস্তা সেমেকিলে গোটেই দ'মটোৱেঁই সেমেকি যায়। বংশীয়ে অলপ চাপৰি গৈ ওলাই থকা পাতখন আঁজুৰি আনিলে— ছিঙি বাহিৰত পেলাই দিব।

কিন্তু বস্তাৰ পৰা আঁজুৰি আনোতে হাতত যিখিনি অহিল, সেইখিনি দেখি বংশীৰ চকু থিৰ। এখন পঞ্চাশ টকীয়া নোটৰ আধা। ভালকৈ লুটিয়াই-বগৰাই চালে। তাৰ পিছত ভিতৰৰ ফালৰ পৰা গ'ডাউনটো বন্ধ কৰি দিলে। বস্তাটোৰ সূতাৰ চিলাইটো অলপমান খুলি ল'লে। তাৰ পিছত চেনিৰ বস্তাত থকা চেম্পোল দেখুওৱা টিনৰ হেঁতাখন আনি সাৱধানে ধপাতৰ সেই বস্তাটোত ভৰালে। লগে লগে একেবাৰে বেংকৰ পিন মৰা নোটৰ মুঠা ওলাই আহিবলৈ ধৰিলে।

বস্তাটো তেনেকৈয়ে থৈ বংশী বাহিৰলৈ ওলাই গ'ডাউনৰ তলা বন্ধ কৰিলে। দোকানৰ পৰা যাওঁতে ৰাতি দহ বাজিল। তাৰ পিছত খাই-বৈ আকৌ যেতিয়া গুদামলৈ আহিল, তেতিয়া কলিকতাৰ লাষ্ট ট্ৰেইনখন গৈছে।

আটাইকেউটা বস্তাতে হেঁতা সুমাই বংশীয়ে চালে— চাৰিওফালৰ পৰা। দুবাৰ দুবাৰ চালে। মূৰৰ চুলি কপালত আহি পৰিছেহি। গোটেই কোঠাটোতে ধপাতৰ পাত সিঁচৰতি হৈ আছে। কপালৰ পৰা ঘামৰ টোপাল আহি চেলাউৰি দুটা তিয়াই নিলে। নাকৰ তলৰ গোঁফকেইডালো ঘামত তিতিছে। সেই অৱস্থাতে প্ৰথম বস্তাটোৰ মুখৰ মজিয়াখনতে বহিল।

তাৰ পিছত খোলা বস্তাটোৰ ভিতৰত হাত সুমাই সুমাই বস্তু উলিয়াবলৈ ধৰিলে। প্ৰায় আটাইবোৰেই ধপাত। বস্তাটো খালী হৈ গ'ল।

নোটৰ মুঠাবোৰ ইটোৰ পিছত সিটোকৈ সজাই থৈ বংশীয়ে চাৰিওফালে ঘূৰি-মেলি চালে— যেন কাপোৰ-ধোৱা চাবোনৰ থাকহে— ওপৰলৈ উঠি গৈছে। পিন মৰা টকাৰ মুঠা ত্ৰিশটা। পঞ্চাশ টকাৰ মুঠা বাইশটা। কুৰি টকাৰ মুঠাবোৰ দহ-পাঁচ টকাৰ মুঠাৰ লগত মিহলি হৈ আছিল। দুটকাৰ নোটৰ বান্দোল আটাইতকৈ শকত। এক টকাৰ নোটৰ মুঠাও তাৰ সমানেই।

বংশী কাপালিয়ে সুৰুকীয়া বাটটোতে চিৎ হৈ শুলে। হাতঘড়ীত ৰাতি তিনি বাজি পোন্ধৰ মিনিট। ওষ্ট বৰ টোপনি গধুৰা। আহিবৰ সময়ত কৈছে— বেগেতে আহিবাচোন। তাচ খেলিবলৈ নবহিবা।

ধপাতৰ বস্তাত নোটৰ মুঠা? ক'ৰ পৰা আহিব পাৰে? মোতিহাৰীৰ শুকান পাতৰ চালান। ডাঙৰ ডাঙৰ গাদীৰ পৰা মালগাড়ীত উঠোৱা হয়। কোনোবা দোকানৰ মালিকে হয়তো ধপাতৰ বস্তাত লুকাই থৈছিল। বেংকৰ পৰা উলিয়াই অনা নোটৰ বান্দোল। বংশীয়ে বাতৰি কাকতত পঢ়িছে— ডাঙৰ ডাঙৰ মানুহৰ টকা-পইচাৰ হিচাপ বেংকত চোৱা হৈছে। তেনেকুৱা কোনোবা দোকানৰ মালিকেই বেংকৰ টকা উলিয়াই এনেকৈ বস্তাত থৈ দিছিল। তাৰ পিছত মুটীয়াবিলাকে লুকাই থোৱা টকাৰে সৈতে ধপাতৰ বস্তা ৰেগনত তুলি দিছে। সিহঁতেনো জানিব কেনেকৈ?

চাবোন আৰু চাহৰ বাকচৰ ওপৰৰ পৰা দুটা পঁইতাচুৰুণী নামি আহি বংশীৰ হাত-কটা চোলাটোৰ ওপৰতে ৰ'লহি। এতিয়া নুঠিলে আৰু নহ'ব। টোপনি আৰু ভাগৰে তাক জুমুৰি দি ধৰিছিল। তথাপি উঠি বহিল। বৰবজাৰৰ পৰা বস্তু অনা-নিয়া কৰা দুটা ডাঙৰ ডাঙৰ বেগত সাৱধানে বস্তুখিনি ভৰালে। ৰাতিপুৱাই মানুহ লগাই ধপাতৰ বস্তাবোৰ আকৌ সজাই থ'ব লাগিব। এতিয়া ওলাই যোৱাৰ দৰকাৰ। আৰু অলপ সময়ৰ ভিতৰতে মাছৰ নীলাম আৰম্ভ হ'ব। গ'ডাউনত তলা লগাই ওলাই আহোঁতে দুইখন ভৰি একেলগে থৰ্‌থৰ্‌কৈ কঁপি উঠিল। পোহৰ হোৱাই নাই তেতিয়াও। বজাৰৰ ইলেক্‌ট্ৰিক লাইটৰ পৰা ক্ষীণ পোহৰ আহি এইফালে পৰিছেহি। মুখাৰ্জীহঁতৰ চুৱা-পাতনিত গজা দীঘল

দুজোপা মানকচুৰ সেউজীয়া পাতৰ মাজত এটা বগা পোহনীয়া মেকুৰী জঁপিয়াই পৰিল। বংশীয়ে ভয় খাই 'পিতাই, ঔ' বুলি গ'ডাউনৰ ৰালত আঁঠু দি বেয়াকৈ পৰিল। উঠি বহোঁতে সময় ল'লে।

সেইদিনা আৰু দোকান খোলা নহ'ল বংশীৰ। দুপৰীয়া জ্বৰ উঠিল। আবেলি মূৰৰ শিতানৰ ফালে থকা খিৰিকিয়েদি দেখিলে— বাঁহনিখন আৰু আমৰ বাগানৰ মাজৰ ফাকটো পূৰ কৰি পাঁচ বাজি কুৰি মিনিটৰ সেউজীয়া ইলেক্‌ট্ৰিক ট্ৰেইনখন ধান খেতিৰ মাজেদি সাঁতুৰি সাঁতুৰি যেন গৈ আছে। আগত কলিকতা।

ৰাতি দহ বজালৈকে সন্ধ্যাৰ পিছত কি খালে মনত পৰা নাছিল। মূৰৰ ওচৰত এবাৰ যেন ওষ্টৰ মুখখন দেখা পালে— ছয়াঁময়াকৈ। বংশীয়ে এবাৰ ক'লে— বজাৰ কৰা মোনাখন ক'ত থ'লা? সাৱধানে থৈছাতো?

লেপ-তোছকৰ বাকচত। একো ভয় নাই। তুমি এতিয়া শুই থাকা।

বংশীয়ে নিশ্চিন্তে কাতি হৈ শুলে। অলপ পিছতে দেখিলে— সিহঁতৰ ঘটকপুখুৰীৰ পৈতৃক ভেটিলৈ ঘৈণীয়েকক লৈ বংশী ফুৰিবলৈ গৈছে। তামোলবাৰীত দুৰ্গা পূজাৰ বাজনা বাজি আকৌ যেন উভতি আহিছে। সন্ধিয়াৰ জোনাকত পুখুৰীঘাটত গা ধুবলৈ যাব।

আই জীয়াই আছে। ৰান্ধনী ঘৰৰ পৰা চিঞৰি আয়ে ক'লে— সাৱধানে খোজ দিবি। বৰ পিছল। ঘাটৰ চিৰিত ভৰি দি চক খাই উঠিল বংশী। চিমেণ্টেৰে পকা কৰা ডাঙৰ চোতাল এখনত চিকা ৰূপ, আধলি, সিকি, হালধীয়া বিশ পইচা দ'ম হৈ পৰি আছে। মাজত দ'মাই থোৱা আছে নৈবেদ্য। সোঁ-ফালে এৰেহা। অলপ কুঁজা হৈ এমুঠি তুলি ল'ব খুজিও পিছুৱাই আহিল। গোটেই গাতে বগা ৰঙৰ শিকলিৰ চাপ। বৰ দীঘল সাপ এডাল গা-মূৰি দি লাহে-লাহে পুখুৰীত নামিল— পৰি থকা সিকি-আধলিবোৰৰ ওপৰেদি।

কেইদিনমানৰ বৰষুণৰ সুযোগ পাই গোটেই অঞ্চলটোতে মানুহে হাল জুৰিছে। ব'হাগ, জেঠ, আহাৰ— এই তিনি মাহত ঈশ্বৰীতলাৰ বহুতেই সোনকালে হোৱা বিধৰ তিতা মৰাপাট কৰে। সেইবোৰ কাটি আচল বাৰিষাত ধান সিঁচিব।

দক্ষিণাৰ পত্নীয়ে দক্ষিণাক ক'লে— এইবাৰ মাটি চহোৱা। এটুকুৰা মাটিও এইবাৰ পেলাই থোৱাটো ঠিক নহ'ব।

ৰাতিপুৱা চাহৰ লগত মুড়ি খায় দক্ষিণাই। তাকে বিচাৰি আহিছিল ভিতৰলৈ। দক্ষিণাতকৈ তেওঁৰ ঘৈণীয়েক ডাঙৰ ঘৰৰ জীয়ৰী। জনতাৰ প্ৰাৰ্থী দক্ষিণা চক্ৰবৰ্তীয়ে আজি ইমান দিনে তেওঁক কৈ আহিছে— ৰ'বাচোন, এবাৰ মন্ত্ৰী হৈ কি কৰোঁ চাই লোৱা।

এতিয়া দক্ষিণাৰ পানীত হাঁহ-নচৰা অৱস্থা। সেইবাবে ঘৈণীয়েকৰ কথা শুনিবলগীয়া হৈছে। ঘৈণীয়েকে প্ৰায়েই কয়— তোমাৰ জনতা ক'লৈ গ'ল? মুড়িৰ ধান, আখৈৰ ধান, বছৰটোৰ জোখাৰে খোৱাৰ ধান— সকলো বেচি ভোটত নামিলা। এতিয়া তোমাৰ সংসাৰ

চাব কোনে? তিনিজনীকৈ ছোৱালীৰ বিয়াৰ বয়স উকলি গ'ল। কোনোবাফালে চকু দিছানে?

অলপ মুড়ি হ'বনে?

ঘৈণীয়েকে জানে– ছোৱালীহঁতৰ দেউতাকে চাহৰ লগত মুড়ি খায়। সেইবাবে সপ্তাহটো জোৰাকৈ সুকীয়াকৈ মুড়ি ভাজি থয়। একাঁজলি মুড়ি আনি দক্ষিণাৰ প্লেটত দিলে। – ভোটৰ কাৰণে কিনা গাড়ীখনক আগতে বিদায় দিয়া।

দক্ষিণাই একো নকৈ বাৰান্দাত গৈ বহিল। তেওঁ জানে– এইখন গাড়ী বেচিব নোৱাৰি। পুৰণা লোহা-লক্কৰ বুলিহে যদি কোনোবাই কিনে। বাইশ বছৰৰ আগৰ গাড়ী। চলে ঠিকেই। মাজে মাজে অচল হয়। এইবোৰ বস্তুৰ কিনোতা নোলায়। স্প'ক লগোৱা ৰিঙৰ চকা আজিকালি বৰকৈ ৰাস্তাত নেদেখি।

প্ৰেক্‌টিকেল বহীত ছবি লগাবলৈ বিকাশে আঠাৰ বটলটো বিচাৰি আনিবৰ বাবে ছাদৰ ওপৰৰ সৰু কোঠাটোত সোমাইছিল। ওলাই আহোঁতে দেখিলে– ছাদৰ আঁৰ-বেৰ থকা ঠাই এটুকুৰাত ৰেলিঙত আঁউজি বহি বহিয়েই ৰিণিয়ে বমি কৰিছে।

কি হৈছে, মাজু বাইদেউ? তোৰ গা বেয়া নেকি?

ৰিণিয়ে ওকালি বন্ধ কৰি ক'লে– একো হোৱা নাই। তই নামি যা তললৈ।

তোৰ হৈছে কি? মোক কচোন, মাজু বাইদেউ।

তোক নামি যাবলৈ কৈছোঁ, যা।

বিকাশ নামি গ'লত ৰিণিয়ে বৰকৈ বমি কৰিলে। বুকুখন ধপ্‌ধপাইছিল। তাইৰ এতিয়া হৈছে কি তাই জানে। ইয়াক বাধা দিয়াৰ কোনো উপায় নাই। ছাদৰ পৰা নামি আহিবৰ সময়ত ভাবিলে– ঠাইখন পানী দি চাফা কৰোঁ। কিন্তু পানী ওপৰলৈ তুলি আনিব কোনে? ৰাতিপুৱাৰ ৰ'দত ৰিণিৰ মূৰ ঘূৰালে। চিৰিৰে নামোতে এন্ধাৰ দেখিলে। আপোন মনে ক'লে– যি হয় হ'ক, যি দেখিব সি ভাবিব– মেকুৰীয়ে বঁটিয়ালে। তাই এতিয়া পশুহে– ভাৰবাহী পশু মাত্ৰ।

আবেলি টুকু ডিচটেণ্ট চিগনেল পাৰ হৈ একেবাৰে মানুহ-দুনুহৰ ভীৰ এৰি মুকলিৰ ৰেলৰ চিৰিত বহি আছিল। তাই দুবাৰ উঠিবলগীয়া হৈছে। দুবাৰ ট্ৰেইন গৈছে। সন্ধিয়ালৈ বিকাশ আহি ওলালহি। তাই তেতিয়া উভতিছিল।

ৰ'বা, কেনি যোৱা? মই আহিছোঁহে।

নৰওঁ। এন্ধাৰ হ'ব। মই যাওঁ।

এঃ টুকু। ইমান দূৰ বাটকুৰি বাই আহিলোঁ, আৰু তুমি গুচি যাব খুজিছা।

মোৰ মনটো ভাল নহয়।

মোৰো মনটো ভাল নহয়, টুকু।

টুকু ৰৈ গ'ল।

অলপ সময়ৰ ভিতৰতে ৰেলৰ চিৰি নেদেখা হৈ আহিল। সিহঁত দুয়ো ঠিক

কৰিলে— খোজ কাঢ়িয়েই পাছৰ ষ্টেচনটোলৈ গুচি যাব। তাৰ পৰাই ৰেলত উঠি ঈশ্বৰীতলা পাবগৈ।

বুজিছা টুকু, আমাৰ ঘৰখন তেনেই ৰসাতলে গ'ল।

ভোটত হাৰি নেকি?

নহয়, সন্তোষদা মৰি। দেউতায়ো আনকি পাহৰিব পৰা নাই। ৰিণি বাইদেৱে আজি যেনেকৈহে ছাদত বহি আছিল—

অলপ সময় দুয়ো কথা ক'ব নোৱাৰিলে। খোজ কাঢ়ি গৈ থাকোঁতে সৰু নৰ্দমাৰ ওপৰত সৰু সৰু দলং পাইছিল। সেইবোৰ পাৰ হৈ পোন ৰাস্তা পালে। টুকুৱে ক'লে— আমাৰ ঘৰৰ অৱস্থাও ভাল নহয়। দেউতাই সদায় মনে মনে থাকে। বেংকৰ চিঠি পাইছে। দেউতাই নপঢ়াকৈয়ে ফালি পেলায়।

মোৰ যদি এটা চাকৰি থাকিলহেঁতেন, বাইদেউহঁতক লৈ মই বেলেগে ঘৰ সাজি থাকিলোহেঁতেন। ককাইদেৱে যে কেতিয়া নিজৰ ভৰিত থিয় দিব—

মোৰতো এতিয়াও কলেজত পঢ়াই নহ'ল। কেতিয়াকৈ যে দেউতাক সহায় কৰিব পাৰিম! আই বৰ খিংখিঙীয়া হৈ পৰিছে।

তোমাক বিয়া কৰোৱাৰ পিছত তোমাৰ মাৰাক আমাৰ তালৈ লৈ যাম।

যাঃ! — বুলি কৈ টুকুৱে মুখখন এফলীয়া কৰিলে।

আৰু এটা বছৰ। গ্ৰেজুৱেট হৈয়েই চাকৰিৰ বাবে পৰীক্ষা দিম।

তোমাৰ দেউতাৰাই তোমাক দিব নে চাকৰি কৰিবলৈ?

বলিয়া হৈছা নে কি? মই দেউতাৰ মাটি-বাৰীকে খামুচি পৰি থাকিমনে? তাৰ কাৰণে ককাইদেউ আছে নহয়।

তেনেহ'লে তুমি ক'ত থাকিবা?

নতুন নতুন ঠাইত ফুৰিম। আমি দুয়ো ন-ন ঠাই চাম।

তেনেহ'লে ঈশ্বৰীতলাৰ কি হ'ব?

ঈশ্বৰীতলা যেনে আছে তেনেকৈ থাকিব। জীৱনৰ এয়ে নিয়ম।

তুমি আজি বৰ জটিল জটিল কথা কৈছা।

বিকাশে উত্তৰ দিবলৈ সময়েই নাপালে। ওচৰতে ষ্টেচনৰ লাইটৰ পোহৰ। হো-হোৱাই ইলেক্‌ট্ৰিক ট্ৰেইন আহি ৰ'লহি। আপ ট্ৰেইন। ঈশ্বৰীতলা হৈ কলিকতালৈ যাব। বিকাশে মৰোঁ-জীওঁ-সোঁ-আধিকৈ দৌৰিছে দেখি টুকুৱে সুধিলে— দৌৰিছা কিয়? ডাউন ট্ৰেইনৰ সৈতে ইয়াত ক্ৰচিং হ'ব।

সিহঁত দুয়োটা গৈ এটা ডবাতে বহিল। সিহঁতে ঠিক কৰি থৈছে— ট্ৰেইনখন ঈশ্বৰীতলা পালেই দুয়ো দুখন দুৱাৰেদি নামি যাব। মানুহ বুলিবলৈ প্ৰায় নায়েই।

এবাৰ ঘড়ী চাই বিকাশ অস্থিৰ হৈ উঠিল— কি হ'ল? ইমানপৰতো আনকালে ট্ৰেইন নৰয়।

টুকুও অস্থিৰ হৈ পৰিছে। এন্ধাৰে এন্ধাৰে কোম্পানী বান্ধেদি ঘৰলৈ যোৱাটো মাকে ভাল নাপায়।

সৌৱা, ট্ৰেইন আহিছেই। — ৰেলখন আহি কাষৰ চিৰিত ৰ'লহি। এজন লজেন্স বেচা মানুহে ডাউন ট্ৰেইনৰ ডবাৰ পৰা ওলমি ওলমিয়েই আহি বিকাশহঁতৰ ডবা পালেহি। মাজ বয়সীয়া মানুহ। কলেজলৈ যাবৰ সময়ত বিকাশে ডবাত দহ পইচাৰ তিনিটা বুলি মানুহটোৱে চিঞৰা শুনিছে।

গাড়ী লেট্ কিয়, ভাই?

চুইচাইড বাবু, চুইচাইড! ডাঙৰ মানুহৰ কথা। টেঙা লজেন্স দিম?

বিশ পইচাৰ ছটা লৈ বিকাশে এখন এটকীয়া নোট আগবঢ়াই দিলে। মানুহটোৱে ভাঙনি দিওঁতেই ক'লে— ঈশ্বৰীতলাত সোমাওঁতে প্ৰায় এঘণ্টা ৰেলখন ৰৈ আছিল। ছোৱালীৰ কেচ— মূৰত দুখ পাইছে।

খুচুৰাখিনি পকেটত থৈ বিকাশে সুধিলে— মৰিল নেকি?

হুইচেল দি ট্ৰেইন এৰিলে। মানুহটোৱে ওলাই প্লেটফৰ্মত জঁপিয়াই নামি ক'লে— ভোটত যে উঠিছিল দক্ষিণা চক্ৰবৰ্তী— তেওঁৰে ছোৱালী বাবু, একেবাৰে পিঠা কৰি পেলাইছে।

কি?

ট্ৰেইনখন তেতিয়া জোৰেৰে গৈছে। টুকুৱেও শুনিছে। তাই অকণো দেৰি নকৰি পাছৰ পৰা দুহাতেৰে বিকাশৰ কঁকালত সাৱটি ধৰিলে। ডবাটোত আৰু এজন মানুহ আছিল— ভিক্ষাৰীৰ লেখীয়া। মূৰত কাপোৰ এখন মেৰাই থৈছে। এনেকুৱা দৃশ্য সি কোনোকালে দেখা নাই। ভয়ত মানুহটো থিয় হ'ল। টুকুৱে বিকাশক ধৰি ৰাখিব পৰা নাছিল। বিকাশে উঠি বেগাবেগিকৈ খোজ দিছেহে, এনেতে ট্ৰেইনখনে এটা দীঘলীয়া হুইচেল দিলে। তাৰ লগে লগে বিকাশে — ৰিণি বাইদেউ..... উ- উ- বুলি চিঞৰত গগন ফালিলে। হুইচেল বন্ধ হ'লত নিজৰ চিটত বিকাশে থপচকৈ বহি দিলে।

ট্ৰেইনখন তেতিয়া ঈশ্বৰীতলাত সোমাইছেহি।

আঘোণৰ শেহলৈ উমাই চেঁউৰী পোৱালি দিলে।

দুপৰীয়া অনাথৰ মুখত খবৰটো শুনি শান্তা গৰগৰাই উঠিল — আমাৰ ইয়াত থকা হ'লে নিশ্চয় দমৰা পোৱালি দিলেহেঁতেন। তোমাৰ যে কপাল আৰু!

অনাথে শুনিলে, মুখেৰে একো নক'লে। টুকুৱে টেষ্ট পেপাৰ লৈ নন্দ বাবুৰ কোচিং ক্লাচলৈ পঢ়িবলৈ গৈছে। আজিকালি লিলিয়েও তাইৰ লগতে যায়। এলজেব্ৰা বুজিবলৈ তায়ো গৈছে বায়েকৰ লগত।

তুমি অফিচলৈ নোযোৱা?

নাযাওঁ।

এতিয়া যদি চাকৰিটো যায়, তেতিয়া আৰু হ'লেই! ডিঙিলৈকে ইমানবোৰ ধাৰত পোত খাই আছা!

শান্তাৰ মুখলৈ নোচোৱাকৈয়ে অনাথে ক'লে— ৰিণি জীয়াই থকা হ'লে তাই ল'ৰাৰ মাক হ'লেহেঁতেন, নহয় জানো?

শান্তাই উগ্ৰমূৰ্তি ধৰি আছিল। এসোপা কাপোৰ সিজাই দিছে। লাহেকৈ ক'লে— এতিয়া নহয়, আৰু দুমাহৰ পিছত। পোষ্টম'ৰ্টেমত ভ্ৰূণ পাইছিল। — আঙুলিপাবত লেখি শান্তাই ক'লে— দুমাহ নহ'লেও অন্ততঃ পাঁচ সপ্তাহৰ পিছতে ৰিণি মাক হ'লহেঁতেন। গা ধুই আহাঁ। মই বহুত কাপোৰ ধুব লাগে।

কাপোৰ-কানি ধুই খাই লোৱা। মোৰ ভোক নাই।

উঠিলা যে! এতিয়া যোৱা ক'লৈ?

যাওঁ। ডুবিৰ কাষৰ বট গছৰ তলৰ ফালে ফুৰি আহোঁ।

বাজিকৰ ঘূৰি অহা হ'লে তোমাৰ খবৰ ল'লেহেঁতেন। গাটো ধুই খাই যোৱা। মোক আৰু জ্বলাই নল'বা।

ভোক নাই। ডুবিতে গাটো ধুই ল'ম।

বট গছৰ তলৰ ছাঁতে মহম্মদ বাজিকৰক পালে। পালে— জগেন যাত্ৰাকো। বাজিকৰে ক'লে— চাওক বসু ডাঙৰীয়া, স্মৃতি হেৰুৱাই মানুহ বলিয়া হয়, অঁকৰা হয়, বোবা হয়; কিন্তু প্ৰাণটো ৰক্ষা কৰাৰ ইচ্ছা নেহেৰুৱায়। সেই ইচ্ছা সকলো অৱস্থাতে সাৰে থাকে। বলিয়া মানুহ, কিন্তু আপোনালোকৰ জগেন যাত্ৰাই কেনেকৈ সাপ নচুৱাইছে চ'ক।

এডাল ফেঁট তোলা সাপক জগেনে অনায়াসে খং তোলাইছে, নচুৱাইছে, পাশা খেলাদি খেলিছে।

বিষ নাই নেকি?

নাই মানে? এই অলপতে ধৰা। কিন্তু জগেনে কেনেকৈ শিকি পেলাইছে, চ'ক।

অনুগ্ৰহ কৰি পাচিত ভৰাই থ'ক। মই এইবোৰ চাই থাকিব নোৱাৰোঁ।

বাজিকৰে জগেনক কিবা ইংগিত দিলে। — ঘৰ-দুৱাৰ, যাত্ৰাপাৰ্টি সকলো পাহৰি গৈছে। কিন্তু চ'ক, জীয়াই থাকিবলৈ নিজক ৰক্ষা কৰাৰ কায়দাটো পাহৰিব পৰা নাই। মানুহৰ সকলো হেৰাই যায়। স্মৃতিও হেৰাই যায় ; কিন্তু জুইৰ লগত, সাপৰ লগত কি আচৰণ কৰিব লাগিব মানুহে তাক সহজে নাপাহৰে।

পাচিটোত সাপডাল সুমাই থৈ জগেনে ইচ্ছামতে ইজোপা-সিজোপা গছৰ গাত হাত বুলাই আছিল। দূৰৰ পৰা জগেনক এই গছ-গছনিৰ লগৰে বুলি অনাথৰ ধাৰণা হৈছিল। ইমান আপোনপাহৰা হৈ গছৰ গাত মূৰ লগাইছে, হাত বুলাইছে!

মই ইয়াত নাথাকিম বাজিকৰ ডাঙৰীয়া।

গুচি যাব? কি কৈছে আপুনি? মই ইমানবোৰ ঠাই ফুৰি শেহত যে ঈশ্বৰীতলাৰ মোহত ঈশ্বৰীতলাতে থিতাপি ল'লোঁহি।

অনাথে একো নামাতিলে। তেওঁ প্ৰায় এঘাৰ বছৰ ইয়াত আছে। তেওঁৰ নিজৰ বয়স্ চল্লিশ পাৰ হৈ তিয়াল্লিশত সোমাইছে। ইয়ালৈ ত্ৰিশ-একত্ৰিশ বছৰ বয়সত আহিছিল। তেতিয়া মনত কিমান আশা আছিল!

মোৰ কাৰণে গুচি যাব খোজা নাইতো!

সেইটো বলিয়ালি হ'ব।

নহয়, ময়েইতো আপোনাক দুনিয়াখনক জানিবলৈ একেলগে খেতি কৰিবলৈ কৈছিলোঁ। ধাৰত পোত গ'ল—

নহয়, সেইটো নহয়। টিউবৱেল বেচি বেছিভাগ ধাৰ মাৰিছোঁ। এতিয়া যিখিনি আছেগৈ, কিস্তিত পৰিশোধ কৰিব পাৰিম। কিন্তু আচলতে, এতিয়া মোৰ ভাল লগা নাই।

গুচি য'ক। আকৌ ঘূৰি আহিব। মইতো বহুত ঠাইৰ পানী খালোঁ, বসু ডাঙৰীয়া। ইয়াৰ পৰাও হয়তো এদিন প্ৰস্থান কৰিব লাগিব। নহ'লে এই ডুবিটোৰ কাষতে দেহা পেলাম। গাঁত এটা কৰি মোক ভিতৰত কোনোবাই থৈ দিব। সকলোৱে দুমুঠিকৈ মাটি দিব তাত।

জাৰকালিৰ দুপৰৰ ডুবি। এনেকৈ বিদ্যাধৰীৰ এই ডুবিটোত অনাথে কেইবাটাও জাৰ পৰা দেখিছে। একেদৰেই পৰি থাকে পানীৰ ইমান ডাঙৰ আস্তানা, তাক বেৰি থকা গছ-গছনিৰ এই বিৰাট সমাৰোহ কিমান দিনৰ বা কোনে জানে! গছ বুঢ়া হয়, নতুন গছ থৈ যায়। দূৰ-দূৰণিৰ পৰা জাকে জাকে চৰাই আহি তাৰ পানীত ওপঙি ফুৰে, খেলে।

আপুনি জানেনে বসু ডাঙৰীয়া, মই এই ডুবিটোৰ পাৰলৈ ত্ৰিশ বছৰৰ আগতে এবাৰ আহিছিলোঁ।

অনাথে ৰ' লাগি চাই থাকিল।

আমাৰ উপৰিপুৰুষ কোনোবা হয়তো ইয়াত কেতিয়াবা আছিল। ইলমবজাৰলৈ যাওঁতে পোৱা অজয় নৈত এতিয়া দলং দিছে। তেতিয়া একো নাছিল। শালকাঠনিৰ নিচাই পাইছে তেতিয়া মোক। টান মাটি খান্দি খান্দি তাৰ ভিতৰত বিষাক্ত সাপবোৰ ধৰোঁ। সন্ধিয়া হ'লে আল্লাতালাৰ নাম লওঁ। তেতিয়া নাম-গান খুব গাইছিলোঁ। গোৰস্তানত, শ্মশানত ঘূৰি ফুৰোঁ— যদি কিবা শিকিব পাৰোঁ।

এঠাইত তিনি ৰাতি নৈত ওপঙা মৰা শ দাঙি আনি যাদুৰ মন্ত্ৰ-তন্ত্ৰ শিকিবলৈ ধৰিলোঁ। গাভৰু ছোৱালীৰ মৰা শ। বুকুৰ ওপৰত বহি ভজা চাউল, গোট কৰাই মৰা শৰ মুখত দলিয়াই দিওঁ। ঘোপমৰা এন্ধাৰ। গোটেই গোৰস্তানতে ক'তো এটাও চাকি জ্বলা নাই। ওচৰৰ গাঁৱৰ ফাঁপৰে ধৰা কুকুৰবোৰে ভুকি আছে মাত্ৰ। নৈৰ পাৰে পাৰে বীৰভূমৰ দুখীয়া গাঁও। ৰাতি এঘৰতো পোহৰ নাই।

অলপ পিছতে দেখিলোঁ-- নৈলৈকে বিস্তৃত গোৰস্তানত পানী সোমাইছে। যাৰ বুকুত বহি আছোঁ, তাইৰ মুখত মোৰ দুই নম্বৰী বাংলাৰ মন্ত্ৰ মাতি অলপমান দলিয়াই দিওঁতেই বুজিলোঁ— ছোৱালীজনীয়ে হাঁহিছে আৰু মৰ্‌মৰ্ কৰি গোট কৰাই চোবাইছে।

তেতিয়া নৈৰ পৰা নানা তৰহৰ প্ৰাণী উঠি আহিছে। শই শই। সকলো যেন ওৰণি লোৱা। অলপ পিছতে সিহঁত আকৌ এটা হৈ পৰিল। ইমান যে ৰূপহী, আপোনাক কি ক'ম! এতিয়াও চকুৰ আগত দেখি থাকোঁ। চাই দেখোঁ— এ, তাইৰ বুকুতে দেখোন বহি আছোঁ। তেতিয়াই যোগাসন নষ্ট হৈ গ'ল।

পিছদিনা পুৱাহে জ্ঞান পালোঁ। তেতিয়াও পোহৰ হোৱা নাই। গোৰস্তানৰ পৰা নৈ পালোঁহি। পানী বহুত দূৰত। পিয়াহত অন্ঠ-কণ্ঠ শুকাইছে। খোজ কাঢ়ি নৈৰ বালিচৰ পাৰ হৈ মুখ দিব খুজিছোঁ, এনে সময়তে কোনোবাই ধমক দি উঠিল।

তই ইয়াত কি কৰিছ? ঘৰলৈ যা। তোৰ সময় হোৱা নাই এতিয়া। মই নথকা হ'লে কালি মৰিলিহেঁতেন। আকৌ আসনত বহিব খুজিছ!

ভালকৈ চালোঁ। হিন্দু ঘৰৰ বৰদেউতাজনক দেখাত যেনে লাগে তেনে চেহেৰা। দীৰ্ঘ-দেহী। ভৰিত খৰম। বালিৰ ওপৰত থৈ পানী খাইছিল। ক'লে— সময় হ'লে আহিবি। বাৰু, তোৰ ঘৰনো ক'ত?

ক'লোঁ। মোৰ কথা শুনি ক'লে— চব্বিশ পৰগণাত এখন ডাঙৰ নৈ আছে। বিদ্যাধৰী। নৈখনে নাও বুৰাই ধেমালি কৰে।

মোৰ তেতিয়া আই-বোপাই কোনো নাই, বয়স বাৰ-তেৰ হ'ব। প্ৰাণত আৰু মায়া কিহৰ? ইটো-সিটো শিকি ঘূৰি ফুৰিছোঁ। সাহ কৰি সুধিলোঁ— চব্বিশ পৰগণা চিনি পায় নেকি?

নিচিনিম কিয়? সেইখন এখন ডাঙৰ ঠাই। বহুত দিন যোৱা নাই।

মই এতিয়া কি কৰিম ক'ক। যাম ক'লৈ?

এখন ঠাইৰ নাম ক'ব পাৰোঁ। সেইখন ঠাই তই উলিয়াব পাৰিবি জানো? ঈশ্বৰীতলাৰ কাষেদিয়েই বিদ্যাধৰী বৈ গৈছে। তাত দেখিবি— ডাঙৰ ডাঙৰ নাও অহা-যোৱা কৰে। দেখাত ডুবিৰ নিচিনা। নৈখনৰ গাতে সেই ঠাইটুকুৰা বন্দৰ হৈ পৰিছে। মই তাত এজোপা বট গছ ৰুই আহিছিলোঁ। ইমান দিনে নিশ্চয় জোপোহা হৈ পৰিছে—

এইদৰে কৈয়েই বৰদেউতা শালকাঠনিলৈ উভতি গ'ল। আচৰিত! বালিত খৰমৰ একো সাঁচ বহা নাই, অথচ আমাৰ গোৰোহা সোমাই যায়। তেতিয়াই এবাৰ বট গছৰ তললৈ আহিছিলোঁ, কোনোবাই কয়— ডেৰশ বছৰীয়া গছ। কোনোৱে কয়— এশ পোন্ধৰ বছৰীয়া বুলি। আশে-পাশে বিচাৰিলে আৰু বট গছ নাপায়। বট গছৰ তল বুলিবলৈ নাই। এই এজোপাই গছ। বন্দৰৰ কথা বহুতকে কৈছোঁ। কোনেও একো ক'ব নোৱাৰে। এদিন ডুবিৰ পানীত বুৰ মাৰি মাটি আনোতে ব'ঠা এপাটৰ মূৰটো পালোঁ। চাই আহকগৈচোন—

বাজিকৰে আঙুলি টোঁৱাই যেনি দেখুৱালে অনাথে সেইপিনে গৈ বাজিকৰৰ নতুন ঘৰটোৰ দুৱাৰখনৰ কাষ পালেগৈ।

সেই দুৱাৰখনেই ব'ঠাৰ মূৰ। তেনেহ'লে ভাবক— কিমান ডাঙৰ ডাঙৰ নাও

ইয়ালৈ অহা-যোৱা কৰিছিল। এই ডুবিটোত। এই বট গছৰ তলতে কিমান কিনা-বেচা হৈছিল!

অনাথে ভালকৈ চালে। কাঠৰ ডাঙৰ আহল-বহল ঢালৰ দৰে কাঠ এচটাকে বাজিকৰে দুৱাৰ কৰি লৈছে। এই অঞ্চলত ইমান বহল কাঠ নাই। বাজিকৰক সুধিলে– তেনেহ'লে বৰদেউতাৰ বয়স কিমান?

সোতৰ

তিনিবাৰমান বেংকৰ ৰেজিষ্টাৰ্ড চিঠি ঘূৰাই পঠিয়াইছে বুলি আদালতৰ অৰ্ডাৰ লৈ বেংকৰ মানুহে অনাথৰ ঘৰৰ ৱালত নটিচ এখন আঁৰি থৈ গ'লহি। তিনিটামান কিস্তি অনাথৰ দিয়া হোৱা নাই। বেংকৰ একো দোষ নাই। ৰাতিপুৱাতেই তাড়ি খাই বেচ্ মৌজ কৰিছিল। মানুহ গোট খাইছে, গোলমাল হৈছে, ওচৰ-চুবুৰীয়াসকলে বিনা-পইচাই মজা চাবলৈ আহি জুম পাতিছেহি। এইবোৰ দেখি অনাথৰ খং উঠি গ'ল। সকলোকে তাৰ পৰা যাবলৈ কৈ আহি বহিছেহি মাত্ৰ, এনেতে শান্তাই তেওঁক গোচৰ দিলেহি।

সৰু ছোৱালীজনী মৰ্ণিং স্কুলৰ পৰা উভতি অহা নাই। বৰজনী কলিকতাৰ কলেজত ভৰ্তি হ'বলৈ গ'ল। কাম আছে বুলি লগত নগ'লা। ওষ্টৰ পৰা কালি ৰাতি নিজে ধাৰ কৰি আনি দিছোঁ। টুকুৱে যদি টকাখিনি হেৰুৱাই পেলায়?

চিন্তা কৰিছা কিয়? নেহেৰায়। – কঠটোত বহি লৈ অনাথে অভয় দিলে।

আজিতো অফিচলৈ নোযোৱা?

কোনে ক'লে নাযাওঁ বুলি? – তাৰ পিছত হাঁহি মাৰি ক'লে– মোৰ অফিচলৈ যাবলৈ অকণো মন নাযায় শান্তা।

সেইটো আৰু ক'ব লাগিছেনে? এইকেইদিন অফিচলৈ যাওঁ বুলি বাটে বাটে অনাই-বনাইহে ফুৰিছা! কালি বংশীবাবুৱে কৈছিল।

এ, শান্তা, বংশী আকৌ কেতিয়াৰ পৰা বাবু হ'ল?

নিজৰ কঁকালৰ জোৰত ডাঙৰ হোৱা ল'ৰা। সকলোৱে বাবু বোলে, ময়ো কৈছোঁ।

কিমান সুতত ধাৰ দিলে?

সুত ক'ত? ওষ্টই ঘট ভাঙি লেখি লেখি উলিয়াই দিছে। ছোৱালীজনী বৰ ভাল। টুকু কলেজত পঢ়িব বুলি শুনি তাইৰ কি আনন্দ! এনেকুৱাতে বংশী বাবু আহি ওলালহিঁ–

উস্! আকৌ বাবু বুলি কৈছা কিয়? কেনেবা শুনি।

এই ৰাতিপুৱাখন নিচা নাখাই গা ধুবলৈকে যোৱাচোন।

কি ক'ব খুজিছিলা কোৱা। পিছত পাহৰি যাবা নহ'লে।

পাহৰিম কিয়? বংশী বাবুৱে তোমাক বৰবজাৰৰ মছলাপট্টিত অফিচৰ টাইমত ঘূৰি

ফুৰা দেখিছে। ক'লে— দাদাই কিবা ব্যৱসায়ত লাগিছে নেকি? মই মনে মনে থাকিলোঁ। বংশী বাবু গুচি যোৱাৰ লগে লগে—

আঃ আকৌ বাবু!

শান্তাই কাণসাৰেই নকৰিলে। — ওষ্টই মোক দেখি ক'লে— বৌ, আপুনি আহিব বুলি খবৰ নিদিলে কিয়? মই গাড়ী পঠিয়াই দিলোহেঁতেন।

এইবোৰ বৰমানুহৰ কথা।

বৰমানুহ হ'লেই জানিবা, কিনো হ'ব? বংশী বাবুৱেতো সন্ধ্যাৰ পিছত ওষ্টক লৈ গাড়ীত হাৱা খাবলৈ যায়। কেতিয়াবা কলিকতাত সিহঁতে থিয়েটাৰ চাবলৈও যায়। উভতি আহে নিজৰ গাড়ীতে। ট্ৰেইনৰ বাবে চিন্তা কৰিবলগীয়া নহয়।

মোৰ হাতঘড়ীটো ঘূৰাই দিয়া হ'লেও এটা কথা আছিল।

এবাৰ দি কোনোবাই দুনাই বিচাৰেনে? এইসোপা আৰু নাখাবা। খাই অফিচলৈ যাব নোৱাৰা। মদন-বদনে আজিকালি আৰু দি নাযায়হি। লেতেৰা ভেজাল বস্তু যে খাই আছা, তালৈ মন কৰিছা নে নাই?

সিহঁত দুটাক দেখিলানে?

অঁ, দেখিলোঁ। দুইটা ভায়েক-ককায়েকে মোক দেখি দণ্ডৱতে প্ৰণাম কৰিলে। সিহঁতে ধপাতৰ দোকানত বহি চকীদাৰি কৰে। বংশী বাবুৰ কথা মতে ইটো-সিটো কৰি দিয়ে।

কেনে ধৰণৰ বৈনায়েক সি ভাবি চোৱা। তাক আকৌ বাবু বুলিছা।

কিনো বেয়া কথাটো হ'ল? নিজৰ মানুহ মাতি আনি কাম দিছে। অকলশৰীয়া মানুহ। কোনফালে নো চাব কোৱাচোন। বাৰু, তুমিওতো কৰোঁ বুলিলে ব্যৱসায় কৰিব পাৰা।

তাৰে উপায় বিচাৰি এইকেইদিন বৰবজাৰত ঘূৰিছোঁ। কিন্তু বহুত টকা লাগে।

তাতকৈ বংশী বাবুৰ দোকানতে বহি শিকাচোন অলপ দিন।

তুমি হঁহুৱালা শান্তা।

হাঁহিবলগীয়া কি আছে? বেংকৰ নটিচখন পঢ়ি চোৱাচোন এবাৰ।

সেইখন নটিচত কি লিখা আছে জানো। মই পঢ়ি চোৱাৰ একো দৰকাৰ নাই।

কালি সন্ধ্যা বংশী বাবুৱে ক'লে— বৌ, দাদাই এটা মহৎ কাম কৰিবলৈ গৈ বিপদত পৰিছে। আমি থাকোঁতে আপুনি একো চিন্তা নকৰিব। দেশৰ কামৰ কাৰণে অসুবিধাত পৰিলে দেশৰ মানুহেই সহায় কৰিব লাগিব। দাদাক ক'ব— তেওঁ অকলশৰীয়া নহয়। তেওঁৰ দৰে ভাল মানুহৰ সহায় আমি। আমি আটায়ে তেওঁৰ পাছত আছোঁ। দাদাৰ গাইজনী চ'কচোন — আমি কিমান আপ্‌ডাল কৰি ৰাখিছোঁ।

সেইদিনা সন্ধিয়ালৈ বংশী নিজেই গাড়ীত উঠি আহিল— লগত হিচাপৰ খাতা আৰু কেছিয়াৰ। এন্ধাৰত কোম্পানী বান্ধত বংশী কাপালিৰ গাড়ীৰ পোহৰ বৰ বেছি যেন লাগিল। শান্তাই বৰকৈ কোৱাত অনাথবন্ধু বাৰান্দালৈ ওলাই আহিল।

বাহিৰলৈ আহিয়েই অনাথে চিনি পালে— এ এইখন যে আমাৰ জনতাৰ প্ৰাৰ্থীৰ গাড়ী।

লগত হিচাপৰ খাতা আৰু কেছিয়াৰক লৈ বাৰান্দালৈ উঠি বংশীয়ে অনাথক ক'লে— এইখন ভাল গাড়ী নহয়— চাইকেলৰ নিচিনা। যেনি-তেনি অনায়াসে চলি যায়। চিটবোৰ ভাঁজ কৰি জাপি থৈ দিলে ডেৰ টনলৈকে বস্তু কঢ়িয়াব পাৰি—

এইখন গাড়ী ইয়াত সকলোৰে চিনাকি। আগৰ অষ্টিন। টিউব ফাটিলে শুকান খেৰ সুমাই দক্ষিণা চক্ৰবৰ্তীয়ে চলাইছিল। ভোটৰ পিছত খেদা-খোৱা ড্ৰাইভাৰ এতিয়া বংশীৰ কণাৰ লাখুটি। ল'ৰাটোক অনাথে চিনি পায়। ৰাচবাড়িৰ আদালত-হাটৰ ওচৰতে ঘৰ। কাপালি ষ্টোৰ্চৰ প্ৰ'প্ৰাইটৰক সি বাৰান্দালৈকে আনিলে।

গাড়ীখনৰ কাৰণে আগৰবোৰ মানুহৰ আগত বংশীয়ে লাজ পায়— মানে আগৰে পৰা যিবোৰ মানুহে তাক চিনি পায়, সেইবোৰ মানুহৰ আগত। অনাথবন্ধু সেই অৰ্থত আগৰ মানুহ। এইবোৰ মানুহৰ আগত তাৰ মুখৰ পৰা আপোনা-আপুনি কৈফিয়ৎ ওলাই আহে। নুসুধিলেও সি দিয়ে।

আজি সন্ধিয়াও তাৰ সেয়ে হ'ল।

দক্ষিণা বৰদেউতাই পেলাই থৈছিল। চকাবোৰ বোকাত সোমাই আছিল। নগদ সাতশ তিৰাশী টকাত পুৰণি লোহাৰ দৰত লৈ আহিলোঁ।

আকৌ তিৰাশী টকা কিয়, বংশী?

বৰদেউতাৰ মান বচাবলৈ। মই সাতশৰ কথা কৈছিলোঁ। তেওঁ কোৱা দামটোৰ পৰা সোতৰ টকা কমাব খুজিছিলোঁ। পিছত অলপ খৰচ কৰিবলগীয়া হ'ল। এতিয়া ভালকৈয়ে উঠি ফুৰিছোঁ।

শান্তাই দুৱাৰমুখৰ পৰা ক'লে— তেওঁক ভিতৰলৈ আনি কথা পাতা।

শান্তাৰ এই আদৰ-সাদৰ অনাথে ভাল নাপালে। এবাৰ ভাব হ'ল— শান্তাৰ সৈতে বংশীৰ কোনো হাট-বাট নাইতো? ভাবটো অহাৰ লগে লগে মূৰটো গৰম হৈ গ'ল। শান্তাক আগতেই কৈ-মেলি আহিছে নেকি বংশীয়ে?

বংশীৰ আগৰ ধাৰৰ দুটা কিস্তি দি আৰু দিয়া হোৱা নাই। সেইবাবেও মনটো ভাল লাগি থকা নাছিল অনাথৰ। অনিচ্ছাসত্ত্বেও তেওঁৰ কথাত বংশীৰ প্ৰতি বিনয়, সম্ভ্ৰম ফুটি উঠিছিল।

বংশীয়েও সহজভাৱে মুখামুখি হ'বলৈ টান পাইছিল। সি জানে— তাৰ হাতত এই অনাথবন্ধুৰেই হাতঘড়ী। ঘড়ীটো বৰ ভাল। কামলৈ যাওঁতে ঠিক সময়তে যাব পাৰি। অলপ আগো নহয়, পাছো নহয়।

সেইবাৰৰ অসুখৰ পিছত যেতিয়া দুটামান খাব পৰা হ'ল, তেতিয়া তাৰ প্ৰথম কাম হ'ল— হিচাপ-পত্ৰ ঠিকে-ঠাকে চিজিলকৈ ৰাখিবৰ বাবে সুবোধ নস্কৰক কেছিয়াৰ কৰাটো। বেংক, চেল-টেক্স, দোকান- কৰ— এইবোৰৰ সকলো লেঠা মাৰে সুবোধে। ব্যৱসায়

দোপতদোপে বাঢ়ি যোৱাৰ বাবে সি এতিয়া বৰবজাৰৰ গাদীত বহি টবেকো মাৰ্চেণ্ট শ্ৰীবংশী কাপালি হৈ গ'ল।

কামৰ কথা পাতিবলগীয়া হ'ব পাৰে বুলি সুবোধক বংশীয়ে লগত লৈ আহিছে।

কঠত বহিয়েই কথা-বতৰা হৈছিল। ভূমিকা নকৰাকৈয়ে বংশীয়ে ক'লে— বজাৰ এলেকাত টোপনি নাহে। চব্বিশ ঘণ্টা হৈ-চৈ, কোৰ্হাল। আজৰি উলিয়াই ঘৰ কৰাৰো সময় নাই। আপোনাৰ ঘৰটোকে দি দিয়ক দাদা।

মই ক'ত থাকিম?

আপুনিতো টুকু বাইদেউক কলিকতাৰ কলেজত পঢ়ুৱাব। তেওঁতো ইয়াৰ পৰা ডেইলি পেচেঞ্জাৰ হ'ব নোৱাৰিব।

কিয় নোৱাৰিব? কত ল'ৰা-ছোৱালীয়ে আহ্-যাহ্ কৰিছে।

তেনেকৈ পঢ়া-শুনা ভাল নহ'ব। ট্ৰেইনৰ সময়ৰ একো ঠিক নাই। বাইদেউৰ সহ্য নহ'ব। আপুনি কলিকতাতে থাকিবগৈ লাগিব। সৰুজনী ছোৱালীয়েওতো পঢ়ি আছে।

তাই কলেজ পোৱালৈ সময় আছে।

এদিন তায়ো কলেজত পঢ়িব।

সেইটো কি কথা বংশী? ঈশ্বৰীতলাতো কলেজ হৈছেই। খোজ কাঢ়ি তালৈ পঢ়িবলৈ যাব পাৰিব। আনবোৰ ল'ৰা-ছোৱালী জানো যোৱা নাই? তদুপৰি—

তদুপৰি কি, দাদা?

ঘৰটো বেংকৰ। সিহঁতে টকা পায়। সেইবাবে মৰ্টগেজ আছে।

বেংকলৈ গৈ সেইবোৰ কথা শুনিছোঁ। মেনেজাৰে ক'লে— এতিয়াও সুত একেবাৰে উচল হোৱা নাই। এতিয়াও লেঠা মাৰিব পাৰি।

মোৰ হাতত টকাই নাই।

মোৰ পৰা ল'ক। লৈ ঘৰটো এৰি দিয়ক।

এৰি দিলোঁৱেই জানিবা, তুমি জানো ঘৰ এৰি দিবা?

লেঠা মৰাৰ পিছত আপোনালোক যিমান দিন থাকে থাকক। এনেকৈ বেংকৰ বুকুত ঘৰটো জাহ যাবলৈ নিদিব দাদা। বেংকৰ ধাৰ পৰিশোধ কৰিও, আপোনাৰ হাতত ভালেখিনি টকা থাকিব— মই এনেকৈয়ে ভাবিছোঁ।

অনাথে ল'ৰাটোক নিৰীক্ষণ কৰি অবাক হ'ল। বৰ সুন্দৰকৈ সজাই-পৰাই কথা কয়। ডেৰ বছৰৰ আগতেও ষ্টেচন-বজাৰত ল'ৰাৰ নাম আছিল- ভজা বস্তু বেচা ল'ৰা। তাৰ পিছত কেইদিনমান যোৱাৰ পিছত সকলোৱে মাতিবলৈ লাগিল— হ'লচেলাৰ বংশী বুলি। এতিয়া টবেকো মাৰ্চেণ্ট বি. চি. কাপালি। নামৰ মাজত চন্দ্ৰটো ইমান দিন কেনেকৈ লোপ পাই আছিল জানো! ঈশ্বৰীতলাৰ যাত্ৰা, থিয়েটাৰ, ফুটবল— সকলোতে এতিয়া ঘাই পৃষ্ঠপোষক হ'ল বি. চি. কাপালি।

তোমাৰ ডাঙৰ জেঠেৰী এতিয়া কোন জেলত?

এইবোৰ আলোচনা বংশীয়ে ভাল নাপায়। লাহেকৈ ক'লে– বাঁকুৰাৰ জেলত আছে। তেনেহ'লে আজিলৈ যাওঁ। আপুনি ভাবি চাওক। আগৰ হিচাপ চায় যদি চাব পাৰে, খাতাখন লৈ আহিছোঁ।

অনাথে একো নকৈ মনে মনে থাকিল।

বংশীৰ গাড়ীয়ে কোম্পানী বান্ধ কঁপাই এটা সময়ত গুচি গ'ল।

ৰাতি খাবলৈ বহি অনাথে টুকুক ক'লে– তইতো এতিয়াৰে পৰা কলিকতাত পঢ়িবি। আমি আটাইবোৰে মিলি কলিকতাতে থাকিলে কেনে হ'ব?

ঈশ্বৰীতলা এৰি থৈ আমি গুচি যাম?

যদি যাওঁ?

সেইটো বেয়া হ'ব, দেউতা।

অনাথে মনতে ভাবিলে– টুকুৰে তেওঁক আৰু আগৰ দৰে বাবু বুলি নামাতে।

কিয় বেয়া হ'ব? আমিতো আগতে কলিকতাতে আছিলোঁ। তোৰ চাৰি বছৰতে ইয়ালৈ আহিছিলোঁ। লিলিৰ তেতিয়া কেইমাহমান হৈছিল।

সেইটো ভাল নহ'ব। তুমি যে ইয়াত বহুত কিবা-কিবি কৰিলা।

কলিকতালৈ গৈ আকৌ কৰিম।

বাৰে বাৰে মানুহে পাৰে জানো? পাৰেনে?

কথা আৰু আগ নাবাঢ়িল। আজিকালি অনাথে এটা কথাত বৰ আনন্দ পায়। তেওঁৰ চকুৰ আগতে টুকু ডাঙৰ হৈছে, গহীন হৈছে, ধুনীয়া হৈ পৰিছে। তাইৰো সৰু-সুৰা ইচ্ছা থাকে। অনাথক কয়। এখন ধনেখালি শাৰী দেখিছে গড়িয়াহাটৰ দোকানত, অথবা কিবা প্ৰসাধনী। চেণ্টৰ কথা অনাথৰ ভাল নালাগে। চেণ্ডেল ছিগিলেও সেই কথা অনাথকহে ক'ব। তাৰ তুলনাত লিলিয়ে বাপেকক ইমানকৈ নালাগে।

এই গোটেই কেইদিন অনাথ বৰবজাৰৰ এলেকাটোত ঘূৰিছে। বৌবজাৰতো ঘূৰিছে। মছলাৰ ব্যৱসায় কৰিব? নে প্ৰেছৰ ব্যৱসায়? অৰ্ডাৰ সংগ্ৰহ কৰি আনি সেইদৰে কাম কৰি ডেলিভাৰী দিব। মাৰ্জিন যি থাকে সেয়ে লাভ। ছমাহ ধৰি যদি ঘূৰাঘূৰি কৰিব পাৰিলোহেঁতেন, তেন্তে অফিচকে বাদ দিলোহেঁতেন।

কিন্তু সেইটো কেনেকৈ হ'ব? সংসাৰ চলোৱাৰ ৰাণিং কষ্ট্ ক'ৰ পৰা আহিব? তেওঁৰ হাতত এতিয়া যদি অলপ কেপিটেল থাকিলহেঁতেন, তেতিয়াহ'লে তেওঁ জাঁপ দিবলৈ সাহ কৰিব পাৰিলেহেঁতেন– ধাৰ মাৰি ঘৰটো মোকলাব পাৰিলেহেঁতেন!

বংশীয়ে বেয়া কথা কোৱা নাই। এইদৰে বেংকৰ বুকুত ঘৰটো জাহ যাবলৈ এৰি নিদিব দাদা। টবেকো মাৰচেণ্ট বি. চি. কাপালিয়ে তাক বৰবজাৰতে দেখিছে চাগৈ। কেঁচা জলকীয়া নতুনতে ঈশ্বৰীতলাত এটকা কেজি দৰত পোৱা যায়। সেইবোৰ শুকাই শুকান জলকীয়া বৰবজাৰত কেজিত দহ টকাকৈ চাপ্লাই দিব পাৰিলে ডাঙৰ লাভ।

বহুত কথাই এনেকৈ অংক কৰি মনে মনে অনাথবন্ধুৱে চায়। কিন্তু মূৰকত নিৰ্দিষ্ট

দৰ্মহাৰ চাকৰিলৈ হাজিৰা দিবলৈ উধাতু খাই যায় সদায়। সাহসে নুকুলায়গৈ।

চাওঁতে চাওঁতে শাওণৰ সোতৰ তাৰিখ আহি পালেহি। গোটেই অঞ্চল জুৰি ডোবা, খাল-বিল, পুখুৰী– আটাইবোৰ বাৰিযাৰ পানীৰে চপ্‌চপীয়া হৈ আছে। এবাৰ ৰ'দ ওলায়, এবাৰ বৰষুণ। পথাৰে পথাৰে ধানে সঁজাল ধৰিব খুজিছে। আপ ট্ৰেইনখন ঈশ্বৰীতলাত আহি যেতিয়া ৰয়হি, তেতিয়া ডবাবোৰৰ মজিয়াত বোকা ভৰিৰে খেতিয়কসকল বহি থকা দেখি। এই ট্ৰেইনখনেই যে নিতৌ কলিকতালৈ যায়, তাক কোনেও বিশ্বাস নকৰে। ইয়াৰ চাকৰিয়ালসকলে অফিচ টাইমত ট্ৰেইনত উঠি বিৰক্তিত কয়– এইখন মৰণা-মৰা ৰেল।

সোতৰ শাওণত পীৰ চাহাবৰ দৰগাহলৈ সকলো যায়। স্পেচিয়েল ট্ৰেইন চলে। পাৰ্টিচানৰ আগত দুই-এবাৰ ফজলুল হক চাহাব, চুৰাবৰ্দিও আহিছে। হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান সকলো যায়। কলিকতাৰ চীনা খ্ৰীষ্টিয়ানসকলতো যাবই। ভোগ দিব। মক্কা পুখুৰীত কাগজৰ নাও উটাব। বৰ জাগ্ৰত। মাজাৰত শুই শুই বাবা চাহাবে সকলো কথা শুনে। মানুহে তাকেই কোৱা-কুই কৰে।

অনাথে সকলোকে লৈ যাত্ৰা কৰিলে। দিনৰ ভাগতে কোঠাই কোঠাই চাবি মাৰিলে। গেটতো তলা লগালে। বলাই নাই। বাঘা নাই। শুক্লা নাই। উমা নাই। অৰুণ-বৰুণ নাই। খাচি পাঠা বিক্ৰী হ'ল। থকাৰ ভিতৰত আছেগৈ পাঁচটা বুঢ়া পাতিহাঁহ। কণী নপৰা হ'ল। সিহঁতে এতিয়া খল্‌খলাই খালে-খালে চৰি ফুৰিছে। সাঁতুৰি সাঁতুৰি এই মৌজাৰ পৰা আন এটা মৌজালৈ গৈছে।

বৰপীৰৰ দৰগাহত ভোগ চৰোৱাৰ ইচ্ছা শান্তাৰ বহুত দিনৰ। ঈশ্বৰীতলালৈ আহি তেওঁবিলাকৰ জীৱন নিখুঁত তালত চলি আছিল। যোৱা দুবছৰত কিবা এটা ওলট-পালট হৈ গ'ল। এতিয়া তেওঁ অনাথক এষাৰ কথাও ভালকৈ ক'ব পৰা নাই। অথচ এই ঈশ্বৰীতলাত–

যাত্ৰা চাবলৈ গৈ হ'লফেমিলিয়ে চিজন টিকট কাটি গোটেই ৰাতি একেবাৰে আগত বহি বিষবৃক্ষ, আবুহোচেন, স্বৰ্ণলতা চাইছে। শেহৰাতি উভতি আহোঁতে অনাথে মাছৰ নীলাম বজাৰৰ পৰা জীয়া ৰৌ কিনি আনিছে।

নতুন ঘৰৰ দুৱাৰত ৰং দিয়াৰ সময়ত পইচা বচাবলৈ শান্তাই নিজে ব্ৰাছ মাৰিছে। সৌ সিদিনাহে উমাক বৰণ কৰি আনি ঘৰ গচকোৱা হৈছিল। বাঘা আহিছিল নিচেই পোৱালিতে। লাহে লাহে কি হৈ গ'ল সকলো!

দৰগাহত মানুহৰ ভীৰ ঠেলি আগ বঢ়াই টান। লিলি ঘামি জুৰুলি-জুপুৰি। তাৰ ভিতৰতে বৰষুণ। আকৌ গেলেপা গেলেপা গৰম। আলতীয়া বোকাত জোতাৰ অৱস্থাও কাহিল।

তেওঁবিলাকে উভতি অহা ট্ৰেইন ধৰিলেহি আবেলি পাঁচটাত। সেইখন ট্ৰেইন ঈশ্বৰীতলালৈ আহে আবেলি পাঁচ বাজি কুৰি মিনিটত।

টুকুৱে ক'লে— নামা দেউতা। আমি পালোঁহি।

নামিব নালাগে। বালিগঞ্জৰ টিকট কাটিছোঁ। আজি কলিকতাত ফুৰিম আমি।

এই ভীৰতো লিলিৰ বৰ স্ফূৰ্তি। — বৰ খুড়ীৰ ঘৰলৈ যামনে দেউতা?

কেইবাৰ কৈছোঁ খুড়ী নুবুলিবি, 'কাকী' বুলি মাতিবি।

একেই হ'ল। কথাটো একেটাই দেউতা।

বালিগঞ্জ লৈ আহি অনাথবন্ধুৱে এখন টেক্সি ল'লে।

শান্তাই ক'লে— উভতি গৈ মই হ'লে ভাত ৰান্ধিবগৈ নোৱাৰোঁ।

ৰান্ধিব নালাগে।

শান্তাই ভাবিলে-- অনাথে তেনেহ'লে আজিৰ সাজ হোটেলতে খুৱাব।

টেক্সি আহি শ্ৰীমোহন ৰোডত এটা দুতলা ঘৰৰ মুখত ৰ'লহি। একতলাত গেৰেজৰ ভিতৰত লণ্ড্ৰী। দাঁতিয়েদি দুই তলালৈ উঠাৰ চিৰি।

টেক্সিৰ ভাড়াৰ লেঠা মাৰি অনাথে ক'লে— আহাঁ।

শান্তাই নামিয়েই সুধিলে— ঘৰ কাৰ? তিতি লেতেৰা হোৱা শাৰীখন একেবাৰে চাব নোৱৰা হৈছে। এনে অৱস্থাত কোনোবা ফুৰিবলৈ আহেনে? তোমাৰ যিহে বুদ্ধি!

ব'লাচোন।

ওপৰলৈ উঠি শান্তাই দেখিলে— বাৰান্দাখন বেচ আহল-বহল, তাত নিঅ'নৰ পোহৰ পৰিছে। কাষেদি আৰু এটা ফ্লেট। — কাৰ ঘৰহে?

ভিতৰলৈ আহাঁ।

ক'লৈ? ক'তা, কোনো দেখোন নাই।

অনাথে ক'লে— বহাঁ।

কোনো নাই, বহি কি কৰিম?

ল'ৰা এটা ওলাই আহিল— আহিলে? মই পানী-দুনী সকলো আনি থৈছোঁ।

অনাথে ক'লে— বজাৰখন আজি তুমি কৰি দিব লাগিব ভাইটি।

শান্তাই অবাক হৈ চাই আছে। লিলি-টুকুৰো সেই একে অৱস্থা।

এইটো আমাৰেই ঘৰ টুকু— ভাড়া ঘৰ। পাক মাৰি চাই আহ— তিনিটা কোঠা, দুটা বাথৰুম, কিচেন, ষ্ট'ৰৰুম, কমপেক্ট ফ্লেট।

শান্তাই চোফাত বহি ল'লে। — এইবোৰ খাট-পালেং, চোফাচেট, আলমাৰী— কাৰ?

কিনিবলগীয়া হৈছে। অকণ জিৰাই লোৱা। বজাৰখন আহি পালেহি মই তোমাক হেল্প কৰিম। ষ্ট'ভ, কেৰাচিন সকলো আছে।

লিলিয়ে গোটেই ঘৰটোত এটা পাক মাৰি আহি ক'লে— দেউতা, ঘৰটো বৰ ভাল। এই আটাইবোৰ আমাৰেনে?

আটাইবোৰ আমাৰ।

ইমানপৰ টুকুৱে কোনো কথা কোৱা নাই। এষাৰো মাত মতা নাই।

শান্তাই ক'লে— টকা পালা ক'ত? প্ৰভিডেণ্ট ফাণ্ডৰ পৰা উলিয়ালা নেকি?

বলিয়া হৈছা নেকি? দুজনীকৈ ছোৱালী আমাৰ নাই জানো? তোমাৰ মতে ভৱিষ্যত? তেনেহ'লে?

কথাৰ ভাঁৱৰি-পাক আৰু বেছি কৰি অনাথে ক'লে— অকল ফাৰ্ণিচাৰেই জানো? চেলামি বুলিয়েই দুহেজাৰ টকা দিবলগীয়া হ'ল। ইমান সুন্দৰ পজিচনৰ ঘৰ জানো সহজে পায়! বিউটিফুল লোকেলিটি। টুকু, তই ইচ্ছা কৰিলে ইয়াৰ পৰাই খোজ কাঢ়ি কলেজ কৰিব পাৰিবি।

মোৰ কিতাপ-বহী, দেউতা? — যিটো কথা টুকুৱে ক'ব নোৱাৰিলে, সেইটো হ'ল— তাইৰ পঢ়াৰ টেবুলৰ ড্ৰয়াৰত বিকাশ দাদাৰ কেইখনমান চিঠি আছে। আৰু এপাহ হাড়ৰ পৰা কৰা মল্লিকা ফুল। বিকাশ দাদাই উপহাৰ দিছিল— যোৱাবাৰ দৌল-পূৰ্ণিমাৰ ৰাতি। সেই ফুল বেণীত গুজি থয় টুকুৱে। আবেলি। পোহৰ পৰিলে সঁচাসঁচি ফুল যেন লাগে।

কাইলৈ বা পৰহিলৈ আটাইবোৰ লৈ আহিম।

আমি আৰু ঈশ্বৰীতলালৈ নাযাওঁ নেকি দেউতা?

নাযাওঁ।

ঘৰটো টুকুৰ লোকৰ ঘৰ যেন লাগিছিল। ফুৰিবলৈ ওলাই আহি এনেকৈ ঘৰ এৰা কথা কোনে ক'ত শুনিছে !

বিছনাৰ কাপোৰ-কানি ফাটি গৈছিল, আটাইবোৰ নতুন কৰিছোঁ। কেনে হৈছে শান্তা? খাট-পালেংবোৰ অৱশ্যে ভাড়া কৰা। ঈশ্বৰীতলাৰ পৰা মালবস্তু আনিলে ওভোতাই দিম। এইকেইদিন ঘূৰি ঘূৰি সকলো কৰিছোঁ। — চুইচ টিপি ফেনখনো চলাই দিলে অনাথে। — ফেনকিখনো ভাড়ালৈ আনিছোঁ। বাথৰুমলৈ গৈ গা ধুই আহাচোন। নতুন চাবোন, টাৱেল— সকলো আছে। ৰান্ধনী ঘৰত এমাহৰ বাবে গুড়ি মছলা, ইটো-সিটো খোৱা বস্তু, মাছ-বছা মৈদা, চীনা মাটিৰ প্লেট— আটাইবোৰ থৈছোঁ।

শান্তাই শান্তভাৱে সুধিলে— কেতিয়ানো কৰিলা এইবোৰ?

কেইবামাহো ধৰি। অফিচৰ পিছত অলপ-অলপকৈ কিনি-মেলি ভালকৈ থৈ গৈছোঁ। লণ্ড্ৰীৰ ল'ৰাটোৱে বৰ সহায় কৰিছে।

যাক বজাৰলৈ পঠিয়ালা?

অঁ। এয়া আহিছে। কি মাছ পালা বিনোদ?

তেতিয়াও শান্তাৰ হতভম্ব হোৱা ভাবটো যোৱা নাই। আজিও ৰাতিপুৱা ছাদত উঠি গুড়ি কয়লাৰ গোল গোল গুটি কৰি থৈ আহিছে তেওঁ। পানীত তিতিব পাৰে বুলি ছাদৰ ওপৰৰ সৰু কোঠাটোৰ কাৰ্ণিচৰ আঁৰত ভালকৈ থৈহে শান্তা তললৈ নামিছে। আখাত জুই ধৰা বিচনীখনো খিৰিকিৰ চিকত বেঁকাকৈ গুজি থোৱা আছে।

কাৰৈ আনিছোঁ সাতশ। সস্তাত পালোঁ।

যোৱাঁ। তোমাৰ কাম শেষ। বহুত কৰিছা।

ল'ৰাটোক গেটলৈকে আগ বঢ়াই দি উভতি আহি অনাথে ক'লে– চিন্তা নকৰিবা। গেচো আনি থৈছোঁ। আমাৰ অফিচৰ ডেচপাচাৰ নীৰেন এই চুবুৰিতে থাকে। সিয়েই ঘৰৰ খবৰটো দিলে। গেচৰো ব্যৱস্থা কৰি দিলে। এতিয়া বেচেৰাক হঠাৎ আচানচোলৰ অফিচলৈ বদলি কৰিছে। ফেমিলি অৱশ্যে থৈ গৈছে। তাৰ ঘৈণীয়েকৰ লগত চিনাকি কৰি দিম তোমাক, ভাল লাগিব।

মই কাৰো লগত চিনাকি হ'বলৈ নাযাওঁ। ঈশ্বৰীতলালৈ আমি কেতিয়া যাম কোৱা। লাষ্ট ট্ৰেইনত? এই লিলি? নুশুবি।

আমি আৰু কোনোদিন নাযাওঁ শান্তা। ঈশ্বৰীতলালৈ আৰু কেতিয়াও নাযাওঁ।

কিয় দেউতা?

টুকুৱে আৰু কিবা ক'লেহেঁতেন। 'তই ৰচোন'– বুলি টুকুক কথা ক'বলৈ মানা কৰি শান্তাই জানিব খুজিলে– কিয়? ভালকৈ ফঁহিয়াই কোৱাচোন। ইমানবোৰ টকাই বা তুমি ক'ৰ পৰা পালা? খোলোচাকৈ কোৱা।

আগতে এমুঠি ৰান্ধা। পিছত ৰাতি শুই শুই ক'ম।

নহয়, মই ঈশ্বৰীতলাৰ ঘৰলৈ গৈ তাতহে শুমগৈ। লাষ্ট ট্ৰেইনত গ'লেও যাম।

তেতিয়াতো ৰিক্সা নাপাবা শান্তা। ইমান বাট খোজ কাঢ়িব পাৰিবা?

ৰিক্সা লাগিছে কিয়? সেইটো আমাৰ নিজৰ ঘৰ। তাত আমাৰ সকলো পৰি আছে– শান্তাই আৰু কথা ক'ব নোৱাৰিলে। তলমূৰ কৰি ৰৈ গ'ল। উচুপনিত ডিঙিত সোপা লগাদি লাগিছে। চকুকেইটা ছলছলীয়া। এখন অচিনাকি ঠাইত তেওঁ শুব কেনেকৈ? কেনেকৈ ৰন্ধা-বঢ়া কৰিব? খাবই বা কেনেকৈ?

আজিও দুপৰীয়া সেই ঘৰতে শান্তাই ৰন্ধা-বঢ়া কৰিছে। গণেশৰ মাকৰ পৰা তিনি পোৱা গাখীৰ লোৱা আছে। চাৰিওফালৰ পৰা বন্ধ থাকিলেও ফুলনিৰ ফালৰ খিৰিকিখনেদি মেকুৰী সোমাব পাৰে। চিটকিনি দিয়া হোৱা নাই ; এতিয়াহে কথাটো শান্তাৰ মনত পৰিল।

আৰু কথা মনত পৰিল। শোৱাৰ আগতে ছোৱালীহঁতে, সিহঁতৰ দেউতাকে যিখন পা-পোছত ভৰি মচি বিছনাত উঠে, সেইখন আজি পুৱা ৰ'দত দিছিল। ভাবিছিল– আবেলি আহিলে সুমাই থ'ব। – তুমি ইমানবোৰ টকা ক'ত পালা? তুমি ক'বই লাগিব। বেংকৰ কিস্তি দিওঁতেই আজি কেইমাহমান তোমাৰ হাত উদং হৈ গৈছে!

বংশীয়ে দিছো।

আমাৰ বংশী? ওষ্টৰ গিৰিয়েক বংশী কাপালি? আকৌ ইমান টকা ধাৰ কৰিলা তাৰ পৰা? টুকুৰ কলেজত নাম লগাবলৈ মই ওষ্টৰ পৰা টকা আনিছোঁ।

ধাৰ নহয়, শান্তা। টবেকো মাৰ্চেণ্ট বংশী কাপালিয়ে আমাৰ ঘৰ কিনি লৈছে।

শান্তা থিয় হ'ল– কিনি ল'লে? তুমি সঁচা কৈছা নে মিছা?

সঁচা।

দলিল কেতিয়া কৰিলা?

এতিয়াও কৰা নাই। কৰিব লাগিব। তুমি চহী দিবা – আলিপুৰ ৰেজিষ্টাৰ অফিচলৈ গৈ।

মই নিদিওঁ।

নিদি উপায় নাই শান্তা। বংশীয়ে বেংকৰ ধাৰ সকলো উচল কৰি দিছে। তদুপৰি এইবোৰো বংশীৰ টকাৰেই আনিছোঁ। আমাৰ মালবস্তু লৰীত ৰোজাই কৰি সি নিজেই লৈ আহিম বুলি কৈছে।

এয়া কি কৰিলা, দেউতা?

টুকুৰ মুখেদি আৰু কথা নোলাল।

বৰপীৰৰ দৰগাহত গেলেপা গৰমত ঘূৰা। তাৰ পিছত ট্ৰেইনৰ ভিতৰৰ ভীৰত চেপা খাই অহা-যোৱা। সকলোৰে গাত ঘাম শুকাই আকৌ কেইবাবাৰো ঘাম ওলাইছে। চকুৰ তলত ক'লা দাগ পৰিছে। চুলি আউল-বাউল। তাতে পেটত ভোক। আৰু এতিয়া, এনে এটা ডাঙৰ ঘটনা। এইবোৰ কথা শুনাৰ আগতেই লিলি চোফাখনতে টোপনি গ'ল। শান্তাই তলমূৰ কৰি বহি আছে। টুকু বহাৰ পৰা উঠিছে।

অনাথে ক'লে– ইয়াৰ বাহিৰে মই আন কি কৰিব পাৰোঁ, টুকু? বংশীৰ টকাৰেই মই আকৌ নকৈ জীৱন আৰম্ভ কৰিম বুলি ভাবিছোঁ। অফিচৰ যি য'ত ধাৰ আছিল, শেষ। এই মাহৰ পৰা পূৰা দৰ্মহা পাম। ঈশ্বৰীতলাত বিছনাৰ কাপোৰ, চোলা-কাপোৰ ফাটি গৈছিল। কাইলৈ তোৰ মাৰক লৈ ফুৰিবি। তহঁতৰ দৰকাৰী শাৰী-চাৰী কিনি ল'বি। ৰেকৰ্ড-প্লেয়াৰটো আহিলে নতুন ৰেকৰ্ড কিনিব লাগিব। বংশী হয়তো মাল-বস্তু লৈ কাইলৈ বা পৰহিৰ ভিতৰতে আহিব।

তথাপি ঈশ্বৰীতলা ভাল আছিল, দেউতা।

নাই, নাছিল। আমাৰ ঘৰটো সুতৰ কাৰণেই মৰ্টগেজ দিবলগীয়া হ'ল। ইয়াৰ পিছত আকৌ এটাচ হ'লহেঁতেন। তেতিয়া?

দেউতা, তুমিতো ভাল কাম এটা কৰিবলৈ গৈয়েই বিপদত পৰিলা।

সেই কথাকেনো বুজিলে কোনে? বেংকে? ঈশ্বৰীতলাৰ মানুহে? কোনোবা আহিলনে আগবাঢ়ি? বংশী এতিয়া নতুন ধনী। ইচ্ছা হ'ল, কিনিলে। নহ'লে আন ঠাইত জানো এই টকাখিনিও পালোহেঁতেন?

তুমি খাটি-মেলি, উপাৰ্জন কৰি সেই টকা শুজিব নোৱাৰিবানে? তাত যে আমাৰ বহুত কিবাকিবি আছে।

চাচোন, তহঁতৰ কাৰণে নতুন নেটৰ আঁঠুৱা বিনোদে তৰি থৈছে।

শান্তাই এইবাৰ ভালকৈ লক্ষ্য কৰিলে। – সেইবুলি তুমি বেচি দিবা? সেইটো যে আমাৰ প্ৰথম জীৱনৰ ঘৰ।

আকৌ ঘৰ হ'ব শান্তা।

আকৌ তেনেকৈ খাটিব পাৰিবা? ৰিস্ক ল'ব পাৰিবা? সেই বয়স তোমাৰ আছে জানো আৰু? ঘৰ যদি হয়ো, তেনেকুৱা এটা ঘৰ আৰু নহয়— চাই থাকিবা। এইদৰে কৈ যাওঁতে শান্তাৰ মনত পৰিল— আজিকালি ৰাতি উমা থকা গোহালিৰ দুৱাৰমুখখনে অলপ এন্ধাৰতে ভৰপূৰ হৈ তেওঁৰ ফালে যেন মুখ মেলি চাই থাকে। তেতিয়া ভাব হয়— উমাতো আৰু নাই। সেই কথা মনলৈ আহিলত শান্তাৰ বুকুখন বিষাই উঠিল।

ঈশ্বৰীতলাৰটোতকৈ বহুত ভাল ঘৰ হ'ব আমাৰ, চাই থাকিবা।

তেনেকুৱা আৰু নহয়— তুমি এবাৰো নক'লা মোক।

কাকো কোৱা নাই। বংশীয়ে মানা কৰিছিল। সি আনে নজনাকৈ কিনিব খুজিছিল। আনে জনাটো ময়ো ইচ্ছা কৰা নাছিলোঁ।

সেই ৰাতিও ৰন্ধা-বঢ়া হ'ল। লিলিৰ বাহিৰে তিনিও খাবলৈ বহিল। খালে কেৱল অনাথে, বাকী দুজনে হাতেৰে চুই উঠি গ'ল।

বিছনাত পৰি শান্তাই নিজৰ কথাকে ভাবিলে। নতুন ঠাইত কাৰনো টোপনি আহে! তেতিয়াও কোম্পানী বান্ধৰ ৰাস্তাটো অনাথে বান্ধি শেষ কৰিব পৰা নাই। ৰিক্সা-চাইকেল ওখ-চাপৰ মাটিৰ ওপৰেদি জোকাৰ খাই খাই গৈছিল। অনাথে জঁপিয়াই নামি ক'লে— এই মাটিটুকুৰা কিনিছোঁ, শান্তা। কেনে মুকলি! নহয়নে?

ইয়াত ঘৰ কৰি অফিচ কৰিব পাৰিবা?

বহুতেই কৰিছে দেখোন! পাৰিম।

নিজৰ কথাকে ভাবিছিল শান্তাই। তেওঁৰ মুখখন তেতিয়া কিমান ফ্ৰেছ আছিল। চুলিৰে কপালখন বেছিকৈ ঢাক খাই আছিল তেতিয়া। আজিকালি আঁৰ্চিত নাকৰ দুই ফালে যি বেঁকা ৰেখা দুটা দেখে, সেই দুটা একেবাৰে নাছিল। অনাথতো একেবাৰে ডেকা।

টোপনিয়ে সকলো সময়তে ভাগৰুৱা প্ৰাণীক শাসন কৰি ভাল পায়। কেতিয়ানো টোপনি গ'ল শান্তাই গমকে নাপালে।

মাজনিশা উঠি অনাথে ছোৱালীহঁতৰ কোঠালৈ গ'ল। লিলিয়ে একো গম পোৱা নাই। মৰামানুহ পৰাদি পৰি আছে। ৰাতিপুৱা উঠিহে সকলো কথা গম পাব।

টুকু কুঁচি-মুচি হৈ শুই আছে। ৰাস্তাৰ লাইটৰ পোহৰ আহি পৰিছে সিহঁতৰ আঁঠুৱাখনত। অনাথে কুঁজা হৈ চাই দেখিলে— ছোৱালীজনীৰ চকুৰ তলত চকুলোৰ চিন। একো কৰিব নোৱাৰি। কোঠাৰ লাইট জ্বলাইছিল, অনাথে নুমাই দিলে।

টুকুৱে এদিন সন্তোষ টাকিৰ লগত দৌৰি দৌৰি চৰৰ শাক-পাচলিৰ খেতি চাবলৈ ওলাইছে। জাৰকালিৰ ৰাতিপুৱা। — সন্তোষ দাদা, অলপ ৰোৱাঁ। তোমালোকৰ সৰু বাবু পাছ পৰিছে। দুয়ো একেলগে পাছলৈ চালে।

বিকাশে চুৰিয়া পিন্ধি ইমান দূৰ কাঁইটীয়া বনৰ পৰা নিজক বচাই আহি আছিল।

সেইবাবে পাছ পৰিছে। সন্তোষ টাকিয়ে মুখেৰে এক ধৰণৰ শব্দ কৰিলে। শুনাত— আবা- আবা- আ- আ-

চৰ, ধান খেতি, কোম্পানী বান্ধ, ৰেল লাইন- সকলোতে সেই শব্দ বিয়পি পৰিল। শব্দটো কঁপিছে, দীঘলীয়া হৈ পৰিছে— মাৰ যাব খোজা নাই।

টুকুৰে ভয় খাই মাটিতে বহি দিলে।

কি হ'ল টুকু বাইদেউ? উঠা। ই কি, কান্দিছা কিয়?

তোমাৰ চিঞৰত বুকুৰে ধপ্‌ধপ্ কৰিছে। কি চিঞৰ মাৰিছা এইটো?

সন্তোষ টাকিয়ে হা-হাকৈ হাঁহি দিলে— ডকাইতি কৰি উভতি আহি মুকলি পথাৰ পালেই এই শব্দ কৰিছিলোঁ। গৃহস্থবোৰৰ বুকু কঁপি উঠে।

কিমান দিন তুমি ডকাইতি কৰা নাই, সন্তোষ দাদা?

বহুত দিন হ'ল। কিটিপবোৰেই পাহৰিছোঁ। এতিয়া ডকাইতি কৰিবলৈ গ'লে ধৰা পৰিম, টুকু বাইদেউ!

কিয়?

একেবাৰে অভ্যাস নাই, বাইদেউ।

বিকাশ আহি পালত সিহঁত তিনিও বেগাই যাবলৈ ধৰিলে। এমাইলমান গ'লেই শাক-পাচলি খেতি কৰা মানুহৰ ঘৰ। মুকলি পথাৰত ইমান আঁতৰৰ পৰাই এটুকুৰা সেউজীয়া ঠাই চকুত পৰিছে।

টুকুৰে তিনিওজনকে দেখিবলৈ পাইছিল। — তাই নিজে, বিকাশ, সন্তোষ টাকি। ধানদোৱা পথাৰৰ মাজেদি তিনিওজন গৈ আছে— যেন কিবা এডভেঞ্চাৰতহে ওলাইছে। জাৰকালিৰ পুৱাৰ আৰাম লগা ৰ'দত স্নান কৰি কৰি সিহঁত বেগেৰে গৈ আছিল।

অনাথে হাতত সাৰে ভৰিত সাৰে আহি শান্তাৰ কাযতে শুলেহি। টোপনিয়ে তেওঁক অলপো জোকায়ো নাচালে।

পাটীত পৰি বহুত কথাই তেওঁৰ মনত পৰিল। বংশীয়ে কৈছে। — দাদা, আপুনি নিশ্চিন্তে থাকক। বস্তু-বাহানি সকলো মই লৰীত বোজাই কৰি আনি দিম। তেলৰ বটলৰ সাঁফৰো পৰি নাথাকে।

চেলামি দিবৰ সময়ত অনাথৰ লগত বংশীয়ে নিজে আহি এই ঘৰটো চাই গৈছে।

বেচা-কিনালৈ যোৱা কেইমাহ ধৰি বংশীৰ লগত তেওঁৰ কথা হৈছে। তেওঁ যি বুজিছে, সি হ'ল এনেকুৱা ঘৰ এটাহে নালাগে ছটাও সাজিব পাৰে। কিন্তু ঈশ্বৰীতলাত থাকি — অনাথবন্ধু বসুৰ ঘৰ-দুৱাৰ কিনিলে যি নাম-যশ হোৱাৰ চান্স আছে, সেইটো টবেকো মাৰ্চেণ্টৰ বাবে কম কথা নহয়। সেই কাৰণেই এই ঘৰটো বংশী কাপালিয়ে কিনিবলৈ ইমান ইচ্ছা কৰিছে।

বৰষুণৰ ৰাতি কোম্পানী বান্ধত অনাথে তঁ-তঁকৈ জ্বলি থকা দুটা নীলা মাৰ্বল যেন

বৰ কোবেৰে আহি থকা দেখিবলৈ পালে। দুবাৰমান অকলে অকলে চিঞৰিলে— বাঘা! বা- আ- ঘা- আ-

বৰকৈ চিঞৰাৰ উপায় নাই। কলিকতা চহৰৰ ভাড়া ঘৰ! তথাপি, প্ৰাণৰ কাতৰে চিঞৰি দিবৰ মন গ'ল তেওঁৰ। বৰষুণৰ মাজে মাজে বিজুলী চমক থকা হ'লে বাঘাক অহা দেখা গ'লহেঁতেন! নিৰুদ্বেগ মৃদু গতিৰে সি আহিলহেঁতেন— যেন একেবাৰে কোনোবা জমিদাৰৰ উচ্চপদস্থ কৰ্মচাৰীৰ খোজ-কাটলহে বাঘাই আয়ত্ত কৰি পেলাইছিল।

ভাদ মাহৰ দহ দিন যোৱাত ওষ্টৰ ল'ৰা এটি হ'ল। আঠ দিনৰ দিনা ভজা মটৰ খুওৱা অনুষ্ঠানো[৪] বৰ ধুম-ধামেৰে হৈ গ'ল। কোম্পানী বান্ধৰ আগৰ পৰা গুৰিলৈকে সন্ধিয়া ফুলেৰে সজাই পেলালে বংশীয়ে। অনাথহঁতৰ গোহালি চাফা কৰি বংশীয়ে তাত উমাক ৰাখিছে। তাইৰ ডিঙিতো এডাল টগৰৰ মালা পিন্ধাই দিলে।

ঈশ্বৰীতলাৰ সকলোৱে ক'লে— বংশী কাপালিৰ কপাল ভাল! একে বছৰতে চেঁউৰী পোৱালি, ঘৈণীয়েকৰ কোলাত কেঁচুৱা, তদুপৰি এনেকুৱা ছবি-ছবি যেন লগা ঘৰ। বেচেৰা অনাথ বাবু মানুহজন ভাল আছিল। সকলো বেচি-মেলি শুদা হাতে কলিকতালৈ গুচি গ'ল!

আহিনৰ শেহত ওষ্টই গা টঙাই উঠিল। উঠিয়েই ক'বলৈ লাগিল— হ'লচেলাৰ, এইবাৰ নতুন ঘৰত তুমি দুৰ্গাপূজা পাতা।

বলিয়া হৈছা নেকি? হাতত বিশ দিনৰ সময়ো নাই। ইমান কম সময়ত দূৰ্গাপূজা পাতিব পাৰি নেকি? বলিয়া হৈছা তুমি।

নহয় হ'লচেলাৰ, দুৰ্গাপূজা তুমি পাতিবই লাগিব। ঈশ্বৰীতলাৰ ভাল ভাল মানুহ কেইজনমানক মাতি মই খুৱাম।

তেতিয়াহ'লে অনাথ দাদাকো মাতিব লাগিব। তোমালোকৰ ঘৰখনৰ ইমান উপকাৰী বন্ধু।

নালাগে। সেই মানুহজনক ইয়ালৈ আৰু নামাতিবা। কেৱল কষ্ট দি কি লাভ!

গাঁৱত মানুহ নাখাই নমৰে। একো নহ'লেও, পুখুৰীপাৰতে ভেন্দি-গুটি সিঁচে। মানকচু ৰুই তাৰ গুড়ি সাঁচি থয়। বাৰিষা পানীত ওপঙা মাছ ধৰি খায়। আধা-পেটী হ'লেও জীয়াই থাকে।

এখন ডাঙৰ প্ৰতিমা অনা হ'ল। ওষ্টৰ মাকে পাটৰ শাৰী পিন্ধি সপ্তমীৰ দিনটো বাৰান্দাতে বহি থাকিল। বৰমানুহ জোঁৱাই— তেওঁৰ অৰ্ডাৰ! তদাৰকিত থাকিল দুই এক্সপাৰ্ট — মদন আৰু বদন। ঢুলীয়াসকলে সন্ধি পূজাৰ পুৱাৰে পৰাই ঢোল বজালে। ভট্টাচাৰ্য্যই পালে শকত সিধা।

---

[৪] এই অনুষ্ঠানৰ নাম আঁটকড়াই বা আঁটকৌড়ে

গোসাঁনী উটোৱাৰ পিছদিনা গোটেই ঈশ্বৰীতলাৰ মানুহ আহিল। বংশীয়ে মানুহক উগাৰি-যোৱাকৈ খুৱালে। ব্ৰাহ্মণসকলে গাইপতি চিকাৰূপ এটকাকৈ দক্ষিণা ল'লে।

মানুহৰ ভীৰৰ মাজতে মদনে এবাৰ আহি সৰু ভনীয়েকক ক'লে– অনাথ বাবুক দেখোন ক'ব পাৰিলিহেঁতেন!

নাই, অহা হ'লে কেৱল কষ্টহে পালেহেঁতেন।

বৌ আৰু ছোৱালী দুজনীক অন্ততঃ ক'ব পাৰিলিহেঁতেন।

তেওঁবিলাক মাতিলেও নাহিলহেঁতেন।

খোৱা-বোৱা শেষ হোৱাৰ পিছত মহম্মদ বাজিকৰ আহি হাজিৰ। তেতিয়া গহীন নিশা।

ক'তা, ওষ্টৰাণী ক'ত? মই কিন্তু অকলে অহা নাই, লগত জগেন আছে।

ওষ্ট এতিয়া গৃহস্থনী। তথাপি বাৰান্দালৈ খৰখেদাকৈ ওলাই আহিল। বহক, বহক। আপোনাক খবৰ দিব নোৱাৰিলোঁ। দয়া কৰি আপুনি নিজেই আহি ওলাইছেহি, বৰ ভাল হ'ল।

তাই নিজেই কাষত থাকি দুয়োকে খুৱালে। পৰিবেশন কৰিলে মদন-বদনে।

তোমাৰ চিন্তা কিহৰ? এনে ৰাম-লক্ষ্মণ হেন ককাই পাইছা।

ওষ্টৰ চকু ছলছলীয়া হৈ উঠিল– বৰদাদা এতিয়া কৃষ্ণনগৰ জেললৈ বদলি হৈছে খালাচ পাবলৈ এতিয়াও পাঁচ মাহ বাকী।

এন্ধাৰ কোম্পানী বান্ধত নিজৰ গাৰ দীঘল ছাঁ পেলাই বাজিকৰ গুচি গ'ল। এই মানুহজনেই এদিন তাইক দুপৰীয়া ডুবিৰ পানীৰ পৰা তুলি আনিছিল। নলা হ'লে ওষ্টই অলপ পিছতে ধেলপোঙা দিলেহেঁতেন।

কাতি মাহৰ শেষত ধান গাখীৰতী হ'ল। কাতিমহীয়া দাবলগীয়া ধান পকিছে। খাল, বিল, ডোবাৰ পানী কমি আহিল। ওষ্টৰ ল'ৰাই এতিয়া হঁহুৱালে হাঁহে। তাক চোৱা-চিতা কৰাৰ ডিউটি মদনৰ। বদন থাকে ধপাতৰ দোকানত। বংশীৰ গা ধোৱা-খোৱা-বোৱাৰ সময়েই নাই। বালিগঞ্জৰ ৰেল গুদামৰ পৰা টেম্পোত মাল উঠোৱা হৈছে। প্ৰতিটো ৰেগনৰ গুদাম বাবুক তামোল খুৱাবলগীয়া হৈছে।

ঈশ্বৰীতলা ষ্টেচনত দুপৰীয়া এক বাজি উনষাঠি মিনিটৰ ডাউন ট্ৰেইনখন আহি ৰ'লহি। কোলে মাৰ্কেটত শাক-পাচলিৰ বোজা নমাই যিবোৰ মানুহ উভতি আহে, সিহঁতেই এইখন ট্ৰেইনৰ পৰা নামি লৰালৰিকৈ ঘৰলৈ যায়গৈ। গা ধুব লাগিব, খাব লাগিব।

ষ্টেচন-বজাৰত দোকান খোলা থাকিলেও এতিয়া প্ৰায়বোৰ দোকানতে সকলো বহি ভাত-ঘুমটি মাৰিবলৈ চিলমিলায়। অনাথৰ ফালে কোনেও উভতিকে নাচালে। এজন লিডাৰ মৰাৰ বাবে আজি পুৱা বেলাতে অফিচ ছুটী হ'ল।

কোম্পানী বান্ধত উঠি অনাথ অবাক হৈ গ'ল। আকৌ এই পথাৰবোৰত কোনে খেতি কৰিলে? কেইজনমান কামলাই ধান নিৰাই আছিল। চাই দেখিলে— এইবোৰ ইয়াৰ মানুহ নহয়। অভাৱত পৰিহে মানুহে খাটিবলৈ আহিছে। এজনক মাতি সুধিলে— কাৰ খেতিহে?

কাপালি ডাঙৰীয়াৰ।

অনাথে মূৰ তুলি চালে। তেওঁৰ ঘৰটোও চিনিব নোৱৰা হৈছে। বংশীয়ে চূণ-তেল দিছে। ঘৰটোৰ ওচৰলৈ আহি দেখিলে— পুখুৰীৰ পানীত দুৰ্গা প্ৰতিমাৰ জঁকাটো পানী শুকাই যোৱাত ওপঙি উঠিছে। মনতে ভাবিলে— ইয়াত আজিকালি মানুহে গোসাঁনী উটাব পৰা হৈছে। ভালেই হৈছে।

কুকুৰাৰ ডাক শুনি তেওঁৰ মনৰ জড়তা আঁতৰি গ'ল। এইবাৰ সঁচাই তেওঁ চক খাই উঠাৰ কথা। কুকুৰা-গড়ালত এজাক লেগহৰ্ণ ঘূৰি ফুৰিছে। গড়ালটো মেৰামত কৰি কাপালিয়ে একেবাৰে নতুন কৰি তুলিছে। পোৱালিবোৰ কথমপি তিনিমহীয়া হৈছে। বেচ শকত-আৱত। অনাথৰ নিজৰ অলপ গৰ্ব হ'ল। মই তেনেহ'লে এসময়ত বংশীৰ স্বপ্নৰ মানুহেই আছিলোঁ।

তেতিয়া উমাই তেওঁক মাতিছিল। — অনাথ বাবু, অনাথ বাবু, শিলিখাতলৰ ছাঁত আহি ৰোৱাহি। ৰ'দে ধৰিছে বৰকৈ।

অনাথে জানিছিল— উমা ইয়াতে আছে। তেওঁ কেউফালে চালে। ঘৰটো এতিয়া বংশী কাপালিৰ। ভিতৰ ফালৰ পৰা সকলো দুৱাৰ-খিৰিকি বন্ধ। বৰমানুহৰ ঘৈণী ওষ্টৰাণীয়ে এতিয়া ঘৰ এন্ধাৰ কৰি শুইছে। ল'ৰাটো সৰু। ৰাতি চাগৈ সি একেবাৰে টিপ মাৰিবলৈকে নিদিয়ে। ভাদৰ মাজমানত এবাৰ বংশীক কেনিং ষ্ট্ৰীটতে লগ পাইছিল।

অনাথে মাতটো গহীন কৰি আগলৈ গৈ ডাক দিলে— হাম্বা- আ- আ—

উমাই শুনিলে— ধন্যবাদ।

অনাথ আৰু নৰ'ল। বান্ধেদি গৈ পোনে পোনে পথাৰ পালেগৈ। এইবাৰ সৰু সৰু আলিয়েদি বিদ্যাধৰীৰ ডুবিৰ ফালে যাব। দুইফালৰ পথাৰ পকা ধানেৰে পূৰ হৈ আছে। গছ হালিছে-জালিছে। ওপৰৰ আকাশ নিৰ্মল। উমাক বৰ ক্ষীণ যেন লাগিল আজি। বট গছৰ তললৈ এতিয়াও দুমাইলৰ বেছি আছে।

□

Lasertypeset at Purbadesh Mudran, Guwahati-781 008
Printed at Tarang Printers, Delhi-110 092